কামৰূপ ৰত্নমালা

(৩য় খণ্ড)

সম্পাদনা

ৰমেশ চন্দ্ৰ কলিতা

ভৰত চন্দ্ৰ ডেকা

কামৰূপ জিলা সাহিত্য সভা

গোলোক ৰায়মেধি স্মৃতি প্ৰকাশন

ললিত চুবুৰী, ললিত কুটীৰ

হেমপ্ৰভা ৰায়মেধি পথ

হাতীগাওঁ, গুৱাহাটী–৭৮১০০৬

KAMRUP RATNAMALA —A Collection of biography of 24 (Twenty four)Important persons of Kamrup Dist, collected and edited by Ramesh Ch. Kalita and Bharat Ch. Deka , Guwahati and Published by Golok Roymedhi Smriti Prakashan, Lalit Chuburi, Lalit Kutir, Hemaprabha Roymedhi Path, Guwahati—5, Price Rs.30'00 Only.

কামৰূপ ৰত্নমালা
(৩য় খণ্ড)
সম্পাদক
শ্ৰী ৰমেশ চন্দ্ৰ কলিতা
শ্ৰী ভৰত চন্দ্ৰ ডেকা
ডি, টি, পি-
উষাৰাণী তালুকদাৰ,
নাজিবুৰ ৰহমান

বেটুপাত : অতুল বৰুৱা

প্ৰথম প্ৰকাশ : ১৯৯৪ চন

প্ৰকাশক-
গোলোক ৰায়মেধি স্মৃতি প্ৰকাশন
ললিত চুবুৰী, ললিত কুটীৰ
হেমপ্ৰভা ৰায়মেধি পথ
হাতীগাওঁ,গুৱাহাটী-৭৮১০০৬

মূল্য : ৩০ টকা

মুদ্ৰণ :
নতুন দিন প্ৰিন্টাৰ্ছ
শক্তিভৱন,
কমল নাৰায়ণ চৌধুৰী পথ
শক্তিগড়
গুৱাহাটী-৫

সম্পাদকৰ এআষাৰ

জীৱনী সংগ্ৰহ কৰা যদিও দেখাত উজু যেন লাগে, দৰাচলতে সিমান উজু নহয়। জীৱনী লিখিবলৈ যোৱাৰ আগেয়ে এটা কথা লক্ষ্য কৰিব লাগিব-ইয়াৰ বুৰঞ্জী, ব্যক্তি আৰু সাহিত্য। এই তিনিটাৰ সংমিশ্ৰণ ঘটিলেহে প্ৰকৃত জীৱনী সাহিত্য ৰচা সম্ভৱ হৈ উঠে। অতীতক বোমন্থন কৰি ভবিষ্যতত আশাৰ বাণী সঞ্চাৰ কৰিবলৈ বৰ্তমান চলি থাকিব লাগিব। ভবিষ্যতৰ বংশধৰ সকলক অতীতৰ মহাপুৰুষ সকলৰ জীৱনৰ লগত সম্যক পৰিচয় কৰি দিয়াটো বৰ্তমান সাহিত্যিক সকলৰ মহৎ কৰ্তব্য হোৱাতো বাঞ্চনীয়। সেই তাহানিতে জীৱনী লিখক জনচনে এযাৰ মন্তব্য দিছিল, জীৱনী লিখকৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি-"জীৱনৰ সেই ঘটনাৱলী আৰু কাৰ্যকলাপৰ মনোৰঞ্জক বৰ্ণনা। যত ব্যক্তিবিশেষৰ আটাইতকৈ ডাঙৰ মহানতাৰ পৰা সৰুসুৰা কথালৈকে সকলো লিপিবদ্ধ কৰা হয়।" এইটো সূত্ৰ অৱলম্বনে বৰ্তমান আওপুৰণি হৈছে।

অসমীয়া সাহিত্যত জীৱনী পুথি ৰচনা কৰা আৰম্ভ হয় সপ্তদশ শতিকাৰ পৰা। গদ্য আৰু পদ্য উভয়তে তেতিয়া চৰিতপুথি ৰচনা কৰা হৈছিল। কিন্তু এই চৰিত পুথিসমূহত বহুতো কথা অতিৰঞ্জিত কৰি ভুল তথ্যও সন্নিবিষ্ট কৰা হৈছিল। কিয়নো যাইকৈ শিষ্য প্ৰশিষ্যবিলাকে গুৰুসকলৰ জীৱনী পুথি ৰচনা কৰোতে দোষ ত্ৰুটীবোৰ আঁতৰাই ৰাখি গুণাৱলীকে বৰ্ণনা কৰিছিল। তথাপিতো সেইবোৰত কিছু পৰিমাণে হলেও সমসাময়িক সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জীৰ উপাদান পোৱা গৈছিল। কিন্তু আধুনিক যুগত এনে ধৰণৰ জীৱনী ৰচনা কৰা হোৱা নাই। হলেও সংখ্যাত তাকৰ। আধুনিক যুগৰ জীৱনী সাহিত্যৰ বাটকটীয়া হ'ল ১৮৮০ খৃঃত গুণাভিৰাম বৰুৱাই লিখা "আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত" খনি। এইখন এখন আদৰ্শ জীৱনী পুথি। জীৱনী পুথি লিখিবলৈ হলে লেখকজনে নায়কজনৰ সান্নিধ্যত থাকিব লাগিব। নতুবা দূৰৰ পৰা বা তৃতীয় ব্যক্তিৰ পৰা তথ্য সংগ্ৰহ কৰিব লাগিব। নতুবা অইনে সংগ্ৰহ কৰা তথ্যৰ পৰা নিজাববীয়াকৈ লিখি উলিয়াব লাগিব। জীৱনী সাহিত্য দুই ধৰণৰ-নিজে নিজৰ জীৱনী লিখা আৰু আনে লিখি উলিওৱা। নিজে লিখা জীৱনীক 'আত্মজীৱনী' বুলি আখ্যা দিব পাৰি। বৰ্তমান যুগত এই দুয়োবিধ জীৱনীৰে অভাৱ নাই। অসমীয়া সাহিত্যৰ কেবাজনো প্ৰবীন নবীন লেখকে বিভিন্ন বিখ্যাত লোকৰ জীৱনী লিখি উলিয়াই জীৱনী সাহিত্যৰ ভৰাল চহকী কৰি তুলিছে। তেনেদৰে কেবাজনো বিখ্যাত সাহিত্যিকেও আত্মজীৱনী লিখি এই দিশ চহকী কৰি তুলিছে। আনহাতে এটা কথা এইখিনিতে উল্লেখ কৰা ভাল হব যে সৰু সৰু ল'ৰা-ছোৱালীৰ বাবে জীৱনী লিখোতে সদায় লেখক সকলে নায়কজনৰ দোষবোৰ লিপিবদ্ধ নকৰে। পাৰে মানে তেওঁলোকৰ গুণাৱলীহে লিখিবলৈ চেষ্টা কৰে। কিয়নো সৰু সৰু ল'ৰা ছোৱালীক তেওঁলোকৰ বেয়া গুণবোৰ উদঙাই দিয়াতো অনুচিত। সেইবোৰ জীৱনী পঢ়াৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ উপকাৰতকৈ অপকাৰ হোৱাহে পৰিলক্ষিত হব

যাহওক, এনেধৰণৰ জীৱনী সাহিত্য লিখাৰ ধাউতি বৰ্তমান ব্যক্তিগত ভাবে আৰু সমূহীয়াভাবে হোৱা পৰিলক্ষিত হৈছে। কেবাজনো ব্যক্তিৰ জীৱনী বহুতে ব্যক্তিগত ভাবে লিখি উলিয়াই প্ৰকাশ কৰি উলিয়াইছে। তেনেদৰে সাহিত্য-সাংস্কৃতিক অনুষ্ঠান বা সংঘবোৰেও এনেদৰে জীৱনী লিখাৰ প্ৰচেষ্টা হাতত লৈছে। এনেদৰে তেওঁলোক কৃতকাৰ্য হোৱাও দেখা গৈছে। কিয়নো বৰ্তমান যুগটো যিহেতু জীৱনী সাহিত্যৰ যুগ বুলি একপ্ৰকাৰ আখ্যা দিব পাৰি। বৰ্তমান পাঠকসকলৰ অতীত বুৰঞ্জী জানিবৰ ইচ্ছা প্ৰবল হৈ উঠিছে আৰু লগে লগে মনস্তত্বৰ প্ৰতিও প্ৰবল ধাউতি বাঢ়িছে। এনেধৰণৰ ধ্যান-ধাৰণা আৰু লক্ষ্যকে সাৰোগত কৰি কামৰূপ সাহিত্য পৰিষদে (অবিভক্ত) আজিৰ পৰা একুৰি বছৰ আগেয়ে আঁচনিভুক্ত কৰি কামৰূপ জিলাত জন্মগ্ৰহণ কৰা বৰেণ্য প্ৰয়াত ব্যক্তিসকলৰ জীৱনী খণ্ড-খণ্ডকৈ প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল। তাৰ ফলস্বৰূপে ইতিমধ্যে 'কামৰূপ ৰত্নমালা'ৰ দুটা খণ্ড প্ৰকাশ হৈ ওলাল। এইবোৰত যাইকে কামৰূপ জিলাত জন্মগ্ৰহণ কৰা বিভিন্ন বৰেণ্য ব্যক্তিৰ সাহিত্যিক দিশটোহে প্ৰকাশ কৰিছিল। সাহিত্য সেৱাৰ ক্ষেত্ৰত তেখেত সকলৰ থকা বিভিন্ন অৱদানৰ কথা উক্ত জীৱনীত উল্লেখ কৰা হৈছিল। দুটা খণ্ড প্ৰকাশ হোৱাৰ পিছত ৩য় খণ্ডটি প্ৰকাশৰ বাবে কাম হাতত লোৱা হয়। ইয়াৰ সম্পাদনাৰ দায়িত্ব অৰ্পন কৰা হয় প্ৰয়াত ড° হেমন্ত কুমাৰ শৰ্মা আৰু ড° ৰামচৰণ ঠাকুৰীয়া দেৱৰ হাতত। তেখেত সকলে অশেষ কষ্ট কৰি প্ৰায় কুৰিগৰাকী কামৰূপৰ প্ৰয়াত মহান ব্যক্তিৰ জীৱনী বিভিন্ন লেখকৰ হতুৱাই লিখাই আনি সম্পাদনা কৰি ৰাখে। এয়া ১৯৭৫/৭৬ চন মানৰ কথা। সাহিত্য পৰিষদৰ নিজস্ব পুঁজিৰ অভাৱৰ বাবে সদাশৰ প্ৰকাশক সকলৰ বদান্যতাৰ ওচৰত আশা কৰিবলৈ বাধ্য হয়। সেই আশাৰ প্ৰতি সঁহাৰি আগবঢ়ায় অসমৰ এটা আগশাৰীৰ প্ৰকাশন প্ৰতিষ্ঠান 'বাণীপীঠে'। উক্ত প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী শ্ৰী যুত অম্বিকাপদ চৌধুৰীয়ে গ্ৰন্থখনিৰ পাণ্ডুলিপিটো প্ৰকাশ কৰাৰ বাবে অতি আগ্ৰহেৰে গ্ৰহণ কৰে। কিন্তু দুৰ্ভাগ্যৰ কথা যে ছপা কৰাই দিওঁ বুলিও ৰাখি থৈ মূল পাণ্ডুলিপিটো ১৯৮৮ চনত কামৰূপ জিলা সাহিত্য সভাৰ কৰ্মকৰ্তা সকলক ঘূৰাই দিয়ে। ইতিমধ্যে অবিভক্ত কামৰূপ সাহিত্য পৰিষদ বিভক্ত হৈ তিনিখন জিলা সাহিত্য সভাত পৰিণত হয়। কিতাপখনিৰ পাণ্ডুলিপিটো কামৰূপ জিলা সাহিত্য সভাৰ এক্তিয়াৰৰ ভিতৰলৈ আহে। উক্ত গ্ৰন্থখনিৰ অন্যতম সম্পাদক ড° হেমন্ত কুমাৰ শৰ্মাবো আকস্মিক ভাবে পৰলোক প্ৰাপ্তি হয়। আন এগৰাকী অন্যতম সম্পাদক ড° ৰামচৰণ ঠাকুৰীয়াই অসম সাহিত্য সভাৰ বিভিন্ন পদ লাভ কৰি কামত ব্যস্ত হৈ পৰে।

ফলস্বৰূপে গ্ৰন্থখনিৰ পাণ্ডুলিপিটো এলাগীৰ নিচিনা হয়। পূৰ্বতে উল্লেখ কৰাৰ দৰে প্ৰকাশৰ অভাৱত পুনৰাই জিলা সাহিত্য সভাৰ কাৰ্যালয়ত্ আলমাৰীত পৰি থাকে। যাহওক যোৱা বছৰ জিলা সাহিত্য সভাৰ সভাপতি হিচাবে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হয় বিশিষ্ট সাহিত্যিক, নাট্যকাৰ শ্ৰী কৃষ্ণ ৰায়মেধি ডাঙৰীয়া। তেখেতৰ ব্যক্তিগত আগ্ৰহ আৰু প্ৰচেষ্টাৰ ফলস্বৰূপে এই গ্ৰন্থখনি প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰে গুৱাহাটীৰ অন্যতম আগশাৰীৰ প্ৰকাশন প্ৰতিষ্ঠান 'গোলোক ৰায়মেধি স্মৃতি প্ৰকাশনে'।

যোৱা বছৰ জিলা সাহিত্য সভাৰ কৰ্মকৰ্তা সকলে এই গ্ৰন্থখনি সম্পাদনাৰ দায়িত্ব অৰ্পন কৰে আমাৰ ওপৰত। আমি পূৰ্বৰ জীৱনী কেইটাৰ উপৰিও নতুনকৈ

দুটা জীৱনী ইয়াত সন্নিবিষ্ট কৰো। দুৰ্ভাগ্যৰ কথা যে ইয়াৰ কেবাজনো লেখকে ইতিমধ্যে ইহলীলা সম্বৰণ কৰিলে আৰু তেখেতসকলৰো জীৱনী ইয়াত সন্নিবিষ্ট কৰিব লগা হয়। ইয়াৰ ভিতৰত সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা, আচাৰ্য ৰজনীকান্ত দেৱশৰ্মা আৰু ভীমকৰ্মা পুৰুষ গিৰিধৰ শৰ্মাৰ জীৱনীৰ কথা উল্লেখ কৰিব পাৰি।

যাহওক কেবাবছৰ বিৰতিৰ মূৰত 'কামৰূপ ৰত্নমালা'ৰ ৩য় খণ্ডটি এইবেলি পাঠকৰ হাতত তুলি দিব পৰা বাবে আমি ধন্য মানিছো আৰু ইয়াৰ গুণাগুণ বিচাৰৰ বাবে সহৃদয় পাঠকৰ ওপৰত এৰি দিছো। সম্পাদনাৰ দৰে গধুৰ দায়িত্ব এটি দিয়া বাবে আমি এই ছেগতে জিলা সাহিত্য সভাৰ কৰ্মকৰ্তা সকলৰ শলাগ লৈছো। লগতে অবিহণা আগবঢ়োৱা বাবে বিশিষ্ট লেখক সকলৰ ওচৰতো কৃতজ্ঞতা প্ৰকাশ কৰিছো। কিতাপখনি প্ৰকাশ কৰি দিয়া বাবে গোলোক বায়মেধি স্মৃতি প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰী মতী মীনাকুমাৰী বায়মেধি আৰু 'নতুন দিন' ছপাশালৰ কৰ্মীবৃন্দৰ শলাগ লৈছো।

শেষত ভুল ত্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো।

ইতি
বিনীত

ৰমেশ কলিতা
ভৰত চন্দ্ৰ ডেকা
সম্পাদক
কামৰূপ ৰত্নমালা,
৩য় খণ্ড

১৬ জানুৱাৰী
১৯৯৪ চন।

সভাপতিৰ একাষাৰ

কামৰূপ জিলা সাহিত্য সভাৰ এই বছৰৰ প্ৰথমখন কাৰ্যনিবাহক সভাত কেইবাগৰাকীও মাননীয় সদস্যই 'কামৰূপ ৰত্নমালা'ৰ তৃতীয় খণ্ডটো যেনে তেনে প্ৰকাৰে এই বছৰতে অৰ্থাৎ আমাৰ কাৰ্যালয়ৰ ভিতৰতেই ছপা কৰি উলিওৱা কথাটোত গুৰুত্ব বুজাই আমাক অনুৰোধ জনালে। এই সভাতে উপস্থিত থকা অন্যান্য সদস্যৰ লগতে প্ৰাক্তন সভাপতি শ্ৰী চিত্ৰ মহন্তই এই কথাও দোহাৰিলে যে, আজি কেইবা বছৰৰ পৰাই এই গ্ৰন্থখনি যুগুত কৰি উলিওৱা কথাটোত গুৰুত্ব দিয়া হৈছিল যদিও কামটো আজিলৈকে হৈ উঠা নাই। কোনোবা এটা বছৰত এই গ্ৰন্থখনৰ সম্পাদক হিচাবে ড° হেমন্ত শৰ্মাকো মনোনীত কৰা হৈছিল। ড° শৰ্মা মোৰো এগৰাকী বিশিষ্ট বন্ধু আছিল আৰু অসম সাহিত্য সভাৰ সম্পাদক, উপ-সভাপতি আৰু এগৰাকী নিষ্ঠাবান কৰ্মী আছিল।

পৰৱৰ্তী বছৰ সমূহত কামৰূপ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক কমিটিয়ে বিভিন্ন পৰিস্থিতিত এনেদৰে সম্পাদক সলাই সলাই নতুন সম্পাদক মনোনীত কৰাত একেবাৰে শেহতীয়া সিদ্ধান্ত মৰ্মে শ্ৰী ৰমেশ চন্দ্ৰ কলিতা আৰু শ্ৰী ভৰত ডেকা সম্পাদক হিচাপে মনোনীত হৈ আছিল। এই বছৰৰ কাৰ্যনিবাহক কমিটিয়ে নতুন সম্পাদক মনোনীত নকৰি তেখেত দুয়োজনকেই সম্পাদক হিচাবে গ্ৰন্থখনি যুগুত কৰি উলিওৱাৰ দায়িত্বভাৰ অৰ্পণ কৰে। শ্ৰী কলিতা সেই সভাত উপস্থিত নাছিল। সিদিনাখন মোৰ বিশিষ্ট বন্ধু ড° হেমন্ত শৰ্মাৰ স্মৃতিয়ে মোক ব্যথিত কৰি তুলিছিল; আনহাতে 'কামৰূপ ৰত্নমালা'ৰ প্ৰণয়নৰ গুৰুত্বও আমি গভীৰভাবে উপলব্ধি কৰিছিলো। সেয়েহে বোধহয় সেই সভাত উপস্থিত থকা অন্যতম সম্পাদক শ্ৰী ভৰত ডেকাক আমি সভাৰ মাজতে কৈ পেলাইছিলো, –"ডেকা, আপুনি অন্যান্য কামবোৰ কৰক, প্ৰকাশকৰ ব্যৱস্থা মই কৰিম।" 'কামৰূপ ৰত্নমালা'ৰ তৃতীয় খণ্ড পোহৰলৈ অহাৰ বাটত এয়া পূৰ্বাভাষ কাহিনী।

কাৰ্যনিবাহক সভাৰ পিচৰে পৰা কেইবা মাহলৈ কেইবাগৰাকীও সদাশয় প্ৰকাশকক 'কামৰূপ ৰত্নমালা'ৰ তৃতীয় খণ্ড প্ৰকাশ কৰিবলৈ সনিৰ্বন্ধ অনুৰোধ জনোৱাৰ পিচতো তেখেত সকলৰ পৰা কোনো ধৰণৰ সঁহাৰি নাপাই অৱশেষত আমি নিজেই অবৈতনিক সভাপতি হিচাবে জড়িত হৈ থকা গোলোক ৰায়মেধি স্মৃতি প্ৰকাশনৰ তৰফৰ পৰা গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলো। এই সিদ্ধান্তৰ পিছত প্ৰকাশনৰ সম্পাদিকা শ্ৰী মতী মীনাকুমাৰী ৰায়মেধি আৰু প্ৰকাশন গোষ্ঠীৰ লগত বিশেষ ভাবে জড়িত হৈ থকা কামৰূপ জিলা সাহিত্য সভাৰ মুখপত্ৰ 'কামৰূপা'ৰ প্ৰাক্তন সম্পাদক তথা 'নতুন দিন' কাকতৰ সম্পাদক শ্ৰী মতিউৰ ৰহমানক মই বিশেষভাবে অনুৰোধ জনাই কওঁ যাতে এই গ্ৰন্থখনি যেনেতেনে প্ৰকাৰে ছপা হৈ ওলায়। শ্ৰী ভৰত ডেকাকো এওঁলোকৰ লগত এই মৰ্মে সততে যোগাযোগ ৰাখিবলৈ অনুৰোধ জনাওঁ।

এনেদৰেই ছপাৰ কাম আৰম্ভ হয়। ছপাৰ কাম পূৰ্ণগতিত চলি থকা সময়ত শ্ৰী ৰহমানে 'কামৰূপা'ৰ পঞ্চদশ খণ্ডৰ শেষ পৃষ্ঠাত ছপোৱা কামৰূপ জিলা সভাৰ প্ৰকাশিত গ্ৰন্থসমূহৰ তালিকাখন দেখি আমাক মাজতে কয়হি বোলে 'কামৰূপ ৰত্নমালা'ৰ ৩য় খণ্ডটো দেখোন আগতেই ছপা হৈ গৈছে। শ্ৰী ৰহমান অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদকেই নহয়, সাহিত্য সভাৰ এগৰাকী সচেতক, নিষ্ঠাবান কৰ্মীও। সেয়েহে এই কথাটোত শ্ৰী ৰহমান সচকিত হৈ উঠাটো তেনেই স্বাভাৱিক। আমি লগে লগে সম্পাদক শ্ৰী ভৰত ডেকাক যোগাযোগ কৰিবলৈ চেষ্টা কৰিলো যদিও শ্ৰী ডেকা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটিৰ কোষাধ্যক্ষ হোৱা হেতুকে সভাৰ কামত গুৱাহাটীৰ বাহিৰৰ বিভিন্ন ঠাইত ব্যস্ত হৈ থকাত তেওঁৰ লগ কৰাটো সহজ নহ'ল। উপায়ন্তৰ হৈ মই শ্ৰী ৰহমানকে জিলা সভাৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সম্পাদক সকলৰ পৰা কথাটোৰ সত্যাসত্য নিৰূপণ কৰিবলৈ অনুৰোধ জনাওঁ যাতে আমাৰ কাৰ্যকালতেই এটা সাংঘাতিক ভুল কাম হৈ নাযায়। এই সম্পৰ্কে জিলা সভাৰ প্ৰাক্তন সম্পাদক শ্ৰী জিতেন পাটোৱাৰীৰ, বৰ্তমানৰ সম্পাদক শ্ৰী ধীৰেন শৰ্মাৰ লগতো যোগাযোগ কৰা হয়। এনে ধৰণেৰে শেষত নিশ্চিত হলো যে 'কামৰূপ ৰত্নমালা'ৰ ৩য় খণ্ড প্ৰকাশ নোহওঁতেই প্ৰকাশিত গ্ৰন্থ হিচাবে তালিকাভুক্ত কৰি উক্ত সংখ্যা 'কামৰূপা'ত এটা ভুল তথ্য পৰিবেশন কৰা হৈছিল। 'কামৰূপ ৰত্নমালাৰে' ৩য় খণ্ড প্ৰকাশৰ জন্ম যন্ত্ৰণাৰ কাহিনীৰ সম্যক আভাষ মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে দাঙি ধৰা হ'ল। কিয়নো ভুল তথ্য পৰিবেশনে ভৱিষ্যতৰ মানুহৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰে। সিবোৰ যিয়েই নহওঁক, অৱশেষত 'কামৰূপ ৰত্নমালাৰ' ৩য় খণ্ডটো আমাৰ কাৰ্যকালতেই ৰাইজৰ হাতত তুলি দিয়াটো সম্ভৱ হোৱা হেতুকে আমাৰ নিজকে দায়মুক্ত হোৱা যেন ভাব হৈছে।

গ্ৰন্থখনি ছপা হৈ ওলোৱাৰ ক্ষেত্ৰত 'নতুন দিন' কাকতৰ নিৰ্ভীক সম্পাদক শ্ৰী মহম্মদ মতিউৰ ৰহমান আৰু শ্ৰী ভৰত ডেকা সৰ্বাগ্ৰে ধন্যবাদৰ পাত্ৰ। তেওঁলোক দুয়োজনলৈ মই কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি হিচাবে কৃতজ্ঞতা যাঁচিছো। অত তত সিচৰতি হৈ থকা কেইবাটাও প্ৰবন্ধ বিচাৰি আনি সহায় কৰি দিয়া বাবে জিলা সভাৰ সম্পাদক শ্ৰী ধীৰেণ শৰ্মাকো আমি ধন্যবাদ জনাইছো। এই ক্ষেত্ৰত শ্ৰী শৰ্মাৰ একাগ্ৰতা শলাগিবলগীয়া। লগতে গোলোক ৰায়মেধি স্মৃতি প্ৰকাশনৰ সম্পাদিকা শ্ৰীমতী মীনাকুমাৰী ৰায়মেধি আৰু 'নতুন দিন' প্ৰিন্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ প্ৰাইভেট লিমিটেডৰ সমূহ কৰ্মচাৰীলৈ ধন্যবাদ যাঁচিছো।

জয়তু কামৰূপ জিলা সাহিত্য সভা

শ্ৰী কৃষ্ণ ৰায়মেধি
সভাপতি
কামৰূপ জিলা সাহিত্য সভা

একাষাৰ

'কামৰূপ ৰত্নমালা' অবিভক্ত কামৰূপ জিলাৰ ইতিমধ্যে স্বৰ্গগামী হোৱা বিশিষ্ট গবেষক, পণ্ডিত, সাহিত্যিক, শিল্পী, সমাজসেৱকৰ জীৱনী গ্ৰন্থ। ইতিমধ্যেই ইয়াৰ প্ৰথম আৰু দ্বিতীয় খণ্ড সাহিত্যাচাৰ্য স্বৰ্গীয় অতুল চন্দ্ৰ হাজৰিকা আৰু স্বৰ্গীয় হেমন্ত কুমাৰ শৰ্মাৰ সম্পাদনাত কিছু বছৰ আগতেই প্ৰকাশ হৈছিল। তৃতীয় খণ্ডটো প্ৰকাশ কৰিবলৈ যোৱা কেইবাটিও বছৰ ধৰি চেষ্টা কৰা হৈছিল যদিও এনে চেষ্টা কিছুমান বিশেষ অসুবিধা বশতঃ কাৰ্যকৰী হৈ উঠা নাছিল। আমি উক্ত মূল্যবান গ্ৰন্থখনৰ তৃতীয় খণ্ডটি প্ৰকাশৰ ক্ষেত্ৰত যোৱা কেইবছৰ ধৰি জোৰ দি আহিছিলো আৰু এই বছৰ গৃহীত আঁচনিত উক্ত খণ্ডটিৰ প্ৰকাশৰ ওপৰত অধিক গুৰুত্ব দি অন্তৰ্ভূক্ত কৰিছিলো। তাৰ বাবে বছৰৰ আৰম্ভণিতে সভাৰ প্ৰাক্তন সভাপতি শ্ৰী ৰমেশ চন্দ্ৰ কলিতা আৰু প্ৰাক্তন সম্পাদক শ্ৰী ভৰত চন্দ্ৰ ডেকাক সম্পাদনাৰ দায়িত্ব দিয়া হৈছিল। শ্ৰী কলিতা আৰু শ্ৰী ডেকাৰ সম্পাদনাত এইবাৰ এই গ্ৰন্থখনৰ তৃতীয় খণ্ডটি 'গোলোক ৰায়মেধি স্মৃতি প্ৰকাশন'ৰ জৰিয়তে ৰাইজৰ হাতত তুলি দিবলৈ কামৰূপ জিলা সাহিত্য সভা সক্ষম হোৱাত এটি বহু বছৰ পৰি থকা আঁচনি কাৰ্যকৰী কৰিব পৰা হ'ল। তাৰ বাবে বিশেষ ভাবে প্ৰকাশক গোষ্ঠীক আৰু শ্ৰদ্ধাৰ বিশিষ্ট লেখক সকলক জিলা সাহিত্য সভাৰ তৰফৰ পৰা কৃতজ্ঞতা জনালোঁ।

'কামৰূপ ৰত্নমালা'ৰ প্ৰথম আৰু দ্বিতীয় খণ্ডটিৰ দৰে তৃতীয় খণ্ডটিও সহৃদয় পাঠক সমাজে আকোৱালি লব বুলিয়েই আমাৰ আশা।

১০ জানুৱাৰী '৯৪

ধীৰেন শৰ্মা
সম্পাদক
কামৰূপ জিলা সাহিত্য সভা

প্ৰকাশিকাৰ এষাৰ

কামৰূপ জিলা সাহিত্য সভাই 'কামৰূপ ৰত্নমালা' প্ৰকাশ কৰিবলৈ আমাৰ প্ৰকাশনক অনুৰোধ জনোৱাত আমি গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ মান্তি হ'লো। কিন্তু ডি-টি-পিৰ কাম চলি থকাৰ সময়তে সভাৰ বছৰেকীয়া মুখপত্ৰ 'কামৰূপা'ৰ পঞ্চদশ সংখ্যা আমাৰ হাতত পৰাত দেখিলো যে তাত সভাৰ প্ৰকাশিত গ্ৰন্থৰ তালিকাত 'কামৰূপ ৰত্নমালা'ৰ ৩য় খণ্ড উল্লেখ কৰা আছে। এই লৈ সভাৰ সম্পাদক, প্ৰাক্তন সভাপতি আৰু ৰত্নমালাৰ সম্পাদক আদিৰ লগতে যোগাযোগ কৰিলো। এনেদৰে খা-খবৰ কৰিবলগীয়া হোৱা হেতুকে কিছুদিন কামত লেহেমীয়া লাগিল। পিচত ৰত্নমালাৰ ৩য় খণ্ড প্ৰকাশ হোৱা নাই বুলি খাটাংকৈ জনোৱাতহে আমি প্ৰকাশ কৰাৰ কাম আৰম্ভ কৰো।

অবিভক্ত কামৰূপ জিলাত জন্ম গ্ৰহণ কৰা বিশিষ্ট লোক সকলৰ জীৱনী ভবিষ্যত পুৰুষৰ বাবে গ্ৰন্থাকাৰে প্ৰকাশ কৰাৰ উদ্দেশ্যেই "কামৰূপ ৰত্নমালা" প্ৰকাশ কৰাৰ আঁচনি জিলা সভাই হাতত লৈছে। এনে প্ৰচেষ্টা প্ৰশংসনীয়। উল্লেখযোগ্য যে সভাই ইতিমধ্যে 'কামৰূপ ৰত্নমালা'ৰ প্ৰথম আৰু দ্বিতীয় সংখ্যা প্ৰকাশ কৰা বুলি জনাইছে। কিন্তু আমি উক্ত সংখ্যা দুটা চাবলৈ বিচৰাত সম্পাদকে আমাক দিব নোৱাৰিলে। সেইবাবে আগৰ প্ৰকাশিত (?) সংখ্যাৰ আকৃতি-প্ৰকৃতি হয়তো এই সংখ্যাৰ লগত মিল নাথাকিব পাৰে—তাৰ বাবে আমাক যেন দোষ নধৰে।

লগতে আৰু এটা কথা সকলোৰে জ্ঞাতাৰ্থে জনাই থলো যে প্ৰকাশক বা প্ৰকাশিকাৰ কাম হল পাণ্ডুলিপি অনুসাৰে ছপা কৰি উলিওৱা। আমাৰ হাতত পৰা পাণ্ডুলিপি মতেহে গ্ৰন্থখন ছপা কৰা হৈছে। গতিকে প্ৰবন্ধবোৰত আন ভুল থাকিলে তাৰ বাবে যেন আমাক দায়ী নকৰে।

গ্ৰন্থখনি ছপাৰ কামত বিশেষভাবে সহায় কৰাৰ বাবে বিশিষ্ট প্ৰবন্ধকাৰ শ্ৰী মতিউৰ ৰহমানৰ শলাগ নললে অকৃতজ্ঞতাৰ দোষে চুব—আমি তেওঁলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। লগতে ডি-টি-পি অপাৰেটৰ শ্ৰী মতী উষাৰাণী তালুকদাৰ আৰু নাজিবুৰ ৰহমানৰ শলাগ ললো। শ্ৰী ৰহমানৰ পৰিকল্পনা মতে বেটুপাত আঁকি দিয়া বাবে শিল্পী শ্ৰী অতুল বৰুৱাকো কৃতজ্ঞতা জনাইছো।

গ্ৰন্থখনিয়ে ৰাইজৰ সমাদৰ পালে নিখে আনন্দিত হম।

মীনা কুমাৰী ৰায়চৌধুৰী
সম্পাদিকা
গোলোক ৰায়মেধি স্মৃতি প্ৰকাশন
ললিত চুবুৰী, ললিত কুটীৰ
হেমপ্ৰভা ৰায়মেধি পথ
হাতীগাওঁ, গুৱাহাটী-৭৮১০০৫

সূচীপত্ৰ

- আনন্দ ৰাম বৰুৱা - || ৰজনীকান্ত দেৱশৰ্মা || ---||১||
- ৰায়বাহাদুৰ মাধৱ চন্দ্ৰ বৰদলৈ - || ভৱানন্দ ডেকা || ----||৮||
- সাংবাদিক মথুৰামোহন বৰুৱা - || ভৃগু মোহন গোস্বামী || ----||১৩||
- ভাষা-সাহিত্যৰ পূজাৰীলোকনাথ শৰ্মা - || অনিল কুমাৰ || ----||১৮||
- কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ - || যতীনগোস্বামী || ---||২১||
- লোক-সাহিত্যসেৱী প্ৰসন্নচন্দ্ৰ বৰুৱা - || কনক চন্দ্ৰ ডেকা || ---||২৭||
- জ্যোতিষ শিৰোমণি আদ্যনাথ ভট্টাচাৰ্য - || পৰাগ কুমাৰ ভট্টাচাৰ্য || ----||৩২||
- লোকপ্ৰিয় গোপীনাথ বৰদলৈ - || ৰাম গোস্বামী || ----||৩৬||
- পণ্ডিত জীৱেশ্বৰ গোস্বামী - || গুৰ্কদত্ত ভাগৱতী || ----||৪২||
- শিক্ষাবিদ উমাকান্ত গোস্বামী - || ৰমেশ চন্দ্ৰ কলিতা || -- -||৪৭||
- সাহিত্য-সেৱক কুমুদ চন্দ্ৰ বৰদলৈ - || দুৰ্গেশ্বৰ শৰ্মা || ----||৫৪||
- বৈষ্ণৱাচাৰ্য স্বামী শ্ৰী কৃষ্ণপুৰী ব্ৰহ্মচাৰী - || ভগবান মৰল || ----||৫৯||
- পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ - || গিৰিধৰ শৰ্মা || ----||৬২||
- শিল্পী-সমাজসেৱক দুলাল চন্দ্ৰ বৰুৱা - || সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা || ----||৭১||
- বুৰঞ্জীবিদ কেশৱ নাৰায়ণ দত্ত - || নগেন দত্ত || ----||৭৪||
- নীৰৱ সাহিত্য সাধক কাশীনাথ বৈশ্য - || সুনীতি দেৱী || ----||৮০||
- সাহিত্যিক সমাজসেৱী হৰেন্দ্ৰ নাথ কলিতা - || নন্দ তালুকদাৰ || ----||৮৯||
- শিশু সাহিত্যিক অনন্ত দেৱ শৰ্মা - || ভৰত চন্দ্ৰ ডেকা || ----||৯৪||
- পণ্ডিত ললিত চন্দ্ৰ ৰায়মেধি - || যতীন্দ্ৰ নাথ কলিতা || -- -||৯৭||
- সাহিত্যিক পেন্সনাৰ প্ৰাচ্যবিদ শৰৎ চন্দ্ৰ শৰ্মা - || কুসুম চন্দ্ৰ শৰ্মা || ----||১০৪||
- ভীমকৰ্মা গিৰিধৰ শৰ্মা - || দাসো কলিতা || ----||১১১||
- ভাষাবিজ্ঞানী অসম ৰত্ন - ড° বাণীকান্ত কাকতি - || কৃষ্ণ ৰায়মেধি || ----||১১৮||
- সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা - || হীৰেন শৰ্মা || ---||১২১||
- আদৰ্শ আচাৰ্য পণ্ডিত ৰজনীকান্ত দেৱশৰ্মা - || কনক চন্দ্ৰ শৰ্মা || ----||১৩০||

আনন্দৰাম বৰুৱা

ৰজনীকান্ত দেৱশৰ্মা

দেশৰ স্বাৰ্থৰ হকে নিজৰ স্বাৰ্থ ত্যাগ কৰা জনে অথবা দেশৰ হৈ আত্মবলি দি ছহিদ হোৱা জনেই সচৰাচৰ দেশপ্ৰেমিক আখ্যা পায়। কিন্তু দেশৰ শিল্প, বাণিজ্য, সাহিত্য, কলা, শিক্ষা আদিৰ সংগঠন, পৰিপুষ্টি আৰু প্ৰসাৰৰ কাৰণে যি সকলে আত্মনিয়োগ কৰে, তেওঁলোকো কম দেশপ্ৰেমিক নহয়। এজন তিলক, গান্ধী, নেহেক বা আজাদ যিদৰে দেশপ্ৰেমিক সেইদৰে এজন টাটা, ৰবীন্দ্ৰ নাথ, ভাতখণ্ডে বা বিশ্বেশ্বৰায়াবো দেশপ্ৰেমিক। নিজ দেশৰ ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতি অনুৰাগ দেশপ্ৰেমৰে নামান্তৰ। বিশ্ববিশ্ৰুত পণ্ডিত অসমৰ আনন্দৰাম বৰুৱা এই শেষৰ শ্ৰেণীৰ দেশভক্ত পুৰুষ। সুপ্ৰাচীন সভ্যদেশ ভাৰতবৰ্ষৰ স্বমহিমা স্তূপীকৃত হৈ আছে হাজাৰ বিজাৰ সংস্কৃত গ্ৰন্থত। আনন্দৰামে নিজৰ সকলো শক্তি প্ৰয়োগ কৰি সংস্কৃত সাহিত্য সমুদ্ৰত বুৰ মাৰি ভাবপৰা উজ্জ্বল ৰত্নৰাজি উদ্ধাৰ কৰি ভাৰত-জননীৰ মুখ পোহৰালে, বিশ্ববাসীক চমক খুৱালে।

১৮৫০ খ্ৰীষ্টাব্দৰ মে' মাহত উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰ নামে ঠাইত আনন্দৰামৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম গৰ্গৰাম বৰুৱা আৰু মাতৃৰ নাম দূৰ্লভেশ্বৰী বৰুৱানী। এই গৰ্গৰাম বৰুৱাৰ অষ্টম উপৰি পুৰুষ দুৰ্গাচৰণ বৰুৱে চুখাম্ফা খোৰাৰজাৰ দিনত কোচৰজা নৰনাৰায়ণে কেঁচুৰ ৰসেৰে লিখা চিঠি এখন ৰাতিৰ আন্ধাৰত পঢ়ি বুদ্ধিমত্তাৰ পৰিচয় দিয়া কাৰণে ৰজাই তেওঁৰ নাম মাণিকচন্দ্ৰ থয় আৰু তেওঁক মজিন্দাৰ খিতাপ দি মাটি-বৃত্তি দাস-দাসী দি গড়গাঁৱত থাপে। আনন্দৰামৰ পিতৃ গৰ্গৰাম বৰুৱা এই বংশৰ শেষ মজিন্দাৰ বৰুৱা। মানৰ আক্ৰমণৰ সময়ত তেওঁ ৰজাদুৱাৰত আহি বসতি কৰে আৰু ইয়াতেই আনন্দৰামৰ জন্ম হয়। আনন্দৰামৰ নিজ মাতৃ দুৰ্লভেশ্বৰীৰ গৰ্ভজাত চাৰিপুত্ৰ পৰশুৰাম, জানকীৰাম, আনন্দৰাম আৰু মণিৰামৰ মাজত আনন্দৰামৰ স্থান তৃতীয় আছিল। গৰ্গৰাম বৰুৱাৰ দ্বিতীয়া ভাৰ্যা পূৰ্ণিমা বৰুৱাণীৰ তিনিটি পুত্ৰ—আত্মাৰাম, অমৃতৰাম আৰু জনা নাযায়। গৰ্গৰাম বৰুৱা প্ৰাচীন ৰীতি-নীতিৰ প্ৰতি আস্থাশীল সদাচাৰী লোক আছিল। সংস্কৃত ভাষা-সাহিত্যৰ প্ৰতি তেওঁৰ আছিল গভীৰ শ্ৰদ্ধা আৰু নিজে সংস্কৃত ভাষা ভালদৰে জানিছিল। হৰগোবিন্দ শৰ্মা নামে এজন সংস্কৃত পণ্ডিত ঘৰতে ৰাখি পুত্ৰক সকলক সংস্কৃত শিক্ষা দিয়াইছিল। হৰগোবিন্দ শৰ্মাৰ পিছত কালীকান্ত শৰ্মা নামে আন এজন সংস্কৃত শিক্ষক আছিল। সৰুতে আনন্দৰামক এওঁৱেই সংস্কৃত ব্যাকৰণ পঢ়ুৱাইছিল।

গৰ্গৰাম বৰুৱা সদৰামিন আছিল আৰু চৰকাৰী কামত ঘৰৰ পৰা আঁতৰি থাকিবলগীয়া হোৱাত ককায়েক পৰশুৰাম বৰুৱাৰ লগত থাকিয়ে আনন্দৰামে গুৱাহাটীৰ কলেজিয়েট স্কুলত পঢ়িবলৈ লয়। নিচেই সৰুকালৰ পৰাই আনন্দ ৰামৰ অধ্যয়নৰ প্ৰতি প্ৰবল খাউতি আছিল। তেওঁ ৰং-ধেমালি কৰি সমনীয়াৰ লগত ঘূৰি

ফুৰি কাল নকটাই একান্তমনে পঢ়া-শুনাত মনোনিৱেশ কৰিছিল। সংস্কৃত ভাষাৰ প্ৰতি পিতৃদেৱ গৰ্গৰাম বৰুৱাই তেওঁৰ অন্তৰত যি অনুৰাগৰ বীজ ৰোপণ কৰিছিল সি কালক্ৰমে অংকুৰিত হৈ ডাল-পাতেৰে সুশোভিত হৈ অহাৰ আগ জাননী দিলে। সংস্কৃত ভাষা-জ্ঞানৰ বুনিয়াদ স্বৰূপ অমৰকোষ নামে প্ৰখ্যাত অমৰসিংহ ৰচিত নামলিঙ্গানুশাসন নামৰ কোষগ্ৰন্থখন হাইস্কুলীয়া ছাত্ৰ আনন্দৰামে মুখস্থ কৰি পেলালে।

নিষ্ঠাৰে পঢ়া-শুনা কৰিও স্বাস্থ্যজনিত কাৰণত আৰু গুৱাহাটীৰ সেই সময়ৰ নিৰুৎসাহজনক পাৰিপাৰ্শ্বিকতাৰ দোষত ১৮৬৪ চনৰ হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত আনন্দৰাম দ্বিতীয় বিভাগতহে উত্তীৰ্ণ হ'ল। তেতিয়া অসমত উচ্চ শিক্ষাৰ কোনো অনুষ্ঠান নথকাত আনন্দৰাম কলিকতালৈ গ'ল। ভাৰতৰ ভিতৰতে নামজ্বলা শিক্ষানুষ্ঠান কলিকতাৰ প্ৰেছিডেন্সি কলেজত আনন্দৰাম ভৰ্তি হ'ল। মহামহোপাধ্যায় মহেশ চন্দ্ৰ ন্যায়ৰত্ন, গুৰুদাস বন্দোপাধ্যায় প্ৰভৃতি স্বনামধন্য অধ্যাপক সকলৰ সান্নিধ্যত আনন্দৰামৰ সুপ্ত প্ৰতিভাৰ জাগৰণ হ'ল। সুৰেন্দ্ৰ নাথ বেনাৰ্জী, ৰমেশ চন্দ্ৰ দত্ত, বিহাৰীলাল গুপ্ত, কাৰ্তিক চন্দ্ৰ মিত্ৰ, শিৱনাথ শাস্ত্ৰী প্ৰভৃতি তীক্ষ্ণধী কলেজীয়া বন্ধু আৰু সহপাঠীসকলৰ সঙ্গই প্ৰতিভাৰ এই জাগৰণত ইন্ধন যোগাইছিল। কম সময়ৰ ভিতৰতে আনন্দৰামে কলেজৰ অধ্যক্ষ আৰু অধ্যাপক সকলৰ দৃষ্টি আকৰ্ষণ কৰিলে। গণিতৰ মেধাৱী উৎসাহী তৰুণ অধ্যাপক গুৰুদাস বন্দোপাধ্যায়দেৱে আনন্দৰামৰ বিষয়ে কৈছিল—"১৮৬৫ খ্ৰীষ্টাব্দত প্ৰেছিডেন্সি কলেজৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ হৈ থাকোতে আনন্দৰাম বৰুৱাৰ সৈতে পোনতে মোৰ চিনাকি হয়। মই তেতিয়া সেই কলেজৰ গণিতৰ অধ্যাপকৰূপে কামত সোমাওঁ। এবছৰ কাল মই আনন্দৰামক প্ৰায় নিতৌ লগ পাইছিলো আৰু তাৰপৰা তেওঁৰ বিষয়ে মোৰ যি ধাৰণা হৈছিল সি অতি সুন্দৰ। আনন্দৰাম বৰ নম্ৰ আছিল, কেতিয়াও অহঙ্কাৰ নেদেখুৱাইছিল, আৰু ক্লাছৰ পঢ়া-শুনা কাম অতি সন্তোষজনকৈ সমাধা কৰিছিল। মই ক্লাছত দিয়া টান বা উজু এনে এটা অংক নাই যাক আনন্দৰামে কৰি উলিয়াব নোৱাৰিছিল। অতি সোনকালে তেওঁ অংকৰ উত্তৰ উলিয়াইছিল আৰু তেওঁৰ অংক কৰা প্ৰণালীও বৰ উজু আৰু বিচক্ষণ আছিল। প্ৰেছিডেন্সি কলেজৰ সেই বছৰৰ প্ৰথমবাৰ্ষিক শ্ৰেণী বৰ উজ্জ্বল আছিল।----কিন্তু এইটো নিশ্চয় যে আনন্দৰাম সেই তৰুণ প্ৰতিভাশালী ছাত্ৰবৃন্দৰ ভিতৰত সবাতোকৈ উজ্জ্বল আছিল।"

১৮৬৬ চনৰ ইন্টাৰমিডিয়েট পৰীক্ষাত আনন্দৰাম বিশ্ববিদ্যালয়ত প্ৰথম বিভাগত ষষ্ঠ স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। গণিতত প্ৰথম স্থান অধিকাৰ কৰি 'ডাফ স্কলাৰশ্বিপ" লাভ কৰে। যথাসময়ত আনন্দৰাম বি-এ মহলাত ভৰ্তি হয়। এই সময়তে আই-চি-এচ পৰীক্ষাৰ্থী হৈ সহপাঠী ৰমেশ চন্দ্ৰ দত্ত আৰু বিহাৰীলাল গুপ্ত বিলাতলৈ যায়। আনন্দৰামৰো বিলাতলৈ যাবলৈ একান্ত ইচ্ছা হৈছিল যদিও পিতৃৰ বিনানুমতিত যাবলৈ সাহ নকৰিলে। তেওঁ নিজৰ ভৱিষ্যত ঠিৰ হৈয়ে বিলাতলৈ যোৱাৰ সংকল্প কৰি বি-এ পৰীক্ষাৰ কাৰণে সাজু হবলৈ ধৰিলে। ১৮৬৯ চনত বি-এ পৰীক্ষাত আনন্দৰামে বিশ্ববিদ্যালয়ত তৃতীয়স্থান অধিকাৰ কৰি "ষ্টেট স্কলাৰশ্বিপ" আৰু 'গিলক্ৰাইষ্ট স্কলাৰশ্বিপ"—এই দুটা বৃত্তি একেলগে লাভ কৰে। আৰু সেই বছৰতে জহকালি তেওঁ ইংলণ্ডত উপস্থিত হয়।

আনন্দৰামে লণ্ডন বিশ্ববিদ্যালয়ত নামভুক্ত কৰি আই-চি-এছ বেৰিষ্টাৰি আৰু বি-এছ-চি এই তিনিটা পৰীক্ষাৰ কাৰণে একেলগে প্ৰস্তুতি চলালে। ১৮৭০ খ্ৰীষ্টাব্দত

বিলাতলৈ যোৱাৰ এবছৰতকৈও কম সময়ৰ ভিতৰত আনন্দৰাম আই-চি-এছৰ প্ৰাথমিক পৰীক্ষাত বহিবলগীয়া হয়। তথাপি, ৩৬১ জন পৰীক্ষাৰ্থীৰ মাজত সংস্কৃতত প্ৰথম আৰু গণিতত চতুৰ্থ স্থান লৈ আনন্দৰাম উত্তীৰ্ণ হয়। ১৮৭২ চনৰ সেই মাহত হোৱা আই-চি-এছৰ শেষ পৰীক্ষাত আনন্দৰামে ইংৰাজ আৰু ভাৰতীয় সকলো ছাত্ৰৰ মাজত সপ্তম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। পৰীক্ষাত এইদৰে সুখ্যাতিৰে উত্তীৰ্ণ হলেও বয়সৰ কাৰণে আনন্দৰামৰ নাম আই-চি-এছৰ তালিকাভুক্ত হোৱাত অসুবিধা হৈছিল। কিন্তু প্ৰতিভাই তেওঁক বয়সৰ হেঙাৰ পাৰ হৈ যোৱাত সহায় কৰিছিল। ভাৰতৰ সেই সময়ৰ আণ্ডাৰ ছেক্ৰেটেৰী মিঃ গ্ৰেণ্ট ডাফে মেধাৱী যুৱক আনন্দৰামৰ প্ৰতি সহানুভূতি সম্পন্ন হৈ তেওঁক এই বিপদৰ পৰা ৰক্ষা কৰিলে।

ইয়াৰ মাজতে আনন্দৰামে লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা বি-এছ-চি পৰীক্ষা আৰু 'মিডল টেম্পলৰ পৰা বাৰ্ এট্ ল পৰীক্ষাও পাছ কৰে। বিলাতত থকা কালছোৱাত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ বিদগ্ধ সংস্কৃত বিদ্বান অধ্যাপক মেক্সমিউলাৰ চাহাবৰ লগত সুবিধা পালে তেওঁ দেখা সাক্ষাৎ কৰিছিল। তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক ঘটিছিল তাৰক নাথ পালিত আৰু বোম্বাইৰ আই-চি-এছ শ্ৰীপদ বালাজী ঠাকুৰৰ লগত। আন আন সখীৰ ভিতৰত আছিল সুৰেন্দ্ৰ নাথ বেনাৰ্জী, ৰমেশ চন্দ্ৰ দত্ত আৰু বিহাৰীলাল গুপ্ত। নিৰ্জনতা প্ৰিয় আনন্দৰামে কিন্তু বন্ধু-বান্ধৱৰ লগত খুব কম সময়হে ব্যয় কৰি অধ্যয়নতে সময় কটাইছিল। তেওঁৰ আছিল এটা অনুসন্ধিৎসু আৰু জিজ্ঞাসু মন, জ্ঞানৰ নীৰৱ সাধনা আছিল তেওঁৰ জীৱনৰ পবিত্ৰ ব্ৰত। লণ্ডন বিশ্ববিদ্যালয়ৰ খ্যাতনামা অধ্যাপক ডাক্টৰ কাৰ্পেণ্টাৰে আনন্দৰামৰ বিষয়ে মন্তব্য কৰি কৈছিল—মই ইমান দিন অধ্যাপকি কাম কৰিছোঁ, কিন্তু আনন্দৰাম বৰুৱাৰ নিচিনা এনে অনুসন্ধিৎসু ছাত্ৰ আজিলৈকে পোৱা নাই।

১৮৭২ খ্ৰীষ্টাব্দৰ ১ ছেপ্তেম্বৰত আনন্দৰাম বোম্বেত উপস্থিত হয়। তাৰপৰা কলিকতালৈ আহি তাত কেইদিনমান কটোৱাৰ পিছত সহকাৰী উপায়ুক্ত নিযুক্ত হৈ শিৱসাগৰকে নিজৰ কৰ্মস্থান বাছি লৈ অসম বুলি ৰাওনা হয়। আহোঁতে এবাৰ বৰদুৱাত গোসাঁই পিতৃদেৱৰ চৰণত উবুৰি হৈ প্ৰণাম জনায়। বিলাতলৈ গৈ অভক্ষ্য ভক্ষণ কৰা পাপৰ কাৰণে পিতাকে তেওঁক প্ৰায়শ্চিত্ত হবলৈ কোৱাত পিতৃভক্ত আনন্দৰামে বিবেকৰ বাণীক নেওচি তেনে আচৰণ কৰি কপটতাৰ আশ্ৰয় লবলৈ অমান্তি হয়। আনন্দৰামে জানে, এই কথাত ধৰ্মশীল পিতৃৰ মন ভাগি যাব, কিন্তু পিতৃৰ মন ৰখাবলৈ আত্মবিশ্বাসক জলাঞ্জলি দিয়াওতো কাপুৰুষালিহে হব।

উক্ত ঘটনাৰপৰা আমি আনন্দৰামক বিলাতলৈ গৈ চাহাব হৈ অহা বুলি ধৰিলে ভুল কৰা হব। আনন্দৰাম আছিল জাতে-পাতে ভাৰতীয় অসমীয়া। বিলাতত থকা কালতো তেওঁ ৰাতি শুৱৰ সময়ত ধুতি পিন্ধি শুইছিল। শিৱসাগৰত চাকৰি কৰা কালত তেওঁ অসমীয়া চোগা চাপকন পিন্ধিছিল। ইংৰাজ শাসক আৰু ইংৰাজ জিলাৰ বৰমূৰীয়াৰ জাতীয় কৰ্মচাৰী হলেও ইংৰাজলৈ তেওঁৰ প্ৰীতি বা অহেতুক পক্ষপাতিত্ব নাছিল। তেওঁ নিজৰ জাতীয় ইংৰাজ কৰ্মচাৰীৰ দোষ ত্ৰুটি পালে নিৰ্ভীকভাৱে কৈফিয়ত তলব কৰিছিল। শিৱসাগৰৰ উপায়ুক্ত কৰ্ণেল কেম্পবেল চাহাবে তেওঁক ভাৰতীয় বুলি হেয় জ্ঞান দেখুওৱাৰ ফল স্বৰূপেই তেজস্বী আনন্দৰামে শিৱসাগৰ ত্যাগ কৰি নগাঁৱলৈ বদলি হৈ যায়।

শিৱসাগৰত থকা সময়তেই বৰুৱাদেৱে তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ ইংৰাজী সংস্কৃত অভিধানৰ কামত হাত দিয়ে। ড° ভূঞাৰ কথাত–"তেইছ চব্বিছ বছৰীয়া ডেকাই এই হেন অভিধান সংকলন কৰাৰ নিচিনা মহৎ কাম হাতত লোৱাৰ দৃষ্টান্ত জগতৰ বুৰঞ্জীত নিতান্ত বিৰল।"

অসমৰ পৰা বঙ্গদেশলৈ বদলি হৈ গৈ আনন্দৰাম বৰুৱা প্ৰথমে মৈমনসিংহ জিলাৰ সহকাৰী মেজিষ্ট্ৰেট পদত নিযুক্ত হয়; মৈমনসিংহৰ পিছত দিনাজপুৰ আৰু তাৰ পিছত বৰ্ধমানৰ সহকাৰী মেজিষ্ট্ৰেট হয়। এইখিনি সময়তে ১৮৭৭ চনৰ মে' মাহত তেওঁৰ অভিধানৰ প্ৰথমখণ্ড প্ৰকাশিত হয়। বৰ্ধমানৰপৰা তেওঁ ৰাণীগঞ্জ মহকুমাৰ অধিপতি হৈ বদলি হয়। ৰাণীগঞ্জত থকা কালত বৰুৱাদেৱৰ দুখন গ্ৰন্থ প্ৰকাশিত হয়। এখন ভৱভূতিৰ মহাবীৰ চৰিত নাটক। এই নাটক তেওঁ আধুনিক পাঠ-সমীক্ষা পদ্ধতিৰ বৈজ্ঞানিকভাৱে পাঠ নিৰ্ণয় কৰি লগত স্বৰচিত সুবোধ সংস্কৃত ভাষ্য এটি জুৰি দি প্ৰকাশ কৰে। ভাষ্যটোৰ নাম দিয়ে 'জানকীৰাম'। জানকীৰাম তেওঁৰ ককায়েকৰ নাম আৰু জানকীৰামে নাটকৰ নায়িকা সীতা আৰু নায়ক ৰামকো বুজায়। দ্বিতীয়খন গ্ৰন্থ হৈছে কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃত পঢ়া স্নাতক শ্ৰেণীৰ ছাত্ৰৰ সহচৰ (Companion to the Sanaskrit reading under-graduates) ইয়াত মেঘদূত, কুমাৰ সম্ভৱ, ৰঘুবংশ, ভট্টিকাব্য আৰু শকুন্তলা নাটকৰ লৰা পাঠ সংগ্ৰহ কৰা হৈছে আৰু প্ৰাচীন টীকাকাৰ সকলৰ গুণ আৰু দোষত্ৰুটিৰ সমালোচনা কৰি দেখুওৱা হৈছে।

ৰাণীগঞ্জৰ পাছত ক্ৰমে কটোৱা আৰু খুলনা মহকুমাৰ অধিপতি হয়। ১৮৭৮ খ্ৰীষ্টাব্দত খুলনাৰ পৰাই তেওঁ "ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ স্থান" নামক ইংৰাজী ভাষাত এখন আলোচনাত্মক গ্ৰন্থ প্ৰকাশ কৰে। এই গ্ৰন্থৰ বিষয়ে 'কলিকতা গেজেট' পত্ৰিকাই এইদৰে মন্তব্য কৰিছিল–'ভৱভূতিৰ কাল আৰু নাটক সম্পৰ্কে এইটো এটা সমীক্ষামূলক প্ৰবন্ধ। ই এটা মৌলিক কৃতি আৰু গ্ৰন্থকাৰৰ বিশাল পাণ্ডিত্য আৰু গৱেষণাৰ পৰিচায়ক।' ইয়াৰ পিছত গোৱালপাৰা আৰু দিনাজপুৰৰ পৰা ক্ৰমে ১৮৮৭ খ্ৰীষ্টাব্দত অভিধানৰ দ্বিতীয় খণ্ড আৰু ১৮৭১ খ্ৰীষ্টাব্দত তৃতীয়খণ্ড প্ৰকাশিত হয়। দ্বিতীয় খণ্ডৰ লগত 'উচ্চতৰ সংস্কৃত ব্যাকৰণ' নামৰ এখন সুকীয়া গ্ৰন্থ লগ লগাই দিয়া হয়। সেইদৰে তৃতীয় খণ্ডৰ পাতনিৰূপে "প্ৰাচীন ভাৰতৰ ভূগোল" নামৰ আন এখন গৱেষণামূলক স্বতন্ত্ৰ গ্ৰন্থ সাঙুৰি দিয়া হয়।

অধ্যয়ন আৰু গ্ৰন্থপ্ৰণয়নৰ কামত এইদৰে একাগ্ৰতাৰে মনোনিবেশ কৰা সত্ত্বেও চৰকাৰী কাম-কাজ তেওঁ দক্ষতাৰে আৰু নিয়াৰিকৈ কৰি গৈছিল। তেওঁৰ কৰ্মদক্ষতাৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে তেওঁক জিলাধিপতি পদত নিযুক্তি দিয়ে। আমি মনত ৰাখিব লাগিব যে এখন জিলাৰ ভাৰপ্ৰাপ্ত প্ৰথম ভাৰতীয় চিভিলিয়ান অসমৰ আনন্দৰাম বৰুৱা।

আনন্দৰামৰ পাণ্ডিত্যৰ সৌৰভ দেশে-বিদেশে বিয়পি পৰিল। মেক্সিমূলাৰ, গোল্ডষ্টাকাৰ প্ৰভৃতি পশ্চিমীয়া পণ্ডিত মণ্ডলীয়ে আনন্দৰামৰ পাণ্ডিত্যৰ প্ৰতি বিশেষ শ্ৰদ্ধা প্ৰদৰ্শন কৰিলে। এইবাৰ আনন্দৰামে এটি বিৰাট আঁচনি হাতত ললে।

প্ৰস্তাৱিত গ্ৰন্থৰ নাম দিলে "A Comprehensive Grammar of the Sanakrit Language—Analytical, Historical and Lexicographical." (সংস্কৃত ভাষাৰ এখন বিস্তীৰ্ণ ব্যাকৰণ)। এই গ্ৰন্থ বাৰটা খণ্ডত বিভক্ত হব। প্ৰথম দুই খণ্ড পাতনি স্বৰূপে থাকিব। এই পাতনিত

অষ্টাধ্যায়ী নিৰুক্ত আদি গ্ৰন্থৰ সম্পূৰ্ণ বিৱৰণ অন্তৰ্ভুক্ত হ'ব। তৃতীয় খণ্ডত বৰ্ণ আৰু তাৰ পৰিবৰ্তন সম্পৰ্কীয় আলোচনা থাকিব। চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ খণ্ডত মৌলিক ধাতু আৰু ব্যুৎপন্ন গৌণ ধাতু সম্পৰ্কে আলোচনা কৰা হ'ব। সপ্তম খণ্ডত ক্ৰিয়াপদৰ আলোচনা হ'ব। অষ্টম খণ্ডত সমাস, শব্দৰূপ আৰু কাৰকাদি প্ৰক্ৰিয়া সন্নিবিষ্ট হ'ব। এই আঠোটা খণ্ডৰ প্ৰত্যেকটো প্ৰায় এহেজাৰ পৃষ্ঠাৰ হ'ব। নৱম আৰু দশম খণ্ড দুটাত ক্ৰমে স্বৰ আৰু ছন্দৰ আলোচনা থাকিব আৰু প্ৰতিখণ্ডৰ পৃষ্ঠাৰ সংখ্যা হ'ব প্ৰায় পাঁচশৈকে। পাঁচশ পৃষ্ঠাৰ একাদশ খণ্ডত বিৱৰণাত্মক নিৰ্ঘণ্ট আৰু দ্বাদশ খণ্ডত দুহাজাৰ পৃষ্ঠাৰ সূচীপত্ৰ থাকিব। এনে অসাধ্য সাধনৰ কল্পনাও বিস্ময়কৰ। অধ্যাপক মেক্সমিউলাৰক বৰুৱাদেৱে উক্ত আঁচনিৰ কথা জনোৱাত তেওঁ বৰুৱাদেৱলৈ লিখিছিল—'ই এক বিৰাট কৰ্ম, ইয়াৰ কাৰণে লাগিব এটি দীঘলীয়া জীৱন, এটা শকত ধনৰ মোনা আৰু দীৰ্ঘকাল ব্যাপী ধৈৰ্য।'

আন মানুহৰ কথা বেলেগ। দৃঢ়মনা আনন্দৰামৰ ক্ষেত্ৰত আলাসত চাংপতা বিধৰ কথা নাছিল। যেই এবাৰ সংকল্প কৰিলে, তাক বাস্তৱত ৰূপ দিবলৈ বৰুৱাদেৱে কামত অগ্ৰসৰ হ'ল। এই আঁচনি কৰা সময়ত আনন্দৰাম দিনাজপুৰত আছিল। প্ৰথমে তেওঁ তিনিমাহৰ ছুটী লৈ কিছু প্ৰাৰম্ভিক কাম কৰে। তেওঁ দেখিলে এই কামৰ কাৰণে প্ৰয়োজনীয় গ্ৰন্থাদি পাবলৈ হলে তেওঁ ইংলণ্ডলৈ যাব লাগিব। বৃটিছ মিউজিয়ামৰ প্ৰাচ্য বিভাগৰ গ্ৰন্থাগাৰ আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ বডেলিয়ান লাইব্ৰেৰিৰ আশ্ৰয় নললে তেওঁৰ কাম নহব। ১৮৮১ খ্ৰীষ্টাব্দৰ ১৩ নবেম্বৰ পৰা দুবছৰ কৰ্মাৱসৰ ছুটী লৈ প্ৰথমে কিছুকাল তেওঁ বৰ্হমপুৰত কিনি লোৱা ঘৰতে থাকি কামত আগবাঢ়িল। প্ৰস্তাৱিত গ্ৰন্থৰ দশম অৰ্থাৎ ছন্দ বিষয়ক গ্ৰন্থখন তেওঁ বৰ্হমপুৰতে লিখি উলিয়ায়। ইয়াৰ পিছত তেওঁ বিলাতলৈ গৈ জাৰ্মানী আৰু ইংলণ্ডৰ সংস্কৃত পণ্ডিতমণ্ডলীৰ ওচৰত আৱশ্যকীয় দিহা পৰামৰ্শ লয় আৰু ইংলণ্ডত প্ৰয়োজনীয় গ্ৰন্থসমূহ অধ্যয়ন কৰে। ১৮৮৩ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহৰ তেৰ তাৰিখে উলটি আহি ভাৰত পায়। এইবাৰ তেওঁ চট্টগ্ৰামৰ মেজিষ্ট্ৰেট হয়। এই চট্টগ্ৰামৰ পৰাই তেওঁ সংস্কৃত অলংকাৰ শাস্ত্ৰৰ তিনিখন মূল্যবান গ্ৰন্থ—বামনৰ কাব্যালংকাৰ সূত্ৰ, বাগভটালংকাৰ আৰু ভোজৰাজ প্ৰণীত সৰস্বতী কণ্ঠাভৰণ টীকাৰে সৈতে সম্পাদন কৰি প্ৰকাশ কৰে। তদুপৰি তেওঁৰ প্ৰস্তাৱিত ব্যাকৰণ গ্ৰন্থৰ তৃতীয় খণ্ডও ইয়াৰ পৰাই প্ৰকাশ কৰে। গ্ৰন্থৰ নাম দিয়ে "নামাৰ্থ সংগ্ৰহ"। প্ৰায় কুৰিখনমান ওপৰ প্ৰাচীন কোষ গ্ৰন্থৰ আধাৰত এই গ্ৰন্থ ৰচিত হয়।

১৮৮৭ খ্ৰীষ্টাব্দৰ মে' মাহত মেজিষ্ট্ৰেট হৈ তেওঁ নোৱাখালীলৈ বদলি হয়। নোৱাখালীত থাকোঁতেই ১৮৮৭ চনৰ ৭ এপ্ৰিলত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ 'সদস্য' ৰূপে নিৰ্বাচিত হয়। নোৱাখালীত থকা কালত বৰুৱাদেৱে তেওঁৰ এই বৃহৎ কামত তেওঁক সহায় কৰিবলৈ পাঁচ গৰাকী লব্ধপ্ৰতিষ্ঠ সংস্কৃত পণ্ডিতক মাহিলি বেতন দি নিযুক্তি দিয়ে। সেই পণ্ডিত সকলৰ মাজত পিছলৈ কাশীৰ হিন্দু কলেজত সংস্কৃতৰ অধ্যাপকৰূপে নিযুক্তি পোৱা অন্নদা চৰণ তৰ্ক চূড়ামণিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। পাঁচজনীয়া পণ্ডিতমণ্ডলীৰ এওঁ আছিল মুখ্য। বিক্ৰমাদিত্যৰ নৱৰত্নৰ দৰে আনন্দৰামৰ এই পণ্ডিত সভাই 'পঞ্চৰত্ন' নামে প্ৰসিদ্ধি লাভ কৰিছিল। এওঁলোকে আনন্দৰামক গ্ৰন্থ প্ৰণয়নৰ প্ৰাথমিক কামবিলাকত সহায় কৰিছিল। বৃহত্তৰ ব্যাকৰণ গ্ৰন্থৰ বাকী নয়োটা খণ্ডৰ প্ৰস্তুতিৰ কাৰণে বৰুৱাদেৱে ৰাতিক দিন কৰি পৰিশ্ৰম কৰিবলৈ ধৰিলে। এই শ্ৰমৰ আনুষঙ্গিক ফল স্বৰূপে আৰু তিনিখন গ্ৰন্থ

পোহৰলৈ আহিল। বাল্যকালতে তেওঁ যি অমৰকোষ অভিধান আদ্যোপান্ত কণ্ঠস্থ কৰি পেলাইছিল তাৰ ভাল সংস্কৰণ এটা পাৰলৈ নাছিল। বিশেষকৈ প্ৰসিদ্ধ টীকাকাৰ ক্ষীৰস্বামীৰ টীকা কেতিয়াও প্ৰকাশ পোৱা নাছিল। আনন্দৰামে নাম লিঙ্গানুশাসনৰ দুটা খণ্ড প্ৰকাশ কৰি উলিয়ালে। আন দুখন গ্ৰন্থ হ'ল 'ধাতুবৃত্তিসাৰ' আৰু 'ধাতুকোষ'। ৰুকুন্নাৰ প্ৰকাশিত অমৰকোষ বা নামলিঙ্গানুশাসনত ক্ষীৰস্বামীৰ টীকাৰ লগতে অন্যতম প্ৰসিদ্ধ টীকাকাৰ ৰায়মুকুটৰ টীকাও সন্নিবিষ্ট কৰা হৈছে। এই আংশিক প্ৰকাশেও আনন্দ ৰামলৈ দেশী বিদেশী পণ্ডিত সমাজৰ পৰা প্ৰশংসাৰ জাউৰি আনে।

নোৱাখালীত আনন্দৰামৰ এই হাড়ভগা পৰিশ্ৰম তেওঁৰ দেহে সহ্য কৰিব নোৱাৰিলে। তেওঁ পক্ষাঘাত ৰোগত আক্ৰান্ত হ'ল। সমুদ্ৰ-স্নান, ডাক্তৰী, কৰিৰাজী, হোমিওপাথী সকলো চিকিৎসা ব্যৰ্থ হ'ল। ১৮৮৯ খ্ৰীষ্টাব্দৰ ১৯ জানুৱাৰিৰ দিনা কলিকতাত তেওঁৰ অকৃত্ৰিম বন্ধু ছাৰ তাৰকনাথ পালিতৰ ঘৰত তেওঁৰ জীৱন বন্তি নুমাই গ'ল। এই এটি মহৎ জীৱন মাত্ৰ ৩৯ বছৰ বয়সতেই অকালতে মৰহি গ'ল। তেওঁৰ কল্পিত কৰ্ম আধৰুৱা হৈ ৰ'ল। পূৰ্ববঙ্গ, পশ্চিমবঙ্গ আৰু উত্তৰ বঙ্গৰ ভাষাৰ সামঞ্জস্য বিধান কৰি এখন অভিধান প্ৰণয়নৰ যি কল্পনা কৰিছিল সি কল্পনাতেই ৰ'ল। নামলিঙ্গানুশাসনৰ তৃতীয় খণ্ড নিশ্চয় পাণ্ডুলিপিতে বিনষ্ট হ'ল। তেওঁ ৰচনা কৰা সংস্কৃত কাব্য গ্ৰন্থ এখন নোৱাখালীৰ মাটিতে বিলীন হ'ল। বৃহত্তৰ ব্যাকৰণ গ্ৰন্থৰ হাতে লিখা অৱস্থাত থকা পাত এটা উদ্ধাৰ কৰোঁতাও কোনো নোলাল।

আনন্দৰামৰ জীৱন আছিল কঠোৰ সাধনাৰ জীৱন। সেই বুলি তাত দয়ামায়া, সহানুভূতি-সমবেদনা আদিৰ যে স্থান নাছিল এনে নহয়। বৰং তেওঁৰ হৃদয়ত সাধাৰণ লোকৰ তুলনাত সকলো মানৱীয় গুণেই পূৰ্ণভাৱেই বিৰাজ কৰিছিল, আপোন ভাই মণিৰামক বিলাতলৈ পঠিয়াইছিল উচ্চ শিক্ষাৰ কাৰণে নিজ খৰচত। মণিৰামে একো কৰিব নোৱাৰিলে। মণিৰামৰ ঠাইত আন যোগ্য দুখীয়া বঙালী ছাত্ৰ এজনক পঢ়ুৱালে। অশেষ দুখীয়া ছাত্ৰক অৰ্থসাহায্য কৰিলে। দুখীয়া দশনীয়া লোকৰ দুৰ্গতি দেখি তেওঁৰ অন্তৰ বেদনাত দ্ৰবীভূত হৈছিল। তেনে দুৰ্গত লোকক তেওঁ দুইহাতে ভিক্ষা দিছিল। গুৰুতৰ দোষতো কোনো তলতীয়া কৰ্মচাৰীৰ ভাত নামাৰিছিল।

ভাৰতীয় সংস্কৃতিৰ সুষুম্না নাড়ীৰ দৰে সংস্কৃত ভাষাক তেওঁ প্ৰাণ ভৰি ভাল পাইছিল। তেওঁৰ মানত "সংস্কৃতৰ দৰে কোনো ভাষা ইমান প্ৰিয় নহয়। ইয়াৰ অলংকাৰ আৰু লালিত্যৰ এনে এটি মোহিনী শক্তি আছে যাক ভাষাৰে বৰ্ণাব নোৱাৰি। সকলো ধৰণৰ ভাব সুন্দৰ উপযুক্ত ভাষাৰে বৰ্ণাব পৰা যি শক্তি সংস্কৃতৰ আছে সেই শক্তিক জগতৰ আন কোনো ভাষাই চেৰ পেলাব নোৱাৰে।" আনন্দৰাম আছিল আপাদমস্তক ভাৰতীয়। নিজ দেশৰ সভ্যতা সংস্কৃতিৰ প্ৰতি তেওঁৰ আছিল গভীৰ শ্ৰদ্ধা। তেওঁ কৈছিল—"মই আশা কৰোঁ, সেই দিন সোনকালে আহিব যিদিনা আমাৰ দেশৰ মানুহে ৰোমানীয়াৰ, বেকন, এডিছন, জনছনকৈ আমাৰ নিজৰ দেশীয় সাহিত্যৰ কাণে বেছি মন কাণ দিব।" আকৌ কৈছিল—"শিক্ষক সকলে তেওঁলোকৰ ছাত্ৰসকলক নিজৰ দেশৰ বুৰঞ্জী আৰু সাহিত্যক সমাদৰ কৰিবলৈ আৰু ভাল পাবলৈ শিক্ষা দিব লাগে।"

আনন্দৰাম বৰুৱা

সুৰ ভাৰতীৰ একাগ্ৰ সাধক আনন্দৰামে সাংসাৰিক জীৱনৰ আস্বাদ নাপালে। কিন্তু তেওঁৰ হৃদয় চাহাৰা নাছিল। ফল্গু-ধাৰাৰ দৰে তাত প্ৰবাহিত হৈছিল এক নিৰ্মল উচ্চতৰ মানসিক সুখৰ নিজৰা। নানাৰ্থ সংগ্ৰহৰ পাতনিত তেওঁ কৈছে—"কিছুমান দাৰ্শনিকে ভৌতিক সুখত বাহিৰে আন একো সুখ নেদেখে। পৰা হলে সেই সকলে কঠোৰ হাতেৰে সকলো প্ৰাচীন ধ্ৰুপদী সাহিত্যৰ অধ্যয়ন বন্ধ কৰি দিলেহেঁতেন। তেওঁলোকে পাহৰি যায় যে মনেই হৈছে সকলো সুখৰ আধাৰ, পাহৰি যায় যে পাৰ্থিৱ বস্তুৱে দিব পৰা সুখতকৈ নিৰ্মলতৰ আৰু উচ্চতৰ সুখ আছে, আৰু যেতিয়ালৈকে মানুহ আৰু মানুহৰ মনৰ সংগঠন এতিয়া থকাৰ দৰে থাকিব তেতিয়ালৈকে জ্ঞানেই মানুহৰ সুখৰ উৰ্বৰ উৎস হৈ থাকিব।"

আনন্দৰামে তেওঁৰ কৰ্মজীৱন বঙ্গদেশত কটালেও পিতৃ-ভ্ৰাতৃ, বন্ধু বান্ধৱ, আৰু জনম মাতৃক তেওঁ পাহৰা নাছিল। চেনেহৰ অগ্ৰজৰ স্মৃতিত তেওঁ "জানকীৰাম ভাষ্য" লিখিছিল। ভায়েক মণিৰামৰ নামত কলিকতাত ছপাখানা এটা স্থাপন কৰিছিল। নিজক দুৰ্লভা গৰ্ভনন্দন বুলি পৰিচয় দি পিতৃ মাতৃৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰিছিল। প্ৰাগ্জ্যোতিষপুৰ সন্তৰ আৰু লৌহিত্যত জন্ম বুলি উল্লেখ কৰি জনম মাতৃৰ তৰ্পণ কৰিছিল। ০০০০০

ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ

ভৱানন্দ ডেকা

ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈৰ যি বংশত জন্ম হয় সেই বংশৰ উপৰিপুৰুষ ৰুদ্ৰখড়ি বৰদলৈ কান্যকুব্জৰ বিখ্যাত বেদজ্ঞ জ্যোতিষী ব্ৰাহ্মণ আছিল। আহোম ৰজাই অনা বাৰঘৰ বেদজ্ঞ জ্যোতিষী ব্ৰাহ্মণৰ ভিতৰত ৰুদ্ৰখড়িও এজন। ৰজাই তেওঁক ব্ৰহ্মোত্তৰ মাটি বৃত্তি দান দি 'বৰদলৈ' উপাধি প্ৰদান কৰে আৰু শিৱসাগৰত বাসস্থান কৰি দিয়ে। শ্ৰীযুতা নলিনী বালা দেবীৰ মতে –"পূৰ্বৰ কামৰূপত হেনো সুপণ্ডিত নথকাত কান্যকুব্জৰ পৰা বাৰঘৰ বেদজ্ঞ সুপণ্ডিত, অঙ্কশাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰত পণ্ডিত, ভূত-ভৱিষ্যৎ গণনাকাৰী বেদজ্ঞ বাহ্মণ আনি মাটি বৃত্তি, সোণৰ লগুণ, সোণৰ মুখা আদি দি ব্ৰহ্মোত্তৰ মাটি সহ স্থাপন কৰিছিল। অসমৰ সুপণ্ডিত এই ব্ৰাহ্মণ সকল 'সূৰ্য বিপ্ৰ' নামেৰে জনাজাত। ইয়াৰ ভিতৰত পাঁচজন খড়ি উপাধিধাৰী আছিল। তেওঁলোক হ'ল ৰুদ্ৰখড়ি (এই বংশত মাধৱচন্দ্ৰ বৰদলৈ, নবীনচন্দ্ৰ বৰদলৈৰ জন্ম), বিজয় খড়ি (এই বংশত ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ জন্ম), সমুদ্ৰখড়ি (এই বংশত অচ্যুতানন্দ দলৈৰ জন্ম), ৰামখড়ি (এই বংশত দেবনাথ বৰদলৈ সদৰামিনৰ জন্ম) আৰু বজ্ৰখড়ি (এই বংশত অসম বুৰঞ্জী লিখক হৰকান্ত সদৰামিন বৰুৱাৰ জন্ম) ।

খড়ি / খড়ি শব্দৰ অৰ্থ গণনা, জ্যোতিষ বিজ্ঞানত পাৰদৰ্শী, ভূত-ভবিষ্যত গণনাকাৰী। সেই সময়ৰ সমাজত লৰা-ছোৱালীক বিদ্যাৰম্ভ কৰোঁতে এই খড়িসকলক স্মৰণ কৰা নিয়ম পোৱা যায়। দেউতাকে হাতত ফলি-পুথি দি লৰাক আওৰাবলৈ শিকায়–

খড়ি খড়ি   বজ্ৰ খড়ি
      খড়িয়ে মেলিলে পাত,
আই সৰস্বতী কণ্ঠত থাক।

"অসমলৈ অহা এই বাৰঘৰ সূৰ্যবিপ্ৰক কোনোক দ্বিবেদী কোনোক ত্ৰিবেদী কোনোক চতুৰ্বেদি পণ্ডিত বোলা হৈছিল।" আন এঠাইত তেখেতে লিখিছে–"আদি বৃটিছকালত অসমৰ ভৈয়ামত পাঁচখন জিলাত পাঁচজন সদৰামিন আছিল সূৰ্যবিপ্ৰ কুলৰ। তেওঁলোক হ'ল উত্তৰ লক্ষীমপুৰৰ সদৰামিন সোমনাথ বৰদলৈ, শিৱসাগৰ জিলাত দেবনাথ বৰদলৈ, নগাঁৱত হৰনাথ বৰদলৈ, কামৰূপ জিলাত হৰকান্ত বৰুৱা সদৰামিন, দৰং জিলাত সদৰামিন দেউৰাম বৰদলৈ।"

ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈৰ পূৰ্ব পুৰুষ ৰুদ্ৰখড়ি বৰদলৈ শিৱসাগৰৰ পুৰণি আমোলাপট্টিৰ মধ্যমখণ্ডত ঘৰ-বাৰী কৰি বাস কৰিছিল ; আৰু ৰাজ অনুগ্ৰহ লাভ কৰি সকলো প্ৰকাৰৰ সা-সুবিধা লাভ কৰিছিল। ৰুদ্ৰখড়ি বৰদলৈৰ পুত্ৰ আছিল ৰমাচৰণ বৰদলৈ। তেওঁৰ পুত্ৰ নাৰায়ণ বৰদলৈ আৰু নাৰায়ণ বৰদলৈৰ পুত্ৰ ৰত্নেশ্বৰ। ৰত্নেশ্বৰৰ পুত্ৰ ৰজনাথৰ বয়স বাৰ বছৰ মাথোঁ। এনে সময়তে অসমত মানৰ আক্ৰমণ হয়। মানৰ আক্ৰমণৰ অত্যাচাৰত প্ৰজাৰ মাজত হাহাকাৰ লগাত

যত্নেৰে নিজৰ কুলদেৱতা বাসুদেৱ বিগ্ৰহকলৈ সপৰিয়ালে আঁহি উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডত থিতাপি লয়। কিন্তু পুত্ৰ কমলনাথক মানে ধৰি নিয়াৰ বাবে সকলোৰে দুখ। কমলনাথক মানে ধৰি নি মান দেশ পোৱাইছিলগৈ। কমলনাথ সৰুৰে পৰা বৰ সুদৰ্শন চেহেৰাৰ লোক আছিল। বুদ্ধিতো আছিল চতুৰ। নিজৰ বুদ্ধিৰ বলত তেওঁ মানদেশৰ পৰা পলাই আহে আৰু গুৱাহাটীত উপস্থিত হয়। ইয়াতেই তেওঁ এজন চাহাবক লগ পায়। চাহাবজনে কমলনাথৰ সুন্দৰ চেহেৰা আৰু চতুৰ বুদ্ধি দেখি মুগ্ধ হয় আৰু আতিগুৰি লৈ নিজৰ ঘৰ উত্তৰ গুৱাহাটীত থৈ আহে। কমলনাথে এই চাহাবজনৰ যত্নতেই লিখা পঢ়া শিকে আৰু পিছলৈ চাহাবজনৰ অফিচতে চাকৰিত সোমাই পদ্মাৱতী আৰু চন্দ্ৰাৱতী দেৱীক বিবাহ কৰায়। ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ কমলনাথৰ প্ৰথমা ভাৰ্য্যা পদ্মাৱতীৰ জ্যেষ্ঠ সন্তান। ১৭৬৮ শকৰ মাঘ মাহত (১৮৪৪ খৃঃৰ জানুৱাৰী মাহ) উত্তৰ গুৱাহাটীত তেওঁৰ জন্ম হয়। ললিত চন্দ্ৰ বৰদলৈ নামে আৰু এজন মাধৱচন্দ্ৰৰ ভায়েক আছিল। মাক চন্দ্ৰাৱতীৰো দুজন লৰা উপজিছিল।

মাধৱচন্দ্ৰ বৰদলৈ পিতৃ কমলনাথৰ দৰেই সুদৰ্শন পুৰুষ আছিল। ধুনীয়া আৰু সংস্কাৰী হোৱা বাবে তেওঁ সকলোৰে পৰা আদৰ চেনেহ পাইছিল। সৰুতেই ঘৰত গৃহ শিক্ষক ৰাখি সংস্কৃত শিক্ষা দিয়া হৈছিল। ঘৰতেই আন আন কথাও শিকোৱা হৈছিল। কমলনাথ বৰদলৈ বৰ ধৰ্মানুৰাগী লোক আছিল। হিন্দুৰ নীতি নিয়ম সন্ধ্যা-গায়ত্ৰী আদি নিয়মমতে পালন কৰিছিল। নিজ কুলদেৱতা-বাসুদেৱ বিগ্ৰহক সদায় ৰাতিপুৱা-গধূলি পূজা অৰ্চনা কৰিছিল। মাধৱচন্দ্ৰৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰে। তেৱোঁ এজন নৈষ্ঠিক ধৰ্মানুৰাগী লোক হৈ পৰে। ঘৰৰ প্ৰভাৱে তেওঁক সৎ আৰু আদৰ্শৱান হবলৈ শিকাইছিল।

বৰদলৈদেৱৰ স্কুলীয়া শিক্ষা আৰম্ভ হয় গুৱাহাটীত। সেই সময়ত গুৱাহাটীত এখন মাত্ৰ স্কুল আছিল,–গুৱাহাটী ছেমিনাৰী। সেইখনেই বৰ্ত্তমানৰ কলেজিয়েট হাইস্কুল। গুৱাহাটী ছেমিনাৰীত তেওঁৰ নাম ভৰ্ত্তি কৰি দিয়া হয়। তাত পঢ়া সময়ত তেওঁক হৰকান্ত বৰুৱা সদৰামিনৰ ঘৰত থাকিবলৈ দিয়া হৈছিল। মাধৱচন্দ্ৰৰ সৰুৰে পৰা পঢ়াত বৰ ৰাপ আছিল। ৰাতি মিঠা তেলৰ মাটিৰ চাকিৰ পোহৰত পঢ়িব লাগিছিল। বিজুলী বাতিৰ কথাই নাই তেতিয়া কেৰাচিন তেলেই ওলোৱা নাছিল। মাটিৰ তেলৰ চাকিৰ পোহৰতেই তেওঁ বহুত ৰাতিলৈকে পঢ়িছিল। অসমৰ কেইজনমান বিখ্যাত লোক তেওঁৰ স্কুলীয়া জীৱনৰ সহপাঠী আছিল। তেওঁলোক হ'ল: পণ্ডিত আনন্দৰাম বৰুৱা, শিৱৰাম বৰা, কৰ্ণেল আজুনৰ আহমেদ আদি। মাধৱচন্দ্ৰ বৰদলৈ ১৮৬৪ খৃঃত সহপাঠী কেইজনৰ লগতে সুখ্যাতিৰে গুৱাহাটী ছেমিনাৰীৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়।

এণ্ট্ৰেন্স পাছ কৰি উঠিয়েই বৰদলৈ ডাঙৰীয়াই আন সহপাঠী কেইজনৰ লগত কলিকতালৈ যাবলৈ মন কৰিলে। কিন্তু বাপেকে কলিকতালৈ পঠাবলৈ প্ৰথম অৱস্থাত অনিচ্ছা প্ৰকাশ কৰে। কমলনাথ বৰদলৈ গোড়া হিন্দু আছিল আৰু তেওঁৰ আৰ্থিক অৱস্থাও টনকিয়াল নাছিল। সাতে-পাচে তেওঁ মাধৱচন্দ্ৰক উচ্চ শিক্ষা দিবলৈ ইচ্ছা নকৰিছিল। কিন্তু মাধৱচন্দ্ৰৰ আছিল উচ্চ শিক্ষা লাভ কৰাৰ প্ৰবল ইচ্ছা। দেউতাকক নানা প্ৰকাৰে বুজালে, কন্দা কটাও কৰিলে শেষত দেউতাকৰ মন কুমলিল আৰু তেওঁক কলিকতালৈ যাবলৈ অনুমতি দিলে। কলিকতালৈ গৈ তেওঁ

সময়ত এফ. এ পৰীক্ষাত উত্তীর্ণ হ'ল যদিও বি. এ একে বাৰতে পাছ কৰিব নোৱাৰি গুৱাহাটীলৈ ঘূৰি আহিব লগাত পৰিল।

কলিকতাৰ পৰা আহিয়েই তেওঁ চাকৰি কৰিবলৈ বাধ্য হয়। কাৰণ দেউতাকৰ আৰ্থিক অৱস্থা ভাল নাছিল। তেওঁৰ প্ৰথম চাকৰি হ'ল নগাওঁ জিলাৰ কেৰাণী কাম। তাত কিছুদিন কাম কৰাৰ পিছত তেওঁ গুৱাহাটীৰ জাহাজ কোম্পানীৰ চাৰ্জ এজেন্টৰ তলত হেড্‌ক্লাৰ্কৰ চাকৰি পাই তাৰ পৰা গুচি আহে।

এনে সময়তেই বৰদলৈদেৱৰ জীৱনত এটা বিশেষ ঘটনা ঘটে আৰু সেই ঘটনা চক্ৰই তেওঁক পুনৰ কলিকতালৈ লৈ যায়। এই ঘটনাটো হৰনাথ বৰুৱাই অসম প্ৰকাশন পৰিষদৰ 'জীৱনী সংগ্ৰহ' নামৰ গ্ৰন্থত সন্নিৱিষ্ট কৰা 'ৰায় বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ'ৰ জীৱনীত এনেদৰে উল্লেখ কৰিছে :-"স্বৰ্গীয় কন্দৰ্পেশ্বৰ সিংহ স্বৰ্গদেৱৰ এটি বৰ মূল্যবান ঘড়ী আছিল, সেই ঘড়ীৰ দাম বাৰশ টকা। সেই ঘড়ী আউনীআটী সত্ৰৰ অধিকাৰ স্বৰ্গীয় দত্তদেৱ গোস্বামী মহাপ্ৰভুই কিনিব খোজাত কন্দৰ্পেশ্বৰ সিংহ স্বৰ্গদেৱে ঘড়ীটি দেখুৱাৰ পূৰ্বেই কোনোবা এজন ভকতে মোটোহা হাতেৰে ঘড়ীৰ বিচিত্ৰ কাৰু-কাৰ্য্য খুলি চাওঁতে তাৰ ভাল দুটামান কল নষ্ট হৈ যোৱাৰ গতিকে, আউনীআটীৰ গোস্বামী প্ৰভুৱে সেই ঘড়ী নলওঁ বুলি কোৱাত, কন্দৰ্পেশ্বৰ সিংহ স্বৰ্গদেৱেও ওভোটাই লবলৈ মান্তি নহল। তেতিয়া উপায়ন্তৰ হৈ মাধৱচন্দ্ৰ বৰদলৈয়ে সেই ঘড়ী নিজে কিনিবলৈ স্বীকাৰ কৰি ঘড়ীটোৰ দাম ৯০০ টকা স্থিৰ কৰে। তেওঁৰ পিতাকে বহু কষ্ট কৰি ৩০০ টকা দিয়ে; আৰু এজন বন্ধুৱে ৩০০ টকা ধাৰ দিয়ে; বাকী ৩০০ টকাৰ নিমিত্তে দুবছৰ সময়লৈ জাহাজৰ কাম ইস্তফা দি তেওঁ কলিকতালৈ বাওনা হয়।"

কলিকতাত তেওঁ আগৰ বন্ধু-বান্ধৱ বহু কেইজনক লগ পায় আৰু তেওঁলোকৰ যত্নতেই বৰিশালত এটি শিক্ষকৰ কাম পায়। তাত তেওঁ তিনিবছৰ শিক্ষকতা কৰে। শিক্ষকতাৰ কামৰ উপাৰ্জনৰ দ্বাৰাই তেওঁ ঘড়ীৰ বাবে দিব লগা বাকী টকা আদায় দিয়ে। তদুপৰি সেই তিনিবছৰৰ ভিতৰতেই তেওঁ এল, এল পৰীক্ষা দি উত্তীর্ণ হয়।

মাধৱচন্দ্ৰ বৰদলৈৰ বৈবাহিক জীৱন অতি সুখৰ আছিল। তেওঁ কলীয়া বৰদলৈৰ ঘৰৰ দেহীৰাম বৰদলৈ পাটগিৰিৰ কন্যা সোমেশ্বৰী দেবীক বিয়া কৰাইছিল। সোমেশ্বৰী দেবীয়ে ঘৰতেই ঘৰুৱা অভিভাৱকৰ তলত লিখা পঢ়া কিছু শিকিছিল। তেওঁ তীক্ষ্ণ বুদ্ধি সম্পন্না আছিল। গীতা, ভাগৱত, নাম-ঘোষা আদি তেওঁ সুন্দৰকৈ বুজিব আৰু লিখিব পাৰিছিল। তেওঁ সুচতুৰা আছিল। দেউতাকৰ পৰা কবিৰাজী বিদ্যাও কিছু আয়ত্ব কৰিছিল। নাড়ীজ্ঞান বিদ্যাত বিশেষ পাৰদৰ্শীতা লাভ কৰিছিল। তেওঁ নিজ বুদ্ধি আৰু চতুৰ জ্ঞানেৰে ঘৰখন সুন্দৰ ভাৱে চলাইছিল। মাধৱচন্দ্ৰ বৰদলৈয়ে সেউতী দেবী নামৰ এগৰাকী ছোৱালীকো দ্বিতীয়া পত্নী হিচাপে গ্ৰহণ কৰিছিল। মাধৱচন্দ্ৰ বৰদলৈৰ প্ৰথমা পত্নী (নবীনচন্দ্ৰ বৰদলৈৰ মাতৃ) সম্পৰ্কে শ্ৰী নলিনীবালা দেবীয়ে এনেদৰে উল্লেখ কৰিছে- "দেউতাক (মাধৱচন্দ্ৰ বৰদলৈ) বাহিৰত থাকি চাকৰি কৰিবলগীয়া হোৱাত (নবীনচন্দ্ৰ বৰদলৈদেৱে) অকল মাকৰ শিক্ষাতে তেখেতৰ সৰ্বতোমুখী প্ৰতিভা বিকাশ হবলৈ সুবিধা পাইছিল। শুচি, শুদ্ধাচাৰিণী মাতৃৰ পৰাই শিশুকালতে পুত্ৰৰ কোমল হিয়াত কৃষ্ণভক্তিৰ সঞ্চাৰ হবলৈ ধৰিলে। গ্ৰহ বিগ্ৰহ বাসুদেৱৰ পূজা নোহোৱালৈকে

গৃহিণীয়ে জল গ্ৰহণ নকৰে। স্নেহত কোমল, শাসনত কঠোৰ চৰিত্ৰৱতী পূজনীয়া মাকৰ আজ্ঞা গোটেই পৰিয়ালে বাণীৰ দৰে স-সন্মানেৰে পালন কৰিছিল।"

কলিকতাৰ পৰা আইন পৰীক্ষা পাছ কৰি আহি এইবাৰ বৰদলৈদেৱে গুৱাহাটীত ওকালতি কাম আৰম্ভ কৰে, আৰু সেই ব্যৱসায়ত কিছুদিন থকাৰ পিছত চৰকাৰে তেওঁক একটিং এক্সট্ৰা এছিষ্টেণ্ট কমিছনাৰ নিযুক্ত কৰে। সেই পদবীত থাকোতে তেওঁ সপৰিয়ালে তেজপুৰলৈ যাব লগাত পৰে আৰু তেজপুৰত বহুদিন থাকিবলগীয়া হোৱাত তাত মাটি কিনি এটা বঙলা সজাই লয়। তেজপুৰত থকা কালত তেওঁ সুখ্যাতিৰে চাকৰিৰ কাম কৰিছিল আৰু আন আন সামাজিক কামো কৰি মানুহৰ জনপ্ৰিয় হৈ উঠিছিল। তেজপুৰত এতিয়াও মাধৱচন্দ্ৰ বৰদলৈয়ে সজা বঙলাটো আৰু তেওঁৰ নামত দিয়া "মাধৱ ৰোড" আছে।

তেজপুৰৰ পিছত তেওঁ যোৰহাট, শিলচৰ, বৰপেটা আদি অসমৰ বিভিন্ন ঠাইত এই পদত থাকি কাম কৰে। এনে সময়তে পূৰ্ববঙ্গ আৰু অসম লগ লগাই এখন প্ৰদেশ কৰা হয়। তেওঁ এই প্ৰদেশৰ সকলোবোৰ ডেপুটি মেজিষ্ট্ৰেটৰ ভিতৰত সৰ্বপ্ৰথম স্থান লাভ কৰিছিল আৰু সকলোতকৈ বেছি দৰমহা পাইছিল। তেতিয়া তেওঁৰ দৰমহা আছিল মাহে ৮০০ টকা।

বৰদলৈ ডাঙৰীয়াৰ বৰপেটাত চাকৰি কৰি থকা কালছোৱা তেওঁৰ জীৱনৰ এক স্মৰণীয় সময়। তেওঁ তাত মহকুমাধিপতি হৈ থকা সময়তে ১৮৯৭ চনৰ অসমৰ বিখ্যাত ভূমিকম্পটো সংঘটিত হয়। বৰদলৈদেৱে সেই সময়ত যি কঠোৰ পৰিশ্ৰম কৰি প্ৰজাৰ উপকাৰ সাধন কৰিছিল সেই কথা এতিয়াও তাৰ মানুহৰ মনত আছে। স্মৃতি-তীৰ্থত আছে—"তেখেতে (বৰদলৈ) সেই মুহূৰ্তত আদালতৰ পৰা নামিছে মাথোন, এনেতে ওপৰৰ পৰা পকা বেৰখন তেখেত বহা চকীখনৰ ওপৰত খহি পৰিল। সকলো প্ৰজাক কাছাৰী ঘৰৰ আগৰ ওখ আলিটোত গোট খাবলৈ তেখেতে আদেশ দিলে। ইফালে বৰ বৰ নাওবোৰ গোট খুৱাই বান্ধি, তাত লৰা-ছোৱালী আৰু তিৰোতা মানুহবোৰক তুলি প্ৰাণ ৰক্ষাৰ উপায় কৰিলে। স্বৰ্গীয় মাধৱ বৰদলৈয়ে সকলোকে সান্ত্বনা দিছে, তেখেতৰ মুখত মাত্ৰ একেষাৰ কথা "ভয় নাই। ভয় নাই, গোবিন্দই ৰক্ষা কৰিব।" নাৱৰ ওপৰতেই বৰদলৈয়ে নিজৰ পৰিয়ালক বৰপেটাবাসীৰ লগত তিনিমাহ ৰাখিছিল। নিজৰ পৰিয়াল আৰু বাহিৰৰ খোৱা লোৱাৰ সা-সুবিধা কৰি দিয়াত তেওঁ দিনে ৰাতিয়ে ব্যস্ত আছিল।"

মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই মুঠতে ২৭ বছৰ চৰকাৰী চাকৰি কৰে। চিলেটত থকা কালতেই শৰীৰ বৰ অসুস্থ হয়। তদুপৰি সেই সময়তেই তেওঁৰ দ্বিতীয়া পত্নী শ্ৰীমতী সেউতী দেৱীও স্বৰ্গী হয়। অৱশেষত চিলেটৰ পৰা তেওঁ ঘৰলৈ আহে আৰু নিজেও শয্যাগত হৈ পৰে।

১৯০৭ চনৰ ১০ অক্টোবৰ তাৰিখে ৰাতিপুৱা বৰদলৈদেৱ স্বৰ্গগামী হয়। মৃত্যুৰ আগৰ মুহূৰ্তৰ কথা তেওঁৰ নাতিনী প্ৰথিতযশা কবি শ্ৰী নলিনীবালা দেৱীয়ে স্মৃতি-তীৰ্থত এইদৰে বৰ্ণাইছে—"আইতাই তেখেতৰ কাষতে বহি শ্ৰীকৃষ্ণ-শতনাম, জপমালা ততিয়া পাইছে, চকুৰে পানী মুচি আছে। এনেতে ককাদেউতাই (মাধৱচন্দ্ৰ) দুডাল মালা খুজিলে; এডাল চন্দনৰ মালা আৰু এডাল তুলসীৰ মালা দিয়া হ'ল। তেখেতে মালা দুডাল লৈ বহু সময় জপ কৰিলে। ককাদেউতাই প্ৰথমে পিতৃদেৱক (নবীনচন্দ্ৰ) মূৰত ধৰি আশীৰ্বাদ কৰি চন্দনৰ মালাডালি মূৰত দিলে। পিছত তেখেতে বৰ নাতিনী এই অযোগ্যাক আশীৰ্বাদ কৰি তুলসীৰ মালাডালি মূৰত

দিলে। পত্নীৰ হাত খনি টানি নি তেখেতৰ (পুত্ৰ) ৰবদলৈদেৱৰ হাতত তুলি দি, এটি তৃপ্তিৰ হাঁহি মাৰি বাহিৰলৈ নিৰলৈ ইঙ্গিত কৰিলে। সম্পূৰ্ণজ্ঞান থকা অৱস্থাত জপ কৰি থাকোতেই তেখেত স্বৰ্গী হয়। তেতিয়া পুৱাৰ আকাশখন বাঙলী হৈ পৃথিৱী বঙাই তুলিছিল।"

বিশেষ গুণ আৰু দক্ষতাৰ বাবে বৃটিছ ৰাজত্ব কালত ৰায়বাহাদুৰ খিতাপ লাভ কৰা প্ৰথম অসমীয়া লোকসকলৰ ভিতৰত মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়াও আছিল এজন। বৰদলৈদেৱে এই খিতাপ লাভ কৰা প্ৰসঙ্গত স্বৰ্গীয় হৰনাথ বৰুৱাই লিখিছে-"কিছুমান দিন ওকালতি কৰাৰ পাছত, শিৱসাগৰৰ বেজবৰুৱা পৰিয়ালৰ বিৰুদ্ধে হাতীৰ মহল সম্বন্ধে গৱৰ্ণমেন্টৰ লগত যি ডাঙৰ মোকৰ্দমা উপস্থিত হয়, সেই মোকৰ্দমাত চৰকাৰৰ পক্ষৰ পৰাজয় হলেও, অতি সুন্দৰকৈ মোকৰ্দমা চলোৱা দেখা পাই, গৱৰ্ণমেন্টে তেওঁক এজন সুদক্ষ কৰ্মচাৰী আৰু উপযুক্ত ভাবি ৰায় বাহাদুৰ খিতাপেৰে তেজপুৰত একটিং এক্সট্ৰা এচিষ্টেন্ট কমিছনাৰ স্বৰূপে নিযুক্ত কৰে।" শ্ৰী নলিনী বালা দেৱীয়ে অৱশ্যে অন্য এটা কাৰণহে এই প্ৰসঙ্গত উল্লেখ কৰিছে। তেওঁৰ মতে "বৰপেটাৰ ভূমিকম্পৰ সময়ত প্ৰশংসনীয় কামৰ পুৰস্কাৰ স্বৰূপে চৰকাৰে তেখেতক ৰায়বাহাদুৰ উপাধি দিয়ে।"

মাধৱচন্দ্ৰ বৰদলৈ ওখ-পাখই এজন দেখনিয়াৰ লোক আছিল। তেওঁ সকৰে পৰা অমায়িক আৰু শান্ত প্ৰকৃতিৰ লোক আছিল। তেওঁৰ ব্যৱহাৰ আছিল শিষ্ট। এলাহক তেওঁ কেতিয়াও লাই নিদিছিল। তেওঁ সকলো সময়তে নিজক ব্যস্ত ৰাখিছিল আৰু তাৰ বাবেই জীৱনত কৃতিত্ব লাভ কৰিব পাৰিছিল। চাকৰি কামত নিতান্ত ব্যস্ত থাকিও তেওঁ দুখীয়াৰ দুখ মোচনৰ বাবে চেষ্টা কৰিছিল আৰু আজৰি সময়ত সাহিত্য চৰ্চা কৰিছিল। তেওঁৰ আন এটা মহৎ গুণ হল প্ৰিয় সম্ভাষণ। মৰমৰ মাত এষাৰ দিয়াত তেওঁ কাৰ্পন্য প্ৰকাশ নকৰিছিল। তেওঁ সৰু-বৰ সকলোৰে লগত সমানে কথা বতৰা হৈছিল। বৰদলৈ দেৱৰ খঙ-ৰাগ একেবাৰেই নাছিল। তেওঁ সকলো কথা সহ্য কৰি যাব পাৰিছিল। সেয়ে হিন্দু, মুছলমান, বঙালী, অসমীয়া সকলোৰে লগত তেওঁৰ সমানে বন্ধুত্ব আছিল। তেওঁ দুখীয়াৰ প্ৰতি দয়াশীল আৰু মৰমীয়াল আছিল। তেওঁ আজৰি পালেই দুখীয়াৰ ঘৰে ঘৰে গৈ বিপদ আপদৰ খবৰ লৈ ফুৰিছিল। এই সম্পৰ্কে 'স্মৃতি-তীৰ্থ'ত আছে-"দুখীয়া সমাজে নিৰ্ভয়ে তেখেতৰ ওচৰ চাপিবলৈ সাহ কৰিছিল, কাৰণ তেখেত আছিল অতি নিৰহঙ্কাৰ স্বভাৱৰ মানুহ। মোৰ মনত আছে-তেখেতে দৰমহা পাবৰ দিনা সিকি আধলি কিছুমান ভঙাই আনি ঘৰৰ বোৱাৰী জীয়াৰীবোৰক টকা আৰু নবা-ছোৱালীবোৰক আৰু চাকৰবোৰক বয়স চাই সিকি আধলি কৈ দি বৰ ৰং পাইছিল।"

মাধৱচন্দ্ৰ বৰদলৈয়ে বহুতো দুখীয়া ছাত্ৰক সহায় কৰিছিল। গুৱাহাটীত পঢ়া ভালেমান দুখীয়া ছাত্ৰৰ পঢ়াশুনাত তেওঁ নিজে সুবিধা কৰি দিছিল। তেওঁৰ উজানবজাৰৰ জোৰ পুখুৰীৰ পাৰত থকা ঘৰৰ আগফালে এটি দীঘলীয়া ছাত্ৰাবাস আছিল। সেই আবাসটোত বহুতো দুখীয়া ল'ৰাই থাকি গুৱাহাটীত পঢ়িছিল।

বৰদলৈ ডাঙৰীয়াৰ মহৎগুণৰ আন এটি পৰিচয় পোৱা যায় বৰপেটাত থকা কালৰ এটা ঘটনাৰ পৰা। বৰপেটাত এবাৰ তেওঁৰ এজন নবাই এজন ব্যৱসায়ী লোকৰ বহুত বস্তু নষ্ট কৰে। ব্যৱসায়ী মহাজনজনে নবাজনৰ বিৰুদ্ধে গোচৰ তৰাত বৰদলৈদেৱে নিজেই নবাৰ ওপৰত মোকৰ্দমা তৰিবলৈ সকলো ব্যৱস্থা কৰি

দিছিল আৰু যাৱতীয় খৰচো বহন কৰিছিল। তেওঁ কৈছিল–"হাকিমৰ ল'ৰা বুলি অহঙ্কাৰী ল'ৰাই কুকুৰ সি কেনে হাকিমৰ ল'ৰা।" তেওঁ কাকো কঠুৱা মাতেৰে নামাতিছিল আৰু আনৰ কঠুৱা মাতো ভাল নেপাইছিল। এদিন তেওঁৰ এজন ল'ৰাই কোনোবা এজন মানুহক কঠুৱা ভাষাৰে কথা কোৱাত তেওঁ কৈছিল "বোপাই! এই যে তোৰ মাতষাৰ ইমান কঠুৱাকৈ মাত; তই ভাবি চাবিছোন জগতত এই মাতষাৰৰ বাহিৰে কাৰ কি দিব পাৰ?"

মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়া এজন চৌখিন লোক আছিল। তেওঁ সদায় ধুনীয়া সাজ-পাৰ পিন্ধিছিল। তেওঁ নিজে ভাল গান গাবও জানিছিল। তেওঁ ভালদৰে চেতাৰ বজাব পাৰিছিল। আজৰি সময়ত বহুত সময় তেওঁ চেতাৰ বজাই কটাইছিল। তেওঁ চিকাৰ কৰিও ভাল পাইছিল। বৰপেটাত থকা কালত তেওঁৰ এটা চিকাৰী হাতীও আছিল।

সাহিত্যিক বৰঙণি–ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈদেৱে অসমীয়া ভাষা সাহিত্যলৈও ভালেখিনি বৰঙণি আগবঢ়াইছিল। তেওঁ সকলে সবাই এজন বিদ্যোৎসাহী লোক আছিল। ঘৰতেই সংস্কৃত শিকি ৰামায়ণ-মহাভাৰতৰ পদ পঢ়ি এটা জ্ঞান পুষ্ট মন গঢ়ি তুলিছিল। তেওঁৰ সাহিত্য চৰ্চাৰ প্ৰধান সময় আছিল বৰপেটাত থকা সময়ছোৱা। বৰপেটাতেই তেওঁ পুৰুষোত্তম গজপতিৰ "দীপিকা ছন্দ" পুথিখন সম্পাদনা কৰে আৰু তাক বৰপেটাৰ "সনাতন ধৰ্ম যন্ত্ৰ"ত ১৮৯৫ চনত ছপা কৰি উলিয়ায়। বৰপেটাত থাকোতেই ১৮৯৯ চনত ইয়াৰ দ্বিতীয় তাঙৰনো ওলায়। সেইসময়ত তেওঁৰ লিখা নাম আছিল মাধৱচন্দ্ৰ শৰ্মা বৰদলৈ। দীপিকা ছন্দৰ প্ৰথম সংস্কৰণৰ ভূমিকাত পুৰুষোত্তম গজপতি সম্পৰ্কে তেওঁ লিখিছে–"পুৰুষোত্তম নামেৰে সূৰ্য্যবংশীয় ৰজা এজনাই হৰগৌৰী সংবাদ, আদি যামল আৰু হংসকাকী সংহিতা মূল পুথিৰ পৰা উদ্ধাৰ কৰি অসমীয়া ভাষাত পদ ছন্দে এই পুথিখনি লিখা বুলি প্ৰমাণ পোৱা যায়। ৰচনা প্ৰণালীলৈ চালে এই পুথিখন বৰ পুৰণি বুলি কোৱা হয়।" দীপিকা ছন্দৰ দ্বিতীয় সংস্কৰণৰ পাতনিত আছে–"অনেক অনুসন্ধান কৰি জানিব পাৰিছো যে এওঁ কামৰূপৰ ক্ষত্ৰিয় জিতাৰি বংশৰ ৰজা আছিল। আৰু জিতাৰি বংশৰ শেষ ৰজা ৰামচন্দ্ৰৰ অনুজৰ নাতি নহয় কাৰণ সেইটো অসম্ভৱ। যি সময়ত এই পুথিখনি লিখা হৈছিল, সেই সময়ত বৌদ্ধ ধৰ্ম এই দেশত কি ভাৰতবৰ্ষৰ অন্যান্য দেশতো হ্ৰাস পাইছিল, এনেকি বৌদ্ধ শব্দটিয়ে ঘৃণনীয় আছিল।"

মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই সম্পাদনা আৰু নিজা খৰচত ছপা কৰি উলিওৱা দ্বিতীয় পুথি হ'ল 'মাধৱ কন্দলিৰ ৰামায়ণ'। ইয়াৰ মুঠ পৃষ্ঠা সংখ্যা ৪৬৫। ১৮৯৯ খৃঃত ইয়াক ছপা কৰি উলিওৱা হয়। সুন্দৰীদিয়া সত্ৰৰ বাপুসকলৰ হতুৱাই এই পুথিৰ পাণ্ডুলিপি প্ৰস্তুত কৰা হৈছিল। পাঠ গ্ৰহণৰ সময়ত এখন মাত্ৰ সাঁচিপতীয়া পুথিৰ ওপৰতেই নিৰ্ভৰ কৰিবলগীয়া হোৱা হেতুকে ইয়াত ঠায়ে ঠায়ে কিছুমান ভুল বৈ গ'ল যদিও 'অসমীয়া সাহিত্যৰ প্ৰাকৃষ্ট খোৰণা' কন্দলি ৰামায়ণৰ দৰে এনে এখন বিৰাট গ্ৰন্থৰ পাঠোদ্ধাৰ আৰু প্ৰকাশে বৰদলৈদেৱক অসমীয়া সমাজত নিঃসন্দেহে অমৰ কৰি থৈ গ'ল। কেইবাটাও দিশৰ ফালৰ পৰা বৰদলৈ প্ৰকাশিত এই ৰামায়ণৰ পাতনিখনৰ এটি বিশেষ মূল্য আছে। অপ্ৰমাদী কবি মাধৱ কন্দলিৰ সময় স্থান আদিৰ বিষয়ে দীঘলীয়া আলোচনাৰ উপৰিও তেওঁক পৃষ্ঠপোষকতা দান কৰা ৰজা মহামাণিক্যৰ বিষয়েও ইয়াত ভালেখিনি যুক্তিপূৰ্ণ কথা দাঙি ধৰা

হৈছে। তেৰেতে উল্লেখ কৰা "মাধৱ কন্দলিৰ ৰচিত অসমীয়া সাতকাণ্ড ৰামায়ণ 'আদি'ও উত্তৰা কাণ্ড কাহাৰী আৰু আহোমৰে ৰাজ্যৰ নিমিত্তে বদ নগাত লোপ পোৱাত, সেই কন্দলী বংশৰে অনন্ত কন্দলিয়ে লোপ পোৱা দুই খণ্ডৰ থলত 'ৰাম-কীৰ্ত্তন' নামেৰে পুথি এখনি ৰচনা কৰাৰ অনুমান" পণ্ডিতসকলে আজি যুক্তি যুক্ত বুলি মানি নললেও এই বিষয়ৰ ভবিষ্যত গৱেষকৰ বাবে নিশ্চয় এটি গুৰুত্ব আছে। ৰবদলৈদেৱে কন্দলি ৰামায়ণৰ বিশেষত্বৰ বিষয়ে উল্লেখ কৰি যথোচিত মন্তব্যকেই দাঙি ধৰিছে,—"সংস্কৃত ভাষাত বাল্মীকি ৰচিত ৰামায়ণ যেনে—আদি পদ পুথি, তেনেকুৱা অসমদেশৰ কবিকুল চূড়ামণি মাধৱ কন্দলিৰ অসমীয়া ভাষাত ভাঙনি ৰামায়ণ (যদিও তেওঁৰ আগেয়ে কোনো কোনো সৰু পুথি ৰচনা হৈছিল তথাপি) আদি পদ বুলিলে অত্যুক্তি নহব পায়।"

ৰবদলৈদেৱৰ ভাষা আছিল সহজ সৰল ; আৰু বাক্যৰীতি নিৰ্ভাঁজ অসমীয়া। জতুৱা আৰু খণ্ডবাক্যৰ সঘন প্ৰয়োগ তেওঁৰ লেখনীৰ মূল বৈশিষ্ট্য। তেওঁৰ গদ্যত এটি সুমধুৰ লয় সততে লক্ষ্য কৰা যায়।ooo

সাংবাদিক মথুৰা মোহন বৰুৱা

ড° ভৃগু মোহন গোস্বামী

কনৌজৰ পৰা অহা শাক্ত পণ্ডিত অনিৰুদ্ধদেৱৰ (বসেন্দ্ৰ বংশ) বংশধৰ, নিৰ্ভীক সাংবাদিক, স্বদেশ প্ৰেমিক স্বৰ্গীয় মথুৰামোহন বৰুৱাৰ প্ৰাজিৰ পৰা একশ ডেৰ বছৰ আগতে ১৮৬৩ চনত গুৱাহাটীত জন্ম হয় আৰু ১৯১৯ চনৰ ৭ জুন (আহাৰ) তাৰিখে মাত্ৰ ৫৬ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে। অনিৰুদ্ধদেৱক বস (পাৰা) চিকিৎসাবিদ্যাৰ পটুতাৰ বাবে আহোম স্বৰ্গদেউৱে বিশেষ অনুগ্ৰহ দেখুৱাইছিল। সময়ত এওঁৰ সতি-সন্ততি সকলে উজনি আৰু নামনি অসমত ফুকন, বৰুৱা আৰু বাজখোৱা এই তিনিভাগত বিভক্ত হৈ বিয়পি পৰিছিল।

বসেন্দ্ৰ বংশৰ সপ্তমপুৰুষ শূলপানী বৰুৱাৰ ভায়েক কাশীনাথ আৰু শূলপানীৰ তৃতীয় পুত্ৰ দিগম্বৰ ইংৰাজ চৰকাৰৰ দিনত উজনি অসম এৰি কামৰূপলৈ আহে আৰু গুৱাহাটীত স্থায়ী ভাবে থাকিবলৈ লয়। দিগম্বৰৰ দুই পুত্ৰ ৰবিচন্দ্ৰ আৰু বলোচন্দ্ৰ। এই বলোচন্দ্ৰৰ পুত্ৰই হ'ল সাংবাদিক মথুৰামোহন বৰুৱা।

অসমত বাতৰি কাকতৰ অৱস্থা যিটো সময়ত কচুপাতৰ পানীটোপাৰ দৰে আছিল আৰু ছপাশালৰ অভাৱ আছিল নিতান্ত, সেই সময়ৰ মথুৰামোহনে দুয়োটা দিশতে বিশেষ চকু দিছিল। বৰুৱাই গুৱাহাটীত 'ভিক্টোৰীয়া' নামৰ ছপাশাল পাতি 'এডভোকেট অৱ আসাম' (১৯০৩) নামৰ সাপ্তাহিকীয়া ইংৰাজী বাতৰি কাকত এখন উলিয়াইছিল। ৰাধানাথ চাংকাকতিৰ 'টাইমছ' আৰু মথুৰামোহন বৰুৱাৰ 'এডভোকেট অৱ আসাম' এই ইংৰাজী কাকত দুখনে বিশেষ কাম কৰিছিল। বৰুৱাৰ কাকতখনে ৰাজহুৱা মত নথকা কালত নিৰ্ভীকভাবে জনমত গঢ়ি তুলি ইংৰাজ চৰকাৰক সমালোচনা কৰিবলৈ সাহ বান্ধিছিল। বাগ্মীবৰ শ্ৰী নীলমণি ফুকনে 'মথুৰা বৰুৱাৰ এডভোকেট' এই নামেৰে দৈনিক অসম কাকতত (১১ জুন, ১৯৭২ চন) লিখা প্ৰবন্ধত উচিত মন্তব্যকে আগবঢ়াইছিল, 'সেইদৰে খোৱা মথুৰা বৰুৱায়ো (তেওঁৰ এখন ভৰি বেয়া আছিল) সকফুটীয়া দেহাত থকা কলজিলীয়া সাহটো 'এড্‌ভোকেট' কাকতত প্ৰকাশ কৰিছিল। ৰাজহুৱা মত নথকা কালত তেওঁ তাক সৃষ্টি কৰিবলৈ যত্ন কৰিছিল। সেই কালত যিমানদূৰ নিৰ্ভীক সমালোচনা কৰিব পাৰি, কাকতত তাকে তেওঁ ঠাই দিছিল।"

বোম্বাইৰ পৰা ডাক্তৰী বিদ্যাত ডিগ্ৰী লাভ কৰিলেও বৰুৱাই তাক অভিজ্ঞতা কাষৰে ৰাখিলে, কিন্তু জীৱিকা হিচাপে গ্ৰহণ কৰিলে ছপাশাল আৰু সাংবাদিকতাহে। ইংৰাজী ভাষাত সৈনত বৰুৱাই ইংৰাজী বাতৰি কাকতত প্ৰবন্ধপাতি লিখিছিল। সাংবাদিক শ্ৰী মুনীন বৰকটকীদেৱে ১৯৭২ চনৰ ৭ জুনৰ আসাম ট্ৰিবিউনত লিখা 'পেট্ৰিয়ট জাৰ্ণেলিষ্ট মথুৰামোহন বৰুৱা : এ ট্ৰিবিউট' নামৰ প্ৰবন্ধত বৰুৱাৰ বিষয়ে এঠাইত এইদৰে লিখিছিল :- "Through a doctor by training and proffession Mathura Mohan took

fency for journalism early in his carreer and started contributing articles to newspapers in Western and Southern India in English."

কলিকতাত থকা সময়খিনিত বৰুৱাদেৱে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ বিশেষ সান্নিধ্যলৈ আহিছিল। নতুন কংগ্ৰেছৰ ৰাজনৈতিক যত্নৰ কমাৰশালে এওঁলোকৰ মন ৰঙাই ৰাখিছিল বাবে ইংৰাজ চৰকাৰৰ নামগোন্ধ শুনিব নোৱাৰিছিল। সেয়েহে কংগ্ৰেছ বিৰোধী ইংৰাজী 'ইংলিছমেন' কাকতত স্বৰ্গীয় বলি নাৰায়ণ বৰাৰ 'মৌ'ৰ (১৮৮৬ চন) নিচিনা উত্তম শ্ৰেণীৰ আলোচনীৰ সমালোচনা হোৱাটো সহ্য কৰিব নোৱাৰি বেজবৰুৱা, মথুৰামোহন আদিয়ে ককালত টঙালি বান্ধি থিয় দিছিল। 'মোৰ জীৱন সোঁৱৰণ'ত (পৃঃ ৯৭) আছে "আৰু আমি যেতিয়া দেখিলো যে কংগ্ৰেছ বিৰোধী ইংৰাজী 'ইংলিছমেন' কাকতত 'মৌ'ৰ প্ৰশংসা ওলাল আমাক আৰু পায় কোনো ? আমি প্ৰতাপ চন্দ্ৰ চাটুৰ্জীৰ লেনৰ মেছত বহি সভাৰ উপৰি সভা কৰি 'মৌ' মাৰিবলৈ ককালত টঙালি বান্ধি উঠিলোঁ। মই আৰু মথুৰা মোহনে মহা পৰাক্ৰমে প্ৰদৰ্শন কৰি 'মৌ'লৈ প্ৰতিবাদ প্ৰবন্ধ লিখি পঠিয়াইছোঁ।" মথুৰামোহনৰ বিদ্ৰোহী মনৰ পৰিচয় এইবোৰৰ মাজেৰে ফুটি উঠিছে।

অসমৰ বাহিৰত সৰহদিন কটোৱা বৰুৱাই জীৱনৰ শেষৰ ফালে ভগ্ন স্বাস্থ্যৰ বাবে অসমলৈ ঘূৰি আহে আৰু সাংবাদিকতাৰ কাম হাতত লয়। ঘূৰি আহি পোনতে তেওঁ 'অসম বন্তী'ৰ (১৯০০–১৯০২) ইংৰাজী অংশৰ সম্পাদক হিচাপে নিযুক্তি লাভ কৰিছিল। ইয়াৰ পিছত গুৱাহাটীত 'ভিক্টোৰিয়া' নামৰ ছপাশাল এখন খুলি সেই প্ৰেছৰ পৰা তেওঁ সাপ্তাহিক ইংৰাজী বাতৰি কাকত 'এড্‌ভোকেট অব আসাম' (১৯০৩ চন) সম্পাদনা কৰি উলিয়াই। এই বাতৰিখন আঠবছৰমান চলিছিল বুলি জনা যায়। বৰুৱাই অকলশৰে অশেষ কষ্ট স্বীকাৰ কৰি এই কাকতৰ কাম চলাবলগীয়াত পৰিছিল। মানুহৰ সকলো প্ৰয়োজনীয় কথা নিৰ্ভীকভাৱে কাকতত ছপা কৰি উলিয়াবলৈ তেওঁ বুকুত সাহ বান্ধিছিল। কঠোৰ পৰিশ্ৰমৰ ফলত তেওঁৰ স্বাস্থ্য হানি হৈছিল। ডঃ সূৰ্য্য কুমাৰ ভূঞাদেৱে বৰুৱাক অসুস্থ অৱস্থাত লগ ধৰি অনেক কথা জানিবলৈ বিচাৰিছিল। ভূঞাদেৱৰ 'মেন আই হেভ মেট' নামৰ ইংৰাজী পুথিত বৰুৱাদেৱৰ বিষয়ে লিখোতে 'এড্‌ভোকেট অৱ আসাম'ৰ বিষয়েও এনেদৰে লিখি থৈ গৈছে, "The editor had to work very hard almost single handed in voicing forth the needs of the people and maintaining the standard of the people "

সাতাইশ বছৰ বাঁহীৰ সম্পাদক মাধৱ চন্দ্ৰ বেজবৰুৱাই সম্পাদকীয় লিখোতে মথুৰামোহন বৰুৱাৰ সাহসৰ কথা বিশেষভাৱে উল্লেখ কৰি লিখিছিল। "এই খিনিতে আমাৰ তাহানিৰ অসম এছোচিয়েচনৰ কৰ্মকুশলতালৈ মনত পৰে। যেতিয়া এসময়ত গৌৰীপুৰৰ ৰাজা শ্ৰীযুত প্ৰভাত চন্দ্ৰ বৰুৱাৰ নেতৃত্বত অসম এছোচিয়েচনে অসমীয়াৰ হকে যুঁজিব পাৰিছিল আৰু সেইসময়ত 'এড্‌ভোকেট অব আসাম'ৰ নিচিনা তেজী কাগজ একোখনে যি দেশত জন্মলৈ, দেশৰ মাজতে লালিত পালিত হৈ দেশৰ কাৰণে কাম নকৰি কাৰ কাৰণে কৰিম' এনে নীতি বুকুত বান্ধিলৈ স্বৰ্গীয় মথুৰামোহন বৰুৱাৰ নিচিনা মানুহ উলিয়াই দিব পাৰিছিল, দেশৰ কাৰণে মৰৰ

পাৰিছিল তেতিয়া আমাৰ অৱস্থা আছিল জয় জয় ময়। কিন্তু আজি অসমীয়াই মাণিক, জগন্নাথ, প্ৰসন্ন, মথুৰামোহনৰ বংশধৰ হৈ কৰিব পাৰিছো কি।"

বৰুৱাৰ ইংৰাজী ভাষাত অগাধ বুৎপত্তি, ৰাজনীতিৰ প্ৰতি থকা দূৰদৰ্শিতা আৰু অসমৰ প্ৰতি থকা প্ৰচেষ্টাৰ কথা সেই সময়ৰ অসমৰ গুণীলোকৰ মাজত জনাজাত আছিল। স্বৰ্গীয় কেশৱ ৰাজখোৱাই তেওঁৰ 'মোৰ জীৱন দাপোন' আত্মজীৱনীত বৰুৱাৰ মহান গুণাৱলীৰ কথা উল্লেখ কৰি গৈছে। 'এড্‌ভোকেট অব আসাম'ৰ বিষয়ে ৰাজখোৱাই এনেধৰণে লিখি গৈছে "কাকতখনি যদিও বহুদিন স্থায়ী নহল, তথাপি ই ৰাজহুৱা মতৰ এটা শক্তিমন্ত অস্ত্ৰ বুলি পৰিগণিত হৈছিল। (মোৰ জীৱন দাপোন ২১১ পৃঃ)

ভাষা, সামাজিক ৰীতি-নীতি আৰু সমাজ ব্যৱস্থা আদিত অসমীয়া বঙালীৰ মাজত যি সনাপোটকা সেই বিষয়ে বৰুৱাই লক্ষ্য কৰিছিল। অনেক বঙালী পৰিয়াল অসমলৈ আহি আহোম ৰজা সকলে প্ৰদান কৰা বৰুৱা, চৌধুৰী, মজুমদাৰ আদি উপাধি গ্ৰহণ কৰি কিদৰে অসমীয়া সমাজৰ লগত মিলি গৈছিল সেই বিষয়ে বৰুৱাই যি কথা উল্লেখ কৰিছিল তাৰ বিষয়ে অমলেন্দু চক্ৰৱৰ্তীয়ে যুগান্তৰ বাতৰিত লিখা (বৃহস্পতিবাৰ, ২২ জুন, ১৯৭২ চন) 'আসাম বাঙলা দুই সহোদৰ' নামৰ প্ৰবন্ধৰ এঠাইত উল্লেখ কৰিছে।

গুৱাহাটী আলোচনা চক্ৰৰ ৩৪৫ সংখ্যক বৈঠকত স্বৰ্গীয় সোনাৰাম বেজ তাঙৰীয়াই মথুৰামোহন বৰুৱাৰ বিষয়ে লিখি পাঠ কৰা এটি প্ৰবন্ধত বৰুৱাই ৰোমাণ্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালালৈ লিখা চিঠি এখনৰ কথা উল্লেখ কৰিছিল। তীব্ৰ দেশপ্ৰেমী বৰুৱাৰ জীৱন-দৰ্শনৰ কিছু পৰিচয় পোৱা যাব বুলিয়েই চিঠিখনিৰ কিছু অংশ ইয়াত তুলি দিলোঁ।–"আমাৰ অসমীয়া জাতি জীয়াই থাকিব বুলি মোৰ বিশ্বাস নাই। চকুৰ আগতে উজান বজাৰত সাতখন মেছোৱাৰী দোকান হ'ল; পাণবজাৰ, ফাঁচিবজাৰৰ কথাই নাই।" আগৰৱালাই গুৱাহাটীত 'নিউপ্ৰেছ' খোলাত অতিশয় আনন্দিত হৈ সেই একেখন চিঠিতে লিখিছিল 'আপুনি এই মহৎ কামত আগবাঢ়ি অসমীয়াৰ উপকাৰ কৰিব পাৰিব বুলি ৰোগ শয্যাৰ পৰা শুভ কামনা কৰিলোঁ। মই মোৰ জীৱনত একো কৰিব নোৱাৰিলোঁ। তথাপি দেশৰ বাবে কাম কৰিবলৈ মনত বল আছে।' অসমীয়া জাতি জাতি হিচাপে জীয়াই থাকিবলৈ হলে অকল শিক্ষা সংস্কৃতিতে নহয়, ব্যৱসায়-বাণিজ্য এই সকলোতে যে স্বাৱলম্বী হৈ উঠিব লাগিব–সেই কথা বৰুৱাদেৱে তাহানিয়েই গভীৰ ভাৱে উপলব্ধি কৰিছিল।০০০

ভাষা-সাহিত্যৰ পূজাৰী লোকনাথ শৰ্মা

অনিল কুমাৰ

"দেউতাক অতি ভক্তি, শ্ৰদ্ধা আৰু ভয় কৰি সদায় চলিছিলোঁ। জীৱনৰ বিয়লি বেলাও তেখেতে কিছুমান কামত অশান্তি পাব বুলিয়েই সেইবোৰ কাহানিও কৰা নাছিলোঁ। সদায় স্মৃতি হিচাপে তেখেতৰ এখনি ফটো আৰু জীৱনত সংঘটিত হোৱা কিছুমান ঘটনা দেউতাকৰ পৰা সুধি লিখি ৰাখিম বুলি মনত পোষণ কৰি ৰাখিছিলোঁ। কিন্তু তেখেতৰ সন্মুখত সহজ ভাবে থিয় হোৱাৰ সঙ্কোচ কণ এৰাব নোৱাৰাৰ হেতুকেই এই কণ কামকেই মই কৰিব নোৱাৰিলোঁ। তাৰ বাবে মই আজিও অনুতপ্ত"–নিজে ভাষা-সাহিত্যৰ এজন আগশাৰীৰ পণ্ডিত হৈয়ো গোটেই জীৱন নিজ পিতৃৰ প্ৰতি সামান্য শিশুৰ দৰে সৰলচিত্তে এনেদৰে শ্ৰদ্ধা-ভয়ৰ ভাব ৰাখি চলিব পাৰিছিল–সেইজনেই হৈছে অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ পূজাৰী লোকনাথ শৰ্মাদেৱ।

শৰ্মাদেৱৰ জন্ম হৈছিল ১৮৭০ খৃঃত সৰ্থেবাৰীৰ এটি তাহানিকালৰ ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালত গোমুৱা সত্ৰ নামেৰে বৈষ্ণৱ সমাজৰ এখনি পবিত্ৰ ধামত। তেখেতৰ পিতৃ স্বৰ্গীয় শ্ৰীকান্ত শৰ্মাদেৱ এজনা নামজ্বলা সংস্কৃত পণ্ডিত আৰু শুক্ৰেশ্বৰ দেবালয়ৰ এজনা বৰদেউৰী আছিল। মাতৃ স্বৰ্গীয় চন্দ্ৰাপ্ৰিয়া দেৱীও এগৰাকী গোড়া প্ৰকৃতিৰ মহিলা আছিল বুলি আজিও জনাজাত। পিতৃ মাতৃৰ কনিষ্ঠ পুত্ৰ হোৱা হেতুকে লোকনাথ শৰ্মা বৰ মৰমৰ আছিল। সেয়ে তেখেতৰ মাক-দেউতাক সকতে ঢুকুৱাৰ পিচতো ককায়েক স্বৰ্গীয় সীতাকান্তৰ পৰা লিখা-পঢ়াত বিশেষ ধৰণে উৎসাহ উদ্দিপনা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ ককায়েক আছিল তিনিজন, স্বৰ্গীয় ধীবনাথ শৰ্মা, স্বৰ্গীয় সীতাকান্ত শৰ্মা আৰু স্বৰ্গীয় নীলকান্ত শৰ্মা। স্বৰ্গীয় ধীৰ নাথ শৰ্মা আৰু স্বৰ্গীয় নীলকান্ত শৰ্মাদেৱৰ অকাল বিয়োগ হোৱাত সীতাকান্ত আৰু লোকনাথেই পঢ়িশুনি পণ্ডিতৰূপে পৰিগণিত হব পাৰিছিল। তেখেতৰ আগৰ পূৰ্বপুৰুষ সকলে হেনো বজালীৰ কটাহকুছি অঞ্চলত বাস কৰিছিল। কিবা প্ৰকাৰৰ প্ৰাকৃতিক দুৰ্যোগৰ হেতুকে পিচত গোমুৱালৈ উঠি আহিব লগাত পৰিছিল। তেখেতে স্থানীয় স্কুলতেই বাল্য শিক্ষা আৰম্ভ কৰিছিল। সেই সময়ত সৰ্থেবাৰীত থকা একমাত্ৰ চৰকাৰী এম, ভি স্কুলখনৰ পৰা শিক্ষা শেষ কৰি পিচত নৰ্মাল পঢ়িবলৈ গৈছিল; আৰু নৰ্মালৰ শেষ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ তেখেতে শিক্ষা জীৱনৰ অন্ত পেলাইছিল।

ছাত্ৰ জীৱনৰ সামৰণি পেলাই কিছুদিন ঘৰত থকাৰ পিচত তেখেতে কৰ্মজীৱন আৰম্ভ কৰিছিল নিজগাওঁ সৰ্থেবাৰীত থকা এম, ভি স্কুলখনৰ শিক্ষকতাৰে। তাৰ পিচত অসমৰ বিভিন্ন ঠাই বিশেষকৈ ধুবুৰী, নগাওঁ, বিজনী, কমলপুৰ, ছয়গাওঁ, কাকজান আদি ঠাইত শিক্ষকতা কৰি ধুবুৰী হাইস্কুলৰ পৰা অৱসৰ লৈছিল। এনেকুৱা ভাবে কৰ্মজীৱন আৰম্ভ কৰাৰ ফলতেই সেই সময়ৰ সামাজিক কণ এটি সুন্দৰভাৱে উপলব্ধি কৰি সমাজৰ মাজত দেখা দিয়া সমস্যাবোৰ সম্যকভাৱে

বাইজৰ আগত ব্যক্ত কৰি এটি স্থিৰ সিদ্ধান্তলৈ বাইজক জনাত তেখেতে সক্ষম হৈছিল। বিশেষকৈ সেই সময়ৰ ছাত্ৰ তথা সমাজক তেখেতে স্বদেশ প্ৰেমৰ ভাবধাৰাৰে উদ্বুদ্ধ কৰিব পাৰিছিল। তেখেতে যতেই নাথাকক কিয় ততেই শিক্ষিত ব্যক্তি সকলৰ সৈতে জড়িত থাকি আলোচনা চক্ৰ আদি পাতি সাহিত্য বিষয়ৰ আলোচনা কৰিছিল। তেখেতে যে অকল সংস্কৃত বা অসমীয়া ভাষাতে বুৎপত্তি লাভ কৰিছিল এনে নহয়–বঙলা ভাষাতো তেখেতৰ যথেষ্ট অধিকাৰ আছিল। সেই সময়ত কলিকতাৰ পৰা প্ৰকাশিত "হিতবাদী" নামৰ সাপ্তাহিক কাকতখনৰ সৈতে তেখেত বিশেষভাবে জড়িত আছিল। তাৰ ফলস্বৰূপে বঙালী ভাষাত ৰচিত কিতাপৰ টোপোলা এটিও শৰ্মাদেৱে উপহাৰ হিচাবে পাইছিল। উপহাৰ হিচাবে পোৱা 'সচিত্ৰ-মহাভাৰত'খনৰ পৰাই তেখেতে শিশু সকলৰ উপযোগীকৈ সহজ সৰল ভাষাত কেইটিমান আখ্যান অসমীয়ালৈকে অনুবাদ কৰিছিল। তদুপৰি পুৰাণ, উপপুৰাণ, উপনিষদ আদিৰ অনেক ধুনীয়া ধুনীয়া কাহিনীকো তেখেতে অসমীয়া ৰূপ দিছিল। 'প্ৰাচীন কালত শিক্ষা-পদ্ধতি' নামৰ প্ৰবন্ধটিৰ মাজেৰে শৰ্মাদেৱে প্ৰাচীন কালত ছাত্ৰসকলে পঢ়িবলগীয়া পাঠ্যক্ৰম আৰু ব্ৰহ্মচৰ্য্যৰ বিষয়ে স্পষ্টৰূপ এটি দাঙি ধৰিছিল। তেখেতে ইতিহাস প্ৰসিদ্ধ কেইবাজনো চিন্তাশীল ব্যক্তি বিশেষকৈ বুদ্ধদেৱ, শিৱাজী, চীন পৰিব্ৰাজক ফাহিয়ান, আলবেৰুণী, হজৰত মহম্মদ আৰু "শ্ৰীকবীৰ, আলেকজেণ্ডাৰ আৰু যোগী" শীৰ্ষক আলোচনাৰ মাধ্যমেৰে সেই সময়ৰ ভাৰতীয় সকলৰ নৈতিক তেজস্বিতাৰ চিত্ৰ এটি নিখুঁতকৈ অঙ্কন কৰিছিল।

শৰ্মাদেৱৰ প্ৰকাশিত কিতাপ সমূহ হ'ল–'অসমীয়া ব্যাকৰণ', 'নিত্য কৰ্মপদ্ধতি' আৰু 'পাটী গণিত'। 'নীতি ৰত্নমালা' কিতাপ আকাৰত লিখি উলিয়াইছিল যদিও সেইখনে প্ৰকাশৰ পোহৰ নেদেখিলে। এই কেইখনৰ উপৰিও তেখেতে বহুতো গল্প, প্ৰবন্ধ, জীৱনী আদি লিখি সাময়িক আলোচনী আদিত প্ৰকাশ কৰিছিল। কিন্তু সেইবোৰ একেলগ হৈ আজিলৈ প্ৰকাশ নেপালে। শিক্ষকতা কৰি থাকোতে তেখেতে এখনি ভাল ব্যাকৰণৰ অভাৱৰ কথা বহুদিন ধৰি উপলব্ধি কৰিছিল। আৰু তাৰেই ফল স্বৰূপে ১৯০২ চনত "অসমীয়া ব্যাকৰণ"খন প্ৰথম প্ৰকাশ পায়। অতি কম দিনৰ ভিতৰতেই এই কিতাপখনে যথেষ্ট সমাদৰ লাভ কৰিছিল। এই পুথিখনি ৰচনা কৰোতে অধ্যাপক সুৰেন্দ্ৰমোহন দাস, ভাষাতত্ত্ববিদ কালিৰাম মেধি, ডঃ বাণীকান্ত কাকতি আদি পণ্ডিত সকলৰ পৰা তেখেতে নানা ধৰণৰ পৰামৰ্শ আৰু সহায় সহানুভূতি লাভ কৰিছিল। এইখনৰ পিচতেই তেখেতৰ দ্বিতীয়খন পুথি 'নিত্য কৰ্ম পদ্ধতি' প্ৰকাশ পাইছিল। এই পুথিখনি ব্ৰাহ্মণ সম্প্ৰদায়ৰ এখনি অমূল্যগ্ৰন্থ হিচাবে পৰিগণিত হয়। ৰাতিপুৱাৰ পৰা নিশালৈকে এটি ব্ৰাহ্মণ পৰিয়ালে কৰিবলগীয়া কৰ্মপদ্ধতিবোৰ ইয়াত নিখুঁট ভাবে সজাই পৰাই দেখুৱা হৈছে। পুথিখনিত দেখুৱা নিয়ম নীতিবোৰ ভালভাবে পালন কৰিব পাৰিলে ব্ৰাহ্মণ সমাজ সদায় আগশাৰীৰেই হৈ থাকিব বুলি তেখেতে পাতনিত উল্লেখ কৰিছে। লগতে প্ৰাচীন কালৰ ঋষি মুণিৰ দৰে তপস্যাত ব্ৰতী হব পাৰিলে ব্ৰাহ্মণ জাতি কেতিয়াও পতিত হবলগীয়া নহব বুলিও তেখেতে ব্যক্ত কৰিছে। সেয়ে শৰ্মাদেৱৰ 'নিত্য কৰ্ম পদ্ধতি' হিন্দুৰ বিশেষকৈ ব্ৰাহ্মণ সমাজৰ বাবে প্ৰত্যাহ্নৰ ডায়েৰী স্বৰূপ।

'নীতি ৰত্নমালা' গ্ৰন্থখন শৰ্মাদেৱৰ জীৱনৰ বিয়লি পৰত ৰচিত। নানান শাস্ত্ৰ অধ্যয়ন কৰি প্ৰায় ৫০০ মান সংগৃহীত শ্লোকেৰে এই পুথিখনি সম্পূৰ্ণ কৰিছিল। দুৰ্ভাগ্যবশতঃ শ্ৰীহট্ট কলেজৰ অধ্যক্ষ স্বৰ্গীয় হংসনাথ ভাগৱতী ডাঙৰীয়াই পুথিখনিৰ

পাণ্ডুলিপিটো চাই এটিলিখিত ভাল অভিমত দিয়া সত্ত্বেও আজিকোপতি গ্ৰন্থখনি প্ৰকাশ হৈ উঠা দেখা নগ'ল।

'পাটীগণিত'খনো অসমীয়া সমাজলৈ শৰ্মাদেৱৰ অমূল্য বৰঙণি। সেই সময়ৰ স্কুলীয়া লৰা-ছোৱালীৰ উপযোগীকৈ কিতাপখনি ছপা কৰি উলিওৱা হৈছিল। তেখেতৰ অগণন ছাত্ৰ-ছাত্ৰী আৰু সান্নিধ্যলৈ অহা লোকসকলে শৰ্মাদেৱৰ অসামান্য ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ কথা আজিও শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। অসমীয়া ভাষা সাহিত্য সাধক এইজনা পুৰুষে গোটেই জীৱন সমাজৰ কথাকে চিন্তা কৰি অৱশেষত ইং ১৯৪০ চনৰ কাতিমাহত ইহলীলা সম্বৰণ কৰে। তেখেতৰ মৃত্যুৱে যেন আজিও আমাক সোঁৱৰায় ঃ

"ভাঙি গ'ল বীণ খনি
চিঙি গল তাঁৰ
ৰৈ গল অৱশেষ
অমিয় জোকাৰ।"০০০

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

যতীন গোস্বামী

উনবিংশ শতিকাৰ শেষ আৰু বৰ্তমান শতিকাৰ আৰম্ভৰ কালছোৱাই অসমৰ বৌদ্ধিক বাতাবৰণ সৃষ্টিত বহুধৰণে ক্ৰিয়া কৰিছিল আৰু মুক্ত চিন্তাৰে উদ্বুদ্ধ বহুজনে সাহিত্য, সুকুমাৰ কলা আদিত নিজৰ নিজৰ মৌলিক প্ৰতিভাক একাষৰীয়াকৈ থৈছিল। বহুজনে ৰাজনৈতিক ক্ষেত্ৰসমূহত দেহেকেহে লাগি শিল্প সাহিত্যত প্ৰতিভাবান হৈয়ো সেই সেই দিশত আংশিকৰূপেহে মনোনিৱেশ কৰিব পাৰিছিল। সক্ৰিয় ৰাজনীতি আৰু মনোহৰ সাহিত্য সৃষ্টি—এই দুই বিপৰীত ধৰ্মী আৰু স্বাভাৱিক গতিৰ লগত কাৰো কতো সংগতি স্থাপন হব নোৱাৰা বিধৰ বিষয়ৰ লগত সংযোগ স্থাপন কৰিব পৰা ব্যক্তিৰ উদাহৰণ অতি কম; যিসকলে কৰিছে সেইসকলেও কিবা নহয় কিবা এটা আঁতৰত ৰাখিহে কৰিব পাৰিছে। উল্লেখিত কালছোৱাত উভয়বিধ ক্ষেত্ৰতে অৱদান যোগোৱাসকলে হয় কাৰাবাস বা অন্যধৰণে সক্ৰিয় ৰাজনীতিৰ পৰা আতৰত থাকি সাহিত্যত নিবিড়ভাবে মনোনিবেশ কৰিছিল, নহয় নিবিড়ভাবে ৰাজনৈতিক ক্ষেত্ৰত কাম কৰিবলৈ মনোহৰ সাহিত্য সৃষ্টিৰ কাম সাময়িকভাবে একাষৰীয়াকৈ থৈছিল। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ যেন আছিল ইয়াৰ এক ব্যতিক্ৰম। ব্যস্ত কৰ্মজীৱনৰ মাজতো সুস্থ আৰু নিৰাসক্ত পৰ্য্যবেক্ষণ কৰিবৰ বাবে লগা আজৰি সময়ৰ অপব্যয় নকৰা অথবা আন্তৰিক আৱেগ প্ৰকাশৰ কাৰণে আৱশ্যকীয় ক্ষিপ্ৰ চিন্তচালন শক্তিৰ ৰূপদান দিয়া সাধাৰণ মস্তিষ্কসম্পন্ন লোকৰ পক্ষে ই নিশ্চয় এক অসম্ভৱ কাম। কিন্তু নবীন বৰদলৈদেৱে সাহিত্য আৰু ৰাজনীতি এই দুয়োবিধ পাচিৰ গধুৰ ভাৰ একেলগে কঢ়িওৱাতে এক অপূৰ্ব দক্ষতা প্ৰদৰ্শন কৰি এক বিশিষ্ট আসনত অধিষ্ঠিত হ'বলৈ সমৰ্থ হৈছিল।

চমু জীৱনী: পুৰুষোত্তম গজপতিৰ 'দীপিকা ছন্দ' আৰু মাধৱ কন্দলি 'ৰামায়ণ'ৰ সম্পাদক মাধৱচন্দ্ৰ বৰদলৈৰ পুত্ৰ নবীনচন্দ্ৰ বৰদলৈৰ জন্ম হয় ১৮৭৫ চনৰ ৩ নবেম্বৰ তাৰিখে উত্তৰ গুৱাহাটীত। মাকৰ নাম আছিল সোমেশ্বৰী দেৱী। শিশুকালৰে পৰা অত্যুৎসাহী আৰু পিছত বিশিষ্ট খেলুৱৈ হিচাপে নবীনে যেনেদৰে নিজৰ শক্তিৰ পৰিচয় দিছিল তেনেদৰে মেধাৱী ছাত্ৰ হিচাপেও তেখেতৰ যশ চাৰিওফালে বিয়পি গৈছিল। হাইস্কুলীয়া জীৱন তেজপুৰত অতিবাহিত কৰি ১৮৯২ চনত বৰদলৈদেৱে এণ্ট্ৰেন্স পাছ কৰিলে আৰু কলিকতালৈ গৈ ১৮৯৪ চনত ছেণ্ট জেভিয়াৰ্চ কলেজ, আৰু ১৮৯৬ চনত বিপন কলেজত তেখেত ভৰ্ত্তি হ'ল আৰু বিপন কলেজৰ পৰাই শেষত এফ এত নাম লগালে। কলিকতাত থকা এইখিনি সময়ৰ ভিতৰতে নবীনচন্দ্ৰই অমায়িকতা, বুদ্ধিমত্তা আৰু আদৰ্শগত কৰ্ম কুশলতাৰ গুণত বহুকেইজন পাশ্চাত্য বিশেষকৈ ইউৰোপীয় শিক্ষাবিদৰ সঙ্গ লাভ কৰাৰ সুযোগ পাইছিল।

এম-এ ডিগ্ৰী নোলোৱাকৈ নবীনচন্দ্ৰ গুৱাহাটীলৈ আহিল। ইয়াত চৰকাৰে দুবাৰকৈ যচা ই-এ-চি পদ প্ৰত্যাখ্যান কৰি তেখেতে ওকালতি আৰম্ভ কৰিলে।

পিছত ১৯০৯ চনত আকৌ কলিকতালৈ গৈ উচ্চ ন্যায়ালয়ত এড্‌ভোকেট হিচাপে যোগদান কৰিলেগৈ।

কলিকতাত ৰৰদলৈয়ে বেছিদিন থাকিবলৈ নাপালে। বিভিন্ন ঘৰুৱা লেঠা-বিশেষকৈ পিতৃ মাধৱ বৰদলৈৰ মৃত্যুৰ পিছত বহন কৰিব লগা হোৱা সাংসাৰিক বোজাই তেখেতক গুৱাহাটীলৈ আহিবলৈ বাধ্য কৰালে।

বিপ্লৱী নবীনচন্দ্ৰ :—অন্ধ অহমিকাক কোনোফালে প্ৰশ্ৰয় নিদি ব্যক্তিত্বৰ চৰম প্ৰকাশৰ লক্ষণ নবীন বৰদলৈৰ জীৱনৰ প্ৰতি কামতে বিদ্যমান। বিপ্লৱবাদৰ প্ৰতি গভীৰ আস্থা, নিজৰ মাতৃভাষা, আৰু অসমৰ লোকাচাৰৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু ঐতিহ্যৰ গ্লানিৰ বিৰুদ্ধে মুক্ত বিদ্ৰোহৰ কথা তেখেতে ছাত্ৰাৱস্থাৰে পৰা প্ৰদৰ্শন কৰি আহিছে। সেই সময়ত বঙালীৰ আৰ্হিৰে অসমীয়া মানুহে 'শ্ৰীযুত'ৰ ঠাইত 'বাবু' ব্যৱহাৰ কৰাৰ তীব্ৰ বিৰোধীতা কৰি বৰদলৈয়ে এক ডাঙৰ উদাহৰণ ৰাখি থৈ গৈছে। সামাজিক দুৰ্নীতি, ৰাজনৈতিক দুৰৱস্থাৰ মাজতো প্ৰতিক্ৰিয়াশীল শক্তি সমূহৰ বিপক্ষে কাম কৰাৰ উপৰিও অসমীয়া ভাষা সাহিত্যই যি সময়ত এক দুৰ্দশা গ্ৰস্ত অৱস্থাৰ মাজত দিন নিয়াব লগা হৈছিল সেইসময়তে কলিকতাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ সদস্যৰূপে তেখেতে উঠি পৰি লাগিল। ১৯০৩ চনত আসাম এছোচিয়েচনে প্ৰতিষ্ঠা হবৰ দিনৰে পৰা তেখেতে সক্ৰিয়ভাৱে ইয়াৰ লগত জড়িত হৈ পৰিল। আৰু পিছলৈ ইয়াৰ সভাপতি হিচাপে নেতৃত্ব দিবলৈ ধৰিলে। ১৯১৯ চনৰ ১৩ এপ্ৰিলত হোৱা জালিয়ানাবাগৰ হত্যাকাণ্ডত নবীনচন্দ্ৰইও অসমৰ পৰা সেই বিদ্ৰোহত আগভাগ ললে। আসাম এছোচিয়েচনৰ নেতৃত্বৰ ভাৰ বহন কৰা সময়তে ১৯১৯ চনত মণ্টেগু চেমচ্‌ফোৰ্ডৰ ভাৰতৰ শাসন সংস্কাৰ বিধিত যেতিয়া অসমক এখন পিছপৰা প্ৰদেশ হিচাপে গণ্য কৰি ভাৰতৰ আন প্ৰদেশৰ সমান মৰ্যদাৰ পৰা বঞ্চিত কৰাৰ ব্যৱস্থা কৰিলে তেতিয়া বৰদলৈদেৱৰ নেতৃত্বত অসমে কেৱল বিৰোধিতা কৰাই নহয়, ডিব্ৰুগড়ৰ চাহ খেতিয়ক প্ৰসন্ন কুমাৰ বৰুৱাৰ লগত তেখেতে বিলাতলৈ গল আৰু মণ্টেগু চেমচ্‌ফোৰ্ড বিধিৰ বিপৰীতে তীব্ৰভাষাৰে সাক্ষ্যদান কৰি বিজয়মাল্যৰে স্বদেশলৈ উভতি আহিল।

১৯১৯ চনতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ অমৃতসৰ অধিবেশনত যোগদান কৰি বিদেশী বস্তু, চাকৰী, বিদ্যালয় বৰ্জনৰ প্ৰস্তাব গ্ৰহণতো তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰে। পিছত কংগ্ৰেছৰ কলিকতা অধিবেশনত প্ৰস্তাৱ দি নাগপুৰ অধিবেশনত অসম কংগ্ৰেছ কমিটিক সুকীয়াকৈ স্বীকৃত কৰায়।

নবীন বৰদলৈ আৰু তৰুণৰাম ফুকনৰ যুটীয়া প্ৰচেষ্টাত অসমত কংগ্ৰেছ অনুষ্ঠানে গা কৰি উঠি অসহযোগ আন্দোলনৰ গুৰি ডাঠ কৰিলে। ১৯২১ চনত গান্ধীজীৰ নেতৃত্বত 'বিলাতী সামগ্ৰী বৰ্জন' আন্দোলন আৰম্ভ হ'ল আৰু বিলাতী বস্তু দাহ যজ্ঞত বৰদলৈয়ে তেখেতৰ সমস্ত বিলাতী বস্তু দাহন কৰি কাৰাৰুদ্ধ হব লগা হ'ল।

১৯২৪ চনত অসম ছাত্ৰ সন্মিলনৰ শিৱসাগৰ অধিবেশনত তেখেতে সভাপতিৰ কৰে আৰু ১৯২৫ চনত অসম কাউন্সিলৰ সদস্য মনোনীত হয়। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল তৰুণৰাম ফুকন আৰু সম্পাদক নবীনচন্দ্ৰ বৰদলৈ। মহাসমাৰোহেৰে অধিবেশন সমাপ্ত হ'ল যদিও পিছে লগা পৰিমাণৰ ধন সংগ্ৰহ নোহোৱাত দুয়োগৰাকী নেতাই নিজৰ সম্পত্তি বিক্ৰী কৰি প্ৰায় একলাখটকীয়া ধাৰ পৰিশোধ কৰিবলগীয়া হ'ল। ১৯২৯ চনত বৰদলৈদেৱে জাতীয়

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

কংগ্ৰেছৰ প্ৰস্তাৱ অনুসৰি অসম কাউন্সিলৰ পৰা পদত্যাগ কৰে আৰু পিছত ১৯৩৪ চনত ইণ্ডিয়ান লেজিছলেটিভ এছেম্বলীৰ সদস্য নিৰ্বাচিত হয়। আজন্ম বিপ্লৱী পুৰুষ গৰাকীয়ে নিজৰ জীৱনৰ স্বৰূপ অনুসন্ধান নকৰাকৈ, কি দিলে কি পালে তাৰ হিচাপ নকৰাকৈ তিনিকুৰি বছৰীয়া জীৱনৰ কহিটীয়া পথত ফুল কই আচম্বিতে ১৯৩৬ চনৰ ১৬ ফেব্ৰুৱাৰীৰ দিনা এক মটৰ দুৰ্ঘটনাত চিৰকালৰ কাৰণে চকু মুদিলে।

কাৰাবাসত বৰদলৈ :- ভাৰতৰ অন্যান্য নেতৃবৃন্দৰ নিচিনাকৈ অসমত নবীনচন্দ্ৰ আছিল বৃটিছ চৰকাৰৰ কাৰণে চকুৰ কুটা, আতঙ্ক স্বৰূপ। চেলু উলিয়াই আটক কৰি কেনেকৈ এই নেতাজনক বাইজৰ মাজৰ পৰা আঁতৰাই ৰাখিব পাৰি তাৰ বাবে চৰকাৰ আছিল সদায় সচেতন। ১৯২১ চনত বিদেশী বস্ত্ৰ দাহ যজ্ঞ সাধন কৰি আন্দোলনক এক বিশিষ্ট ৰূপ দিয়াৰ অপৰাধত স্বৰ্গীয় ফুকনৰে সৈতে কৰ্মবীৰ বৰদলৈকো গ্ৰেপ্তাৰ কৰা হ'ল। প্ৰায় ডেৰবছৰ কাল বৰদলৈয়ে কাৰাবৰণ কৰিলে। তাৰ পিছত ১৯৩২ চনত কংগ্ৰেছ কাৰ্য্যালয়ৰ চৌহদত জাতীয় পতাকা উত্তোলন কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰি বৰদলৈক চৰকাৰে তিনিমাহ সশ্ৰম কাৰাদণ্ড বিহিলে। মহাত্মা গান্ধী, ৰাজেন্দ্ৰ প্ৰসাদ, জৱাহৰলাল আদিৰ নিচিনাকৈ নবীনচন্দ্ৰই এই কাৰাবাসতেই সাহিত্য চৰ্চা কৰি অসমীয়া ভাষা-সাহিত্যলৈ এক উল্লেখযোগ্য বৰঙণি আগবঢ়াই গ'ল।

সাহিত্যিক বৰদলৈ :- কবি, গীতিকাৰ, সমালোচক, নাট্যকাৰ, শিশু সাহিত্যিক হিচাপে নবীনচন্দ্ৰ বৰদলৈয়ে অসমীয়া সাহিত্যলৈ বিবিধ অৱদান আগবঢ়াই গৈছে। ৰাজনৈতিক জীৱনৰ লগত ওতঃপ্ৰোত ভাবে জৰিত থাকিও সাহিত্যৰ বিভিন্ন অঙ্গত কাম কৰিব পৰা তেখেতৰ দক্ষতা আৰু চিন্তাৰ প্ৰাবল্যৰ বিষয়ে আগতে উল্লেখ কৰা হৈছে। একমাত্ৰ সৃজনিশীল আৰু স্বয়ং নিৰ্ভৰশীল লোকৰ কাৰণেহে ই সম্ভৱ। বৰদলৈৰ সাহিত্য সৰ্বাঙ্গীন সাধনাৰ দাপোন বুলি কলেও বোধকৰো ভুল কৰা নহব।

কবি আৰু গীতিকাৰ হিচাপে বৰদলৈয়ে আঙ্গিক দিশত কোনো নতুনত্ব প্ৰদৰ্শন কৰা নাই সঁচা; কিন্তু স্বকীয় চিন্তা আৰু উপলব্ধিৰে ৰচিত এইবিধ অঙ্গত যুগৰ প্ৰতিধ্বনি ভালকৈয়ে লক্ষ্য কৰা যায়। 'তীৰ্থযাত্ৰী' বৰদলৈ ভাণ্ডাৰীয়াৰ একমাত্ৰ গীত আৰু কবিতাৰ সংকলন আৰু ইয়াত সন্নিবিষ্ট সমূহৰ সৰহখিনিয়েই কাৰাবাসত ৰচিত।

বৰদলৈৰ গীত আৰু কবিতা সমূহ প্ৰধানকৈ তিনি ভাগত ভগাব পাৰি; দেশপ্ৰেমমূলক, ভক্তিমূলক আৰু শিশু মনস্তত্বমূলক। দেশপ্ৰেমমূলক গীত সমূহে প্ৰধানকৈ জাতীয় চেতনা প্ৰকাশত এক অপূৰ্ব দক্ষতা প্ৰকাশ কৰে। সংগ্ৰামী জীৱনৰ দ্ৰষ্টা হিচাপেই কেৱল নহয়; আবেদনৰ কাতৰ কাকুতিও সেইবোৰত সুস্পষ্ট। আবেগৰ স্পন্দন অনুভূত হোৱা গীত সমূহৰ মাজত সংগ্ৰামী সত্তা ভালকৈয়ে লক্ষ্য কৰা যায়।

"কুমাৰী কাশ্মীৰ সদিয়া সিন্ধু
সুদূৰ লক্ষাপুৰ
জগা উঠক স্বাধীন ভাৰত
উৰ ঔ লাহৰি উৰ।"

আৰু—

"—আকাশ মৰ্ত্য দিশ দিগন্ত

মাতৃ মন্ত্রে কৰি মুখৰিত
মাতৃৰ পাশ ছিন্ন কৰহি
তীৰ্থ যাত্ৰীৰ দল........"

অসম মাতৃৰ প্রতি প্রেমৰ চূড়ান্ত নিদর্শন দাঙি ধৰা বৰদলৈৰ গীত সমূহে তেখেতৰ স্পর্শকাতৰ অন্তৰখনবো পৰিচয় দিয়ে :

"শ্যাম বৰণীয়া অসম আই ধুনীয়া
ভাৰতৰ নুমলী জী,
বীৰ সন্তানকে কোলাত তুলিলি
আজি তোৰ বিলাই কি ?......"

"ডেকা গাভৰুৰ দল বীৰ বীৰাঙ্গনাৰ দল"ৰ দৰে গীতে যেনেদৰে এফালে জাতীয় প্রেমত উদ্বুদ্ধ কৰি এক নির্দিষ্ট পথ প্রদর্শন কৰে তেনেদৰে আনফালে 'বন্দনা'ৰ দৰে গীত সমূহে সংগ্রামী আৰু কাৰাৰুদ্ধ জীৱনৰ তিতা কেঁহা অভিজ্ঞতাৰ এখন সুন্দৰ চিত্রও দাঙি ধৰে।

ঈশভক্তিত গদ্‌গদ্ অন্তৰৰ মানুহজনে ভক্তিমূলক কৃষ্ণলীলাৰ গীতৰ মাজেৰে আৰু 'শিশুৰ হাঁহি'ৰ দৰে শিশু কৱিতাৰে কবিৰ এখন নিষ্পাপ অন্তৰ প্রকাশ কৰে। 'প্রেমপত্র' (ফৰাচী প্রেমৰ কাহিনী এটিৰ ছাঁ লৈ লিখা) কৱিতাৰ মাজত কৱিৰ মৌলিক সৃষ্টি প্রতিভা ফুটি উঠিছে।

নাট্যকাৰ হিচাপে তেখেতৰ প্রথম ৰচনা 'কেনাৰামৰ ঢোল' (ব্যঙ্গ নাটিকা)। এইখন নাটিকা স্কুলীয়া অৱস্থাতে ৰচনা কৰি নবীন বৰদলৈয়ে নিজেও অভিনয় কৰিছিল বুলি জনা যায়। ধর্মমূলক নাট 'কৃষ্ণলীলা', সংস্কাৰধর্মী নাট 'গৃহলক্ষ্মী' আৰু শ্বেক্সপীয়েৰৰ 'ট্রয়লাগছ্ এণ্ড ক্রেচিদা', 'টেমিং অব দা শ্রু', 'কিং লীয়েৰ' আৰু 'এজ য়ু লাইক ইট্' নাটৰ অসমীয়া ৰূপান্তৰ' ক্রমে 'তৰুণ-কাঞ্চন', 'দন্দুৰী দমন', 'বিষাদৰ কাহিনী' আৰু 'ভ্রান্তি বিনোদ'ৰ মাজেৰে নাট্যকাৰ হিচাপে নবীনচন্দ্রই প্রতিষ্ঠিত হৈছিল যদিও 'গৃহলক্ষ্মী', 'তৰুণ-কাঞ্চন' (অসম্পূর্ণ), 'কৃষ্ণলীলা' আৰু 'দন্দুৰী দমনত' বাহিৰে বাকী কেইখন নাট পাবলৈ নাই। স্বৰ্গীয় ৰাধানাথ ফুকনৰে সৈতে লগলাগি 'জয়মতী' নামৰ নাট এখনি ৰচনা কৰাৰ কথাও জনা যায় ; অৱশ্যে সেইখন নাটো কি হ'ল জনা নাযায়।

'শেৱালী' বৰদলৈৰ একমাত্র সামাজিক উপন্যাসিকা। এইখন 'চেতনা'ত প্রকাশ হৈছিল। 'প্রশান্ত শান্তি' নামৰ তেখেতে আৰু এখন উপন্যাস লিখিছিল যদিও সেইখনো পাণ্ডুলিপিতে কৰবাত হেৰাই থাকিল। গল্পকাৰ হিচাপে বৰদলৈয়ে অধিক মনোনিৱেশ কৰা নাছিল যেন লাগে ('ভাই' তেখেতৰ একমাত্র গল্প) অৱশ্যে শিশুৰ উপযোগীকৈ মূল উর্দুৰ পৰা অনুদিত সাধু 'হাতেম তাই', ডেৰকুৰিমান ঈচপৰ সাধু আৰু 'অমাতৰ মাত'এ প্রচুৰ সম্পদ দি গৈছে।

কথা আৰু কবি সাহিত্যিক হিচাপে বিশিষ্ট স্থান লাভ কৰা নবীনচন্দ্র আলোচনামূলক কেবাটাও প্রবন্ধ আৰু ভাষণাৱলীৰে তেখেতৰ উচ্চ আৰু গভীৰ চিন্তাৰ স্বাক্ষৰ বহন কৰি আহিছে।

সামাজিক জীৱন :- বিশিষ্ট ৰাজনীতিবিদ-বিশেষকৈ স্বাধীনতা সংগ্রামৰ বাবে নিজকে উছর্গা কৰা এগৰাকী ৰাজনীতিবিদৰ পক্ষে সামাজিক জীৱনেই প্রধান জীৱন হৈ পৰে। সমাজৰ বিভিন্ন অঙ্গলৈ দৃষ্টিপাত কৰা নাইবা কেনো নাৰি পৰা অস্বৰোধৰ নিবাময়ৰ দায়িত্ব গ্রহণ কৰা সেইসকল লোকৰ কাৰণে এক আনুসঙ্গিক

কৰ্তব্য। নবীনচন্দ্ৰই হেলাৰঙে গ্ৰহণ কৰিছিল সেই দায়িত্ব। অসমত শিক্ষ' নাগৰিক জীৱন আদিত ভাৰতৰ অন্যান্য বহু প্ৰদেশৰ লগত একে স্তৰৰ আকাংক্ষিত বাতাৱৰণৰ আছিল এক বিৰাট অমিল। এনে বাতাৱৰণৰ অভাৱত নতুন ৰাজনৈতিক অথবা সামাজিক চিন্তাই এক স্থবিৰ ৰূপ লোৱাৰ সম্ভাৱনাই বেছি। ১৯০১ চনত অসমৰ উচ্চ শিক্ষাৰ কাৰণে মাণিক চন্দ্ৰ বৰুৱাকে প্ৰমুখ্য কৰি বহুজনৰ লগত নবীন বৰদলৈয়ে গুৱাহাটীত 'কটন কলেজ' স্থাপনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তাৰ পিছত গুৱাহাটীত আৰ্ল ল কলেজ, কামৰূপ একাডেমী, কুমাৰ ভাস্কৰ নাট্য মন্দিৰ, উত্তৰ গুৱাহাটীত 'কমলদেৱ ইন্সষ্টিটিউট, আনন্দৰাম পুথিভঁড়াল আদি বহুকেইটা ডাঙৰ অনুষ্ঠান নবীন বৰদলৈৰ অক্লান্ত পৰিশ্ৰমৰ ফলত গঢ়ি উঠিছিল। তেখেতে গুৱাহাটী লোকেলবোৰ্ডত বহুকাল সদস্য আৰু পিছত চেয়াৰমেন হিচাপেও বৃহৎ অৰিহণা যোগাই গৈছে। অসমৰ প্ৰাকৃতিক দুৰ্যোগসমূহত বৰদলৈয়ে নিজৰ জীৱন বিপন্ন কৰিও বহুবাৰ উদ্ধাৰ কাৰ্য্যত লিপ্ত হৈ পৰে। সেইদৰে স্ত্ৰী-শিক্ষাৰ অগ্ৰগতি, অস্পৃশ্যতা বৰ্জন আদিতো তেখেতে গ্ৰহণ কৰিছিল এক বিশিষ্ট ভূমিকা।

শিক্ষাবিদ বৰদলৈ :- আগতে উল্লেখ কৰি অহা হৈছে যে কলিকতাত ছাত্ৰাৱস্থাতে বৰদলৈয়ে বহুকেইজন ইউৰোপীয় শিক্ষাবিদৰ সংস্পৰ্শলৈ আহিবৰ সুযোগ লয়। সেই সকলৰ পৰা প্ৰাচ্য আৰু পাশ্চাত্যৰ সমাজ অধ্যয়ন, শিক্ষা ব্যৱস্থাৰ তুলনামূলক পাৰ্থক্য জনাৰ সুবিধাও তেখেতে গ্ৰহণ কৰি লয়। ভাৰতৰ কেইখনমান প্ৰদেশৰ তুলনাত অসমৰ শিক্ষা ব্যৱস্থা কিমান পিছপৰা এই কথাই তেখেতৰ মস্তিষ্কত ক্ৰিয়া কৰিলে। কলিকতাৰ ৰিপন কলেজৰ পৰা আইন পঢ়ি আহি গুৱাহাটীৰ পৰা আকৌ কলিকতালৈ এডভোকেট হৈ যোৱাৰ পিছত তেখেতে কিছুকাল ৰিপন আইন কলেজতে অধ্যাপনা কৰে। তাৰ পিছত গুৱাহাটীত আৰ্ল ল কলেজ স্থাপন কৰি তাতো কিছুকাল অধ্যাপনা কৰিবলৈ লয়।

ঘৰুৱা জীৱন :- সৰুৱে পৰা পিতৃ-স্নেহ ছায়াত ডাঙৰ হোৱা চোকা মস্তিষ্কৰ নবীন চন্দ্ৰৰ জীৱনলৈ বহু ঘাট-প্ৰতিঘাট আহি পৰিল-এনে এটি সময়ত, যিটো সময়ত অন্ততঃ কিছুকাল তেখেতৰ কাৰণে আৱশ্যক আছিল সাংসাৰিক চিন্তাৰ আঁতৰত থাকি কাম কৰাৰ। ভবামতে নহ'ল, লেঠাৰ পিছত লেঠাবোৰ বৰদলৈৰ ওপৰত এনেভাৱে নামিবলৈ ধৰিলে যে সেয়ে এটা প্ৰকাণ্ড গধুৰ বোজাত পৰিণত হ'ল। বৰদলৈৰ বিয়া হৈছিল কলিকতাত এফ, এ পঢ়ি থকা সময়তে হেমন্ত কুমাৰী দেৱীৰ সৈতে। এখেত আছিল ডিব্ৰুগড়ৰ চাহখেতিয়ক মালভোগ বৰুৱাৰ কন্যা। এটা এটাকৈ চাৰিটা সন্তানৰ তেখেত পিতৃ হ'ল; তাৰে প্ৰথমজনী শ্ৰীযুতা নলিনী বালা দেৱীৰ জন্ম হয় বৰদলৈ আইন কলেজৰ ছাত্ৰ হৈ থাকোঁতে। ১৯০৭ চনত পিতাক মাধৱচন্দ্ৰ বৰদলৈ স্বৰ্গী হয়। কলিকতাত ওকালতি কৰি থকা কালতে বৰদলৈৰ তিনিজনী ভনীয়েক আৰু বৌয়েকৰ মৃত্যু হ'ল। মাক সোমেশ্বৰী সঘনাই ৰোগাক্ৰান্ত হবলৈ ধৰিলে। সাতে পাচে সাংসাৰিক বোজা অৱশ্যেই গ্ৰহণ কৰিবলৈ বৰদলৈ গুৱাহাটীলৈ উভতিল। গুৱাহাটীলৈ অহাৰ কেইবছৰমান পিছতে অৰ্থাৎ ১৯১৭ চনত তেখেতৰ ৰবজোৱায়েক (শ্ৰীযুতা নলিনী বালা দেৱীৰ স্বামী) শ্ৰী জীৱেশ্বৰ চাংকাকতীয়ে পাচোটি সন্তানক এৰি থৈ মৃত্যুক আকোৱালি ললে। নবীন বৰদলৈৰ জীৱনত এয়া এক দুঃসহ আঘাট। যন্ত্ৰণাকাতৰ পিতৃয়ে কিন্তু স্থিতপ্ৰজ্ঞৰ দৰে থিৰ হৈ অকাল বৈধব্য গ্ৰহণ কৰা কন্যা নলীনী বালাক দিলে প্ৰবোধবাণী,

দিলে 'গুণমন্ত্ৰ', দিলে 'অমৃত পথৰ গোপন সন্ধান'। নাতি পুতি সম্বলিতে কন্যা নলিনীবালাক পিতৃগৃহলৈ অনা হ'ল।

শিলচৰ জেলত কাৰাকদ্ধ হৈ থকা সময়তে নবীন চন্দ্ৰৰ আন এক প্ৰচণ্ড আঘাট মিলিল—নলিনীবালাৰ শিশুপুত্ৰ পুতলীৰ মৃত্যুত। বিধৱা মাতৃয়ে পুত্ৰশোকত কিদৰে দগ্ধ হৈ পৰিব পাৰে সেইকথাৰ উপলব্ধিৰে নবীন বৰদলৈয়ে কাৰাবাসৰ পৰাই যি সান্তনাৰ বাণী পঠিয়ালে সেই বাণী নলিনীবালাৰ কানত 'মহামন্ত্ৰ' হৈ চিৰকাল প্ৰতিধ্বনিত হৈ আছে।

নবীন বৰদলৈৰ দুৰ্দশা আৰু ত্যাগৰ চূড়ান্ত নিদৰ্শন ফুটি ওলাল তেতিয়া—যেতিয়া পাণ্ডু কংগ্ৰেছৰ আহ্বান কৰি সম্পত্তি বিক্ৰী কৰি তৰুণ ৰাম ফুকনৰে সৈতে লগলাগি ধাৰ মাৰিব লগা হ'ল। ছাত্ৰাবস্থাৰে পৰা বিলাসী জীৱন ধাৰণ কৰি পিছত দেশ-মাতৃকাৰ কামত, আত্মোৎসৰ্গ কৰি সাধাৰণ জীৱন যাপন কৰাটো নবীন চন্দ্ৰ বৰদলৈৰ জীৱনৰ কাৰণে এক অবিশ্বাস্য ঘটনা বুলি ভাবিব খুজিলেও প্ৰকৃততে সেয়া আছিল সত্য। ভাৰতৰ বহুকেইজন একে গুণসম্পন্ন জাতীয়নেতাৰ জীৱনৰ লগত নবীন বৰদলৈৰ জীৱনৰ পাৰ্থক্য এইখিনিতে ; অথচ সাংসাৰিক দুৰ্দশা নাইবা অৰ্থাভাৱে নবীনক কোনোদিনে তলাব নোৱাৰিলে।

সামৰণি ঃ— বিভিন্ন গুণৰাশিৰে বিভূষিত নবীন বৰদলৈৰ ক্ষেত্ৰত বহুজনে কৈছে ৰাজনীতিক বাদ দিয়াহেতেন তেখেতে অসমীয়া সাহিত্য জগতলৈ বিৰাট অবদান আগবঢ়াব পাৰিলেহেতেন, বহুতে কৈছে—ৰাজনৈতিক জীৱনত সাংসাৰিক বাধাবোৰ নোপোৱাহেঁতেন অসমাকাশত নবীন সূৰ্যই এক প্ৰচণ্ড ৰূপ ধাৰণ কৰি বিৰাট বিপ্লৱৰ সূচনাৰে প্ৰতি মানৱৰ ৰন্ধ্ৰে ৰন্ধ্ৰে জাতীয় চেতনাৰ প্ৰৱল সোঁত বোৱাই দিলেহেঁতেন, বহুতে কয়—অকল সামাজিক কামতেই লাগি থাকিব পৰাহেঁতেন নবীনে অসমৰ শিক্ষা-দীক্ষা, উন্নত জীৱন-যাপন ইত্যাদিবোৰত অসমক এক বিশিষ্ট আসনত বহুৱাই থৈ গ'লহেতেঁন। কিন্তু তাৰ বিপৰীতে এই কথাও কব পাৰি যে বিভিন্ন ক্ষেত্ৰত সঞ্চালিত হোৱা শক্তি, প্ৰতিভা আৰু গুণাৱলীৰে প্ৰস্ফুটিত নবীন স্বয়ং সম্পূৰ্ণ—এটা দিশক বাদ দিলে নবীনক সম্পূৰ্ণৰূপে পোৱাটো হয়তো আশা কৰিব পৰা নগৈছিল।০০০

লোকসাহিত্যসেৱী প্ৰসন্নচন্দ্ৰ বৰুৱা

কনকচন্দ্ৰ ডেকা

সাগৰ তলিৰ পৰা বিচাৰি বিচাৰি মুক্তা সংগ্ৰহ কৰোতা সকলৰ দৰেই বিশ্বসাহিত্যৰ পথাৰতো এটি সাহিত্যিক গোষ্ঠী আছে, যি সকলে অশেষ কষ্ট আৰু অধ্যাবসায়ৰ মাজেৰে গাঁৱে-নগৰে, পৰ্বতে ভৈয়ামে সিচঁৰিত হৈ থকা জনসাহিত্যৰ অমূল্য সম্পদৰাজি বুটলি আনি বিশ্ব সাহিত্যৰ ভড়াল চহকী কৰি থৈ যায়। সেই গোষ্ঠীটোৰ ভিতৰত 'প্ৰসন্ন পণ্ডিত' উজ্জ্বল ভোটাতৰা নহলেও জোনাকী পৰুৱাৰ দৰে স্বতন্ত্ৰ পোহৰ বিশিষ্ট এজন ব্যক্তি। প্ৰসন্ন পণ্ডিতৰ স্বৰচিত, সম্পাদিত আৰু প্ৰকাশিত চাৰিকুৰিৰো অধিক সৰু সৰু পুস্তিকাত উত্তৰ কামৰূপ অঞ্চলৰ প্ৰচলিত ধৰ্মীয় গীত-পদ, বুঢ়ী আই সকলৰ আইনাম, অপেশ্বৰী নাম, পৰ্চতিৰ নাম, নিচুকনি গীত, গাভৰু ছোৱালীহঁতৰ বিয়া নাম, জগন্নাথৰ নাম, আউলা পূজাৰ গীত, জীয়াৰী বোৱাৰীহঁতৰ পানী তোলা-গীত, সুৱাগতোলা গীত, পুহন্ বিয়াৰ গীত, পঁচলা-কুটা গীত, বুঢ়াসকলৰ বৰগীত, দেহবিচাৰৰ গীত, নাৱৰীয়া সকলৰ নাওখেলাৰ গীত, ডেকা সকলৰ হাউখেলা-ভণ্টাখেলা, মহখেদা আৰু গৰুচৰা গীত, বৰশীবোৱা গীত, মৎস বিবাহৰ গীত, সতী জয়মতীৰ গীত, বসুন্ধৰীৰ গীত, ওজাপালিৰ গীত, নাগেৰা নাম, ভকত সেৱাৰ গীত, বেজালি ওজালি মন্ত্ৰগীত, সাধুৰ, পটন্তৰ মালা আদি লিপিবদ্ধ কৰি লোকসাহিত্যৰ পণ্ডিত গবেষক সকলক সম্বল যোগাই থৈ গৈছে।

'প্ৰসন্ন পণ্ডিতে' তেওঁৰ 'মিহলীয়া লোকগীত'ৰ শেষৰ ফালে নিজৰ বংশ পৰিচয় দিছে এনেদৰে,-

কামৰূপ ধামে   কমাৰকুছী গ্ৰামে
বিখ্যাত ভূঞা বংশত।
ৰমানাথ পুত্ৰ   দুজন্ত নামত
মোৰ পিতামহ খ্যাত॥
তাহান তনয়   আনন্দ হোৱয়
ধৰ্ম কৰ্মে ৰত হিয়া।
মই অভাজন   তেওঁৰ নন্দন
পাপমতি অভাগীয়া॥

স্বৰ্গীয় প্ৰসন্নচন্দ্ৰ বৰুৱা সকলোৰে মাজত 'প্ৰসন্ন পণ্ডিত' বুলিহে জনাজাত আছিল। বৰুৱাৰ এটি কবিতাৰে নিজৰ নামটো বুজাইছে এনেদৰে,-

প বৰ্গৰ আদ্যক্ষৰ ৰকাৰে শোভিত।
তিনিশৰ শেষাক্ষৰ কৰা তাতে স্থিত॥
দুয়োৰে পাচত মন্ন কৰি দিবা অন্ন।
তেতিয়াহে মোৰ নাম হইবো পূৰণ॥

প্ৰসন্ন চন্দ্ৰ বৰুৱাই ১৮০৭ শকৰ পুহমাহৰ তিনি তাৰিখ মঙ্গলবাৰে কামৰূপ জিলাৰ কমাৰকুছি গাঁৱত জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃ আছিল স্বৰ্গীয় আনন্দ চন্দ্ৰ

আৰু মাতৃ স্বৰ্গীয় বৰণ প্ৰিয়া বৰুৱা। বৰুৱাৰ ভাই-ককাই চাৰিজন
তে বৰুৱাই আছিল জ্যেষ্ঠ আৰু একেবাৰে সৰু জনৰ নাম আছি
। বৰুৱাৰ পূৰ্বপুৰুষ সকলে কামৰূপ জিলাৰ নহৰৰপাৰা গাৱঁত বাস
উত্তৰ কামৰূপৰ কেইখনমান গাৱঁৰ বিশেষত্ব বৰুৱাই এনেদৰে উল্লেখ

নহকৰ পাৰাৰ আখৰ গোৱালপাৰাৰ বাখৰ ;
মুৰিকোণাৰ জাপি, কমাৰকুছিৰ আপী,
হাজেলিয়া ফোটা, সৰ্থেবাৰীৰ লোটা ;
চৰিয়াৰ চক, সাতদলাৰ গৰু ,
জাগ্ৰাৰ মহ, বলোৱাৰ জোক ।
ইয়াত নাথাকে অতিথি লোক ।।

ভাষাৰ 'নহকৰী লিপি'ৰ স্মৃতি আজিও 'নহকৰ পাৰা' গাৱঁৰ নামটোৰ ছে। উত্তৰ কামৰূপৰ বিখ্যাত ধনঞ্জয় ধ্বজ ডেকাৰ বংশৰ উত্তম চন্দ্ৰ ৰ সহায়ত জলাতন মাটিবোৰ পুতি খেতি বাতিৰ সহায়ক হওক বুলি ৰ নামনিৰ পৰা পাগ্লাদিয়া নৈ খান্দি আনে। তাৰ ফলত 'পাগলাদিয়া এটিৰ সৃষ্টি হ'ল। পাগ্লাদিয়াক লৈ অনেক গীতপদ, কিম্বদন্তীৰ জন্ম ল পুতি মানুহৰ বসবাসৰ উপযোগী কৰি দিলে। কামৰূপৰ লগত ীক বাণিজ্য আৰম্ভ হোৱাৰ লগতে হাজো হয়গ্ৰীৱ মাধৱক কেন্দ্ৰ কৰি সংস্কৃতিৰ বিনিময় ঘটিল। বহুতো গাৱঁৰ মাজেদি পাগ্লাদিয়া, উত্তৰ কে বে আহি দুৰ্সূতিৰ মুখত বৰলীয়াৰ সৈতে লগ লাগি ব্ৰহ্মপুত্ৰত মিলিছেহি। কমাৰকুছী গাওঁখনকো পাগলাদিয়াই মাজেদি ফালি কমাৰকুছি আৰু পশ্চিম কমাৰকুছি দুফাল কৰিলে। প্ৰসন্নচন্দ্ৰ বৰুৱাৰ লোক-সাহিত্যৰ ভেঁটি এই পাগ্লাদিয়া নদীৰ পাৰৰ কৃষ্টি সভ্যতাৰ ওপৰতে প্ৰতিষ্ঠিত। এই বৃহৎ অঞ্চলটোৰ লোক-প্ৰৱাদ, থলুৱা মাত কথা, গালি-শপনি, উৎসৱ-পাৰ্বন, বিশ্বাস-অন্ধবিশ্বাস, ধৰ্মীয় আচাৰ ব্যৱহাৰ, কৰ্মীয় ৰীতি-নীতি, প্ৰচলিত ফঁকৰা যোজনা আদিক বৰুৱাই তেওঁৰ লোক সাহিত্যৰ সৰু সৰু পুস্তিকাবোৰত লিপিবদ্ধ কৰি থোৱাৰ চেষ্টা কৰিছে। এই অঞ্চলৰ লোক সংস্কৃতি, লোক সাহিত্য সংগ্ৰহৰ ক্ষেত্ৰত বৰুৱাকে বাটকটীয়া বুলি কব পাৰি।

সাতবছৰ বয়সত বৰুৱাৰ পঢ়াশলীয়া জীৱন আৰম্ভ হয়। সাতবছৰ বয়সত তেওঁ কমাৰকুছি উচ্চ প্ৰাইমাৰী বিদ্যালয়ৰ প্ৰথমমান শ্ৰেণীত ভৰ্ত্তি হয় আৰু বছৰেকীয়া পৰীক্ষাত ডবল প্ৰমোচন লৈ তৃতীয়মান শ্ৰেণী পায়। চোকাবুদ্ধিৰ ছাত্ৰ বৰুৱাই সেইবছৰতে ডবল প্ৰমোচন পাই পঞ্চমমান শ্ৰেণীলৈ উত্তীৰ্ণ হয়। তেওঁৰ মেধাৱী শক্তিত সন্তোষ পাই স্বৰ্গীয় উমেশ চন্দ্ৰ বৰুৱাই তেওঁক কিতাপ পত্ৰৰ যোগান ধৰে ; আনকি উত্তমচন্দ্ৰ বৰুৱাই নিজৰ ভাৰ্য্যাক লিখা পঢ়া শিকাবলৈ প্ৰসন্ন বৰুৱাক ঘৰুৱা শিক্ষক নিয়োগ কৰে।

ছাত্ৰবৃত্তি পৰীক্ষা পাছ কৰাৰ পাচত বৰুৱাদেৱে নানান প্ৰবন্ধ কৰি নৰ্মাল পঢ়িবলৈ যায়, কিন্তু বাৰে পতি ডবল প্ৰমোচন পোৱাৰ ফলত বয়স কম হোৱা কাৰণে নৰ্মাল স্কুলত নামভৰ্ত্তি নকৰাত ঘৰলৈ উভতিব লগীয়াত পৰে। ভেতিয়া পিতাকে তেওঁক ইংৰাজী পঢ়িবলৈ কলে ; কিন্তু ইংৰাজী শিক্ষাৰ প্ৰতি ৰাপ নথকাত তাকো পঢ়া নহল। ফলত বৰুৱাদেৱৰ শিক্ষা জীৱনবো ইমানতে সমাপ্তি ঘটিল।

ছাত্ৰ জীৱনৰ সমাপ্তিৰ পিচত তেওঁ কেইজনমান হিতাকাংখী লোকৰ উপদেশ মতে কোটালকুছি, কমাৰকুছি, সোণাবিতোলা, ডিং ডিঙি আদি গাৱঁত ঠায়ে ঠায়ে স্কুল পাতি ছাত্ৰ-ছাত্ৰীক পঢ়াবলৈ ধৰে। তেতিয়াৰে পৰাই তেওঁৰ নাম হ'ল 'প্ৰসন্ন পণ্ডিত'।

চাৰিবছৰ শিক্ষকতা কৰাৰ পাছত বৰুৱাদেৱে হাজো-নলবাৰী ৰাস্তাত মহৰি কামত সোমায় আৰু এই কামেও নুসুজাত তাকো এৰি এড়ি কাপোৰৰ ব্যৱসায় আৰম্ভ কৰে। এই ব্যৱসায় কৰিবলৈও যথেষ্ট মূলধনৰ প্ৰয়োজন। মূলধন গোটাৰ নোৱাৰি কিছুদিনৰ পিছত বৰুৱাদেৱে তাকো এৰি জীৱিকাৰ উপায় বিচাৰি টলৌ টলৌকৈ ঘূৰি ফুৰি ডুমডুমা, যোৰহাট, শদিয়া, লিডু আদি পালেগৈ। বৰুৱাই প্ৰথমতে লিডুৰ কয়লাখনিত মিস্ত্ৰি কামত সোমাল। তাতো ভাল নলগাত ডুমডুমালৈ আহি মনোহাৰী মালৰ দোকান দিলে। মনোহাৰী মালৰ দোকানৰ লগতে যোৰহাটৰ 'ভট্টাচাৰ্য্য এজেঞ্চিৰ' গৰাকী স্বৰ্গীয় শিৱনাথ শৰ্মাৰ পৰামৰ্শ আৰু সহায় লৈ চুবুচুবীয়াকৈ এখন কিতাপ কাগজৰ দোকানো আৰম্ভ কৰিলে। পিছলৈ এই কিতাপৰ দোকানেই বৰুৱাৰ ব্যৱসায় জীৱনৰ ধৰ্ম খুঁটি হৈ পৰিল।

বৰুৱাৰ জীৱনৰ আদৰ্শ আৰু লক্ষ্য সুকীয়া আছিল। তেওঁ প্ৰায়েই কৈছিল, "যদি চাকৰি কৰিবই লাগে তেনেহলে শিক্ষকতা কৰিব লাগে ; আৰু যদি ব্যৱসায় কৰিবই লাগে তেনেহলে কিতাপৰ ব্যৱসায় কৰিব লাগে। কাৰণ এই দুটা ব্যৱসায়ত ভেঁজাল সোমাব নোৱাৰে। ভেঁজাল কাৰবাৰ কৰি কিজানি জীৱনটোৱেই ভেজাল হৈ যায় ; এই ভয়ৰ কাৰণে মই এই দুটা পথ জীৱনত বাচি ললোঁ।" এই লক্ষ্য স্থিৰ ৰাখিয়েই বৰুৱাই তেওঁৰ প্ৰথমা পত্নী স্বৰ্গীয় ৰজনী প্ৰভাৰ স্মৃতিত ১৯১৩ চনত "ৰজনীপ্ৰভা এজেঞ্চি" নাম দি এখন কিতাপৰ দোকান খুলি দিয়ে। এই "ৰজনীপ্ৰভা এজেঞ্চি"য়েই উত্তৰ কামৰূপ অঞ্চলৰ প্ৰথম কিতাপৰ দোকান। ইয়াৰ লগতে অকণমানি হাত ছপাশাল এটাও ৰাখি সেই অঞ্চলৰ সংঘ, পুখিৰ্ভঁড়াল আদিৰ ৰচিদ বহী, ৰাইটিং পেড আদি বিনামূলীয়াকৈ বা সামান্য খৰচতে ছপা কৰি দি উঠি অহা শিক্ষিত ডেকাসকলক উৎসাহিত কৰিছিল। আনকি বিশিষ্ট কিতাপ ব্যৱসায়ী স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱাই স্বৰ্গীয় প্ৰসন্ন বৰুৱাৰ পৰা সততে উৎসাহ আৰু পৰামৰ্শ পাইহে কিতাপৰ দোকান আৰু ছপাশাল খুলিবলৈ প্ৰয়াস পাইছিল বুলি দত্তবৰুৱাই প্ৰবন্ধকাৰৰ আগত নিজে কৈছিল।

সাহিত্যবন্ধু হৰিনাৰায়ণ দত্তবৰুৱা আৰু প্ৰসন্নচন্দ্ৰ বৰুৱাৰ কৰ্ম আৰু ব্যৱসায়ৰ ক্ষেত্ৰত অভিন্ন আত্মা আছিল। আধ্যাত্মিক চিন্তাধাৰা, অসমীয়া বৈষ্ণৱধৰ্মৰ চৰ্চা আৰু প্ৰচাৰ, 'লোক সংস্কৃতি আৰু লোক সাহিত্য সংগ্ৰহ' আৰু প্ৰচাৰৰ বাটত দুয়োজনেই আছিল সহযাত্ৰী। অসমীয়া ছাত্ৰ-ছাত্ৰী আৰু পঢ়ুৱৈ সমাজৰ অভাৱ দূৰ কৰিবলৈ যিদৰে দত্তবৰুৱাই পাঠশলীয়া পুথিৰ পৰা আৰম্ভ কৰি বৈষ্ণৱ ধৰ্মৰ অমূল্য আৰু দুৰ্লভ গ্ৰন্থবোৰ লাভ-লোকচানৰ প্ৰতি আওকান কৰিও প্ৰকাশ কৰিছিল, সেইদৰে বৰুৱাইয়ো পাঠশলীয়া পুথিৰ পৰা আৰম্ভ কৰি ধৰ্ম গ্ৰন্থ, লোক-সংস্কৃতি আৰু লোক-সাহিত্যৰ কালৰ বুকুত জাঁহ যাব ধৰা অমূল্য ৰত্নবোৰ বুটলি বিচাৰি আনি অসমীয়া লোক-সংস্কৃতি আৰু লোক সাহিত্যৰ ভড়াল চহকী কৰি থৈ গ'ল।

বৰুৱাদেৱে কেইবছৰমান মাত্ৰ হলেও উত্তৰ কামৰূপ অঞ্চলৰ ভালেমান প্ৰাইমাৰী, উচ্চ প্ৰাইমাৰী বিদ্যালয়ত সহকাৰী শিক্ষক আৰু প্ৰধান শিক্ষকৰূপে নিঠাৰে কাম কৰে। আঠিয়াবাৰী স্কুলত (১৯০৬) শিক্ষকতা কৰি থকা সময়তে তেওঁ 'বৰুৱা কোম্পানী' নামেৰে সমবায় দোকান এখনৰ লগতো বিশেষ ভাবে সংশ্লিষ্ট আছিল। সময়ত কণ্ট্ৰলৰ দোকান বন্ধ হ'ল ; কিন্তু বৰুৱাৰ লিখনিৰ পৰা

ওলোৱা 'কন্ট্ৰোল পুৰাণ' মজুতকাৰী, ভেজালকাৰীৰ চকুৰ কুটা, দাৰ্তৰ হুল হৈ আজিও ৰৈ থাকিল।

বাৰভূঞা পৰিয়ালত জন্ম গ্ৰহণ কৰা বৰুৱাদেৱ আছিল সক কালৰে পৰা ধৰ্ম পৰায়ণ ব্যক্তি। বৰুৱাই বলি বিধান, মূৰ্ত্তিপূজা আদিত বিশ্বাস কৰা নাছিল যদিও সিবিলাকক উপলক্ষ্য কৰি পতা নাট, ভাওনা, ওজাপালি, ঢুলীয়াৰ ভাও আদি প্ৰাণ ভৰি চাইছিল আৰু ওজাপালি, ভাৱৰীয়া, ঢুলীয়া আদিৰ বচনবোৰৰ পৰা লোক সংস্কৃতি আৰু লোক সাহিত্যৰ সমল বিচাৰি পাইছিল। আনকি সাধাৰণ অশিক্ষিত গাৱলীয়া মুনিহ, তিৰোতা আদিৰ পৰাও অনেক কিম্বদন্তী, ফকঁৰা যোজনা, আইনাম, ধাইনাম, বিয়াগীত আদি সংগ্ৰহ কৰিছিল।

ধৰ্মীয় চিন্তাত বৰুৱা আছিল বৈষ্ণৱ পন্থীলোক স্বামী শ্ৰী শ্ৰী কৃষ্ণপুৰীৰ সান্নিধ্য লাভ কৰাৰ পাছৰে পৰা তেওঁ বৈষ্ণৱ ধৰ্মৰ চৰ্চ্চা আৰু বৈষ্ণৱ ধৰ্মৰ পদপুথি আদি সংগ্ৰহৰ কামত বিশেষভাবে ব্ৰতী হৈ পৰে।. স্বামী শ্ৰী শ্ৰী কৃষ্ণপুৰী ৰচিত "বসুন্ধৰী গীত" নামৰ পদ পুথিখন তেৱেঁই ১৩৬৫ শকত ছপা কৰি উলিয়ায়।

ধলপুৱাতে বিচনাত বহি 'তেজৰে কমলাপতি' গোৱাটো বৰুৱাদেৱৰ আছিল এটা স্বাভাৱিক কৰ্ম। ছাত্ৰ কালতে বৰুৱাই গুৰুজনাৰ পৰা কাইথেলী অঙ্কাৰ কূট, ফকঁৰা-যোজনাৰ অৰ্থ, পটন্তৰমালা, নামকীৰ্ত্তন, গীত-মাত, সাধুকথা, কিম্বদন্তী আদি সংগ্ৰহ কৰাৰ দিহা পৰামৰ্শ পাইছিল। বয়সে ভাটি দিয়াত আৰু অনবৰত কিতাপৰ দোকানতে বহি থাকি অনেক শিক্ষক ছাত্ৰ-ছাত্ৰী গ্ৰাহক আদিৰ সু-সংস্পৰ্শলৈ অহাৰ সুযোগ ঘটাত সিসকলক নানা প্ৰশ্ন সুধি তথ্যমধ্য লগাইছিল। বৰুৱাৰ ওচৰলৈ গলেই তেওঁ আগধৰি দিয়া প্ৰশ্নৰ উত্তৰ লৈ যাব লাগিছিল আৰু উভতি আহোতে পুনৰ এগাল প্ৰশ্ন লৈ ঘৰলৈ আহিব লাগিছিল। লোকগীত, ফকঁৰা আদি সংগ্ৰহৰ কাৰণে বৰুৱাই আনকি বাটেদি যোৱা ভকত, পোহাৰী, ফকীৰ, মগনীয়াকো শ্বাতি নি ব্যতিব্যস্ত কৰি তুলিছিল। অৱশ্যে যিসকলৰ পৰা বৰুৱাই জনসাহিত্যৰ সমল সংগ্ৰহ কৰাত সহায় পাইছিল সি সকলৰ নাম শ্ৰদ্ধা আৰু কৃতজ্ঞতাসহ পাতনি নাইবা পদৰ মাজত স্বীকাৰ কৰিছিল।

বৰুৱাৰ সাথঁৰবোৰৰ দুই এটি নমুনা মাত্ৰ ইয়াত দিবলৈ যত্ন কৰিলোঁ। এদিন দুজনী তিৰোতা বাটেদি গৈ থাকোঁতে বিপৰীত ফালৰ পৰা অহা আন এজনী তিৰোতাই তেওঁলোকক সুধিলে—"তোমালোক দুজনী সম্বন্ধত কাৰ কি হোৱা ?" তেতিয়া এজনীয়ে উত্তৰ দিলে—"মোৰ শহুৰে তেওঁৰ শহুৰেকক শহুৰ বুলি মাতে" এতিয়া দুয়োজনী তিৰোতাৰ সম্বন্ধটো কি হ'ল ?

হৈলাৰ মাকৰ তিন্‌টা আপা এই গাওঁতে ঘৰ।
ডাঙৰটোৰ নাম বেইজা সৰুটো ৰাতিবৰ।।
মাজুটোৰ কিনো নাম কোনে পাৰা কোৱা।
দশৰথৰ পুত্ৰ নোহে অজৰজাৰ নাতি।
কৌশল্যাৰ পুত্ৰ নোহে সীতাৰ যে পতি।।
ৰামৰ কনিষ্ঠ নোহে লক্ষণৰ জেষ্ঠ।
কহে কবি কল্যান হিয়ালীৰ শ্ৰেষ্ঠ।।

সঙ্কলিত গ্ৰন্থৰ বাহিৰেও বৰুৱাৰ কেবাখনো মৌলিক গ্ৰন্থও আছে। মৌলিক গ্ৰন্থৰ ভিতৰত মিলিত ছন্দত লিখা "কন্ট্ৰোল পুৰাণ" নামৰ সৰু পুস্তিকাখনো এখন। "কন্ট্ৰোল পুৰাণ"ৰ প্ৰথম ছপা হৈ ওলায় ১৯৪৮ চনত, ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচতে। চৰকাৰে দুখীয়া ৰাইজৰ সুবিধাৰ কাৰণে ঠায়ে ঠায়ে পাতি দিয়া সুলভ মূল্যৰ দোকানবোৰ কলা বেপাৰীৰ হাতত মৰাত সৰ্বসাধাৰণ ৰাইজৰ কি বিলাই বিপত্তি হৈছিল 'কন্ট্ৰোল পুৰাণ'ত তাৰ সুন্দৰ চিত্ৰ দেখিবলৈ পোৱা যায়।

পদৰ শেষত প্ৰায়েই নীতি বচন, শাস্ত্ৰৰ প্ৰতিজ্ঞা আদি দোহাৰি মানুহৰ মাজত পাপ পূণ্য ধৰ্মাধৰ্মৰ কথা প্ৰচাৰ কৰা হৈছে-

ভোগ লগাক ভাত, পিয়াহ লগাক পানী
লাঙটাক বস্ত্ৰ দিবা আপোন মনে জানি ।

বৰুৱাই তেওঁৰ প্ৰত্যেক পুথিকে 'শ্যামৰায়' প্ৰভুৰ বন্দনাৰে আৰম্ভ কৰা দেখা যায় ।-

তোমাৰ চৰণে ৰতি সদা যেন থাকে ভক্তি
দিয়া মোক এই সজ্ঞ জ্ঞান ।
বন্দো প্ৰভু শ্যামৰায় তুৱা পাৱে দিয়া ঠাই
তযু পদে পশিলো শৰণ ।।

বৰুৱাৰ কবিতা আৰু বৰ্ণনাত উত্তৰ কামৰূপৰ নলবাৰী অঞ্চলৰ কথিত ভাষাৰ সঘন প্ৰয়োগ লক্ষ্য কৰা যায় । প্ৰতিটো শব্দৰ গাঁঠনি আৰু উচ্চাৰণ স্বতন্ত্ৰ ; ক্ৰিয়াৰ ব্যৱহাৰ মন কৰিবলগীয়া ।

ভাইইঁত দিনৰ গতি হৈছে বেয়া ।
খাবা নাপাই মৰ্‌বা লাগবো যাতনা-ভুগিয়া ।।
ধান-চাউলৰ দাম দেখি ভয় লাগা হছি ।
ৰহৰ মচুৰ দালি নোপোৱাত পৰছি ।।
খেছাৰি দালিৰ সেৰে টকা টকা হ'ল ।
দুখীয়া তৰপৰ ৰাপা উপায় নহৱা হ'ল ।।
খাইতেলৰ সেৰে হৈছে তিনি টকা দাম ।
তাতে আৰু ভেজালদেই তিচি ৰাদাম ।। ইত্যাদি

ওপৰৰ কথাখিনিত কাব্যিক সৌন্দৰ্য কিবা থাকক বা নাথাকক কিন্তু বৰ্ণনাৰ মাজেদি ভাৰতবৰ্ষই স্বৰাজ পোৱা সময়ৰ বস্তুৰ অভাৱ অনাটন, জুই ছাই দাম, ভেজাল, জোখ মাফ আদিৰ শুদ্ধ অন্তৰোৰ পোৱা যায় । লগতে ঘৰুৱা নিত্য ব্যৱহাৰ্য শব্দবোৰক লৈয়ো যে ছন্দযুক্ত কবিতা লিখিব পৰা যায় তাকো বৰুৱাই প্ৰমাণ কৰি দেখুৱালে । প্ৰসন্নচন্দ্ৰ বৰুৱাই গোটেই জীৱনটো দুখ আৰু অভাৱৰ মাজেদি কটালে বুলিব পাৰি । কিন্তু আধ্যাত্মিক সুখৰ তেওঁ অকনো বঞ্চিত হোৱা নাছিল । প্ৰাৰ্থীৰ দুখ যাতনাৰ মাজতো তেওঁ সদায় প্ৰফুল্ল বদনে আছিল । পিতৃমাতৃৰ অকাল বিয়োগৰ শোক, ভাই-ভনী, প্ৰথম পত্নী, প্ৰথম পুত্ৰৰ মৃত্যু-শোক আদিৰ উপৰিও খোৱা লোৱাৰ অভাৱ অনাটন, মামলা মোকৰ্দমা আদি এশ একুৰি বিপদে বৰুৱাক ব্যতিব্যস্ত কৰি তুলিছিল । কিন্তু স্বোপাৰ্জ্জিত শিক্ষা, ঈশ্বৰ প্ৰদত্ত জ্ঞান-বুদ্ধি আৰু কষ্ট সহিষ্ণুতাই বৰুৱাক সেইবোৰক নেওচা দিবলৈ শিকাইছিল আৰু সেইবোৰ চিন্তাৰ পৰা নিজকে আঁতৰাই ৰাখিবৰ বাবেই ধৰ্ম আৰু সাহিত্য চৰ্চাত মনপুতি লাগিছিল ।

বৰুৱাদেৱে বহু দিন সুখ্যাতিৰে শিক্ষকতা কৰাৰ পাছত জীৱনৰ বাকীথকা কাল অসমীয়া লোক সাহিত্য চৰ্চাত 'কায় মন বাক্যে' ব্ৰতী থাকি ১৯৭৫ চনৰ ১১ নবেম্বৰ তাৰিখ মঙ্গলবাৰে শ্ৰীশ্ৰী জগধাত্ৰী পূজাৰ মহা নৱমীৰ ৰাতি চিৰশান্তি থামলৈ গতি কৰিলে ।০০০

জ্যোতিষ শিৰোমণি আদ্যনাথ ভট্টাচাৰ্য

ড° পৰাগ কুমাৰ ভট্টাচাৰ্য

প্ৰাচীন ভাৰতীয় জ্ঞান বিজ্ঞানৰ সাধনাৰে যি কেইজন অসমীয়াই নিজৰ জীৱন অতিবাহিত কৰি স্বদেশহিতৈষিতাৰ চানেকি ৰাখি গৈছে, সেই সকলৰ ভিতৰত পণ্ডিত আদ্যনাথ ভট্টাচাৰ্য্যও এজন। বৈদিক যুগৰ পৰাই ভাৰতত জ্যোতিষ চৰ্চাৰ অব্যাহত প্ৰৱাহ চলি আহিছে। এই জ্যোতিষ শাস্ত্ৰৰ পঠন, পাঠন আৰু গৱেষণাৰে ভট্টাচাৰ্য্যই আত্মপ্ৰতিষ্ঠা লাভ কৰি কামৰূপীয় জ্যোতিষৰ বৈশিষ্ট্য সুন্দৰভাৱে প্ৰতিপাদন কৰি থৈ গৈছে।

অতীজৰে পৰা আমাৰ অসমতো জ্যোতিষ চৰ্চাৰ এটি সুস্থ ধাৰা প্ৰৱাহিত হৈ আছিল। অসমৰ প্ৰাচীন ৰাজধানী প্ৰাগজ্যোতিষপুৰ নামটোৰ লগতেই ইয়াত একালত জ্যোতিষ চচাৰ ঐতিহ্যৰ কথা সাঙোৰ খাই আছে। প্ৰজাপতি ব্ৰহ্মাই ইয়াত বহিয়েই পোনতে জ্যোতিষৰ চৰ্চা কৰিছিল বুলি 'কালিকা পুৰাণ'ত উল্লেখ আছে -

অস্য মধ্যে স্থিতো ব্ৰহ্মা প্ৰাত্ নক্ষত্ৰান সমজহ
ততঃ প্ৰাগ্ জ্যোতিষো নাম পুৰি শক্ৰ পুৰোপমা।
(কালিকা পুৰান)

জ্যোতিষ চৰ্চাৰ কেন্দ্ৰস্থলি হিচাপে ইয়াত প্ৰাচীন কালৰ পৰা মানমন্দিৰ (observatory)আদি থকা বুলি জ্যোতিষী সকলে প্ৰতিপন্ন কৰিব বিচাৰে। এতিয়াৰ নৱগ্ৰহ দেৱালয়ৰ মন্দিৰ প্ৰাচীন জ্যোতিষী সকলৰ মান মন্দিৰ আছিল বুলি জ্যোতিষী সকলে প্ৰতিপন্ন কৰিব বিচাৰে। এতিয়াৰ নৱগ্ৰহ দেৱালয়ৰ মন্দিৰ প্ৰাচীন জ্যোতিষীসকলৰ মান মন্দিৰ আছিল বুলি জ্যোতিষী পণ্ডিত পুৰুষোত্তম ভট্টাচাৰ্যই মত পোষণ কৰিছে। ইয়াৰ উপৰিও খণ্ডসাধ্য নামেৰে জ্যোতিষৰ এখন প্ৰামান্য গ্ৰন্থত অসমীয়া গণনা পদ্ধতিৰ বৈশিষ্ট্যবোৰ এতিয়াও বিদ্যমান। এইখন অসমীয়া জ্যোতিষীয়ে ৬৬৫ খৃষ্টাব্দ মানত প্ৰণয়ন কৰা এখন প্ৰাচীন গ্ৰন্থ। এইখনৰ উপৰিও জ্যোতিষৰ বহুতো সাঁচিপতীয়া পুথিয়ে প্ৰমাণ কৰে যে প্ৰাচীন কালৰ পৰা এই দেশ জ্যোতিষ চৰ্চাত আগবঢ়া আছিল। পণ্ডিত ভট্টাচাৰ্যৰ আজীৱন লক্ষ্য আছিল এই সুপ্ৰাচীন জ্যোতিষ শাস্ত্ৰৰ পঠন, পাঠন, গৱেষণা আৰু ইয়াৰ চৰ্চাৰে এই এটা প্ৰাচীন বিদ্যাক পুনৰ্জীৱিত কৰি তোলা। গোটেই জীৱন তেওঁ ইয়াৰ সাধনাতেই কটালে আৰু পণ্ডিত হিচাপে ভট্টাচাৰ্যৰ কৃতিত্বও তাতেই প্ৰধানভাৱে। তেওঁৰ এই গভীৰ সাধনা, জ্যোতিষৰ প্ৰতি ঐকান্তিকতা আৰু জ্যোতিষ সম্পৰ্কে লাভ কৰা বিস্তৃত জ্ঞানৰ কাৰণেই কামৰূপ সংস্কৃত সঞ্জীৱনী সভাই তেওঁক জ্যোতিষ শিৰোমণি' উপাধিৰে বিভূষিত কৰি প্ৰাপ্য সন্মান আৰু মৰ্যদা প্ৰদান কৰে।

জ্যোতিষ চৰ্চাৰ প্ৰতি ভট্টাচাৰ্যৰ এনে প্ৰগাঢ় অনুৰাগৰ মূলতে হল তেওঁৰ সুপ্ৰাচীন পৰম্পৰা আৰু ঐতিহ্য। তেওঁৰ জন্মস্থান হ'ল কামৰূপ জিলাৰ গজিয়া

জ্যোতিষ শিৰোমণি আদ্যনাথ ভট্টাচাৰ্য

গাওঁ–ৰিকন আছিল জ্যোতিষ চৰ্চাৰ এখন অন্যতম প্ৰাচীন কেন্দ্ৰ শিৱসিংহে বজাই শুক্ৰেশ্বৰ দেৱালয়ৰ তিথিকৰ মনিভট্টৰ বংশধৰ ভীমসেনক স্বৰ্গীয় বিশ্বেৰ দেৱালয়লৈ খাৰিজ কৰি আনি গৰিয়াত ব্ৰহ্মোত্তৰ মাটি বৃত্তি দান কৰি তিথিকৰ নিযুক্ত কৰিছিল। প্ৰাচীন কালৰ পৰা জ্যোতিষৰ লগত ওতঃপ্ৰোত ভাৱে সম্পৰ্ক থকা এই গৰিয়া গাওঁৰ এক জ্যোতিষী পৰিয়ালত ১৮৮৬ খৃষ্টাব্দৰ ৭ ফেব্ৰুৱাৰীত তেওঁৰ জন্ম হয়। 'গৰিয়াৰ প্ৰখ্যাত পণ্ডিত শিৱনাথ অধ্যাপকে মহাৰাজ চন্দ্ৰকান্ত সিংহৰ সোঁৱৰণি কৰি বিত্তৰ খিতাপ লাভ কৰিছিল। তেওঁৰ দুই পুৰুষ পিছৰ পণ্ডিত জীৱনাথে বিজনীৰাজ কুমুদ নাৰায়ণৰ সোঁৱৰণিত মৃত্যুৰ সময় আৰু কাৰণ পৰ্যন্ত ধৰি দিছিল। তেওঁৰে পুত্ৰ আদ্যনাথে পূৰ্বপুৰুষৰ এই বিদ্যাৰ প্ৰতি অতি সহজে আকৃষ্ট হোৱাতো তেনেই স্বাভাৱিক। আদ্যনাথৰ জ্যোতিষ চৰ্চা আৰম্ভ হয় ঘৰৰ টোলতে। জ্যোতিষৰ লগতে অন্য বিষয়বোৰৰ জ্ঞানো এই টোলত পঢ়ি লাভ কৰে। ভট্টাচাৰ্য ইংৰাজী শিক্ষাৰে শিক্ষিত নাছিল। কাৰণ ইংৰাজী পঢ়াৰ অনুকূল পৰিৱেশ তেওঁ লাভ কৰা নাছিল। তথাপিও জীৱনত প্ৰতি মুহূৰ্তে তেওঁ উপলব্ধি কৰিছিল যে ইংৰাজী শিক্ষাৰ এক অপৰিহাৰ্য প্ৰয়োজন আছে। তদুপৰি জ্যোতিষৰ দৰে এটা বিজ্ঞানৰ বিষয়ত ব্যুৎপত্তি লাভ কৰিবলৈও ইংৰাজী শিক্ষাৰ প্ৰয়োজন আছে। প্ৰাচ্য, পাশ্চাত্য দুয়োবিধ জ্যোতিষৰ তুলনামূলক বিচাৰৰ কাৰণে ইংৰাজী জনাৰ দৰকাৰ। এই কথা উপলব্ধি কৰিয়ে তেওঁ নিজৰ জ্যেষ্ঠ পুত্ৰ শ্ৰী পুৰুষোত্তম ভট্টাচাৰ্যক ইংৰাজী শিক্ষাৰে শিক্ষিত কৰিহে জ্যোতিষ শাস্ত্ৰ অধ্যয়ন কৰিবলৈ কাশীলৈ পঠায়। দেশীয় কৃষ্টি ৰক্ষাৰ কাৰণে তেওঁৰ উত্তৰ সুৰীসকলক সাজু কৰি তোলাৰ কাৰণে ভট্টাচাৰ্যই সততে চিন্তা কৰিছিল।

জ্যোতিষৰ উপৰিও তন্ত্ৰ, স্মৃতি, কাব্য, ব্যাকৰণ ইত্যাদি বিষয়ৰ বিস্তৃত অধ্যয়ন কৰি পণ্ডিত ভট্টাচাৰ্যই নিজাকৈ জীৱানন্দ জ্যোতিবিদ্যালয়' নামৰ টোল এখন পাতি তাত অধ্যাপনা আৰম্ভ কৰে। তেওঁৰ ওচৰত জ্যোতিষৰ শিক্ষা লবলৈ সুদূৰ বঙ্গদেশৰ পৰা স্বৰ্গীয় নিশিকান্ত চক্ৰৱৰ্তী নামৰ ছাত্ৰ এজনো আহিছিল। ভট্টাচাৰ্য্যৰ বহুতো ছাত্ৰই এতিয়াও জ্যোতিষৰ চৰ্চা কৰি আছে।

ভট্টাচাৰ্য্যৰ দৰে তেওঁৰ ছাত্ৰসকলেও কামৰূপীয় গণনা পদ্ধতিৰেই আজিও জ্যোতিষৰ চৰ্চা কৰিছে। তেওঁ জীৱানন্দ জ্যোতিবিদ্যালয়ত অধ্যাপনা কৰি থকা কালছোৱাতে জ্যোতিষৰ আপুৰুগীয়া গ্ৰন্থবোৰ সংগ্ৰহ কৰি বহুতো গ্ৰন্থ নিজে নকল কৰি জীৱানন্দ গ্ৰন্থাগাৰ নামে এটা সাঁচিপতীয়া পুথিৰ সংগ্ৰাহলয়ত পাতে। এতিয়াও ইয়াত জ্যোতিষ বিষয়ৰ অনেক পুথি থুপ খাই আছে।

অধ্যাপনাৰ লগতে পূজা পাতল আৰু অন্য ক্ৰিয়া-কাণ্ডাদিৰ লগতো তেওঁ জড়িত আছিল। কামাখ্যা ধামত তেওঁ তন্ত্ৰশাস্ত্ৰ বিশেষভাৱে অধ্যয়ন কৰিছিল আৰু তান্ত্ৰিক প্ৰক্ৰিয়াৰে তেওঁ বহুতো অসাধ্য সাধন কৰিও দেখুৱাইছিল। যোগ, প্ৰানায়াম আৰু অন্য সাত্বিক আচাৰ পালন কৰি তেওঁ সবল দেহ আৰু মনৰ অধিকাৰী হৈছিল। ক্ৰিয়াকাণ্ড সম্পৰ্কীয় সকলো নিয়ম তেওঁৰ জিভাৰ আগত আছিল। বিভিন্ন সমস্যাৰ প্ৰশ্ন লৈ তেওঁৰ ওচৰলৈ সমাধান বিচাৰি অহা বহুতো পণ্ডিতক আমি নিজ চকুৰে দেখিছোঁ। শাস্ত্ৰৰ শ্লোক মাতি সুন্দৰ যুক্তিৰে তেওঁ সমস্যাৰ সন্মুখত পণ্ডিত সকলক উপায় দিছিল। তেওঁৰ স্মৃতি শক্তিও আছিল প্ৰখৰ। তৰ্কত প্ৰতিষ্ঠা হলে নাইবা আলোচনাত অংশ গ্ৰহণ কৰিলে শাস্ত্ৰবোৰৰ যুক্তি একালৰ পৰা তেওঁ গাই যাব পাৰিছিল। আনকি কোন পৃষ্ঠাত সেই সেই শ্লোকবোৰ আছে তাকো তেওঁ কৈ

দিছিল। শাস্ত্ৰীয় নিয়ম লৈ বহুতো পণ্ডিতৰ লগত তেওঁ তৰ্কত প্ৰবিষ্ট হোৱা আৰু শেষত জয়লাভ কৰা আমি নিজ চকুৰে দেখিছোঁ।

জ্যোতিষৰ চৰ্চ্চা, অধ্যাপনাৰ উপৰিও জ্যোতিষৰ গ্ৰন্থ আৰু ভালেমান প্ৰবন্ধ তেওঁ ৰচনা কৰিছিল। তেওঁৰ "জ্যোতিৰ্মালা বা জাতক প্ৰদীপ" নামৰ গ্ৰন্থখন জ্যোতিষ শাস্ত্ৰৰ পাঠ্য আছিল। জ্যোতিষৰ গণনা পদ্ধতিৰ হৈ এখন সুন্দৰ গ্ৰন্থ। 'জাতক গণনা' তেওঁৰ অন্য এখন গ্ৰন্থ। কামৰূপীয়া পুষ্পোৎসৱ (হোৱালীৰ প্ৰথম ৰজঃ দৰ্শন) গণনাৰ ই এখন প্ৰামান্য গ্ৰন্থ। তিথ্যাদি আনয়নত কামৰূপীয় জ্যোতিষৰ বিশেষ ধাৰা এটি এই গ্ৰন্থত পোৱা যায়। জ্যোতিষৰ লগত জড়িত ব্যক্তি, জ্যোতিষী সকলৰ সু প্ৰাচীন পৰম্পৰাৰ বিষয়ে তেওঁ দুখন গ্ৰন্থ প্ৰনয়ন কৰে। তাৰে এখন 'প্ৰাচীন কামৰূপীয় ব্ৰাহ্মণৰ ইতিহাস' নামেৰে প্ৰকাশ পায়। আনখন তেওঁৰ পুত্ৰ পুৰুষোত্তম ভট্টাচাৰ্যৰ লগত যুটীয়াভাবে প্ৰণয়ন কৰা "প্ৰাচীন কামৰূপীয় দৈবিক ব্ৰাহ্মণৰ ইতিহাস" এতিয়াও অপ্ৰকাশিত হৈ আছে। "শ্ৰাদ্ধ বিবাহৰ গূঢ়তত্ব" তেওঁৰ আন এখন প্ৰামান্য গ্ৰন্থ। শ্ৰদ্ধাদিৰ প্ৰয়োজনীয়তা সম্পৰ্কে সুন্দৰ মত এই গ্ৰন্থখনত দাঙি ধৰা হৈছে।

এই গ্ৰন্থবোৰৰ উপৰিও তেওঁৰ জীৱনৰ অন্য এক কৃতিত্ব হ'ল অসমীয়া পঞ্জিকাৰ প্ৰকাশ। সম্পূৰ্ণ অসমীয়া গণনা পদ্ধতিৰে তেওঁ পঞ্জিকা গণনা কৰি উলিয়ায়। তেওঁৰ সম্পাদনাত ওলোৱা" বৃহৎ অসমীয়া পঞ্জিকা" কেবা বছৰো চলিছিল। পিছত অৰ্থাভাৱত ইয়াৰ প্ৰকাশ বন্ধ হয়। কিন্তু অসমীয়া পঞ্জিকা এখনৰো অত্যন্ত আৱশ্যক তাক তেওঁ সদায় উপলব্ধি কৰিছিল। সেয়ে পঞ্জিকা উলিয়াবৰ কাৰণে তেওঁ পুনৰ চেষ্টা কৰিছিল আৰু যোৰহাটৰ পৰা তেওঁৰ পুত্ৰ শ্ৰী পুৰুষোত্তম ভট্টাচাৰ্যৰ সতে আন এখন সৰু পঞ্জিকা উলিয়াইছিল। পিছে ইয়ো বেছিদিন টিকিব নোৱাৰিলে।

শাস্ত্ৰীয় ৰীতি নিয়ম সম্পৰ্কে তেওঁৰ এটা অনুসন্ধিৎসা আছিল। শ্ৰাদ্ধ পদ্ধতিত শ্ৰাদ্ধৰ খলিত চাউল দিয়া প্ৰসঙ্গত আছে "নিৰগ্নে ৰাম শ্ৰাদ্দেতু অন্নং ন কালয়েৎ কচিদ্ বৃদ্দৌ চ কাল য়েদ ঐ, সংক্ৰমে গৃহনেষুচেতি যোগিনীতন্ত্ৰে।" যোগিনীতন্ত্ৰ আলোচনা কৰি তেওঁ দেখে যে তাত বাকীখিনি আছে।---"অষ্টমুষ্টি প্ৰমাণেন ভ্ৰাহ্মনৈনেকশঃ ক্ৰমাৎ। ততোধিকঞ্চ নূনঞ্চ দদ্যাৎ শ্ৰাদ্ধ কৰ্মনি। ততোধিকং প্ৰদাতা চ দাতাচ নৰকং ব্ৰজেৎ"। ইয়াৰ ভিত্তিতে শ্ৰাদ্ধত মাত্ৰ আঠমুঠি চাউল দিব লাগে বুলি যুক্তি দৰ্শাই 'চেতনা' আলোচনীত তেওঁ এলানি প্ৰবন্ধ প্ৰকাশ কৰে। নানা বাদানুবাদ চলাৰ পাছতো কোনেও তেওঁৰ এই মত খণ্ডন কৰিব নোৱাৰিলে। অনুৰূপ ভাৱে শ্ৰাদ্ধ বিবাহৰ গূঢ়তত্বতো শূদ্ৰৰ হোমৰ অধিকাৰ থকা কথা তেওঁ যুক্তিৰে প্ৰতিপন্ন কৰে। জ্যোতিষৰ ওপৰতো তেওঁ 'চেতনা'ত আৰু অসম সাহিত্য সভাৰ গুৱাহাটী অধিৱেশনৰ 'স্মৃতি গ্ৰন্থ'ত প্ৰবন্ধ লিখি প্ৰকাশ কৰিছিল। সেই সময়ৰ প্ৰতিকূল পৰিৱেশ আৰু অৰ্থাভাৱৰ মাজতো তেওঁৰ কেবাখনো গ্ৰন্থ ছপা কৰি উলিয়াব পৰাটো তেওঁৰ ঐকান্তিক সাধনা আৰু প্ৰচেষ্টাৰ এক উজ্জ্বল নিদৰ্শন।

ভট্টাচাৰ্যই কিছুকাল গুৱাহাটীত স্থায়ীভাৱে আছিল, আৰু সেই সময়তে তেওঁ প্ৰখ্যাত ৰাজনীতিবিদ আৰু সমাজসেৱী সকলৰ সংস্পৰ্শলৈ আহে। তেখেত সকলেও ভট্টাচাৰ্যৰ পাণ্ডিত্য আৰু জ্যোতিষৰ বিচাৰ পদ্ধতিৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হয়। তেওঁৰ নিৰ্ভুল গণনা পদ্ধতিয়ে প্ৰত্যেককে বিস্মিত কৰিছিল। তেওঁ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱৰ কোষ্ঠী বিচাৰ কৰি তেখেতৰ মৃত্যু সময় হুবহু ধৰি

দিছিল। বৰদলৈ দেৱৰ মৃত্যুৰ পাছত 'আৱাহন'ৰ বিশেষ সংখ্যাত উক্ত বিচাৰ প্ৰকাশ পাইছিল। সেইদৰে শিক্ষাবিদ স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামী দেৱৰো মৃত্যু সময় ভট্টাচাৰ্যই সঠিকভাবে নিৰ্ণয় কৰিছিল। ঘোৰ প্ৰতিকূল পৰিবেশৰ মাজতো স্বৰ্গীয় ৰোহিনী কুমাৰ চৌধুৰীৰ মন্ত্ৰীত্ব লাভৰ ভৱিষ্যত বাণী অভাৱনীয় ভাৱেই ফলিয়াইছিল।

পণ্ডিত ভট্টাচাৰ্যই অধ্যয়নকে জীৱনৰ একমাত্ৰ ব্ৰত বুলি গ্ৰহণ কৰিছিল। পাৰিবাৰিক প্ৰতিকূল পৰিবেশৰ প্ৰতি আওকাণ কৰি মৃত্যুৰ সময়লৈ তেওঁ নিষ্ঠাৰে অধ্যয়নত ৰত আছিল। নিজে স্থাপন কৰা পুথিভঁৰালত ঘন্টাৰ পাছত ঘন্টা তেওঁ অধ্যয়ন কৰা দেখি আমি আচৰিত হৈছিলো। নিজৰ অক্লান্ত পৰিশ্ৰম, অধ্যবসায় ধৈৰ্য্য আৰু অনুসন্ধিৎসাই ভট্টাচাৰ্যক বিদগ্ধ পণ্ডিত ৰূপে প্ৰতিষ্ঠা কৰে। এদিন এজন বিশিষ্ট শিক্ষাবিদে বক্তৃতা প্ৰসঙ্গত কৈছিল যে স্বৰ্গীয় আদ্যনাথ ভট্টাচাৰ্য আছিল এনে এজন পণ্ডিত যাৰ ওচৰলৈ যি কোনো শাস্ত্ৰীয় সমস্যা লৈয়ে যাওক লাগে তাৰ সমাধান তেখেতে দিব পাৰিবই।' ভট্টাচাৰ্যই এই শক্তিৰ অধিকাৰী হৈছিল অধ্যায়নৰ বলত। গোটেই জীৱন এনেদৰে সৰস্বতীৰ সাধনা কৰি অৱশেষত ১৯৬৭ চনৰ ১৪ ফেব্ৰুৱাৰীত সৰস্বতী পূজাৰ দিনা তেওঁ মৃত্যু বৰণ কৰে। তেওঁৰ মৃত্যু হলেও তেওঁৰ অক্ষয় কীৰ্তি জীৱানন্দ গ্ৰন্থাগাৰ, জীৱানন্দ জ্যোতিৰ্বিদ্যালয় আজিও উজলি আছে আৰু তাত তেওঁৰ জ্যেষ্ঠ পুত্ৰ জ্যোতিষী পণ্ডিত পুৰুষোত্তম ভট্টাচাৰ্য্যৰ তত্বাৱধানতাত জ্যোতিষৰ পঠন পাঠন আৰু গৱেষণা সুন্দৰ ভাৱেই চলিছে। □□□

লোকপ্ৰিয় গোপীনাথ বৰদলৈ

ৰাম গোস্বামী

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন ইতিহাসৰ এক স্মৰণীয় ঘটনা। এই সুদীৰ্ঘ কালৰ ঘটনা বিভিন্ন পৰ্য্যায়ত ঘাত প্ৰতিঘাতৰ মাজেদি পৰিচালিত হৈছিল আৰু অনেক নেতাই নেতৃত্ব দান কৰি ইয়াক এক বিস্ময়পূৰ্ণ স্বদেশী আন্দোলনলৈ ৰূপান্তৰিত কৰিছিল। জাতিৰ জনক মহাত্মা গান্ধীৰ নেতৃত্বত অনেক দুঃসাহসী নেতাই দেশমাতৃৰ মুক্তিৰ হকে ইংৰাজ শক্তিৰ লগত সংগ্ৰাম কৰি কঠোৰ শাস্তি ভোগ কৰিছিল, বহুতে দীৰ্ঘদিনৰ বাবে কাৰাগাৰত জীৱন কটাইছিল, অনেকে আত্ম বলিদান দি শ্বহীদ হৈছিল। বিদেশী শাসক সকলৰ নিৰ্মম অত্যাচাৰ, নিষ্ঠুৰ পাশবিক উৎপীড়নত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে যথাৰ্থতে ইতিহাস ৰচনা কৰিছিল। "স্বাধীনতা জন্মস্বত্ব" এই মহাবাণী বাস্তৱত প্ৰতিফলিত কৰিবলৈ ভাৰতবৰ্ষৰ বহুনেতাৰ আবিৰ্ভাৱ হৈছিল আৰু তেওঁলোকৰ পৰিচালনাত বিভিন্ন ৰাজ্য সমূহত কংগ্ৰেছ অনুষ্ঠানে শক্তিশালী জন-আন্দোলন গঢ়ি তুলি পৰপদানত মাতৃভূমিক বন্ধন-মুক্ত কৰিবলৈ সংগ্ৰাম চলাইছিল। অসমৰ ৰাজনৈতিক ইতিহাসত আমি যি সকল ব্যক্তিৰ নাম সহজতেই বিচাৰি পাওঁ, সেই সকল ব্যক্তিৰ ভিতৰত গোপীনাথ বৰদলৈৰ নামটো এটা প্ৰখ্যাত ঐতিহাসিক নাম। তেওঁৰ গৌৰৱময় ৰাজনৈতিক কাৰ্য্য-কলাপত মানুহজনৰ নেতৃত্ব দানৰ বিস্ময়কৰ ক্ষমতা, জনপ্ৰিয়তাৰ প্ৰচুৰ দক্ষতা ইমান ঘনিষ্ঠ ভাবে জড়িত আছে যে সেইবোৰ পৰ্য্যালোচনা কৰিলে আমি অভিভূত নোহোৱাকৈ থাকিব নোৱাৰোঁ। তেওঁৰ জীৱন আৰু কামৰ পৰিচিতি দেশবাসীৰ আগত সদায় অনুপ্ৰেৰণাৰ উৎস ৰূপে থিয় হৈ আছে দিনৰ পিচত দিন, বছৰৰ পিচত বছৰ ব্যাপি। প্ৰতি যুগৰ নতুন দৃষ্টিভঙ্গী আৰু মূল্যায়ন অনুযায়ী বৰদলৈৰ জীৱনালেখ্য বিচাৰ কৰিলে আমি তেওঁৰ কাৰ্য্যকলাপত নতুন পোহৰৰ নতুন ৰূপ দেখিবলৈ পাওঁ। বৰদলৈৰ দৰে ব্যক্তি এজনৰ জীৱন ৰহস্য অনুধাৱন কৰি আমি তেওঁৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ পুনৰ্বিচাৰ কৰাৰ লগে লগে অসমৰ ৰাজনৈতিক ইতিহাসৰ এক নিৰ্ভৰযোগ্য অধ্যায়ৰ লগতো চিনাকী হ'বলৈ সুবিধা পাওঁ।

এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে 'স্বাধীনতা আন্দোলনৰ পটভূমিত ভাৰতবৰ্ষত অনেক অসামান্য প্ৰতিভাৰ ৰাজনৈতিক নেতাৰ আবিৰ্ভাৱ হৈছিল। জাতিৰ জনক মহাত্মাগান্ধীৰ অহিংস মন্ত্ৰত দীক্ষিত হৈ গোপীনাথ বৰদলৈয়ে তেওঁৰ ৰাজনৈতিক জীৱন অসামান্য প্ৰতিভাৰে অজয় কৰি গৈছে। অদম্য উৎসাহ, প্ৰবল আকাংখ্যা, দৃঢ়মনোবল যুক্ত বাক্তি বৰদলৈয়ে ৰাজনীতিত নামিছিল তেওঁৰ যৌৱনৰ অসামান্য কৰ্ম শক্তিৰে দেশজননীক মুক্ত কৰিবলৈ। অসম কংগ্ৰেছৰ কৰ্মধাৰাত এক শক্তিশালী নেতৃত্ব দান কৰি সংগঠন ক্ষমতাৰ প্ৰচুৰ দক্ষতা তেওঁ প্ৰদৰ্শন কৰিছিল। চৰিত্ৰৰ দৃঢ়তা, দেশাত্মবোধৰ অসাধাৰণ আত্মবিশ্বাসে বৰদলৈৰ ৰাজনৈতিক জীৱনত যথেষ্ট সহায় কৰিছিল। তেওঁৰ স্বাধীন চিন্তা, মুক্তবুদ্ধি আৰু সমাজ সচেতন বিচাৰ বিবেচনাই অসমৰ ৰাজনীতিত প্ৰত্যক্ষ ভাৱে যে ভালেখিনি সমৃদ্ধ কৰিছিল তাত অলপো সন্দেহ নাই।

লোকপ্ৰিয় গোপীনাথ বৰদলৈ

বৰদলৈদেৱৰ জন্ম হয় ১৮১২ শকৰ জেঠ, দেওবাৰে, ইংৰাজীৰ ১৮৯০ চনত নগাওঁ জিলাৰ ৰহাত। তেওঁৰ পিতাকৰ নাম আছিল বুদ্ধেশ্বৰ বৰদলৈ আৰু মাকৰ নাম প্ৰাণেশ্বৰী দেৱী। বুদ্ধেশ্বৰ বৰদলৈ আছিল এজন নাম কৰা এল, এম, পি ডাক্তৰ। চাকৰি সংক্ৰান্তত ৰহাত থাকোঁতেই গোপীনাথৰ জন্ম হয়। গোপীনাথৰ ককাই-ভাই, বাই-ভনী আছিল কেইবাগৰাকীও। তেওঁলোকৰ ভিতৰত জীৱিত আছিল বায়েক শশীকলা দেৱী, ককায়েক ইন্দ্ৰেশ্বৰ বৰদলৈ আৰু ভায়েক ৰত্নেশ্বৰ বৰদলৈ। গোপীনাথক ঘৰত সকলোৱে 'মাজু' বুলি মাতিছিল। গোপীনাথৰ বিদ্যাৰম্ভ ৰহাত হয় যদিও ৭ বছৰ বয়সত দেউতাক মঙ্গলদৈ মহকুমালৈ বদলি হোৱাত তাত, স্কুলত তেওঁ ভৰ্ত্তি হয়। ১৮৯৭ চনৰ বৰ ভূঁইকপৰ সময়তে গোপীনাথ আছিল মঙ্গলদৈত। বৰপেটাত থাকোতে ১২ বছৰ বয়সত তেওঁ মাতৃক হেৰুৱায়। মাতৃক হেৰুৱাই গোপীনাথে মৰ্মান্তিক বেদনাৰে সক কালছোৱা অতিবাহিত কৰে। বৰপেটাৰ পাচত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত তেওঁ শিক্ষা লাভ কৰে। ১৯০৭ চনত ইয়াৰে পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উৰ্ত্তীৰ্ণ হয় আৰু জলপানী লাভ কৰি কটন কলেজত আই-এত নাম লগায়। বৰদলৈৰ সৈতে একেলগে প্ৰৱেশিকা পৰীক্ষা পাছ কৰা সকলৰ ভিতৰত শ্ৰীবিষ্ণুৰাম মেধি, যোগেন্দ্ৰ নাথ বৰুৱা, কালীৰাম বৰ্মণ, ড° জ্যোতিষ চন্দ্ৰ দাস প্ৰভৃতিৰ নাম উল্লেখযোগ্য। ১৯০৯ চনত কটন কলেজৰ পৰা তেওঁ প্ৰথম বিভাগত আই-এ পৰীক্ষা পাছ কৰি কলিকতাৰ স্কটিছ চাৰ্চ্চ কলেজত ভৰ্ত্তি হয় আৰু ১৯১১ চনত বুৰঞ্জীত অনাৰ্চ লৈ সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰে। ১৯১৪ চনত বৰদলৈদেৱে বুৰঞ্জীত ২য় শ্ৰেণী লাভ কৰি এম এ পৰীক্ষাতো উৰ্ত্তীৰ্ণ হয় আৰু এবছৰৰ পাচত ল পৰীক্ষা পাছ কৰে।

শিক্ষা জীৱন আৰম্ভ কৰি বৰদলৈদেৱে পোনতে গুৱাহাটী সোনাৰাম হাইস্কুলত হেড্‌মাষ্টাৰ হয় আৰু তাৰ ৫ বছৰৰ পাচত গুৱাহাটীত ওকালতি আৰম্ভ কৰে। ইয়াৰ প্ৰায় দুবছৰৰ পাচত উত্তৰ গুৱাহাটীৰ ভূমিকান্ত বৰদলৈৰ কন্যা শ্ৰী মতী সুৰবালা বৰদলৈৰ লগত তেওঁৰ বিবাহ-বন্ধন সম্পন্ন হয়; লগে লগে আৰম্ভ হয় সাংসাৰিক জীৱন গুৱাহাটীৰ শিলপুখুৰীৰ বাসস্থানত বৰদলৈৰ লৰা চাৰিজন আৰু ছোৱালী পাঁচগৰাকী। সাংসাৰিক জীৱনত বৰদলৈদেৱে যথেষ্ট সুখী আছিল বুলি কব পাৰি।

বৰদলৈদেৱৰ প্ৰকৃত ৰাজনৈতিক জীৱন আৰম্ভ হৈছিল ১৯২১ চনৰ পৰা। অসহযোগ আন্দোলনৰ সময়ত মহাত্মা গান্ধীৰ আহ্বানত আকৃষ্ট হৈ তেওঁ সক্ৰিয়ভাৱে আন্দোলনত জপিয়াই পৰে। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু দেশভক্ত তৰুণৰাম ফুকনৰ পৰা তেওঁ এই ক্ষেত্ৰত বিশেষভাৱে অনুপ্ৰেৰণা লাভ কৰে। ১৯২১ চনত কংগ্ৰেছৰ আহমদাবাদ অধিৱেশনত অসমৰ প্ৰতিনিধি ৰূপে বৰদলৈ নিৰ্বাচিত হয়। সাংগঠনিক কামত লাগি থাকোতে ১৯২২–২৩ চনত তেওঁ এবছৰ কাৰাবৰণ কৰিবলগীয়া হয়। জেলৰ পৰা ওলাই আহি এইবাৰ বৰদলৈদেৱে কংগ্ৰেছৰ গঠনমূলক কামত বেচিকৈহে আত্মনিয়োগ কৰে। বৰদলৈৰ সমসাময়িক এজনৰ প্ৰসিদ্ধ কংগ্ৰেছসেৱী লৌবীকান্ত ভানুকদাৰৰ কথাত কবলৈ গলে, "ওকালতি গোপীনাথ বৰদলৈৰ জীৱিকাৰ বাট অৱলম্বন হলেও তেওঁ আইন ব্যৱসায়ত মনপুতি লাগিছিল বুলি কব নোৱাৰি। বহুত বাজবুৰা কামত তেওঁ বেছিকৈ মন দিব লগা হোৱাত ওকালতি কৰি ধন ঘটিব নোৱাৰিছিল। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিওঁতে আমি ওকালতি বন্ধ কৰো আৰু বাহিৰৰ মানুহৰ মাজত অসহযোগৰ বাণী প্ৰচাৰ কৰা, কংগ্ৰেছৰ সভ্য ভৰ্ত্তি কৰা, খদ্দৰ আৰু বিলাতী বস্ত্ৰ বৰ্জন কৰা প্ৰভৃতি কাৰ্যসূচীত নিযুক্ত হওঁ। ওকালতি বৰ্জন কৰা উকীল মৌলানা তুলন [illegible]

মৌজা কৰ্মক্ষেত্ৰ হিচাপে ভগাই লৈছিলোঁ। বৰদলৈয়ে জনজাতিৰ বসতি থকা মৌজা কেইখন বাছি লৈছিল। তেওঁ পিচপৰা জনজাতিৰ মাজত আগৰে পৰা সেৱা কাৰ্য্য চলাইছিল। সেইবাবে সেইবোৰ অঞ্চল তেওঁৰ প্ৰধান কৰ্মক্ষেত্ৰ ৰূপে পৰিগণিত হৈছিল।"

নিৰ্লোভ, নিৰ্লিপ্ত চৰিত্ৰৰ মানুহ আছিল গোপীনাথ বৰদলৈ। কৰ্মজীৱনৰ প্ৰত্যেকটো পদক্ষেপতে এই গুণবাজি বিকশিত হৈছিল। জিলা কংগ্ৰেছকে আৰম্ভ কৰি প্ৰাদেশীক কংগ্ৰেছ, নিখিল ভাৰত কংগ্ৰেছ কমিটী, হৰিজন সেৱক সংঘ, পৌৰসভা পৰিচালনা ইত্যাদিৰ লগত জড়িত থাকি তেওঁ নিষ্ঠাৰে দেশবাসীক সেৱা কৰিছিল। কথাই, ব্যৱহাৰে, কামে কাজে, সাজে পোছাকে তেওঁ আছিল সম্পূৰ্ণ স্বদেশী–নৈষ্ঠিক গান্ধীবাদী। তেওঁৰ জাতীয়তাবাদৰ আদৰ্শনিষ্ঠা সম্পৰ্কে এজন সমালোচকে কৈছিল যে বৰদলৈ যদিও শান্ত প্ৰকৃতিৰ লোক আছিল, ৰাজনৈতিক জীৱনত অন্যায় আৰু অবিচাৰ দেখিলে তেওঁৰ বিষাগ্নি জ্বলি উঠিছিল। এজন জাতীয়তাবাদী হিচাপে তেওঁ ৰাজনীতিত দীক্ষা লৈছিল। অসমৰ ৰাজনৈতিক ধ্যান-ধাৰণা চেতনাকে তেওঁ যি ধৰণেৰে উদ্ভাসিত কৰিছিল তাৰ অন্তৰালত আছিল জাতীয় সাধনাৰ বিস্ময়পূৰ্ণ প্ৰেৰণা। অসমৰ ৰাজনৈতিক ইতিহাসত এই নেতা গৰাকীৰ আসন নিৰ্দিষ্ট ভাৱে জিলিকি থাকিব।

বৰদলৈৰ কৰ্মপ্ৰেৰণাৰ মূলতে আছিল তেওঁৰ মানবিকতা বোধ। ভবিষ্যত সমাজ আৰু ব্যক্তিৰ উন্নতি সাধনত তেওঁ মূল্যবান অৰিহণা আগবঢ়াইছিল। জাতীয় জীৱনৰ এক গভীৰ উদ্দীপনাত বৰদলৈয়ে অসমৰ প্ৰধানমন্ত্ৰীৰ দৰে এক গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত হৈছিল। ১৯৩৭ চনত বৰদলৈ অসম এছেম্বলীলৈ কংগ্ৰেছৰ প্ৰাৰ্থী ৰূপে নিৰ্বাচিত হয় আৰু কংগ্ৰেছ দলৰ দলপতি ৰূপে নিৰ্বাচিত হয়। বিৰোধী দলৰ দলপতি স্বৰূপে বৰদলৈক আমি এজন নিৰ্ভীক সদস্যৰূপে দেখিবলৈ পাওঁ। দমননীতি মূলক আইন সমূহ নিষেধ, খাজনা আৰু লোকেল ৰেট কমোৱা, কানি নিবাৰণ, নিবনুৱা সমস্যা সমাধান, স্থানীয় স্বায়ত্ব শাসন আইন আৰু পৌৰসভা আইন সংশোধন, গাঁৱলীয়া অঞ্চল, পিচপৰা অঞ্চল প্ৰভৃতিৰ বহুল উন্নতি সাধন প্ৰভৃতি বিষয়ত তেওঁৰ দলৰ কাৰ্যনীতি নিৰ্দ্ধাৰিত হৈছিল। বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ দলে অসমলৈ বিদেশী মুছলমান লোকৰ অবৈধ আৰু অবাধ গতি বন্ধ কৰিবলৈ প্ৰবল হেঁচা দিছিল আৰু ছাদুল্লা মন্ত্ৰী সভাৰ প্ৰস্তাৱিত "লাইন প্ৰথা" তুলি দিবলৈ কৰা প্ৰস্তাৱৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিল। দলপতি হিচাপে গোপীনাথ বৰদলৈৰ যি দক্ষতা তাত তেওঁৰ গ্ৰহৰীৰ দৃষ্টি আৰু প্ৰত্যুৎপন্নমতি পৰিলক্ষিত হৈছিল। সেই সময়ৰ ভাৰতীয় কংগ্ৰেছৰ সভাপতি সুভাষ চন্দ্ৰ বসুৱে বৰদলৈৰ অপ্ৰতিৰোধ্য হৃদয়ৰ আবেগ আৰু যুক্তি যুগ-সন্ধিক্ষণৰ এক উল্লেখযোগ্য অবদান বুলি বৰ্ণনা কৰিছিল। ১৯৩৮ চনৰ ছেপ্তেম্বৰ মাহৰ ১৩ তাৰিখে ছাদুল্লা মন্ত্ৰীসভাই পদত্যাগ কৰাত গোপীনাথ বৰদলৈয়ে দলপতিৰ দায়িত্ব লৈ কংগ্ৰেছী যুক্ত মন্ত্ৰীসভা গঠন কৰে আৰু ২১ ছেপ্তেম্বৰ তাৰিখে আৱেলি শপত গ্ৰহণ কৰে। এই যুক্ত মন্ত্ৰীসভাই সেই সময়ত জনসাধাৰণৰ অভূতপূৰ্ব সঁহাৰি পাইছিল আৰু বহুত দিনৰে পৰা উমাই থকা এটা উত্তেজনাপূৰ্ণ অৱস্থাৰ মাৰবণি ঘটাইছিল। লোকপ্ৰিয় বৰদলৈৰ নেতৃত্বত মন্ত্ৰীসভাই জনহিতকৰ কামত ব্ৰতী হৈছিল। ১৯৩৮-৩৯ চনৰ বানে দুখীয়া ৰাইজৰ মাটিৰ খাজনা কম দিয়াৰ ব্যৱস্থা কৰা, বানপানীত প্ৰপীড়িত লোকসকলক চৰকাৰী সাহায্য আগবঢ়োৱা, দুখীয়া মানুহৰ ওপৰত নতুন কৰ ধাৰ্য্য নকৰা; কৰ-মকুৱেট কৰা

প্ৰভৃতি বিভিন্ন ভাল কাম বৰদলৈৰ মন্ত্ৰী সভাই সম্পন্ন কৰি জনপ্ৰিয়তা অৰ্জন কৰিছিল। ইয়াৰ বাহিৰেও কানি-নিবাৰণ, শিক্ষা-বিস্তাৰ, নিৰক্ষৰতা দূৰীকৰণ প্ৰভৃতি গঠনমূলক কামত বৰদলৈৰ নেতৃত্বত যুক্ত মন্ত্ৰীসভাই কৃতিত্ব লাভ কৰিছিল। কিন্তু বৰদলৈৰ যুক্ত মন্ত্ৰীসভা বেছি দিন শাসনত থাকিবলৈ নাপালে। ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাত ইংৰাজে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি মিত্ৰশক্তিৰ লগত যোগ দিয়াত ভাৰতৰ শাসনত অধিষ্ঠিত ইংৰাজ চৰকাৰে সক্ৰিয় অংশ গ্ৰহণ কৰিব লগাত পৰিল। জাতীয় কংগ্ৰেছে এই যুদ্ধত সমৰ্থন নজনালে আৰু সকলো প্ৰকাৰৰ সহযোগ বৰ্জন কৰিবলৈ প্ৰাদেশীক কংগ্ৰেছ মন্ত্ৰীসভাক নিৰ্দেশ দিয়াত বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰিলে। মহাত্মা গান্ধীৰ আহ্বানত সমগ্ৰ ভাৰতবৰ্ষতে ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ হ'ল। বৰদলৈয়ে আন আন মুখিয়াল কংগ্ৰেছ কৰ্মীসকলৰ লগতে সত্যাগ্ৰহ কৰি কাৰাবৰণ কৰিলে। অসমৰ শাসনভাৰ আকৌ চাদুল্লা মন্ত্ৰীসভাৰ দ্বাৰা পৰিচালিত হবলৈ সুযোগ ওলাল। আৰু পাচতে আহিল ১৯৪২ চনৰ গণবিপ্লৱ। জাতীয় কংগ্ৰেছৰ 'ভাৰত ত্যাগ' প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ ভাৰতৰ নেতাসকল উঠি পৰি লাগিল; লগে লগে তেওঁলোক আটক বন্দীৰূপে গ্ৰেপ্তাৰ হ'ল। বৰদলৈ, সিদ্ধিনাথ শৰ্মা, মোঃ তৈয়বুল্লা প্ৰভৃতি অসমৰ নেতাসকলৰ ফাটেক হ'ল। অসমৰ আইনজীৱি সকলে এই গণবিপ্লৱত আগভাগ লৈ আন্দোলনৰ গতি দ্ৰুত কৰি তুলিলে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯৪২ চনৰ গণ বিপ্লৱে অসমৰ ৰাজনৈতিক পৰিস্থিতিত এক নতুন উদ্দীপনা আনি দিছিল। অসমৰ আকাশে বতাহে গণবিপ্লৱৰ ধ্বনি বিয়পি পৰিছিল আৰু অসমৰ অনেক ডেকা গাভৰুৱে তেজ আৰু প্ৰাণৰ বিনিময়ত ইংৰাজ চৰকাৰৰ নিৰ্মম অত্যাচাৰ, হত্যাকাণ্ড, উৎপীড়ন হেলাৰঙে আওকান কৰি জাতীয় পতাকালৈ গণ বিপ্লৱত জপিয়াই পৰিছিল। গোলাঘাটৰ সৰুপথাৰৰ কুশল কোঁৱৰ ৰেল লাইন আউঁৰোৱা অপৰাধত গ্ৰেপ্তাৰ হ'ল আৰু দোষী সাব্যস্ত হৈ যোৰহাট জেলত ১৯৪৩ চনৰ ১৫ জুন তাৰিখৰ ৰাতিপুৱাতে ফাঁচী কাঠত প্ৰাণ এৰিলে। ফাঁচীৰ আগে আগে সেই সময়ৰ গড়মূৰ সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ সৈতে গোপীনাথ বৰদলৈ আহিছিল যোৰহাট জেললৈ কুশল কোঁৱৰক দেখা কৰিবলৈ। বৰদলৈৰ জীৱনত এই দেখা সাক্ষাৎ এক কৰুণ কাহিনী। মৰ্মস্পৰ্শী ভাষাৰে তেওঁ ডায়েৰীত এই কথা লিপিবদ্ধ কৰি গৈছে; "—কুশল কোঁৱৰে বিনা অপৰাধে মৃত্যুদণ্ডত দণ্ডিত হৈয়ো অতি সাহসেৰে মৃত্যুক একেবাৰে নগণ্য বুলি ভাবি এই সংসাৰৰ মায়াজালৰ পৰা মুক্ত হৈ ঈশ্বৰৰ ওচৰত ঠাই ললে। কমলা মিৰি আৰু কুশল কোঁৱৰে অহিংস সাহসৰ আৰ্হি দেখুৱালে, সেই আৰ্হিয়ে এই জেলখানাকতো পূণ্যস্থান কৰিলেই লগতে সমগ্ৰ অসমকো পূণ্যভূমি কৰিলে। আত্মবলেৰে 'অন্যায়ৰ প্ৰতিশোধ বুলি যদি কিবা এটা সত্য আছে এওঁলোকেই তাৰ চৰম আদৰ্শ দেখুৱালে।" ('নতুন অসমীয়া' ১৯৬০ চনৰ ১৫ আগষ্টত প্ৰকাশ)। কাৰাগাৰত বন্দীহৈ থকা সময়খিনিত গোপীনাথ বৰদলৈৰ মন আধ্যাত্মিক চিন্তা ধাৰাত আকৃষ্ট হৈছিল বুলি কব পাৰি। মহাত্মা গান্ধীৰ সাময়িক উপদেশ সমূহ তেওঁ আখৰে আখৰে পালন কৰিবলৈ যত্ন কৰিছিল। হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম, খৃষ্টান ধৰ্ম, মুছলমান ধৰ্ম সকলোবে মূল আদৰ্শ সমূহ অধ্যয়ন কৰি আৰু তাৰ সাৰ মৰ্ম লৰা ছোৱালীৰ উপযোগী কৰি লিখি উলিয়াবলৈ তেওঁ যত্ন কৰিছিল। যোৰহাট জেইলৰ পৰা ২৮।৪।৪১ তাৰিখে তেওঁ মহাত্মা গান্ধীলৈ লিখা চিঠিত উল্লেখ আছে যে জেলত বন্দী হৈ থাকোতেই ইংৰাজীত গান্ধীবাদৰ বিষয়ে তেওঁ লিখিবলৈ ঠিক

কৰিছে আৰু নৱা হোৱালীৰ বাবে শ্ৰীকৃষ্ণ, ৰামচন্দ্ৰ, বুদ্ধ, খ্ৰীষ্ট, মহম্মদ, মহাত্মা গান্ধী নামৰ কিতাপ তেওঁ প্ৰণয়ন কৰিব।

তৰুণৰাম ফুকন, বুদ্ধদেৱ, অনাসক্তি যোগ আৰু গান্ধীজীৰ সংক্ষিপ্ত জীৱনী প্ৰভৃতি গোপীনাথ বৰদলৈয়ে লিখা গ্ৰন্থ। এই গ্ৰন্থ সমূহ অসমীয়া সাহিত্যৰ মূল্যবান সম্পদ আৰু ইয়াৰ বিষয় বস্তুৰ মাজেদি দেশপ্ৰেম, সমাজদৰ্শন ফুটি ওলাইছে।

মহাত্মা গান্ধীৰ জীৱন দৰ্শনৰ দ্বাৰা বৰদলৈ প্ৰভাৱান্বিত হৈছিল আৰু নিজকে এজন গান্ধীবাদী ৰূপে গঢ় দিবলৈ তেওঁ সাধনা কৰিছিল। তেওঁৰ জাতি গঠনৰ কৰ্মপদ্ধতিত সেয়েহে আমি মানুহজনৰ ঈশ্বৰ বিশ্বাসী মনটোৰ এক উজ্জ্বল ছবি দেখিবলৈ পাওঁ। তেওঁৰ ত্যাগ, দেশ সেৱা, ন্যায় নিষ্ঠা আৰু বিচাৰ বুদ্ধি সকলোতে গান্ধীবাদৰ আদৰ্শ বিচাৰি পাওঁ।

দ্বিতীয় মহাসমৰৰ অন্ত পৰাত সাধাৰণ নিৰ্বাচনত কংগ্ৰেছী দলে সংখ্যা গৰিষ্ঠতা লাভ কৰিলে। অসমত বৰদলৈৰ নেতৃত্বত মন্ত্ৰীসভা গঠিত হ'ল। ১৯৪৬ চনৰ পৰা ১৯৫০ চনলৈকে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ৰূপে অসমৰ শাসন ব্যৱস্থাৰ দায়িত্ব গ্ৰহণ কৰি বৰদলৈদেৱে তেওঁৰ বিৰাট দক্ষতাৰ পৰিচয় দিছিল। নানা সমস্যাৰে পেটে ভাতে খাই থকা অসমৰ জটিল পৰিস্থিতিৰ সু-সমাধান কৰোতে তেওঁ যি সাম্প্ৰদায়িক অশান্তিয়ে দেখা দিছিল সেই অশান্তিৰ ফলত ৰাজনৈতিক অনিশ্চয়তা আৰু অশান্তিৰ পৰিস্থিতিয়ে ভাৰতীয় নেতা সকলক বিব্ৰত কৰি তুলিছিল। বৰদলৈয়ে এনে এটা অৱস্থাৰ সন্মুখীন হৈ অসমৰ মন্ত্ৰী সভাৰ প্ৰধান দায়িত্ব বহন কৰি দেশখনৰ শান্তি সংহতি আৰু প্ৰগতিৰ হকে দেহে দেহে পৰিশ্ৰম কৰিছিল। তেওঁৰ অহোপুৰুষাৰ্থৰ বলতে অসমত এখন বিশ্ববিদ্যালয়, এখন হাইকোৰ্ট, মেডিকেল কলেজ, পশুচিকিৎসাৰ কলেজ, কৃষি কলেজ, পুলিচ ট্ৰেইনিং কলেজ, ফৰেষ্ট ট্ৰেইনিং কলেজ, আয়ুৰ্বেদ কলেজ, ইঞ্জিনিয়াৰিং স্কুল আদি অনুষ্ঠান গঢ়ি উঠিল। বৰদলৈৰ চেষ্টাৰ ফলত গাওঁ উন্নয়ন বিভাগ স্থাপন হৈ দুখীয়া ৰাইজৰ অভাৱ অভিযোগ দূৰ কৰাৰ ব্যৱস্থা হৈছিল। কানি নিবাৰণ আইন কাৰ্যকৰী কৰি বৰদলৈয়ে এক নতুন সংস্কাৰৰ পাতনি মেলিলে। পিচপৰা অঞ্চল, জনজাতি অঞ্চল, বাগিছা অঞ্চলৰ লৰা-ছোৱালীয়ে যাতে শিক্ষা লাভ কৰিবলৈ সুবিধা পায় তাৰ ব্যৱস্থা কৰিবলৈ বৰদলৈয়ে বাজেটত আৰ্থিক মঞ্জুৰী আদায় কৰিলে। এই সকলোবোৰ কামকে তেওঁ যুদ্ধোত্তৰ পৰিকল্পনাৰ কাৰ্য্যাৱলী স্বৰূপে গ্ৰহণ কৰি জনকল্যাণৰ পাতনি মেলিছিল।

১৯৪৬ চনটো অসমৰ বাবে অতি সঙ্কটজনক সময় আছিল। এই বছৰতে গোপীনাথ বৰদলৈৰ নেতৃত্বৰ এক তাণ্ডৱ অগ্নি পৰীক্ষা চলিছিল কেবিনেট মিছনৰ প্ৰস্তাৱিত গ্ৰুপিংত অসমৰ স্থান সম্পৰ্কে। ভাৰতৰ ৰাজনৈতিক দল, চৰকাৰ আৰু জাতীয়তাবাদী নেতা সকল আৰু আন আন সংশ্লিষ্ট দলৰ লগত আলোচনা কৰি বৃটিছ মন্ত্ৰীমিছনে ১৯৪৬চনৰ ১৬ মে তাৰিখে এটি "আপোচ সূত্ৰ" ঘোষণা কৰিলে। এই সূত্ৰ অনুযায়ী ভাৰতবৰ্ষৰ গোটেই বিলাক প্ৰদেশকে একোটা 'সমষ্টি' বা 'গোট'ত বিভক্ত কৰাৰ প্ৰস্তাৱ হৈছিল। 'ক', 'খ', 'গ'—এই তিনিটা গোটত প্ৰদেশ সমূহ সমষ্টিভুক্ত হৈ যুটীয়া প্ৰদেশবোৰে এটা মাথোন ভোটৰ গৰিষ্ঠতাৰে নিৰ্ভৰ কৰি নিজ নিজ ভোটৰ দ্বাৰা শাসন ব্যৱস্থা ৰচনা আৰু যুক্ত কৰিব। এইমতে অসম প্ৰদেশ 'খ' গোটত পৰিল আৰু বঙ্গদেশৰ লগত সমষ্টি ভুক্ত হোৱা সিদ্ধান্ত হ'ল। মুছলীম লীগৰ মুখ্য নেতা জিন্নাক সন্তুষ্ট কৰিবলৈ আৰু মুছলমান সকলক এটা বেলেগ স্বতন্ত্ৰতা দিয়াৰ উদ্দেশ্যে এই সমষ্টি কৰণৰ সৃষ্টি হৈছিল বুলি অনেকে সেই সময়ত ধাৰণা কৰিছিল। বৰদলৈয়ে এই সমষ্টিভুক্ত প্ৰস্তাৱত এক তাণ্ডৱ ধৰণৰ সিদ্ধান্ত লৈ পেলালে। "যেতিয়ালৈকে এজনো অসমীয়া জীয়াই থাকে, অসমক সমষ্টিলৈ যাবলৈ নিদিয়ে।" কলিকতা মহানগৰীৰ বুকুত যীৰ দৰ্পেৰে ঘোষণা কৰা এইয়া হ'ল

গোপীনাথ বৰদলৈৰ বিস্ময়পূৰ্ণ ঐতিহাসিক সিদ্ধান্ত। বৰদলৈয়ে উপলব্ধি কৰিছিল যে এনে সমষ্টিকৰণৰ ফলত অসমৰ সংহতিৰ ভেটি খহি পৰিব। মুছলমান প্ৰধান বঙ্গদেশৰ লগত গোট বান্ধিলে অসমৰ ভৱিষ্যত একেবাৰে অন্ধকাৰ। গোটৰ সভ্য সংখ্যা হিচাপ কৰি তেওঁ এই কথা হৃদয়ঙ্গম কৰিছিল যে সিবিলাকৰ লোক সংখ্যা আমাতকৈ বহুত বেছি আৰু সেই হিচাপত আমাৰ সভ্য সংখ্যা নিতান্তই নগণ্য। গতিকে প্ৰাদেশিক আইন প্ৰণয়ন প্ৰভৃতি যাৱতীয় কাৰ্য্যত অসমে সদায় সকলো অৱস্থাতে আৰু সকলো কামতে বঙ্গদেশৰ ভোটৰ মুখাপেক্ষী হব লাগিব অৰ্থাৎ আমাৰ স্বাৰ্থ কেতিয়াও ৰক্ষা কৰাৰ সম্ভাৱনা নাই। সেইবাবে এই ঘোষণাৰ মূল কথা আমাৰ প্ৰদেশৰ স্বাৰ্থৰ সম্পূৰ্ণ বিপৰীতে। (লোকপ্ৰিয় গোপীনাথ বৰদলৈ : মহাদেৱ শৰ্মা, গুৱাহাটী ১৯৫৬)। বৰদলৈয়ে মৰ্মে মৰ্মে বুজিছিল যে সমষ্টি প্ৰস্তাৱ গ্ৰহণ কৰা মানে অসমৰ জাতীয়তাবাদৰ ধ্বংস মাতি অনা। তেওঁ কৈছিল, "মই অসুবাৰ এই বিষয়ে চিন্তা কৰি শেষত থিৰ কৰিলোঁ যে অকল গান্ধীজীয়েই অসমক বচাব পাৰিব।- মই মোৰ দুজন ডেকা বন্ধু শ্ৰী মহেন্দ্ৰ মোহন চৌধুৰী আৰু শ্ৰী বিজয় চন্দ্ৰ ভাগৱতীক এখন চিঠি দি গান্ধীজীৰ ওচৰলৈ পঠালোঁ আৰু লগতে তেওঁৰ পৰা পৰামৰ্শ আৰু নিৰ্দ্দেশ প্ৰাৰ্থনা কৰিলোঁ। তেওঁৰ পৰা অভিমত পালোঁ যে মই কাৰো সেও নামানি ইয়াৰ বিৰুদ্ধে দৃঢ় ভাবে থিয় দিয়া উচিত। মই যদি সেও মানো তেতিয়া হ'লে মোক কোনেও সহায় নকৰিব।" বৰদলৈয়ে সচীকৈয়ে দৃঢ়ভাৱে এই প্ৰস্তাৱৰ বিৰুদ্ধে সমৰ চলালে, অসমৰ বাইজে তেওঁক বলিষ্ঠ সমৰ্থন আগবঢ়ালে। তেওঁ জয় যুক্ত হ'ল। এটা মহা সঙ্কটৰ পৰা অসম ৰক্ষা পৰিল। অসমৰ ন্যায্য অধিকাৰ অক্ষুন্ন ৰাখিবলৈ তেওঁ যি অভূতপূৰ্ব সাহস দেখুৱালে তেনে দৃষ্টান্ত সচীকৈয়ে বিৰল ভাৰতীয় কংগ্ৰেছৰ সামগ্ৰিক চিন্তাধাৰাত বৰদলৈৰ দৃষ্টিভঙ্গীয়ে এক নতুন প্ৰেৰণা দান কৰি অসমৰ সমস্যা সমাধান কৰিলে। বৰদলৈৰ বিষয়ে গান্ধীজীয়ে সমষ্টি গঠনৰ কথা প্ৰসঙ্গত কৈছিল "বৰদলৈ এজন নেতা আৰু তেওঁ প্ৰকৃত নেতাৰ কামকেই কৰিছে।" জাতিৰ পিতাৰ এইয়া এক মূল্যবান অভিনন্দন।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ল আৰু গোপীনাথ বৰদলৈ অসমৰ প্ৰধানমন্ত্ৰী ৰূপে নিৰ্বাচিত হৈ শাসনভাৰ গ্ৰহণ কৰিলে। সৰ্বোপ্ৰকাৰ পিচপৰা অসম দেশৰ এনে এটা সমস্যা গধুৰ বোজা কঢ়িয়াই ফুৰোঁতে বৰদলৈয়ে তেওঁৰ মন প্ৰাণ সদায় সকলো সময়তে আৰক্ষ ৰাখি অসমৰ সুবিধাৰ পৰা তেওঁক বঞ্চিত কৰিছিল। অত্যাধিক পৰিশ্ৰম, শাৰীৰিক পীড়া, সামাজিক দায়িত্ব সকলো হেলাৰঙে বহন কৰি ১৯৫০ চনৰ ৫ আগষ্ট তাৰিখ শনিবাৰে ৰাতি ২-৪০ মিনিটত আধা সজ্ঞা হৈ থকা গুৱাহাটীৰ উলুবাৰীৰ নিজা ঘৰত বৰদলৈয়ে হৃদৰোগত শেষ নিঃশ্বাস পেলালে। হেজাৰ বিজাৰ জনতাৰে বৰদলৈৰ ঘৰ ভৰি পৰিল। তেতিয়া তেওঁৰ বয়স হৈছিল প্ৰায় ৬০ বছৰ। ৰাজ সম্মানেৰে বৰদলৈৰ মৃতদেহ নৱগ্ৰহ শ্মশানত চিতাগ্নিত উঠোৱা হ'ল। অগণন লোকৰ আৰ্তনাদেৰে সমগ্ৰ অসম মৰ্মাহত হ'ল, বৰদলৈ মৰিও অমৰ হ'ল।

এজন উদ্দীপ্ত কৰ্মযোগীৰ জীৱন কাহিনী কিমান মৰ্মস্পৰ্শী হব পাৰে তাৰ উজ্জ্বল দৃষ্টান্ত এই লোকপ্ৰিয় গোপীনাথ বৰদলৈ। অভিজ্ঞতা আৰু জীৱনবোধৰ সহজ অনুপ্ৰেৰণাতে তেওঁ কোমলৰাত নামিছিল আৰু মৃত্যুৰ আগমুহূৰ্ত্তলৈকে তেওঁৰ মনত কেৱল সঞ্জীৱিত হৈ আছিল সমস্যা বহুল অসম দেশখন—যাৰ প্ৰতি কৰা অবিচাৰ আৰু অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম চলাই তেওঁ অৱশ হৈ পৰিছিল। অসমীয়া জাতিৰ জাতীয় চিন্তা ধাৰাত বৰদলৈৰ আদৰ্শ আৰু ত্যাগে এক নৱ জাগৰণৰ সূচনা কৰিলে।০০০

পণ্ডিত জীৰেশ্বৰ গোস্বামী

গুৰুদত্ত ভাগৱতী

অসম মাতৃৰ গৌৰৱ মুকুট আনন্দৰাম বৰুৱাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ যিসকল অসম-সন্তানে জ্ঞানতৃষ্ণাকে পৰমতৃষ্ণা সাৰোগত কৰি আজীৱন অধ্যয়ন আৰু কঠোৰ সাধনাৰে অধ্যাপনা ব্ৰত লৈ সমাজত–'সৰলে জীৱন যাপন আৰু উচ্চভাব পোষণৰ' আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গ'ল সেইসকলৰ ভিতৰত পণ্ডিত জীৰেশ্বৰ গোস্বামী হ'ল অন্যতম।

বৰ্তমান বৰপেটা জিলাৰ সৰ্থেবাৰীৰ উত্তৰ পশ্চিমফালে এক মাইলমান আঁতৰত অৱস্থিত মহাপুৰুষ শ্ৰী শ্ৰী দামোদৰ দেৱৰ প্ৰিয় শিষ্য স্বৰ্গীয় ভট্টদেৱে স্থাপন কৰা 'পাকা সত্ৰ'ত এসময়ত কৌশিক গোত্ৰীয় ব্ৰাহ্মণ পৰিয়াল এটি বাস কৰিছিল। এওঁলোকৰ আদি পুৰুষ আছিল গঙ্গাধৰ গোস্বামী। জীৰেশ্বৰ গোস্বামী এই জনা পুৰুষৰে বংশধৰ।

১৮৯১ চনৰ বহাগ মাহৰ ১৪ তাৰিখ ৰবিবাৰে গোস্বামীদেৱৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল স্বৰ্গীয় হৰিশ্চন্দ্ৰ গোস্বামী আৰু মাতৃ কামেশ্বৰী দেৱী। ১৮৯৭ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্পত পাকা অঞ্চল বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাত তেওঁলোকে সেই ঠাই এৰি আহি সৰিয়হ মৌজাৰ বনগাওঁ পায় আৰু তেতিয়াৰে পৰা তাতেই নিগাজিকৈ বসতি কৰিবলৈ লয়।

ছাত্ৰজীৱন

সৰুকালৰে পৰা জীৰেশ্বৰ গোস্বামী আছিল অসাধাৰণ মেধাসম্পন্ন ব্যক্তি। তেওঁ বনগাওঁৰ পৰা নিম্ন প্ৰাইমাৰী পৰীক্ষা পাছ কৰি চৌধুঁটি গাওঁ মজলীয়া স্কুলত ভৰ্ত্তি হয় আৰু তাৰ পৰা সুখ্যাতিৰে শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পিছত তেওঁ কিছুদিন ঘৰতে বহি কটাবলগীয়াত পৰিছিল। কাৰণ সেইসময়ত আজিকালিৰ দৰে যতে ততে উচ্চ ইংৰাজী বিদ্যালয় স্থাপিত হোৱা নাছিল। তেতিয়াৰ দিনত উচ্চ ইংৰাজী স্কুলত শিক্ষা লাভ কৰা এটি সমস্যাৰ বিষয় যেনহে আছিল। তদুপৰি নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ মাজত ইংৰাজী শিক্ষাতকৈ বেদ, ন্যায়, দৰ্শন প্ৰভৃতি সংস্কৃত শাস্ত্ৰ অধ্যয়নৰ প্ৰতিহে সেইসময়ত অধিক সমাদৰ আছিল। সত্ৰত ডাঙৰ দীঘল হবলৈ লোৱা গোস্বামীৰ ওপৰত সত্ৰীয়া পৰিৱেশৰ যি ছাপ পৰিছিল সি তেওঁক হিন্দুধৰ্মৰ বিভিন্ন দৰ্শনশাস্ত্ৰ আৰু তত্ত্বজ্ঞান লাভৰ প্ৰতিহে কৰি তুলিছিল বেছি আগ্ৰহান্বিত। হিন্দু জীৱনৰ আধ্যাত্মিক তত্ত্ব জানিবলৈ সংস্কৃত-শাস্ত্ৰ অধ্যয়নৰ হৈ পৰিছিল বিশেষ প্ৰয়োজন আৰু সেই সংস্কৃত শাস্ত্ৰ অধ্যয়ন কৰিবলৈ হলে প্ৰথমে শিকিবলৈ প্ৰয়োজন হৈছিল সংস্কৃত ব্যাকৰণ। সেয়ে মজলীয়া স্কুলত শিক্ষা লাভ কৰাৰ পাছত গোস্বামীয়ে সংস্কৃত অধ্যয়নত মনোনিবেশ কৰে; আৰু নিজ গাওঁৰে সভানাথ অধ্যাপকৰ টোলত পঢ়ি ১৯১১ চনত ব্যাকৰণৰ আদ্য পৰীক্ষা দি বৃত্তি লাভ কৰে। ইয়াৰ পাছত গোবিন্দপুৰ সত্ৰৰ স্বৰ্গীয় নকুলচন্দ্ৰ গোস্বামীৰ টোলত ব্যাকৰণৰ মধ্য পৰীক্ষা দি তেওঁ বৃত্তি লাভ কৰে। এইদৰে অলপ দিনৰ ভিতৰতে

সংস্কৃতৰ আদ্য আৰু মধ্য দুয়োটা পৰীক্ষাতে সুখ্যাতিৰে উত্তীৰ্ণ হৈ গোস্বামীয়ে সকলোৰে প্ৰশংসাৰ পাত্ৰহৈ পৰিছিল। এই সময়ত গোস্বামীৰ বয়স আছিল প্ৰায় বোৱ বছৰ।

গৃহ ত্যাগ ঃ জ্ঞান চৰ্চাৰ আকাঙ্খাত

সংস্কৃতৰ আদ্য আৰু মধ্য পৰীক্ষা দুটা সুখ্যাতিৰে পাছ কৰাৰ পাছত উচ্চ শিক্ষা লাভৰ বাবে ওচৰত কোনো সংস্কৃত টোল নথকাত গোস্বামীদেৱ মহা বিপাঙত পৰিল। তেওঁ কিন্তু দৃঢ় প্ৰতিজ্ঞ যি কোনো প্ৰকাৰে হলেও উচ্চ শিক্ষা লাভ কৰিবই লাগিব। সেয়ে ওখাপত বুদ্ধৰ দৰেই বোৱবছৰীয়া জীৱেশ্বৰ গোস্বামী এদিন, আন্ধাৰ নিশা অকস্মাতে ওলাই গৈছিল জ্ঞান চৰ্চাৰ অদম্য তাৰণাত। পিছদিনা বাতিপুৱা মাক-দেউতাকে গোস্বামী শোৱাকোঠাৰ বেৰত পাইছিল এটুকুৰা কাগজত লিখা এইখিনি কথা : "মোক কোনেও বিচাৰিব নালাগে। কাৰণ পঢ়াশুনা কৰাৰ কাৰণে মই ঘৰৰ পৰা ওলালোঁ। যি ঠাইত থাকিম সেই ঠাইৰ পৰাই জনাম।"

আন্ধাৰ নিশা খোজ কাঢ়ি কাঢ়ি গৈ গোস্বামীয়ে দতৰা পাৰ্থৰ স্বৰ্গীয় পণ্ডিত শিবনাথ স্মৃতি তীৰ্থৰ টোলত উপস্থিত হৈছিলগৈ। অধ্যাপকদেৱে তেওঁৰ পৰিচয় পাই নিজৰ টোলতে মৰম-স্নেহ কৰি ৰাখি, কাব্য উপাধিত ভৰ্ত্তি কৰালে। গোস্বামীৰ বুদ্ধি আছিল প্ৰখৰ। কাব্য উপাধী পৰীক্ষাতো তেতিয়াৰ বঙ্গ আৰু অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি ইং ১৯১৬ চনত তেওঁ ৰূপৰ পদক লাভ কৰিছিল। কাব্যত উপাধী লাভ কৰাৰ পাচত অধ্যাপক স্মৃতি-তীৰ্থদেৱৰ নিৰ্দেশমতে তেওঁ গৌৰীপুৰলৈ যায়–তাৰ ৰাজভৱনত থকা টোলত ন্যায় শাস্ত্ৰ অধ্যয়নৰ উদ্দেশ্যে। তেতিয়াৰ দিনত ৰেলগাড়ী, মটৰ গাড়ী আদিৰ সুবিধা নাছিল। গতিকে দতৰাৰ টোলৰ পৰা কামৰূপৰ খোলাবান্ধালৈ তেওঁ খোজকাঢ়িয়ে যাবলগীয়া হৈছিল। খোলাবান্ধাৰ পৰা জাহাজত উঠি ধুবুৰীলৈ গৈছিল। ধুবুৰীৰ পৰা আকৌ গৌৰীপুৰলৈ খোজকাঢ়ি গৈ গোস্বামীয়ে গৌৰীপুৰৰ ৰাজটোলত স্বৰ্গীয় ভৱিণীপ্ৰিয়া চতুষ্পাঠী টোলৰ অধ্যাপক স্বৰ্গীয় ধত্নানন তৰ্কতীৰ্থদেৱক লগ ধৰে। তৰ্কতীৰ্থদেৱে গোস্বামীৰ পৰিচয় পাই অতি আগ্ৰহেৰে তেওঁক টোলত ভৰ্ত্তি কৰে। আৰু ৰাজটোলৰ পৰা গোস্বামীক মাহে ৭ (সাত) টকাকৈ বৃত্তি দিয়ে। বৃত্তিধাৰী জীৱেশ্বৰ গোস্বামীয়ে সেই টোলত পঢ়া শুনা কৰি অনুমান খণ্ডৰ ন্যায়ৰ মধ্য পাছ কৰে আৰু তাৰ পাছত ১৯১৮ চনত তেওঁ বিহাৰৰ মজফৰপুৰ সংস্কৃত কলেজত ন্যায়দৰ্শন বিষয়ত অধ্যয়ন কৰে। কিন্তু উক্ত কলেজত পঢ়াশুনা কৰা বাবদ বিশেষ সুবিধা নোপোৱাত, ২৪ পৰগনাৰ অন্তৰ্গত মুলাজ্যৰ সংস্কৃত কলেজত ১৯১৯ চনৰ পৰা ১৯২২ চনলৈ 'ষট্‌দৰ্শন' অধ্যয়ন কৰিবলৈ লয় আৰু বঙ্গদেশৰ সংস্কৃত পৰিষদৰ 'ষটদৰ্শন'ৰ দ্বিতীয় পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ বৃত্তি লাভ কৰিবলৈ সমৰ্থ হয়।

পিছত ১৯২৪ চনৰ পৰা ১৯২৬ চনলৈ তেওঁ শ্ৰীহট্ট গৱৰ্নমেণ্ট সংস্কৃত স্কুলত ন্যায় দৰ্শন অধ্যয়ন কৰে। ১৯২৪ চনৰ ন্যায় দৰ্শনৰ উপাধি পৰীক্ষাতো প্ৰথম স্থান লাভ কৰি চৰকাৰৰ পৰা নগদ ১০০ টকা পুৰস্কাৰ পায় আৰু মাহে বিশ টকাকৈ একেৰাহে দুবছৰ ধৰি বৃত্তি লাভ কৰে। এইখিনিতে উল্লেখযোগ্য যে, ন্যায়দৰ্শনৰ অনুমান খণ্ডৰ উপাধি পৰীক্ষাত এনে সুখ্যাতি লাভ কৰা ছাত্ৰসকলৰ ভিতৰত জীৱেশ্বৰ গোস্বামীয়ে আছিল প্ৰথম অসমীয়া।

অধ্যাপনা আৰু সাংসাৰিক জীৱন ঃ–

ইং ১৯২৬ চন। তেতিয়া গোস্বামীৰ বয়স তেত্রিশ বছৰ। গৌৰৱময় ছাত্র জীৱন শেষ হোৱাৰ পাছত গোস্বামীদেৱ নিজা ঘৰলৈ ঘূৰি আহে আৰু সংস্কৃত ভাষা আৰু সাহিত্যৰ সেৱাত আত্মনিয়োগ কৰে। পোনতে তেওঁ টিহু অঞ্চলৰ আশে পাশে থকা বিভিন্ন ঠাইত ভালেমান টোলত আমন্ত্ৰণ ক্রমে শিক্ষাদান কৰিবলৈ আৰম্ভ কৰে। সংস্কৃত-জ্যোতিষ আৰু শাস্ত্রজ্ঞ পণ্ডিত সমাজক উপলব্ধি কৰাবৰ বাবে চতুষ্পাঠী আৰু ধৰ্মমন্দিৰ নামঘৰত তেওঁৰ সম্বৰ্দ্ধনাৰ বাবে অনুষ্ঠিত সমাৰোহত গোস্বামীয়ে ভাষণ দিছিল।

পণ্ডিত গোস্বামীদেৱে শ্রীহট্টৰ চৰকাৰী সংস্কৃত কলেজতো কিছুদিন অধ্যাপনা কৰে আৰু সেই সময়তে টিহুৰে নাম্নাট্টাৰী গাওঁৰ স্বৰ্গীয় গোপীকান্ত গোস্বামীৰ কন্যা, স্বৰ্গীয় স্বৰ্গেশ্বৰী দেৱীৰ লগত তেওঁৰ শুভ পৰিণয় হয়। ইং ১৯২৯ চনৰ পৰা তেওঁ দামোদৰ ধামতো (আঠঘৰীয়াত) তিনিবছৰ অধ্যাপনা কৰি ১৯৩৩ চনৰ বছৰটোহে চিলেট সংস্কৃত কলেজত অধ্যাপনা কৰিছিল। ১৯৩৪-১৯৩৮ চনলৈ ঘৰতে পুৰণি শাস্ত্ৰৰ পৰা তথ্য উদ্‌ঘাটন কৰি জীৱ-ঈশ্বৰ আৰু জীৱতত্ত্ব সম্পৰ্কে তেওঁ গৱেষণা কৰিছিল। এই কালছোৱাতে তেওঁ টিহুৰ নিজাঘৰত শ্রীকৃষ্ণ বিদ্যালয় নাম দি এখন টোলো প্রতিষ্ঠা কৰে। ১৯৪০-১৯৪৪ চনলৈ তেওঁ নলবাৰী সংস্কৃত কলেজৰ প্রতিষ্ঠাতা অধ্যক্ষ হিচাপে কাম কৰে। সংস্কৃত কলেজৰ পৰা বিদায় লৈ তেওঁ ঘৰতে সংস্কৃত সাহিত্য চৰ্চ্চা কৰিছিল আৰু বিভিন্ন টোলৰ বিদ্যাৰ্থী সকল এই পণ্ডিত প্ৰবৰৰ ওচৰলৈ গৈ নানা কথা শিকিছিল। কিবা জটিল প্ৰশ্নৰ সমাধান বিচাৰি কোনোবাই গোস্বামীৰ ওচৰত উপস্থিত হলে তেওঁ খৰচি মাৰি বুজাই দিছিল। মুঠতে সংস্কৃতি সাহিত্য চৰ্চ্চা, অধ্যয়ণ আৰু অধ্যাপনাই এই পণ্ডিত গৰাকীৰ আছিল জীৱনৰ ব্ৰত।

সাহিত্য চৰ্চ্চা

পণ্ডিত গোস্বামী নিজেই কেৱল সংস্কৃত সাহিত্যৰ অমৃত ৰস আস্বাদনৰ দ্বাৰা, তুৰীয় জ্ঞান লাভ কৰিয়ে ক্ষান্ত থকা নাছিল, সেই অমৃত ৰস সাহিত্যপ্রেমী ৰাইজৰ মাজত বিলাই দিবলৈয়ো কৰিছিল আজীৱন চেষ্টা। জীৱনৰ শেহ ছোৱাত, বিভিন্ন ঠাইত সংস্কৃত টোল শিক্ষানুষ্ঠান আদিৰ সৈতে নিবিড় ভাবে জড়িত থাকি, কাব্য সাহিত্য ৰচনাৰে সংস্কৃত ভাষা-সাহিত্যৰ ভঁৰাললৈ তেওঁ যথেষ্ট অৰিহণা দি গৈছে। জীৱনৰ বিয়লি বেলাত গভীৰ দৰ্শনতত্ত্ব বিষয়ক কেবাখনিও অমূল্য গ্রন্থ তেওঁ ৰচনা কৰি থৈ গৈছে। পণ্ডিত গোস্বামীদেৱে লিখি থৈ যোৱা গ্রন্থ সমূহৰ থূলমূল পৰিচয় একোটি দাঙি ধৰা হ'ল।

জীৱেশ্বৰ তত্ত্বম: এই গ্রন্থখনিত পৰমাত্মাৰ লগত জীৱাত্মাৰ সম্পৰ্ক প্রশ্নোত্তৰ পদ্ধতিৰে সন্নিৱিষ্ট কৰা হৈছে। ইয়াত ষড়দৰ্শন আৰু বৌদ্ধ দৰ্শনৰ উদ্ধৃতি আছে। আৰু হিন্দুদৰ্শনৰ বিভিন্ন দিশৰ আলোচনা কৰা হৈছে।

মুমূর্ষ গাথা:–শ্রী শ্রী দামোদৰ দেৱৰ জীৱন দৰ্শনৰ ওপৰত লিখা ই এখন অভিনৱ গ্রন্থ। ইয়াত সৃষ্টি-চক্র, ৰক্ষণ, ধ্বংস, ভগবানৰ অস্তিত্ব, ভক্তি আৰু মুক্তিৰ প্রয়োজনীতা আদিৰ কথা খৰচি মাৰি আলোচনা কৰা হৈছে।

ভক্তি বিবেকৰ টীকা আৰু অনুবাদ:–প্রায় ৩৩৬ বছৰ আগতে দাৰ্শনিক পণ্ডিত বৈকুণ্ঠনাথ ভট্টাচাৰ্যই প্রণয়ন কৰা মূল 'ভক্তি বিবেক' গ্রন্থখনিৰ টীকা আৰু মুকলি অসমীয়া অনুবাদ ইয়াত সন্নিৱিষ্ট কৰা হৈছে আৰু ইয়াৰ গুৰুত্ব বুজাবৰ বাবে ভক্তি বিবেকৰ পৰিশিষ্টৰ পৰা প্রমাণ এই গ্রন্থত তুলি দিয়া হৈছে।

জ্যোতিষ চিন্তামণিঃ—জ্যোতিষ বিদ্যাৰ ওপৰত লিখা এখন অমূল্য গ্ৰন্থ। ইয়াত মানুহৰ ওপৰত গ্ৰহ-নক্ষত্ৰৰ প্ৰভাৱ বিতং ভাবে আলোচনা কৰা হৈছে আৰু মানুহৰ ভৱিষ্যত ভাগ্য-তথা ভাগ্য-বিপৰ্যয় আৰু জাতকৰ গৌৰৱণী প্ৰভৃত প্ৰকৃতিৰ জ্যোতিৰ্বিজ্ঞান সন্মত আলোচনা কৰা হৈছে। বিশেষকৈ হিন্দুৰ প্ৰাচীন জ্যোতিষ শাস্ত্ৰৰ শ্লোকবোৰৰ সহজ অনুবাদ ইয়াত দিয়া হৈছে।

নিত্য কৰ্ম পদ্ধতিঃ— হিন্দু ধৰ্মৰ শাস্ত্ৰীয় আৰু স্বাস্থ্যবিজ্ঞান সন্মত মানুহৰ দৈনন্দিন কৰ্মপদ্ধতিৰ বিষয়ে ইয়াত বহুতো কথা খৰচি মাৰি আলোচনা কৰা হৈছে আৰু সংস্কৃত শাস্ত্ৰৰ শ্লোকবোৰৰ অসমীয়া অনুবাদ দিয়া হেতুকে এই কিতাপখন বুজিবলৈ সহজ হৈছে। এই কিতাপখনৰ অৱয়ৱ প্ৰায় এশ পৃষ্ঠা।

মনোহৰ পদ্যমালাঃ—পাঁচশ সংস্কৃত শ্লোকত ৰচিত ই এখন মনোহৰ কাব্য। শ্লোকবোৰৰ সহজ সৰল অনুবাদ দিয়া হেতুকে গ্ৰন্থখনি পাঠকৰ কাৰণে সহজে বোধগম্য হৈছে।

হাস্যতৰঙ্গ নাটকঃ—পাঁচোটা অঙ্কৰ প্ৰায় এশ পৃষ্ঠাৰ ই এখন মিলনান্ত নাটক।

শব্দাৰ্থ বিচাৰ ঃ—বৰ্ণ আৰু শব্দৰ উৎপত্তিৰ বিচাৰ আৰু ইইঁতৰ ব্যৱহাৰ সম্পৰ্কে এই গ্ৰন্থত আলোচনা কৰা হৈছে। ইয়াত উল্লেখিত ব্যাখ্যা দৰ্শন বিজ্ঞান সন্মত।

এইবোৰৰ বাহিৰেও গোস্বামীদেৱে ৰচনা কৰা আৰু অনেক প্ৰবন্ধ-পাতি সিঁচৰিত হৈ আছে। কিন্তু দুঃখৰ বিষয় গোস্বামীদেৱৰ এইবোৰৰ কোনোখনেই আজিও পোহৰৰ মুখ নেদেখিলে।

গোস্বামী মানুহজন

পণ্ডিত হিচাপে গোস্বামীদেৱে আছিল যিদৰে অসামান্য, মানুহ হিচাপেও সেইদৰে আছিল তেওঁ অসাধাৰণ। জীৱনৰ অলেখ ধুমুহা, বাধা-বিঘিনিৰ মাজতো তেওঁ স্থিতপ্ৰজ্ঞৰ দৰে কাম কৰি গৈছিল ; আৰু নানান অভাৱ-অনাটনৰ মাজতো তেওঁ লৰা-ছোৱালীৰ শিক্ষা দীক্ষাত কোনো প্ৰকাৰৰ ত্ৰুটি কৰা নাছিল। গোস্বামী আছিল আশাবাদী। 'ভগবানে কিবা উপায় দিব'—এই অতল বিশ্বাসেৰে আজীৱন তেওঁ কাম কৰি গৈছিল। কৰ্মফলৰ প্ৰতি আছিল তেওঁ সদায় নিস্পৃহ। কৰ্তব্য আছিল তেওঁৰ জীৱনৰ ব্ৰত। টোলৰ সামান্য আয় আৰু 'যাগ-যজ্ঞ'ৰ পৰা পোৱা যৎ কিঞ্চিৎ ধনেৰেই তেওঁ নিজৰ পৰিয়ালক পোহ পাল দিয়াৰ উপৰি কেনেকৈ যে ল'ৰা-ছোৱালী কেইটাক কলেজ বিশ্ববিদ্যালয়ত পঢ়ুৱালে সেইটো ভাবিলে আচৰিত হব লাগে। গোস্বামীৰ জীৱন কাহিনীয়ে আশা দিয়ে যে মানুহে নিষ্ঠাবান, কৰ্তব্যপৰায়ণ, ধৰ্মপ্ৰাণ হৈ ভগবানত অচলা ভক্তিৰে কাম কৰি গলে ভগবানে সকলো সমস্যাৰ পৰা মানুহক উদ্ধাৰ কৰে।

পণ্ডিত গোস্বামীৰ জীৱন দৰ্শন পৰ্য্যালোচনা কৰিলে দেখা যায় যে গীতাৰ শিক্ষাই আছিল তেওঁৰ মূলমন্ত্ৰ। গীতাৰ সাৰ্বভৌম ধৰ্মোপদেশ সাৰোগত কৰি কৰ্মময় জীৱনৰ সকলো ক্ষেত্ৰত তেওঁ আগবাঢ়ি গৈ আছিল। বিৰাট ৰাজহুৱা সভা, ধৰ্মসভা, যজ্ঞ-মহাযজ্ঞ আদি অনুষ্ঠানত পৌৰহিত্য কৰি গীতাৰ ব্যাখ্যাৰে তেওঁ কৈছিল—"গীতা কোনো সম্প্ৰদায় বিশেষৰ ধৰ্ম গ্ৰন্থ নহয়। ই হৈছে মানৱ-ধৰ্ম গ্ৰন্থ। গীতাৰ সাৰ্বভৌম ধৰ্মোপদেশ জাতিধৰ্ম—নিৰ্বিশেষে সকলোৱে গ্ৰহণ কৰিব পাৰে। জগতৰ মানৱ মাত্ৰেই জাতিধৰ্ম নিৰ্বিশেষে এই ধৰ্মোপদেশ গ্ৰহণ কৰিব পাৰে। কাৰণ গীতাৰ (১) ধৰ্মত উদাৰতা, (২) কৰ্মত নিষ্কামতা (৩) জ্ঞানত ব্ৰহ্ম-সত্তাৰ অৰ্থাৎ সৰ্বভূতত ভগৱদ্ভাৱ, (৪) যোগ অৰ্থাৎ ধ্যানৰ দ্বাৰা চিত্ত সংযোগ, (৫) ভক্তিত ভগৱৎ

শৰনাগতি, (৬) নীতিত সাম্যবুদ্ধি, (৭) উপাসনাত ভগবৎ কৰ্ম জীৱসেৱা—স্বধৰ্ম পালন আৰু (৮) সাধনাত ত্যাগ অনুশীলনেই গীতাৰ ধৰ্ম উপদেশ।"

সংস্কৃত ভাষা সাহিত্য চৰ্চাই আছিল তেওঁৰ সাধনা। বৈদিক সংস্কৃতিত তেওঁ বিচাৰি পাইছিল ভাৰতীয় জীৱন ধাৰাৰ মূল সূত্ৰ। ভাগবৎ পাঠ আৰু বেদ শ্লোক আবৃত্তিত তেওঁ আছিল অতি সুনিপুন। ভাগৱত শ্লোকৰ শুদ্ধ উচ্চাৰণ আৰু ভাগৱত পাঠৰ সুৱলা আবৃত্তিয়ে শ্ৰান্ত ক্লান্ত পথিককো আকৰ্ষণ কৰিব পাৰিছিল। এই বিদগ্ধ পণ্ডিতৰ মন্দাক্ৰান্তাৰ গতি-ছন্দৰ আবৃত্তিত শ্ৰোতাবৃন্দ মুগ্ধ হৈছিল। এনে এগৰাকী ধৰ্ম শাস্ত্ৰ বিশাৰদ পণ্ডিতলৈ যাগ-যজ্ঞ, ধৰ্মোৎসৱ আদিত পৌৰহিত্য কৰিবলৈ তেতিয়াৰ দিনৰ জলপাইগুৰি, কোচবিহাৰ আদিৰ পৰাও নিমন্ত্ৰণ আহিছিল। বিজনী ৰজাৰ আমন্ত্ৰণ ক্ৰমে তেওঁ বছৰি এবাৰকৈ বিজনী ৰাজসভাত অনুষ্ঠিত মাঙ্গলিক ধৰ্মসভাত ভাগৱত পাঠ কৰি ৰাজসন্মান পাই আছিল। ৰাজহুৱা সভা সমিতি আৰু ধৰ্মসভাত এই পণ্ডিত গৰাকীয়ে ভাষণ দিওতে সামাজিক সমস্যা সমাধান কৰাত প্ৰায় গুৰুত্ব দিছিল। তৰ্ক সভাত প্ৰত্যুৎপন্নমতি আৰু বাগ্মিতাত তেওঁ আছিল অদ্বিতীয়। মধ্য কামৰূপ ব্ৰাহ্মণ সমাজৰ গোস্বামী দেৱ আছিল কৰ্ণধাৰ স্বৰূপ। বৈদিক কৰ্মানুষ্ঠানৰ ক্ৰিয়া পদ্ধতিত এই পণ্ডিতজনাৰ আছিল বিশেষ ব্যুৎপত্তি।

পণ্ডিত প্ৰবৰ জীবেশ্বৰ গোস্বামীৰ জীৱন দৰ্শনৰ মূল্য লক্ষ্য আছিল—সচ্চিদানন্দ ভগৱানত প্ৰাধান্য দি গোস্বামীয়ে জীৱন দৰ্শনৰ বৈতৰণীত ত্ৰিধাৰ সৃষ্টি কৰি শান্তিৰ সুগম পথ নিৰ্মাণ কৰিছিল। জ্ঞানৰ দ্বাৰা সৰ্বভূতত সমদৰ্শী, প্ৰেমৰ ক্ষেত্ৰত সৰ্বভূতত প্ৰীতিমান আৰু কৰ্মত সৰ্বভূতৰ হিত সাধনত ৰত হৈ, আজীৱন জ্ঞান প্ৰেম আৰু কৰ্মৰ ত্ৰিবেণীসঙ্গমত অবগাহন কৰি পাইছিল তেওঁ পৰম শান্তি।

১৯৬০ খ্ৰীষ্টাব্দৰ আঠ জুন তাৰিখে অসম মাতৃৰ সুসন্তান, এইজনা মহান পুৰুষৰ পৰলোক প্ৰাপ্তি ঘটে।ooo

শিক্ষাবিদ উমাকান্ত গোস্বামী

ৰমেশ চন্দ্ৰ কলিতা

১৮৯৫ খ্ৰীষ্টাব্দৰ শাওন মাহৰ মাথো উনৈশটা দিন বাগৰিছে। কৃষ্ণ তাৰিখৰ নিশা ভাগত উত্তৰষাড়া নক্ষত্ৰৰ এটি শুভক্ষণ। বাৰটো আছিল ৰবিবাৰ। তেতিয়া নিশাৰ আঠ দণ্ড পাৰ হৈছে। পৰিয়ালটো এটা ঔৎসুক্যৰ খেলিমেলিত। আটায়ে কিবা এটাৰ প্ৰতিক্ষাত চাওঁতে চাওঁতে ভূমিষ্ঠ হ'ল এটি জীৱন্ত কুসুম। লগে লগে আনন্দ উল্লাসত ঘৰখন ৰজনজনাই গ'ল। নৱা সন্তান, আকৌ পিৰিহঁতৰ প্ৰথম পো। পৰিয়ালটো হ'ল এটা সম্ভ্ৰান্ত গোসাঁই পৰিয়াল। কামৰূপ জিলাৰ দক্ষিণ পাৰৰ সৰু গাওঁখনত এই পৰিয়ালটিয়ে মান ভাগুনিৰ দিনৰ পৰাই বসবাস কৰি আহিছে। বহুতে কয় তেওঁলোকক কেন্দ্ৰ কৰিয়ে গাওঁখন প্ৰসাৰিত হৈছিল। গাওঁখন আমৰজা পলাশবাৰীৰ নিকটবৰ্তী।

স্বৰ্গীয় ৰঘুকান্ত গোস্বামী আছিল এজন নৈষ্ঠিক ধৰ্মগুৰু। তেখেতৰ পূৰ্বপুৰুষ আছিল শ্ৰী সন্তদেৱ। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰিবলৈ তেখেতক দামোদৰদেৱে গোনপটিয়াকে আজ্ঞা কৰিছিল। তেখেত আছিল মহাপুৰুষ দামোদৰদেৱৰ পত্তা দ্বিতীয়জনা ধৰ্মাধিকাৰ। ব্ৰহ্মপুত্ৰৰ দক্ষিণকূলত বৈষ্ণৱ ধৰ্ম বিলোৱাৰ গুৰুভাৰ বহন কৰি তেখেতে সত্ৰ পাতি লৈছিল গৰৈমাৰিত। দিনৰ পাছত দিন বাগৰে, সময়ো একে নাথাকে। হঠাতে কালৰ ঊৰ্মিয়ে অসমত প্ৰলয়ৰ সৃষ্টি কৰিলে। গৃহ- বিবাদত সুলকি পৰা আহোম স্বৰ্গদেউৰ মহগড়ৰ বণত মানৰ হাতত পৰাজয় হ'ল। ৰাজশক্তি পতনৰ লগে লগে মান সেনাই প্ৰজা উৎপীড়ন কৰি আনন্দৰ কিৰিলি মাৰিলে–"দেশত অনেক দুৰ্গতি হ'ল। ধনীলোকক ধৰি বলপূৰ্বক সৰ্বস্ব আগ্ৰাহি লৈ যুৱতী স্ত্ৰী সকলক হাটে ঘাটে বাটে পালেই বলেৰে সতীত্ব নষ্ট কৰি কতো কতো স্ত্ৰী কৰিয়ে ৰাখিলে। আৰু গৃহস্থৰ ঘৰ সোমাই বলেৰে কতো লৈয়ে যায়। এই সকল দৌৰাত্ম্য সহ্য কৰিব নোৱাৰি অনেক ভাল মানুহ প্ৰজাবন্ধু সকলোকে পৰিত্যাগ কৰি স্থান স্থানান্তৰৰ ভাটী বৰ্দ্ধামপাৰ, ৰংপুৰ জিলা ও গোৱালপাৰা প্ৰভৃতি স্থানে সপৰিবাৰে পলাই গল। যি সকল দেশতে আছিল, সেই সকলো দিবসত হাবিও পৰ্বত নিবিড় স্থানে থাকি ৰাত্ৰি হলে ঘৰলৈ আহে, ও কোনো সকলে দিনে ৰাতিয়ে পলাই হাবিও পৰ্বতে আছিল।" স্বৰ্গীয় শ্ৰী সন্তদেৱৰ বংশধৰ সকলে, এনে বিপৰ্যয়ৰ পৰা নিজক ৰক্ষা কৰিবলৈ গৰৈমাৰীৰ পৰা চিৰ বিদায় ললে। স্থানে স্থানে ব্ৰহ্মপুত্ৰৰ পাদদেশলৈ চাপি অহা তেতিয়াৰ কিমান বনভূমি আছিল, মনুষ্য কি দেৱৰো দুৰ্লভ। মান শত্ৰুৰ চকুত ধূলি মাৰিবলৈ তাতেই আত্মগোপন কৰি থাকি সন্তদেৱৰ বংশধৰ স্বৰ্গীয় গৌৰীকান্ত গোস্বামীয়ে আমৰজাকেই 'মোৰ' বুলি কলে। পূৰ্বৰ ঐতিহ্য ৰাখি গুৰুৰে ধৰ্ম বিলোৱাৰ অৰ্থে আমৰজাতেই সত্ৰ পাতি শ্ৰী শ্ৰী গোপীনাথৰ আসন প্ৰতিষ্ঠা কৰিলে। দুৰ্যোগ আঁতৰিল, বহুতো বাগৰিল। পৰিয়ালটোত আৰু এটি পুৰুষ পাৰ হ'ল, নাম বিষ্ণুকান্ত। তেওঁৰেই পুত্ৰ স্বৰ্গীয় ৰঘুকান্ত গোস্বামী। মহাপুৰুষ দামোদৰদেৱৰ

আভাৱে বৈষ্ণৱ ধৰ্ম বিলাই অহা তেওঁৰ পূৰ্বপুৰুষ সকলৰ নিচিনাকৈয়ে স্বৰ্গীয় বসুকান্ত গোস্বামীয়েও ধৰ্মকেই বিলালে। সহধৰ্মিণী হিচাপে তেখেতে গ্ৰহণ কৰিলে স্বৰ্গীয় সিদ্ধেশ্বৰী দেৱীক। হাজি গাওঁৰ এটি গোঁসাই পৰিয়ালৰে জীয়াৰী তেওঁ। তেওঁৰ গৰ্ভতে জন্ম হয় সেই নৱজাত শিশুটিৰ। পিতৃ বসুকান্ত গোস্বামীৰ উলাহত ঠাই নাই। গণনা কৰি শিশুটিৰ নাম ৰাখিলে উমাকান্ত গোস্বামী।

প্ৰেৰণাৰ উৎসঃ

উমাকান্ত পৰিয়ালৰ হয় আৰু আদৰৰ মাজেৰেই কেচুৱাৰ পৰা বালক হল। সু শিক্ষা দিয়াৰ বাবে পিতৃৰ মন ব্যাকুল হ'ল। গো, গো, লো কেনে চিনে ? গো উমাকান্তকো চিনিব পৰা নাছিল যে এদিন তেঁৱেই ছাত্ৰ সমাজৰ প্ৰেৰণাৰ উৎস হৈ জিলিকি ৰব। বালক উমাকান্তৰ ছাত্ৰ জীৱনৰ পাতনি মেলা ছুবুৰীয়া গাওঁ হেৰামদৈৰ প্ৰাইমাৰী স্কুলত। তাতেই উমাকান্তৰ প্ৰতিভাৰ পদুমপাহি মেল খালে। চৰকাৰী বৃত্তি লাভ কৰি এইবাৰ শিক্ষা ললে পলাশবাৰীৰ উচ্চ প্ৰাইমাৰী স্কুলত। শিক্ষাৰ অন্তত তাতো তেখেতে বৃত্তি লাভ কৰিলে। ১৯০৯ খ্ৰীষ্টাব্দত এইবাৰ তেখেতে পলাশবাৰী এম ই স্কুলৰ পৰাই এম, ই পৰীক্ষা দিলে। যি মূলা বাঢ়িব তাৰ দুপাততে চিন। এইবাৰ তেখেত অসম উপত্যকাৰ ভিতৰতে প্ৰথম স্থান লাভ কৰি বৃত্তি পোৱাৰ লগতে 'খগেন্দ্ৰ নাৰায়ণ' ৰূপৰ পদক লাভ কৰিলে। উচ্চ শিক্ষাৰ বাবে উমাকান্তই গুৱাহাটীলৈ আহি কলেজিয়েট হাইস্কুলত শিক্ষা গ্ৰহণ কৰিলে। তাত দশম মান শ্ৰেণীত পঢ়ি থকা অৱস্থাতে অসমীয়া ৰচনা প্ৰতিযোগিতা এখনত প্ৰথম স্থান লাভ কৰি 'দত্তদেৱ গোস্বামী' সোণৰ পদক লাভ কৰিলে। ১৯১৪ খ্ৰীষ্টাব্দত তেখেতে মেট্ৰিকুলেচন পৰীক্ষা দি অসম উপত্যকাৰ ভিতৰতে প্ৰথম হৈ তাতো বৃত্তি লাভ কৰিলে। অকল বৃত্তিয়ে নহয়, উক্ত পৰীক্ষাত পোৱা বিভিন্ন বিষয়ৰ নম্বৰৰ ভেটিত আগবঢ়োৱা প্ৰতিযোগিতামূলক পুৰস্কাৰ যেনে (১) খগেন্দ্ৰ নাৰায়ণ সোণৰ পদক, (২) হেমৰৰ বৰুৱা ৰূপৰ পদক, (৩) হেমচন্দ্ৰ বৰুৱা ৰূপৰ পদক আৰু (৪) দত্তদেৱ গোস্বামী সোণৰ পদকো তেখেতে লাভ কৰিলে। ইয়াৰ পাছত তেখেতৰ কলেজীয়া শিক্ষা আৰম্ভ হ'ল গুৱাহাটীৰ কটন কলেজত। ১৯১৬ খ্ৰীঃত গোস্বামীয়ে আই, এ পৰীক্ষা দিয়ে আৰু এই পৰীক্ষাতো কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰতে অষ্টম স্থান অধিকাৰ কৰি বৃত্তি লাভ কৰে। ইয়াতে তেখেতে অসমীয়া ছাত্ৰৰ ভিতৰত প্ৰথম হৈছিল আৰু তাৰ বাবে 'দিগৰত মেধি' নামৰ ৰূপৰ পদকো লাভ কৰিবলৈ সমৰ্থ হৈছিল। ১৯১৮ খ্ৰীঃত গোস্বামীয়ে অৰ্থনীতি বিভাগত সন্মান সহ বি, এ পৰীক্ষা দিয়ে আৰু বিশ্ববিদ্যালয়ৰ ভিতৰতে তৃতীয় হৈ বৃত্তি লাভ কৰে। ইয়াৰ পাছত গোস্বামীয়ে কলিকতাৰ প্ৰেচিডেন্সি কলেজত এম, এ মহলাৰ অৰ্থনীতি বিভাগত শিক্ষা গ্ৰহণ কৰে আৰু ১৯২০ খ্ৰীঃত শেষ পৰীক্ষা দি 'খ' শাখাৰ ভিতৰতে প্ৰথম হৈ কৃতকাৰ্য হয় আৰু ইয়াৰ বাবে বিশ্ববিদ্যালয়ৰ পৰা আগবঢ়োৱা সোণৰ পদক সহ আন আন পুৰস্কাৰবো পৰাকী হয়। ছাত্ৰ জীৱনত স্বৰ্গীয় উমাকান্ত গোস্বামীয়ে খ্যাতিপূৰ্ণ ফলাফল লাভ কৰিবলৈ সমৰ্থ হৈছিল তাৰ উদাহৰণ বিৰল। প্ৰাইমাৰী পৰীক্ষাৰ পৰা উচ্চতৰ স্নাতকোত্তৰ মহলালৈকে অৱতীৰ্ণ হৱ লগা সকলো পৰীক্ষাতে একেৰাহে শীৰ্ষ স্থানৰ বৃত্তি লৈ আগবাঢ়ি যাব পৰাটো কম কৃতিত্বৰ কথা নহয়। গোস্বামীদেৱে এই ক্ষেত্ৰত দেখুৱা আদৰ্শৰ বাবে সকলো ছাত্ৰৰ প্ৰতি প্ৰেৰণা আৰু আদৰ্শৰ উৎস হৈ জিলিকি ৰব।

স্বৰ্গীয় গোস্বামীদেৱৰ কৰ্মজীৱন আৰম্ভ হয় গুৱাহাটীৰ কটন কলেজত। ১৯২১ খ্ৰীষ্টাব্দৰ ২০ জুলাইৰ দিনা তেওঁ লোন প্ৰথম অধ্যাপনাৰ কাম আৰম্ভ কৰে। কিন্তু তাৰ দুবছৰৰ পিছতেই ১৯২৩ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত তেখেতে কাম বাদ দি আইন পঢ়িবলৈ লয়। আইনৰ অৰ্হতাই তেখেতক স্বাধীন ওকালতি ব্যৱসায়লৈ টানি নিছিল যদিও তেখেতৰ শিক্ষাৰ প্ৰতি থকা অনুৰাগেই জীৱনৰ কৰ্মচক্ৰ নিয়ন্ত্ৰণ কৰাত জয়ী হৈছিল। সেয়েহে তেখেতে ওকালতি কৰাৰ লগতেই কটন কলেজতে আংশিক হিচাপে ১৯২৫-২৬ খ্ৰীঃত অধ্যাপনাৰ কামো কৰিছিল। কিছুদিন ওকালতি কৰাৰ পিছত আইন ব্যৱসায় তেখেতে একেবাৰে এৰি দিলে আৰু ১৯২৬ খ্ৰীঃৰ জুলাই মাহত শ্ৰী হট্টৰ মুৰাৰি চান্দ কলেজৰ সমাজ আৰু অৰ্থনীতি বিভাগৰ প্ৰধান অধ্যাপক হিচাবে কাৰ্যভাৰ লৈ চাপনি মেলিলে। তাত তেখেতে ১৯৩৭ খ্ৰীষ্টাব্দৰ তেখেতে কটন কলেজতে উপাধ্যক্ষৰ পদ লাভ কৰিছিল আৰু পিছত তেখেতে কিছুদিন অধ্যক্ষ হিচাপেও কাম কৰিছিল। সৰ্বশেষত ১৯৪১ খ্ৰীষ্টাব্দৰ ১৭ জানুৱাৰীৰ পৰা তেখেতে অসমৰ শিক্ষা বিভাগৰ সঞ্চালক হিচাপে নিযুক্তি পায় আৰু সেই কামৰ পৰাই তেখেতে চাকৰী জীৱনৰ অৱসৰ গ্ৰহণ কৰে।

সামাজিক জীৱন :

স্বৰ্গীয় উমাকান্ত গোস্বামীৰ সাংসাৰিক জীৱন সুখৰ হলেও একেবাৰে বিপৰ্যয় শূন্য নাছিল। তেখেতে প্ৰথমে সহধৰ্মিনী হিচাপে গ্ৰহণ কৰিছিল অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাতা সম্পাদক নলবাৰীৰ স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰথমা কন্যা প্ৰতিভা দেৱীক। কিন্তু প্ৰতিভাৰ জীৱন দীৰ্ঘজীৱী নহল। এটি লৰা সন্তান আৰু এগৰাকী কন্যা এৰি থৈ ১৯৩২ খ্ৰীষ্টাব্দতে তেখেত স্বৰ্গী হয়। স্বৰ্গীয় প্ৰতিভাই প্ৰতিভাৰ চিন স্বৰূপে 'ডন কুইক চোট' নামৰ শিশু সাহিত্য এখনি অসমীয়া সাহিত্যৰ ভঁৰাললৈ থৈ যায়। প্ৰথমা পত্নীৰ মৃত্যুৰ এবছৰ পাছতেই স্বৰ্গীয় গোস্বামীয়ে দ্বিতীয়বাৰ বিবাহ পাশত আবদ্ধ হব লগা হৈছিল। তেখেতৰ দ্বিতীয় পত্নী অসমীয়া লোক সাহিত্যৰ মণি মাণিক স্বৰূপ জোনবাইৰ গীত, লৰা-ছোৱালী নচুৱা গীত, যুজতি বোৱাৰ গীত, খেলৰ গীত পৰবীয়া গীত, জুই কুওৱা গীত, মলাশীৰ গীত, ভাঘোল ঢোলৰ গীত, শাত্তীবাৰমাহীৰ গীত আদিৰে সমৃদ্ধ "সুৱাগমণি" নামৰ পুথিৰ সংগ্ৰাহিকা আৰু প্ৰকাশিকা শ্ৰী যুতা অম্বিকা দেৱী গোস্বামী। শ্ৰী যুতা গোস্বামী অসম বুৰঞ্জী শিক্ষক স্বৰ্গীয় কাশীনাথ তামুলী ফুকনৰ পুত্ৰ ডিব্ৰুগড়ৰ স্বৰ্গীয় দুৰ্গানাথ ফুকনৰ চতুৰ্থা কন্যা।

সাংসাৰিক বিষয় পাশত আবদ্ধ থাকিও শিক্ষাবিদ গোস্বামীদেৱ সামাজিক তথা জাতীয় সমস্যা সমূহৰ লগত চৰকাৰী বা বে-চৰকাৰী ভাবে জড়িত হৈ আছিল। ১৯২৫ খ্ৰীঃত তেখেতে জাতীয় অৰ্থনীতিৰ পৰিপ্ৰেক্ষিতত কলিকতাত বহা ভাৰতীয় অৰ্থনীতি অনুসন্ধান সমিতিত সাক্ষ্য দিবলৈ অসম চৰকাৰৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। তেখেতে দিয়া সাক্ষ্যৰ নকল কমিটীৰ টোকাৰ প্ৰথম অংশতে প্ৰকাশ পাইছিল। তেখেত আৰ্তৰত থাকিলেও অসমীয়াৰ সমস্যাৰ প্ৰতি উদাসীন নাছিল। তেখেতৰ কাৰ্য্যকালৰ অতি কম দিনৰ ভিতৰতে কৰ্তব্যৰ আহ্বানত তেখেতে অসমীয়া সমাজক এৰি শ্ৰীহট্টলৈ যাব লগা হয়। তাতেই তেখেতৰ প্ৰথম পত্নীৰ বিয়োগ ঘটে। বৃটিছ চৰকাৰৰ অধীনত চাকৰি কৰিও অসমৰ স্বাৰ্থৰ বাবে তেখেতে চৰকাৰৰ ওচৰত যুক্তি দৰ্শাই মাত মাতিছিল আৰু চৰকাৰী শাসন যন্ত্ৰত যাতে অসমীয়া লোকৰ প্ৰতিনিধিত্ব বাঢ়ে তাৰ বাবে তেখেতে যত্ন কৰিছিল। লগতে ভিৰোতাৰ

ভোটাধিকাৰ হোৱা আৰু গাওঁ আৰু নগৰৰ লোকৰ ভোটাধিকাৰত থকা সুবিধাৰ বৈষম্য আদি আতৰোৱাৰ সন্দৰ্ভত অকল মাত মাতিয়ে এৰা নাছিল, নিজেই আঁচনি প্ৰস্তুত কৰি তাৰ যোগেদি সংস্কাৰ সাধন কৰাৰ অৰ্থে ১৯৩২ খ্ৰীষ্টাব্দত অসম ফ্ৰেন্সাইচ কমিটীৰ ছেক্ৰেটাৰীৰ ওচৰত সেইখন দাখিল কৰিছিল। তাত স্পষ্ট ভাবে তেখেতে কৈছিল–"I am in favour of increasing the women's electorate. I however, hope that under the Schme proposed by me this disparity between urban and rural representative will ultimatly disappear. Adult Sufrage is my final goal and I have already envisaged a scheme which will ultimately lead to that." (4 Feb. 1932) অসমৰ নিবনুৱা সমস্যা সমাধানৰ বাবেও গোস্বামীয়ে গভীৰ ভাবে চিন্তা কৰিছিল। তেখেতে এই বিষয়ত বৈজ্ঞানিক ভাবে বিশ্লেষণ কৰি সেইসময়ৰ নিবনুৱা অনুসন্ধান সমিতিৰ সম্পাদকলৈ আৱশ্যকীয় ব্যৱস্থাৰ বাবে লিখিত পৰামৰ্শ আগবঢ়াইছিল। গোস্বামীদেৱে ১৯৩৪ খ্ৰীষ্টাব্দতে দিয়া পৰামৰ্শ সমূহৰ যোগেদি অসমত শিল্প প্ৰশিক্ষণ কেন্দ্ৰ কিছুমান গঢ়ি তুলিবলৈ দিছিল আৰু তাত শিল্প, কাঁহ শিল্প, চাবোন কৰা, পাচি-খৰাহি কৰা শিল্প আৰু দাঁতৰ কাম, নাওঁ সজা, পুতলা সজা আদি উনত্ৰিশটা শিল্পৰ সম্প্ৰসাৰণত গুৰুত্ব দিবলৈ আহ্বান জনাইছিল। চহৰমুখী নহৈ শিল্প আৰু কৃষিৰ প্ৰতি যাতে লৰা-ছোৱালীৰ মন ঘূৰে, তাৰ বাবে তেতিয়াৰ এম ভি আৰু প্ৰাইমাৰী স্কুলৰ পাঠ্যপুথিতে শিল্প আৰু কৃষি বিষয়ক পাঠ সন্নিবিষ্ট কৰিবলৈও তেখেতে পৰামৰ্শ আগবঢ়াইছিল।

স্বৰ্গীয় গোস্বামীয়ে ১৯৩৭ খ্ৰীষ্টাব্দত গুৱাহাটীত বহা অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সমাজ আৰু অৰ্থনীতি শাখাৰ সভাপতি মনোনীত হৈছিল। ভাষণত তেখেতে তেতিয়াই অসমীয়া ভাষাত অৰ্থনীতি, ৰাজনীতি আদিৰ পুথি প্ৰণয়নত গুৰুত্ব আৰোপ কৰিছিল। অসমৰ স্থায়ী উন্নতিৰ বাবে তেখেতে চিন্তা কৰিছিল আৰু ইয়াৰ বাবে অভিভাষণত অৰ্থপূৰ্ণ কেতবোৰ বহুমূলীয়া পৰামৰ্শ তেতিয়াঃ আগবঢ়াইছিল। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল : (১) তেতিয়াই বসবাস কৰি থকা অনা অসমীয়া লোক সকলৰ লগত মিলাপ্ৰীতিৰে থকা (২) তেতিয়াৰ পৰা অসমৰ বাহিৰৰ লোকৰ অবাধ আগমন বন্ধ কৰা আৰু (৩) বিশেষ কাৰণ বশতঃ আহিব লগা লোকবো আৰ্থিক স্বচ্ছলতা আৰু চাৰিত্ৰিক প্ৰমাণপত্ৰ সাপেক্ষেহে আহিব দিয়া। তেখেতে বিশ্বাস কৰিছিল যে জাতীয় ঐক্য আনিবলৈ হলে অসমত বাস কৰা বনুৱা, নেপালী, মৈমনসিঙিয়া আদি জাতৰ মাজত অসমীয়া ভাষা প্ৰচলন হব লাগিব। তেখেতে এই মন্তব্য দাঙি ধৰিছিল বৰনগৰ সাহিত্য সভাৰ বছৰেকীয়া অধিৱেশনৰ সভাপতিৰ ভাষণ হিচাপে। গোস্বামীয়ে সংস্কৃত ভাষা চৰ্চ্চাৰ ওপৰত গুৰুত্ব দিছিল। "সংস্কৃত ভাষা ভাৰতৰ একতাৰ ধৰণী স্বৰূপ"–১৯৫২ খ্ৰীষ্টাব্দৰ ৩০ৰ ডিচেম্বৰত গুৱাহাটীত বহা অসম সংস্কৃত সমিতিৰ অষ্টাদশ বাৰ্ষিক অধিবেশন আৰু সমাবৰ্ত্তনোৎসৱৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে তেখেতে এনে মন্তব্য প্ৰকাশ কৰিছিল। প্ৰাচীন ভাৰতৰ তক্ষশীলা, উজ্জয়িনী, নালন্দা, কাশী, বল্লভী, অমৰাৱতী, অজন্তা, মাদুৰা, বিক্ৰমশীলা আদি প্ৰসিদ্ধ বিশ্ববিদ্যালয়সমূহ গঢ়ি উঠাৰ মূল ভেটি স্বৰূপ সংস্কৃতটোল আৰু চতুষ্পাঠীবোৰৰ পুনৰ বিকাশৰ ওপৰতো তেখেতে অভিভাষণত গুৰুত্ব দিছিল। এসময়ৰ অসমৰ শ্ৰীহট্টত থকা একমাত্ৰ সংস্কৃত

কলেজখনৰ বহুমূলীয়া সংস্কৃত গ্ৰন্থৰে ভৰপূৰ লাইব্ৰেৰীটো পাকিস্থানলৈ যোৱাত আৰু গ্ৰন্থবোৰ অসমলৈ অনাৰ বাবে প্ৰচেষ্টা নোহোৱাত তেখেতে আক্ষেপ কৰি অভিভাষণত কৈছিল "মুঠতে সেই পুথিভড়ালটো নষ্ট হ'ল। মিচৰৰ আলেকজেণ্ড্ৰিয়া নগৰৰ পুথি ভড়ালটো নষ্ট হোৱাৰ কথা আমি ইতিহাসত পাওঁ। অসমৰ দৰে দুখীয়া দেশৰ বাবে সংস্কৃত কলেজৰ পুথি ভড়ালটো লোপ পোৱা কথাটোও তেনেকুৱা যেন লাগে।"

অসমীয়া সাহিত্যলৈ গোস্বামীৰ বৰঙণি সংখ্যাত বেছি নহলেও তেখেতে যি দান দি গৈছে, তাৰ বাবে অসমীয়া সাহিত্যৰ ক্ষেত্ৰত স্থায়ী আসন এখন চিৰদিন তেখেতৰ কাৰণে থাকিব। 'সমবায়' নামৰ গ্ৰন্থখন তেখেতৰ এক বহুমূলীয়া অবদান। গ্ৰন্থখন ১৯৪১ খ্ৰীষ্টাব্দতে লিখি প্ৰকাশ কৰিছিল। ভাৰতত সমবায় সম্পূৰ্ণৰূপে প্ৰচাৰ হলেহে ভাৰতীয় কৃষকৰ এটা উজ্জ্বল ভবিষ্যত আহিব বুলি আশা কৰি তেখেতে সমবায় নামৰ গ্ৰন্থখন লিখি প্ৰকাশ কৰে। পাতনিত তেখেতে "আমাৰ দেশৰ যিসকল মানুহৰ বাবে সমবায় সমিতিৰ বিশেষ দৰকাৰ তেওঁলোকক এটা সাধাৰণ আভাষ দিবৰ উদ্দেশ্যতহে ইয়াক লিখা হৈছে" বুলি উল্লেখ কৰিছে যদিও সমবায় বিষয়ক সামগ্ৰিক আলোচনাই গ্ৰন্থখনত সন্নিবিষ্ট কৰিছে। গ্ৰন্থখনিৰ চাৰিটা অংশৰ মুঠ বাৰটা অধ্যায়ত (১) সমবায় আন্দোলন আৰু উৎপত্তি, (২) সমবায় সমিতি, (৩) দেশ বিদেশৰ সমবায়, (৪) ভাৰতৰ আৰ্থিক সমস্যা, (৫) ভাৰতত সমবায় আন্দোলন, (৬) সমবায় সংগঠন, (৭) প্ৰাথমিক সমবায়, (৮) কেন্দ্ৰীয় সমিতি, (৯) সমবায় সম্বন্ধে কেইটিমান বিশেষ কথা, (১০) সমবায় শিক্ষা, (১১) অসমত সমবায় আৰু (১২) পৰিচালনা শিৰোনামাৰে সমবায় বিষয়ক প্ৰায় সকলো দিশকে সামৰি লৈছে।

ইয়াৰ উপৰিও কেইবাখনো গ্ৰন্থত গোস্বামীদেৱৰ ভূমিকা আছে। তেখেতে লিখা এই ভূমিকাবোৰৰো সাহিত্যিক মূল্য নুই কৰিব নোৱাৰি। বেৰেঙ্গিয়াৰ স্বৰ্গীয় কনক চন্দ্ৰ শৰ্মা কাব্যতীৰ্থই সম্পাদনা কৰি উলিওৱা কবিৰাজ মাধৱ কন্দলি বিৰচিত ৰামায়ণখনত গোস্বামীয়ে এটি সুচিন্তিত ভূমিকা লিখিছিল। এই ভূমিকাত মাধৱকন্দলি, অনন্ত কন্দলি, বৰাহী ৰজা মহামাণিক্য আদিৰ আলোচনাৰ লগতে মাধৱকন্দলি ৰামায়ণ তথা অসমীয়া ৰামায়ণ সাহিত্যৰ ওপৰতো আলোচনা এটা দাঙি ধৰিছে। কমলপুৰৰ কাশীনাথ বৰ্মণৰ দ্বাৰা ৰচিত 'নাৰী বন্ধু' নামৰ গ্ৰন্থখনতো গোস্বামীয়ে ভূমিকা এখন লিখে। ভূমিকাখন তেখেত শ্ৰীহট্টত থকা কালতে ১৯৩২ খ্ৰীষ্টাব্দত লিখা। তেতিয়াই তেখেতে অসমত নাৰীজাগৰণৰ এটা আহ্বান জনাই ভূমিকা লিখিছিল-"ভাৰতৰ এচুকত থকা আমাৰ অসমতো নাৰী আন্দোলনে প্ৰকৃত মঙ্গলৰূপে আহি এদিন দেখা দিব।" অসম সাহিত্য সভাৰ অধিবেশনৰ সমাজ আৰু অৰ্থনীতি শাখাৰ সভাপতি হিচাপে তেখেতে দিয়া বত্ৰিশ পৃষ্ঠাৰ ভাষণখন অসমীয়া সাহিত্যলৈ এক বিশেষ বৰঙণি। তেখেতে লিখা বহুকেইটা প্ৰবন্ধ, অনুবাদ সাহিত্য, অভিভাষণ চৰিত আদি এতিয়াও অপ্ৰকাশিত ভাবে তেখেতৰ উত্তৰাধিকাৰীৰ হাতত আছে। ইয়াৰ ভিতৰত 'স্বৰ্ণনাৰায়ণ সিংহ', পুৰণি অসম বুৰঞ্জীৰ অসমীয়া অনুবাদ। ইয়াত আহোম স্বৰ্গদেউ সকলৰ পূৰ্ব পুৰুষৰ বৃত্তান্তৰ পৰা গদাধৰ সিংহলৈকে হোৱা ঘটনা সন্নিবিষ্ট আছে। বুৰঞ্জীখন ২১৬ পৃষ্ঠাৰ, লগত সাত পৃষ্ঠাৰ এটা ভূমিকা। সম্পূৰ্ণ হৈ থকা ইংৰাজী অনূদিত বুৰঞ্জীখন প্ৰকাশ পালে অসম বুৰঞ্জীৰ ভড়াললৈ এটা যে নতুন জেউতি আহিব তাত সন্দেহ

নাই। তেখেতে ভাবত বুৰঞ্জী এখনো কিছু লিখা অৱস্থাতে এৰি থৈ গৈছে। এইবোৰৰ বাহিৰেও চুটি চুটি বহুকেইটা প্ৰবন্ধ অপ্ৰকাশিত ভাবে আছে। সেইবোৰৰ ভিতৰত মাৰ্কচ অবেগিয়াছৰ আত্মচিন্তা, কুম্ভমেলা, নিজধৰ্ম, মনৰ বিষ, অহাকলি, ৰাধাকৃষ্ণ-লীলা কীৰ্ত্তন, কি দৰে বাছি থাকিব লাগে, প্ৰকৃত মৰম আদি উল্লেখযোগ্য।

এজন সহজ সৰল নিৰহঙ্কাৰী লোক হিচাপে স্বৰ্গীয় উমাকান্ত গোস্বামী সকলোৰে প্ৰিয় ভাজন হৈছিল। পৰস্পৰ মত বিৰোধ ভাঙি মিতিবালি কৰি দিয়াতো গোস্বামী আছিল সিদ্ধ-হস্ত পুৰুষ। মিঠামুখ, তাতে মাজে মাজে তেখেতৰ কথাত মৌ বৰষা হাস্য ৰসে মানুহক আনন্দ যোগাব পাৰিছিল। ৰসিক মানুহ ; গতিকে লিখনিতো মাজে মাজে ৰসে ভুমুকি মৰা দেখা যায়। নিদৰ্শন স্বৰূপে অভিভাষণৰে এফাঁকি কথা তুলি দিয়া হ'ল—"কোনো কোনোৱে ভাবিব পাৰে ধন-বিজ্ঞান পঢ়িলে খুব ধন সাঁচিব পাৰি। পলিটিক্‌ছ্ পঢ়িলে পলিটিচিয়ান হব পাৰি। সেইদৰে কব পৰা যায় যে Chemistry পঢ়িলে বিহগেছ্ তৈয়াৰ কৰিব পাৰি। Physics পঢ়িলে মেছিনগান তৈয়াৰ কৰিব পাৰি আৰু দৰ্শন অৰ্থাৎ Philosophy পঢ়িলে খুব টোপনিয়াব পাৰি।"

তেখেত আছিল অতি চাফচিকুণতাপ্ৰিয় লোক। কোঠালিত পৰি থকা কাগজৰ টুকুৰা আদি আৰ্তৰাই পেলাবলৈ লগুৱা বা ঘৰৰ আন মানুহক অপেক্ষা নকৰিছিল। খোৱা লোৱা বাচন বৰ্তন আদিৰ চাফচিকুণতাৰ ওপৰতো গোস্বামীয়ে চকু ৰাখিছিল। এদিনৰ কথা। গোস্বামী তেতিয়া শ্বিলঙত শিক্ষা সঞ্চালক। নিজৰ কোঠাত কাম কৰি আছে। এনেতে সোমাই আহিল এজন বিশিষ্ট লোক। "বহক, বহক"। আসন দেখুৱাই অভ্যাগতজনক বহিব দিলে। অভ্যাগতজনে সেই মতে আসন গ্ৰহণ কৰিলে। তাৰ পাছত দুয়োৰো কথা বতৰা চলিল। কথাৰ মাজতে লগুৱাটোলৈ বুলি এটা নিৰ্দ্দেশ দিলে "একাপ চাহ আনিবিচোন"। যথাসময়ত চাহ আহিল। লোকজনে চাহকাপ খাবলৈ ললে। কেইচোকমান তৃপ্তিৰেই খালে। তাৰ পাছত তেওঁ কাপটো হলাই হলাই ভিতৰলৈ চাই মেজত থৈ দিলে। গোস্বামী তেতিয়া কিবা লিখাত ব্যস্ত আছিল। চাহখোৱাৰ পাছত কথাবতৰা হৈ অভ্যাগতজনে বিদায় ললে।

এমাৰ দিন পিছৰ কথা। শ্বিলঙৰ ৰাজপথ। গোস্বামী গৈ আছিল ; এনেতে দেখে যে সেই পৰিচিত অভ্যাগতজন ! গোস্বামীয়ে লৰালৰিকৈ লোকজনক নিজৰ ওচৰলৈ মাতি আনি ই সি কথা পাতি কলে "অ, এটা কথা। সেইদিনা হয়তো চাহৰ কাপত কিবা এটা দেখিছিলে। পিছে সেইটো আন একো নহয়, চাগুৰ দানাহে আছিল। চেনিৰ লগত দোকানতেই মিহলি হোৱা।" অভ্যাগতজনে চাহ খাই কাপতো ঘূৰাই পকাই চোৱাতো গোস্বামীয়ে কামৰ মাজতেই লক্ষ্য কৰিছিল আৰু লোকজন যোৱাৰ পাছতেই নিজে কাপটো পৰীক্ষা কৰি তলিত লাগি থকা চাগুদানাটোৰ বিষয়ে ঘৰত অনুসন্ধান কৰিছিল। চাফচিকুণতাৰ ক্ষেত্ৰত তেওঁৰ এই সুক্ষ্ম লক্ষ্য আৰু এমাৰ দিন পাছত কথাটো অনুসন্ধান কৰি সোঁৱৰাই দিয়া কাৰ্যত লোকজন অভিভূত হৈছিল। এই লোকজন আছিল অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি স্বৰ্গীয় তীৰ্থনাথ শৰ্মা ভাণ্ডৰীয়া।

স্বৰ্গীয় গোস্বামী আছিল এজন খোলামনৰ লোক। পেটত কথা ৰাখি মুখত ও, ও, কৰা বা মৌন হৈ থকাতো তেখেতে মুঠেই ভাল নাপাইছিল। সংস্কৃত

অধিৱেশনৰ সভাপতিৰ অভিভাষণত তেখেতে তাত স্পষ্ট মন্তব্য দি কৈছে "উপেক্ষা আৰু সম্পূৰ্ণ নীৰৱতাই হৈছে আটাইতকৈ মাৰাত্মক বস্তু। এই নীৰৱতা বা নিস্তব্ধতাতকৈ যিকোনো প্ৰকাৰৰ সমালোচনা সহস্ৰ গুণে বাঞ্ছনীয়।" তেখেতে নিজেও আছিল স্পষ্টবাদী। এই প্ৰসঙ্গত তেখেতে সমাজ বিদ্যমানে কামৰূপী লোকৰ ওপৰত দিয়া মন্তব্য এটিকে দাঙি ধৰিলো : "বুজিত টোকা কিন্তু কামত অবিশ্বাসী কামৰূপৰ অধিবাসী সকলৰ মাজতো সাহিত্য সভাই প্ৰভাৱ বিস্তাৰ কৰি কামৰূপৰ টান মাটিতো ইয়াৰ শিপা মেলিছে। আই সৰস্বতীৰ ওচৰত প্ৰাৰ্থনা যেন তেওঁৰ মধুৰ বীণৰ তানত আমাৰ নিচলা দেশতো সাহিত্য বিজ্ঞানৰ সুপ্ত প্ৰতিভা জাগি উঠে।" মন্তব্যটো দিছিল বৰনগৰ সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনৰ সভাপতিৰ অভিভাষণত।

ৰাতিপুৱাতে উঠি যোগাসন কৰা আৰু গীতা পাঠ কৰাতো গোস্বামীৰ নিত্য নৈমিত্তিক কামৰ ভিতৰুৱা আছিল। তেখেতে জ্যোতিষ চৰ্চা কৰি লাভ পাইছিল। ঘৰত চৰ্চাৰ বাবে আনৰ জন্ম পত্ৰিকাও তেখেতে ঘৰলৈ আনিছিল। তেখেতৰ পুৰণা কাগজ পত্ৰৰ মাজত স্বৰ্গীয় ডাঃ ভুবনেশ্বৰ বৰুৱা, স্বৰ্গীয় বেণুধৰ শৰ্মা, শ্ৰীযুত মথুৰামোহন গোস্বামী, স্বৰ্গীয় ত্ৰৈলোক্য নাথ গোস্বামী আদি কেইবাগৰাকী বিশিষ্ট লোকৰ জন্ম লগ্ন চক্ৰ এতিয়াও ঘৰতে আছে।

জীৱন কালত গোস্বামী বিবিধ সামাজিক অনুষ্ঠানৰ লগত সক্ৰিয় ভাবে জড়িত আছিল। তেখেতে কেইবাবছৰো কামৰূপ অনুসন্ধান সমিতিৰ অবৈতনিক সম্পাদক হিচাপে কাম কৰিছিল। বাজাপুখুৰী দক্ষিণপাৰ "বিদ্যোৎসাহী চতুষ্পাঠী সংস্কৃত টোল"ৰ তেখেতে আছিল প্ৰধান পৃষ্ঠপোষক। আমবাৰী ৰবিহাট হাইস্কুলখন তেখেতৰ নেতৃত্বতে গঢ়লৈ উঠিছিল। তেখেতে নিজৰ ঘৰৰ পৰা তাৰ বাবে কোঠালি এটাৰ পূৰ্ণ খৰচো বহন কৰিছিল। কোনো কোনো আৱশ্যকীয় সামাজিক অনুষ্ঠানৰ বাবে তেখেতে মাটিও দান কৰিছিল। চৰকাৰী চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত তেখেতে সাহিত্য আৰু সামাজিক ক্ষেত্ৰত ভালেখিনি কাম কৰাৰ আঁচনি লৈছিল ; কিন্তু কালে বাধা দিলে। ১৯৫৬ চনৰ ১৬ এপ্ৰিলৰ দিনা এইজনা পুৰুষ স্বৰ্গী হয়।০০০

সাহিত্য-সেৱক কুমুদচন্দ্ৰ বৰদলৈ

দুৰ্গেশ্বৰ শৰ্মা

যোৱা ১৯৭৫ চনৰ ৩১ ডিচেম্বৰ তাৰিখে একাশী বছৰ বয়সত কুমুদ চন্দ্ৰ বৰদলৈৰ লোকান্তৰ হ'ল। অসমৰ জাতীয় জীৱনৰ তিনিটা সোঁতৰ লগত তেখেতৰ নিবিড় সম্পৰ্ক আছিল। সেই সম্পৰ্ক আছিল বিস্তৃত, বিশাল আৰু নিকপকপীয়া বন্ধোনৰ। তেওঁ আছিল একাধাৰে শিক্ষাবিদ, সমাজ সেৱক, সাহিত্যিক আৰু বহুগুণ সম্পন্ন ব্যক্তি।

জন্মসূত্ৰে বৰদলৈদেৱ অসমৰ মুকুট বিহীন সম্ৰাট নবীনচন্দ্ৰ বৰদলৈ আৰু কৃতী প্ৰশাসনীক বিষয়া হৰকান্ত সদৰামিনৰ বংশৰ লোক। এই বৰেণ্য দ্বিমূৰ্ত্তিয়ে অসমীয়া সমাজক যি বৰঙণি দি গৈছে সি সৰ্বজন বিদিত। এই সকলৰ অনুপ্ৰেৰণা কুমুদচন্দ্ৰৰ ৰক্তপ্ৰৱাহত ধ্বনিত হৈছিল আৰু পূৰ্বপুৰুষৰ গৌৰৱ সোঁৱৰণ কৰি দেশৰ আৰু দহৰ সেৱা কৰিবলৈ তেওঁ প্ৰতিজ্ঞাবদ্ধ হৈছিল। উত্তৰ গুৱাহাটীৰ সমকালীন পৰিৱেশ তেওঁৰ প্ৰতিজ্ঞা ফলৱতী কৰাৰ অনুকূল আছিল। এদিনাখন কথা প্ৰসংগত তেওঁ কৈছিল—"উত্তৰ গুৱাহাটীৰ কৃতী সন্তান সকলৰ কথা মনত পৰিলে দেশৰ আৰু দহৰ কাৰণে কিবা এটি স্থায়ী কাম কৰাৰ স্বপ্ন মই দেখোঁ। এই সৰু চহৰখনৰ মানুহে সততা ভাল পায়। সৎ আৰু ত্যাগৰ আদৰ্শৰে দেশৰ সেৱা কৰিব খোজা লোকৰ প্ৰতি তেওঁলোকে অনুণ্ঠভাৱে সহযোগিতা আগবঢ়ায়। উত্তৰ গুৱাহাটীৰ মানুহৰ নিৰ্ভীকতা বৰ অমূল্য সম্পদ।"

উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডৰ এটি সম্ভ্ৰান্ত পৰিয়ালত কুমুদ চন্দ্ৰ বৰদলৈয়ে ১৮৯৫ চনৰ নবেম্বৰ মাহত জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম আছিল ললিত চন্দ্ৰ বৰদলৈ আৰু মাতৃ আছিল কদ্ৰখড়িৰ ঘৰৰ ইন্দুমতী দেবী। স্বৰ্গীয় ললিত চন্দ্ৰ বৰদলৈ ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈৰ ভাতৃ আছিল। কুমুদৰ মাতৃ ইন্দুমতী ধৰ্মপৰায়ণা মহিলা আছিল। তেওঁ নিজ হাউলিত ব্ৰাহ্মণ পণ্ডিত ৰাখি নিতৌ গীতা ভাগৱত পাঠ কৰোৱাইছিল আৰু গোপালৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰি কুল পুৰুহিতৰ হতুৱাই দৈনিক পূজা-সেৱা কৰোৱাইছিল। মাতৃৰ প্ৰভাৱত তেওঁ ল'ৰা কালৰে পৰাই ঈশ্বৰৰ ওপৰত আস্থা স্থাপন কৰিবলৈ শিকিছিল।

উত্তৰ গুৱাহাটীত তেওঁ পাঠশালাৰ শিক্ষা লাভ কৰে আৰু ১৯১৬ চনত গুৱাহাটীৰ কলেজিয়েট স্কুলৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। সেই বছৰতে গুৱাহাটীৰ কটন কলেজত আই, এ শ্ৰেণীত নাম লগায় আৰু ১৯১৮ চনত সুখ্যাতিৰে আই, এ আৰু ১৯২০ চনত বি, এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ঢাকা বিশ্ববিদ্যালয়ৰ পৰা বি টি পৰীক্ষাও পাছ কৰিছিল। কলা বিষয়ত স্নাতক হোৱাৰ পিছত বৰদলৈদেৱে ১৯২০ চনত উত্তৰ গুৱাহাটীৰ আউনীআটী কমলদেৱ উচ্চ ইংৰাজী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে চাকৰি জীৱনৰ পাতনি মেলে। কিছুদিন পিছত তেওঁ চৰকাৰী উচ্চ ইংৰাজী স্কুলত চাকৰি কৰাৰ নিযুক্তি পোৱাত আউনীআটী কমলদেৱ স্কুলৰ চাকৰি

ইস্তফা দি ধুবুৰী চৰকাৰী উচ্চ ইংৰাজী স্কুলত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে। ধুবুৰীত থকা সময়ত গৌৰীপুৰৰ ৰাজপৰিয়াল আৰু স্বৰ্গীয় মানগোবিন্দ চক্ৰবৰ্ত্তীৰ লগত তেওঁৰ বন্ধুত্ব গঢ়ি উঠে। উক্ত ৰাজ পৰিয়াল আৰু চক্ৰবৰ্ত্তীৰ পৰা অনুপ্ৰেৰণা আৰু দিহা পৰামৰ্শ লাভ কৰি বৰদলৈদেৱে সংগীত আৰু নৃত্য-গীতৰ চৰ্চাত মনোনিবেশ কৰে। বৰদলৈ ডাঙৰীয়া কৃতী গায়ক আৰু গীতিকাৰ আছিল। ধুবুৰীত থকা সময়ত মানগোবিন্দ চক্ৰবৰ্ত্তীৰ ঘৰত অনুষ্ঠিত গীতৰ আখৰাত তেওঁ একাগ্ৰচিত্তে অংশ গ্ৰহণ কৰিছিল। বিশেষকৈ অসমীয়া লৌকিক গীত, বৰগীত আৰু হিন্দী ভজন গোৱাত তেওঁৰ বৰ চখ আছিল। অসম সাহিত্য সভাৰ কামত ধুবুৰীলৈ যাওঁতে মানগোবিন্দ চক্ৰবৰ্ত্তীয়ে তেওঁৰ বঙলাত মোৰ আগত কৈছিল "আপোনালোকৰ উত্তৰ গুৱাহাটীৰ কুমুদ বৰদলৈৰ লগত মোৰ বৰ ঘনিষ্ঠ সম্পৰ্ক আছিল তেওঁ ধুবুৰীত থকা সময়ত তেওঁৰ দৰে দক্ষতাৰে তবলা আৰু চেতাৰ বজোৱা পৰা দ্বিতীয় এজন অসমীয়া লোক নাছিল। তেওঁ এজনা বহুমুখী প্ৰতিভা সম্পন্ন শিক্ষক আছিল। তেওঁ শিক্ষক হৈয়ে জন্ম গ্ৰহণ কৰিছিল। মযো তেওঁ ভাড়া কৰি থকা ঘৰলৈ প্ৰায়ে গৈছিলো। মই লক্ষ্য কৰিছিলো তেওঁ এটি মুহূৰ্তও বিনা কামে নষ্ট নকৰিছিল। তেওঁ যথাসম্ভৱ নিজৰ ওপৰত নিৰ্ভৰ কৰি চলিবলৈ যত্ন কৰিছিল। আটাইতকৈ আচৰিত কথা তেওঁ চিলাইৰ কামো জানিছিল। নিজৰ প্ৰয়োজনীয় কোট, পেন্ট, পায়জামা, আন্দাৰ পেন্ট নিজে চিলাই কৰিহে পিন্ধিছিল। কাঠ মিস্ত্ৰিৰ কামো তেওঁ ভালকৈ জানিছিল। ঘৰৰ সৰু সুৰা মেৰামতি তেওঁ নিজে কৰিছিল। প্ৰয়োজনীয় হাতুৰী, বটালি, কৰত আদিৰে ভৰা তেওঁৰ এটি বাকচ আছিল। বিস্ময়ৰ কথা তেওঁ নিজ হাতে পৰিশ্ৰম কৰি ফল মূল আৰু শাক-পাচঁলিৰ বাগিছাও কৰিছিল। এই জনা কুমুদ বৰদলৈক মই বৰ শ্ৰদ্ধা কৰো। এজনা আদৰ্শ স্থানীয় শিক্ষক হিচাপে তেওঁ আনৰো শ্ৰদ্ধাৰ পাত্ৰ " এই সকলো কামৰ কাৰ্যসূচী বৰদলৈ ডাঙৰীয়াই জীৱনৰ শেষ মুহূৰ্ত্তলৈকে অব্যাহত ৰাখিছিল। আনকি মৃত্যুৰ দিনাখনো ৰাতিপুৱা খন্তিখন হাতত লৈ তেওঁ ঘৰৰ সন্মুখত থকা ফুল গছৰ গুৰিবোৰৰ বন-পাত গুচাই নিৰাই দিছিল আৰু গাৰ্ডেনৰ ভিতৰত থকা শাক পাচঁলিৰ গুৰিত পানী চটিয়াই দিছিল।

কণ-কণ ল'ৰা-ছোৱালীক তেওঁ বৰ ভাল পাইছিল। বিহুৰে সংক্ৰান্তিয়ে ঘৰৰ ওচৰে পাজৰে থকা সৰু-সৰু লৰা-ছোৱালীহঁতক নিমন্ত্ৰণ কৰি আনি তেওঁ পিঠা পনা খাবলৈ দিছিল। তেওঁ অকণিহঁতৰ কাৰণে নিজৰ ঘৰৰ সন্মুখত এখনি বেডমিন্টন কৰ্ট নিৰ্মাণ কৰি দিছিল আৰু নিজৰ পইচা খৰচ কৰি নেট, ৰেকেট, কক কিনি সৰু সৰু ল'ৰা-ছোৱালীক খেলাৰ সুবিধা দিছিল। ই সামান্য স্নেহৰ কথা নহয়।

চৰকাৰী চাকৰিৰ পৰা অবসৰ গ্ৰহণ কৰি তেওঁ উত্তৰ গুৱাহাটীত স্থায়ী ভাৱে থাকিবলৈ এটি আসাম টাইপ গৃহ নিৰ্মাণ কৰিছিল। ঘৰটি প্ৰধান আলিবাটৰ পৰা প্ৰায় দুশ ফুট মান আতঁৰত সাজিবলৈ প্লেনিং কৰিলে। তেতিয়া তেওঁৰ ঠিকাদাৰে আপত্তি কৰি কলে বোলে ঘৰটি বাটৰ কাষৰ পৰা ইমান আতঁৰত সাজিলে শাক-পাঁচলি কৰিবলৈ তেওঁৰ ঠায়েই নাথাকিব। ঠিকাদাৰৰ কথাৰ উত্তৰত তেওঁ কলে "হওঁক দিয়া, সন্মুখৰ বালি চাপৰিটো ৰাখিলা পানীত তল গলে ল'ৰাহঁতৰ ফুটবল খেলিবলৈ ফিল্ডেই নাথাকিব। তেতিয়া সিহঁতে ঘৰৰ সন্মুখৰ এই আহল বহল ঠাই খিনিকে খেল পথাৰ হিচাপে ব্যৱহাৰ কৰিব পাৰিব।" ই তেওঁৰ উদাৰ মনৰ

পৰিচয় দাঙি ধৰিছে। সচাঁকৈয়ে তেওঁৰ ঘৰৰ সমুখত থকা মুকলি পথাৰ ডোখৰ ধুবুৰীৰ ল'ৰাইঁতে বাৰিষা খেল পথাৰ হিচাপে ব্যৱহাৰ কৰিছিল। খেলাক ল'ৰাইতক মাজে সময়ে চকলেট খাবলৈ দি তেওঁ সিহঁতৰ খেল উপভোগ কৰিছিল। বৰদলৈ ডাঙৰীয়া আছিল মহান শিশু প্ৰেমিক ব্যক্তি। সকলো শিশুকে তেওঁ নিজৰ সন্তানৰ দৰে পৰম স্নেহ কৰিছিল। শিশুহঁতক নিজে তেওঁ নৃত্য-গীতৰ শিক্ষা দিছিল, আৰু শিশু উপযোগী নাট ৰচনা কৰি শিশুক অভিনয় কৰাত উৎসাহ দান কৰিছিল।

১৯৪০ চনৰ প্ৰথম ভাগত তেওঁ ধুবুৰীৰ পৰা কটন কলেজিয়েট স্কুললৈ বদলি হৈ আহে। তাৰ পিছত ক্ৰমে শিৱসাগৰ, মঙ্গলদৈ আৰু উত্তৰ লক্ষীমপুৰ উচ্চ ইংৰাজী স্কুলত শিক্ষকতা কৰে। ১৯৫৪ চনত তেওঁ মঙ্গলদৈ চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ প্ৰধান শিক্ষকৰ পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণ কৰাৰ পিছতো তেওঁ বহি থকা নাছিল। নগাওঁৰ বৈদ্যবৰী উচ্চ মাধ্যমিক আৰু কামাখ্যাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত কেইবাবছৰো তেওঁ প্ৰধান শিক্ষকৰূপে শিক্ষকতা কৰিছিল। তেওঁৰ আশাশুধীয়া যত্নৰ ফলতে এই দুয়োখন বিদ্যালয় অলপ দিনৰ ভিতৰতে পূৰ্ণাঙ্গ বিদ্যালয়ৰ ৰূপ লাভ কৰে। মৃত্যুৰ কেই বছৰমান আগেয়ে আউনীআটী সত্ৰৰ শ্ৰী শ্ৰী হেমচন্দ্ৰ গোস্বামী প্ৰভুৰ পৃষ্ঠপোষকতা লাভ কৰি তেওঁ উত্তৰ গুৱাহাটীত থকা আউনীআটী সত্ৰৰ কাষত লীলাকান্ত সংস্কৃত বিদ্যালয় স্থাপন কৰি তাত বিনা বেতনে অধ্যাপনা কৰিছিল। এই বিদ্যালয়খনিয়ে উত্তৰ গুৱাহাটীত সম্প্ৰতি সংস্কৃত শিক্ষাৰ এটি বাতাবৰণ সৃষ্টিত আগভাগ লৈ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। উত্তৰ গুৱাহাটীত কলেজ স্থাপনত আগভাগ লোৱা ব্যক্তি সকলৰ ভিতৰত বৰদলৈ ডাঙৰীয়াও এজনা। তেওঁ উত্তৰ গুৱাহাটী সাহিত্য সভা, প্ৰাগজ্যোতিষপুৰ কলা পৰিষদ, লক্ষীৰাম নাট্য মন্দিৰ আৰু উত্তৰ গুৱাহাটী আলোচনা চক্ৰৰ লগতো বিশেষভাবে জড়িত আছিল। অসমৰ স্কাউট আন্দোলনৰ লগতো তেওঁ জড়িত আছিল। স্কাউট মাষ্টাৰ আৰু ৰেডক্ৰছ কাউন্সিলৰ হিচাপেও তেওঁ ছাত্ৰসমাজ আৰু ৰাইজৰ সেৱা কৰিছিল।

মানৱ দৰদী হৃদয় আৰু মহত্বৰ গুণত তেওঁ ছাত্ৰসকলৰ মাজত পৰম শ্ৰদ্ধেয় ব্যক্তি ৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। অমায়িক, নিৰহঙ্কাৰী আৰু নিষ্ঠাবান শিক্ষক বৰদলৈ ডাঙৰীয়া অভিভাৱক আৰু ৰাইজৰ মাজতো সমানে লোকপ্ৰিয় পুৰুষ আছিল।

ৰাইজৰ সেৱা কৰি বৰদলৈদেৱে পৰম আনন্দ লাভ কৰিছিল। এবাৰ তেওঁ কৈছিল—"ৰাইজৰ সেৱা কৰিবলৈ ভাগ্য লাগে। দহৰ সেৱা পৰম পুণ্যৰ ফলতহে সাধিত হব পাৰে।" দহৰ সেৱা কৰা আনন্দত দীক্ষিত হৈ বৰদলৈ ডাঙৰীয়াই উত্তৰ লক্ষীমপুৰত গানৰ মছলিছ আৰু মঙ্গলদৈত সাহিত্য সেৱা সমিতি গঠনত অন্য বহুতৰে সৈতে আগভাগ লৈছিল। গুৱাহাটীৰ কলেজিয়েট স্কুলৰ কেতবোৰ গুণী ছাত্ৰৰ লগত লগলাগি তেওঁ 'গুৱাহাটী থিয়েটাৰ সমাজ' গঠন কৰিছিল। তেওঁ নিজে এজন ভাল অভিনেতা আছিল। বিশেষকৈ তেওঁ নাৰী চৰিত্ৰৰ অভিনয় কৰি দৰ্শকৰ পৰা সমাদৰ লাভ কৰিছিল।

এই সকলোবোৰতকৈ এজনা বিশিষ্ট সাহিত্যিক হিচাপেহে কুমুদ বৰদলৈ অসমীয়া সমাজত অধিক ভাবে পৰিচিত। এই পৰিচয়ৰ সোণালী স্বাক্ষৰ বহন কৰিছে অসমীয়া সাহিত্য ভঁড়ালৈ তেওঁ আগবঢ়োৱা লেখৰ আৰু জোখৰ বৰঙণিয়ে।

সাহিত্য-সেৱক কুমুদচন্দ্ৰ বৰদলৈ

বিশিষ্ট সাহিত্যিক স্বৰ্গীয় অতুল চন্দ্ৰ হাজৰিকাদেৱে বৰদলৈদেৱৰ মৃত্যুৰ সময়ত পঠোৱা শোক-বাণীত কৈছে–"সাহিত্য সেৱাৰ প্ৰতি বৰদলৈৰ আগ্ৰহ অতুলনীয়। অসমীয়া সাহিত্যৰ লগত তেওঁৰ পূৰ্ব পুৰুষৰ যি গভীৰ সম্পৰ্ক সেই সম্পৰ্কৰ সুঁতাডাল কুমুদ চন্দ্ৰই চিঙি যাবলৈ নিদিয়া কাৰ্য প্ৰশংসনীয়।"

হৰকান্ত সদৰামিনৰ আত্ম জীৱনীৰ সম্পাদনা আৰু প্ৰকাশ কুমুদচন্দ্ৰ বৰদলৈৰ সাহিত্য জীৱনৰ কীৰ্ত্তি স্তম্ভ। এই গ্ৰন্থখনি ইংৰাজ ৰাজত্ব কালৰ প্ৰথম চোৱা আৰু আহোম ৰাজত্ব কালৰ শেষ চোৱা সময়ৰ প্ৰামাণিক দলিল। গ্ৰন্থৰ পাতনিত বৰদলৈদেৱে লিখিছে–"সদৰামিনৰ আত্মজীৱনীখনি পুৰণি অসমৰ সমাজ, সংস্কৃতি, ভাষা, সাহিত্য, অৰ্থনৈতিক পৰিস্থিতি আৰু ৰাজনৈতিক দৃষ্টিভঙ্গীৰ উৎকৃষ্ট নিদৰ্শন। উনৈশ শতিকাৰ এগৰাকী বিশিষ্ট লোকৰ জীৱনী আৰু সংশ্লিষ্ট ঘটনাৰ বুৰঞ্জী হিচাপেহে বাইজৰ হাতলৈ আগবঢ়োৱা হ'ল। ইয়াত কোনো লোকৰ প্ৰতি এখানি মহলা আমাৰ ঈৰ্ষাৰ ভাব নাই।" এই গ্ৰন্থত প্ৰধানকৈ ইংৰাজে মানক খেদি দেশ লোৱা, ঘনকান্ত সিংহ যুৱৰাজ আৰু ৰাণী গন্ধৰেশ্বৰী, চিপাহী বিদ্ৰোহ, ইংলণ্ডেশ্বৰী মহাৰাণীৰ ভাৰতৰ ৰাজ্যভাৰ গ্ৰহণ, ভোটৰ লগত যুঁজ, গৰখনা বন্দৰস্তি, গৱৰ্ণৰ জেনেৰেল মেও হত্যা, কিটিং চিফ কমিচনাৰ, আনন্দৰাম বৰুৱাৰ মৃত্যু, উমানন্দত টেলিগ্ৰামৰ খুঁটা পোতা বিষয় সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ বাহিৰেও গ্ৰন্থখনিত হৰকান্ত সদৰামিনৰ ব্যক্তিগত আৰু ঘৰুৱা জীৱনৰ ভালেমান তথ্যৰ সম্ভেদ পোৱা যায়। ডক্টৰ সূৰ্য কুমাৰ ভূঞাই এই গ্ৰন্থখনিক অতি উচ্চ আসন দান কৰিছে। এই গ্ৰন্থৰ সম্পাদনাই বৰদলৈ ডাঙৰীয়াক এজনা নিষ্ঠাবান আৰু কঠোৰ পৰিশ্ৰমী সাহিত্যিক বুলি প্ৰতিষ্ঠিত কৰিছে।

বৰদলৈদেৱে চুটি গল্পও ৰচনা কৰিছিল। তেওঁৰ একমাত্ৰ গল্পৰ গ্ৰন্থ "পূজাৰ গল্প"। এই গ্ৰন্থত দহোটা চুটি গল্প সন্নিবিষ্ট কৰিছে। গাৱঁলীয়া জীৱনক সহজ সৰল ভাৱে গ্ৰন্থত চিত্ৰিত কৰা হৈছে। গল্প সমূহৰ উপস্থাপন পদ্ধতি খেমেলীয়া পৰ্য্যায়ৰ।

গান্ধীবাদৰ আধাৰত তেওঁ 'বৰাগী' নামেৰে এখনি নাটকো ৰচনা কৰিছিল। এই নাটখনি মঞ্চ সফল নাট নহয় যদিও আদৰ্শৰ মহত্বৰ কাৰণে নাটখনে বিশেষ ধৰণৰ লোকপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল।

১৯৫৭ চনত তেওঁ অসম চৰকাৰৰ দ্বাৰা অনুষ্ঠিত ন-শিকাৰুৰ বাবে গ্ৰন্থ লেখা কাৰখানাত প্ৰশিক্ষণ সমাপ্ত কৰি "সুস্থ সবল গাওঁ খনি মোৰ" নামৰ গ্ৰন্থ ৰচনা কৰে। গাৱঁৰ পৰিস্কাৰ-পৰিচ্ছন্নতা, উন্নতি, সামাজিক শৃংখলা, নীতি নিয়ম, মিলা-প্ৰীতি আৰু সামাজিক অনুষ্ঠানৰ ছবি অংকণ কৰি গ্ৰন্থখনি যুগুত কৰা হৈছে। এই গ্ৰন্থৰ কাৰণে তেওঁ ভাৰত চৰকাৰৰ পৰা পুৰস্কাৰ লাভ কৰিছিল। গ্ৰন্থৰ দ্বিতীয় তাঙৰণ সামাজিক শিক্ষা বিভাগে নিজৰ খৰচত প্ৰকাশ কৰি গাৱেঁ ভূঁয়ে বিতৰণ কৰিছিল।

"ভোলা বাবুৰ তিনি শিষ্য" তেওঁৰ আন এখনি গ্ৰন্থ। এই গ্ৰন্থত হিন্দু ব্ৰাহ্মণ, মুছলমান আৰু খৃষ্টান তিনিজন বন্ধুৱে পদিয়াৰ পৰা জেৰুজালেমলৈ ভ্ৰমণ কৰা দেখুওৱা হৈছে। ভ্ৰমণৰ সময়ত তেওঁলোকে ঐতিহ্যপূৰ্ণ স্থান সমূহলৈ যোৱাৰ সুবিধা আৰু তাৰ পৰা লাভ কৰিব পৰা জ্ঞানৰ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিছে। গ্ৰন্থৰ ভাষা সহজ-সৰল। সংহতিৰ বীজ মন্ত্ৰ এই গ্ৰন্থখনি অসম চৰকাৰৰ আৰ্থিক সাহায্যত ছপা কৰা হৈছিল।

১৯৫৮ চনত তেওঁ জালুকবাৰীত সৰু সৰু ল'ৰা-ছোৱালীৰ কাৰণে কিতাপ লেখা কাৰখানাত শিক্ষা লাভ কৰাৰ পিছতে কণ কণ ল'ৰা-ছোৱালীৰ কাৰণে "সোণকণৰ পৃথিবীখন" গ্ৰন্থ ৰচনা কৰে। কন-কন ল'ৰা ছোৱালীৰ ভাব কল্পনাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰন্থখনিত এটি অনুপম আখ্যানৰ মাজেৰে বিশ্বৰ চাবলগীয়া ঠাই সমূহৰ উল্লেখ কৰা হৈছে।

"দেশতকৈ মোমাই ডাঙৰ নহয়" বৰদলৈদেৱৰ আন এখনি উল্লেখযোগ্য গ্ৰন্থ। এই গ্ৰন্থখনিত স্বাধীনতা যুঁজৰ শ্বহীদ আৰু অন্যান্য বৰেণ্য ব্যক্তিৰ জীৱন কথা সন্নিবিষ্ট কৰা হৈছে। দেশ আৰু বীৰ বীৰাঙ্গনা সকলৰ প্ৰতি থকা প্ৰবল অনুৰাগ গ্ৰন্থখনিৰ ছত্ৰে ছত্ৰে বিৰাজমান। বিশেষকৈ চেমনীয়া সকলৰ মাজত এই গ্ৰন্থখনিয়ে বিশেষ ধৰণৰ সমাদৰ লাভ কৰিছে।

বৰদলৈ এগৰাকী বিশিষ্ট কবি আৰু গীতিকাৰো আছিল। মৃত্যুৰ আগলৈকে তেওঁ লেখা গীত আৰু কবিতাৰ সংখ্যা এশৰো ওপৰ হৈছিলগৈ। তেওঁৰ কেতবোৰ কবিতা 'পূবেকণ', 'জনশিক্ষা', 'সমাজ', 'কংগ্ৰেছ', 'প্ৰাগজ্যোতি' আলোচনীত প্ৰকাশ হৈছিল। বাচকবনীয়া কেতবোৰ গীত আৰু কবিতা সংগ্ৰহ কৰি তেওঁ "মোৰ গীত আৰু কবিতা" বুলি এখনি গ্ৰন্থ যুগুত কৰিছিল ; কিন্তু আৰ্থিক অসুবিধাৰ কাৰণে উক্ত গ্ৰন্থখনি প্ৰকাশ নহল। তেওঁৰ কবিতাত দুখীয়া দৰিদ্ৰৰ প্ৰতি সহানুভূতি, দেশ–প্ৰেম, প্ৰকৃতিৰ সৌন্দৰ্য্যৰ চিত্ৰন আৰু ব্যক্তিগত সুখ-দুখ আৰু আশাভঙ্গৰ ছবি উজ্বলি আছে।

বহুকষ্টেৰে অসমৰ বিভিন্ন অঞ্চলত সিচঁৰিত হৈ পৰি থকা জন্মাষ্টমীৰ নাম সমূহ সংগ্ৰহ কৰি আৰু লগতে গীতবোৰৰ স্বৰলিপি কৰি "শ্ৰী শ্ৰী কৃষ্ণৰ জন্মাষ্টমীৰ নাম" গ্ৰন্থ যুগুত কৰিছিল। দুৰ্ভাগ্যৰ কথা এই গ্ৰন্থ খনিয়েও পোহৰৰ মুখ দেখা নাই।

ইয়াৰ বাহিৰেও তেওঁ নৰোত্তম দাস বিৰচিত "শ্ৰী শ্ৰী কৃষ্ণৰ অষ্টোত্তৰ শতনাম" পুথিৰো অসমীয়া অনুবাদ কৰি এটি মহৎ কাম সাধন কৰিছে। তেওঁ কেইবাখনি নৃত্য নাটিকাও ৰচনা কৰিছিল ; সেইবোৰৰ ভিতৰত ঘাইকৈ সীতাহৰণ, পদুম কলি উল্লেখযোগ্য।

ঘৰ কেনেকৈ সজাব লাগে সেই সম্পৰ্কে উল্লেখ কৰি তেওঁ "ঘৰৰ সাজ সজ্জা" বুলিও এখনি গ্ৰন্থ ৰচনা কৰিছিল। অসমৰ পুৰণি খেল ধেমালিৰ বিবৰণ, ফকৰা-যোজনা, পটন্তৰ, প্ৰবচন সংগ্ৰহ আৰু সন্নিবিষ্ট কৰিও তেওঁ "পুৰণি অসমৰ খেল-ধেমালি" নামৰ গ্ৰন্থ যুগুত কৰিছিল। এই গ্ৰন্থখনি অপ্ৰকাশিত অৱস্থাত আছে। "মাষ্টৰণী" নামেৰে তেওঁ এখনি উপন্যাসো ৰচনা কৰিছিল। ভালেখিনি কিতাপ যত্ন কৰা স্বত্বেও প্ৰকাশ কৰিব নোৱাৰি বৰদলৈদেৱে এদিন আক্ষেপ কৰি কৈছিল "আৰ্থিক অনাটনৰ কাৰণে কষ্ট কৰি লেখিও কেইবাখনি গ্ৰন্থ ছপা কৰিব নোৱাৰিলো। প্ৰকাশকেও নছপায়। তেওঁলোকক কেৱল নোট আৰু পাঠ্যপুথি লাগে। নিৰুপায়, ভৱিষ্যতেও কোনোৱাই এইবোৰ ছপোৱাৰ আশা নাই। বননিৰ ফুল বনতে ফুলি বনতে মৰহি যাব। তাৰ সৌৰভ কোনেও নাপাব।" বৰদলৈদেৱৰ এই হুমুনিয়াহ সকলো অসমীয়াৰে হুমুনিয়াহ। তেওঁৰ ব্যক্তি সত্বাৰ মাজেৰে অসমীয়া সাহিত্য-সেৱীৰ সামূহিক সত্বাই অভিব্যক্তি লাভ কৰিছে। এই জনেই আছিল কুমুদ বৰদলৈ যিজন অসমৰ শিক্ষাক্ষেত্ৰ, সামাজিক জীৱন আৰু সাহিত্য জগতৰ লগত নিবিড় ভাৱে জড়িত আছিল। এনে এগৰাকী ব্যক্তিৰ মৃত্যু অসমৰ জাতীয় জীৱনৰ কাৰণে অপূৰণীয় ক্ষতি। সেই ক্ষতিৰ স্থান পূৰ্ণ কৰা নতুন পুৰুষৰ আৰু তেওঁৰ গুণমুগ্ধ ছাত্ৰ সকলৰ পবিত্ৰ কাম।০০০

বৈষ্ণৱাচাৰ্য স্বামী শ্ৰী কৃষ্ণপুৰী ব্ৰহ্মচাৰী

ড° ভগৱান মৰল

—শুনা বাপু, প্ৰৱেশিকা পৰীক্ষা কৃতিত্বৰে পাছ কৰিলা, ভাল চাকৰি এটাও পাবা। ভাল চাকৰি এটিকে কৰি—অকালপতীয়া মায়েৰাৰ মনত শান্তি দিয়া।

পুৰানকুছি গাঁৱৰ স্বৰ্গীয় ললিত গাওঁবুঢ়াৰ পত্নীৰ উপদেশবাণী শুনি সুন্দৰ সুঠাম দেহৰ ডেকাজনে পহীনাই উত্তৰ দিয়ে:

-চৰকাৰৰ চাকৰি নকৰোঁ বৌ, চৰকাৰৰ চাকৰি কৰি ইংৰাজৰ গোলাম হোৱাতকৈ ঈশ্বৰৰেই চাকৰি কৰিম।

—ঈশ্বৰৰ চাকৰি?

—এৰা বৌ, মই ঈশ্বৰৰেই চাকৰি কৰিম। হনুমানে যদি ৰামৰ চৰণ বুকুত বান্ধি মুক্তি পাব পাৰে, প্ৰহ্লাদে যদি "বিষ্ণু বিষ্ণু" বুলি সকলো বিপদ আপদৰ পৰা ৰক্ষা পাব পাৰে; নাৰদে যদি "নাৰায়ণ নাৰায়ণ বুলি সংসাৰ তৰিব পাৰে, মাধৱদেৱে যদি গুৰুজনাৰ সেৱা কৰি মুক্তি পাব পাৰে—মই কিয় শঙ্কৰদেৱৰ নামগুণ গায়েই সংসাৰ তৰিব নোৱাৰিম বৌ? নিশ্চয় পাৰিম। চাওঁচোন আৰু জীৱনমুক্তি হয় নে নহয়।

—গুৰুজনাৰ দৰে বাপু সংসাৰ কৰিওতো সংসাৰ মুক্ত হব পাৰা।

—মাধৱদেৱৰ দৰে মায়াৰ বন্ধনৰ পৰা মুক্ত থাকিহে জীৱ মুক্তিৰ পথ বিচাৰি পোৱাটো সহজ বৌ। মোক আৰৌ মোৰ সংসাৰী কৰি আৱদ্ধ নাৰাখিবা। মোক সংসাৰ মুক্ত কৰি ঈশ্বৰ সন্ধানত ব্ৰতী হবলৈ দিয়া —।

—তথাপি তোমাৰ বিবাহিতা পত্নী উৰ্বশীজনীৰ প্ৰতিও কৰ্তব্য আছে। তাই বেচেৰীয়ে বিবাহিত জীৱনৰ অকণো সুখ নাপালে—

—ব্ৰহ্মচৰ্যকেই ব্ৰত হিচাপেই লওঁ বুলি প্ৰতিজ্ঞা কৰিয়েতো বিবাহ পাশত আৱদ্ধ হৈছিল। এতিয়া নিজ প্ৰতিজ্ঞা উলঙ্ঘা কৰিব খুজিলে মই কি কৰিম বৌ। মোক দোষাৰোপ নকৰিবা। মোক মোৰ ব্ৰতাচাৰত বাধা নিদিবা। মোক মুক্ত হৈ থাকিবলৈ দিয়া।

সুন্দৰ সুঠাম দেহৰ ডেকাজনৰ ব্ৰহ্মচৰ্য সাধনাত অবাক হৈ পৰে গাঁৱৰ মুখিয়াল লোকসকল। সকলোৱে দিয়া বুজনি অকাট্য যুক্তিৰে খণ্ডন কৰি ব্ৰহ্মচৰ্য সাধনাকেই জীৱনৰ ব্ৰত কৰি লয়। নব-বিবাহিতা ষোড়শী পত্নী 'উৰ্বশী'য়ে যৌৱনৰ ৰঙীণ স্বপ্নৰ মায়ামুক্ত কালতো বৈৰাগ্যৰ আহ্বান পাই মাজে মাজে মনটো বিদ্ৰোহী হৈ উঠা যেন অনুভৱ কৰে। কিন্তু হৃদয়ৰ বেদনা নতুন ৰূপত প্ৰকাশ পায়। অভিমানে উৰ্বশীক অন্ধ কৰি তোলে। স্বামীৰ সঙ্গসুখৰ পৰা বঞ্চিতা নাৰীয়ে জীৱন আৰু জগৎ অসাৰ যেন অনুভৱ কৰে, চিৰ বিদায়ৰ বাবে ক্ষণ গণে। সক সক কেইজনীমানক গাবলৈ শিকায়। ছোৱালী কেইজনীয়ে জাত জাতকৈ গায়—

কৰ্কটি মৰ্কটি তুলা বাশি
খোৱা গলক আহি পাইছি,
কলৰ আগত ভেকুলি নাচে
কেৰা মৰিবা সাত দিন আছে।

অভিমানিনী উৰ্বশীৰ এইজন 'কেঞা'ই হৈছে নিৰামিষাহাৰী, ব্ৰহ্মচাৰী, ঈশ্বৰৰ চাকৰি সন্ধানী আদিত্য মোহন। সন্ত স্বৰ্গীয় বস্তিৰাম ভৰালীয়ে ৰচনা কৰা জীৱন চৰিত মতে এইজনেই–

সন্যাসীৰ প্ৰবৰ আসাম ভিতৰ
নাহি কোনো যাৰ সৰি
থুলন্তৰ কায় সুস্থ অতিশয়
প্ৰসন্ন বদন জ্বলে।
গৌৰাঙ্গ সুঠাম শ্ৰী মন্ত পৰম
প্ৰণামো পদ কমলে।
ললাটে চন্দন ফোট বিতোপন
মুখত ঈষৎ হাসি।
কান্ধত উত্তৰি জ্বলে তিৰীমিৰি
কণ্ঠত মালা তুলসী।
আকৌ, কলিৰ লোকক কৃষ্ণে কাৰীত উদ্ধাৰ।
কৃষ্ণপুৰী ৰূপে তুমি ভৈলা অৱতাৰ।।

কুৰি শতিকাৰ আদি ভাগত ইংৰাজ শাসনৰ সময়ত ইংৰাজী শিক্ষাৰে শিক্ষিত হৈয়ো সন্যাস গ্ৰহণ কৰা বিৰল দৃষ্টান্তৰ অন্যতম আদৰ্শ আদিত্য মোহন। এওঁৱেই আদিত ব্ৰহ্মচাৰী, আদিত মহন্ত নামে শুৱালকুচি গাওঁত জনাজাত। বৈষ্ণৱ সাধক সকলৰ মাজত স্বামী শ্ৰী কৃষ্ণপুৰী ব্ৰহ্মচাৰী নামেহে খ্যাত। ১৮৯৭ খৃঃত (১৩০৫ চনত) পুহ মাহৰ পূৰ্ণিমা তিথিৰ দিনা শুৱালকুছি গাঁৱত তেখেতৰ জন্ম হয়। তেখেতৰ তিনিমাহ নৌহওঁতেই ধানখেৰৰ পাঁচিত শুই থকা অৱস্থাত মাক বসুন্ধৰীৰ সৈতে এৰি থৈ পিতৃ বগাৰাম মেধিয়ে–মায়াৰ সংসাৰৰ বান্ধ চিঙি সন্যাসী ধৰ্ম গ্ৰহণ কৰে আৰু সংসাৰ বিৰাগী হৈ ভাৰত ভ্ৰমণলৈ ওলায়। পিচলৈ পিতৃ বগাৰাম মেধিয়ে সাধু কাশীনাথ ব্ৰহ্মচাৰী নাম লৈ প্ৰায় ত্ৰিশ বছৰ কাল সন্যাসী হৈ ভাৰতৰ বিভিন্ন তীৰ্থস্থান সমূহত পৰিভ্ৰমণ কৰে। মৃত্যুৰ সময়ত পুত্ৰৰ মুখ চাবলৈ আহি পুত্ৰ আদিত্য মোহনো ব্ৰহ্মচাৰী হৈ তীৰ্থ ভ্ৰমণত যোৱা শুনি বৃদ্ধ পিতৃয়ে খেদ কৰি কৈছিল –

ভগবানকো মিলনেকে বৈৰাগ্য কৰণা নেহী হায়।
অপনা ধাম বৈঠকে ভগবানকো মিলতা হায়।।

তীক্ষ্ণ বুদ্ধিৰ সুন্দৰ সুঠাম দেহৰ আদিত্য মোহনে প্ৰথমে শুৱালকুচি গাওঁৰ বিদ্যালয়ত বিদ্যা শিক্ষা কৰাৰ পাচত বৃত্তি লাভ কৰি পলাশবাৰীত পঢ়িবলৈ লয়। সেই সময়ত নিজে 'আত্মাৰ সংযম' নাট ৰচনা কৰি নিজে ভাও লৈ অভিনয় কৰি দৰ্শকক বিমুগ্ধ কৰে। তাৰ পাচত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত পঢ়িবলৈ লয়। তেতিয়া হেমচন্দ্ৰ বৰুৱাৰ ছবি অঙ্কন কৰি প্ৰথম পুৰস্কাৰ লাভ কৰে। তেওঁৰ গহীন, চিন্তাশীল আৰু বিৰাগী ভাব লক্ষ্য কৰি মাকে ১৯ বছৰ বয়সতে শুৱালকুছি গাওঁৰে স্বৰ্গীয় মমত বৈশ্য সাউদৰ 'উৰ্বশী' নামৰ সৰু এঘাৰ বছৰীয়া ছোৱালী এজনীক প্ৰথম বিয়া কৰাই দিয়ে। প্ৰথম বিয়াৰ পাচত কলেজিয়েট স্কুলত পঢ়ি থাকোঁতে অসম ভ্ৰমণলৈ অহা হৰিদ্বাৰৰ ভাৰত মঠৰ অধ্যক্ষ শ্ৰী মৎস্বামী ভোলা-পুৰী পৰমহংসৰ সৈতে তেখেতৰ সাক্ষাৎ হয়। বশিষ্ঠাশ্ৰমৰ সন্ধ্যাচল পাহাৰত সেই সুন্দৰ চেহেৰাৰ ডেকা আদিত্যই ব্ৰহ্মচাৰী হবলৈ কামনা কৰি উক্ত পৰম হংসৰ ওচৰ চাপে।

"দিবো দীক্ষা সন্ধ্যাচল বশিষ্ঠ আশ্ৰমে"
কৰিলেক আশীৰ্বাদ স্বামী ভোলাপুৰী।
আদিত্য দাসৰ নাম থৈলা কৃষ্ণপুৰী।।
(স্বৰ্গীয় বস্তি ভৰালী)

বৈষ্ণৱাচাৰ্য স্বামী শ্ৰী কৃষ্ণপুৰী ব্ৰহ্মচাৰী

বসুন্ধৰীৰ পুত্ৰ আদিত্য মোহনে জীৱনৰ গতি সলালে। ব্ৰহ্মচৰ্য্যকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিলে। অতি সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষা পাছ কৰিলে। বহুতো সুযোগ উপযাচি অহা স্বত্বেও চৰকাৰী চাকৰি নকৰি এনেকি নিজৰ বিবাহিত পত্নী উৰ্বশী আৰু মাতৃ বসুন্ধৰীৰ মায়াৰ বন্ধনৰ পৰাও মুক্ত হৈ কঠোৰ ব্ৰতচাৰী জীৱন গ্ৰহণ কৰে। ইংৰাজী ভাষা ভালকৈ জনাৰ উপৰিও তেওঁ সংস্কৃত ভাষা-সাহিত্য শিকি লৈছিল। যেতিয়া পৰিব্ৰাজকৰূপে ভাৰত ভ্ৰমণলৈ ওলায়, তেতিয়া সকলো ঠাইতে সকলো সময়তে সুদৰ্শন মহাত্মাৰ চেহেৰাৰে মানুহৰ স্নেহ-ভক্তি আদায় কৰি লব পাৰিছিল। তীৰ্থ যাত্ৰাত সৰসৰীয়া ইংৰাজী কথনে, পাণ্ডিত্যপূৰ্ণ সংস্কৃত শ্লোকৰ আবৃত্তিৰে ৰেলৰ সহযাত্ৰী আৰু টিকেট কলেক্টৰ আদিৰ মন মোহিত কৰিব পাৰিছিল বাবে সকলো ক্ষেত্ৰতে বিনা পইচাৰে বিনা কষ্টৰে পৰিভ্ৰমণ কৰি ফুৰিব পাৰিছিল।

স্বামী শ্ৰীকৃষ্ণপুৰী ব্ৰহ্মচাৰী আছিল পীড়িতৰ সেৱক, জাতি-জনজাতি, উচ্চ-নীচ ভেওঁ বিচাৰ নকৰি সকলোকে সমভাৱে সেৱা কৰিছিল। সেইবাবেই তেখেতে "মানৱ ধৰ্ম প্ৰচাৰিণী সংঘ" স্থাপন কৰি কৃষ্ণসেৱা আৰু ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে সৰ্থেবাৰী, শিয়ালমাৰী (টিহু), কালাগ (নলবাৰী), দলগাৰ, বলে, হচংবৰী, বাৰদিয়া, পিঙিমাৰী আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে সৰপাৰা, ভাতুৰীপাৰা, ৰামপুৰ, আমতলা আদি ঠাইত ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰ কৰিছিল। তেখেতৰ গীতৰ আবৃত্তি আৰু ধৰ্মীয় তত্বৰ ব্যাখ্যাই তেখেতৰ ওচৰচপা সকলক বিমুগ্ধ কৰিছিল। সেইবাবে শ শ শিষ্য প্ৰশিষ্যই স্বামী কৃষ্ণপুৰী গোসাইৰ শ্ৰী চৰণত ভক্তি অৰ্ঘ্য অৰ্পণ কৰিছিল। স্বৰ্গীয় বস্তিৰাম ভৰালীয়ে ব্ৰহ্মচাৰীৰ জীৱন চৰিতত লিখিছে :-

> গুৰু আৰু ঈশ্বৰৰ কোনো ভিন্ন নাই।
> কৃষ্ণপুৰী ৰূপে তুমি যোৱা যদুৰায় ॥

আধ্যাত্মিক তত্বেৰে পৰিপূৰ্ণ তেখেতৰ ভনিতা থকা কিছুমান বৰগীত ৰচনা কৰি নিজে সুৰ সংযোজন কৰি সুললিত কণ্ঠেৰে গাইছিল আৰু শিষ্যক শিক্ষা দিছিল। নিজৰ বৰগীত কিছুমান ৰচনা কৰাৰ উপৰিও জগৎ-জীৱন আৰু ঈশ্বৰৰ তত্ব থকা অনেক গীত আৰু নানান পুথি ৰচনা কৰিছিল। তেখেতৰ পুথিবোৰ একত্ৰিত ভাৱে পাবলৈ সুচল নোহোৱা বাবে আলোচন কৰা টান হ'ল। তেখেতৰ ৰচিত 'অমৃত যোৰা', 'ব্ৰহ্মবাণী', 'শ্ৰী শ্ৰী শঙ্কৰদেৱৰ স্তোত্ৰ', 'শ্ৰী শ্ৰী শঙ্কৰদেৱৰ অষ্টোত্তৰ শতনাম', 'কৌৰৱ গীতা', 'মনবোধিনী গীত', 'মাধুৰী গীত', 'বসুন্ধৰী গীত', 'বিশুদ্ধ শ্ৰী ভগৱান গীতা' আদি পুথিয়ে তেখেতৰ ভক্ত কৰি প্ৰাণৰ সুপৰিচয় দান কৰে।

মানৱক জ্ঞান দি জীৱমুক্তিৰ পথ প্ৰদৰ্শন কৰাই হৈছে তেখেতৰ জীৱনৰ ব্ৰত। সেইবাবেই শিশু কালৰে পৰাই ঈশ্বৰত ভক্তি ভাৱ জগাই তুলিবলৈ বৰ্ণ শিকোৱাৰ ছলেৰে শিক্ষা দিবলৈ তেখেতে আদিপাঠ 'আদি শিক্ষা' ৰচনা কৰিছিল। ব্ৰহ্মচৰ্যৰ জ্ঞান দিবলৈ 'ব্ৰহ্মচৰ্যবোধ', বিয়া সভাত নাম জুৰিবলৈ আয়তী সকলৰ মুখৰ 'বিয়ানাম', আধুনিক মানুহৰ কোৱাভাতুৰীয়া জীৱনৰ স্বৰূপ বিশ্লেষণাত্মক 'দুষ্টামি পুৰাণ' ৰচনা কৰিছিল। সভা সমিতিত তেখেতৰ বক্তৃতাৰ সম্মোহনী শক্তিয়ে দৰ্শক শ্ৰোতাক অভিভূত কৰি ৰাখিব পাৰিছিল। তেখেতে নিজ হাতে শিল আৰু কাঠত বিগ্ৰহ কাটি সত্ৰ সমূহত প্ৰতিষ্ঠা কৰিছিল। তেখেত এজন চিত্ৰ শিল্পীও আছিল। তেখেত একেধাৰে কবি-সাহিত্যিক, সুবক্তা, শিল্পী, চিত্ৰকৰ, ধৰ্মপ্ৰচাৰক আৰু কৃষ্ণভক্ত উদাসীন সাধক আছিল।

১৩৬৭ চনৰ ১৮ পুহ কৃষ্ণ প্ৰতিপদ সোমবাৰে (ইংৰাজী ১৯৬১ চনৰ ২ জানুৱাৰী তাৰিখে) পলাশবাৰীৰ ওচৰৰ সৰপাৰা গাওঁত "শ্ৰী শ্ৰী কৃষ্ণপুৰী সত্ৰত" আবেলি ৫ বজাত ৬৩ বছৰ বয়সত উপযুক্ত ভক্ত সাধক শিষ্য সকলক কন্দুৱাই তেখেতে ইহলীলা সম্বৰণ কৰে।০০০

পণ্ডিত বৈকুণ্ঠনাথ তর্কতীর্থ

গিৰিধৰ শৰ্মা

পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ দেৱ আজি ইহজগতত নাই। কিন্তু তেখেতৰ করুণ স্মৃতি আমাৰ বহুতৰে অন্তৰত জাগৰূক হৈ আছে। তৰ্কতীৰ্থ দেৱৰ বিনয় ব্যৱহাৰ, সজ আচৰণ, নিৰ্মল চৰিত্ৰ, উদাৰ মনোভাব আৰু দয়ালু অন্তঃকৰণে সকলোকে মুগ্ধ কৰিছিল। যেয়ে এদিনলৈও তেখেতৰ সান্নিধ্যলৈ আহিছিল, তেওঁ তেওঁৰ জীৱনত তৰ্কতীৰ্থক পাহৰিব নোৱাৰিছিল। তেখেত অতি মিষ্টভাষীও আছিল। তেখেতৰ পাণ্ডিত্যৰ কথা, কবি প্ৰতিভাৰ কথা, তাৰ্কিক বিচক্ষণতাৰ কথা অসমৰ তথা বঙ্গদেশৰ বিজ্ঞজনৰ মাজত বিশেষভাবে জনাজাত। তেখেতৰ পাণ্ডিত্য আৰু কবি প্ৰতিভাৰ প্ৰতি শ্ৰদ্ধা দেখুৱাই অসম সাহিত্য সভাই উনচত্বাৰিংশ ধুবুৰী অধিৱেশনৰ কবি সম্মিলনৰ সভাপতি পদেৰে তেখেতক বিভূষিত কৰিছিল। সেই সভাপতিৰ আসনৰ পৰা তেখেতে যি গভীৰ তত্ত্বপূৰ্ণ আৰু লালিত্যময় ভাষণ দিছিল, শ্ৰোতাবৰ্গই আজিও বোধকৰো তাক পাহৰি পৰা নাই।

১৩০৭ চনৰ কাতি মাহৰ ৩ তাৰিখ শুক্ৰবাৰে (ইং ১৯০০ খৃষ্টাব্দৰ ১৯ অক্টোবৰ) কৃষ্ণা দ্বাদশী তিথিৰ দিনা কামৰূপ জিলাৰ বালাবন গ্ৰামৰ প্ৰাচীন সম্ভ্ৰান্ত আৰু লব্ধ প্ৰতিষ্ঠ চক্ৰৱৰ্তী পৰিয়ালত পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থৰ জন্ম হয়। তেওঁৰ পিতাকৰ নাম আছিল স্বৰ্গীয় সিদ্ধেশ্বৰ চক্ৰৱৰ্তী আৰু মাকৰ নাম স্বৰ্গীয় ৰজতপ্ৰিয়া দেৱী। সম্ভ্ৰান্ত হলেও উক্ত চক্ৰৱৰ্তী পৰিয়ালটিও সেই সময়ত দাৰিদ্ৰৰ হেচাত নিষ্পেষিত হৈ পৰিছিল। তাতে আকৌ বৈকুণ্ঠনাথ সৰু কালতে পিতৃহীন হোৱা বাবে তেখেতে ছাত্ৰাৱস্থাতে বহু কষ্ট বৰণ কৰিবলগীয়া হৈছিল। ফলত তীক্ষ্ণধীসম্পন্ন বৈকুণ্ঠনাথে আধুনিক ইংৰাজী শিক্ষানুষ্ঠানত ভৰ্তি হৈ নিজৰ প্ৰতিভা বিকাশৰ সুবিধা পোৱা নাছিল। বুদ্ধিমতী মাকৰ অশেষ চেষ্টাৰ ফলত প্ৰাথমিক শিক্ষা শেষ কৰি সেই সময়ৰ বালাবন গ্ৰামৰ প্ৰখ্যাত পণ্ডিত পঞ্চানন তৰ্কৰত্নদেৱৰ প্ৰভাৱতী টোলত সংস্কৃত পঢ়িবলৈ লৈছিল। ছাত্ৰাৱস্থাত ইংৰাজী নাইবা অসমীয়াৰ বিশেষ অধ্যয়ন কৰাৰ সুবিধা পোৱা নাছিল যদিও পৰবৰ্তীকালত তেওঁৰ নিজ চেষ্টাৰ ফলত কৰ্মজীৱনৰ কাম চলাবৰ জোখাৰে ইংৰাজী ভাষাও শিকি লৈছিল। অসমীয়া ভাষা-সাহিত্যৰো তেওঁ বিশেষ অধ্যয়ন আৰু চৰ্চা কৰিছিল। সংস্কৃত, অসমীয়া, বঙলা আৰু হিন্দী ভাষাত তেওঁ অনৰ্গল বক্তৃতা দিব পাৰিছিল।

ইংৰাজী স্কুলত পঢ়ি প্ৰতিভা বিকাশৰ সুবিধা পোৱা নাছিল যদিও সংস্কৃত টোলত পঢ়িয়ে বৈকুণ্ঠনাথে কম দিনৰ ভিতৰতে কৃতী ছাত্ৰ হিচাপে যশস্যা লাভ কৰিব পাৰিছিল আৰু ১৯২৪ খৃষ্টাব্দৰ ৰত্নমালা ব্যাকৰণৰ মধ্য পৰীক্ষাত অসম উপত্যকাৰ ভিতৰত সৰ্বোচ্চ স্থান অধিকাৰ কৰি বৃত্তি লাভ কৰিছিল। সেইসময়ত গৌৰীপুৰ ৰাজপৰিয়াল বিদ্যোৎসাহী আৰু পৰম দানশীল আছিল। তেওঁলোকৰ পৃষ্ঠপোষকতাতে গৌৰীপুৰ হাইস্কুল আৰু গৌৰীপুৰ তাৰিণীপ্ৰিয়া চতুষ্পাঠী এই দুটি শিক্ষানুষ্ঠানে বিশেষ খ্যাতি অৰ্জন কৰিছিল। বিশেষকৈ দুখীয়া মেধাৱী অনেক

পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ

ছাত্ৰই গৌৰীপুৰ ৰাজশবিয়ালৰ আশ্ৰয়ৰ এই দুটি শিক্ষানুষ্ঠানত অধ্যয়ন কৰি নিজক মানুহ হিচাপে গঢ়ি তোলাৰ সুবিধা পাইছিল আৰু সেই কালত গৌৰীপুৰ উচ্চ শিক্ষাৰ এটি কেন্দ্ৰ হৈয়ে পৰিছিল। অসম মাতৃৰ সেই সময়ৰ বহুতো কৃতী সন্তানে গৌৰীপুৰ ৰাজশবিয়ালক নিজ পৰিয়ালৰূপে জ্ঞান কৰিছিল আৰু কৰ্মজীৱনত কৃতজ্ঞতাৰ সুঁৱৰিছিল।

গৌৰীপুৰ তাৰিণীপ্ৰিয়া চতুষ্পাঠীৰ প্ৰধান অধ্যাপক শিক্ষানুৰাগী বিশিষ্ট পণ্ডিত ষড়ানন ন্যায়-তৰ্কতীৰ্থৰ সান্নিধ্যত তৰ্কতীৰ্থদেৱে দহবছৰৰো ওপৰকাল থাকি নানা শাস্ত্ৰৰ শিক্ষালাভ কৰিছিল আৰু কাব্য, ব্যাকৰণ আৰু ন্যায়শাস্ত্ৰৰ অসম আৰু বঙ্গত উভয় সংস্কৃত বোৰ্ডৰে উপাধি পৰীক্ষাত বিশেষ কৃতিত্বৰে উত্তীৰ্ণ হৈছিল। ছাত্ৰ জীৱনৰ শেষ বছৰ ১৯৩৫ খৃষ্টাব্দত তেখেতে সাংখ্যৰ মধ্য পৰীক্ষাত কৃতিত্বৰে প্ৰথম স্থান অধিকাৰ কৰি সেই সময়ৰ প্ৰতিযোগী ছাত্ৰ মাত্ৰৰে কাম্য 'ভুবন প্ৰতিমা' পুৰস্কাৰ আৰু স্বৰ্ণপদক লাভ কৰিছিল। মুঠতে ছাত্ৰ জীৱনত তেখেতে কেবাটিও বৃত্তি, পুৰস্কাৰ আৰু তিনিটি স্বৰ্ণপদক লাভ কৰিছিল। জ্যোতিষ আৰু স্মৃতি শাস্ত্ৰবো বিশেষ অধ্যয়ন তেখেতে কৰিছিল। তেখেতে বেদান্ত শাস্ত্ৰবো বিশেষ অধ্যয়ন কৰিছিল। গীতা আৰু বেদান্ত দৰ্শনৰ শাস্কৰ ভাষ্যৰ অদ্বৈতবাদ বিষয়ক প্ৰবন্ধ লিখি তেখেতে সেই সময়ৰ অসমৰ শিক্ষাধিকাৰ পৰম দাৰ্শনিক সতীশ চন্দ্ৰ ৰায় প্ৰদত্ত স্বৰ্ণপদক লাভ কৰিছিল। তত্ত্বপূৰ্ণ প্ৰবন্ধ লেখক হিচাবে বৈকুণ্ঠনাথৰ বিশেষ খ্যাতি আছিল। লালিত্যময় মধুৰ ছন্দেৰে কবিতা লিখাতো বৈকুণ্ঠনাথ সিদ্ধহস্ত আছিল আৰু সংস্কৃত ভাষাত বহুতো কবিতা আনকি কাব্যগ্ৰন্থও লিখিছিল। তৰ্কতীৰ্থৰ স্বৰচিত তলৰ সংস্কৃত শ্লোক আৰু তাৰ অসমীয়া ভাঙনিত আমি তেখেতৰ কবি প্ৰতিভাৰ পৰিচয় পাওঁ।

ধন্যা সা খলু দৈবকী ক্ষিতিতলে সূতেস্ম যা শ্ৰী হৰিম্‌
ধন্যা গোকুলকেশ্বৰী চ সুভগা স্তন্যং মুখে যা দদৌ।
ধন্যাস্তে ব্ৰজবাসিনঃ সুকৃতিনো লীলা সুধা ভুঞ্জিলা
ধন্যাস্তে ভুবি যে ততোহৰ্পি চৰিতং শৃন্বন্তি কৰ্ণামৃতম্‌।।

অৰ্থাৎ "শ্ৰী হৰিক জন্ম দিয়াৰ বাবে এই পৃথিৱীত আই দৈৱকীৰ জনম আৰু জীৱন ধন্য হৈছে ' গোকুলেশ্বৰী নন্দ ৰাণীৰো জীৱন ধন্য কিয়নো সেইজনা ভাগ্যৱতীয়ে জগদীশ্বৰৰ মুখত স্তন্যদান কৰিবলৈ সমৰ্থ হৈছিল। শ্ৰী হৰিৰ লীলামৃত পান কৰি অতি আনন্দিত হোৱা সেই ব্ৰজবাসী সকলৰ জীৱনো ধন্য। তাতোকৈ ধন্য সি সকল, যি সকলে সদায় হৃদয় আৰু কৰ্ণৰ ৰসায়ন স্বৰূপ শ্ৰী কৃষ্ণ লীলামৃত শ্ৰৱণত দিন অতিবাহিত কৰিছে।

(শ্ৰী কৃষ্ণলীলামৃতম্‌)

বৈকুণ্ঠনাথে তেখেতৰ ৩৪/৩৫ বছৰ বয়সলৈ সুদীৰ্ঘ ২০ বছৰৰো ওপৰকাল শাস্ত্ৰধাৰা পদ্ধতিৰে সেই সময়ৰ লব্ধপ্ৰতিষ্ঠ কেবাজনো গুৰুৰ ওচৰত নানা শাস্ত্ৰ অধ্যয়ন কৰিছিল। বিশেষকৈ দহবছৰৰো ওপৰ একাধাৰে গৌৰীপুৰ ৰাজটোল তাৰিণীপ্ৰিয়া চতুষ্পাঠীত গুৰুৰ আশ্ৰয়ত থাকি ন্যায়, সাংখ্য, বেদান্ত আদি শাস্ত্ৰ অধ্যয়ন কৰি সেই সময়ৰ ছাত্ৰ, অধ্যাপক আৰু সংস্কৃত প্ৰেমী লোক সকলক তেখেতৰ কৃতিত্বৰে চমৎকৃত কৰি নানা পাৰিতোষি, পুৰস্কাৰ লাভ কৰিছিল। সংস্কৃত শাস্ত্ৰত অধ্যয়ন অধ্যাপনাৰ পৰম্পৰা অসমত অতি প্ৰাচীন কালৰে পৰা চলি আছিল। এই কথাৰ সত্যাসত্য পাঁচশ বছৰৰো আগৰ আমাৰ ৰাজ্যৰ মহাপুৰুষ

সকলৰ আৰু তাৰ আগৰো খ্যাতনামা কবি সকলৰ জীৱনীয়েই প্ৰমাণ কৰিছে। এই পৰম্পৰা থকা কাৰণেই গুৰুসকলে গভীৰ তত্ত্বপূৰ্ণ সংস্কৃত শাস্ত্ৰৰাজী অধ্যয়ন কৰি লোক সমাজত অসমীয়া ভাষাৰ জৰিয়তে প্ৰকাশ আৰু প্ৰচাৰ কৰিব পাৰিছিল; আনকি তেখেতসকলেও সংস্কৃত ভাষাতো অনেক গ্ৰন্থ ৰচনা কৰিছিল। তাৰ আগে পাছেও আমাৰ ৰাজ্যত বিভিন্ন শাস্ত্ৰত বিশেষকৈ স্মৃতি আৰু অন্ন শাস্ত্ৰতো নানা বিচক্ষণ পণ্ডিত আছিল। পৰবৰ্তী কালতো খৃষ্টীয় ঊনবিংশ শতাব্দীৰ শেষ ভাগৰ পৰা বিংশ শতাব্দীৰ মাজভাগলৈ সংস্কৃত অধ্যয়ন অধ্যাপনাৰ প্ৰতি লোক সমাজৰ প্ৰতি বিশেষ অনুৰাগ দেখা গৈছিল। কামৰূপ, গোৱালপাৰাতো কেবাজনো খ্যাতিমান অধ্যাপকে নিজ ঘৰত টোল স্থাপন কৰি অধ্যাপনা কৰাৰ ব্যৱস্থা কৰিছিল। তাৰ ভিতৰত মণিকুলাশ্ৰম, পাণ্ডুলাধাম, গৌৰীপুৰ ৰাজটোল আদি টোল ৰাইজৰ নাইবা ৰাজপৰিয়ালৰ পৃষ্ঠপোষকতাত চলিছিল আৰু কৈহাটী, গামাৰীমুৰি, ভোগপুৰ, বালাবনগাওঁ, কৈঠালকুছি, নৰ্দ্দী, ছত্ৰা, বৰখলা, ককয়া আদি টোল হংসনাথ গোস্বামী, চন্দ্ৰকান্ত বিদ্যালঙ্কাৰ, সৰ্বানন্দ বিদ্যাবাগীশ, পঞ্চানন তৰ্কতীৰ্থ, গোপাল তৰ্কতীৰ্থ, পুষ্পনাথ শাস্ত্ৰী, শিৱনাথ স্মৃতিতীৰ্থ, কৃষ্ণদত্ত বুজৰবৰুৱা, ললিত চন্দ্ৰ স্মৃতিৰত্ন, ৰঘুনাথ ব্যাকৰণ তীৰ্থ আদি অধ্যাপক সকলে নিজ ঘৰতে স্থাপন কৰি আৱশ্যকমতে নিজে ছাত্ৰ সকলৰ খোৱা লোৱাৰো খৰচ বহন কৰি চলাইছিল। তাৰানাথ কাব্যবিনোদ, হংসনাথ স্মৃতিতীৰ্থ, গৌৰীদত্ত স্মৃতিৰত্ন, নৰপতি ন্যায়ৰত্ন আদিও বিশিষ্ট পণ্ডিত আছিল। এই সকলৰ স্মৃতিৰ উদ্দেশ্য সশ্ৰদ্ধ ভক্তি নিবেদন কৰিছোঁ।

বৈকুণ্ঠনাথৰ অলপ আগাপিছাকৈ আমাৰ ৰাজ্যত সংস্কৃত অধ্যয়ন কৰা অনেক কৃতী ছাত্ৰ আছিল তাৰ ভিতৰৰে কেইজনমানে আজিও অসমৰ সংস্কৃত পণ্ডিতৰ সন্মান ৰক্ষা কৰি আছে। সেই সকলৰ ভিতৰত বৈকুণ্ঠনাথৰ লগতে শিৱনাথ সাংখ্য তৰ্কতীৰ্থ, ভগবান চন্দ্ৰ গোস্বামী, হৰিনন্দন ভাগৱতী পঞ্চতীৰ্থ, ৰজত চন্দ্ৰ স্মৃতি ব্যাকৰণ তীৰ্থ, লক্ষীকান্ত ব্যাকৰণ তীৰ্থ, দেবেন্দ্ৰ নাথ সাংখ্যতীৰ্থ, জনাৰ্দ্দন আচাৰ্য, চিদানন্দ ভাগৱতী আদিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। হেমকান্ত বেদান্ততীৰ্থ, মনোৰঞ্জন শাস্ত্ৰী, গিৰীশ চন্দ্ৰ শাস্ত্ৰী, বিপিন চন্দ্ৰ গোস্বামী, ৰাজেশ্বৰ তৰ্কতীৰ্থ, লক্ষীপতি তৰ্কতীৰ্থ, হৰেন্দ্ৰ নাথ স্মৃতি ব্যাকৰণ তীৰ্থ, ৰমনী কান্ত বেদব্যাকৰণ তীৰ্থ, চক্ৰপতি তৰ্কতীৰ্থ, উমাপতি শৰ্মা, দেবেন্দ্ৰ নাথ স্মৃতিতীৰ্থ, গঙ্গা নাথ শাস্ত্ৰী, হৰগোবিন্দ গোস্বামী, পুৰুষোত্তম ভট্টাচাৰ্য, বিদ্যাধৰ গোস্বামী, সিদ্ধেশ্বৰ ভাগৱতী, বিশ্বনাৰায়ণ শাস্ত্ৰী, গোবিন্দ চন্দ্ৰ ভাগৱতী স্মৃতি তীৰ্থ, মহেন্দ্ৰ নাথ ভট্টাচাৰ্য, যোগেন্দ্ৰ নাথ শাস্ত্ৰী আদিয়ে এতিয়াও এই সন্মান ৰক্ষা কৰি আছে।

সেই সময়ত ইংৰাজী স্কুল কলেজত পঢ়া অনেক মেধাবী ছাত্ৰয়ো কলেজত সংস্কৃত নাইবা দৰ্শনৰ অনাৰ্চ লৈ পঢ়িছিল, আৰু সেই সকলৰ অনেকেই কোনো টোলৰ অধ্যাপকৰ যোগেৰে সংস্কৃত বোৰ্ডৰ কাব্য ব্যাকৰণ, পুৰাণ আদি শাস্ত্ৰৰ উপাধি পৰীক্ষা পাছ কৰিছিল। অসমৰ গুৰুদায়িত্বপূৰ্ণ অনেক চাকৰিতে সংস্কৃত নাইবা দৰ্শনৰ ছাত্ৰইহে নিযুক্তি পাইছিল। গুৱাহাটী কটন কলেজৰ সংস্কৃত বিভাগৰ অধ্যাপক বিশিষ্ট পণ্ডিত লক্ষীনাৰায়ণ চট্টোপাধ্যায়দেৱে অসম সংস্কৃত বোৰ্ডৰ সভাপতি হিচাপে এই বোৰ্ডৰ তথা অসমত সংস্কৃত শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল।

পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ

১৯৩৫ চনৰ জুন মাহৰ ১ তাৰিখে ধুবুৰী হৰিসভা সংস্কৃত চতুষ্পাঠীত অধ্যাপক হিচাপে বৈকুণ্ঠনাথে তেখেতৰ কৰ্মজীৱন আৰম্ভ কৰে। সেই সময়ত ধুবুৰীত মাত্ৰ কেইঘৰমান অসমীয়া পৰিয়ালে বসবাস কৰিছিল। অলপ দিনৰ ভিতৰতে তেখেতৰ অমায়িক ব্যৱহাৰ, পাণ্ডিত্য আৰু নিৰ্মল চৰিত্ৰৰ বাবে সকলো সম্প্ৰদায়ৰ মাজতে তেখেত ভক্তি আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰিছিল। তেতিয়াৰ পৰা মৃত্যুদিনলৈকে দুকুৰি বছৰৰো ওপৰকাল ধুবুৰী টোলতে থাকি তেখেতে সংস্কৃত ভাষা সাহিত্য আৰু দৰ্শনৰ অধ্যাপনা কৰাৰ লগে লগে বিভিন্ন শাস্ত্ৰীয় আলোচনা, জ্যোতিষ শাস্ত্ৰৰ আলোচনা আৰু চৰ্চা আৰু সংস্কৃত প্ৰচাৰ আদি কাৰ্য কৰা উপৰিও নানা ৰাজহুৱা কামতো নিজকে ব্যাপৃত কৰি ৰাখিছিল। তেখেতৰ ওচৰত সংস্কৃত পঢ়িবলৈ কামৰূপ আৰু কোচবিহাৰৰ পৰা অনেক ছাত্ৰ আহিছিল। বিভিন্ন পৰ্বৰ বিধি ব্যৱস্থা, ধৰ্মীয় আৰু শাস্ত্ৰ বিষয়ক আলোচনাৰ বাবে বিভিন্ন ঠাইৰ পৰা মানুহে তেখেতৰ ওচৰলৈ আহিছিল।

ছাত্ৰ হিচাপে তৰ্কতীৰ্থ যেনে কৃতী ছাত্ৰ আছিল, অধ্যাপক হিচাপেও তেনে কৃতী আৰু নিষ্ঠাবান অধ্যাপক আছিল। তেখেত কেৱল অধ্যাপকেই নাছিল। ওৰে জীৱন তেওঁ অধ্যয়নত ৰত আছিল আৰু কাব্য-সাহিত্য চৰ্চা কৰিছিল। তেখেত গৱেষকো আছিল। তেখেতৰ জ্ঞানগৰ্ভ আৰু তত্ত্বপূৰ্ণ আলোচনা আৰু ভাষণ শুনি তত্ত্বজিজ্ঞাসু সকলে পৰম আনন্দ পাইছিল। তৰ্কতীৰ্থ দেৱে একাদিক্ৰমে ছয়বাৰ প্ৰাদেশিক সংস্কৃত সমিতিৰ বাৰ্ষিক অধিবেশনত 'বিচাৰ্য্য প্ৰবন্ধ' প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছিল আৰু শাস্ত্ৰ বিচাৰত পুৰস্কৃত হৈছিল। ১৯৬৫ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা অল ইণ্ডিয়া অৰিয়েণ্টল কনফাৰেন্সত স্বৰচিত কবিতা 'শ্ৰী ভাৰত বন্দনা' আবৃত্তি কৰি প্ৰশংসা অৰ্জন কৰিছিল। জালুকবাৰীত বহা জাতীয় কংগ্ৰেছ মহাসভাত 'মঙ্গলা চৰণ' কৰিবলৈ এটি দীঘলীয়া কবিতা ৰচনা কৰি দিছিল। ১৯৭২ চনত ধুবুৰীত বহা ৩৯ তম অসম সাহিত্য সভাৰ কবি সন্মিলনৰ সভাপতিৰ আসনৰ পৰা দীঘলীয়া গভীৰ তত্ত্বপূৰ্ণ অভিভাষণ পাঠ কৰি তেখেতৰ পাণ্ডিত্যৰ পৰিচয় দিছিল। তেখেতৰ এই অভিভাষণৰ কিছু অংশ উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ- কবি হিচাপেই কাব্য সুলভ মঙ্গলাচৰণেৰে অভিভাষণৰ পাতনি মেলিছে :

শ্যাম সুন্দৰ শিখণ্ড শেখৰ
স্মেৰহাস মুৰলী মনোহৰ,
ৰাধিকা ৰসিক মাং কৃপানিধে,
স্বপ্ৰিয়াচৰণ কিঙ্কৰং কুৰু।
নৱঘন শ্যাম পৰম, নিন্দক নয়ন।
গোপালৰ বেশধাৰী, যশোদা নন্দন ।।
বাতুল চৰণ বন্দি, কবি নিধি ব্যাস।
বাল্মীকিক ক্ৰমে বন্দি সংজ্ঞা প্ৰকাশ ।।
কৱিত্ৰয়। তৱ প্ৰিয় কৱিগণ প্ৰতি।
থাকে যেন মোৰ সদা অচলা ভকতি ।।
তাৰ পাছে আদি মধ্য আধুনিক কালে।
জননীৰ যোগ্যপুত্ৰ কবি বিদগ্ধলে ।।
ৰচিছে বিচিত্ৰ কাব্য গদ্য পদ্যময়।

অৰপিলো শ্ৰদ্ধা অৰ্ঘ্য সি সবক মই ।।
ধুবুৰী নামৰ ইতিবৃত্ত কবিৰ কবিতাৰে বৰ্ণাইছে ঃ
পূণ্য ব্ৰহ্মপুত্ৰ   ধুবুৰী পুৰীৰ
আবৰি তিনিও কাষ
কুলু কুলু ৰৱে   বই সোঁৱৰাই
দিছে ই ঐতিহ্য ৰস ।১
সোণ বৰণীয়া সূৰুষ কিৰণ
পুৱা আৰু সন্ধ্যাক্ষণে ।
পৰে লুইতৰ পানীত যেতিয়া
আহা, দিব্য জ্যোতি কেনে ।। ২
বাৰিষা কালত দ্বীপ এটি যেন
দেখিলে মনত হয় ।
কেউফালে দৃশ্য অতি মনোৰম
দৰ্শকৰ চকু বয় ।। ৩
নেতাই ধুবুনী নোহতে সামান্য
সেৱিকা শিৱৰ অতি ।
সেয়ে পালে দেখা মনসা দেৱীক
লভিলে বেউলা সতী ।। ৪
গদাধৰ নই   লোহিত সঙ্গম
গুপ্তা সাগৰৰ পাৰে ।
বাঁচি উঠিছিল ইয়াতেই আৰু
চান্দ পুত্ৰ লখিন্দৰে ।। ৫
তাহানিৰে পৰা 'ধুবুৰী' নামেৰে
ই ঠাইৰ নাম হ'ল ।
বিশ্বজন মুখে   ধুবুৰীৰ নাম
ইতিহাসে লিখি গ'ল । ৬
নেতাই ধুবুনী ঘাটৰ আগতে
আছে পুন্য পাঁচ পীৰ ।
আহি সকলোৱে জ্বলাই মমবাতি
মাগে নিজ নিজ বৰ ।।৭
লুইতৰ পাৰে টিলাৰ ওপৰে
ৰম্য শিখ গুৰুদ্বাৰ ।
অতি মনোৰম পুণ্যতীৰ্থ স্থান
শিখ ধৰ্মী সকলৰ ।। ৮
চান্দডিঙা নামে পৰ্বত এখনি
লুইতৰ উজনিত ।
এতিয়াও আছে তাতে চৈধ্য ডিঙা
ডুবিছিল অকস্মাৎ ।। ৯
চান্দ সদাগৰ আৰু মনসাৰ
ঐতিহ্য জড়িত ঠাই ।

ভৈৰৱৰ চূড়া 'পঙ্কৰত্ন' আদি
আছে কীৰ্ত্তি বিজড়িয়াই ।। ১০
পুৰাণ প্ৰসিদ্ধা নন্দজল শুদ্ধা
দেৱ-দেৱীৰ স্পৰ্শ পাই ।
পুন্যাত্মা ধুবুৰী মৰতত আজি
কীৰ্ত্তিৰে আছে জীয়াই ।। ১১

কবি কোন ? আৰু কাব্য কি ? তাকে কবি সুলভ ভাষাৰে বৈকুণ্ঠনাথে বৰ্ণনা কৰিছে :

কবি কোন ? কিবা কাব্য কিনো তাৰ তত্ত্ব ?
জানিবলৈ স্বভাৱতে মন উত্ৰাৱল ।।
ব্যৱহাৰে কবি শব্দে পণ্ডিত বুজায় ।
সাহিত্য জগতে কিন্তু বিশেষাৰ্থ হয় ।।
পণ্ডিতেই হব কবি নিয়ম কোনো নাই ।
পূৰ্ব জনমৰ ফলে জন্মে কবি হই ।।
• • • •
যদিওবা পুণ্য বলে কবিত্ব লভয় ।।
কবিত্ব শকতি লাভ বহুপুণ্যে হয় ।
কবি হৈছে ক্ষণজন্মা ত্ৰিকালৰ দ্ৰষ্টা
ৰসব্ৰহ্ম উপাসক হিত উপদেষ্টা ।।
ৰস সাগৰত ডুবি হই ৰসময় ।
শক্তি নিপুনতাভ্যাসে কাব্যৰ উদয় ।।
কেতিয়াবা কাব্য কলি আপোনা আপুনি ।
ফুলি উঠে ভাবকুঞ্জে নেজানে আপুনি ।।
নেজানে নিজেও কি যে লিখিছে কবিতা ।
সমাধি ভাঙিলে পায় কাব্যৰ বাৰতা ।।
• • • •
ৰসাত্মক বাক্যকেই কাব্য বুলি কয় ।
শব্দাৰ্থৰ সুমিলনে সাহিত্য নাম পায় ।।
মূলতঃ অভেদ দুয়ো তাৰ নিদৰ্শন ।
একে নামে 'কাব্যাদৰ্শ' সাহিত্য দৰ্পন ।।
তথাপি সাহিত্য শব্দ ব্যাপক অতিশয় ।
সেয়ে কাব্য নহলেও সাহিত্য থাকয় ।।
শব্দ আৰু অৰ্থ দুয়ো কাব্যৰ শৰীৰ ।
উৎকৰ্ষ সাধক ৰীতি গুণ অলঙ্কাৰ ।।
ৰসে একমাত্ৰ আত্মা নেথাকিলে ৰস ।
কাব্য নোহে সেই বাক্য যিহেতু বিৰস ।।
চমুকৈ কবলৈ গলে কাব্য প্ৰয়োজন ।
ধৰ্ম অৰ্থ কাম মোক্ষ সুখেৰে সাধন ।।

প্ৰাচীন অসমীয়া কাব্য সাহিত্যত সংস্কৃতৰ প্ৰভাৱৰ বিষয়ে প্ৰাচীন সাহিত্য ৰাজিৰ পৰা নানা উদ্ধৃতি দি তৰ্কতীৰ্থই তেখেতৰ ভাষণত কৈছে :

"শ্ৰী মন্ত শঙ্কৰদেৱৰ পবিত্ৰ মন্দাকিনী ধাৰা সদৃশ লেখনীৰ পৰা ওলোৱা 'কীৰ্তন' আৰু দশম'ৰ পদবোৰত সংস্কৃতৰ প্ৰভাৱ অপৰিসীম। সংস্কৃত তৎসম শব্দৰ প্ৰাচুৰ্য কবিত্বময় সৌন্দৰ্য, অনুপম উপমা, ৰূপক আদিৰ ঝঙ্কাৰেৰে ঝঙ্কৃত আৰু ঘৰুৱা যোজনা পটন্তৰৰ ৰসাল সমাৱেশ মন কৰিবলগীয়া। মুঠতে শঙ্কৰ দেৱৰ শিৰৰ মুকুট সদৃশ 'কীৰ্তন ঘোষা'ৰ ভাষা, লালিত্য ভাৱৰ মাধুৰিমা, ছন্দ অলঙ্কাৰৰ ঝঙ্কাৰ, সুৰ লয়ৰ একতানতা আৰু চিন্তা ভক্তিৰ একনিষ্ঠতাই অসমীয়া জাতীয় আৰু ধৰ্ম জীৱনৰ বাটত নতুন উজ্বল পোহৰ ঢালি দিছে।" তেখেতে আৰু কয় যে অসমীয়া প্ৰাচীন কাব্য সাহিত্যৰ ওপৰত বিষয়গত, ভাষাগত আৰু ভাবগত এই তিনি প্ৰকাৰৰ প্ৰভাৱ পৰিছে। প্ৰায় সকলো প্ৰাচীন কবিয়েই মহাভাৰত, ৰামায়ণ, ভাগৱত, পুৰাণ, গৰুড় পুৰাণ, ব্ৰহ্মপুৰাণ আদিৰ পৰা কাহিনী ভাগ লৈছে। ভাব অনুসৰি ৰূপক, উৎপ্ৰেক্ষা, উপমা আদি অলঙ্কাৰৰ সহায় লৈ নিজ অন্তৰত উপচি পৰা গভীৰ অনুভূতিক বিকাশ কৰি সেই অনুভূতিক সহৃদয় পাঠকৰ অন্তৰত জগাই তুলিছে।

ছন্দ কবিতাৰ প্ৰধান অঙ্গ। কবিত ৰাণীয়ে ছন্দৰ যতি লয় আৰু সম্মোহিনী তানৰূপ সাজ-পাৰ পিন্ধি মানুহক যেনেকৈ মুহিব পাৰে, ছন্দহীন গদ্যত মুহিব পৰা তেনে গুণ দেখা নাযায়। সেয়েহে অলঙ্কাৰ শাস্ত্ৰই ব্যাকৰণ দুষ্ট আৰু ছন্দপতন হোৱা কাব্যৰ অমাৰ্জনীয় দোষক কোনোমতে সহ্য কৰা নাই। অসমীয়া প্ৰাচীন কাব্য সাহিত্যত চাৰিদফীয়া শ্লোক, সম, অৰ্ধসম আৰু বিষম নামৰ অক্ষৰবৃত্ত ছন্দৰ প্ৰয়োগ আছে। কবি সুলভ লালিত্যময় ভাষাৰে তৰ্কতীৰ্থই তেখেতৰ ভাষণ সামৰিছে এইদৰে :

'শেহান্তৰত আপোনালোকৰ মানস অনুমতি লৈ অসমী আইৰ ৰাতুল চৰণ কমলত সংস্কৃত আৰু অসমীয়া কবিতা কুসুমাঞ্জলি অৰ্পণ কৰি উপসংহাৰ কৰিব খোজোঁ :

ললিত অসম ভাষা বায়ু হিল্লোল মালা।
বিকিৰতু মধু বিশ্বে ভাতু সঙ্গীত বিদ্যা।।
মধুময় জনচিতে সৰ্বদা কাব্য চিন্তা।
শতদল মধু পানে মত্ত ভৃঙ্গীৰ ভাতু।
কাণ দুখনেৰে শুনিবলৈ পাওঁ, শুভবাৰ্তা জগতৰ।
ই দুটি চকুৰে, দেখিবলৈ পাওঁ, শিৱৰূপ সুন্দৰৰ।।
সবল সুন্দৰ অঙ্গ-প্ৰত্যঙ্গেৰে, শতেক বছৰ আমি।
তব গুণ গাই, ৰাচি থাকো যেন কৃপা কৰা যদুমণি।।

জয়তু চিৰ চেনেহী অসম জননী।
জয়তু সাহিত্য সভা জ্ঞান বিধায়িনী
কবি সম্মিলন জয়, জয় সভ্যগণ।
জয় কৰ্মীগণ মাতৃ হিয়াৰ ৰতন।।

পৃথিবীৰ শান্তি হওক, ধৰণী মধুময় হওক, অপূৰ্ণতাৰ পূৰ্ণতা হওক, সকলোৰে মঙ্গল হওক, শ্ৰী মণ্ডিতা অসমীয়ে পৰমাশ্ৰী ভাল কৰক।"

ছাত্ৰ জীৱনৰে পৰা বৈকুণ্ঠনাথৰ কবি প্ৰতিভা প্ৰকাশ পাইছিল। তেখেতৰ 'উপাসনা কুসুমাঞ্জলি' ছাত্ৰ জীৱনৰে ৰচনা। ব্ৰহ্মপুত্ৰৰ প্ৰতি আছিল তেখেতৰ অশেষ শ্ৰদ্ধা ভক্তি। সেয়ে তেখেতে মহাবাহু ব্ৰহ্মপুত্ৰক লৈ লিখিলে 'ব্ৰহ্মপুত্ৰ=স্নান বিধি'।

পণ্ডিত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ

ইয়াত ব্ৰহ্মপুত্ৰৰ মাহাত্ম্য বৰ্ণনা কৰা আছে। অসমীয়া আৰু বঙলা দুয়ো ভাষাতে কিতাপখন প্ৰকাশ লৈ ওলায়। অসমীয়া ভাষাত সন্ধ্যাপদ্ধতি কিতাপৰ অভাৱ অনুভৱ কৰিয়েই 'দেৱাৰ্চনা পদ্ধতি' নামদি এখন সন্ধ্যাপদ্ধতি তেওঁ ছপা কৰি উলিয়ায়। বৈষ্ণৱ সাহিত্য তেখেতে বিশেষ ভাবে অধ্যয়ন আৰু গৱেষণা কৰিছিল আৰু ইয়াৰ ওপৰত তেখেতৰ যথেষ্ট পাণ্ডিত্যও আছিল। তেখেত আছিল ভগৱান শ্ৰী কৃষ্ণৰ পৰম ভক্ত। সেয়ে তেখেতে 'শ্ৰী কৃষ্ণ লীলামৃতম' লিখে আৰু 'প্ৰকাশন পৰিষদৰ' অৰ্থ সাহায্যত ইং ১৯৬১ চনতে প্ৰকাশ পায়। 'শ্ৰী কৃষ্ণলীলা মৃতম', শ্ৰী মদ্ভাগৱতৰ দশম স্কন্ধৰ শ্ৰী কৃষ্ণৰ জন্মৰ পৰা ৰাস ক্ৰীড়ালৈকে ব্ৰজলীলাৰ চমু বৰ্ণনা। ব্যাসদেৱৰ ৰচিত মূল ভাগৱতৰ পিছত মূলৰ ভাব অনুসৰণ কৰি সংস্কৃত ভাষাত ভাগৱতৰ কোনো স্কন্ধৰে ৰচনা হৈছে বুলি জনা নাযায়। সেয়ে সৰল সংস্কৃত 'তোটক' ছন্দত দশম স্কন্দৰ ব্ৰজলীলা ইয়াত বৰ্ণনা কৰা হৈছে। কিতাপখনৰ ভূমিকাত পণ্ডিত মিশ্ৰনাৰায়ণ শাস্ত্ৰীয়ে লিখিছে :

'ভাৰতৰ অনেক ঠাইত স্বাধীনোত্তৰ যুগত নানা ভাবে সংস্কৃত ভাষাৰ চৰ্চা হৈছে আৰু তাৰ যোগেদি স্থানীয় ভাষাৰ শ্ৰী বৃদ্ধি সাধন হৈছে। অসমত তেনে প্ৰচেষ্টা নাই হোৱাই বুলিব পাৰি। পণ্ডিত বৈকুণ্ঠনাথ চক্ৰৱৰ্তীদেৱে একেলগে সংস্কৃত কবিতাৰ শব্দ ঝঙ্কাৰ আৰু শ্ৰুতি-মাধুৰ্য্যৰে পৰিপূৰ্ণ 'শ্ৰী কৃষ্ণলীলামৃতম', কাব্যখনিয়ে সংস্কৃত আৰু অসমীয়া দুয়োটা ভাষাতে যথাযোগ্য স্থান অধিকাৰ কৰি থাকিব।

ভাগৱতৰ উনত্ৰিশ অধ্যায় জুৰি থকা বহল আখ্যানকে লেখকে নটা প্ৰৱাহৰ মুঠ ৫৯৮ টা শ্লোকত সামৰিছে। নটা প্ৰৱাহৰ কাব্যখনিৰ প্ৰথম তিনিটা প্ৰৱাহৰ মূল সংস্কৃত পদ্য সমূহৰ ব্যাখ্যামূলক অসমীয়া গদ্য অনুবাদ আৰু পিছৰ ছয়টা প্ৰৱাহৰ অসমীয়া পদ্য অনুবাদে কাব্যখনি উপভোগ্য কৰি তুলিছে। নিদৰ্শন স্বৰূপে ইয়াৰ দুটি শ্লোক আৰু গদ্যানুবাদ আন দুটি শ্লোক আৰু পদ্যানুবাদ পাঠকৰ অবগতিৰ অৰ্থে তুলি দিয়া হ'ল –

'ব্ৰজবনিতা কৰতাল চলৎ কটকধ্বনি সঙ্গত বেণুৰবে,
ঝন ঝন ঝিঙ্কৃত নূপুৰ শিঞ্জিত নন্দিত নাভিজ কামহৰো।
বিহৰসি নন্দ পুৰন্দৰ সম্ভৱ ৰাসৰভূনি কৰেণ ৰণে,
জয় জয় মাধৱ দুৰ্জন দাৰুণ সজ্জন পালন কৃষ্ণ হৰে ।।৮

তোমাৰ মহাৰাসলীলা। আনন্দলোক শ্ৰী বৃন্দাবনত কৃষ্ণগত প্ৰাণা বিশুদ্ধ প্ৰেমৱতী ব্ৰজ গোপীসকলে ৰাসক্ৰীড়াত লয় লাসেৰে কৰতাল দি নাচি বাগি ফুৰাত তেওঁলোকৰ হাতত থকা বালাৰ মধুৰ কণ্‌ কণ্‌ ধ্বনিৰ সৈতে তোমাৰ বাঁহীৰ কল-নিনাদ আৰু নূপুৰৰ ঝন ঝন ঝিঙ্কৃত মধুৰ সুৰক সমভৱে থাপ খুৱাই ৰাসপ্ৰিয়া ব্ৰজবালা সকলৰ মনোবাঞ্ছা পূৰণৰ বাবে ৰাসবিহাৰী হৈছা। অপূৰ্ব ৰাসদৰ্শক ব্ৰহ্মা, ৰুদ্ৰ প্ৰভৃতি যোগীন্দ্ৰ মুনীন্দ্ৰ সকলে আনন্দতে আপোন পাহৰা হৈছে। হে ৰসিক শেখৰ ৰাসেশ্বৰ কৃষ্ণ! তোমাৰ জয় হওক ।।৮

প্ৰথম প্ৰৱাহৰ নন্দ-নন্দনৰ জন্মোৎসৱ কৰি সুন্দৰ ভাষাৰে বৰ্ণনা কৰিছে –

যদুনন্দন গোকুল নন্দকৰ
নৱনীবদ নিন্দক ৰূপ ধৰ।
কমলায়ত লোচন দিব্যতনো
জয় কৃষ্ণ জনাৰ্দন ৰাসহৰে ।। ৩৬ ।। ১ম প্ৰৱাহ

তুমি যদুকুল নন্দন। যদুবংশত জন্মধৰি বংশক আলোকিত কৰিছা, ইপিনে গোকুলবো আনন্দ বিধান কৰিছা। তোমাৰ কোমল দেহকান্তিয়ে নৱঘন মালাৰ কান্তিকো ম্লান কৰি দিয়ে। হে পদ্মপলাশ লোচন! হে দিব্য দেহধাৰী জনাৰ্দন তুমি জয়যুক্ত হোৱা ।।৩৬

কৃষ্ণময়ী গোপীসকলৰ কৃষ্ণাগমন প্ৰাৰ্থনা কৰিৰ ভাষাত প্ৰকাশ পাইছে :

ন ভবান কিল নন্দসূচশ্ব বিভো
নিখিলাসুভৃতান্ত পিতা ত্বমসি।
বিধিনাৰ্থিত এষি মুদা ব্ৰজকম
ক্ষিতি ভাৰ সমুদ্ধৰণায় সখে ।। ৮ ।। ৭ম প্ৰবাহ
নোহোৱা কেৱল শ্ৰী নন্দ নন্দন আমাৰ মনত তুমি ;
নিখিল জীৱৰ আধাৰ স্বৰূপ জনবো তুমিয়ে স্বামী।
মাগিলে বিধাতা জনমৰ বাবে একেটি মাথোন বৰ।
ভূভাৰ হৰণ সেয়ে তুমি প্ৰিয়পুত্ৰ হলা যশোদাৰ ।। ৮
পৰিহায় গৃহং তব দাস্য গতা :
স্বজনাশ্ৰয় পাহি বধূঃ সৰলা :।
লঘূদৰ্শয় পঙ্কজনেত্ৰ যুগম
পুৰু পায়য় নোহধৰপম সুধাম ।। ১১

তোমাৰ সেবিকা দাসী অনুগতা তোমাৰ কাৰণে হৰি আহিছোঁ সকলে দিয়াহে আশ্ৰয় গৃহসুখ পৰিহৰি।

পঙ্কজনয়ন বিশ্ববিমোহন দেখুৱা কৰুণা কৰি
অধৰ পদ্মৰ পিওঁৱা অমৃত ব্যথিতাৰ দুখহৰি ।। ১১

ইয়াৰ বাহিৰেও ভক্তি কাব্যৰ টীকা আৰু অনুবাদ শক্ৰনীতি, কেইটামান পুৰস্কাৰ প্ৰাপ্ত প্ৰবন্ধ, সংস্কৃত গদ্য আৰু কবিতা হাতেলিখা অৱস্থাতে আছে। এইখিনিও প্ৰকাশ পালে তেখেতৰ পাণ্ডিত্য আৰু কবি প্ৰতিভাৰ সম্যক পৰিচয় পোৱা যাব।

যোৱা ফাগুণ মাহৰ ৭ তাৰিখ ইং ২০ ফেব্ৰুৱাৰী ১৯৭৬ খৃঃ কৃষ্ণা ষষ্ঠীৰ দিনা ৰাতি ২ বজাত হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ বৈকুণ্ঠনাথে পৰলোক গমন কৰে ; তেখেত ইমান কৰ্তব্যপৰায়ণ আছিল যে মৃত্যুৰ দিনাখনো আনদিনাৰ দৰে টোলৰ কাজকাম কৰিছিল।

তৰ্কতীৰ্থ দেৱৰ মৃত্যুত অসমৰ তথা সংস্কৃত শিক্ষা জগতৰ এটি অপূৰণীয় ক্ষতি হল। ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ তেখেতৰ স্বৰ্গত আত্মাই চিৰ শান্তি লাভ কৰিব আৰু তেখেতৰ আদৰ্শই আমাক আমাৰ কৰ্তব্য পালনত প্ৰেৰণা যোগাব। ০০০

এই প্ৰবন্ধ প্ৰস্তুত কৰোতে তৰ্কতীৰ্থ দেৱৰ ল'ৰা শ্ৰী মান সত্যপ্ৰসাদ চক্ৰৱৰ্তীয়ে তৰ্কতীৰ্থৰ পৰম বন্ধু গৌৰীপুৰ সংস্কৃত টোলৰ অধ্যক্ষ শ্ৰী লক্ষপতি তৰ্কতীৰ্থৰ লগতে আলোচনা কৰি যুক্তিতাই দিয়া তথ্য পাতিয়ে আমাক বিশেষ সহায় কৰিছে। এই হেতুতে তেখেতসকল দুয়োজনাকে শলাগ লৈছোঁ—

লেখক।

শিল্পী-সমাজসেৱক দুলাল চন্দ্ৰ বৰুৱা

সাহিত্যাচাৰ্য্য অতুলচন্দ্ৰ হাজৰিকা

আজিৰ পৰা ডেৰকুৰি-দুকুৰি বছৰৰ আগৰ কথা। সেইসময়ত মোৰ বাসস্থান উজানবজাৰেই মুকপাৰ্শ্বত গুৱাহাটী আছিল বুলি কলে ভুল কৰা নহয়। কিয়নো তেতিয়া বহু বিষয়ত উজানবজাৰেই গুৱাহাটীৰ প্ৰতিনিধিত্ব কৰিছিল আৰু নেতৃত্বও কৰিছিল বুলি কব পাৰি; বিশেষকৈ খেল-ধেমালী, সংস্কৃতি আদিৰ ক্ষেত্ৰত। সেইদিনৰ গুৱাহাটীৰ পৰিসৰ অৱশ্যে যথেষ্ট সৰু আছিল আৰু এখালি পথালিকৈ বাঢ়ি বাঢ়ি পথালি কোমোৰাটোৰ দৰে আজিৰ গুৱাহাটী মহানগৰীৰ অৱস্থা পোৱা নাছিল। সেই সময়ৰে কোনোবা এদিন হাজোৰ এটা পুৰণি বৰুৱা পৰিয়ালৰ সন্তৰাম বৰুৱাৰ ঔৰষত জন্ম লোৱা ভাই ককাই জনচেৰেকে উজানবজাৰৰ থিয়েটাৰ ঘৰৰ পূবে মিউনিচিপেলিটি খ্যাত নবীন বাবু বা স্বৰ্গীয় নবীন বৰুৱাৰ চৌহদত খিতাপি লৈ পঢ়াশলীয়া জীৱনৰ পাতনি মেলিছিল। তেওঁলোকৰে এজন আছিল মোৰ জ্যেষ্ঠ বন্ধু দুলালচন্দ্ৰ বৰুৱা আৰু আনজন তেওঁৰ ককায়েক মুক্তি যুঁজাৰু শ্ৰীকেশৱচন্দ্ৰ বৰুৱা। হাজোৰ লগত যোগাযোগ সম্পৰ্ক নেৰিলেও দুলাল বৰুৱাই আগছোৱাত উজানবজাৰৰ আৰু পিছত শিলপুখুৰী অঞ্চলত নিগাজীকৈ থাকিবলৈ লৈছিল। তেওঁ মোতকৈ বয়সত তিনি-চাৰি বছৰমান ডাঙৰ আছিল। বিহু-বাৰু আৰু একতা সভা, নাট্য সমিতিৰ যোগেদি তেওঁৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপন হৈছিল। সেই সময়ৰ নাট্যসমিতিৰ আমি প্ৰায় বিলাকেই ইজনে সিজনৰ আপোন হৈ পৰিছিলোঁ। সি যি নহওঁক এই দুলাল বৰুৱা বৰ্ত্তমানে অখ্যাত হলেও এসময়ত গুৱাহাটীত সমাজসেৱক হিচাপে তেওঁ সুখ্যাত আৰু জনপ্ৰিয় আছিল। শেষ বয়সত খিতাপি লোৱা শিলপুখুৰী অঞ্চলৰ মানুহৰ মনত অৱশ্যে তেওঁৰ অলেখ স্মৃতি এতিয়াও সেউজী হৈ আছে।

ডেকাসময়ত দুলাল বৰুৱাৰ সামাজিক কৰ্ম ক্ষেত্ৰত পৰিসৰ আহলবহল আছিল। সেইসময়ত গুৱাহাটীত জীয়া মানুহে বৰকৈ চিনি নাপালেও মৰা মানুহবিলাকে দুলাল বৰুৱাক ভালকৈ চিনি পাইছিল। মই জনাত এনে কেইজনমান সমাজৰ হিতাকাংক্ষী লোক হৈছে দেৱপাল দাস, গুৰু প্ৰসাদ বৰুৱা, শ্ৰী অম্বৰাম বৰুৱা, শ্ৰী থাপা শৰ্মা প্ৰভৃতি। এই সকলৰ ভিতৰত আকৌ লোকবন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱাৰ সহকাৰী গুৰুপ্ৰসাদ বৰুৱা অৱশ্যে সমগ্ৰ অসমৰ ভিতৰতে সৰ্বপ্ৰথম শ্মশান বন্ধু। বৰুৱাদেৱে শতাধিক শ্মশানযাত্ৰীক হাঁহি হাঁহি বিকিওঁ আমিৰ মাজেদি শেষ বিদায় দিছে। দুলাল বৰুৱাও গুৱাহাটী বাইজৰ অন্যতম শ্মশানৰ বন্ধু বা বিপদৰ বন্ধু আছিল। গুৰু প্ৰসাদ বৰুৱা আৰু দুলাল বৰুৱা ইজনে সিজনক দেখিলেই 'চেংৰা' (ডেকা) সম্বোধনেৰে আদৰ সম্ভাষণ জনাইছিল। টান বেমাৰীক পৰ-পানি দিয়াৰে পৰা নৰকহত থৈ অহালৈকে এসময়ত দুলাল বৰুৱাক পোৱা গৈছিল। তেওঁৰ কৰ্মক্ষেত্ৰ যে কেৱল শ্মশানৰ চাৰিসীমাৰ মাজতে আবদ্ধ আছিল এনে নহয়, বিয়া-সবাহ, পূজা-বিহু, বেংক-সমবায় দোকান, যাত্ৰা-থিয়েটাৰ আদি বিভিন্ন কৰ্মক্ষেত্ৰত প্ৰাধান

কৰি দুলাল বৰুৱাই আনন্দ লাভ কৰিছিল আৰু সমাজো উপকৃত হৈছিল। দুলাল বৰুৱাই বিয়াৰ বাহৰ, বাট ঘৰ আৰু দৰা কইনাৰ ৰভা কেইখন ৰঙীন কাগজেৰে কামিনী ফুলৰ পাত আৰু কঠাল পাতেৰে সজাইছিল। আজিকালি অৱশ্যে এনে সাজ সজ্জা নোহোৱা হৈছে। বিয়াৰ বজাৰ সমাৰ কৰি দিয়াৰে পৰা ভৰালৰখীয়া হোৱালৈকে দুলাল বৰুৱাই বিয়াঘৰীয়া মানুহক সহায় কৰি দিছিল। বাৰোৱাৰী পূজাত তেওঁ চাঁদা তুলি দিছিল, অভ্যাগত সকলক শোধ-পোচ কৰিছিল। কিন্তু কোনোদিনে তেওঁ এইবোৰ কামৰ বাবে তালিকাভুক্ত বিষয়ববীয়া হবলৈ ভাল নেপাইছিল। বিষয়ববীয়া সকলে পূজাৰ ধনৰ অপব্যৱহাৰ কৰিলে নাইবা উদক ভেটা ৰখীয়া পাতিলে তেওঁৰ গা বেজবেজাই গৈছিল। তেওঁ নাম নিবিচাৰিছিল, বিচাৰিছিল কাম আৰু নিজে নিস্বাৰ্থভাৱে কাম কৰি ভাল পাইছিল।

দুলাল বৰুৱাৰ ব্যক্তিগত জীৱনত চকু ফুৰাই চালে দেখা যায় যে ডেকা কালত তেওঁ এজন বলিষ্ঠ সমাজসেৱী ডেকা আছিল। নিতৌ প্ৰাতসতে তেওঁ শয্যা ত্যাগ কৰি আলিটোৰ গোবৰবোৰ নি বাৰীৰ শাক-পাচলিৰ বাবে গোটাই ৰাখিছিল আৰু তাৰপিছতেই লুইতলৈ গৈ গা ধুই আহিছিল। তাৰপিছত নবীনবৰুৱা বা মহেন্দ্ৰ নাথ বৰুৱাৰ ঘৰত বেংকৰ কাম কৰিবলৈ গৈছিল। তেওঁ কাম কৰি উভতি যোৱাৰ পিছতেই আমাৰ বহুতৰ শয্যা এৰিবৰ হৈছিল। প্ৰৱেশিকাৰ জপনা পাৰহৈ তেওঁ কলেজীয়া শিক্ষাৰ কেইখোজ উঠিছিল আজি মোৰ মনত নপৰে। কিন্তু এইকথা জানো যে তেওঁ কামৰূপৰ বৰচাহাবৰ আমোলা হৈ জীৱন নিৰ্বাহ কৰিছিল। উপৰুৱাকৈ লতাশিল বেংকত কাম কৰিছিল আৰু গৃহশিক্ষক হিচাবেও অলপ অচৰপ আৰ্জিছিল। শিক্ষাৰ ক্ষেত্ৰত বা চাকৰিত তেওঁ মুখা ফুটোৱা মানুহ নাছিল যদিও গুৱাহাটীৰ নানা ৰাজহুৱা কামত আৰু বিশেষকৈ কামৰূপ নাট্য সমিতিলৈ বুজন বৰঙণি আগবঢ়াইছিল।

বৰ্ত্তমানে জৰাগ্ৰস্থ আৰু অচল হৈ থিয়দি থকা কুমাৰ ভাস্কৰ নাট্য মন্দিৰটোৱে কথা কব পৰা হলে দুলাল বৰুৱা আৰু ভালেমান অখ্যাত শিল্পীৰ অনেক উপভোগ্য কাহিনী কৈ শুনাব পাৰিলেহেঁতেন। মই মনত পৰা দুই এটা স্মৃতিহে উল্লেখ কৰিব খুজিছোঁ। কামৰূপ নাট্য সমিতিত দুজন সম্পাদকে অসমৰ নাট্য বুৰঞ্জীত মচিব নোৱাৰাকৈ দুটা সক উজ্জ্বল অধ্যায় ৰচনা কৰি গৈছে। এজন স্বৰ্গীয় ললিত চন্দ্ৰ চৌধুৰী আৰু আনজন শশীকান্ত গোস্বামী-এডভোকেট। গোস্বামীৰ চৈধ্যবছৰীয়া কাৰ্য্যকালেই আছিল গুৱাহাটীৰ নাট্যজগতৰ সোণালী যুগ। কেৱল সম্পাদক এজনে অকলে এটা যুগ ৰচনা কৰিব নোৱাৰে। তেওঁৰ কৰ্মশক্তি বিকশাই তুলিবলৈ প্ৰয়োজন লগৰীয়াবিলাকৰ নিষ্ঠা আৰু ত্যাগ। গোস্বামীৰ নাট্য দলটোত আছিল তেওঁৰ সক্ৰিয় সহযোগী দুলালচন্দ্ৰ বৰুৱা আৰু জনচেৰেক। এই চৈধ্যবছৰত দুলাল বৰুৱাই কামৰূপ নাট্য সমিতি তথা অসমৰ নাট্য আন্দোলনত আন্তৰিক ভাবে শ্ৰম দান কৰিছিল। মোৰ প্ৰায়বোৰ নাটৰ অভিনয়ৰ কৃতকাৰ্য্যতাৰ বাবে দুলাল বৰুৱায়ো দেহেকেহে খাটিছিল। কামৰূপ নাট্য সমিতিত যোগ দিয়াৰ পূৰ্বেও তেওঁ গুৱাহাটীৰ একতা সভা আৰু সাঁজিয়া সম্মিলনীৰ কামত আগভাগ লৈছিল। ভাস্কৰ শ্ৰী যুগল দাসে সততে কয়, তেওঁ যেনো অভিনেতা নহয়, মঞ্চৰ যোগনিয়াৰ বা বনুৱাহে। দুলাল বৰুৱাকো শিল্পী বনুৱা হিচাপে অনায়াসে যুগল দাসৰ গোষ্ঠীভুক্ত কৰিব পাৰি। তেওঁৰ কাম আছিল সততে মঞ্চৰ ভিতৰত। দৰ্শকৰ চকুৰ আঁৰত থক সজ্জাকৰ হিচাপে তেওঁ অভিনয়ৰ দৃশ্যবোৰ চকুত লগাকৈ

সজাইছিল, দৃশ্যপট উঠোৱা নমোৱা কৰিছিল আৰু শিল্পীৰ সাজপাৰবোৰ তেওঁৰ দায়িত্বতে আছিল। অভিনয় অন্ত হোৱাৰ পিছত অভিনেতা সকলক প্ৰায়েই নাটঘৰৰ ভিতৰত দেখা নেযায়। কেইবাদিন পিছলৈকে তেওঁলোকৰ চকুত টোপনি লাগি থাকে। লক্ষী গোঁসাই আৰু দুলাল বৰুৱাৰ কিন্তু অভিনয়ৰ পিছতহে কাম বাঢ়ে। বৰুৱাই অভিনয়ৰ অন্তত পুৱাতে-আহে; অভিনেতা বিলাকে ছেদেলি ভেদেলিকৈ পেলাই ৰখা বস্তুবোৰ সামৰি সুতৰি থয়। সাজপাৰবোৰ বদত দি জাপি জুপি আলমাৰীত ভাগে ভাগে ৰাখে। এনেবোৰ নাম নোহোৱা কামত প্ৰায়েই ৰাজহুৱা স্বীকৃতি লাভৰ সুযোগ নিমিলে, পাৰিশ্ৰমিক নাই; আনকি বহুসময়ত সস্তীয়া চাহপানী এটুপীও তেওঁলোকৰ ভাগ্যত নাছিল। তথাপি মঞ্চসজ্জাত দুলালচন্দ্ৰ বৰুৱা আৰু মহেন্দ্ৰ তালুকদাৰ, আলোক সজ্জাত স্বৰ্গীয় লক্ষীনাথ দাস, স্বৰ্গীয় অপূৰ্ব বৰদলৈ, ৰূপ সজ্জাত শ্ৰী যুগল দাস, শ্ৰী যামিনী বৰদলৈ, স্বৰ্গীয় ধৰণী বৰদলৈ, টিকটত শ্ৰীৰামচন্দ্ৰ গোস্বামী, দুৱাৰত শ্ৰী জীৱানন্দ চৌধুৰী, স্বৰ্গীয় বীৰেন বৰা আদিৰ নিস্বাৰ্থ বৰঙণি পাহৰিব পৰা বিধৰ নাছিল। সেইটো প্ৰচাৰৰ যুগ বা পৰম্পৰাৰ প্ৰশংসাৰ যুগ নাছিল। তাৰ মূলত লাভা লাভৰ কথাও নাছিল; একমাত্ৰ আছিল অভিনয় প্ৰীতি, সমাজ প্ৰীতি। প্ৰকৃতাৰ্থত এইবিলাক মানুহ শিল্পী নহলেও এওঁলোকক শিল্পী নিৰ্মাতা আখ্যা দিব পাৰি।

দুলাল বৰুৱাৰ ভূমিকা মঞ্চৰ ভিতৰ চ'ৰাত অপৰিহাৰ্য্য আছিল; সেইকাৰণে দুই এটা সৰু সুৰা ভাও লৈ অলপ সময়ৰ বাবেহে দৰ্শকক মুখ দেখুৱাৰ সুযোগ পাইছিল। মোৰ মনত পৰাত ডাঙৰ ভাওৰ ভিতৰত এবাৰ মাথোন তেওঁ 'কুৰুক্ষেত্ৰ' অভিনয়ত ভীমৰ ভাও দি দুঃশাসনৰ ৰক্তপান কৰিছিল আৰু ৰাক্ষস মূৰ্ত্তি ধাৰণ কৰি গোজৰণিত দৰ্শকৰ বুকু কঁপাই দিছিল। বাস্তৱ অভিনয়তো তেওঁ এবাৰ (১৯৩৭চন) তিতাবৰত মোক বিয়া-ঘাইৰত এচৰু দালিৰ তলি উলং কৰি ভীম চৰিত্ৰৰ ভীমৰ ভোজনলৈ মনত পেলাই দিছিল। সকলোখিনি দালি খাই নিঃশেষ কৰি দিয়াত তেওঁৰ পাছত খাবলৈ বহা ২৫।৩০ জন মানৰ কৰুণীয়া ভাত খাবলগীয়া হৈছিল। ই আছিল অৱশ্যে তেওঁৰ ভীমৰ খাবনৰ প্ৰদৰ্শনীমূলক আমোদ।

বেজীৰ কামতো দুলাল বৰুৱাই ৰাকী শিপিনীৰ লগত ফেৰ মাৰিব পাৰিছিল, বেজীৰে তেওঁ কাপোৰ, ধুনীয়া দৃশ্যপট—একোখন তৈয়াৰ কৰি কৰ্মব্যস্ত জীৱনৰ সুকণ্ডাৰে লাভ কৰা আজৰি সময়কণৰ সদব্যৱহাৰ কৰিছিল। তেওঁ এখন নাটকো লিখিছিল। হাজোৰ হয়গ্ৰীৱ মাধৱৰ কাহিনী অৱলম্বন কৰি লিখা 'হয়াসুৰ' নামৰ এই নাটকখন ৰচনা কৰি মোক দিছিল। চাইচিন্তি শুধৰাই দিছিলোঁ, তাৰ পিচত কি কৰিলে কব নোৱাৰোঁ।

এইজনেই আছিল পৰোপকাৰী, সমাজসেৱক, বহু জানী দুলাল বৰুৱা। ১৯৭৪ চনৰ ১০ অক্টোবৰ ৰাতি তেওঁ খাই বৈ নিশ্চিতমনে টোপনি গৈছিল। পিছদিনা ১১ তাৰিখে দোকমোকালিতে উঠিবলৈ বুলি বিছনাতে তেওঁ চকু মেলি চাইছিল। ঘৈণীয়েকে উঠিবলৈ নিদি আৰু অলপ সময় শুই থাকিবলৈ কৈ বাহিৰ ওলাই গ'ল। অলপ পিছতে ঘূৰি আহি দেখে যে বৰুৱাই সেই সুযোগতে শেষ বাৰলৈ চকু মুদিলে। সেই চকু আৰু মেল নেখালে। এইদৰে কাকো আমনি নিদিয়াকৈ শান্তিৰে তেওঁ দেহত্যাগ গ্ৰহণ কৰিলে। তেওঁৰ আত্মাই এতিয়া মহাশান্তি লাভ কৰক, এয়ে আমাৰ বিনুৰ ওচৰত কামনা ।০০০

বুৰঞ্জীবিদ কেশৱ নাৰায়ণ দত্ত

নগেন দত্ত

বুৰঞ্জীবিদ হিচাবে সৰ্বভাৰতীয় খ্যাতি লাভ কৰা অধ্যাপক কেশৱ নাৰায়ণ দত্তৰ জন্মস্থান আছিল বজালীৰ অন্তৰ্গত ৰতনপুৰ গাওঁ। তেওঁৰতসকলৰ উপৰিপুৰুষজনাৰ নাম জগদানন্দ ভূঞা বুলি জনা যায়। কায়স্থ সম্প্ৰদায়ৰ এই ঠালটোৱে কেবাপুৰুষো ধৰি এই গাওঁতে বাস কৰি আহিছে ; অৱশ্যে বিভিন্ন সময়ত নানা কাৰণত তেখেতসকলৰ ঠাল ঠেঙুলি আন ঠাইতো থিতাপি লৈছিল। স্বৰ্গীয় দত্তদেৱে নিজেই খিলঙত স্থায়ীভাবে বাস কৰিছিল। তেখেতৰ পিতৃৰ নাম আছিল ৰামেশ্বৰ আৰু মাতৃ অহল্যা দেৱী। ৰামেশ্বৰৰ পৰিয়ালৰ ভিতৰত আছিল পাঁচজনী কন্যা আৰু চাৰিটি পুত্ৰ। কেশৱ নাৰায়ণ দত্তই জন্ম লাভ কৰিছিল ১৯০৪ চনত ; আৰু সৰুৰে পৰা পঢ়াশুনাত যথেষ্ট আগ্ৰহ দেখুৱাইছিল। অসমৰ এখন ভিতৰুৱা গাওঁত জন্ম লাভ কৰি বিশ্ববিদ্যালয়ৰ শীৰ্ষতম দেওনাখন পাৰ হোৱাটো তেতিয়াৰ দিনত বহুতৰে বাবেই আছিল স্বপ্নাতীত কাম। কিন্তু নিজৰ মেধা আৰু অধ্যৱসায়ৰ ফলত দত্তদেৱে সহজতেই এম, এ, বি, এল উপাধি লাভ কৰিছিল।

ছাত্ৰজীৱনতে স্বাধীনতা আন্দোলনত তেখেতে অংশ গ্ৰহণ কৰিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত তেখেতে স্কুল এৰি ওলাই আহিছিল আৰু প্ৰায় এবছৰ কাল স্বেচ্ছাসেৱক হিচাবে কাম কৰিছিল। জীৱনৰ বিয়লি পৰত দেশ স্বাধীন হোৱাৰ পিছত স্বাধীনতা সংগ্ৰামৰ নানা দিশৰ ওপৰত গৱেষণা কৰি অসমৰ স্বাধীনতা বুৰঞ্জীৰ এজন বিশেষজ্ঞ হিচাপে তেখেত পৰিগণিত হৈছিল।

স্বাধীনতা সংগ্ৰামৰ বিশেষ এটা সন্ধিক্ষণত ১৯৩০ চনৰ ১৩ জুলাই তাৰিখে গুৱাহাটীত কামৰূপ একাডেমী স্কুল স্থাপিত হৈছিল। দত্তদেৱে কৰ্মজীৱনৰ পাতনি মেলিছিল এই স্কুলৰ প্ৰধান শিক্ষক হিচাপে। ১৯৩০ চনত গান্ধীজীৰ বিখ্যাত ডাণ্ডি যাত্ৰাই দেশত প্ৰচণ্ড আলোড়নৰ সৃষ্টি কৰিছিল। গোটেই দেশতে আইন অমান্য আৰু বিদেশী বস্তু বৰ্জন আন্দোলন চলিছিল। অসমৰ মুক্তিকামী ছাত্ৰসকলে দলে দলে ওলাই আহি শোভাযাত্ৰাত যোগ দিবলৈ ধৰিলে। হৰতাল আৰু পিকেটিঙৰ ফলত স্কুলবোৰত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা কমি যাবলৈ ধৰিলে।

সেইসময়ত অসমৰ শিক্ষাধিকাৰ আছিল জে আৰ কানিংহাম আৰু শিক্ষা দপ্তৰৰ দায়িত্বত থকা সচিবজনৰ নাম আছিল এইচ জি ডেনী। স্বাধীনতা আন্দোলনত যোগ দিয়াৰ পৰা ছাত্ৰসকলক বিৰত ৰাখিবলৈ এই দুগৰাকী বিষয়াই যথেষ্ট তৎপৰতা দেখুৱালে। শিক্ষাধিকাৰ কানিংহামে ১৯৩০ চনৰ এপ্ৰিল আৰু মে মাহত এই সম্পৰ্কে একাদিক্ৰমে চাৰিখন চাৰ্কুলাৰ জাৰি কৰিলে। ইয়াৰ দ্বাৰা চৰকাৰী আৰু চৰকাৰী সাহাৰ্যপ্ৰাপ্ত স্কুলবোৰক এইদৰে সতৰ্ক কৰি দিয়া হৈছিল যে জাতীয় কংগ্ৰেছৰ প্ৰতি সঁহাৰি দিয়া সকলো ছাত্ৰকে ৰাজনৈতিক আন্দোলনত যোগ দিয়া বুলি ধৰি লোৱা হ'ব আৰু এইবোৰ ছাত্ৰৰ বৃত্তি আৰু হোষ্টেলৰ সা-সুবিধা বন্ধ কৰি দিয়া হ'ব। ইয়াৰ উপৰিও এনে ছাত্ৰক স্কুলৰ পৰা বহিষ্কাৰ কৰি দিয়া হ'ব

বুলিও গঁকিয়াই দিয়া হৈছিল। কুখ্যাত কানিংহামৰ চাৰ্কুলাৰ (নং ১২৪, তাং ১৯ মে ১৯৩০) অসমৰ শিক্ষাজগতত এটা উল্কাপাত বুলি কলেও অত্যুক্তি কৰা নহব। এই চাৰ্কুলাৰযোগে জাৰি কৰা সময়ত সুৰমা উপত্যকাৰ স্কুলবোৰ বন্ধ কৰি দিবলৈ স্কুল পৰিদৰ্শকক ক্ষমতা দিয়া হৈছিল। যিসকল ছাত্ৰই স্বাধীনতা আন্দোলনৰ পৰা বিৰত হব নোখোজে তেওঁলোকৰ অভিভাৱক সকলক জনাই দিয়া হৈছিল যে তেওঁলোকে নিজৰ লৰাক বা অভিভাৱকত্বত থকা ছাত্ৰক স্কুলৰ পৰা আঁতৰাই নিব পাৰে। অন্যথাত, স্কুলৰ দুৱাৰ এইবোৰ ছাত্ৰৰ বাবে মেল নাখাব। যিবোৰ অভিভাৱকে নিজৰ লৰাক স্কুলত পঢ়ুৱাব খোজে তেওঁলোকে নতুনকৈ স্কুলত ভৰ্ত্তি কৰাৰ লাগিব আৰু লগতে এখন খত লিখি দিব লাগিব। এই খতখনৰ চৰ্তসমূহ এনেধৰণৰ আছিল ঃ (১) মোৰ ল'ৰাই কোনো ৰাজনৈতিক আন্দোলনত অংশ গ্ৰহণ নকৰিব, (২) তেওঁ নিশ্চিতভাৱে চৰকাৰৰ শৃঙ্খলামূলক নিয়মবোৰ আখৰে আখৰে পালন কৰিব, (৩) এই নীতি নিয়মবোৰ উলংঘা কৰিলে মোৰ ল'ৰা স্কুলৰ পৰা বহিষ্কৃত হব। কানিংহাম চাহাবৰ এই কাৰ্যত সমৰ্থন জনাই অসম চৰকাৰৰ সচিব ডেনী চাহাবে ১৯৩০ চনৰ ১৮ জুনত অসম ৰাজপত্ৰত এখন চৰকাৰী বিজ্ঞপ্তি প্ৰকাশ কৰিলে। এই বিজ্ঞপ্তিযোগে শিক্ষাধিকাৰৰ কাৰ্য্যৰ চৰকাৰী টিপ্পনী দিয়া হ'ল। কানিংহামে ঘোষণা কৰা খতখনৰ সামান্য সাল-সলনি কৰা হ'ল যদিও কাৰ্যপন্থাৰ মূলাধাৰ কিছু একে থাকিল।

এই চাৰ্কুলাৰৰ প্ৰতিবাদত বহুতো ছাত্ৰই স্কুলৰ পৰা চিৰদিনলৈ বিদায় ললে। বৰপেটা, তেজপুৰ আৰু ডিব্ৰুগড়ত নতুন নতুন স্কুল গঢ়ি উঠিল। গুৱাহাটীৰ ভালেমান বিশিষ্ট নাগৰিকৰ প্ৰচেষ্টাত এখন হাইস্কুল স্থাপিত হ'ল ১৯৩০ চনত। এইখনেই আছিল গুৱাহাটীৰ অন্যতম মাধ্যমিক বিদ্যালয় কামৰূপ একাডেমী। স্বাধীনতা আন্দোলনৰ লগত অঙ্গাঙ্গী সম্বন্ধ থকা এই স্কুলখনৰ পৰিচালনা সমিতিৰ সভাপতি আছিল কালীচৰণ সেন আৰু সম্পাদক আছিল গৌৰীকান্ত তালুকদাৰ। কিছুদিন পিছত লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে স্কুল পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিছিল। শ্ৰীদেৱেন্দ্ৰ নাথ শৰ্মাদেৱে প্ৰতিষ্ঠাতা প্ৰধান শিক্ষক হিচাবে অস্থায়ীভাৱে কিছুদিন কাম কৰাৰ পিছত কেশৱ নাৰায়ণ দত্ত দেৱক এই স্কুলৰ প্ৰধান শিক্ষকৰ পদত নিযুক্ত কৰা হয়। তেখেতৰ আপ্ৰাণ চেষ্টাৰ ফলত স্কুলখনে সোনকালে ঠন ধৰি উঠে। বিদেশী শাসকৰ বিৰূপ দৃষ্টি থকা স্বত্বেও কেইবাবছৰমানৰ ভিতৰতে এই স্কুলে কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰিলে। চৰকাৰী সাহাৰ্য্য নোলোৱাকৈ কেৱল ৰাইজৰ প্ৰচেষ্টাত আৰু শিক্ষকসকলৰ অহোপুৰুষাৰ্থৰ ফলত স্কুলৰ অৱস্থাও বছৰে বছৰে ভালৰ পিনে আহিবলৈ ধৰিলে।

১৯৩৪ চনলৈ এই স্কুলত চাকৰি কৰাৰ পিছত দত্তদেৱে দেশভক্ত তৰুণৰাম ফুকনৰ আহ্বানক্ৰমে গোৱালপাৰা হাইস্কুলৰ প্ৰধান শিক্ষকৰ পদত নিযুক্ত হয়। ইয়াতো প্ৰায় এবছৰ কাল চাকৰি কৰি তেখেতে স্কুলখনৰ ভালেমান উন্নতি সাধন কৰে।

ইয়াৰ পিছত জীৱনৰ অন্তিম অৱস্থানৈ শ্বিলঙেই তেখেতৰ প্ৰধান কৰ্ম ক্ষেত্ৰ হৈ পৰিছিল। শ্বিলঙৰ চেণ্ট এড্মাণ্ডছ কলেজৰ বুৰঞ্জীৰ অধ্যাপক হিচাপে নিযুক্তি পাই তেতিয়াৰ পৰা শ্বিলঙতে থাকিবলৈ লয়। শ্বিলঙৰ বি টি কলেজৰ লগতো তেখেত ঘনিষ্ঠ ভাৱে জড়িত আছিল আৰু কিছুকাল এই কলেজৰ হোষ্টেল চুপাৰিণ্টেণ্ডেণ্টৰ দায়িত্বও গ্ৰহণ কৰিছিল।

বুৰঞ্জীবিদ হিচাপে দত্তদেৱে ইতিমধ্যে সুখ্যাতি লাভ কৰিছিল। তাৰেই স্বীকৃতি হিচাপে অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ উপসঞ্চালক হিচাবে নিযুক্তি লাভ কৰিছিল। এই সময়তে তেখেতে অসম সচিবালয়ৰ পুৰণি ৰেকৰ্ডবোৰ বহু কষ্টেৰে তন্ন তন্নকৈ চাই 'A Handbook to the old Records of Assam Secretoriat' নামৰ পুথিখনৰ সংকলন কৰে। ইংৰাজ শাসনৰ আৰম্ভণিৰ পৰা সংৰক্ষিত হৈ থকা নানা ধৰণৰ চৰকাৰী চিঠি পত্ৰ, ফাইল আদিৰ সহায়ত অসম বুৰঞ্জীৰ ভালেমান মূল্যবান তথ্যৰ সন্ধান 'A Handbook to the old Records of Assam Secretoriat' নামৰ গ্ৰন্থখনে দিয়ে। পাণ্ডিত্যপূৰ্ণ টিপ্পনীসহ পুৰণি কাগজপত্ৰবোৰৰ অৱস্থা আৰু তথ্যবোৰৰ এটা থুলমূল আভাস এই কিতাপখনত দাঙি ধৰা হৈছে। আৰু সেয়ে আধুনিক যুগৰ অসম বুৰঞ্জীৰ ওপৰত গৱেষণা চলাবলৈ এই গ্ৰন্থখন অপৰিহাৰ্য্য হৈ পৰিছে।

১৯৫০ চনত কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ স্বাধীনতাৰ বুৰঞ্জী ৰচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে অৰু তাৰ বাবে তথ্য যোগাবলৈ ৰাজ্যিক চৰকাৰবোৰক আহ্বান জনায়। এই আহ্বানৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে মহাদেৱ শৰ্মাক বিশেষ বিষয়া হিচাপে নিযুক্তি দিয়ে। ১৯৫৩ চনত কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শক্ৰমে ভাৰতৰ স্বাধীনতা বুৰঞ্জী সংকলনৰ বাবে এখনি আঞ্চলিক কমিটি গঠন কৰে। এই কমিটিৰ সম্পাদক আছিল মহাদেৱ শৰ্মা। ডঃ এচ্ এন সেন, ডাঃ বিৰিঞ্চি কুমাৰ বৰুৱা, ডাঃ সূৰ্য্য কুমাৰ ভূঞা, শ্ৰী বিজয় চন্দ্ৰ ভাগৱতী প্ৰমুখ্যে সাতজন সভ্যৰে এই কমিটীখন গঠিত হয়। কমিটীয়ে কাম কাজ চলাবলৈ এজন উপযুক্ত গৱেষক (Research officer) বিচাৰিছিল। কেশৱ নাৰায়ণ দত্তক ১৯৫৫ চনত এই পদত নিযুক্ত কৰা হৈছিল। এই আঞ্চলিক কমিটীখনে অসমৰ স্বাধীনতা বুৰঞ্জীৰ ভালেমান মূল্যবান তথ্য সংগ্ৰহ কৰি বোৰ্ডলৈ পঠায়। দত্তদেৱৰ সম্পাদনাত "History of Freedom movement in India : Compilation of materials in the state of Assam : A synopsis and a cetalogue of materials collected up to 15th November 1955" নামৰ এখন পুস্তিকা প্ৰকাশ হয়। অসমৰ স্বাধীনতা বুৰঞ্জীৰ তেতিয়ালৈকে সংগৃহীত হোৱা সমলবোৰক ইয়াত যি আভাস দিয়া হৈছে সেয়ে অসমৰ স্বাধীনতা বুৰঞ্জী ৰচনাত যথেষ্ট সহায় কৰিব।

ইতিমধ্যে দত্তদেৱৰ ভালেমান তথ্যমূলক প্ৰবন্ধ প্ৰকাশ হয়। এইবোৰৰ ভিতৰত 'Early British relations with Hell Tribes of Assam', 'Freedom Movement in Assom in the ninetinth century' 'post-meeting raij, mels of Assam—An aspect of Freedom movement', 'Anti-British revolts in Assam in 1830' আৰু Assam in 1838 নামৰ প্ৰবন্ধকেইটা বিশেষভাবে উল্লেখযোগ্য। এই সময়চোৱাতেই দত্তদেৱৰ Landmarks of freedom struggle in Assam নামৰ গ্ৰন্থখনো প্ৰকাশ হয়। এই গ্ৰন্থখনি তেখেতৰ জীৱনৰ কীৰ্ত্তিস্তম্ভ বুলি কলেও অত্যুক্তি কৰা নহব। দেশৰ প্ৰতি থকা গভীৰ অনুৰাগেৰে ৰঞ্জিত তথ্যবহুল এই গ্ৰন্থখনে তেখেতৰ এহাতে যেনেকৈ গভীৰ পাণ্ডিত্যৰ স্বাক্ষৰ বহন কৰিছে, আনহাতে তেনেকৈ ইংৰাজী ভাষাত তেখেতৰ সাৱলীল ৰচনাক্ষম শক্তিৰ সুন্দৰ নিদৰ্শন এটিও দাঙি ধৰিছে।

বুৰঞ্জীবিদ কেশৱ নাৰায়ণ দত্ত

দত্তদেৱৰ আন এটি স্মৰণীয় কীৰ্তি হ'ল অসমৰ গেজেটীয়াৰ সাহিত্যলৈ তেখেতৰ অৱদান। ভাৰতত গেজেটিয়াৰ সাহিত্যৰ অঙ্কুৰ মোগল শাসনৰ দিনতে অঙ্কুৰিত হৈছিল যদিও ১৮৮১ চনত উইলিয়াম হাণ্টাৰৰ সম্পাদনাত ওলোৱা Inperial Gazetleer ৰনেহে ভাৰতত গেজেটিয়াৰ সাহিত্যক এটা নিশ্চিত গঢ় দিয়ে। তথ্যবহুল গেজিটিয়াৰবোৰে শাসক আৰু সাধাৰণ পাঠক সকলোৰে পৰা বিশেষ সমাদৰ লাভ কৰিছিল। ১৯০৩ চনত গেজেটিয়াৰবোৰ নতুনকৈ লিখা হৈছিল। ভাৰতৰ প্ৰত্যেক জিলাৰে একোখন গেজেটিয়াৰৰ উপৰিও প্ৰাদেশিক গেজিটিয়াৰবোৰ এই সময়তে ৰচিত হৈছিল। তদুপৰি ভাৰতবৰ্ষৰ বিভিন্ন দিশৰ ওপৰত চাৰিটা খণ্ডত গেজিটিয়াৰ ৰচিত হৈছিল। জিলা গেজেটিয়াৰবোৰৰ উপৰিও প্ৰাদেশিক আৰু দেশীয় ভিত্তিত প্ৰস্তুত কৰা গেজেটিয়াৰ বাইশটা খণ্ডত ৰচিত হৈছিল। ১৯০৩ চনৰ পৰা আৰম্ভ কৰি অলপ কেইবছৰমানৰ ভিতৰতে সকলোবোৰ গেজেটিয়াৰৰ কাম সম্পন্ন কৰা হৈছিল।

স্বাধীনতা লাভ কৰাৰ পিছত গেজেটিয়াৰবোৰ নতুনকৈ লিখি উলিয়াবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেই মৰ্মে ভাৰতৰ সকলোবোৰ ৰাজ্যতে জিলা গেজেটিয়াৰ প্ৰকাশৰ কাম হাতত লোৱা হয়। ১৯৫৮ চনত অসমত জিলা গেজেটিয়াৰ ৰচনাৰ বাবে জিলা গেজেটিয়াৰ বিভাগ খোলে; আৰু দত্তদেৱক এই বিভাগত মুৰব্বী হিচাবে নিয়োগ কৰে। তেখেতক জিলা গেজেটিয়াৰ বিভাগৰ সম্পাদক হিচাবে নিযুক্তি দিয়া হৈছিল।

সেইসময়ত অসমত জিলা গেজেটিয়াৰ ৰচনা কৰা কাম সঁচাকৈয়ে বৰ কঠিন আছিল। উনৈশটা অধ্যায় থকা প্ৰত্যেকখন জিলা গেজেটিয়াৰৰ বাবে আৱশ্যকীয় তথ্যাদি যাইকে প্ৰত্যেক জিলাৰ পৰা স্থানীয়ভাবে সংগ্ৰহ কৰিব লাগিছিল। তাৰবাবে গোনতে কোনো সুকীয়া ব্যৱস্থা লোৱা হোৱা নাছিল। দত্তদেৱৰ আপ্ৰাণ চেষ্টাৰ ফলত প্ৰত্যেক জিলাতেই একোখন জিলা কাৰ্যালয় স্থাপিত হ'ল আৰু গেজেটিয়াৰ সম্পাদনাৰ কাম ভালদৰে চলিবলৈ ধৰিলে। জিলাৰ পৰা সংগৃহীত তথ্যবোৰ আৰু অন্যান্য দিশৰ পৰা অনেক তথ্য অতি কষ্টেৰে বিচাৰি উলিয়াই তেখেতে নিজে সম্পাদনাৰ কাম হাতত ললে। কেইবছৰমানৰ ভিতৰতে গেজেটিয়াৰৰ কাম ভালেমান আগবাঢ়িল। তেখেতে সম্পাদন কৰা শিৱসাগৰ জিলা গেজেটিয়াৰ, লক্ষীমপুৰ জিলা গেজেটিয়াৰ আৰু মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলা গেজেটিয়াৰে প্ৰকাশৰ বাবে কেন্দ্ৰৰ অনুমোদন পাইছিল। উল্লেখযোগ্য যে এইদৰে অনুমোদন দিয়াৰ আগতে কেন্দ্ৰীয় চৰকাৰৰ গেজেটিয়াৰ বিভাগে সম্পাদিত গ্ৰন্থবোৰৰ তথ্যাদি পুংখানুপুংখ ৰূপে পৰীক্ষা কৰে আৰু গ্ৰন্থখনে সৰ্বভাৰতীয় মান লাভ কৰিলেহে প্ৰকাশৰ অনুমতি দিয়ে। তেখেত সম্পাদিত তিনিখন জিলা গেজেটিয়াৰে কেন্দ্ৰৰ অনুমোদন লাভ কৰাটো কম গৌৰৱৰ কথা নহয়। তেখেতে অৱসৰ গ্ৰহণ কৰাৰ পিছত ডঃ প্ৰতাপ চন্দ্ৰ চৌধুৰীদেৱৰ যত্নত শিৱসাগৰ জিলা গেজেটিয়াৰ প্ৰকাশ হয় ১৯৬৭ চনত। লক্ষীমপুৰ জিলা গেজেটিয়াৰখন অ-প্ৰকাশিত হিচাবে বহু বছৰ পৰি আছিল। এই প্ৰবন্ধ লিখকে জিলা গেজেটিয়াৰৰ মুখ্য সম্পাদক হিচাবে ১৯৭০ চনৰ শেষভাগত দায়িত্ব গ্ৰহণ কৰাৰ পিছত লক্ষীমপুৰ জিলা গেজেটিয়াৰৰ কাম হাতত লোৱা হয়। ইতিমধ্যে আগৰ লক্ষীমপুৰ জিলা বিভক্ত কৰি দুখন জিলা গঠন কৰা বাবে লক্ষীমপুৰ জিলা গেজেটিয়াৰ নতুনকৈ লিখিবলগীয়া হয়। কেশৱ নাৰায়ণ দত্ত আৰু এই প্ৰবন্ধ লিখকৰ যুটীয়া

সম্পাদনাত এইখন গেজেটিয়াৰ এতিয়া প্ৰকাশৰ পথত। মিকিৰ পাহাৰ আৰু উত্তৰ কাচাৰ জিলা গেজেটিয়াৰখনো পুনৰ সম্পাদনা কৰি উলিয়াৰ লগা হোৱাত এইখনবো প্ৰকাশ ভালেমান খিনি পিচুৱাই গৈছে। মুঠতে এই তিনিখন গেজেটিয়াৰে দত্তদেৱৰ গেজেটিয়াৰ সাহিত্যৰ প্ৰতি আগবঢ়োৱা অৱদান যুগমীয়া কৰি ৰাখিব।

জিলা গেজেটিয়াৰৰ সম্পাদক হিচাবে কাম কৰি থকা সময়তেই চৰকাৰে তেখেতৰ ওপৰত আন দুটা কামৰ দায়িত্ব অৰ্পন কৰিছিল, WHO'S WHO OF FREEDOM FIGHTERS IN ASSAM আৰু History of freedom movement in Assam। স্বাধীনতা যুদ্ধৰ বীৰ-বীৰাঙ্গনাবোৰৰ ব্যক্তি পৰিচিত প্ৰস্তুত কৰিবলৈ চৰকাৰে এখন উপদেষ্টা বোৰ্ড গঠন কৰি দিছিল আৰু দত্তদেৱৰ অধীনত আৱশ্যকীয় বিষয়াও নিয়োগ কৰিছিল। ১৯৬২ চনত এই কাম আৰম্ভ কৰা হৈছিল আৰু ১৯৬৪ চনত দত্তদেৱে চাকৰিৰ পৰা অৱসৰ লৈছিল। এই তাকৰীয়া সময়ৰ ভিতৰতে দত্তদেৱৰ তৎপৰতাত দুহেজাৰবো অধিক স্বাধীনতা যুজাৰুৰ ব্যক্তি পৰিচিতৰ বাবে তথ্য সংগ্ৰহ কৰা হয়। দত্তদেৱৰ পিছত ডঃ প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে এই কামৰ দায়িত্ব লৈছিল। ১৯৬৬ চনত এই কাম সাময়িক ভাবে স্থগিত ৰখা হৈছিল। ইয়াৰ পিছত এই কাম পুনৰ আৰম্ভ কৰা হৈছিল যদিও নানা কাৰণত আজিও সি আধৰুৱা হৈয়ে ৰৈ আছে। এইবোৰ প্ৰকাশ পালে দত্তদেৱৰ বৰগুণিৰ যথাৰ্থ মূল্যায়ন হ'ব। স্বাধীনতা বুৰঞ্জী সম্পাদনাৰ কাম অৱশ্যে দত্তদেৱৰ দিনত বেছি আগ নেবাঢ়িল। জিলা গেজেটিয়াৰ আৰু ব্যক্তি পৰিচিতিৰ কামত ব্যস্ত নথকাহলে স্বাধীনতা বুৰঞ্জীৰ সম্পাদনাৰ কামো তেখেতৰ দিনতেই নিশ্চয় সমাধা হৈ গলহেঁতেন বুলি আশা কৰিব পাৰি।

ভাৰতীয় বুৰঞ্জী মহাসভাৰ (Indian History Congress) লগত দত্তদেৱ বহুদিন ধৰি ওতঃপ্ৰোত ভাবে জড়িত আছিল। ভালেমান অধিৱেশনত নিজে যোগদান কৰাৰ উপৰিও এই মহাসভালৈ তথ্য পথুৰ প্ৰবন্ধ আগবঢ়াই সুখ্যাতি অৰ্জন কৰিছিল। একেৰাহে দুবছৰ তেওঁ ভাৰতীয় বুৰঞ্জী মহাসভাৰ কাৰ্যনিৰ্বাহকৰ সদস্য আছিল আৰু ১৯৬০ চনত আলিগড়ত অনুষ্ঠিত ভাৰতীয় বুৰঞ্জী কংগ্ৰেছৰ অধিৱেশনত তেওঁ আধুনিক বুৰঞ্জী শাখাৰ সভাপতি নিৰ্বাচিত হৈছিল। ১৯৬৭ চনত ডিব্ৰুগড়ত বহা অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিৱেশনত বুৰঞ্জী শাখাৰ সভাপতি হিচাবে তেখেতকে নিৰ্বাচিত কৰা হৈছিল। ১৯৫৯ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা ভাৰতীয় কংগ্ৰেছৰ অধিৱেশনত তেখেতে অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদকৰ দায়িত্বও লৈছিল। সেই অধিৱেশনলৈ তেখেতে নিবেদন কৰিছিল এটি মূল্যবান প্ৰবন্ধ। The khasi Insurrection 1829 (Its real course and character) এইটো অধিৱেশনৰ স্মৃতিগ্ৰন্থত (Aspects of Heritage of Assam's) প্ৰকাশ পাইছিল। দত্তদেৱৰ আন এটা মূল্যবান প্ৰবন্ধ হ'ল: 'Tribal contributions in Assam's set-up' । অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধ্বনি কৰি বিনন্দ বৰুৱাৰ লগত লগ হৈ তেখেতে স্বদেশৰ বুৰঞ্জী নামৰ এখন স্কুলীয়া পাঠ্যও লিখি উলিয়াইছিল।

কিলঙৰ মুকুল সংঘৰ লগত দত্তদেৱ ঘনিষ্ঠভাবে জড়িত আছিল। এই সংঘৰ কেবাটাও অধিৱেশন তেখেতৰ বাসভৱনতে বহিছিল। ৮/৭/৪৫ তাৰিখে তেখেতৰ বাসভৱনত বহা এখন বৈঠকত বিহুৱা কৰি ৰঘুনাথ চৌধাৰীক সম্বৰ্দ্ধনা জনোৱা

হৈছিল। ২২/২/৪৮ তাৰিখে তেখেতৰ বাস ভৱনত বহা আন এখন অধিবেশনত অধ্যক্ষ হেম বৰুৱাকো সম্বৰ্ধনা জনোৱা হৈছিল। উল্লেখযোগ্য যে মুকুল সংঘৰ লগত সু-সাহিত্যিক ৰমা দাস, সাহিত্যিক পেন্সনাৰ শ্ৰী অতুল চন্দ্ৰ বৰুৱা, শ্ৰী গণেশ চন্দ্ৰ ফুকন আদি লোক সকলো জড়িত আছিল। ইয়াৰ অধিবেশনবোৰত ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, শ্ৰী বিজয় চন্দ্ৰ ভাগৱতী, হলিৰাম ডেকা আদি স্বনামধন্য লোক সকলে যোগদান কৰিছিল। ১৯৬১ চনত মুকুল সংঘৰ দ্বাৰা প্ৰকাশিত "মুকুল প্ৰকাশ" নামৰ গ্ৰন্থত দত্তদেৱৰ "জতুৰ প্ৰতীক" নামৰ এটা বহুমূলীয়া প্ৰবন্ধ প্ৰকাশ হৈছিল। অসম সাহিত্য সভাতো তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৫০ চনত মাৰ্ঘেৰিটাত বহা অসম সাহিত্য সভাত দত্তদেৱ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল। সেইবাৰ অসম সাহিত্য সভাৰ সভাপতি আছিল অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী।

সাংবাদিকতা তেখেতৰ বৃত্তি নাছিল যদিও বাতৰি কাকতত মাজে সময়ে তেখেতৰ প্ৰবন্ধ প্ৰকাশ পাইছিল। The shillong times নামৰ বাতৰি কাকতখনৰ সম্পাদনাত তেখেতৰ সহযোগ আছিল বুলি জনা যায়।

১৯৭১ চনৰ ১৭ ফেব্ৰুৱাৰীৰ দিনা শ্বিলঙত নিজ বাসভৱনত তেখেতে শেষ নিশ্বাস পেলালে। মৃত্যুৰ কিছুদিন আগৰ পৰা বাৰ্দ্ধক্যজনিত আৰু আন আন অসুখত ভুগিছিল। তেখেতৰ বুদ্ধিদীপ্ত মনটোক বেমাৰে ম্লান কৰিব পৰা নাছিল। তেখেতৰ ওখ, ঋজু দেহ, পৰিপাটিকৈ পিন্ধা সাজ-পাৰ, অন্তৰ্ভেদী চাৱনি আৰু ৰসাল বাক্যালাপে পৰিচিত লোক সকলৰ মনত এটা গভীৰ চাপ পেলাইছিল। কিতাপ আছিল তেখেতৰ চিৰসংগী। নানা বিষয়ৰ কিতাপ পঢ়ি তেখেতে বৰ আনন্দ পাইছিল। লগ সমনীয়াৰ লগত শৈশৱৰ ধূসৰ স্মৃতি ৰোমন্থন কৰিছিল যদিও কথা বতৰাত তেখেত আছিল মিতব্যয়ী আৰু মিষ্টভাষী। তেখেতৰ গুণৰাজীয়ে অসমৰ সুধী সমাজৰ মাজত দত্তদেৱৰ বাবে আচুতীয়া আসন এখন নিশ্চয় যুগমীয়াকৈ ৰাখিব। ০০০

নীৰব সাহিত্য সাধক কালীৰাম বৈশ্য

সুনীতি দেৱী

'বেটি গ্রেট' নামেৰে ইংৰাজ লিখিকা এগৰাকীয়ে এবাৰ কৈছিল—"প্ৰণালীবদ্ধ ভাবে লিখা সকলো জীৱনীয়েই পঢ়াটো যুগুত কিয়নো সিবিলাকে আমাক কৈ দিয়ে কেনেকৈ একোজন ব্যক্তিয়ে বাধা আৰু অসুবিধাৰ সতে সংগ্ৰাম কৰি জীৱনত উন্নতি সাধিছিল, ইয়েই আমাক উৎসাহ আৰু অনুপ্ৰেৰণা দিয়ে।" আমাৰ ভাষালৈ অনূদিত আন এজনা ইংৰাজ কবিৰো এফাঁকি কথা আছে, "মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ, আমিও কৰিব পাৰো জীৱন গঢ়িত।" গতিকে যিকোনো এটি জীৱনী লিখিবলৈ ললে নিচেই লৰালি কালৰ পৰাইয়ে তাৰ আলোচনা কৰাটো নিতান্ত প্ৰয়োজনীয় সেইটো নকলেও নিশ্চয় সৰ্বজন কাম্য।

স্বৰ্গীয় কালীৰাম বৈশ্যৰ জন্ম হয় ১৯০৫ চনৰ ৩ জুন তাৰিখে কামৰূপ জিলাৰ নলবাৰী অঞ্চলৰ শিমলীয়া নামেৰে সৰু গাওঁ এখনত। সিদিনা আছিল বৃহস্পতিবাৰ ; জেঠমাহৰ ৰাতিপুৱা। সূৰ্যোদয়ৰ ঠিক আগমুহূৰ্তত কালীৰামৰ জন্ম হৈছিল। শিশু কালীৰামৰ জন্মত ঘৰখনলৈ হৰ্ষ আৰু বিষাদৰ জোৱাৰ এটি আনিছিল। কাৰণ জন্মৰ কুৰি দিন আগতেই অৰ্থাৎ তেওঁ মাতৃগৰ্ভত থাকোতেই পিতৃবিয়োগ হৈছিল। সেয়েহে শিশু কালীৰামৰ জন্মত এফালে জন্মৰ আনন্দ আৰু আনফালে মৃত্যুৰ বেদনাই ঘৰখন আবৰি ধৰিছিল। জন্মৰ পূৰ্বেই পিতৃ বিয়োগ হোৱা কাৰণে সকতে সকলোৱে তেওঁক 'কাল' বুলি মাতিছিল। কালীৰামৰ পিতৃৰ নাম আছিল বেথাৰাম আৰু মাকৰ নাম চাকাপ্ৰিয়া। পিতাকৰ চাৰি ভায়েকৰ ভিতৰত আছিল কালীৰামৰ পিতাক কনিষ্ঠ। সেয়েহে ঘৰখনত পিতৃহীন কালীৰামৰ আদৰ আছিল যথেষ্ট। বৰদেউতাক সঞ্চয়ৰাম আছিল সন্তানহীন। সেয়েহে সন্তানহীন বৰদেউতাকে তেওঁক সৰুৰে পৰা বৰ আদৰ যতনেৰে তুলি তালি ডাঙৰ দীঘল কৰিছিল। একেবাৰে ডাঙৰজন বৰদেউতাক জয়ৰামৰ মাথোন দুটি ল'ৰা-ছোৱালী আছিল, তলৰজন আছিল নিঃ সন্তান। তেওঁৰ তলৰজনৰ অবিবাহিত অৱস্থাতেই মৃত্যু হৈছিল। সেয়েহে অকালমৃত কনিষ্ঠ ভাতৃ বেথাৰামৰ সন্তান কালীৰামৰ ঘৰখনত স্থান সুকীয়া আছিল। হৰ্ষ আৰু বিষাদৰ মাজত তেওঁৰ যিদৰে জন্ম হৈছিল, সেইদৰে আদৰ আৰু অনাদৰৰ মাজতো পালিত হৈছিল তেওঁ।

মাত্ৰ পাঁচবছৰমান বয়সতেই তেওঁক স্থানীয় কুলবিল প্ৰাইমাৰী স্কুলত নাম লগাই দিয়া হৈছিল। বৰ দেউতাকৰ কোলাত বহি মুকলি পথাৰৰ মাজত অ-আ, ক-খ শিকিছিল তেওঁ। বৰদেউতাকৰ মুখে গাওঁৰ অন্যান্য ল'ৰাৰ লগতে পৰীৰ দেশৰ সাধু শুনিছিল, দেও-ভূতৰ সাধু শুনিছিল আৰু শুনিছিল সাধু আকাৰে কোৱা ৰামায়ণ মহাভাৰতৰ কথা। শিশু কালীৰামৰ বৰদেউতাকেই আছিল আদি গুৰু আৰু শিশু শ্ৰীকৃষ্ণৰ নিচিনাই তেওঁৰ শৈশৱকাল পাৰ হৈছিল। প্ৰাইমাৰী স্কুলৰ শিক্ষক আছিল স্বৰ্গীয় কাশীৰাম বাবু আৰু কালী বাবু। প্ৰাইমাৰী পৰীক্ষাত বৃত্তি

লাভ কৰি পাছ কৰাৰ পিচত তেওঁক স্থানীয় চাময়তা মাইনৰ স্কুলত নাম লগাই দিয়া হৈছিল। সেই সময়ত সেই অঞ্চলত নলবাৰী আৰু বৰপেটা হাইস্কুলত বাহিৰে আন স্কুল নাছিল, সেয়েহে স্থানীয় কেইজনমান বিদ্যোৎসাহী লোকৰ চেষ্টাত সেই অঞ্চলৰ দুখীয়া মেধাবী ছাত্ৰ সকলৰ পঢ়াৰ সুবিধাৰ কাৰণে চাময়তাত এখন মাইনৰ স্কুল স্থাপন হৈছিল। কালীৰামৰ ঘৰৰ অৱস্থা অতি শোচনীয় আছিল কাৰণেই মাইনৰ স্কুলৰ হেডমাষ্টাৰ কাশীবাবুৰ চেষ্টাত বিনামাচুলে মাইনৰ স্কুলত পঢ়াৰ সুবিধাকণ পাইছিল। চামতাৰ মাইনৰ স্কুল স্থাপন হৈছিল মাত্ৰ ৮ জনমান ছাত্ৰৰে। সেই আঠজনীয়া ছাত্ৰৰ স্কুলখনত কালীৰামেই নিচেই কুমলীয়া বয়সৰ আৰু মেধাবী ছাত্ৰ আছিল কাৰণে স্কুলৰ শিক্ষক কাশীবাবু আৰু নিধিবাবুৱে কালীৰামৰ ওপৰত বিশেষ নজৰ ৰাখি পঢুৱাইছিল। কথিত আছে এবাৰ স্কুলৰ মাচুল দিব নোৱাৰি কিতাপ বহী সোপাকেই পুৰিবই ওলাইছিল তেওঁ আৰু সেই ঘটনা শুনি তেওঁক মাচুল ৰেহাই দিয়াৰ উপৰিও কিতাপো কিনি দিছিল শিক্ষক দুজনেই। এইদৰে মাইনৰ পৰীক্ষাও জলপানী লৈ পাছ কৰিছিল। কিন্তু ঘৰৰ অৱস্থা পানীত হাহ নচৰা হোৱাৰ কাৰণে অন্যান্য ছাত্ৰ বন্ধু সকলৰ দৰে নলবাৰী বা গুৱাহাটীলৈ পঢ়িবলৈ যাব নোৱাৰিলে। তথাপিও শেষ চেষ্টা এটা দি নলবাৰীৰ গৰ্ডন হাইস্কুলতেই ওচৰৰ গাওঁৰ সম্বন্ধীয় মানুহ এঘৰত থাকি সপ্তমমান শ্ৰেণীত নাম লগাইছিল। কিন্তু বিশেষ কিছুমান অসুবিধাৰ কাৰণে ১৯১৭ চনত সপ্তমমান শ্ৰেণীতেই পঢ়াশলীয়া শিক্ষা সাং কৰি কিশোৰ কালীৰামে অনাই বনাই ফুৰিবলগীয়াত পৰিলে। কিন্তু শিক্ষাৰ প্ৰতি অদম্য হেঁপাহ থকা কালীৰামে এইদৰে বহি থাকে কেনেকৈ ? এনে সময়তে কিশোৰ কালীৰামৰ জীৱনে অন্য এটি বাট ললে। কিশোৰ কালীৰাম ঘৰতেই বহি থকা অৱস্থাত লগ পালে ভোগমন বৈশ্য নামৰ লোক এজনে। ভোগমন বাবুয়ে কালীৰামক মণ্ডলী পঢ়ুৱাবলৈ বুলি লৈ গ'ল তেওঁৰ কৰ্মস্থলী ডিব্ৰুগড়লৈ। সেই সময়ত এম ভি বা এম ই পাছ ক'ৰাৰ কাৰণে মণ্ডলী কাম পোৱাটো তেনেই উজু আছিল। ভোগমন বাবুয়ে নিজৰ সহকাৰী হিচাপে কালীৰামক মণ্ডলীকামত নিযুক্ত কৰিলে। আৰম্ভ হ'ল কালীৰামৰ কৰ্মময় জীৱন। তেতিয়া তেওঁতেৰ বয়স তেৰ কি চৈধ্য। বিধবা মাকৰ আচলৰ ধন কালীৰাম সুদূৰ ডিব্ৰুগড়ৰ গাওঁত মণ্ডলৰ কামত নিযুক্ত হৈছিল। মণ্ডলীৰ কামত থাকোঁতে কিশোৰ কালীৰামে ডিব্ৰুগড়ৰ ভালেমান ভিতৰুৱা গাওঁ যেনে শেলনীয়া, মহমাৰী আদিত জৰিপৰ কাম কৰিবলগীয়া হৈছিল। পুদাভৰিৰে চিকা কটা বাঁহত হাৰিয়ে জঙ্গলে শিকল টানি জৰিপৰ কাম কৰোঁতে তেওঁৰ বৰ কষ্ট হৈছিল। ভোগমন বাবুয়ে পুৰণি মানুহ বুলি কামত অলপ গা এৰা দি ফুৰিছিল। কেতিয়াবা দুপৰীয়া বাঁহত জৰিপৰ কাম কৰি আহি ভাত ৰান্ধি খাবৰ মন নোযাৱাত এনেয়ে থাকিছিল। সেই সময়ত তেওঁৰ যাবতীয় বস্তু যেনে কাপোৰ-কানি, বাচন-বৰ্তন প্ৰায় নাছিল বুলিলেই হয়। সেই সময়ৰ দুখ কষ্টৰ কথা তেখেতৰ ডায়েৰীৰ পাতে পাতে বৰ্ণনা কৰা আছে। তেখেতে কৈছিল, সেই সময়ত হেনো তেখেতৰ নিজকে ৰবিনছন ক্ৰুছো যেন লাগিছিল। কামৰ পৰা বছৰি আয় হৈছিল ১৬২, টকা মাথোন, তাৰে ঘৰলৈ পঠিয়াই দি বাকী যি থাকে সেইখিনিহে তেখেতে নিজৰ কাৰণে খৰচ কৰিব পাৰিছিল।

মণ্ডলৰ কামত থাকোতেই যোৰহাটৰ নৰ্মাল স্কুলত ভৰ্তিকৰণৰ খবৰ পাই তালৈ তেখেতে আবেদন কৰিছিল। আৰু তিনিবাৰৰ মূৰত যোৰহাটৰ নৰ্মাল স্কুলত

ভৰ্তিৰ অনুমতি পাই মণ্ডলৰ কাম এৰি দি নৰ্মাল পঢ়িবলৈ গৈছিল যোৰহাটলৈ। তিনিবাৰ চেষ্টাৰ মূৰত নৰ্মালত চিট পোৱা বুলি নৰ্মালৰ ছাত্ৰ বন্ধু সকলে তেওঁক হাঁহিছিল। কিন্তু যিজন ল'ৰাই তিনিবাৰ চেষ্টাৰ মূৰত নৰ্মালত চিট পাইছিল সেইজন লৰাইয়ে স্কুলৰ প্ৰত্যেকটো পৰীক্ষাতেই সৰ্বোচ্চ নম্বৰ পাই পাছ কৰিছিল। নৰ্মালত পঢ়াকালত তেখেতৰ শিক্ষাগুৰু সকল আছিল অসমৰ স্বনামধন্য সু-সাহিত্যিক স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱা, মুক্তালাল কাথবৰুৱা আদি ব্যক্তি সকল। ইমান বেচি নম্বৰ পাই নৰ্মাল স্কুলৰ ৰেকৰ্ড ভঙ্গ কৰা ছাত্ৰ কালীৰামক শিক্ষাগুৰু সকলে ৰব মৰমৰ চকুৰে চাইছিল। তেখেত সকলে কৈছিল—"কালীৰামৰ নিচিনা এনে নম্বৰ নৰ্মাল স্কুলত কোনেও আগতেও পোৱা নাছিল আৰু পিচলৈও নেপাব।" কিন্তু আন আন ছাত্ৰ বন্ধুসকলে কালীৰামৰ বুদ্ধি মত্তাক ঈৰ্ষাৰ চকুৰে চাইছিল। নৰ্মাল স্কুলত আগৰ দিনৰ গুৰুকুলৰ শিক্ষা প্ৰৱৰ্তন আছিল। ছাত্ৰ সকলৰ কাৰণে হোষ্টেল আছিল যদিও তেওঁলোকে নিজে নিজে পাল পাতি ৰন্ধা-বঢ়া, খৰি ফলা, বজাৰ কৰা, মছলা বটা আদি কাম কৰিব লাগিছিল, কিন্তু কালীৰামৰ ভাগত সদায় টান কামবোৰহে পৰিছিল। তথাপিও তেওঁ আনন্দ মনেৰে সেই কামবোৰ কৰি গৈছিল। বিশেষকৈ খৰি ফলা আৰু মছলা বটা কামটো অন্যান্য বন্ধুসকলে কালীৰামৰ পৰাহে বেচিকৈ আদায় কৰিছিল। সকৰে পৰা ৰুগীয়া কালীৰামৰ শৰীৰ দুৰ্বল থকা স্বত্বেও এই কামবোৰ কৰি গৈছিল। সেয়েহে তেওঁ ব্যায়াম কৰা অভ্যাস কৰিছিল। নৰ্মাল স্কুলত পঢ়াদিনৰ সুখ-দুখ আনন্দ বেদনা আদি অনুভূতিবোৰৰ কথা তেওঁৰ ডায়েৰীৰ পাতে পাতে উল্লেখ আছে। নৰ্মাল স্কুলতেই প্ৰকৃত ছাত্ৰ জীৱনৰ আনন্দ উপলব্ধি কৰাৰ কথা তেখেতে কৈ গৈছে।

১৯২১ চনত নৰ্মাল স্কুলত প্ৰৱেশ কৰি ১৯২৩ চনত সুখ্যাতিৰে প্ৰথম বিভাগত প্ৰথম হৈ স্কুলৰ পূৰ্বৰ ৰেকৰ্ড ভঙ্গ কৰি নৰ্মাল পাছ কৰিছিল বৈশ্যদেৱে। তাৰ পিচতেই নাজিৰাৰ চৰকাৰী হাইস্কুলে মাতিছিল তাত কাম কৰিবলৈ। ১৯২৫ চনত বৈশ্যদেৱ নাজিৰাৰ চৰকাৰী হাইস্কুলত সহকাৰী শিক্ষক হিচাবে নিযুক্ত হয়। তেতিয়া কালীৰাম কুৰি বছৰীয়া চফল ডেকা। স্কুলৰ ওপৰ শ্ৰেণীৰ ছাত্ৰ সকল আৰু বৈশ্যদেৱ প্ৰায় সমবয়সীয়া আছিল। সেই স্কুলতেই দশম মান শ্ৰেণীত ভূতপূৰ্ব অসমৰ শিক্ষামন্ত্ৰী স্বৰ্গীয় ৰামনাথ দাসক ছাত্ৰ হিচাবে পাইছিল। ৰামনাথ দাস আৰু বৈশ্যদেৱ প্ৰায় সমবয়সীয়াই আছিল। সেয়েহে স্কুলৰ ওপৰ শ্ৰেণীৰ ছাত্ৰ সকলে বৈশ্যদেৱক বন্ধু হিচাবেহে বেচি ভাল পাইছিল। নাজিৰাবাসীক তেওঁ অন্তৰেৰে ভাল পাইছিল। নৰ্মাল স্কুলখন, নাজিৰাৰ ওচৰেদি বৈ যোৱা দিখৌ নৈখন, স্কুলৰ ছাত্ৰ বন্ধু সকল আৰু সহকৰ্মী শিক্ষক বন্ধু সকলক তেখেতে অন্তৰেৰে ভাল পাইছিল। সেয়েহে নাজিৰা এৰিবৰ সময়ত তেওঁৰ অন্তৰখনো কান্দি উঠিছিল।

১৯২৫ চনৰ পৰা ১৯২৭ চনলৈ কালীৰাম বৈশ্যই নাজিৰাৰ হাইস্কুলত শিক্ষকতা কৰিছিল। এই সময়তে তেওঁ প্ৰাইভেটকৈ মেট্ৰিক পৰীক্ষা দি ষ্টাৰসহ প্ৰথম বিভাগত প্ৰবেশিকা পাছ কৰিছিল। ১৯২৭ চনত বৈশ্যদেৱে নাজিৰা হাইস্কুলৰ পৰা ধুবুৰী চৰকাৰী হাইস্কুললৈ বদলি হৈছিল। ধুবুৰীলৈ বদলি হোৱাত আৰু অতি মৰমৰ উজনি অসমখন এৰিব লগা হোৱাত তেওঁৰ অন্তৰখনে কান্দি উঠিছিল। নামনি অসমৰ সন্তান হলেও জীৱনৰ আচল সময়ছোৱা অৰ্থাৎ কৈশোৰ আৰু যৌৱনকাল উজনি অসমৰ ভালেমান ঠাই যেনে ডিব্ৰুগড়, যোৰহাট, নাজিৰা আদি ঠাইতেই কটোৱাত তেওঁ উজনি অসমখন আৰু তাৰ মানুহবিলাকক অন্তৰেৰে ভাল

পাই পেলাইছিল। নাজিৰা হাইস্কুলৰ ছাত্ৰ আৰু শিক্ষক বন্ধু সকলে বিদায় দিয়াত শেষ বাৰৰ কাৰণে মৰমৰ দিখৌ নৈখনক এবাৰ প্ৰণাম কৰি উঠি ভাটীৰ ৰেলত উঠিছিল ধুবুৰীলৈ বুলি। ছাত্ৰ আৰু শিক্ষক বন্ধু সকলে ইমান সমাবোহেৰে বিদায় দি তেওঁক ৰেলত তুলি দিছিল যে সিদিনা নাজিৰাখনত যেন বিদায়ৰ কিবা এটি কৰুণ মেলাহে হৈছিল। আনকি ৰেলত ছাত্ৰ সকলৰ বহুতে কান্দি কান্দি মৰিয়নি ষ্টেচনলৈকে আগবঢ়াবলৈ আহিছিল। ছাত্ৰ আৰু শিক্ষকৰ মধুৰ সম্বন্ধৰ কথা বৈশ্যদেৱে আজীৱন সুঁৱৰিছিল।

১৯২৭ চনত ধুবুৰী চৰকাৰী হাইস্কুললৈ শিক্ষকতা কৰিবলৈ আহিছিল। ধুবুৰীৰ হাইস্কুলত নাজিৰা হাইস্কুলৰ দৰে ছাত্ৰ সকলৰ পৰা প্ৰথমতে মধুৰ ব্যৱহাৰ পোৱা নাছিল, কিন্তু পিচলৈ ছাত্ৰ সকলৰ লগত সৌহাৰ্দ্য গঢ়ি উঠিছিল। ধুবুৰী চহৰখন মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত। ওচৰেদি বৈ গৈছে পুন্যতোৱা গদাধৰ নৈ। প্ৰকৃতিৰ পূজাৰী বৈশ্যদেৱে ধুবুৰী চহৰৰ প্ৰাকৃতিক দৃশ্য বৰ ভাল পাইছিল। ধুবুৰী চহৰখন তথা গোৱালপাৰাৰ সংস্কৃতিত কিছু পৰিমানে বঙলুৱা সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। তালৈমান বহুৰ উজনি অসমৰ চাল- চলন, আচাৰ-ব্যৱহাৰ মাত-কথাত অভ্যস্ত বৈশ্যদেৱে ধুবুৰীত প্ৰথম অৱস্থাত অসুবিধাত পৰিলেও পিচলৈ সেই সংস্কৃতিৰ লগত মিলি গৈছিল। ধুবুৰীৰ হাইস্কুলত সহকৰ্মী শিক্ষক হিচাবে পাইছিল সু-সাহিত্যিক স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ ডাঙৰীয়া, সু-সাহিত্যিক শ্ৰী অতুল চন্দ্ৰ হাজৰিকা, ভূতপূৰ্ব কটন কলেজিয়েট স্কুলৰ প্ৰধান শিক্ষক শ্ৰী অমৰাম বৰুৱা, সৰ্বৰী বাবু, ক্ষীৰোদ বাবু আদিক আৰু ছাত্ৰ হিচাপে পাইছিল স্বনামধন্য শিল্পী শ্ৰী ভূপেন হাজৰিকা প্ৰমুখ্যে তালৈমান বৰ্তমানৰ নামী লোকক। ধুবুৰীত থাকোতে বৈশ্যদেৱে আই, এ পৰীক্ষাৰ কাৰণে সাজু হৈছিল আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ষ্টাৰ সহ প্ৰথম বিভাগত আই, এ পাছ কৰিছিল।প্ৰাইভেটকৈ আই, এ পৰীক্ষা পাচ কৰিলেও তাত তেওঁৰ বিষয় সমূহ আছিল অঙ্ক, তৰ্কশাস্ত্ৰ আৰু সংস্কৃত। তাৰ পিচত তেখেতে প্ৰাইভেটে বি এ পৰীক্ষা দিয়াৰ কাৰণেও সাজু হয়। ১৯৩০ চনত বি,এ পৰীক্ষাও কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ডিষ্টিংশ্যন লৈ পাছ কৰে। বি এ পৰীক্ষা পাছ কৰাৰ খবৰ পাই আৰু মেট্ৰিকৰ পৰা এইদৰে সুখ্যাতিৰে সকলো পৰীক্ষা পাছ কৰি অহা বৈশ্যদেৱৰ ওপৰত সেই সময়ত অসম উপত্যকাৰ স্কুল সমূহৰ পৰিদৰ্শক মিঃ স্মল চাহাবৰ চকু পৰে আৰু পুনৰ এম্ এ পৰীক্ষা দিবলৈও উৎসাহ দিয়ে।

১৯৩২ চনত মিঃ স্মল চাহাবে ধুবুৰীৰ পৰা বৰপেটা চৰকাৰী হাইস্কুললৈ বৈশ্যদেৱক বদলি কৰি আনে। নাজিৰাৰ দৰে ধুবুৰীখনকো তেখেতে শেষলৈ ভাল পাই পেলাইছিল। ধুবুৰী ঐতিহ্যপূৰ্ণ ঠাই, পুন্যতোৱা ব্ৰহ্মপুত্ৰ নদী, পুন্যতোৱা গদাধৰ নদী, নেতাই ধুবুনীৰ ঘাট আৰু ওচৰৰ গাওঁ সমূহৰ প্ৰাকৃতিক শোভাই তেখেতৰ মন প্ৰাণ আবৃত কৰি ৰাখিছিল। ধুবুৰীত থকা কালত বৈশ্যদেৱে বেঞ্জামিন ফ্ৰেংকলিন নামেৰে জীৱনী সাহিত্য এখন লিখি নিজে ছপা কৰি উলিয়াইছিল। অকল ছপা কৰাই নহয় কিতাপখন নিজে দোকানে দোকানে লৈ বিক্ৰী কৰিও ফুৰিছিল। কিতাপৰ দোকান বিলাকলৈ কিতাপখন লবলৈ কৈ অনুৰোধ কৰি চিঠিও দিছিল। ফিলাডেল ফিয়াৰ (আমেৰিকাৰ) এই অদ্ভুত সাহসী আৰু উদ্যোগী মানুহজনৰ জীৱনীটোৱে বৈশ্যদেৱক বৰকৈ আকৃষ্ট কৰিছিল, কিয়নো ফিলাডেলফিয়াৰ সেই অদ্ভুত মানুহজনৰ লগত বৈশ্যদেৱৰ জীৱনৰ আদি স্তৰৰ তালৈখিনি মিল আছিল। দুয়োজনেই জীৱনৰ আদি চোৱা অনেক

মানসিক সংঘাট আৰু দুখ কষ্টৰ মাজেদি পাৰ কৰিবলগীয়া হৈছিল। সেয়েহে বেঞ্জামিন ফ্রেন্কলিনৰ জীৱনীটোৰ প্ৰতি বৈশ্যদেৱৰ এটি বিশেষ শ্ৰদ্ধা আছিল। ধুবুৰী হাইস্কুলৰ মুখপাত্ৰ 'প্ৰভাত'ৰ বৈশ্যদেৱ উপদেষ্টা আছিল আৰু প্ৰায়ে তাতো তেখেতে গল্প, কবিতা, প্ৰবন্ধ আদি লিখিছিল। আলোচনীলৈ উপযুক্ত মানদণ্ডৰ প্ৰবন্ধ পাতি নেপালেও লিখাৰ ভাৰ বৈশ্য দেৱৰ ওপৰতেই পৰিছিল। এবাৰ ৰামকৃষ্ণ পৰমহংসদেৱৰ জীৱনীৰ ওপৰত বৰ তত্ত্বমূলক প্ৰবন্ধ এটা লিখি সেই সময়ৰ অসম উপত্যকাৰ চাব জাজ কবি স্বৰ্গীয় দুৰ্গেশ্বৰ শৰ্মাদেৱৰ পৰা ৰামকৃষ্ণ পৰম হংসদেৱৰ জীৱনীৰ তিনিটা খণ্ড পুৰস্কাৰ পোৱাৰ উপৰিও কবি স্বৰ্গীয় শৰ্মাদেৱৰ পৰা মৰমৰ আশীৰ্বাদ পাইছিল। Life and Doctrine of Sri Sri Sankardeva নামৰ ইংৰাজী ৰচনা এখন শ্ৰী শ্ৰী শঙ্কৰদেৱৰ তিথি উপলক্ষে লিখি তেখেতে বিশেষ পুৰস্কাৰ লাভ কৰিছিল। অকল ধুবুৰীতেই নহয় যোৰহাট নৰ্মাল স্কুলত থকাৰ পৰাই বৈশ্যদেৱে সাহিত্য চৰ্চা কৰিবলৈ লাগি লৈছিল। সেই সময়ত নৰ্মাল স্কুলত প্ৰত্যেক শনিবাৰে 'জ্ঞানদায়িনী সভা' নামেৰে এখন আলোচনা চক্ৰ বহিছিল। আচলতে সেইখনক ছাত্ৰ আলোচনা চক্ৰ নুবুলি সাহিত্য আলোচনা চক্ৰহে বোলা উচিত। কিয়নো সেই শনিবৰীয়া আলোচনা চক্ৰ খনলৈ সেই সময়ৰ যোৰহাটৰ গণ্যমান্য ব্যক্তি সকলক আমন্ত্ৰণ কৰি অনা হৈছিল। সেই আলোচনা চক্ৰৰ সম্পাদক আছিল স্বৰ্গীয় বৈশ্যদেৱ নিজে। গতিকে আলোচনা চক্ৰত পাঠ কৰিবলৈ প্ৰবন্ধ পাতি প্ৰায়েই তেখেতে লিখিব লাগিছিল। সেই জ্ঞান দায়িনী ছাত্ৰ সভাই স্বৰ্গীয় বৈশ্যদেৱৰ অন্তৰত সাহিত্যৰ বীজ সিঁচিছিল। তদুপৰি নৰ্মাল স্কুলৰ মুখপাত্ৰ 'ছাত্ৰ'ৰো সম্পাদক আছিল বৈশ্যদেৱ। নৰ্মাল স্কুলত থকা কালতেই 'দ্ৰোণী নিৰ্যাতন' নামে কাব্য এখন আৰু 'মৰিশালীৰ কবিতা', 'চেনেহৰ পুতলা' আদি কবিতা লিখিছিল আৰু সেইবোৰ 'ছাত্ৰ'ত প্ৰকাশ পাইছিল। স্বভাব কবি বৈশ্যদেৱ কবিমন এটাৰো অধিকাৰী আছিল। মুকলি আকাশ খনে, মুকলি সেউজীয়া আৰু সোণালী ধাননী পথাৰখনে, নদ-নদী, পাহাৰ পৰ্বত জান-জুৰি, খাল-বিলে যেন তেওঁক বিভিয়াই মাতিছিল। তদুপৰি Sindabad, the Sailar নামৰ ইংৰাজী কিতাপ এখন অসমীয়ালৈ 'চিন্দাবাদ নাবিক' নাম দি অনুবাদ কৰিছিল। বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰা আৰু বিহগী কবি ৰঘুনাথ চৌধাৰীৰ লগত ভাল অন্তৰঙ্গতা আছিল।

১৯৩২ চনত বৰপেটা চৰকাৰী হাইস্কুলত সহকাৰী শিক্ষক হিচাবে যোগদান কৰি ১৯৪৯ চনৰ আগষ্ট মাহলৈকে সুদীৰ্ঘ পোন্ধৰ বছৰকাল তেওঁ বৰপেটাত অতিবাহিত কৰিছিল। শ্ৰী শ্ৰী শঙ্কৰদেৱ আৰু মাধৱদেৱৰ লীলাভূমি বৰপেটা ধামত পোন্ধৰ বছৰকাল অতিবাহিত কৰা সময়তে বৈশ্যদেৱে ইংৰাজী, বুৰঞ্জী আৰু অসমীয়া এই তিনিটা বিষয়ত প্ৰাইভেটকৈ এম এ পাছ কৰিছিল। তদুপৰি কৰিছিল বি, টি, প্ৰশিক্ষণ পাছ। কিন্তু লোকচক্ষুৰ অন্তৰালত থাকিব খোজা বৈশ্যদেৱে নামৰ পিচত কোনো ডিগ্ৰী লিখিবলৈ ভাল নেপাইছিল, মাথোন অধ্যয়নশীল মনোভাৱ এটা লৈহে পৰীক্ষাবোৰ পাছ কৰিছিল।

ধুবুৰীত থাকোতেই স্বৰ্গীয় কালীৰাম বৈশ্যই ১৯৩৫ চনত গোৱালপাৰাৰ লক্ষীপুৰ ষ্টেটৰ জমিদাৰৰ নায়েব স্বৰ্গীয় কমলা কান্ত বৈশ্যৰ প্ৰথমা কন্যা শ্ৰীমতী তাৰাপ্ৰভা দেৱীৰ পাণি গ্ৰহণ কৰিছিল। বিয়াখন সেই সময়ত বৈশ্যদেৱৰ শহুৰেকৰ আচল ঘৰ নলবাৰীৰ ওচৰৰ আখৰা গাওঁতেই হৈছিল যদিও সম্পূৰ্ণ ৰঙচুৱা পদ্ধতিৰে

হৈছিল আৰু সেয়েহে বহুতো মানুহ যেনো বিনা নিমন্ত্ৰণেই এই বিয়া চাবলৈ আহিছিল। কিন্তু বৈশ্যদেৱে যেনো সম্পূৰ্ণ অসমীয়া নিয়মেৰে দোলাত উঠি বিয়া কৰাবলৈ গৈছিল। ধুবুৰীত থাকোঁতে বিয়া কৰালেও পৰিয়ালক তেওঁ লগত নাৰাখি গাওঁৰ ঘৰতেই থৈ দিছিল। ইয়াৰ কাৰণ পৰিয়াল লগত থাকিলে তেওঁৰ পঢ়া শুনাত ব্যাঘাত হয়। সেয়েহে ৰহণেটাৰ ভাৰা ঘৰত বাছনি ল'ৰা এটা ৰাখি অকলেই আছিল। কিন্তু তেওঁৰ ৰবখন ঘৰ নহৈ এখন সৰুসুৰা স্কুলহে আছিল যেনিবা। কিয়নো বাতিপুৱাৰে পৰা ছাত্ৰৰ নিচিগা সোঁতে সেইখন স্কুলতহে পৰিণত কৰিছিল। আনকি বজাৰলৈ যাওঁতেও ল'ৰাবিলাকে তেওঁৰ পিছ নেৰিছিল। বৈশ্য চাৰৰ ইমান জনপ্ৰিয়তা আছিল যে যাতে বৈশ্য চাৰ তাতেই ল'ৰাৰ দল। ল'ৰা তথা ছাত্ৰ সকলক বৈশ্যদেৱে ইমান আল ধৰিছিল যে নিজৰ ঘৰুৱা কামৰ মাজতো সিহঁতৰ উপস্থিতিত আমনি নেপাইছিল। ছাত্ৰ সকলে তেওঁক ভয় ভক্তি আৰু শ্ৰদ্ধা কৰিছিল।

১৯৪৯ চনত বৈশ্যদেৱ অসম টেক্স বুক কমিটিৰ চেক্ৰেটাৰী পদলৈ উন্নীত হৈ শিলঙলৈ আহিছিল। সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈদেৱে বৈশ্যদেৱকেই এই কামটোৰ বাবে উপযুক্ত বিবেচনা কৰি এই পদটোলৈ আনে। এই পদত তেওঁ ১৯৬১ চনলৈকে আছিল, পিচত ওপৰৰ বিষয়াৰ লগত মনোমালিন্য হৈ চাকৰীৰ পৰা অৱসৰ গ্ৰহণৰ দুবছৰৰ আগেয়ে এই পদৰ পৰা অৱসৰ লয়। ১৯৫৭ চনত এই পদত থাকোতে তেওঁ কাশ্মীৰত হোৱা সৰ্ব ভাৰতীয় শিক্ষা অভিবৰ্তনলৈ (All India Education Conference) অসমৰ প্ৰতিনিধি হিচাবে গৈছিল। অসমৰ বাহিৰেও এই অভিবৰ্তনত ভাৰতৰ ভালেমান গণ্যমান্য শিক্ষাবিদ আৰু প্ৰদেশ বিলাকৰ শিক্ষামন্ত্ৰী, মুখ্যমন্ত্ৰী, ৰাজ্যপাল আদি উপস্থিত আছিল। বৈশ্যদেৱে অসমত উচ্চতৰ মাধ্যমিক শিক্ষাৰ প্ৰৱৰ্তন সম্পৰ্কে কৈছিল। আচলতে অসমত উচ্চতৰ মাধ্যমিক শিক্ষা প্ৰৱৰ্তনৰ ছবি তেৱেঁই ধৰিছিল। কিয়নো তেৱেঁই এই বিষয়ত ভাবিবে পৰা আছিল। নিজে পুথিবস্তু আৰু মঞ্জুৰী কৰা বিষয়ত লাগি থকা আৰু জীৱনৰ সুদীৰ্ঘ কাল শিক্ষকতা কৰাৰ পৰা যি অভিজ্ঞতা অৰ্জন কৰিছিল তাৰ পৰাই অসমত যে উচ্চতৰ মাধ্যমিক শিক্ষা প্ৰৱৰ্তন হব লাগে এই কথা সমৰ্থন কৰিছিল। স্কুলীয়া পাঠ্যপুথি মঞ্জুৰ কৰাৰ নিচিনা গধুৰ দায়িত্ব এটা তেওঁ বহন কৰিছিল। কিন্তু কেইজনমান চকুচৰহা ব্যক্তি তেওঁৰ পিচত লগা কাৰণে শেষত নিজে এই কাম ইস্তফা দিছিল বিৰক্তি হৈ।

১৯৪২ চনত ৰহণেটাত থাকোঁতেই স্বৰ্গীয় কালীৰাম বৈশ্যদেৱে কিতাপৰ ব্যৱসায়ী প্ৰতিষ্ঠান এটি গঢ়ি তুলিছিল। ব্যৱসায়ী প্ৰতিষ্ঠানটোৰ নাম আছিল 'ইকনমিক বুক ডিপো', এই ব্যৱসায় চলোৱাত সহায় কৰিছিল স্বৰ্গীয় গোপী নাথ বৈশ্য, শ্ৰী হৰেকৃষ্ণ মহন্ত, খগেন বৈশ্য আদি লোকসকলে। স্কুলত শিক্ষক হৈ থাকোঁতে প্ৰবেশিকা পৰ্য্যায়ৰ বুৰঞ্জী (ভাৰত আৰু ইংলণ্ডৰ), ভূগোল, সংস্কৃত আদিৰ কেবাখনো নোট লিখিছিল। এই বিলাক কিতাপ কলিকতাত ছপাওঁতে ছাত্ৰ সকলে প্ৰুফ আদি চাই দিয়াত সহায় কৰিছিল আৰু নিজেও এম এ পৰীক্ষা দিবলৈ কলিকতালৈ গলে প্ৰুফ আদি চাইছিল। তদুপৰি বিচিত্ৰ জ্ঞান, বৰ্তমান শ্ৰেণীৰ পাঠ্যপুথি সমূহৰ নোট, English for Beginners নামৰ চতুৰ্থ শ্ৰেণী মান শ্ৰেণীৰ পাঠ্যপুথি Matric translation আদি কেইবাখনো কিতাপ তেওঁ ৰচনা কৰিছিল। পুৰণি বৰ্তমান শ্ৰেণীৰ সাহিত্য পুথিৰ ভিতৰত বোধাজিন

মেক্‌মিলন' নতুন বৰ্তমান শ্ৰেণীৰ সাহিত্য পুথিৰ ভিতৰুৱা পাঠ 'কাম কৰি খোৱা মানুহ' আদি প্ৰবন্ধৰ লিখক কালীৰাম বৈশ্য। শিলঙত থকা কালত মতি নগৰৰ নিজ ঘৰতেই 'ইক'ন'মিক প্ৰেছ' নাম দি সৰু ছপাশাল এটা পাতি লৈছিল সৰু সৰু কিতাপ আদি ছপোৱা আৰু সৰু সৰু ছপা কাম আদি কৰাৰ কাৰণে।

'অসমীয়া শব্দ সম্ভাৰ' নামৰ অভিধান এখন আৰু কামৰূপীয়া শব্দ আৰু জতুৱা ঠাঁচৰ অভিধান এখন যুগুত কৰিবলৈ তেওঁ বহুদিন গাঁৱে ভূঞে বুঢ়া মেথা লোকক লগ ধৰি ফুৰিছিল। হিন্দু ধৰ্মৰ প্ৰাচীন গ্ৰন্থ ঋকবেদখন অসমীয়ালৈ অনুবাদ কৰিবলৈ তেওঁ হাতত লৈছিল আৰু সেই উদ্দেশ্যে বহুতো সংস্কৃতজ্ঞ পণ্ডিতক লগ ধৰি শব্দবিলাকৰ অৰ্থ বিচাৰিও ফুৰিছিল। কিন্তু এই কামবোৰ আধৰুৱা হৈ ৰ'ল। তথাপিও সেই সময়ৰ আলোচনী 'বাঁহী', 'নীলাচল' 'কাচিজোন' আদিত প্ৰবন্ধ পাতি আগবঢ়াইছিল মাজে সময়ে। 'কামৰূপৰ ৰজা ভগদত্ত', প্ৰাচ্য আৰু পাশ্চাত্য নামৰ বৰ তত্ত্বমূলক প্ৰবন্ধ সেই সময়ৰ আলোচনীত প্ৰকাশ হৈছিল। কাঁচিজোনৰ সম্পাদক এম ইব্ৰাহিম আলিৰ লগত নিবিড় বন্ধুত্ব আছিল বৈশ্য দেৱৰ। এইদৰে প্ৰায় বিশখন মান স্কুলীয়া পাঠ্যপুথি আৰু নোটবুক, একাধিক জীৱনী আৰু অনেক প্ৰবন্ধ আলোচনা লিখিছিল বৈশ্যদেৱে। তেওঁৰ আশা আছিল জীৱনৰ শেষ বেলিকা নিজৰ গাওঁলৈ গৈ সাহিত্য সাধনা কৰিব, কিন্তু অকালতে মৰহি যোৱা হেতুকে তেওঁৰ সেই আশা পূৰ্ণ নহ'ল।

এজন শিক্ষাবিদ হলেও স্বৰ্গীয় বৈশ্যদেৱৰ খেতিবাতিৰ প্ৰতি ধাপ আছিল যথেষ্ট। ফল মূলৰ বাগিছা কৰা আৰু মীন মহলৰ চখ আছিল প্ৰচুৰ। সেয়েহে নিজ গাওঁৰ ঘৰ শিমলীয়াত পোন প্ৰথমবাৰৰ বাবে ফল মূলৰ বাগিছা কৰি সেই অঞ্চলৰ ডেকা সকলক এই কামৰ প্ৰতি আকৃষ্ট কৰিবলৈ যত্ন কৰিছিল। পিচৰ কালত বহুতো স্থানীয় ডেকাই বৈশ্যদেৱক অনুসৰণ কৰি এনে বাগিছা বা ফাৰ্ম খুলিছিল। গাওঁৰ ঘৰলৈ আহিলে আঠুমূৰীয়া গামোচা পিন্ধি হাল বোৱা, কোৰমৰা বৈশ্যদেৱ সেই ঠাইৰ বহুতৰে আদৰ্শৰ প্ৰতীক আছিল। জাক জাক ল'ৰা-ছোৱালীক লৈ বুঢ়াদিয়া নদীলৈ গা ধুবলৈ যোৱা দৃশ্য সেই গাওঁৰ আজিও জীয়ৰী বোৱাৰী, ডেকা বুঢ়াই সোঁৱৰে। নাওমৰা, মাছমৰা, চিকাৰ কৰা আৰু খেতি কৰাত তেওঁৰ চখ আছিল, আৰু চখ আছিল অসমীয়া সংস্কৃতি বিহুৰ উৰুকা নিশাৰ মেজি ভোজ খোৱা, মহখেদা আদি কামৰূপীয়া স্থানীয় উৎসৱবোৰৰ উদযাপনৰ প্ৰতি। মহাত্মাগান্ধীৰ আদৰ্শ Simple living আৰু High Thinking ৰ তেখেত আছিল ভক্ত। বাহিৰত চাহাবী পোছাক পিন্ধিলেও ঘৰত আঠুমূৰীয়া চুৰীয়া পিন্ধি এটা আঁচল গায়ে মূৰে মেৰিয়াই লৈ খৰম পিন্ধিহে ফুৰিছিল, অসমীয়া খাদ্য আছিল তেওঁৰ প্ৰিয়। নিজে এজন নিষ্ঠাবান হিন্দু হৈও অন্যধৰ্মক ঘিণ নকৰা বৈশ্যদেৱে শেষকালত মৌলবী ৰাখি কোৰাণ পঢ়িবলৈ শিকিছিল। খ্ৰীষ্টিয়ানৰ বাইবেল পঢ়িছিল আৰু নৱমী পূজাৰ দিনা কৰিছিল সুললিত স্বৰেৰে চণ্ডী পাঠ। বঙালী ভাষাৰ উপভাষাবোৰ যেনে চিলথীয়া, মৈমনসিঙীয়া, চট্টগ্ৰামী, ঢাকাৰ ভাষা তেওঁ সলসলীয়াকৈ কব পাৰিছিল; আৰু পাৰিছিল নেপালী, বিহাৰী আদি ভাষা সুন্দৰকৈ কব। বগাচাহাবৰ লগত ইংৰাজী কলে কোনেও কব নোৱাৰিছিল যে সেইজন অসমীয়া মানুহে ইংৰাজী কথা কৈছে। বৰপেটাৰ ঘটনা এটা। এবাৰ বৰপেটাত বগাচাহাব এজনে তেওঁক লগ পাই ইমান ভাল পালে যে চাহাবজনে বৈশ্যদেৱৰ ঘৰলৈ নোযোৱাকৈ থাকিবই নোৱাৰা হৈ পৰিছিল। চাহাবজনে হেনো

বৈশ্যদেৱক তেওঁৰ দেশ স্কটলেণ্ডলৈ নিবৰ কাৰণেও বৰ চেষ্টা কৰিছিল। বৰপেটাৰ হাইস্কুলত কাম কৰাৰ উপৰিও কেইবছৰমান বৰপেটাৰ এম. চি কলেজত ইংৰাজীৰ অধ্যাপনা কৰিছিল আৰু শ্বিলঙলৈ আহি এডমাণ্ডচ কলেজৰ প্ৰিন্সিপালৰ বিশেষ অনুৰোধক্ৰমে কেইবছৰমান ইংৰাজীৰ লেকচাৰৰ নিযুক্ত হৈছিল। ঘৰুৱা বেশত তেনেই অনাড়ম্বৰ বৈশ্যদেৱক দেখিলে কোনেও বুজিব নোৱাৰিছিল যে তেওঁৰ ইংৰাজী ভাষাৰ জ্ঞান ইমান বেছি আছিল। ইংৰাজী ভাষাটো ভালপোৱাই ইয়াৰ কাৰণ আছিল। বৃটিছ জাতিৰ বেয়া গুণ বোৰ বাদ দি ভাল গুণবোৰ লবলৈ তেওঁ যাকে লগ পাইছিল তাকে কৈছিল। তেওঁ কৈছিল "বৃটিছ জাতি শাসক জাতি, কিন্তু সিহঁতৰ বেয়া গুণ কিছুমান আছে।" ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভাবে জপিয়াই পৰা নাছিল যদিও স্বাধীনতা আন্দোলন মনে প্ৰাণে সমৰ্থন কৰিছিল। আন্দোলনত অংশ গ্ৰহণ নকৰাৰ কাৰণ, তেওঁ আছিল শিক্ষাব্ৰতী লোক। ৰাজনীতি কৰাতকৈ অধ্যয়নটোকহে তেওঁ বেছি ভাল পাইছিল। বৈশ্য দেৱে কেতিয়াবা কদাচিতো ডাঙৰ মানুহক চাবলৈ নগৈছিল। তেওঁ কৈছিল, "এজন ডাঙৰ নেতাক চোৱাতকৈ এজন কাম কৰি খোৱা মানুহক চোৱা।" সেয়েহে নিজ গাওঁৰ খেতিয়ক পৰেইলা শেখ, অকণ কাকতি, যোগীন্দ্ৰ, শুকথা শেখ আদিৰ লগত কথা পাতিহে বেচি ভাল পাইছিল, কাৰণ এই লোক সকল আছিল কাম কৰি খোৱা মানুহ, কপালৰ ঘাম মাটিত পেলাই নিজে দুবেলা দুমুঠি আৰ্জি খোৱা মানুহ। সকৰে পৰা দুৰ্বল স্বাস্থ্যৰ বৈশ্যদেৱে সদায় সকলোকে কৈছিল স্বাস্থ্যটোৰ যতন লবলৈ ভাল স্বাস্থ্যৰ কাৰণে ভাল আহাৰ খোৱাৰ প্ৰয়োজন নাই, আমি সহজতে পোৱা আহাৰ শাক-পাততে সকলো আছে। A good liver is a bad liver অৰ্থাৎ মাছে মঙহে, ঘিউৰে সদায় খোৱা মানুহজনৰ লিভাৰ অৰ্থাৎ যকৃত সদায় কণীয়া, কিন্তু উপযুক্ত পৰিশ্ৰম কৰি আমি সহজতে পোৱা শাক-পাত, মাছ পুঠি খাই ভাল স্বাস্থ্য এটাৰ অধিকাৰী হব পাৰোঁ। ৰাতিপুৱা শুই উঠি খুদাভৰিৰে ফুৰা আছিল তেওঁৰ অভ্যাস। গাওঁলৈ গলে ব্যায়াম কৰাৰ উপৰিও গাওঁৰ ল'ৰা বিলাকক মুকলি পথাৰলৈ নি ব্যায়াম কৰিবলৈ শিকাইছিল, লাঠিখেল খেলিবলৈ শিকাইছিল। এনেবোৰ স্বাস্থ্য ৰক্ষাৰ নিয়ম পালন কৰাৰ ফলত তেওঁক সহজতে বেমাৰে আক্ৰমণ কৰিব পৰা নাছিল। কিন্তু খিলঙৰ অতিপাত ঠাণ্ডা, চৰকাৰী কামৰ পৰা পোৱা নানাৰকমৰ অশান্তিয়ে আৰু আৰ্থিক চিন্তাই লাহে লাহে বৈশ্যদেৱৰ শৰীৰ কণীয়া কৰি পেলাইছিল। কোনো শৰীৰৰ বেমাৰ কথা কাকো প্ৰকাশ কৰা নাছিল, কিন্তু লাহে লাহে শৰীৰটো অৱশ হৈ পৰাতহে বিচনাৰ আশ্ৰয় লৈছিল। কিন্তু এনে সময়তো ইকনমিক প্ৰেছৰ উন্নতিৰ কথা, ইকনমিক বুক ডিপোৰ উন্নতিৰ কথাই মনৰ পৰা এৰা দিয়া নাছিল। ইকনমিক প্ৰেছ আৰু ইকনমিক বুক ডিপোক ভালদৰে প্ৰতিষ্ঠিত কৰি তাত কিছুমান ডেকাক কৰ্মসংস্থান দি দেশৰ তথা চৰকাৰৰ নিবনুৱা সমস্যা কণমান হলেও সমাধান কৰাৰ ইচ্ছা আছিল। কোনো চৰকাৰী ধন নলৈ নিজৰ সাঁচিতীয়া অলপীয়া ধনেৰেই ব্যৱসায় আৰম্ভ কৰিছিল। চৰকাৰী চাকৰি কৰি থকা কালত খিলঙৰ মতিনগৰত যি এটা ঘৰ সাজিছিল সেয়েই আছিল তেওঁৰ সম্পত্তি। কিতাপৰ ফৰ্মা জপা, কম্পোজ কৰা, কিতাপৰ পাৰ্চেল বন্ধা, মনি অৰ্ডাৰৰ ফৰ্ম লিখা, অৰ্ডাৰ এন্ট্ৰি কৰা আদি কাম নিজে কৰাৰ উপৰিও ঘৰৰ ল'ৰা-ছোৱালী আৰু পৰিবাৰেও কৰিছিল। খিলঙৰ নিচিনা ঠাইত বৰবজাৰত অলপীয়া মানুহে

দোকান দিয়াৰ নিচিনা কাম কৰিছিল বৈশ্যদেৱে। তেওঁ কৈছিল, "আমাৰ ব্যৱসায়বোৰ সকলো বাহিৰা মানুহে যেনে বঙালী, পঞ্জাবী, মাৰোৱাৰীয়ে লৈ গ'ল। আমি অসমীয়া মানুহেও ব্যৱসায় কৰিব লাগে।" কিতাপৰ ব্যৱসায় আৰম্ভ কৰাৰ অনুপ্ৰেৰণা যোগাইছিল তেওঁক নৰ্মালৰ শিক্ষাগুৰু সুসাহিত্যিক স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱাদেৱে। বৈশ্যদেৱক তেওঁ পুত্ৰৰ নিচিনা মৰম কৰিছিল।

বৈশ্যজাতিটোক সকলোৱে অনুন্নত সম্প্ৰদায়ৰ বুলি ভাবে, এই কথা বিবেচনা কৰি তেওঁ বৈশ্য জাতীয় সভা আহ্বান কৰি বৈশ্যজাতিটোক একত্ৰিত আৰু সুসংহত কৰিছিল। এই জাতীয় মিটিঙৰ তেওঁ সভাপতি আছিল। বহুতো কু সংস্কাৰ আঁতৰাই পেলাই নতুন নিয়ম প্ৰৱৰ্তন কৰিছিল। এইদৰে সামাজিক দিশতো কিছু বৰঙণি আগ বঢ়াইছিল।

এজন লোকৰ গাত একেলগে ইমান গুণৰ সমাৱেশ ঘটিলেও খঙ বাগৰ পৰা বৈশ্যদেৱে আঁতৰত নাছিল। কিন্তু তেওঁ আছিল হাস্যৰসিক ব্যক্তি। খুহুতীয়া কথা কৈ তেওঁ বৰ ভাল পাইছিল।

বেঞ্জামিন ফ্ৰেংকলিন, আনন্দৰাম বৰুৱা, মধুসূদন দত্ত আৰু স্বামী বিবেকানন্দৰ জীৱন চৰিত আছিল বৈশ্যদেৱৰ জীৱন আদৰ্শৰ মূল প্ৰেৰণা। স্বামী বিবেকানন্দৰ—'আনন্দ ধৈৰ্য, অসমী সাহস আৰু অনন্ত অধ্যৱসায়ৰ দ্বাৰা মহৎ কামত জয়যুক্ত হব পাৰি।" এই বাণীষাৰ তেওঁ সদায় মনত ৰাখি সেইমতে চলিছিল। আনন্দৰাম বৰুৱাৰ নিচিনা অধ্যয়নশীল মনোভাব এটা আছিল তেওঁৰ। দিনে নিশাই মহ-ডাঁহৰ কমোৰকো কেৰেপ নকৰি একেৰাহে পঢ়িব আৰু লিখিব পাৰিছিল বৈশ্যদেৱে। বেঞ্জামিন ফ্ৰেংকলিনৰ নিচিনা ধৈৰ্য আৰু সাহসেৰে কাম কৰি নানা প্ৰতিকূল পৰিৱেশৰ মাজতো নিজক সু প্ৰতিষ্ঠিত কৈ গঢ়ি তোলাৰ ক্ষু মতা ধাৰণ কৰিছিল।

১৯৬৩ চনৰ ২৩ এপ্ৰিল তাৰিখে তিনিজনী কন্যা সন্তান তিনিটা পুত্ৰ সন্তান আৰু পত্নীক এৰি থৈ শিলঙৰ চিভিল হস্পিটালত বৈশ্যদেৱে নশ্বৰ দেহ ত্যাগ কৰে। জীৱনৰ নানা প্ৰতিকূল পৰিস্থিতিক হেলাৰঙে জয় কৰি একলব্যৰ চিৰন্তন সাধনাৰে সমাজত প্ৰতিষ্ঠা লাভ কৰা ব্যক্তি সকলৰ ভিতৰত স্বৰ্গীয় কালীৰাম বৈশ্যদেৱ আছিল অন্যতম। সংসাৰ সাগৰত ওৰি বঠা নোহোৱা নাওঁখনৰ নিজে ওৰি বঠা ধৰি নিৰ্দিষ্ট পথেদি আগবঢ়াই নিয়া লোক বৈশ্যদেৱ আছিল দুখীয়া মেধাবী ছাত্ৰ সকলৰ আদৰ্শৰ স্থল। এজন অধ্যয়নশীল ব্যক্তি, এজন আদৰ্শ শিক্ষক, এজন নীৰৱ সাহিত্যিক, এজন ব্যৱসায়ী লোক, এজন খেতিয়ক, এজন সঙ্গীতজ্ঞ আৰু এজন প্ৰকৃত অসমীয়া লোক লুকাই আছিল স্বৰ্গীয় কালীৰাম বৈশ্যৰ মাজত। চল পুৱাৰ কাট নোলোৱা সুকমটোৰ দৰেই বিভিন্ন গুণৰ আকৰ আৰু অসাধাৰণ প্ৰতিভাৰ গৰাকী হৈও লোক চকুৰ অন্তৰালত লুকাই ৰৈ গ'ল এই নীৰৱ সাহিত্যিক আৰু শিক্ষাপ্ৰেমী স্বৰ্গীয় কালীৰাম বৈশ্য। ০০০

সাহিত্যিক সমাজসেৱী হৰেন্দ্ৰ নাথ কলিতা

নন্দ তালুকদাৰ

এক সময়ত কলিকতা চহৰত অসমৰ বেচৰকাৰী বাৰ্তাদূত স্বৰূপ হৰেন্দ্ৰ নাথ কলিতা আছিল অসমৰ পৰা আহি কলিকতা চহৰলৈ যোৱা যি কোনো অসমীয়াৰে কথাৰ লাখুটি। ইয়াৰ বাবে কোনোৱে কলিতা ডাঙৰীয়াক আখ্যা দিছিল 'গাইড' কোনোৱে ফ্ৰেইণ্ড ফিলোছফাৰ। স্বৰ্গীয় শ্ৰী অতুল চন্দ্ৰ হাজৰিকাৰ মতে হৰেন কলিতা আছিল কলিকতাত অসমীয়া 'হাই কমিচনাৰ' আৰু বনফুলৰ কবি দুৰ্গাৰ মতে 'থমচ কুক'। বিলাতত 'থমচকুক' নামৰ এটি কোম্পানী আছিল। কোম্পানীটোৰ ব্যৱসায় আছিল বিদেশলৈ যোৱা ব্যক্তিৰ পাছপোৰ্ট, ভিছা টিকট আদিৰ ব্যৱস্থা কৰি দিয়া। দেশৰ ভিতৰতো কিবা যোগাযোগৰ ব্যৱস্থা কৰিবলৈ হলে বিলাতৰ মানুহে কাম চাপিছিল এই থমচকুক কোম্পানীৰ। ইয়াৰ বাবে কোম্পানীক দিব লগা হৈছিল শকত ধনৰ মোনা। আৰু পাৰ্থক্য এইখিনিতে হৰেন কলিতাই থমচকুক কোম্পানীৰ দৰে কলিকতা চহৰত যি কোনো অসমীয়াকে এইবোৰ কাম নিৰ্বিবাদে কৰি দিছিল নিজৰ জেপৰ পৰা ট্ৰাম বাছ-টেক্সীৰ পইছা খৰছ কৰি।

কলিতা ডাঙৰীয়া কলিকতালৈ যায় ১৯২৮ চনত। সেই চনত গুৱাহাটী কলেজিয়েট হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰি কটন কলেজত তেওঁ আই এছ, চি পঢ়িছিল। ইয়াৰ পিছতে কলিকতালৈ গৈ ১৯৪৬ চনলৈকে সুদীৰ্ঘ ১৮ বছৰ কাল তেওঁ কলিকতাতে আছিল। এই যোৱাত কলিকতালৈ পঢ়িবলৈ যোৱা অসমীয়া ছাত্ৰৰ কলেজত ছিট ঠিক কৰি দিয়া, হোষ্টেলত ছিট দিয়া, কোনোজনে বিলাতলৈ যাবলৈ ওলালে পাছপোৰ্ট, ভিছাৰ পৰা সাজ পোছাক, টিকটলৈকে সকলোখিনিকে নিয়াৰিকৈ কৰি দিছিল হৰেন্দ্ৰ নাথ কলিতাই।

যতীন্দ্ৰ নাথ দুৱৰা এসময়ত কলিকতাৰ লেডীজেন ডাভাজ হোষ্টেলৰ আৰু পিচত গুগিলভি হোষ্টেলৰ চুপাৰিণ্টেণ্ডেণ্ট আছিল। হৰেন কলিতাৰ অধিনতে দুৱৰাৰ হোষ্টেলত বহুতো অসমীয়া ছাত্ৰ ভৰ্তি হৈছিল। কলিকতাৰ অসমীয়া মানুহৰ বাসস্থানৰ বাবে খ্যাত 'আইডিয়েল হোম' জনপ্ৰিয় হোটেল হোৱাৰ মূলতেও কলিতা আছিল। কলিতা নিজেও বহুবছৰ এই হোটেলৰ বাসিন্দা আছিল আৰু তেওঁৰ বাবে বহুতো অসমীয়া মানুহে এই হোটেলত আশ্ৰয় লৈছিল।

সেই সময়ত কলিকতা চহৰত মৃত্যু বৰণ কৰা প্ৰায়বোৰ মানুহৰে নিমতলা শ্মশানৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত হৰেন কলিতা আছিল অপৰিহাৰ্য অংগ। সেইবাবে পিচত তেওঁক [illegible] আখ্যা দিছিল 'চাণ্ডাল'। তাকে [illegible] অৰ্থাৎ [illegible] । [illegible] (১৯৫০ খৃঃ)। [illegible] ।

১৯২১ খ্ৰীঃৰ পৰা ডাক্তৰ দীননাথ শৰ্মাৰ সম্পাদনাত জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ সৌজন্যত কলিকতাৰ পৰাই প্ৰকাশ হৈছিল 'আৱাহন' নামৰ মাহেকীয়া আলোচনী। আৱাহন আলোচনীৰ কালছোৱাক অসমীয়া সাহিত্যত গল্প-সাহিত্যৰ যুগ বুলি কব পাৰি। আৱাহন আলোচনীৰ লগতো হৰেন কলিতা আছিল জন্ম লগ্নৰে পৰা জড়িত। প্ৰথম বছৰ প্ৰথম সংখ্যা আৱাহনতে প্ৰকাশ হৈছিল তেওঁৰ 'সুদূৰ ভবিষ্যত' নামৰ এটি গল্প। সম্ভৱত 'সুদূৰ ভবিষ্যত' কলিতা ডাঙৰীয়াৰ প্ৰথম প্ৰকাশিত গল্প। ডাক্তৰ দীননাথ শৰ্মাক তেতিয়া কলিকতা চহৰত 'আৱাহন' সম্পাদনা কাৰ্যত যি কেইজন অসমীয়া ডেকাই দেহে কেহে সহায় কৰিছিল হৰেন্দ্ৰ নাথ কলিতা সেই উদ্যোগী ডেকা সকলৰ মাজত আছিল অন্যতম।

'সুন্দৰ ভবিষ্যত' নামৰ গল্পটি 'ৰৌদ্ৰ নীলিমা' নামৰ গল্প সংকলন এখনত (হোমেন বৰগোঁহাই আৰু নন্দ তালুকদাৰ সম্পাদিত) অন্তৰ্ভুক্ত কৰা হৈছে। 'আৱাহন', বাঁহী, আৰু ৰংদৈচিলাত প্ৰকাশিত কলিতা ডাঙৰীয়াৰ আন এটি গল্পৰ সংকলন হ'ল অতীতৰ স্মৃতি, (১৯৬৫ খ্ৰীঃ)। লিখকৰ মতে ১৯৩১ খ্ৰীঃৰ পৰা ১৯৪১ খ্ৰীঃৰ ভিতৰত কিছুমান সঁচা ঘটনাৰ আলমলৈ ৰচনা কৰা এইবোৰ গল্প। গল্পবোৰৰ মাজত সেই সময়ৰ সামাজিক চিত্ৰ এখনি পৰিস্ফুট হৈছে। সেই বাবেই সংকলনটিৰ নামকৰণ কৰিছে অতীতৰ স্মৃতি। অতীতৰ স্মৃতি, ৰোহিনী ৰহস্যৰ সমাধান, দীপিকা, মোৰ বিয়া, প্ৰেমৰ অভিযান, নিয়তিৰ পৰিহাস, দৌলত কা দুনিয়া আৰু ৰূপৰ মোহ সংকলনটিৰ নটি গল্প।

১৯৩০ খ্ৰীঃত কলিকতা চহৰতে কেইজনমান প্ৰবসুৱা অসমীয়া ডেকাই সংকল্প গ্ৰহণ কৰিছিল যে তেওঁলোকে বিশ্ব সাহিত্যৰ বাছক বনীয়া গ্ৰন্থৰাজিৰ অসমীয়া অনুবাদ কৰিব। তেতিয়াৰ এই উদ্যোগী ডেকা সকলৰ মাজত আছিল শ্ৰী লক্ষেশ্বৰ শৰ্মা, ডঃ ৰোহিনী কান্ত বৰুৱা, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, যোগেন্দ্ৰ নাথ শইকীয়া আৰু হৰেন্দ্ৰ নাথ কলিতা প্ৰভৃতি। তেওঁলোকৰ এই উদ্যমৰ ফল স্বৰূপে শ্ৰী লক্ষেশ্বৰ শৰ্মাৰ পম্পিয়াৰ প্ৰলয় কাহিনী আৰু মাতৃ আৰু ড° ৰোহিনী কান্ত বৰুৱাৰ গ্ৰেট হাঙ্গাৰৰ অনুবাদ 'পৰম ক্ষুধা' পুথি প্ৰকাশ হয়।

সেই উদ্দেশ্যে হৰেন্দ্ৰ নাথ কলিতাই কৰিছিল চাৰ্লছ ডিকেন্সৰ বিখ্যাত উপন্যাস 'এ টেল অব টু চিটিজ'ৰ অসমীয়া অনুবাদ 'নগৰ দুখনৰ কথা'। প্ৰথমতে আৱাহনত চোৱা চোৱাকৈ প্ৰকাশ হৈছিল। পিছত পুথিৰ আকাৰত ছপা হৈ ওলাল। ১৭১ পৃষ্ঠাৰ নগৰ দুখনৰ কথা চাৰ্লচ ডিকেন্সৰ উপন্যাসৰ সহজ সৰল অসমীয়া অনুবাদ। পুথি খনিৰ ভাষা প্ৰাঞ্জল আৰু নিৰ্ভাজ অসমীয়া। 'অকণিৰ বেজবৰুৱা' কলিতা ডাঙৰীয়াৰ শিশুৰ উপযোগীকৈ ৰচনা কৰা এখনি ৪০ পৃষ্ঠাৰ জীৱনী। পুথিখনি বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱৰ সময়ত প্ৰকাশ হৈছিল। সৰু পুথি খনিত বেজবৰুৱাৰ জীৱনৰ ভালেমান সৰু-সুৰা কথাবো উল্লেখ আছে। কলিকতা চহৰত কলিতা ডাঙৰীয়াই বেজবৰুৱাৰ সান্নিধ্যলৈ আহিবলৈ সুযোগ পাইছিল। সেই সান্নিধ্যৰ স্মৃতিৰ কথাও পুথিখনিত লিপিবদ্ধ কৰিছে। পুথিখনিত বেজবৰুৱাৰ ৰচনা ৰাজিৰ চমু আভাস দিবলৈ যত্ন কৰিছে।

আমাৰ দেশৰ উঠি অহা ল'ৰা-ছোৱালী বিলাকৰ বিজ্ঞান শিক্ষাৰ প্ৰতি ধাউতি জন্মাবলৈ কলিতা ডাঙৰীয়াই আশাশুধীয়া প্ৰচেষ্টা কৰা দেখা যায়। সেই উদ্দেশ্যে তেওঁ কেইবাখনো পুথি ৰচনা কৰি প্ৰকাশ কৰিছিল। আকাশৰ কথা' (১৯৬৪ খ্ৰী), পৃথিবীৰ সাধু (১৯৬৯ খ্ৰীঃ) আৰু চন্দ্ৰ অভিযান (১৯৭২ খ্ৰীঃ) তিনিখন প্ৰকাশিত

পুথি। ইয়াৰ ভিতৰত প্ৰথম দুখন 'আকাশৰ কথা' আৰু 'পৃথিৱীৰ সাধু'ৰ বাবে ১৯৬৫ খ্ৰীঃ আৰু ১৯৭০ খ্ৰীঃত দুবাৰ (শিশু উপযোগীৰ বাবে) তেওঁ ভাৰত চৰকাৰৰ পৰা ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল। কলিতা ডাঙৰীয়াই 'চিৰিয়াখানা' নামেৰে জীৱ-জন্তু সম্পৰ্কীয় এখনি মনোযোগা পুথিও ৰচনা কৰিছিল। এই পুথিখনি কোনোবা সমিতিক প্ৰকাশৰ বাবে দিয়া কথা আমাক ৰয়ুৱাৰ কৈছিল। পৰিতাপৰ কথা এই পুথিখনিৰ পাণ্ডুলিপিটো হেৰাল। 'আকাশৰ কথা' (১৯৬৪ খ্ৰীঃ) কলিতা ডাঙৰীয়াৰ সৌৰজগত সম্পৰ্কীয় এখনি ৭৮ পৃষ্ঠাৰ পুথি পুথিখনিত তেওঁ ২০ টা শিতানত সৌৰজগত সম্পৰ্কে চমুকৈ আলোচনা কৰিছে। ল'ৰা-ছোৱালীয়ে যাতে ল'ৰা কালতে গ্ৰহ-নক্ষত্ৰাদিৰ কথা জানিব পাৰে সেই উদ্দেশ্যে তেওঁ পুথিখনি ৰচনা কৰিছিল।

১৪৬ পৃষ্ঠাৰ দ্বিতীয় পুথি 'পৃথিৱীৰ সাধু' (১৯৬৯) তেৰটা প্ৰধান অধ্যায়ত বিভক্ত। পৃথিৱীৰ জন্ম কথাৰে তেওঁ পুথিখনি আৰম্ভ কৰিছে। পৃথিৱীৰ আৱৰ্তন আৰু পৰিভ্ৰমণ, পৃথিৱী সূৰ্যৰ চাৰিওকালে ঘূৰে কিয়, উদ্ভিদ আৰু জীৱজন্তু, ইয়াৰ বতাহ, মেঘ আৰু বৰষুণ, জোঁৱাৰ ভাটা, ভূমিকম্প, আগ্নেয়গিৰি, খনিজ ধাতু কয়লা আৰু পেট্ৰোলিয়াম পুথিখনিৰ আন আন আলোচ্য শিতান। এইখন পুথিও শিশুৰ উপযোগীকৈ সহজ সৰল ভাষাত ৰচনা কৰা। ৰহস্যময় পৃথিৱীখনৰ বিষয়ে কিছুকথা জানিবলৈ এই পুথিখন তেওঁ ৰচনা কৰিছিল।

বিজ্ঞান বিষয়ক কলিতা ডাঙৰীয়াৰ তৃতীয় গ্ৰন্থ 'চন্দ্ৰ অভিযান'ও (১৯৭২) কলিতা ডাঙৰীয়াই ১৯৫৭ খ্ৰীঃৰ পৰা ১৯৭১ খৃঃলৈ চন্দ্ৰ অভিযানৰ এটি থূল মূল পৰিচয় দাঙি ধৰিছে। পুথিখনিৰ আৰম্ভণিতে তেওঁ মহাকাশ, চন্দ্ৰলোক, ৰকেট, স্পুটনিক আদিৰ সম্যক পৰিচয় দাঙি ধৰিছে। পুথিখনিত প্ৰতিটো চন্দ্ৰ অভিযানৰে পৰিচয় দাঙি ধৰা হৈছে। ইয়াত ১৯৬৯ খ্ৰীঃৰ ২০ জুলাইত চন্দ্ৰ পৃষ্ঠত চন্দ্ৰযান অৱতৰণ কৰাৰে পৰা দীঘল বৰ্ণনা আছে। ১৯৭২ খ্ৰীঃৰ এপলো ১৬ অভিযানৰ সময়লৈকে সকলোকেইটি অভিযানৰে প্ৰাঞ্জল বৰ্ণনা আছে।

'গুৱাহাটী বিশ্ববিদ্যালয়ৰ চমু আভাস' (১৯৫৮ খ্ৰীঃ) কলিতা ডাঙৰীয়াৰ আন এখনি প্ৰয়োজনীয় পুথি। ৪৮ পৃষ্ঠাৰ সৰু পুথিখনিত কলিতা ডাঙৰীয়াই অসমত বিশ্ববিদ্যালয় স্থাপনৰ বাবে হোৱা আন্দোলনৰ চমু পৰিচয় দাঙি ধৰিছে। কলিতা ডাঙৰীয়াৰ ছাত্ৰাৱস্থাৰে পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত জড়িত ব্যক্তি। সেই বাবে বিশ্ববিদ্যালয় সম্পৰ্কীয় সকলো আন্দোলনৰ কথা তেওঁৰ নখ দৰ্পণত। অসমত বিশ্ববিদ্যালয় স্থাপনৰ বাবে হোৱা আন্দোলনত পূৰ্বতে শ্ৰী হট্ট জিলাকে ধৰি সুৰমা উপত্যকাৰ জনসাধাৰণে সমৰ্থন জনোৱা নাছিল। অসমত বিশ্ববিদ্যালয় স্থাপনৰ বাবে কেৱল আন্দোলন আৰু সমৰ্থন কৰিছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলা কেইখনহে। ১৯১৭ খ্ৰীঃৰ পৰা অসমত সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ মনোভাৱ পোষণ কৰা দেখা যায়। অসম সাহিত্য সভা আৰু অসম ছাত্ৰ সন্মিলনৰ তৰফৰ পৰা সময় সময়ে বিশ্ববিদ্যালয়ৰ হকে মাত মতা শুনা যায়।

অসমৰ সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ কথা প্ৰথমতে ৰাজহুৱা ভাবে উত্থাপন কৰি প্ৰস্তাৱ গ্ৰহণ কৰিছিল গুৱাহাটীৰ একতা সভাৰ বাৰ্ষিক অধিবেশনত। হৰেন্দ্ৰ নাথ কলিতা তেতিয়া গুৱাহাটী একতা সভাৰ প্ৰধান সম্পাদক। তেতিয়াৰ কাৰ্জন হলত (বৰ্তমান নবীন চন্দ্ৰ বৰদলৈ হল) অনুষ্ঠিত এই বাৰ্ষিক সন্মিলনত পৌৰহিত্য কৰিছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ডাঙৰীয়াই।

ইয়াৰ পিচত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা আন্দোলনে কলিকতা পায়হি। ১৯২৮ খ্ৰীঃৰ পৰা কলিতা ডাঙৰীয়াইয়ো কৰ্মময় জীৱনৰ পাতনি মেলে কলিকতা মহানগৰীত। পোনতে কলিকতা এ, এছ, এল ক্লাবে এই আন্দোলনৰ গুৰি ধৰিছিল। কলিতা ডাঙৰীয়াই আৰম্ভণিৰে পৰা উক্ত ক্লাবৰ সক্ৰিয় সদস্য, সম্পাদক আৰু সভাপতি ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল।

পিছত কলিকতা চহৰত প্ৰবাসী ছাত্ৰ সকলৰ মাজত স্থাপন কৰা হৈছিল 'আছামিছ ষ্টুডেণ্ট ওৱেল ফেয়াৰ লিগ'। সেই সময়ৰ কলিকতা নিবাসী মাধৱ চন্দ্ৰ বেজবৰুৱা, জীৱন ৰাম ফুকন, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠি, ডঃ ৰোহিনী কান্ত বৰুৱা, কুমুদাভিৰাম বৰুৱা, যোগেন শইকীয়া, বিনন্দ দাস প্ৰভৃতি তেতিয়া 'আছামিজ ষ্টুডেণ্ট ওৱেলফেয়াৰ লিগ'ৰ অন্যান্য সদস্য আছিল। মাধৱ চন্দ্ৰ বেজবৰুৱা আছিল ইয়াৰ প্ৰাণ স্বৰূপ। উক্ত ওৱেল ফেয়াৰ লিগৰ পৰিচালনাৰ ভাৰ বহু ক্ষেত্ৰত পৰিছিল হৰেন্দ্ৰ নাথ কলিতাৰ ওপৰত। তেওঁ আৰম্ভণিৰে পৰা ওৱেল ফেয়াৰ লিগৰ লগত জৰিত আছিল। কলিকতাৰ আছামিজ ষ্টুডেণ্ট লিগেই অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ আন্দোলনত উঠি পৰি লাগিছিল। ওৱেল ফেয়াৰ লিগৰ সদস্য হিচাপে মাধৱ বেজবৰুৱাই অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা আন্দোলনৰ প্ৰচাৰ কৰিছিল। কলিতা ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয় শীৰ্ষক পুথিত অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা আন্দোলনত ওৱেল ফেয়াৰ লিগে যোগোৱা বৰঙণিৰ এটি থুলমূল আভাস দাঙি ধৰিছে। অসমৰ ভিতৰে বাহিৰে বাইজৰ পৰম প্ৰচেষ্টাৰ ফলত ১৯৪৮ খ্ৰীঃত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হয়। কলিতা ডাঙৰীয়াক অসমৰ বাহিৰে আৰম্ভণিৰে পৰা বিশ্ববিদ্যালয় আন্দোলনৰ লগত জড়িত।

১৯৪৬ খ্ৰীঃৰ কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ পিচত কলিকতাত স্থায়ী ভাবে বসতি কৰা ভালেমান অসমীয়া মানুহে কলিকতা এৰি আহিল। কলিতা ডাঙৰীয়াইও কলিকতাৰ পৰা আহি পোনতে কিছুদিন ভাস্কৰ ইণ্ডিওৰেন্সত চাকৰি কৰিছিল। পিচত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ পৰিচলানাৰ দায়িত্ব গ্ৰহণ কৰিছিল ১৯৭২ খ্ৰীঃত উক্ত দায়িত্বৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ পৰিচালনাৰ দায়িত্বতে কলিতা ডাঙৰীয়াই সৰহ দিন কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৫২ খ্ৰীঃত নলবাৰী সমষ্টিৰ পৰা তেওঁ সাধাৰণ নিৰ্বাচনত বিধান সভাৰ প্ৰাৰ্থী স্বৰূপে প্ৰতিদ্বন্দ্বিতা কৰিছিল, কিন্তু জয়ী হব নোৱাৰিলে।

১৯০৮ খ্ৰীঃত নলবাৰীৰ [illegible] নামৰ গাঁৱত তেওঁৰ জন্ম হৈছিল। তেওঁৰ পিতৃ আছিল নন্দ ৰাম কলিতা আৰু মাতৃ [illegible]। কলিতা ডাঙৰীয়া আছিল [illegible] সহজ সৰল [illegible] মহান [illegible]। [illegible] জীৱনটো তেওঁ আনৰ [illegible] একোকে কৰিব নোৱাৰিলে। কলিকতাত [illegible] সহায় সহযোগ কৰা বহুতো ব্যক্তি সমাজত ডাঙৰ মানুহ [illegible]। [illegible] মানুহে পিছত তেওঁক [illegible] মূৰ ঘূৰাই কলিতাৰ কোনো দিনে আক্ষেপ নাছিল। মানুহৰ [illegible] তেওঁৰ [illegible] আছিল। [illegible] এজোৰ-ধুতি-পাজাবী, মূৰত [illegible] কলিতা এজন সৰ্বজন সমাদৃত ব্যক্তি। শেষ জীৱনত কলিতা [illegible] প্ৰায়বোৰ সাহিত্য সংস্কৃতিমূলক সভা সমিতিৰ অপৰিহাৰ্য স্বৰূপ হৈ পৰিছিল।

সাহিত্যিক সমাজসেৱী হৰেন্দ্ৰ নাথ কলিতা

যোৱা ১৬ ডিচেম্বৰ ১৯৭২ চনত কনকলাল বৰুৱাৰ শতবাৰ্ষিকী উপলক্ষে স্বৰ্গীয় বৰুৱাৰ ঘোৰ পুখুৰীপাৰৰ বাসভৱনত অনুষ্ঠিত স্মৃতি তৰ্পন অনুষ্ঠানত যোগ দি তেওঁ কনকলাল বৰুৱাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰিছিল। ১৯৪০ খ্ৰীঃৰ জীৱনৰ শেষ সময়ত কনকলাল বৰুৱা যেতিয়া কলিকতা ট্ৰপিকেল মেডিকেল স্কুলৰ হস্পিটেলত চিকিৎসাধীন হৈ আছিল তেতিয়া কলিতা ডাঙৰীয়াই প্ৰায়েই তেওঁৰ কাষলৈ গৈছিল আৰু ৮ জানুৱাৰীৰ দিনা কলিকতাৰ নিমতলা শ্মশানত অন্ত্যেষ্টি ক্ৰিয়াৰ সময়ত হৰেন কলিতা উপস্থিত আছিল।

১৬ ডিচেম্বৰৰ স্মৃতি তৰ্পন অনুষ্ঠানত যোগদানেই সক্ৰিয় কলিতা ডাঙৰীয়াৰ শেষ ৰাজহুৱা জীৱন। সিদিনা কিন্তু আমাৰ দৃষ্টিত কলিতা ডাঙৰীয়াক অসুস্থ যেন লাগিছিল। ১৯৭৩ চনৰ ১ জানুৱাৰীৰ দিনা নিশা ৯ বজাত কলিতা ডাঙৰীয়াৰ জীৱন শলিতা নুমাই গল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল তিনিকুৰি চাৰি বছৰ। কৰ্মময় জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰি সাহিত্য সেৱাত একানপতীয়াকৈ লগাৰ এটি মধুৰ কল্পনা মনৰ মাজতে মাৰ গল। কলিতা ডাঙৰীয়াৰ কোনো পুত্ৰ সন্তান নাই। কন্যা চাৰি গৰাকী—জয়শ্ৰী, কণশ্ৰী, গীতাশ্ৰী আৰু বনশ্ৰী। শ্ৰী মতী জয়শ্ৰী চৰকাৰী অসম চাৰুকলা নিকেতনৰ এগৰাকী কৃতি ছাত্ৰী আৰু কণশ্ৰী তৰুণী লিখিকা। স্বৰ্গীয় কলিতাৰ ভালেখিনি ৰচনা এতিয়াও পাণ্ডুলিপিতে আছে। সেইখিনি প্ৰকাশ কৰিব পাৰিলেহে তেওঁৰ আত্মাই শান্তি পাব। ০০০

শিশু সাহিত্যিক অনন্তদেৱ শৰ্মা

ভৰতচন্দ্ৰ ডেকা

অসমীয়া সাহিত্যৰ বুৰঞ্জীত এনে কিছুমান কবি সাহিত্যিকৰ নাম পোৱা যায়, যিসকলে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাললৈ অলেখ অৱদান আগবঢ়াই থৈ গ'ল ; অথচ তেখেতসকলৰ চিৰযুগমীয়া স্মৃতি হিচাপে একোকে কৰা নহ'ল। জীৱিত কালত সেই সকলে আত্ম প্ৰচাৰৰ বাবে একোকে নকৰিলে আৰু মৃত্যুৰ পিছতো তেখেতসকলৰ গুণগ্ৰাহীসকলে একোকে কৰা পৰিলক্ষিত নহয়। মাত্ৰ মৃত্যুৰ সময়ত কাকতে পত্ৰে তেখেতসকলৰ নামত দুই এটি প্ৰবন্ধ লিখি নিজৰ কৰ্ত্তব্য শেষ বুলি ধৰিলৈ হাত সাৱতি বহি থাকে।

আত্ম প্ৰচাৰ বিমুখী এনে এজনা কবি-সাহিত্যিক আছিল অনন্তদেৱ শৰ্মা। দুৰাৰোগ্য ব্যাধিয়ে মাত্ৰ ৪৮ বছৰ বয়সতে হৰি নিয়া অনন্তদেৱ শৰ্মা আছিল প্ৰকৃতাৰ্থত এজনা শিশুপ্ৰেমী লোক। কিয়নো তেখেতে সাহিত্য ভঁৰাললৈ যিখিনি দি থৈ গ'ল প্ৰায় ভাগে আছিল শিশুৰ বাবে লিখা। তেখেতৰ নিজৰ ভাষাত কবলৈ গ'লে—"শিশুক ভালপোৱাতো মোৰ হৃদয়ৰ জন্মগত সম্পত্তি। আকৌ এবাৰ শিশু হবলৈ মন যায়। শিশু জীৱনৰ কাৰণে হামবাও কাঢ়ো। শিশুৰ নিষ্পাপ, উজ্জ্বল কোমল মুখত সৰগীয়া পবিত্ৰ আভা দেখিবলৈ পাওঁ। ......গতিকে অনুৰলে অহা শিশু সুলভ এই অনুভূতিবোৰকেই কবিতা, গল্প আদিৰ আকাৰত ৰূপ দি হেৰোৱা শৈশৱক আকৌ এবাৰ লগতে ৰাখিবলৈ চেষ্টা কৰো। এই শৈশৱক এৰি নিদিব খোজাৰ অনুভূতিয়েই মোৰ শিশু সাহিত্যত প্ৰৱেশৰ ঘাই অনুপ্ৰেৰণা।"

১৯২৭ চনত হাজোৰ ওচৰৰ ৰামদিয়া ৰৰসন্তাৰ গাওঁত জন্ম গ্ৰহণ কৰা আনন্দদেৱ শৰ্মা সংস্কৃত সাহিত্য ৰাজিৰে অধ্যয়নপুষ্ট আছিল। তেখেত এজনা সমালোচক, গল্পকাৰ আৰু প্ৰবন্ধকাৰো আছিল। মাত্ৰ ৪৮ বছৰ কাল জীয়াই থাকি অসমীয়া ভাষা-সাহিত্যৰ বেদীত যিখিনি অৱদান দি থৈ গ'ল, সেয়া সাহিত্যৰ বুৰঞ্জীত চিৰদিন জিলিকি থাকিব।

অনন্তদেৱ শৰ্মাৰ পূৰ্ব পুৰুষ সকল মাধৱদেৱালয়ৰ বৰদেউৰী আছিল। এটা ঠাল ঘগ্ৰাপাৰৰ ওচৰৰ ব্ৰাহ্মণ চমাৰকুছি গাওঁলৈ উঠি যায় আৰু তাতে থাকিবলৈ লয়। এওঁলোকৰে এজন স্বৰ্গীয় দয়ানাথ ভট্টাচাৰ্যই অন্ন-বস্ত্ৰৰ সুবিধাৰ বাবে মামাকৰ ঘৰ হাজোৰ ওচৰৰ ৰামদিয়ালৈ গুচি আহি থাকিবলৈ লয়। এই স্বৰ্গীয় ভট্টাচাৰ্যই হ'ল অনন্তদেৱ শৰ্মাৰ পিতৃ। মাকৰ নাম আছিল স্বৰ্গীয় অম্বিকা দেৱী। অম্বিকা দেৱীৰ মাকৰ ঘৰ আছিল ৰৰখালা গাওঁত। ছয়গৰাকী ভাই ভনীৰ ভিতৰত অনন্ত দেৱশৰ্মা আছিল দ্বিতীয়। বাপেকে যজমানী বৃত্তিৰে ল'ৰা-ছোৱালী কেইটিক পোহপাল দিব নোৱাৰাত ইচ্ছা থকা সত্বেও ৮মাহ কাল ৰামদিয়া মজলীয়া বিদ্যালয়ত পঢ়ি, তাৰ পৰা আহি ৰামুন্দীত সংস্কৃত টোলত পঢ়িবলৈ লয়। কিন্তু ইয়াতো বেছিদিন পঢ়া নহ'ল। এইবাৰ তেখেতে হাজোৰ "হাজো হয়গ্ৰীৱ চতুষ্পাঠী টোল"ত পঢ়ি ব্যাকৰণৰ আদ্য, মধ্য আৰু উপাধি পৰীক্ষাত উত্তীৰ্ণ হয়।

তাৰ পিছত ব্যাকৰণ তীৰ্থ পঢ়ি দ্বিতীয় বিভাগত উক্ত পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত গোৱালপাৰাৰ "গৌৰীপুৰ তাৰিণীপ্ৰিয়া চতুষ্পাঠীত নাম ভৰ্তি কৰি কাব্যৰ উপাধিৰ তিনি বছৰীয়া পাঠ্যক্ৰম এবছৰতে শেষ কৰি অসমৰ সংস্কৃত বোৰ্ডৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ "সাহিত্য শাস্ত্ৰী" উপাধী লাভ কৰে। সেই বছৰতে তিনি মাহৰ ভিতৰতে "বেঙ্গল সংস্কৃত বোৰ্ড"ত পৰীক্ষা দি কাব্য শাস্ত্ৰৰ উপাধি পৰীক্ষাত অৱতীৰ্ণ হয় আৰু ১ম বিভাগত উত্তীৰ্ণ হৈ "কাব্যতীৰ্থ উপাধী লাভ কৰে। পিছৰ বছৰত গৌৰীপুৰৰ আগৰ উল্লেখিত টোলত সাংখ্য শাস্ত্ৰৰ মধ্য পৰীক্ষাত অৱতীৰ্ণ হয় আৰু অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি "ভুবন প্ৰতিমা" বৃত্তি লাভ কৰে। মেধাৱী ছাত্ৰ অনন্তই সৰুৰে পৰা ঘৰৰ টকাৰে অধ্যয়ন কৰিব লগা হোৱা নাছিল, টোলসমূহত পোৱা বৃত্তিৰ টকাৰে তেখেতৰ কুলাইছিল।

শিক্ষা জীৱনৰ সামৰণি মাৰি তেখেতে কৰ্ম জীৱন আৰম্ভ কৰে সংস্কৃত শিক্ষক হিচাপে গোৱালপাৰা জিলাৰ বোকাখাতা হাইস্কুলত ১৯৪৯ চনত। ইয়াতে তিনিবছৰ চাকৰি কৰি ১৯৫২ চনত কামৰূপ একাডেমী হাইস্কুলত যোগদান কৰে। ইতিমধ্যে এইখিনি সময়ৰ ভিতৰতে শিক্ষানুৰাগী দেৱশৰ্মাই প্ৰাইভেটকৈ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। উক্ত স্কুলত চাকৰি কৰি থকা কালছোৱাতে "অসম সংস্কৃত বোৰ্ড"ৰ তৰফৰ পৰা চৰকাৰী হাইস্কুলৰ বাবে সংস্কৃত শিক্ষকৰ বাছনি পৰীক্ষা পাতে। এই পৰীক্ষা মৌখিক ভাবে লোৱা হৈছিল। ইয়াতে দেৱশৰ্মা অৱতীৰ্ণ হৈ একলো প্ৰাৰ্থীৰ ভিতৰত প্ৰথম স্থান লাভ কৰে আৰু ১৯৫৭ চনৰ ১২ নৱেম্বৰত মঙ্গলদৈ চৰকাৰী হাইস্কুল (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত সংস্কৃত শিক্ষক হিচাপে যোগদান কৰে। তেখেতে গোটেই জীৱন তাতে চাকৰি কৰি থাকি শেহত নিজাববীয়াকৈ মঙ্গলদৈ চহৰৰ শান্তিপুৰত এটুকুৰা মাটি ক্ৰয় কৰি ঘৰ সাজি থাকিবলৈ লয়। এনেদৰে তেখেতে মঙ্গলদৈৰে এজনা স্থায়ী বাসিন্দা হিচাপে বসবাস কৰিব ধৰে। কিন্তু কথা এষাৰি আছে--"মনে খোজে কৰা হব, বিধাতাই নিদিয়ে ঘূৰি যাব।" তেখেতৰো সেয়ে হ'ল, অকালতে দুৰাৰোগ্য কেন্সাৰ ব্যাধিৰ দ্বাৰা আক্ৰান্ত হ'ল। মঙ্গলদৈ আৰু গুৱাহাটীত চিকিৎসাৰ ব্যৱস্থা কৰিছিল যদিও কাম নহ'ল। আৰ্থিক দুৰাৱস্থা হেতু ভেলোৰ বা অন্য ঠাইলৈ যোৱাৰ কথা ভাবিব পৰা নাছিল। মাত্ৰ বন্ধু-বান্ধৱ আৰু স্কুলৰ ছাত্ৰ-শিক্ষক সকলৰ পৰা সহায়-সাহাৰ্য্য লৈ তেখেত কলিকতালৈ চিকিৎসাৰ বাবে গৈছিল। তাৰ পৰা উভতি আহি গুৱাহাটী মেডিকেল কলেজ হস্পিটেলত চিকিৎসাধীন হয়। লাহে লাহে শাৰীৰিক ভাৱে দুৰ্বল হৈ পৰাত মঙ্গলদৈতে জিৰণীলৈ থাকে যদিও শেষ ভাগত বাযজিয়াৰ নিজা ঘৰলৈ নিয়া হয়। তেখেতে অবিবাহিত থকা বাবে মঙ্গলদৈত ভতিজাকহঁতে আৰু ঘৰত কন্যাকে-বোৱাৰীকে শুশ্ৰূষা কৰিছিল যদিও তেখেতসকলৰ মৰমৰ অনন্তক কালৰ হাতৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে। ১৯৭৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ২২ তাৰিখ শনিবাৰে ৰাতিপুৱা ১০ বাজি ৩৫ মিনিট যোৱাত আটাইকে কন্দুৱাই থৈ চিৰকুমাৰ। কবি সাহিত্যক অনন্তই অনন্তধামলৈ গতি কৰিলে। স্বৰ্গীয় অনন্ত দেৱ শৰ্মা আছিল প্ৰকৃতাৰ্থত একজনা "প্ৰকৃত শিক্ষক"। সৰুৰে পৰা তেখেত আছিল কথা-বতৰাত ধীৰ স্থিৰ, খোজ কাঢ়নত গহীন আৰু সাজপোচাকত সহজ সৰল। তেখেত আছিল নিৰ্মল চৰিত্ৰৰ, কৰ্তব্যনিষ্ঠ, সংযমী, নিষ্ঠাবান, নিৰ্ভিক আৰু সত্যবাদী। সৰুৰে পৰা সেইদৰে অভ্যাসত তোলা দেৱশৰ্মা খোৱা লোৱাত বৰ নিয়মীয়া আছিল। অনন্তদেৱ শৰ্মাৰ ব্যক্তিত্বৰ মহান দিশটো হ'ল শিশুপ্ৰেম। সেয়েহে সৰুৰে পৰা

শিশুৰ প্ৰতি ভালপোৱা ভাবটি প্ৰবল আছিল আৰু ক্ৰমান্বয়ে তাঙৰ হৈ অহাৰ লগে লগে এই ভাবটি প্ৰবলতৰ হৈ আহিবলৈ ধৰে। সেইবাবে তেখেতে হাতত কাপ মৈলাম তুলি লৈছিল শিশুসাহিত্য ৰচনা কৰিবলৈ। দেৱ শৰ্মা হঠাতে হোৱা সাহিত্যিক নাছিল, নতুবা বংশগত কোনো গুণৰো অধিকাৰী তেখেত নাছিল। প্ৰকৃতাৰ্থত তেখেত আছিল এজনা আজন্ম কবি। ১৪।১৫ বছৰ বয়সৰ পৰাই সংস্কৃত টোলত পঢ়ি থাকোতে তেখেতে কবিতা ৰচনা কৰে, অসমীয়াত নহয়, সংস্কৃত ভাষাত। তেখেত আছিল একেধাৰে এজনা প্ৰবন্ধকাৰ, গল্পকাৰ, কবি আৰু সমালোচক। সংস্কৃত সাহিত্য অধ্যয়নৰ দ্বাৰা পৰিপুষ্ট দেৱশৰ্মাই আৰম্ভণীতে পৰা সংস্কৃতগন্ধী প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰে। এসময়ত তেখেতে অধুনালুপ্ত বাতৰি কাকত 'নতুবা অসমীয়া'ত শ্ৰীঅতমী দেৱী ছদ্ম নামেৰে বহুতো সংস্কৃত গন্ধী ৰস ৰচনা লিখিছিল। তদুপৰি সেইসময়ৰ অসমত প্ৰচাৰিত প্ৰায়ভাগ বাতৰি কাকত আৰু আলোচনীতে তেখেতৰ লিখনী প্ৰকাশ হৈছিল। তেখেতে লিখনিৰ আগছোৱাত অলেখ প্ৰবন্ধ, মাজভোখৰত কবিতা আৰু শেষভোখৰ কালত একাগ্ৰতাৰে শিশুৰ বাবে চুটিগল্প লিখিবলৈ ধৰে। মুঠতে তেখেতৰ পোন্ধৰখন পুথি প্ৰকাশ পাইছে আৰু তিনিখন পুথি হাতে লিখা অৱস্থাত এৰি থৈ গৈছে। ইয়াৰে আঠখন গল্পৰ, ছখন কবিতাৰ আৰু আনখন হ'ল মহাকবি চানক্যৰ সংস্কৃত কাব্য "চানক্য শতকম্" শ্লোকৰ অসমীয়া ভাঙনি। প্ৰকাশিত কিতাপবোৰ হ'ল (১) আলোক পথৰ যাত্ৰী, (২) মন ফুলনি, (৩) বগা বঁদ আনেগৈ ব'ল, (৪) জোনাক বিচাৰি, (৫) কৰণিৰ ফুল, (৬) মণিকা, (৭) চাণক্য শতকম্ (৮) গল্পৰ থুপি, (৯) ওৰণিৰ তলৰ গোৰ্ফ, (১০) মণিমালা, (১১) লুচি পালন, (১২) জোলোঙাৰ মেকুৰী, (১৩) জিৰণিৰ সাধু, (১৪) জন্মদিনৰ উপহাৰ আৰু (১৫) কাৰ্চমণি । ইয়াৰে প্ৰথম ছখন কবিতাৰ পুথি আৰু বাকী কেইখন গল্পৰ পুথি। "আলোক পথৰ যাত্ৰী"খন প্ৰাপ্ত বয়স্কৰ বাবে লিখা আৰু বাকী কেইখন শিশু উপযোগীকৈ লিখা। "বগা বঁদ আনেগৈ ব'ল" নামৰ কবিতা পুথিখনিৰ বাবে তেখেতে ১৯৬৫-৬৬ চনত ভাৰত চৰকাৰৰ ন শিকাৰু সাহিত্য প্ৰতিযোগিতাত পুৰস্কৃত হৈছিল। তেখেতৰ শেষ ৰচনা "বীৰ হীৰালাল" মানৰ গল্প এটি "অসম বাণী"ত মৃত্যুৰ পিছত প্ৰকাশ হৈছিল। তেখেতৰ লিখনীৰ এটি বৈশিষ্ট্য হ'ল তেখেতে বহু পৰিমাণে কামৰূপী উপভাষা ব্যৱহাৰ কৰিছিল।

অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত অতি কম সময়ৰ ভিতৰতে তেখেতে যিখিনি অৱদান দি থৈ গ'ল, তাক অসমীয়া সাহিত্যৰ বুৰঞ্জীত চিৰ দিন লিখা থাকিব। অসমীয়া ভাষা সাহিত্যৰ চৰম দুৰ্ভাগ্য যে অকালতে এনে এজন লোকক হেৰুৱাব লগাত পৰিল।০০০

পণ্ডিত চনিত চন্দ্ৰ ৰায়মেধি

যতীন্দ্ৰ নাথ কলিতা

[illegible]ত ব্যৱহাৰ কৰা দেখা যায়। সাধাৰণতে পণ্ডিত শব্দটোৰে [illegible] লোকক বুজায়। আনকালে সাধাৰণ শিক্ষাত শিক্ষিত প্ৰাথমিক বিদ্যালয়ৰ [illegible]কো পণ্ডিত বোলা হয়। (এই ক্ষেত্ৰত বৰ্তমানে কাম কৰি থকা উচ্চ শিক্ষাত শিক্ষিত লোক সকলৰ কথা কোৱা হোৱা নাই।) আজি কিছু বছৰ আগলৈকে মধ্যশীয়া স্কুলৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হলেই প্ৰাথমিক বিদ্যালয়ত শিক্ষক হোৱাৰ অৰ্হতা অৰ্জন হৈছিল। বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ তুলাচালনিত আপাত দৃষ্টিত কম শিক্ষিত এই শিক্ষক সকলক পণ্ডিত আখ্যা দিয়াৰ সাৰ্থকতাও নোহোৱা নহয়। যি সময়ত আমাৰ গাওঁ অঞ্চলত আধুনিক শিক্ষা ব্যৱস্থাৰ বহুল প্ৰচাৰ হোৱা নাছিল সেই সময়তে দুই এজন ব্যক্তি সাধাৰণ শিক্ষাত [illegible]ত হলেও প্ৰাথমিক শিক্ষাদানত নিযুক্ত হৈছিল। তেখেত সকলে কেৱল শিক্ষা [illegible] নাথাকি পিচ পৰি থকা সমাজখনক সামগ্ৰীক ভাবে প্ৰগতিৰ পথত [illegible] নিবলৈ যথেষ্ট শ্ৰম কৰিবলগীয়া হৈছিল। সমাজৰ বিভিন্ন কামত এই [illegible] সকলৰ পৰামৰ্শ অপৰিহাৰ্য হৈ পৰিছিল। ভাতৃ-বিৰোধ সমস্যাৰ [illegible] পৰা আৰম্ভ কৰি গঠনমূলক সামাজিক কামত নেতৃত্ব দিয়ালৈকে বিভিন্ন স্তৰত এই শিক্ষক সকলে আগভাগ লবলগীয়া হৈছিল। যি কোনো সমস্যাতে গাঁৱৰ মানুহে "পণ্ডিত বাবুক সুধি চাওঁ আহা–" বুলি এখেত সকলৰ ওচৰ চাপিছিল। এক কথাত কবলৈ গলে এখেত সকলেই আছিল সমাজৰ "Friend, Philosopher and guide।" এনে এজন শিক্ষাপ্ৰেমী, ধৰ্মপ্ৰাণ, সমাজসেৱক, কৰ্মযোগী পণ্ডিত স্বৰ্গীয় চনিত চন্দ্ৰ ৰায়মেধি দেৱৰ স্মৃতি চাৰণ কৰিবলৈ ওলাইছো। এইজন মান্যবৰ লোকে নলবাৰী চহৰৰ প্ৰায় দহ কিলোমিটাৰ দক্ষিণে অৱস্থিত বৰকুৰিহা গাঁৱত ১৮৭৫ চনত জন্ম গ্ৰহণ কৰি ৮৭ বছৰ কাল জীয়াই আছিল। যৌৱনৰ আৰম্ভণিৰে পৰা মৃত্যুৰ সময়লৈকে পিতামহ ভীষ্মৰ নিচিনা [illegible] ওচৰ [illegible] গাওঁবাসী সকলক বিভিন্ন ক্ষেত্ৰত সৎ পৰামৰ্শৰ দ্বাৰা [illegible] কামৰ কাৰণে উৎসাহ উদগনি দি ১৯৬২ চনৰ ১৬ জানুৱাৰী তাৰিখে [illegible] কৰে। এই মহান শিক্ষকজনৰ জীৱনৰ তলত আলোচনা কৰিবলৈ [illegible]চাই তেখেতৰ ব্যক্তিত্ব তথা শিক্ষা, সমাজ সংস্কাৰ আৰু সাহিত্যৰ [illegible]চোৱা ৰবঙণিৰ সুদূৰ প্ৰসাৰী প্ৰভাৱৰ কিছু আভাস দিব বুলি আশা ৰাখো।

এজন আদৰ্শ শিক্ষক :

১৯৩৩ চন, মোৰ শিক্ষা আৰম্ভৰ বছৰ। এই চনতে কোনোবা এটা দিনত দেউতাই [illegible] আৰু [illegible] ভৰ্তি কৰি দিলে। প্ৰথম দিনা [illegible] আন সকলৰ লগতে নিদিষ্ট ঠাইত বহিলো। দ্বিতীয় [illegible] কৰা শ্ৰেণীভাগ হোৱাৰি জোকাৰি যাঁহাকাৰ

নকৰিবলৈ কৈ আছে। কিন্তু কোনোৱে শুনা নাই। এনেতে আধা পকা চুলি, ওলমি পৰা ডাড়ি, পৰিপাটিকৈ পিন্ধা পোছাক আৰু হাতত লাঠীৰে সৈতে সৌম্য শান্ত মূৰ্তিৰ প্ৰধান শিক্ষক স্কুলত সোমাল। লগে লগে সকলো কাঁহ পৰি জীন গ'ল। প্ৰধান শিক্ষক পণ্ডিত ললিত চন্দ্ৰ ৰায় মেধিক দেখি সেইদিনা মোৰ আইতাই সাধুকথাত কোৱা ৰূপকৱৰ কথা মনত পৰিছিল। লগে লগে প্ৰধান শিক্ষকে ৩য় মান শ্ৰেণীৰ ছাত্ৰ সকলক থিয় কৰাই প্ৰত্যেকৰে নখ, চুলি, চোলাৰ বুটাম আদি পৰীক্ষা কৰিবলৈ ধৰিলে। এই সংক্ৰান্তত দুই এজনক দুই এক কোব মৰাও চকুত পৰিল। মনে মনে মই প্ৰতিজ্ঞা কৰিলো সেই বিলাক বিষয়ত মই সাৱধান হম বুলি। এইজনা আদৰ্শ শিক্ষকৰ কথা মনত পৰিলে ভক্তিত আজিও মূৰ দো খাই আহে।

ৰাতিপুৱা ৬ বজাত স্কুললৈ আহি দিনটোৰ কাৰণে নিৰ্দ্দিষ্ট কৰি থোৱা পাঠ দান কৰি ১১ বজাত স্কুল শেষ কৰি ঘৰলৈ যায়। কোনো দিনেই সময়ৰ হেৰ ফেৰ নাই। পুথিগত পাঠ দান কৰাৰ উপৰিও এইজনা নিষ্ঠাবান শিক্ষকে ছাত্ৰসকলক শৃংখলাবোধ পৰিষ্কাৰ পৰিচ্ছন্নতা, সময়নিষ্ঠা আদি বিষয়ত অধিক মনোযোগ দিছিল। "কামৰ জৰিয়তে শিক্ষা"–এই কথাত এখেতৰ সম্পূৰ্ণ আস্থা আছিল। সেয়েহে স্কুলঘৰৰ সন্মুখৰ দুই ফালে দুখন ধুনীয়া ফুলনি; মাজেৰে বাটটো। এই বাটেৰে পৰিষ্কাৰ পৰিচ্ছন্নকৈ ৰখা স্কুল ঘৰত প্ৰৱেশ কৰিয়েই পবিত্ৰ মন্দিৰত প্ৰৱেশ কৰা যেন অনুভৱ হৈছিল। এইবিলাক কাম তেখেতে ছাত্ৰসকলৰ দ্বাৰাই কৰাইছিল। ইয়াৰ উপৰিও বয়সৰ অনুপাতে সকলো ছাত্ৰই মাটিৰ নানা ধৰণৰ বস্তু, বাঁহ বেতেৰে সজা বিভিন্ন সঁজুলি নিয়মিত ভাবে কৰিব লাগিছিল। সুস্থ তথা পবিত্ৰ পৰিবেশ সৃষ্টিৰ ওপৰত এইগৰাকী প্ৰধান শিক্ষকে সদায় চকু ৰাখিছিল। আজিৰ শিক্ষক সকলেও এনে নিষ্ঠা আৰু একাগ্ৰতাৰে কোমলমতি শিশু সকলক উপযুক্ত ভাবে গঢ় দিয়াৰ চেষ্টা কৰিলে বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ উন্নতি নহৈ নোৱাৰে বুলি ভাবো।

এজন ধৰ্মপ্ৰাণ ব্যক্তিঃ

"সংসঙ্গী দামোদৰী আলগা সত্ৰ" নামৰ গ্ৰন্থৰ লিখক বহুমুখী প্ৰতিভাৰে উজ্জ্বল পণ্ডিত ৰায়মেধিয়ে ব্যৱহাৰ কৰা–"ধৰ্মৰ নিমিত্তে পৃথিবী বৈ আছে","ধৰ্ম নাথাকিলে পৃথিবী ধ্বংস হব", "সত্যই ধৰ্ম" আৰু "ধৰ্মৰেই জয়" আদি বাক্যবোৰে লিখকৰ ধৰ্মৰ প্ৰতি থকা অগাধ বিশ্বাস আৰু আগ্ৰহৰেই সাক্ষ্য দিছে। অসমৰ চাৰিজন বৈষ্ণৱ গুৰুৰ অন্যতম শ্ৰেষ্ঠগুৰু শ্ৰীশ্ৰীদামোদৰদেৱ।। তেৰাৰেই শিষ্য স্বৰ্গীয় ডিলাৰাম পাটগিৰীৰ (মেধি) দ্বাৰা আলগা মৌজাত ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে এখন সত্ৰ স্থাপন কৰায়। এই খনেই সংসঙ্গী দামোদৰী আলগা সত্ৰ–যিখন সত্ৰই আজিও বৰকুৰিহা গাঁৱত দামোদৰীয় বৈষ্ণৱ ধৰ্মৰ ধ্বজা বহন কৰি গুৰুমণ্ডলজনাৰ গুণ গৰিমা প্ৰচাৰ কৰি আছে। কালক্ৰমত সত্ৰত প্ৰতিষ্ঠিত গোপীনাথ বিগ্ৰহৰ মন্দিৰ তথা নামঘৰ জহি খহি যাব ধৰাৰ লগতে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ বশতঃ সত্ৰৰ স্থান পৰিবৰ্ত্তন কৰাৰ আৱশ্যক হোৱাত পণ্ডিত ৰায়মেধিয়ে এই কাম হাতত ললে। লগত থাকিল স্বৰ্গীয় [illegible] ৰায়মেধি, স্বৰ্গীয় খাটুৰাম ৰায়মেধি, দীননাথ ৰায়মেধি প্ৰমুখ্যে মেধি সকল। কাৰণ বুলিব [illegible]–এই সময়তে অন্য সম্প্ৰদায়ৰ কিছু সংখ্যক লোকে এই সত্ৰৰ বিৰুদ্ধে ই এখন [illegible] সত্ৰ বুলি গুৱাহাটীৰ আদালতত এক মোকৰ্দ্দমাত অৱতীৰ্ণ হ'ল। আৰ্থিক অনাটনত

জুৰুলা হোৱা পণ্ডিত ৰায়মেধিয়ে ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰস্বৰূপে এই সত্ৰখন ৰখাৰ কাৰণে অশেষ কষ্ট ও ত্যাগ স্বীকাৰ কৰিবলগীয়া হ'ল। এনেকুৱা শক্তিশালী বিবেক বুদ্ধিৰ বলত "ধৰ্মোৰক্ষতি ধাৰ্মিকং" মহাবাক্যৰ সত্যতা ৰক্ষা পৰিল। আদালতৰ হুকুমত নামঘৰ আৰু সত্ৰৰ বহুত পাৰ্থক্য দেখুৱাই ইয়ে এখন প্ৰাচীন সত্ৰহে সেই মৰ্মে হাকিমে ৰায় দিলে। পণ্ডিত ললিত চন্দ্ৰ ৰায় মেধিয়ে স্বৰ্গীয় চিলাৰায় শাটপিৰী (মেধি) সকলৰ সম্পূৰ্ণ বংশাৱলী আৰু কোচৰজা লক্ষ্মী নাৰায়ণ সিংহৰ দিনতেই গুৰু শ্ৰী শ্ৰী দামোদৰদেৱৰ নিৰ্দেশত কেনেদৰে এই সত্ৰ স্থাপিত হৈছিল সেই সম্পৰ্কে সম্পূৰ্ণ ঐতিহাসিক তথ্য আদালতত নিজে দাখিল কৰিছিল। প্ৰবন্ধ দীঘলীয়া হোৱাৰ ভয়ত এই সম্পৰ্কে বিস্তৃত বিৱৰণ উল্লেখ কৰা নহ'ল। সিবোৰ যিয়েই নহওক অবিভক্ত কামৰূপ জিলাৰ বৰকুৰিহা গাঁৱত স্থাপিত উক্ত সত্ৰখন নলবাৰী অঞ্চলৰ এখন লেখত লবলগীয়া ধৰ্মানুষ্ঠান আৰু এই সত্ৰখনে বছৰত কেইবাটাও তিথি পাৰ্বন পালন কৰি ভাগৱতী বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক তত্বৰ প্ৰচাৰ কৰি আছে। স্বৰ্গীয় ৰায়মেধিৰ আন এটা লক্ষ্য কৰিবলগীয়া ধৰ্মীয় দিশ হ'ল–যি কোনো সভা সমিতিত বক্তৃতা দিবলৈ থিয় হৈয়েই যোৰ হাত কৰি ৰাইজক সম্বোধন কৰিছিল–

"হে মোৰ প্ৰভু সকল" বুলি। ই যেন গীতাত শ্ৰী কৃষ্ণই অৰ্জুনক কোৱা "ব্ৰহ্মাণ্ডৰ যত জীৱ মোৰেই স্বৰূপ" বোলা কথাষাৰৰ সফল অভিব্যক্তি। "ৰায়মেধিয়ে জন সমাজক নাৰায়ণ জ্ঞান কৰি সদায় মূৰৰ ওপৰত স্থান দিছিল।

ভৱিষ্যতদৰ্শী এজন সমাজ কৰ্মী ঃ

সমাজ বাদ দি ব্যক্তিৰ কোনো গুৰুত্ব নাই। এই কথাষাৰ এই মহান গুণী পণ্ডিত সাহিত্যিক গৰাকীয়ে সৰ্বান্তঃকৰণে বিশ্বাস কৰিছিল। তেখেতে বাস কৰা সমাজখনৰ শৈক্ষিক, সাংস্কৃতিক, আৰ্থিক আধ্যাত্মিক আদি দিশৰ প্ৰগতি আৰু উৎকৰ্ষ সাধনৰ বাবে জীৱনৰ শেষ মুহূৰ্তলৈকে অহোপুৰুষাৰ্থ কৰি গৈছিল। ১৯৩৬ চনত গৌৰীপুৰ নিবাসী স্বৰ্গীয় তাৰানাথ গোস্বামীৰ নেতৃত্বত স্থানীয় ৰাইজৰ সহযোগত বৰকুৰিহা গাঁৱৰ বিখ্যাত গজাপুখুৰী পাৰত উচ্চ শিক্ষাৰ অনুষ্ঠান গজাপুখুৰী বৰকুৰিহা হাইস্কুল প্ৰতিষ্ঠিত হয়। এই মহৎ কামত স্বৰ্গীয় গোস্বামীৰ লগতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰে পণ্ডিত ললিত চন্দ্ৰ ৰায় মেধিয়ে। কিন্তু দুৰ্ভাগ্যৰ কথা সেই বছৰৰে শেষৰ ফালে স্কুলখনৰ নামাকৰণ লৈ মতভেদৰ সৃষ্টি হয়। ফল স্বৰূপে এখন স্কুল দুখন হ'ল। একালে এই অঞ্চলৰ ২০/২৫ খন গাঁৱৰ ৰাইজে মূল ঠাইৰ পৰা এক ফাৰ্লঙমান উত্তৰে মূল ঘৰটো ভাঙি নি নতুনকৈ সজাই স্কুল আৰম্ভ কৰিলে। আনফালে মূল ঠাইত বৰকুৰিহা গাঁৱৰ ৰাইজে দানবীৰ ধৰ্মনাথ শৰ্মা, সমাজ সেৱী বুদ্ধিৰাম মহাজন, অক্লান্ত সমাজ কৰ্মী স্বৰ্গীয় ৰাজ্যনাথ শৰ্মা, স্বৰ্গীয় সত্যনাথ শৰ্মা, স্বৰ্গীয় তাৰিত চন্দ্ৰ কলিতা, স্বৰ্গীয় নিত্যাৰ্থ ৰায়মেধি, স্বৰ্গীয় নিৰ্ভয় চন্দ্ৰ মহন্ত আৰু অন্যান্য সকলৰ নেতৃত্বত আন এখন স্কুল স্থাপন কৰিলে। নাম ৰাখিলে গজাপুখুৰী বৰকুৰিহা হাইস্কুল। এইখন সামাজিক যুদ্ধত বৰকুৰিহা গাঁৱৰ হকে মুখ্য পৰামৰ্শদাতা আছিল স্বৰ্গীয় ললিত চন্দ্ৰ ৰায়মেধি। যি কোনো সময়তে উত্তেজনাৰ বশৱৰ্তী নহৈ ধীৰ স্থিৰ ভাবে যি আঁচনিৰ পৰামৰ্শ দিছিল তাৰ ফল স্বৰূপে গাওঁৰ সন্মান ৰক্ষা কৰাত বৰকুৰিহা গাঁৱৰ ৰাইজ সফল কাম হৈছিল। গজাপুখুৰী বৰকুৰিহা হাইস্কুল নাম লৈ দুয়োখন স্কুল পুনৰ একত্ৰিত হৈ আজিলৈ শিক্ষাদানৰ কাম চলাই আছে। এনে এটা সময় আছিল যেতিয়া এইজনা

তীক্ষ্ণ বুদ্ধি সম্পন্ন পণ্ডিতৰ বিনা পৰামৰ্শত বৰফুকিয়া [illegible] নচলিছিল।

১৯৪৭ চনত ভাৰতবৰ্ষই ইংৰাজ শাসনৰ কবলৰ পৰা [illegible] ভাৰত গঢ়াৰ পৰত দেশৰ কৰ্ণধাৰ সকল আগবাঢ়িছিল। [illegible] স্বৰ্গীয় ললিত চন্দ্ৰৰ মুখত পঞ্চায়তী ৰাজ শাসনৰ চিন্তাই [illegible]। [illegible] গাওঁৰ ক্ষমতা বিকেন্দ্ৰী কৰণৰ কথা অনুমান কৰিছিল নে নাই [illegible]; কিন্তু আমাৰ এই গুৰুজনাৰ দৃঢ় বিশ্বাস আছিল যে বিনা পঞ্চায়তী ৰাজে দেশবাসীক আত্মনিৰ্ভৰশীল কৰিব পৰা নাযাব। সেয়েহে ১৯৪৮ চনতে বৰফুকিয়া গাওঁত বেচৰকাৰী ভাবে গাওঁপঞ্চায়ত গঠন কৰি প্ৰধান সচিবৰ দায়িত্ব তেখেতে নিজে ললে। লগে লগে গম্ভাপুখুৰী পাৰত পঞ্চায়ত কাৰ্যালয় ঘৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিলে। কিন্তু সেই সময়ৰ ডেকা শক্তিয়ে ইয়াৰ বিৰোধিতা কৰিলে। তীব্ৰ বিৰোধৰ বাবে তেখেত সফল কাম হব নোৱাৰিলেও আজি প্ৰত্যেকে পঞ্চায়তী ৰাজ শাসনৰ গুৰুত্ব উপলব্ধি কৰিছে। কিন্তু আজিৰ পৰা ৪৫ বছৰ আগেয়ে এইজনা মহান ব্যক্তিয়ে হাতে কামে এইকথা চিন্তা কৰিছিল।

বানপানী সমস্যা বৰভাগ মৌজাবাসীৰ বাবে এটা অতি ডাঙৰ সমস্যা। বৰ্তমান এটা অঞ্চলে কিছু সকাহ পালেও আজি ৩/৪ বছৰ আগলৈকে পাগলদীয়া নদীৰ বানপানীয়ে বৰভগীয়া ৰাইজক ভালকৈ শিকনি দিছিল। পাগলদীয়া নদীক "Tears of Barbhag" বুলি কোৱা হোৱা কৰা হৈছিল। যোৱা ১৯৫০-৫১ চনতেই স্বৰ্গীয় ললিত চন্দ্ৰই ইয়াৰ নিবাৰণৰ উপায় চিন্তা কৰিছিল। প্ৰবল স্ৰোতা পাগলদীয়া নৈৰ সোঁত দুভাগ কৰি দুইফালে বোৱাই দিলে বৰভাগৰ ৰাইজে কিছু পৰিমাণে সকাহ পাব; আনহাতে অন্য কোনো অঞ্চলো বিপদৰ সন্মুখীন হব নালাগিব। এই পৰামৰ্শ মৰ্মেৰে আকাৰে লিখি কৰ্তৃপক্ষৰ ওচৰত তেখেতে আবেদন জনাইছিল। অসম চৰকাৰৰ উপৰিও ভাৰত চৰকাৰলৈ তেখেতৰ দৰখাস্তৰ ইংৰাজী অৰ্থ্যা প্ৰেৰণ কৰা কথা এতিয়াও মোৰ ভালকৈ মনত আছে। যোৱা ১৯৫৪ চনত প্ৰকৃতিয়ে নিজা ৰবীয়াকৈ বতাহগিলা মৌজাৰ চেং নৈৰে পাগলদীয়া নৈৰ এটা সোঁতে মৰা পাগলদীয়া নৈৰ পিনে গতি কৰিলে। বানপানী দুয়োফালে দুভাগ হ'ল কিন্তু সেই সময়ৰ পশ্চিম নলবাৰী সমষ্টিৰ বিধায়ক স্বৰ্গীয় প্ৰভাত গোস্বামীৰ নেতৃত্বত সেই অঞ্চলৰ ৰাইজে ভঙা চেংনৈ বান্ধি দিবলৈ তীব্ৰ ভাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিলে। আনফালে পূব নলবাৰী সমষ্টিৰ সেই সময়ৰ বিধায়ক শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ নেতৃত্বত এই অঞ্চলৰ ৰাইজে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিলে। এই কামত শ্ৰী প্ৰভাত চৌধুৰী, শ্ৰী হৰিচৰণ পাঠক প্ৰমুখ্যে নেতৃস্থানীয় লোক সকলো জড়িত আছিল। সেই সময়তেই পণ্ডিত ৰায়মেধিয়ে যেন তেখেতৰ আঁচনি ৰূপায়িত কৰাৰ সুবৰ্ণ সুযোগ পালে। তেখেতে ৰাইজক সংঘবদ্ধ কৰি চেং নৈ বন্ধাৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলিলে। অসম চৰকাৰে শেষত উপায়ন্তৰ হৈ ইয়াৰ তদন্ত কৰিবলৈ "German Commission" বহুৱালে। German চাহাব সেই সময়ৰ মুখ্য কাৰিকৰী বিষয়া আছিল আৰু এগৰাকী অভিজ্ঞ আৰু সুদক্ষ অভিযন্তা আছিল। "German Commission"ত German চাহাবৰ লগত আছিল [illegible] শ্ৰী ৰবিন [illegible]। [illegible] হ'ব। [illegible]

[illegible]

যুক্তি সাব্যস্ত কৰিছিল তাকে শুনি তাত উপস্থিত থকা বাইজৰ উপৰিও কমিটিৰ সদস্য সকলো মুগ্ধ হ'ল। শেষত কমিটিয়ে সকলো দিশ চালি জাৰি চাই চেং লৈ কৰাৰ সিদ্ধান্ত দিলে যদিও পাগলদীয়া নদীখনৰ মুখো পাৰে মথাউৰী নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ল সঁচা, কিন্তু সমস্যাৰ ওৰ নপৰিল। মথাউৰি সকলোৱে ভঙাৰ ফলত যি ঠাইতেই মথাউৰি ভাঙে সেই অঞ্চলৰে বাইজৰ দুখ দুৰ্দশাই পাটীয়ে নধৰা হয়। অৱশেষত আজি কেইবছৰ মান আগতে পাগলদিয়া নদীৰ গুৰিতে কাটি এটা সোঁত মৰা পাগলদিয়াৰ ওপৰেদি বোৱাই দিয়াতহে সামান্য পৰিমাণে হলেও বাইজে সকাহ পাইছে। এই কথাকেই প্ৰায় আঢ়ৈ কুৰি বছৰৰ আগেয়ে পণ্ডিত ৰায়মেধীয়ে চিন্তা কৰিছিল। ই জানো এই গুণী ব্যক্তিগৰাকীৰ দূৰ দৃষ্টিৰ এক জ্বলন্ত উদাহৰণ নহয়?

এই সম্পৰ্কে পণ্ডিত ৰায়মেধিয়ে লিখা এখনি বহুমূলীয়া প্ৰবন্ধ তাহানিৰ বাতৰি কাকতত প্ৰকাশ পাইছিল। আনকি ইংৰাজী বাতৰি কাকততো প্ৰচাৰ কৰাৰ অৰ্থে গুৰুত্বনাৰ এই প্ৰবন্ধবাজি আমি ইংৰাজীনো ভৰ্জমা কৰি দিবলগীয়া হৈছিল।

পঞ্চাশৰ দশকৰ মাজ ভাগত এই কৰ্মযোগী স্বৰ্গীয় ৰায় মেধিয়ে আধিকুঁহি গাঁৱৰ পৰা বেজকুছি গাঁৱলৈ এটি আলি বাট বন্ধা আঁচনি হাতত লয়ে। এই কামত তেখেতক সহায় কৰিবলৈ আগ বাঢ়ি আহিল স্বৰ্গীয় মুক্তিৰাম মহাজন, স্বৰ্গীয় ধাতুৰাম ৰায়মেধি, শ্ৰী কৃষ্ণ শৰ্মা প্ৰমুখ্যে নেতৃস্থানীয় লোক সকল। সেই সময়ৰ স্থানীয় বিধায়ক শ্ৰীমান প্ৰফুল্ল গোস্বামীয়েও এই কামত তেখেতৰ সহযোগিতা কৰিছিল। বহুতে সহায় কৰিলেও একাংশ লোকে স্বাৰ্থজনিত কাৰণত এই কামত তেখেতক বাধা প্ৰদান কৰিবলৈ উঠি পৰি লাগিছিল। কিন্তু স্বৰ্গীয় ললিত চন্দ্ৰ ৰায়মেধি সহজে হতাশ হোৱা বিধৰ লোক নাছিল। খোৱা লোৱাৰ কালে আওকান কৰি হাতত মাটি জোখা ফিটা লৈ স্বৰ্গীয় ললিত চন্দ্ৰ আগবাঢ়ি গ'ল। এই কামত তেখেতে নিজ হাতে কোৰ ধৰি সৰ্বপ্ৰথমে আলিত মাটিৰ চপৰা পেলাইছিল আৰু নিজৰ ৩০ বিঘা মাটিৰ এটা ডাগৰ সোমাজেৰে আলিটো নিৰ্মাণ কৰিবৰ বাবে নিজৰ মাটি দান দিছিল। এনেদৰে পণ্ডিত জনাৰ শক্তিশালী ব্যক্তিত্ব আৰু উদাৰ মনোভাৱৰ ওচৰত বাধাপ্ৰদানকাৰী লোকসকল সেও মানিবলৈ বাধ্য হৈছিল আৰু শেষত আলি নিৰ্মাণ হৈছিল। বৰ্তমান চৰকাৰে এই আলিটোকে আৰু কিছুদূৰ আগবঢ়াই শনিমণ্ডল আলিৰ লগত লগ লগাই বাটা নিৰ্মাণ কৰিলত ৰাইজ উপকৃত হৈছে।

শিক্ষা-সাহিত্য-সংস্কৃতি-সমাজ-সংস্কাৰঃ-

পণ্ডিত ললিত চন্দ্ৰই ১১ বছৰ বয়সলৈকে কাগজ কলম হাতত লোৱা নাছিল। তেখেতৰ দেউতাক পণ্ডিত পঞ্চানন ৰায়মেধিও এগৰাকী প্ৰাইমাৰী স্কুলৰ শিক্ষক আছিল, কিন্তু ললিত চন্দ্ৰৰ একবছৰ বয়স নৌ হওঁতেই পণ্ডিত পঞ্চাননৰ আকস্মিক ভাবে মৃত্যু ঘটিছিল। ললিত চন্দ্ৰই আৰু অৱধা ঘৰৰ আন কাৰো কথালৈ কৰ্ণপাত নকৰি গৰু চৰাই আৰু ডেকাসকলৰ খেতি পথাৰত কুৰি কুৰি সময় কটাইছিল। ১১ বছৰ বয়সত এদিন গৰু চৰাই থাকোতে মহাভাৰতৰ সুৰ লগাই যোৱা গাভৰু ললিত চন্দ্ৰৰ কাণত পৰিলহি। লগে লগে পথাৰৰ পৰা ভাঙি ভাঙি ললিত আহি

মাকক কলে-"মা-মই পঢ়িম।" এনেদৰেই তেওঁৰ বিদ্যা শিক্ষা আৰম্ভ হৈছিল-আৰু তাহানি গুৱাহাটীত "গুৰু-ট্ৰেইনিং" অধ্যয়ন কৰি থকা কালত প্ৰতি শনিবাৰে ট্ৰেইনিং শেষ হোৱাৰ পাছত গুৱাহাটীৰ পৰা তেখেতৰ নিজৰ গাঁৱৰ ঘৰলৈ প্ৰায় ৪০ কিলোমিটাৰ পথ খোজ কাঢ়ি আহিছিল আৰু প্ৰতি সোমবাৰে শেষ নিশাতে উঠি ইয়ানদূৰ বাট খোজ কাঢ়ি গৈ ট্ৰেইনিঙৰ ক্লাচ কৰিছিল। গুৰু ট্ৰেইনিঙত ললিত চন্দ্ৰই গোটেই অসমৰ ভিতৰতে প্ৰথম স্থান লাভ কৰি গুৰু ট্ৰেইনিং শিক্ষা সমাপ্ত কৰিছিল। গুৰু ট্ৰেইনিং অধ্যয়ন কৰি থকা কালত পণ্ডিত ললিত চন্দ্ৰৰ সহবাসী আৰু সহপাঠী আছিল বিহগী কবি ৰঘুনাথ চৌধুৰীদেৱ। ললিত চন্দ্ৰই পদ্যও ৰচনা কৰিছিল আৰু তাৰে দুই চাৰিটা তেখেতৰ প্ৰকাশিত গ্ৰন্থ 'সংসঙ্গী দামোদৰী আলগা সত্ৰ' খনত সন্নিবিষ্ট কৰাও আছে। বোধহয় ৰঘুনাথ চৌধুৰীৰ সান্নিধ্যই তেখেতক পদ্য ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

চল্লিশ আৰু আনকি পঞ্চাশৰ দশকৰ মাজ ভাগলৈ আমাৰ সমাজত চলা কিছু ধৰ্মীয় আচাৰ নিষ্ঠাই আমাৰ সমাজৰ বিশেষকৈ কৃষক শ্ৰেণীৰ অৰ্থনৈতিক দিশত যথেষ্ট ক্ষতি সাধন কৰিছিল। তেনে এক উদাহৰণ হ'ল মানুহৰ ঘৰত সন্তান জন্মিলে অথবা কাৰোবাৰ মৃত্যু হলে নিজৰ ঘৰখনত আৰু নিজৰ জাতিৰ মানুহে এমাহ কাল ব্ৰত পালন কৰিবলগীয়া হয়। এই ব্ৰত কিন্তু ব্ৰাহ্মণ সম্প্ৰদায়ৰ ক্ষেত্ৰত মাত্ৰ তেৰ দিনৰ বাবেহে। পণ্ডিত ললিত চন্দ্ৰই সমাজৰ এই অন্ধ আচাৰ নিষ্ঠাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি পঞ্চাশৰ দশকৰ আৰম্ভতে নিজৰ ঘৰত সৰ্বপ্ৰথমে এনে ক্ষেত্ৰত তেৰ দিনীয়া ব্ৰত প্ৰৱৰ্তন কৰি সংসঙ্গী দামোদৰী আলগা সত্ৰৰ খেলৰ সকলো লোককে তেনে কৰাৰ নিয়ম প্ৰৱৰ্তন কৰাই দিছিল। এই কাম কৰোতে ললিত চন্দ্ৰই সমাজৰ বহু শ্ৰেণীৰ বহু মানুহৰ প্ৰবল বাধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু সকলো বাধা নেওচি তেখেতে এই তেৰদিনীয়া ব্ৰত প্ৰথা প্ৰৱৰ্তন কৰাইছিল আৰু এনেবোৰ কামৰ দ্বাৰাই তেখেতে সমাজ সংস্কাৰ আৰু বিপ্লৱী চৰিত্ৰৰে উজ্জ্বল হৈ বহুমুখী প্ৰতিভাৰ পৰিচয় দি গৈছে। অৱশ্যে আমাৰ সমাজত বৰ্তমানে প্ৰায় সকলো শ্ৰেণীৰ লোকৰ মাজতেই এই ব্ৰত তেৰ দিনীয়া হিচাবে পালন কৰা হয়।

এনেধৰণৰ নানা ঘাট প্ৰতিঘাট আৰু আলৈ আহুকালৰ মাজেৰেও তেখেতে বিদ্যা চৰ্চা আৰু সাহিত্যৰ সাধনাত ব্ৰতী হৈছিল। তেখেতৰ ৰচিত আৰু প্ৰকাশ হোৱা "সংসঙ্গী দামোদৰী আলগা সত্ৰ-" আৰু "গুৰু শিষ্য" নামৰ গ্ৰন্থ দুখনে তেখেতৰ সাহিত্য সাধনাৰ স্বাক্ষৰ বহন কৰিছে। ইয়াৰ উপৰিও তেখেতৰ লিখিত বহু প্ৰবন্ধ ইতিমধ্যে কাকতে পত্ৰই প্ৰকাশ পাইছে আৰু কিছু অপ্ৰকাশিত হৈ ৰৈ গৈছে। তেখেতৰ পুৰণা ঠাচত লিখা কিছু পদ্যও অপ্ৰকাশিত হৈ ৰৈ গৈছে। তেখেতৰ দ্বাৰা ৰচিত আৰু পঞ্চাশৰ দশকতে অসম বাণী আৰু "The Assam Tribune" কাকতত প্ৰকাশিত পাগলাদিয়া নদীৰ বান নিয়ন্ত্ৰণ সম্পৰ্কৰ প্ৰবন্ধ বাজিয়ে তেখেতৰ বহুমুখী প্ৰতিভাৰ পৰিচয় বহন কৰিছে।

এখন সুসংস্কৃতি সম্পন্ন ঘৰত জন্ম গ্ৰহণ কৰি বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰী নোলোৱাকৈয়েই পণ্ডিত স্বৰ্গীয় ললিত চন্দ্ৰ ৰায় যেন্থিয়ে আজীৱন শিক্ষা সাহিত্য

আৰু সামাজিক কামত ব্ৰতী হৈ আছিল। এইজনা শিক্ষাসেৱী সমাজ কৰ্মী পুৰুষৰ তীক্ষ্ণ দৃষ্টি আৰু চেষ্টাৰ ফলতে তেখেতৰ পো-নাতি-নাতিনী সকলে উচ্চ শিক্ষা লাভ কৰি নিজৰ লগতে সমাজৰ হিতাৰ্থে আত্ম নিয়োগ কৰা দেখা গৈছে আৰু লগতে তেওঁলোকৰ গুণী জ্ঞানী পিতামহৰ গুণ গৰিমা প্ৰচাৰৰ কাৰণে বিভিন্ন সামাজিক অনুষ্ঠানত সহায় সহযোগ আগ বঢ়াই আহিছে। এইজনা গুৰুৰ স্মৃতিতেই সংলগ্নী দামোদৰী আলপা সত্ৰ গৃহ আৰু গঙ্গা জ্যোতি শাখা সাহিত্য সভা ভৱনৰ সন্মুখৰ পথাৰখনৰ নাম "ললিত ক্ষেত্ৰ" ৰাখিছে। ১৯৯১ চনত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় ভাবে উদযাপিত বিষ্ণু ৰাভা দিৱস এই ললিত ক্ষেত্ৰতেই অনুষ্ঠিত হয় আৰু সেই অনুষ্ঠানতেই অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰী যোগেশ দাসে এই ললিত ক্ষেত্ৰ আনুষ্ঠানিক ভাবে উদ্বোধন কৰে। ললিত ক্ষেত্ৰৰ দাঁতিতেই পণ্ডিত ললিত চন্দ্ৰ বায়মেধি স্মৃতি প্ৰাথমিক বিদ্যালয় আৰু ললিত চন্দ্ৰ বায়মেধি স্মৃতি মাধ্যমিক বিদ্যালয় স্থাপিত হৈছে। গঙ্গাপুখুৰী বৰকুৰিহা হাইস্কুলৰ স্থায়ী পুৰিভৰালটোৰ নামো গুৰুজনাৰ ত্যাগৰ মূল্যায়ন হিচাবে ললিত বায়মেধি স্মৃতি পুৰিভৰাল ৰখা হৈছে।

oooo

সাহিত্যিক পেন্সনাৰ প্ৰাচ্যবিদ শৰৎ চন্দ্ৰ শৰ্মা

কুসুম চন্দ্ৰ শৰ্মা

চলন ফুৰণত গম্ভীৰতা, দেখাত দাৰ্শনিক দাৰ্শনিক যেন লগা, সৎ চিন্তা, মিতব্যয়িতা আদি গুণৰ অধিকাৰী, সুদৰ্শন পুৰুষ শ্ৰদ্ধেয় শৰৎ চন্দ্ৰ শৰ্মা আছিল আমাৰ পূজ্যপাদ শিক্ষাগুৰু। প্ৰায় দেৰ কুৰি বছৰৰো ওপৰ কাল এইজনা মনীষাৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰি তেখেতৰ স্নেহ ভাজন হব পৰাটোৱেই আছিল আমাৰ বাবে পৰম গৌৰবৰ কথা। তেখেতৰ ওচৰলৈ আমি যেতিয়াই গৈছিলো প্ৰায় তেতিয়াই দেখিছিলো হয় পিচ ফালৰ বাৰাণ্ডাৰ এমূৰত থকা কাঠৰ পুৰণি চকীখনত বহি অথবা পুথিভঁৰালৰ ক্ষুদ্ৰ সংস্কৰণ সদৃশ শেতেলিৰ ওপৰত বহি কিবা পঢ়ি থকা নাইবা লিখি থকা। এনেকুৱা অধ্যয়ন ৰত অৱস্থা হৈছিল বিশেষকৈ শৰ্মাদেৱৰ চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছৰ সময়ছোৱাত। আৰু এই বিশেষ গুণ সম্পন্ন শৰৎ চন্দ্ৰ শৰ্মাৰ ব্যক্তিত্ব, প্ৰতিভা সমন্বিতে চাৰিত্ৰিক বৈশিষ্ট্য সমূহ আমি জানিবৰ নিমিত্তে আগুৱাই যাব লাগিব অতীতৰ পিনে, সত্তাশী বছৰ আগলৈকে।

শিক্ষাবিদ আৰু মনোবিজ্ঞানী সকলে মানুহৰ ওপৰত পৰিবেশ আৰু বংশৰ প্ৰভাব পৰে বুলি কয়। আমি এতিয়া চাব লাগিব শৰৎ চন্দ্ৰৰ ওপৰত এই প্ৰভাব কেনেদৰে পৰিছিল অথবা তেখেত ইয়াৰ কিবা ব্যতিক্ৰম আছিল নেকি ? শুনা যায়, ১৮২৭ শকৰ মাঘ মাহত (১৯০৬ চনৰ ৩০ জানুৱাৰী) অবিভক্ত কামৰূপ জিলাৰ লৰমা গাঁৱত জন্মলাভ কৰা পৰাশৰ গোত্ৰীয় শৰৎ চন্দ্ৰ শৰ্মাৰ বংশৰ পূৰ্বজ ভালেকেইজন লোক বিদ্বান পণ্ডিত আছিল। সপ্তদশ শতিকাত বাসুদেৱ নামৰ এজন ব্ৰাহ্মণৰ সংস্কৃত ভাষাত থকা পাণ্ডিত্যৰ স্বীকৃতি স্বৰূপে নিষ্কৰ ভূমি দান দি আহোম ৰজাই এই গাঁৱতে (বৰ্তমান নলবাৰী জিলাৰ অন্তৰ্গত) স্থাপন কৰিছিল। এই বাসুদেৱৰ পৰা অধস্থান দশম পুৰুষত শৰৎ চন্দ্ৰ। কোৱা বাহুল্য যে এই বংশৰ লোকসকলৰ সংস্কৃত ভাষা-সাহিত্যৰ প্ৰতি ইমানেই থাউতি আছিল যে এনেকি খোৱা-বোৱাৰ সময়তো নিজৰ ভায়েকৰ ভিতৰতে কিবা বিষয়কলৈ সংস্কৃত ভাষাতে তৰ্কাতৰ্কি হৈছিল। সম্ভৱতঃ শৰৎ চন্দ্ৰৰ ওপৰত বংশৰ প্ৰভাব পৰিছিল গুণে তেখেত অধ্যয়নশীল, ধীৰ স্থিৰ হোৱাৰ উপৰিও ভাৰতীয় বেদ, উপনিষদ, পুৰাণ আদিৰ আদৰ্শৰে অনুপ্ৰাণিত হৈছিল। "তেন ত্যক্তেন ভুঞ্জীযা মা গৃধঃ কস্যাসিৎ ধনম।" (ত্যাগ কৰিহে ভোগ কৰিবা, আনৰ ধনৰ প্ৰতি লোভ নকৰিবা) উপনিষদৰ এইষাৰ আপ্ত বচনৰ আদৰ্শ শৰ্মা দেৱৰ জীৱিত কালত মানি চলা দেখা গৈছিল। ভাৰতীয় আদৰ্শত যি দৰে ভোগ বিলাসৰ স্থান তুচ্ছ তেনেদৰে ইয়াত দৰিদ্ৰতা আৰু নিষ্কৰ্মাৰ স্থানো নাই। সকলোৱে শ্ৰদ্ধাৰে সৎপথেৰে নিজ কৰ্ম কৰিবই লাগিব। "সৎকৰ্মই ধৰ্ম।" এই কথাও শৰ্মাদেৱে মানি চলিছিল। শৰৎ চন্দ্ৰ শৰ্মাৰ জন্মৰ সময়ত সেই অঞ্চলৰ ৰাস্তা-ঘাট সুচল নাছিল। বোকা পানীৰ ওপৰেৰে অহাযোৱা কৰিব লাগিছিল আৰু শিক্ষা-দীক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ লাভৰ

যাৰে শিক্ষানুষ্ঠানবো অভাব আছিল। অধ্যাপক সকলে নিজৰ ঘৰতে স্থাপন কৰা দুই চাৰিখন সংস্কৃত টোল আৰু আঠঘৰীয়া গাঁৱত থকা প্ৰাথমিক বিদ্যালয়খন আছিল; ইফালে বৰখালা মাইনৰ স্কুলখন নতুনকৈ স্থাপন কৰা হৈছিল (১৯১১চন)। তেখেতে আঠঘৰীয়া প্ৰাথমিক আৰু বৰখালা মাইনৰ স্কুলত শিক্ষা গ্ৰহণ কৰিছিল। তেতিয়া সকলো ঘৰৰ সকলো ল'ৰাই (ছোৱালীৰ প্ৰশ্নই নুঠে) শিক্ষা গ্ৰহণ কৰা নাছিল। প্ৰকৃতিৰ সতে সংগ্ৰাম কৰিব লগা কৃষিজীৱি জনগণে কৃষিতে যাইকৈ মনোনিবেশ কৰিছিল। আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰত শৰ্মাদেৱে সমাজৰ পৰা বিশেষ প্ৰেৰণা নেপালেও তেখেতে নিৰহংকাৰী হৈ সকলোৰে লগত মিলা-প্ৰীতিৰে বসবাস কৰা, বিপদে আপদে সকলোকে এষাৰ মাত দিয়া আৰু পৰিশ্ৰম কৰাৰ প্ৰেৰণা সেই লোকসমাজৰ পৰাই পাইছিল, নৈতিক শিক্ষাও পাইছিল। হয়টো লোক সমাজৰ উৎসৱ-অনুষ্ঠান, গীত-পদ, ফকৰা-যোজনা আদি লোকসংস্কৃতিৰ অলংকাৰ সমূহে শৰ্মাদেৱক বাৰুকৈয়ে আকৰ্ষণ কৰিছিল যাৰ প্ৰতিফলন তেখেতৰ সাহিত্যকৰ্মৰ ওপৰত হৈছে। আৰু লোকসমাজৰ আদৰ্শ গ্ৰহণ কৰিয়ে চাগে শৰ্মাদেৱে সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সমাজৰ প্ৰতি সেৱা আগবঢ়াইছিল। বংশ আৰু লোক সমাজৰ প্ৰভাৱে তেখেতক স্বাধীনচেতীয়া আৰু নিৰ্ভীক ভাৱগম্ভ কৰি গঢ়ি তুলিছিল। অথচ সময় বিৱৰ্তনৰ লগে লগে তথাকথিত শিক্ষা দীক্ষাত আগবাঢ়ি নিজকে সভ্য বুলি পৰিচয় দিয়া লোক' পিছৰ কালৰ সমাজৰ পৰা শৰ্মাদেৱে কৰ্মপ্ৰেৰণা পোৱা নাছিল; এনেকি তেখেতে বহু সময়ত তিতা-কেহা খাবলগীয়া হৈছিল বুলিহে আমাক কৈছিল। (আৰু আমাৰ হাতত তেখেতৰ লিখিত বিৱৰণো আছে) তথাপি নিজ আদৰ্শত অবিচল থকা শৰৎ চন্দ্ৰই নানান প্ৰতিকূল অৱস্থাৰ মাজেৰে কৰ্তব্য সম্পাদন কৰি গৈছিল।

শৰ্মাদেৱে বৰখালা মাইনৰ স্কুলৰ পৰা গৈ নলবাৰী গৰ্ডন স্কুলত অধ্যয়ন কৰিছিল। মধুৰ সম্পৰ্কৰ সহপাঠী সকল আছিল ভদ্ৰ আৰু তীক্ষ্ণ বুদ্ধি সম্পন্ন। সেই সকলৰ ভিতৰত এজন আছিল প্ৰথিত যশা সাহিত্যিক নন্দন তাত্ত্বিক ত্ৰৈলোক্য নাথ গোস্বামী। আমাৰ অন্যতম শিক্ষাগুৰু সেই গোস্বামীদেৱে নিজে আনন্দৰে স্বীকাৰ কৰিছিল শৰ্মাদেৱৰ মেধাশক্তি আৰু অধ্যয়নশীল মন থকা বুলি। শ্ৰেণীত সদায় দুয়োজনৰ ভিতৰতে প্ৰথম/দ্বিতীয় স্থান আছিল। অংক, ইংৰাজী আৰু সংস্কৃত বিষয়ত দুয়োজনেই বিশেষ পাৰদৰ্শিতা দেখুৱাইছিল যদিও গোস্বামীদেৱতকৈ শৰ্মাদেৱে সংস্কৃত বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰিছিল বুলি আমাক কৈছিল গোস্বামীদেৱে। কিন্তু দুৰ্ভাগ্যক্ৰমে এণ্ট্ৰেন্স পৰীক্ষাত সংস্কৃত বিষয়ৰ পৰিবৰ্তে লেটাৰ মাৰ্ক পালে অকল অংক বিষয়তহে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ। তাৰ পিছত দুয়োজনেই কটন কলেজত অধ্যয়ন কৰিছিল আৰু স্নাতক উপাধি লাভ কৰিছিল। আৰু এই তীক্ষ্ণধী সম্পন্ন শৰৎ চন্দ্ৰই দুৰ্ভাগ্যৰ কাৰণে উচ্চশিক্ষা লাভৰ আশা সিমানতে পৰিত্যাগ কৰিব লগা হৈছিল। "আগে চাউল কথা পিছত হে হৰিৰ কথা"। লোকসমাজৰ এইষাৰ আপ্ত বচন শিৰোধাৰ্য কৰি আৰ্থিক অনাটনৰ কাৰণে চাকৰি কৰিব লগা হৈছিল। অসম সচিবালয়, চতিয়াৰ নদুৱাৰ হাইস্কুলত প্ৰধান শিক্ষকৰূপে কাম কৰাৰ মূৰকত পশ্চিম বড়িগোগ গীৰজত উচ্চ মাধ্যমিক বিদ্যালয়ত যোগদান কৰিছিল। আৰু এই সময় ছোৱাতে ওপৰত উল্লেখ কৰা তিতা-কেহা খাবলগা হৈছিল। বিদ্যাৰ্থিৰ গণ আন্দোলনৰ সময়ত যেতিয়া এই বিদ্যালয়ৰ ঘৰ পুৰি জাঁইকৃত হৈছিল আৰু নতুনকৈ সেইবোৰ নিৰ্মাণ কৰিবলৈ কৰ্মকৰ্তাৰ অভাৱ

হৈছিল তেতিয়া এইজন শৰৎ চন্দ্ৰই অকলে শিক্ষাদান, প্ৰশাসনিক আৰু ঘৰ বস্তাৰ কামত নেতৃত্ব বহন কৰিব লগা হৈছিল। অকলে বিদ্যালয়ত মেট্ৰিক পৰীক্ষাৰ্থীক অংক, ইংৰাজী, সংস্কৃত, অসমীয়া আদি বিষয় পঢ়ুৱাব লগা হৈছিল। ইমান কষ্টৰ মাজত তেখেতে দিন অতিবাহিত কৰিব লগা হৈছিল যে সাহিত্য সৃষ্টি কৰিব দূৰৈৰ কথা এনেকি ঘৰখনলৈও চকু দিব পৰা নাছিল। তেখেতৰ ৰবপুত্ৰ বৰ্ত্তমান অসম চৰকাৰৰ উচ্চপদস্থ বিষয়া, সাহিত্য সংকলক, লিখক-সমালোচক কনক শৰ্মা প্ৰমুখ্যে বুদ্ধিমান পুত্ৰ আৰু কন্যাসকলৰ শিশুকালৰ শিক্ষা-দীক্ষাৰ ভাৰ বহন কৰিছিল শৰ্মাদেৱৰ পিতৃ ললিত চন্দ্ৰইহে। কৰ্ম জীৱনৰ ইমান তিক্ত অভিজ্ঞতা লাভ কৰিলেও তেখেত কিন্তু কোনো দিনেই কঠোৰ মনোবৃত্তিৰ নাছিল। শৰ্মাদেৱ আছিল শিশুৰ দৰে সৰল। অভিমান আছিল সঁচা ; খঙো নথকা নহয় ; কিন্তু সি আছিল তেনেই ক্ষন্তেকীয়া। অন্তৰ আছিল মৰম আৰু অপত্যস্নেহেৰে ভৰা।

ওপৰত উল্লেখ কৰা বিশাল ব্যক্তিত্বৰ শৰৎ চন্দ্ৰৰ, তাহানি চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোতে বেজবৰুৱাৰ সুৰভি, সাধুকথাৰ কুঁকি, বুঢ়ী আইৰ সাধু নামৰ পুথি পঢ়ি মনত সাহিত্য সৃষ্টিৰ স্পৃহা জাগি উঠা শৰৎ চন্দ্ৰৰ, গৰ্ডন স্কুলৰ তেতিয়াৰ প্ৰধান শিক্ষক, অভিনেতা, নাট্যকাৰ ইন্দ্ৰেশ্বৰ বৰঠাকুৰ ; অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বেণুধৰ শৰ্মাৰ পৰা প্ৰেৰণা পোৱা শৰৎ চন্দ্ৰৰ আচলতে তেখেতে চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছৰ পৰা বৈকুণ্ঠি হোৱাৰ আগলৈকে এই কালছোৱাতহে সাহিত্য সৃষ্টিকে ধৰি সুপ্ত প্ৰতিভা জাগ্ৰত হোৱাৰ সুযোগ পাইছিল। কোৱা বাহুল্য যে যদিও ১৯৫৮ চনতে "আমাৰ গৃহ শিক্ষা" নামৰ পুথি প্ৰকাশ কৰি গাৱলীয়া নাৰী শিক্ষাৰ আৱশ্যকতা সম্পৰ্কে দৃঢ়মত ব্যক্তকৰাৰ লগতে গৃহিনী সকলে শিশুৰ যতন লোৱা সম্পৰ্কে বৈজ্ঞানিক দৃষ্টিৰে উপদেশ দিছিল তথাপি এই অৱসৰীয়া সময় খিনিতহে শৰ্মাদেৱৰ মৌলিক আৰু তত্ব গধুৰ প্ৰবন্ধ সমূহ আৰু অনেক মূল্যবান গ্ৰন্থৰ সৃষ্টি হৈছিল।

আমি সকলোৱে কম বেছি পৰিমাণে জানো যে মানুহক সমাজত প্ৰতিষ্ঠিত কৰিবলৈ স্থায়ী সৃষ্টিৰ আৱশ্যক আৰু সেই সৃষ্টিবোৰৰ ভিতৰত সাহিত্য সৃষ্টিও অন্যতম। পৃথিৱীত কিছুসংখ্যক ব্যক্তি আছে যি সকলে অতি কম সংখ্যক গ্ৰন্থ ৰচনা কৰিও সুপ্ৰতিষ্ঠিত হৈছে। এই সম্পৰ্কত শৰৎ চন্দ্ৰ কিমান দূৰ কৃতকাৰ্য হৈছিল আৰু ইয়াৰ লগতে তেখেতৰ মতবাদ আৰু আদৰ্শ সম্পৰ্কে জানিবলৈ হলে আমি তেখেতৰ প্ৰবন্ধ তথা গ্ৰন্থ সমূহ অনুধাবন কৰিব লাগিব। বৰ্ত্তমান যুগত উপন্যাস সাহিত্য অতি জনপ্ৰিয় সাহিত্য। ইয়াৰ মাজেৰে জীৱন আৰু জগত সম্পৰ্কে বহুল ব্যাখ্যা কৰিব পাৰে। জীৱনক বিভিন্ন ৰূপত সজাই তুলিবলৈ যাওঁতে লিখকে সমাজৰ চিত্ৰও ভিন ভিন দিশত মূৰ্ত্ত কৰি তুলিব পাৰে। শৰ্মাদেৱেও তেখেতৰ "হিয়াৰ বাতৰি" (১৯৭১) আৰু "কলংক বিভ্ৰাট" (১৯৮৬) নামৰ উপন্যাস দুখনৰ মাজেৰে জীৱন আৰু জগৎ বা সমাজ সম্পৰ্কে আলোচনা কৰিছে। হিয়াৰ বাতৰিৰ মূল চৰিত্ৰ জয়ন্ত ফুকন, দিলীপ বৰুৱা আৰু কল্যাণী। কল্যাণীৰ সহচৰী নিলু। এই তিনিওজনৰ মাজেৰে কাহিনী ভাগ আগবাঢ়িছে। দিলীপ বৰুৱা চিত্ৰশিল্পী, সাহিত্যিক, সঙ্গীতজ্ঞ, অভিনেতা। জয়ন্ত ফুকন উচ্চশিক্ষিত, দেশপ্ৰেমিক, সাহসী সুদৰ্শন যুৱক। আৰু কল্যাণী সৎ, চৰিত্ৰৱতী, ধুনীয়া, সমাজ সেৱাৰ মন থকা সাধাৰণ শিক্ষাৰে গাৱলীয়া বিধবাৰ ছোৱালী। কাহিনীৰ আৰম্ভণি প্ৰকৃত বানপানী। উপন্যাসখনত কল্যাণী আৰু জয়ন্ত ফুকনৰ মাজত থকা প্ৰেমৰ চিত্ৰ

আছে। কিন্তু সি গতানুগতিক ভোগবিলাসৰ প্ৰেম নহয়। লিখকে সেই প্ৰেমক দেশপ্ৰেম–বিশ্বপ্ৰেম আৰু শেষত ভগৱৎ প্ৰেমলৈ ৰূপান্তৰিত কৰিছে। ফুকনে কল্যাণীক নিজে বিয়া নকৰাই দিলীপ বৰুৱাৰ হাতত গতাই দিছে। বাগ্‌দত্তা কল্যাণীক বিচাৰিনী হোৱাৰ পৰা উদ্ধাৰ কৰিবলৈ অভিনয়ৰ আশ্ৰয় লৈছে। দেখুৱা হৈছে এক পৰম ব্ৰহ্মৰ অংশ সকলো। সকলো অভিন্ন ; একেই দুই আৰু দুইয়েই এক। উপন্যাসখনত ভাৰতীয় উপনিষদ আৰু গীতাৰ আধ্যাত্মিক কৰ্মযোগ আছে। লিখক শৰ্মাদেৱে ভাৰতবৰ্ষত এখন ধৰ্মীয়, কৰ্মকেন্দ্ৰীক, তাত্ত্বিক সমাজ তৈয়াৰ কৰিবলৈ বিচাৰিছে। মন কৰিবলগীয়া কথা যে এখন শোষণ মুক্ত কৰ্ম কেন্দ্ৰীক সমাজ গঢ়াৰ আদৰ্শ গ্ৰহণৰ বাবে নায়ক জয়ন্ত ফুকন দুবাৰ বাহিৰলৈ গৈছে। ইয়াৰ লগতে চীন, আমেৰিকালৈও গৈছে। দেখা যায় শৰ্মাদেৱে প্ৰাচ্য আৰু পাশ্চাত্য আদৰ্শৰ সমন্বয়ত নতুন সমাজ তৈয়াৰ কৰিব বিচাৰে। উপন্যাসখনত বিশ্বভ্ৰাতৃত্ববোধৰ ভাব প্ৰকটভাৱে উঠাটো দৃষ্টি গোচৰ হয়। গ্ৰন্থখনত আদৰ্শ-বাদ প্ৰকাশতহে বেছি গুৰুত্ব দিয়া দেখা যায়। উপন্যাসখন সম্পৰ্কত নন্দন তাত্ত্বিক ত্ৰৈলোক্য নাথ গোস্বামী আৰু পণ্ডিত, তীৰ্থনাথ শৰ্মাদেৱৰ দিয়া অভিমতে ইয়াৰ জেউতি চৰাইছে।

হিয়াৰ বাতৰিতকৈ "কলঙ্ক বিভ্ৰাট"ৰ কাহিনী ভাগ বেছি বাস্তৱ হৈছে। ইয়াৰ চৰিত্ৰবোৰ এইখন সমাজৰে বিভিন্ন কোণৰ, বিভিন্ন শ্ৰেণীৰ জানিবা প্ৰতিনিধি। ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছত সমাজ কিদৰে এচাম দুৰ্নীতিপৰায়ণ লম্পট, ধনবিত্তৰ অহঙ্কাৰত মত্তলীয়া হোৱা লোকৰ কবলত পৰি অধঃপতিত হৈছে, মানৱতাবোধ হেৰাই গৈছে। কিদৰে সেইচাম লোকৰ হাতত এচাম সৎ ব্যক্তি লাঞ্চিত হয়, তাৰ চিত্ৰ এই উপন্যাসৰ মাজেৰে দেখুৱা হৈছে। লিখকে এই গ্ৰন্থ খনতো সৎকৰ্মই ধৰ্ম আৰু অসৎ কৰ্মই অধৰ্ম বুলি প্ৰতিপন্ন কৰিছে। আৰু ধৰ্মত থকালোকৰ জয় দেখুৱাইছে। উপন্যাসখনত কাহিনীভাগ আগবঢ়াই নিছে নিৰ্বাচন এটিক পটভূমি হিচাবে লৈ। ইয়াৰ চৰিত্ৰবোৰৰ ভিতৰত আছে প্ৰমোদ ব্ৰহ্ম, এজন উচ্চ শিক্ষিত সৎ চৰিত্ৰৰ ব্যক্তি আৰু হৰকান্ত দাস সৎ, শিক্ষিত। তেনেদৰে যতীন মেধি, শঙ্কৰ, মৌজাদাৰ, উকীল আদি তথাকথিত শিক্ষিত, ধনী, অসৎ লম্পট ইত্যাদি। ইয়াত দেখুৱা হৈছে যে নিজে সৎ নহলে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ শিক্ষাই ব্যক্তিক প্ৰকৃত শিক্ষিত কৰিব নোৱাৰে। মন কৰিবলগীয়া কথা যে লিখকে প্ৰকৃত সৎ আৰু শিক্ষিত ব্যক্তি হিচাবে চিত্ৰিত কৰিছে প্ৰমোদ ব্ৰহ্মক। অৰ্থাৎ তেখেতৰ ধাৰণা যে পাৰ্বত বাস কৰা সৰল চিতীয়া জনজাতীয় অথবা নিৰহংকাৰী সাধাৰণ শ্ৰেণীৰ হাতততহে সমাজৰ উন্নতি নিৰ্ভৰ কৰে। লিখকে ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিলেও তেখেত ৰক্ষণশীল নাছিল। তেখেতৰ ধাৰণা এই ধনী আৰু সম্ভ্ৰান্ত বুলি নিজকে প্ৰচাৰ কৰিবলৈ যোৱা মানৱতাহীন দুৰ্নীতিগ্ৰস্ত সেইচাম মানুহৰ হাততে সমাজ লাঞ্চিত হৈছে। সেয়া লিখকৰ প্ৰগতিবাদৰ পৰিচয়। উপন্যাসখনৰ শেষত দিয়া কথাখিনি প্ৰণিধান যোগ্য–"–সংঘটিত মহামিলনৰ ভূমিকাৰে এই অঞ্চল সহিত বিভিন্ন দল, ধৰ্ম, জাতি, অনুজাতি নিৰ্বিশেষে এই বৃহৎ মহামিলনৰ স্বৰ্ণ মন্দিৰ নিৰ্মিত হব।" এইখন উপন্যাসতো দুৰ্নীতি মুক্ত সমাজ তৈয়াৰ কৰিবলৈ পাশ্চাত্য আদৰ্শৰ প্ৰয়োজন বুলি কৈছে। উপন্যাস দুয়োখনৰ এটি উজ্জ্বল দিশ হ'ল লিখকে দেখুৱা নাৰী স্বাধীনতা, নাৰী শিক্ষা আৰু নাৰী কল্যাণৰ আদৰ্শ। উপন্যাস দুখনৰ কলাকৌশলগত কিবা দুৰ্বলতা থাকিলেও লিখকৰ বিশ্বভ্ৰাতৃত্বৰ ভাবেৰে

প্ৰাচ্য পাশ্চাত্য ভাবধাৰাৰ সংমিশ্ৰণত এখন কৰ্মকেন্দ্ৰীক তাত্বিক সমাজ গঢ়াৰ আদৰ্শ প্ৰকাশ পোৱা বুলি নিৰ্ভীক সমালোচক, লোকতাত্বিক শশী শৰ্মাদেৱে মন্তব্য কৰিছে।

উপন্যাসৰ লেখীয়া কথা সাহিত্য সৃষ্টিতে শৰৎ চন্দ্ৰ ক্ষান্ত নেথাকি কবিতাৰ মাজেৰেও হৃদয়ত দাউ দাউকৈ জ্বলি থকা ভাবৰাশি প্ৰকাশ কৰিবলৈ আগবাঢ়িছিল। অলপ মন কৰিলেই গম পোৱা যায় যে ১৯৮৮ চনত প্ৰকাশ হোৱা আৰু কামৰূপ সাহিত্য পৰিষদৰ দ্বাৰা উন্মোচিত হোৱা "যুগনে দুৰ্যোগ" নামৰ কবিতা পুথিখনত উপন্যাস দুখনৰ উত্তৰণ ঘটিছে। একুৰি পোন্ধৰটা কবিতাৰে ভৰা "যুগনে দুৰ্যোগ"ৰ নামকৰণেই পুথিখনৰ মূল তাৎপৰ্য প্ৰকাশ কৰিছে। সমাজৰ এচাম দুৰ্নীতি পৰায়ণ প্ৰকৃত শিক্ষা নথকা অনুপযুক্ত লোকৰ হাতলৈ ক্ষমতা যোৱা বাবে গণতন্ত্ৰৰ প্ৰকৃত আদৰ্শ ৰক্ষা হোৱা নাই। উপন্যাসৰ দৰে ইয়াতো কবিয়ে দুৰ্নীতি মুক্ত কৰ্মকেন্দ্ৰীক ভাৰতীয় সমাজ তৈয়াৰ কৰিবলৈ হলে আধুনিক আৰু পৌৰাণিক বিজ্ঞান আৰু আধ্যাত্মিকতাৰ মিলনৰ প্ৰয়োজন বুলি কৈছে। তেখেতৰ মতে প্ৰাচীন ভাৰতীয় আদৰ্শৰ লগত পশ্চিমীয়া আদৰ্শৰ সংযোগ ঘটাব লাগিব। "ভাৰতৰ আৱশ্যক মিশ্ৰিত প্ৰয়োগ/তাৰবাবে এক্ষধৰা সংযোগ বিয়োগ/ভাল ফাল উভয়ৰ প্ৰাচ্য পাশ্চাত্যৰ/প্ৰয়োজন হৈছে আজি•উভয় বিধৰ/তুল্যভাবে হলে হব কাৰণ হিতৰ। (আদৰ্শ)" গীতাৰ কৰ্মযোগত বিশ্বাসী কবি যেন নতুন হৈও পুৰণি আৰু পুৰণি হৈও নতুন। দেশপ্ৰেমত উদ্বুদ্ধ কবিয়ে দুৰ্নীতিগ্ৰস্থ আৰু ঐতিহ্য পাহৰা ভাৰত বাসীৰ মনত দেশ প্ৰেমৰ ভাব জগাই তুলিবলৈ পশ্চিমীয়া শিক্ষাৰ আৱশ্যক বুলি কৈছে। প্ৰগতিবাদী কবিয়ে সমাজত সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে পুঁজিপতি আৰু ধনীক শ্ৰেণীৰ বিৰুদ্ধে সংগ্ৰাম কৰি-"ভাঙি দিয়া ৰুদ্ধ দ্বাৰ/উন্মুক্ত কৰা পুঁজিপতিৰ/সঞ্চিত ভাওাৰ।" ইয়াৰ লগতে কবিয়ে প্ৰকাশ কৰিছে যে খেতিয়কৰ উন্নতিয়েহে সমাজৰ উন্নতি। তেওঁলোকৰ প্ৰতি তেখেতৰ অনুকম্পা থকাৰ চিত্ৰ প্ৰতিভাত হৈছে আৰু কবিয়ে দেখুৱাবলৈ গৈছে নাৰী পুৰুষৰ যুটীয়া প্ৰচেষ্টাতহে পৰিয়ালৰ লগতে সমাজৰ উন্নতি সম্ভৱ। ইয়াৰ দ্বাৰা কবিয়ে সমাজত নাৰীৰ উপযুক্ত স্থান আৰু মৰ্যাদাৰ কথা কবলৈ গৈছে।

উপন্যাস আৰু কবিতা লিখিলেও সম্ভৱতঃ শৰ্মাদেৱৰ মননশীল অধ্যয়নৰ পৰিচয় পোৱা যায় তেখেতৰ প্ৰকাশিত আৰু অপ্ৰকাশিত ডক্সগধুৰ মৌলিক প্ৰবন্ধবোৰৰ মাজেৰে। তেখেতে উপন্যাস আৰু কবিতাৰ মাজেৰে ভাৰতীয় বেদ-উপনিষদ, গীতা আদিৰ যি আদৰ্শৰ ছবি প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল সেয়া যেন প্ৰবন্ধবোৰৰ মাজেৰেহে বেছি স্পষ্ট আৰু প্ৰোজ্জল হৈ উঠিছে। আৰু সেইবোৰৰ পৰা চৌধ্যটা প্ৰবন্ধ নিৰ্বাচন কৰি পুঁথিৰ আকাৰত প্ৰকাশ কৰি উলিয়াইছিল "ভাৰতীয় চিন্তা আৰু আদৰ্শ" নামেৰে (১৯৭৯)। পুথি খনত শ্ৰী কৃষ্ণৰ ৰাসলীলা তত্ত্ব, অকল বিজ্ঞান নহয় আধ্যাত্মিকতাও, ভাৰতীয় নাৰীৰ সামাজিক স্থান, আৰ্যসকল বহিৰাগত নহয়, বিহুৰ গুৰি কথা প্ৰমুখ্যে তথ্যপূৰ্ণ অতিমূল্যবান প্ৰবন্ধই ভাৰতৰ গৌৰৱময় অতীতৰ লোক চকুৰ আঁৰত অৱহেলিতহৈ থকা বহু কেইটা দিশ উন্মোচিত কৰিছে। ইমান দিনেই বুৰঞ্জীয়ে আৰু বুৰঞ্জীক ভেজা দি বিশিষ্ট সকলে ভাৰতলৈ আৰ্য সকল বাহিৰৰ পৰা অহা বুলি কৈ আহিছে। কিন্তু নিৰ্ভীক শৰ্মাদেৱে অতি যুক্তিপূৰ্ণ তথ্য পাতিৰে আগৰ মতক প্ৰত্যাহ্বান জনাই ব্যক্ত কৰিছে আৰ্য সকল বাহিৰৰ পৰা অহা নহয়। ভাৰতবৰ্ষই আৰ্যৰ বসতি স্থান। সময়ে সময়ে ইঠাইৰ পৰা সিঠাইলৈ যোৱা অহা কৰা মানুহৰ স্বভাৱ। ভাৰতলৈ পিছত

কোনোবা আছিব পাৰে সেইটো বৰ ডাঙৰ কথা নহয়। এই প্ৰসংগতে লিখকে ভাৰতীয় আৰ্য-সভ্যতাৰ প্ৰাচীনত্বৰ চিত্ৰ দাঙি ধৰিছে। এই লেখা সামান্য নহয়। আত্ৰেয়ী, মৈত্ৰেয়ী, গাৰ্গী প্ৰভৃতি বিদুষী নাৰীয়ে প্ৰাচীন ভাৰতবৰ্ষত নাৰীৰ স্থান উচ্চ বা মৰ্যাদা সম্পন্ন আছিল সেয়াও পুথিখনৰ মাজেৰে প্ৰকাশ পাইছে। শৰ্মাদেৱৰ অন্য এজন গুণ মুগ্ধ ছাত্ৰ সু-লিখক-অধ্যাপক গংগানাথ শৰ্মাদেৱে ভাৰতীয় চিন্তা আৰু আদৰ্শৰ বিষয়ে আলোচনা কৰি সুন্দৰ মন্তব্য কৰিছে "ভাৰতীয় চিন্তা আৰু আদৰ্শ, চিন্তা সিন্ধুৰ অশান্ত উৰ্মিমালাৰে বিধৌত চৈত্যতা মহামূল্য মানিক। বেদ, বেদাংগ, উপনিষদ, পুৰাণ, মহাভাৰত, গীতা আদি শাস্ত্ৰ পয়োধিৰ উত্তাল তৰংগ আৰু সুগভীৰ গাঢ়তাৰ দুৰ্বোধ্যতাৰ মাজত ডুবদি উদ্ধাৰ কৰা ই গুহ্যাদপি গুহ্য অমূল্য ৰত্ন।"

সেইদৰে কামৰূপ সাহিত্য পৰিষদৰ প্ৰাক্তন সভাপতি, বৰ্তমান অসম সাহিত্য সভাৰ উপসভাপতি যতীন গোস্বামীদেৱেও পুথিখনৰ সম্পৰ্কত যুক্তিপূৰ্ণ মন্তব্য দিছে- "---আৰ্য সংস্কৃতিৰ বহিঁ দেশীলৈ প্ৰসাৰ সম্পৰ্কীয় এনেহেন যুক্তিও শৰৎ চন্দ্ৰ শৰ্মাৰ চিন্তাৰ মৌলিকত্বৰ আন এটা উদাহৰণ বুলি নিশ্চিত ভাৱে কব লাগিব।"

শৰ্মাদেৱৰ অপ্ৰকাশিত গ্ৰন্থ সমূহৰ ভিতৰত "বৈদিক ধৰ্ম আৰু শুচাশুচি বিচাৰ" তেনেদৰে "অশৌচ আৰু সংস্কাৰ কৰ্ম" নামৰ পুথি দুখনৰ মাজেৰে মানুহৰ জন্ম আৰু মৃত্যুত অশৌচ পালন কৰা, মূৰৰ চুলি খুৰোৱা, নখ কটা আদিৰ ধৰ্মীয় আৰু বৈজ্ঞানিক আলোচনা কৰিছে। তেখেতৰ ইংৰাজীত লিখা প্ৰবন্ধ "ডি প্ৰেচ উই ইউজ" নামৰ প্ৰবন্ধটো লোক সংস্কৃতি ভিত্তিক এটি উৎকৃষ্ট লিখনী। "আনলাইন তথ্য নিৰ্ভুল নহয়" ই এটি তথ্যপূৰ্ণ গৱেষণা মূলক প্ৰবন্ধ। আমি যিবোৰ গ্ৰন্থ আৰু প্ৰবন্ধৰ ওপৰত দৃষ্টিপাত কৰিব পাৰিছিলো, সেই বিলাকৰহে সাধাৰণ আলোচনা কৰা হল। ইয়াৰ বাহিৰেও আৰু অনেক প্ৰবন্ধ আৰু গ্ৰন্থ আছে যিবিলাকৰ মাজেৰে শৰ্মাদেৱৰ মৌলিকত্ব আৰু অধ্যয়নৰ গুৰুত্ব হয়তো প্ৰকাশ পাইছে। সি যি কি নহওক, তেখেতৰ জীৱনৰ অন্য এক কীৰ্তিস্তম্ভ "অসমীয়া ভাষাৰ এৰা বোটলা" নামৰ শব্দকোষ পুথিখন। এই পুথিখনক কামৰূপী ভাষাৰ অভিধান অথবা অসমীয়া অভিধানৰ পৰিপুৰিকা বুলি কব পাৰি। পুথিখন শৰ্মাদেৱৰ মৰণোত্তৰ ভাৱে ১৯৮৯ চনত প্ৰকাশ পাইছে যদিও এটি হস্ত প্ৰতিলিপি কামৰূপ সাহিত্য পৰিষদৰ সানেকুছিত ১৯৮৬ চনত বহা বাৰ্ষিক অধিবেশনত উন্মোচিত হৈছিল। আহোম ৰাজত্বৰ আগতে অসমৰ পুৰণি নাম আছিল কামৰূপ আৰু তেতিয়া, ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ (গুৱাহাটী)। স্বাভাৱিকতে কামৰূপী ভাষাই আছিল মান্য ভাষা। মন কৰিলেই গম পায় যে পুৰণি অসমীয়া বহু পুথিত এই কামৰূপী শব্দ অথবা ভাষাৰ প্ৰয়োগ হৈছিল। গতিকে দেখা যায় কালক্ৰমত মান্য ভাষাই উপভাষা আৰু উপভাষাই মান্য ভাষাত পৰিণত হয়। সেইয়ে কব পাৰি যে অসমীয়া ভাষাক ভৰাল চহকী কৰিবলৈ হলে অসমৰ আঞ্চলিক উপভাষা সমূহৰ প্ৰচাৰ, প্ৰয়োগৰ আৱশ্যক হৈছে। শৰ্মাদেৱৰ এই প্ৰচেষ্টাই কামৰূপী শব্দ, প্ৰবচন ফকৰা-যোজনা আদিক পোহৰলৈ অনাৰ লগতে অসমীয়া ভাষাক টনকিয়াল কৰাত সহায় কৰিছে। তেখেতে কামৰূপী শব্দটোৰ মান্য অসমীয়া আৰু ইংৰাজী অৰ্থ দিয়াৰ লগতে ইয়াৰ ব্যৱহাৰ বাক্যৰচনাৰে দেখুৱাইছে। পুথিখনৰ বিষয়ত মন্তব্য দি বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে এইদৰে কৈছে "---মই কও মূল অভিধানৰ ই এটা খাই অংশ। ইয়াক

ছপা কৰি উলিয়াব পাৰিলে অসমীয়া ভাষাটো নিশ্চয় সবল আৰু সৰবৰহী হব।" সেইদৰে ভাষাবিদ, গৱেষক ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যদেৱে কৈছে—"শৰ্মাদেৱৰ এই একক, মহান প্ৰচেষ্টাই কামৰূপী উপভাষাৰ বৰভাগ অঞ্চলৰ কথিত তথা হেৰাই যাব ধৰা দুহাজাৰ আঢ়ৈ হাজাৰৰ ওচৰা উচৰি শব্দ, শব্দমালাক পাণ্ডিত্য পূৰ্ণ সংকলন সম্পাদন প্ৰকাশৰ দ্বাৰা অসমীয়া ভাষা-সাহিত্যৰ ভৰালত সঞ্চয়ন কৰাত আমি গৌৰৱান্বিত চিত্তেৰে গ্ৰন্থকাৰক অভিনন্দন জনালো। এই মহৎ কামে পৰৱৰ্তী ভাষা তাত্মিক ভাষাবিজ্ঞানী আৰু সাহিত্য সেৱীক অনুপ্ৰাণিত কৰিব বুলিও আশা কৰিলো।"

শৰৎ চন্দ্ৰৰ পাণ্ডিত্য অথবা অধ্যয়নপুষ্ট মনৰ পৰিচয় কেৱল লিখনীৰ মাজেৰেই যে প্ৰকাশ পাইছিল এনে নহয়, তেখেতৰ বিভিন্ন সভা সমিতিত দিয়া প্ৰাঞ্জল বক্তৃতা সমূহৰ মাজেৰেও সেই দিশ মূৰ্ত হৈ উঠিছিল। শৰ্মাদেৱৰ গুণৰ প্ৰভাৱ তেখেতৰ উত্তৰ পুৰুষৰ ওপৰত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে যে পৰিছিল সেয়া অনুমেয়। হয়তো তাৰেই স্বীকৃতি স্বৰূপে তেখেত সম্বৰ্দ্ধিত হৈছিল কামৰূপ সাহিত্য পৰিষদৰ দ্বাৰা বাগানপাৰা অধিৱেশনত (১৯৮৪) আৰু এই সাহিত্য পৰিষদৰেই ১৯৮৫ চনৰ সালেকুছি অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। সুদীৰ্ঘ একুৰি চৈধ্য বছৰৰো ওপৰকাল কৃতিত্বৰে শিক্ষাদান কৰা বাবে ১৯৮৬ চনত শৰ্মা দেৱ সম্মানিত হৈছিল বাষ্ট্ৰিক পৰ্যায়ত আৰু সাহিত্য কৰ্মৰ বাবে লাভ কৰিছিল অসম চৰকাৰৰ সাহিত্যিক পেন্সন ১৯৮৮ চনত। সেই একে বছৰতে কামৰূপ ব্ৰাহ্মণ সমাজৰ দ্বাৰা স্বীকৃত পুৱ নলবাৰী ব্ৰাহ্মণ সমাজে প্ৰদান কৰিছিল—"প্ৰাচ্যদিৱ" উপাধি। ইয়াৰ উপৰি আৰু একাধিক অনুষ্ঠান প্ৰতিষ্ঠানৰ দ্বাৰা সম্মানিত হোৱা শৰৎ চন্দ্ৰই প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে তেখেতৰ ছাঁৰ দৰে লগতে থকা পত্নী বেদৱতী আই সমন্বিতে পৰিয়ালৰ পৰা যে প্ৰেৰণা লাভ কৰিছিল, সেই বিষয়ে সন্দেহৰ ঠাই নাই আৰু শৰ্মাদেৱৰ প্ৰভাৱো যে কম-বেছি পৰিমাণে পৰিয়ালৰ ওপৰত পৰিছে সেয়াও সত্য। আমি জানো, দোষ আৰু গুণৰ সমষ্টিৰে মানুহৰ পূৰ্ণাংগ ছবি প্ৰকাশ হয়। কিন্তু গুণৰ আধিক্যই দোষৰ চিত্ৰক ম্লান কৰাতোও স্বাভাৱিক। গুৰুজনাৰ গুণাগুণ বিচাৰ কৰাৰ ক্ষেত্ৰত আমাৰ অক্ষমতা যদি ক'ৰবাত কিবা প্ৰকাশ পাইছে তাৰ বাবে আমি ক্ষমা বিচাৰিছো। উপযুক্ত ক্ষেত্ৰৰ অভাৱত নিজৰ প্ৰতিভা বিকাশৰ সুযোগ নোপোৱা বুলিকৈ প্ৰায়ে আক্ষেপ কৰা আৰু ১৯৮৯ চনৰ ২২ জানুৱাৰীত চিৰশান্তিৰ ধামলৈ মহাপ্ৰস্থান কৰা গুৰুদেৱ শৰৎ চন্দ্ৰ শৰ্মালৈ প্ৰণিপাত জনাই আমাৰ কলম সামৰিছো। ▫▫▫

ভীম-কৰ্মা গিৰিধৰ শৰ্মা

দাসো কলিতা

"কৰ্মত বিশ্বাস যাৰ
হিয়াত থাকন্ত হৰি-"

প্ৰকৃত কৰ্মযোগীসকলৰ হৃদয়ত হেনো স্বয়ং ভগৱন্ত প্ৰভুই বসতি কৰে। সেয়েহে তেওঁলোকৰ প্ৰতিটো কামতে হৃদয়স্থিত ভগৱন্তৰ পৰা শুদ্ধ পথৰ নিৰ্দেশনা পায়। কৰ্মযোগী সকলেও কৰ্মৰ মাজেদিহে ভগৱৎ প্ৰাপ্তিৰ আশা কৰে। সেয়েহে তেওঁলোক হয় কামত দৃঢ়। নানা ঘাট-প্ৰতিঘাটৰ সন্মুখীন হলেও লক্ষ্যভ্ৰষ্ট নহয়। সংঘাট নাথাকিলে হেনো জীৱনৰ প্ৰকৃত মাধুৰ্য উপলব্ধি নহয়, যেনেকৈ দাঁত নসৰিলে দাঁতৰ গুণ বুজা নেজায়। সংঘাটৰ মাজেৰে, ঘাট-প্ৰতিঘাটৰ মাজেৰে পাৰ হৈ গৈ লক্ষ্যত উপনীত হব পৰাটোতহে জীৱনৰ সাৰ্থকতা বিচাৰি পোৱা যায়। তেতিয়া জুয়ে পোৰা সোণৰ দৰে সেইজন কৰ্মযোগী উজ্জ্বল হৈ সমাজত জিলিকি উঠে। যীচুখৃষ্ট, হজৰত মহম্মদৰ পৰা লাল বাহাদুৰ শাস্ত্ৰীলৈ প্ৰতিজন মহান পুৰুষৰ জীৱনলৈ লক্ষ্য কৰিলে আমি সংঘাটময় জীৱনকেই দেখিবলৈ পাওঁ। তেওঁলোকে জীৱনৰ প্ৰতিটো খোজ আগবঢ়াইছিল কাইটৰ মাজেৰে।

স্বৰ্গীয় গিৰিধৰ শৰ্মাদেৱো আছিল এজন প্ৰকৃত কৰ্মযোগী পুৰুষ। তেখেতৰ জীৱন বুৰঞ্জীৰ পাত মেলিলেই দেখা যায় প্ৰতিটো পাততে তেখেতৰ কৰ্মময় জীৱনৰ ঘামৰ টোপাল। সেয়েহে গুণীৰ গুণ বুজি শৰ্মাদেৱৰ মৃত্যুৰ পিচত গুৱাহাটী সবিতা সভাই তেখেতৰ জীৱনী গ্ৰন্থ এখন প্ৰকাশ কৰে। শৰ্মাদেৱৰ সান্নিধ্যলৈ অহা বহুকেইজন গুণী-জ্ঞানী পণ্ডিতৰ লেখাৰে সমৃদ্ধ এই জীৱনী গ্ৰন্থখন সম্পাদনা কৰে ড° হেমন্ত কুমাৰ শৰ্মাদেৱে। জীৱনী গ্ৰন্থখনৰ নাম দিয়া হয় "কৰ্মযোগী গিৰিধৰ শৰ্মা।" এই জীৱনী গ্ৰন্থখন প্ৰকাশ কৰা সম্পৰ্কে সবিতা সভাৰ বিশেষ অধিবেশনৰ প্ৰস্তাৱটি আছিল এনেধৰণৰ-"১৯৭৮ চনৰ ৪ জুন তাৰিখে অনুষ্ঠিত হোৱা এই সভাই অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু সবিতা সভাৰ অন্যতম পৃষ্ঠপোষক স্বৰ্গীয় গিঁৰিধৰ শৰ্মাদেৱৰ স্মৃতিত এখনি গ্ৰন্থ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰে। লগতে এই বিষয়ে বিহিত ব্যৱস্থা লবলৈ ড° হেমন্ত-কুমাৰ শৰ্মাদেৱক কৰ্তৃত্ব দিয়া হয়।"

উক্ত জীৱন গ্ৰন্থখনতেই সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকাদেৱে স্বৰ্গীয় গিৰিধৰ শৰ্মাদেৱক "ভীম কৰ্মা" বিশেষণেৰে বিভূষিত কৰি এনেদৰে লিখিছে-"গিৰিধৰে কোনো গিৰি তুলি ধৰিবলগীয়া হোৱা নাছিল, যদিও তেওঁৰ মাতৃ লক্ষী প্ৰিয়া দেৱীৰ তত্বাৱধানত আৰ্থিকভাৱে নিজৰ সৰু নিশকতীয়া সংসাৰখন তুলি ধৰিবলগীয়া হৈছিল বাসুকিয়ে মূৰত পৃথিবীখন তুলিলোৱাৰ দিচিনাকৈ।"

উক্ত জীৱনীখনৰ পাতনিতে ড° হেমন্ত কুমাৰ শৰ্মাদেৱে লিখিছে-"অসমৰ বৌদ্ধিক জগতত আৰু জনগণৰ মাজতো অত্যন্ত গিৰিধৰ শৰ্মা এটি সুপৰিচিত নাম। তেখেত আছিল একেধাৰে শিক্ষাবিদ, লেখক, সমাজ সংগঠক, ধৰ্মপ্ৰাণ, কৰ্মযোগী আৰু জ্ঞানযোগী। তেখেত বিশেষকৈ গুৱাহাটী আৰ্য্যবিদ্যাপীঠ

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউঞ্চিল আৰু একজিকিউটিভ কাউঞ্চিলৰ সক্ৰিয় সদস্য, গুৱাহাটীত প্ৰতিষ্ঠিত অসমীয়া অধ্যাপকৰ চ'ৰাৰ প্ৰতিষ্ঠাপক সভাপতি, কামৰূপ সাহিত্য পৰিষদ আৰু অসম সাহিত্য সভাৰ প্ৰবীণ সংগঠক, সভাপতি, অসম পুৰ্ণিভৰাল সংঘৰ সভাপতি, সদৌ অসম হৰিদেৱ সংঘৰ সভাপতি আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম শাখাৰ প্ৰান্তীয় সংঘচালক হিচাবে অসমীয়া জাতিলৈ যি বহুমূলীয়া দান দি গ'ল, সেয়া চিৰস্মৰণীয় হৈ ৰব। কিন্তু এনে এজনা কীৰ্ত্তিমান পুৰুষে জীৱনৰ প্ৰথম ছোৱাত নিঠুৰ দাৰিদ্ৰৰ লগত কঠোৰ সংগ্ৰাম কৰিব লগা হৈছিল আৰু শেষত সেই সংগ্ৰামত জয়ী হৈ বিজয়ৰ গৌৰব মালা পৰিধান কৰি সমাজক দেখুৱাই গৈছে জীৱনৰ মহান আদৰ্শ অফুৰন্ত কৰ্মপ্ৰেৰণা।"

আমাৰ ক্ষুদ্ৰ জ্ঞানেৰে গিৰিধৰ শৰ্মাদেৱৰ দৰে বিশাল ব্যক্তিত্বসম্পন্ন ব্যক্তি এগৰাকীৰ জীৱনী লিকিবলৈ যোৱাটো অঠাই সাগৰত তুলুঙা নাও বাই ফুৰাৰ দৰেহে হব। তথাপিও মৰসাহ কৰি কলম তুলি লৈছো এই কাৰণে যে এই কৰ্মযোগী মহান পুৰুষজনৰ কৰ্মময় জীৱনৰ মহান আদৰ্শৰ প্ৰতি আমি অতিকৈ আকৃষ্ট। তেখেতৰ সাগৰৰ দৰে বিশাল কৰ্মময় জীৱনৰ সকলো দিশতে আলোকপাত কৰিব নোৱাৰিলেও আমি যিমানদূৰ সম্ভৱ সামৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰো।

স্বৰ্গীয় গিৰিধৰ শৰ্মদেৱৰ জীৱনৰ মূলমন্ত্ৰ আছিল

"সাঁতোৰ সাঁতোৰ নিজবাহুবলে
সাঁতুৰিব নোৱাৰিলে যা ৰসাতলে।"

তেখেতে কিন্তু সাঁতুৰিছিল। নিজবাহুবলে তেখেতে সংসাৰ সাগৰত সাঁতুৰিছিল। মৃত্যুৰ আগমুহূৰ্ত্তলৈ তেখেতে সাঁতুৰিয়েই আছিল। ফলস্বৰূপে স্কুল-কলেজৰ মজিয়া নগচাকৈয়ে তেখেতে জীৱনৰ বাবে সৰ্বোচ্চ এম, এ লৈকে বিভিন্ন মহলাৰ পাৰপত্ৰ সংগ্ৰহ কৰি লবলৈ সক্ষম হৈছিল গুৰুস্থবিহীন গৃহ অধ্যয়নেৰে।

স্বৰ্গীয় শৰ্মাদেৱৰ জীৱনৰ সৰ্বোচ্চ কীৰ্ত্তি হল আৰ্য্যবিদ্যাপীঠ প্ৰকল্প বাস্তৱত ৰূপায়িত কৰা। সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকাদেৱৰ ভাষাত-"কৰ্মযোগী গিৰিধৰৰ এইচোৱা কালৰ গতিবেগ আছিল ধুমুহাৰ দৰে প্ৰচণ্ড। বহুদিনৰ পৰা মনত পুহি ৰখা দুঃসাহসিক পৰিকল্পনা কামত ৰূপায়িত কৰিবলৈ দেহেকেহে লাগিছিল, দিনে ৰাতি হাড় ভগা পৰিশ্ৰম কৰিছিল। পণ্ডিত মদনমোহন মালব্যই হাতত ভিক্ষাপাত্ৰলৈ কাশী বিশ্ববিদ্যালয় গঢ়ি তোলাৰ নিচিনাকৈ গিৰিধৰ শৰ্মায়ো গঢ়ি তুলিছিল আৰ্য্যবিদ্যাপীঠ প্ৰকল্প। বহুলাই মুখ নেমেলি ঠোৰতে কওঁ যে এই প্ৰকল্প ভীমকৰ্মা গিৰিধৰৰ জীৱনৰ সৰ্বোচ্চ জয়স্তম্ভ।"

সেইজন গিৰিধৰৰ লৰালি কালটি আছিল অত্যন্ত দুখৰ। যিটো সময়ত সংসাৰৰ ধতাহ গাত লাগিব নালাগিছিল, উমলি-জামলি পখিলা উৰাদি উৰি ফুৰিব লাগিছিল, জীৱনটো গঢ়াৰ ব্ৰতত ব্ৰতী হব লাগিছিল-সেই সময়চোৱাত গিৰিধৰে ব্ৰতী হৈছিল সংগ্ৰাম, জীৱন সংগ্ৰামত, জীয়াই থকাৰ সংগ্ৰামত, দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজি নিজকে তথা পৰিয়ালটোক জীয়াই ৰখাৰ সংগ্ৰামত। অকল নিজেই জীয়াই থকাৰ কথাই নহয়, তেওঁ চিন্তা কৰিব লগীয়া হৈছিল ভায়েক উমাকান্তক জীয়াই ৰখাৰ, মাতৃ দৰমী প্ৰিয়াক জীয়াই ৰখাৰ। খুদমান শিশু এটিৰ মূৰত পৰিছিল সংসাৰৰ মহাভাৰ। নেত্ৰেহে এম, ই পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিচতেই আত্মীয়স্বজনে পৰামৰ্শ দিছিল মহজনত্য মণ্ডলৰ চাকৰি কৰাৰ বাবে। কিন্তু যাক

দশমী প্ৰিয়াই নিজে দুখকষ্ট কৰি হলেও গিৰিধৰক হাইস্কুলত পঢ়োৱাত দৃঢ় হৈছিল।

গিৰিধৰ শৰ্মাৰ জন্ম হৈছিল নলবাৰী জিলাৰ ককয়া গাঁৱত ১৯১২ চনৰ ৩০ জুলাই (১৮৩৪ শকৰ ১৪ শাওঁণ) তাৰিখে। শৰ্মাদেৱৰ উপৰিপুৰুষ আছিল "গদ্যগীতাৰ" কবি গোবিন্দ মিশ্ৰ। গিৰিধৰৰ জন্মৰ আঠবছৰ পিছতেই পিতৃবিয়োগ ঘটে। পিতৃ ৰাধানাথ শৰ্মাৰ মৃত্যুৰ পিচত মাতৃ দশমী প্ৰিয়া আৰু ভায়েক উমাকান্তৰে সৈতে সংসাৰখনৰ দায়িত্ব গিৰিধৰৰ মূৰৰ ওপৰত পৰে। গিৰিধৰেও হাঁহিমুখে কান্ধপাতি লয় সেই গধুৰ বোজা। বৈধব্য যন্ত্ৰণাকো পাহৰি মাতৃ দশমীপ্ৰিয়াই মাথো সপোন দেখিছিল লৰা দুটিক মানুহ কৰাৰ। ডাঙৰ মানুহ কৰাৰ। সেয়েহে দৰিদ্ৰতাৰ নিঠুৰ আঘাটেও তেওঁক হাৰ মনাই পৰা নাছিল। গতিকে হীৰা তুকুৰা লৰাদুটিৰ মুখলৈ চাই তেওঁ আনৰ ঘৰত কামবন কৰি হলেও পেটৰ ভাতমুঠি মোকোলাবলৈ কুণ্ঠাবোধ কৰা নাছিল। আৰু লৰাদুটিয়েও চেষ্টা কৰিছিল মাকৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ।

১৯২৯ চনত গিৰিধৰে সুখ্যাতিৰে এম, ই পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৩ চনত চামতা হাইস্কুলৰ পৰা কৃতিত্বৰে প্ৰৱেশিকা পৰীক্ষা পাচ কৰে। প্ৰৱেশিকা পৰীক্ষা দি উঠিয়েই তেখেতে প্ৰাথমিক স্কুলৰ শিক্ষক বাছনি পৰীক্ষাত বহে। শিক্ষক বাছনিত প্ৰথম স্থান লাভ কৰি প্ৰাইমাৰী স্কুলৰ শিক্ষক পদত নিযুক্তি পায়। ১৯৩৩ চনত ১ জুলাইৰ পৰা মাহিলী ১২ টকা দৰমহাৰে প্ৰাইমাৰী স্কুলৰ শিক্ষক হিচাবে শৰ্মাদেৱে চাকৰি জীৱনৰ পাতনি মেলে। চাকৰি কৰি পোৱা ধনেৰে তেখেতে পৰিয়ালটোৰ ভৰণ পোষণ দিয়াৰ লগতে ভায়েক উমাকান্তক কলেজত নাম লগাই দিয়ে। তেখেতে নিজেও ললিত চন্দ্ৰ স্মৃতি টোলত সংস্কৃত অধ্যয়ন আৰম্ভ কৰে। উক্ত টোলৰ পৰাই তেখেতে ১৯৩৫ চনত ব্যাকৰণৰ উপাধি পৰীক্ষা দি প্ৰথম স্থান অধিকাৰ কৰি স্বৰ্ণপদক লাভ কৰে। আৰু ১৯৩৫ চনতেই তেখেত বিবাহ পাশত আৱদ্ধ হয় বনগ্ৰাম গাওঁৰ শ্ৰীমতী সাবিত্ৰী বালা দেৱীৰ সৈতে।

ইয়াৰ পিচত তেখেতে যোৰহাট নৰ্মাল স্কুললৈ পঢ়িবলৈ যায়। নৰ্মাল স্কুলৰ শিক্ষা সাং কৰি আহি কিছুদিনৰ বাবে গন্ধিয়া এম, ভি স্কুলত শিক্ষকতা কৰে। গন্ধিয়া এম, ভি স্কুলৰ পৰা পৈ নলবাৰী ছোৱালী এম, ই স্কুলৰ প্ৰধান শিক্ষক পদত যোগদান কৰে। তেখেতৰ পৰিবাৰ শ্ৰীসাবিত্ৰী বালা দেৱীও উক্ত স্কুলতে সহকাৰী শিক্ষয়িত্ৰী হিচাবে চাকৰি জীৱন আৰম্ভ কৰি শৰ্মাদেৱৰ সংসাৰৰ গধুৰ বোজাটোৰ ওজন কমাবলৈ চেষ্টা কৰে।

১৯৩৯ চনৰ পৰা ১৯৪৯ চনলৈ সুদীৰ্ঘ দহবছৰ কাল শৰ্মাদেৱে কহিমা, শিৱসাগৰ, উত্তৰ লক্ষীমপুৰ, ধুবুৰী আৰু গুৱাহাটী আদি বিভিন্ন ঠাইত হাইস্কুলৰ শিক্ষকৰূপে সেৱা আগবঢ়াই ফুৰে। অকল সেয়াই নহয় উক্ত সময়চোৱাৰ ভিতৰতেই তেখেতে প্ৰাইভেটকৈ পৰীক্ষা দি আই, এ, বি, এ আনকি এম, এ পৰীক্ষাতো উত্তীৰ্ণ হয়। এম, এ পৰীক্ষাত অসমীয়া বিষয়ত ২য় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে। উক্ত সময় চোৱাৰ ভিতৰতে তেখেতে কেবাখনো গ্ৰন্থ প্ৰণয়ন কৰে। গিৰিধৰ শৰ্মাদেৱে হাইস্কুলৰ শিক্ষকতা কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰা এই দহবছৰীয়া সময়ছোৱাৰ উল্লেখযোগ্য ৰত্নগুণী হ'ল তেখেতে ৰচনা কৰা "Sanskrit Grammar and Composition" আৰু "প্ৰৱেশিকা ৰচনা শিক্ষা" নামৰ গ্ৰন্থ দুখন।

১৯৫০ চনৰ ২ জানুৱাৰীৰ পৰা কিছুদিনৰ বাবে তেখেতে সন্দিকৈ ছোৱালী কলেজৰ অসমীয়া বিভাগৰ অধ্যাপকৰ আসন শোভা কৰিছিল। কিন্তু কিছুদিন পিচতেই তেখেতে সন্দিকৈ কলেজৰ পৰা কটন কলেজলৈ যায়। ১৯৫০ চনৰ পৰা ১৯৬২ চনলৈ বাৰবছৰ কাল কটন কলেজত অধ্যাপনা কৰে।

আজীৱন শিক্ষাব্ৰতী স্বৰ্গীয় শৰ্মাদেৱে অকল শিক্ষাদান কৰিয়েই ক্ষান্ত থকা নাছিল নতুকৈ শিক্ষানুষ্ঠান গঢ়াতো তেখেতে আগভাগ লৈছিল। শৰ্মাদেৱৰ আপ্ৰাণ চেষ্টাৰ ফলতেই বিহাবাৰীত গঢ় লৈ উঠিছিল আৰ্য্যপাঠশালা, আৰ্য্যবিদ্যাপিঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী স্কুল, বাণীকান্ত ছোৱালী স্কুল আৰু আৰ্য্যবিদ্যাপীঠ কলেজ। আৰ্য্যবিদ্যাপীঠ কলেজৰ লগত শৰ্মাদেৱৰ নাম ওতঃপ্ৰোত ভাবে জড়িত। যেতিয়ালৈ আৰ্য্যবিদ্যাপীঠ কলেজখন থাকিব তেতিয়ালৈ কলেজৰ লগতে তাৰ জন্মদাতা শৰ্মাদেৱৰ নাম জিলিকি থাকিব।

শৰ্মাদেৱৰ মানসপুত্ৰ আৰ্য্যবিদ্যাপীঠ কলেজখন প্ৰতিষ্ঠিত হয় ১৯৫৮ চনত। এই কলেজখনৰ কাৰণে তেখেতে চৰম ত্যাগ কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল। সেয়েহে তেখেতে সুদীৰ্ঘ বাইশ বছৰে কৰা চৰকাৰী চাকৰিৰ সা-সুবিধা ভৰিৰে ঠেলি দি নতুনকৈ প্ৰতিষ্ঠিত হোৱা আৰ্য্যবিদ্যাপীঠ কলেজৰ অধ্যক্ষৰ আসন গ্ৰহণ কৰিছিল ১৯৬২ চনত। তেখেতে জানিছিল নতুন কলেজ এখনৰ অধ্যক্ষ হলে কিমান কষ্ট কৰিব লাগিব, তথাপি তেখেতে হেলাৰঙে সকলো কষ্ট মূৰপতি লৈছিল। দিনক ৰাতি ৰাতিক দিন কৰি তেখেতে কলেজখনৰ কাৰণে খাটিছিল। তেখেতৰ চেষ্টাৰ ফলতেই শেষত কলেজখনে ঠন ধৰি উঠিছিল। আৰ্য্যবিদ্যাপীঠখন অকল কলেজ নাছিল, সেয়া আছিল শৰ্মাদেৱৰ এক প্ৰকল্প। ৰবীন্দ্ৰ নাথৰ শান্তিনিকেতনৰ আৰ্হিৰ শিক্ষাপ্ৰকল্প। একেডা ঘৰতে আৰ্য্যবিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী স্কুল আৰু আৰ্য্যবিদ্যাপীঠ কলেজ। এই প্ৰকল্পৰ কাৰণে শৰ্মাদেৱে সৰ্বশক্তি প্ৰয়োগ কৰিছিল। কুৰি শতিকাৰ বিখ্যাত ফৰাচী দাৰ্শনিক আৰু বুদ্ধিজীৱি জাঁ পল ছাত্ৰেৰ—"নিষ্ঠাৰ পৰিচয় কামতহে কথাত নহয়।" কথাষাৰ শৰ্মাদেৱে আখৰে আখৰে প্ৰমাণ কৰি দেখুৱাইছিল তেখেতৰ কৰ্মময় জীৱনৰ মাজেৰে। আৰ্য্যবিদ্যাপীঠ প্ৰকল্পৰ কাৰণে শৰ্মাদেৱে একান্ত নিষ্ঠা আৰু সততাৰে কাম কৰাৰ ফলতেই অতি কম দিনৰ ভিতৰতেই প্ৰথমে কলা শাখা পিচত বিজ্ঞান শাখাৰ আটাইবোৰ বিভাগ আৰু শেষত স্নাতকোত্তৰ শ্ৰেণীৰ অংক বিভাগো খোলা হয়। শৰ্মাদেৱৰ নিষ্ঠা দেখি আৰ্য্যবিদ্যাপীঠ প্ৰকল্পলৈ বিভিন্ন দাতাই টকা-পইছা, কাঠ-বাহ, ইটা আনকি কোঠালিও দান কৰিছিল। স্থানীয় কলেজৰ অধ্যাপক কিছুমানে শৰ্মাদেৱৰ কথা পেলাব নোৱাৰি সামান্য মাননি লৈ আৰ্য্যবিদ্যাপীঠত অধ্যাপনা কৰিছিল। উক্ত কলেজৰ অধ্যক্ষ পদৰ পৰা শৰ্মাদেৱে ১৯৭৫ চনত অৱসৰ গ্ৰহণ কৰে।

অকল শিক্ষকতা কৰা আৰু শিক্ষানুষ্ঠান গঢ়াতে শৰ্মাদেৱ ক্ষান্ত নাছিল, বিভিন্ন সমাজ সেৱা আৰু ধৰ্মীয় অনুষ্ঠানৰ লগতো জড়িত আছিল তেখেত। তেখেতৰ উদ্যোগতে বিহাবাৰীত প্ৰতিষ্ঠিত হৈছিল "বিহাবাৰী উন্নয়ন সমিতি", "হৰি মন্দিৰ" আৰু "দামতাড় কমপ্লেক্স" আদি অনুষ্ঠান সমূহ। ইয়াৰ উপৰিও তেখেতে হৰিদেৱ সংঘৰ সভাপতি আৰু বৈকুণ্ঠতক নিৰ্মাণ সমিতিৰো সদস্য আছিল।

শৰ্মাদেৱ প্ৰকৃতাৰ্থত এজন কৃতী শিক্ষক আছিল। তেখেতে ৰচনা কৰা পাঠ্যপুথি. কেইখনে শিক্ষাজগতত বিপুল সমাদৰ লাভ কৰিছিল। কলেজত শিক্ষকতা কৰি থকা

সময়তেই তেখেতে ৰচনা কৰিছিল অসমীয়া ভাষাৰ ব্যাকৰণ, অসমীয়া অভিধান, Sarma's Anglo Assamese Dictionary, সংস্কৃত ব্যাকৰণ, চন্দ্ৰিকা, সুৰলা পাঠ ১ম, ২য় আৰু ৩য় খণ্ড আদি ছাত্ৰ-ছাত্ৰীৰ উপযোগী গ্ৰন্থসমূহ। ইয়াৰ উপৰিও ড° হেমন্ত কুমাৰ শৰ্মাৰ সহযোগত তেখেতে সম্পাদনা কৰি উলিয়াইছিল "চুটি গল্প সংকলন"।

১৯৭১ চনত গুৱাহাটীত গঠা অসমীয়া অধ্যাপকৰ চৰাৰ শৰ্মাদেৱ আছিল প্ৰতিষ্ঠাপক সভাপতি। কেবাবছৰো ধৰি তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমীক কাউন্সিল আৰু একজিকিউটিভ কাউন্সিলৰো সক্ৰিয় সদস্য আছিল।

১৯৬১ চনত শৰ্মাদেৱ অসম লাইব্ৰেৰী সংঘৰ সভাপতিৰ পদত অধিষ্ঠিত হয়। সভাপতি হৈয়েই তেখেতে গাওঁ-ভূই, নগৰে-চহৰে সিঁচৰিত হৈ থকা পুথিভঁৰাল সমূহ সক্ৰিয় কৰি তোলাৰ বাবে বিভিন্ন কাৰ্য্যসূচী হাতত লয়। ১৯৭২ চনত সমগ্ৰ অসম জুৰি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হোৱাৰ বাবে চলা আন্দোলনত শৰ্মাদেৱে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

১৯৭৩ চনত শৰ্মাদেৱ অসম সাহিত্য সভাৰ সভাপতিৰূপে নিৰ্বাচিত হৈছিল। ৰঙিয়াত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ৪০তম অধিৱেশনত শৰ্মাদেৱে পৌৰাহিত্য কৰিছিল। তেখেতৰ কাৰ্য্যকালতেই অসম সাহিত্যসভাক জনমুখী কৰাৰ চেষ্টা কৰিছিল। শৰ্মদেৱ অসম সাহিত্য সভাৰ সভাপতি হৈ থকা বছৰতেই সভাৰ নতুন নতুন শাখাৰ জন্ম হোৱাৰ লগতে আজীৱন সভ্যৰ সংখ্যাও বৃদ্ধি পাইছিল। তেখেতে ধুমুহাৰ গতিৰে অসমৰ গাঁৱে-ভূঁঞে বগৰ কৰি শৰ্মাদেৱক "ধুমুহা সভাপতি" আখ্যা দিছিল। সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকাৰ ভাষাত—"কাম, কাম, কামেই আছিল গিৰিধৰৰ ৰাম নাম। সাহিত্য সভাৰ মালা গুটি জপাৰ বছৰটোত তেওঁৰ এদিনৰ বাবেও ক্লান্তি নাছিল, ভ্ৰান্তি নাছিল, অত তত ভ্ৰান্তি অৱশ্যে আছিল। সেই ভ্ৰান্তিৰ মাজতো তেওঁ লভিছিল অনাবিল শান্তি। দোষে গুণে মানুহ। গুণৰ অতিচাৰ হলেও দোষত পৰিণত হয়। গিৰিধৰ শৰ্মাৰো সেয়া হৈছিল বুলি ভাবিবৰ থল আছে।"

অসম সাহিত্য সভাৰ ৰঙিয়া অধিৱেশনত পাঠ কৰা সভাপতিৰ অভিভাষণত শৰ্মাদেৱে সাহিত্য সভাৰ ভৱিষ্যত কৰ্মপন্থাৰ বাবে এখন বাৰমহীয়া আৰ্চনি দাঙি ধৰিছিল। তেখেতৰ দিনতেই সাহিত্য সভা পত্ৰিকাখন মাহেকীয়া হিচাপে প্ৰকাশ কৰা হয়।

কামৰূপ সাহিত্য পৰিষদৰ লগতো শৰ্মাদেৱৰ এৰাব নোৱাৰা সম্পৰ্ক আছিল। কামৰূপ সাহিত্য পৰিষদৰ ৩য় বাৰ্ষিক পুৱালকুছি অধিৱেশনৰ সভাপতি আছিল স্বৰ্গীয় গিৰিধৰ শৰ্মা। শৰ্মাদেৱে কামৰূপ সাহিত্য পৰিষদৰ সভাপতি হৈ থকা বছৰতেই সাহিত্য পৰিষদৰ অধিনতে জীৱনী গ্ৰন্থ প্ৰকাশ কৰাৰ আঁচনি লয়। উক্ত আঁচনিমতে প্ৰথম পদক্ষেপ হিচাপে তেতিয়াৰ কামৰূপ জিলাৰ কীৰ্ত্তিমান সাহিত্যিক সকলৰ জীৱনী সংগ্ৰহ কৰি এখন জীৱনী গ্ৰন্থ প্ৰকাশ কৰে। জীৱনী গ্ৰন্থখনৰ নাম ৰখা হয় "কামৰূপ ৰত্নমালা।" "কামৰূপ ৰত্নমালা"ৰ সেয়া আছিল প্ৰথম খণ্ড।

আগতেই উল্লেখ কৰা হৈছে যে ১৯৭৫ চনত শৰ্মাদেৱে চাকৰি জীৱনৰ পৰা অৱসৰ লয়। কিন্তু চাকৰি জীৱনৰ পৰা অৱসৰ ললেও তেখেতে ৰাজহুৱা জীৱনৰ পৰা অৱসৰ লব পৰা নাছিল। সেয়েহে চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিচৰ পৰাই তেখেতে ৰাষ্ট্ৰীয় স্তৰং সেৱক সংঘৰ অসম প্ৰান্তীয় সংঘচালকৰ গুৰু দায়িত্ব মূৰ

পাতি লবলগীয়া হয়। মৃত্যুৰ আগমুহূৰ্তলৈ শৰ্মাদেৱে নিষ্ঠাৰে সেই দায়িত্ব পালন কৰি গৈছিল। ড° হেমন্ত কুমাৰ শৰ্মাৰ ভাষাত "অসাধাৰণ কৰ্মশক্তি, কৰ্মৰ প্ৰতি গভীৰ নিষ্ঠা আৰু আন্তৰিকতা শৰ্মাদেৱৰ চৰিত্ৰৰ প্ৰধান বৈশিষ্ট আছিল। দেশৰ আৰু দহৰ কামত আনৰ অনুৰোধ তেওঁ কেতিয়াও পেলাব নোৱাৰিছিল। সেই কাৰণে ডাক্তৰৰ বাধা স্বত্বেও মানুহৰ অনুৰোধ এৰাব নোৱাৰি তেওঁ সভাই-সমিতিয়ে যোগ দিছিল।"

সেইজন গুণী পণ্ডিত, আজীৱন শিক্ষাব্ৰতী, সাহিত্যিক, সমাজ সেৱক গিৰিধৰ শৰ্মাদেৱৰ ১৯৭৮ চনৰ ১০ মে তাৰিখে গুৱাহাটীৰ ৰিহাবাৰীত থকা তেওঁৰ নিজ বাসভৱনত দেহাবসান ঘটে।

শৰ্মাদেৱৰ একমাত্ৰ মৰমৰ ভাতৃ শ্ৰীযুত উমা কান্ত শৰ্মা। চোকা বুদ্ধিৰ শৰ্মাদেৱে নিজে কলেজত নপঢ়ি প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ চাকৰি কৰিছিল একমাত্ৰ মৰমৰ ভায়েক উমাকান্তক কলেজত পঢ়াবৰ বাবে। সেই সময়ৰ গুৱাহাটীলোকেল বোৰ্ডৰ চেয়াৰমেন কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱক শৰ্মাদেৱে নিজেই কোৱা কথা "মোৰ ভাই উমাকান্ত মোতকৈ চোকা। মই কলেজত পঢ়িলে তাক পঢ়ুৱাব কোনে? মোক চাকৰিহে লাগে। পাৰিলে ঘৰত পঢ়িয়েই কলেজৰ পৰীক্ষা দিম।" শৰ্মাৰ ভাতৃ প্ৰেম দেখি বৰদলৈ ডাঙৰীয়াই তৰধ মানিছিল। ৰাম লক্ষণৰ দৰে দুই ভাই-ককাইৰ মনৰ মিল, মৰম-চেনেহ সকলোৰে আদৰ্শনীয় আছিল। দুই ভাতৃ আছিল চোকা বুদ্ধি আৰু অসাধাৰণ প্ৰতিভাৰ অধিকাৰী। সেয়েহে উন্নতিৰ জখলাডালত দোপত দোপে আগুৱাই যাব পাৰিছিল। শ্ৰীউমা কান্ত শৰ্মাৰ ভাষাত– "জীৱনৰ শত দুখৰ মাজতো দাদাই নিৰ্বিকাৰ ভাবে নিজৰ কৰ্ত্তব্য পালন কৰিব পাৰিছিল। সহানুভূতিশীল, কৰুণাসিক্ত এখন হৃদয় আৰু কঠোৰ সংগ্ৰামী এটা মন সেয়া দাদাৰ আশ্ৰয়, শক্তি আৰু শান্তিৰ উৎস। সেইবাবে দাদা হৈ উঠিছিল স্থিতবুদ্ধিৰ, কৰ্মকুশল, সহৃদয়।"

কৰ্মযোগী গিৰিধৰ শৰ্মাৰ উদ্দাম কৰ্মশক্তিৰ বিষয়ে শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মাৰ এষাৰ মন্তব্য মন কৰিবলগীয়া–"কৰ্মক্ষেত্ৰত যিমানে তেওঁ বাধা পাইছিল সিমানে তেওঁৰ আত্মবিশ্বাস প্ৰখৰ হৈ পৰিছিল। শেষত কৰ্মৰ এই প্ৰচণ্ড বেগ সহ্য কৰিব নোৱাৰি তেওঁৰ শৰীৰে সতৰ্কবাণী শুনালে।"

অৱসৰ পোৱাৰ পিচতো আৰ্য্যবিদ্যাপীঠ কলেজখনৰ মোহে শৰ্মাদেৱক সদায় তালৈ টানি আছিল। সেয়েহে তেখেতে মাজে মাজে কলেজখনলৈ গৈ ছাত্ৰ-শিক্ষকসকলক উপদেশ দিছিল। শিক্ষকসকলক তেখেতে প্ৰায়ে এষাৰ কথা কৈছিল যিষাৰ কথা চিৰসেউজ। তেখেতে কৈছিল "বাকী সকলো তৈয়াৰ হব, কিন্তু মানুহ তৈয়াৰ কৰিবলৈ চেষ্টা কৰাটোহে শিক্ষক সকলৰ মহান উদ্দেশ্য হোৱা উচিত।"

অসম সাহিত্য সভাত শৰ্মাদেৱেৰ দাখিল কৰা বাৰ দফীয়া আৰ্চনীখন ৰূপায়ণৰ বাবে নখন উপ-সমিতি গঠন কৰা হৈছিল। উপ-সমিতি কেইখনক ৰূপায়ন কৰাৰ বাবে ভগাই দিয়া আৰ্চনিসমূহ থূল-মূলকৈ এনেধৰণৰ–অসমীয়া জাতিৰ ইতিবৃত্ত নিৰ্মাণ, মৌলিক সাহিত্য ৰচনা আৰু প্ৰকাশ, অনুবাদ সাহিত্য ৰচনা আৰু প্ৰকাশ, প্ৰাচীন পুঁথিৰ বিৱৰণমূলক তালিকা, জাতীয় গ্ৰন্থাগাৰ নিৰ্মাণ, অসম সাহিত্য সভা পত্ৰিকা মাহেকীয়াকৈ প্ৰকাশ, ব্যাকৰণ আৰু অভিধান প্ৰণয়ন, ভাষাজ্ঞান পৰীক্ষাৰ সংস্কাৰ, অৰ্থসংগ্ৰহ আৰু প্ৰচাৰ, সংগঠন আৰু সমন্বয় কেন্দ্ৰ স্থাপন আদি।

শৰ্মাদেৱে কৈছিল-"অসমীয়া জাতি আৰু অসম সাহিত্যসভাক গাওঁকেইখনে ধৰি নাৰাখিলে ৰাখোতা নাই।"

ভীমকৰ্মা শৰ্মাদেৱৰ কৰ্মৰাজি সম্পৰ্কে ড° কালি নাথ শৰ্মাদেৱে কৰা এষাৰ মন্তব্যই বোধহয় যথেষ্ট হ'ব। ড° শৰ্মাদেৱে লিখিছে "জ্ঞানে মানুহক পৰমাৰ্থ দিয়ে, কিন্তু কৰ্মহি হলে পৰম শক্তি দান কৰে। এইষাৰ কথাৰ জলন্ত উদাহৰণ আছিল স্বৰ্গীয় গিৰিধৰ শৰ্মা।"

প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈ শিক্ষকতা কৰা সুদীৰ্ঘ অভিজ্ঞতাৰে শৰ্মাদেৱে শিক্ষাপদ্ধতিৰ চৰম অবনতিৰ কথা যুক্তি সহকাৰে দাঙি ধৰিছিল অসম সাহাৰ্য্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সন্থাৰ গুৱাহাটী অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণৰ জৰিয়তে। তেখেতে যুক্তি সহকাৰে আলোচনা কৰি দেখুৱা শিক্ষা পদ্ধতিৰ অবনতিৰ মূল বিষয়সমূহ হ'ল-বিষয়ীগত ভাবে (ক) শিক্ষাৰ গুণগত বৈশিষ্ট লোপ পাইছে (খ) শিক্ষাৰ মৌলিক ভূমিকা ব্যৰ্থ হৈছে (গ) শিক্ষাই জাগ্ৰত জাতীয়তাবোধ সৃষ্টি কৰিব পৰা নাই (ঘ) শিক্ষাই সমাজ জীৱনত কোনো বলিষ্ঠ দৃষ্টিভঙ্গী বা সাৰ্থক জীৱন দৰ্শনৰ সূচনা কৰিব পৰা নাই। (ঙ) উত্তৰণৰ পথত বৰ্ত্তমান শিক্ষাই সম্পূৰ্ণ সহায় কৰিব পৰা নাই।

বিষয়গত ভাবে (ক) শিক্ষা ঐতিহাসিক ভাবে বিচাৰ সাপেক্ষ হোৱা নাই (খ) শিক্ষা প্ৰচলিত সামাজিক, অৰ্থনৈতিক ব্যৱস্থাৰ এক বিকট ৰূপ (গ) শিক্ষক-ছাত্ৰৰ হিতবাদী সমন্বয়ৰ অভাব (ঘ) সুস্থ পৰিৱেশৰ অভাব (ঙ) শিক্ষাৰ ক্ষেত্ৰত গণতন্ত্ৰৰ সাৰ্থক প্ৰয়োগৰ অভাব (চ) নতুন পুৰুষৰ অনাগত ভৱিষ্যত অস্থিৰ, অনিশ্চিত আৰু শঙ্কাকুল।

সংখ্যাৰ ফালৰ পৰা চাবলৈ গলে শৰ্মাদেৱৰ লিখনি তেনেই কম। বিশেষকৈ প্ৰবন্ধৰ সংখ্যা একড্জনতকৈ বেছি নহয়। তাৰ ভিতৰতে বিষয়বস্তু অনুসৰি ড° ৰামচৰণ ঠাকুৰীয়াদেৱে তেখেতৰ প্ৰবন্ধ সমূহ প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিছে যথা (ক) ভ্ৰমণ মূলক (খ) শিক্ষা আৰু শিক্ষা বিষয়ক (গ) ব্যক্তি তৰ্পণ আৰু (ঘ) অন্যান্য বিষয়। শৰ্মাদেৱৰ স্বৰচিত আৰু অনুদিত গ্ৰন্থসমূহ হ'ল-

স্বৰচিত : Sanskrit Grammer, Composition and Translation, 1947, প্ৰবেশিকা ৰচনা শিক্ষা, ১৯৪৮, Sarma's Anglo Assamese Dictionary, 1950, আধুনীক অসমীয়া ভাষাৰ ব্যকৰণ, ১৯৫৩, অসমীয়া অভিধান, ১৯৫২, সংস্কৃত ব্যাকৰণ চন্দ্ৰিকা, ১৯৬৮, সুৰলা পাঠ প্ৰথম ভাগ ১৯৫৯, সুৰলা পাঠ ২য় ভাগ ১৯৫৯, সুৰলা পাঠ ৩য় ভাগ ১৯৫৯ আৰু প্ৰবন্ধ বিচিত্ৰা।

অনুদিত গ্ৰন্থ :- দেৱী চৌধুৰাণী গল্প গুচ্ছ।

সম্পাদিত গ্ৰন্থ :- চুটি গল্প সংকলন, ১৯৫৯।

শৰ্মাদেৱৰ প্ৰচেষ্টাত প্ৰকাশিত :-কামৰূপ ৰত্নমালা (১ম খণ্ড), অসম সাহিত্য সভা পত্ৰিকা (৩০ শ বছৰ), কামৰূপা (১ম বছৰ), অসমীয়া জাতিৰ ইতিবৃত্ত, নাটক, ৰামৰামহৰদত্ত, একাদশী, চেমুৱেল জনচুনৰ জীৱনী, গেটো জীৱনী, ছক্ৰেটিছ আৰু ৰাভা জনজাতি।

স্বৰ্গীয় গিৰিধৰ শৰ্মাদেৱৰ কৰ্মময় জীৱনৰ আদৰ্শ আমাৰ সকলোৰে আদৰ্শ হওঁক, এই কামনাৰে।০০০

(ড° হেমন্ত কুমাৰ শৰ্মা সম্পাদিত "কৰ্মযোগী গিৰিধৰ শৰ্মা"ৰ সহায় লৈ।)

ভাষাবিজ্ঞানী অসম ৰত্ন
ড° বাণীকান্ত কাকতি
কৃষ্ণ ৰায়মেধি

অসমীয়া সাহিত্য, অসমীয়া ভাষা আৰু সৰ্বোপৰি অসমীয়া চিন্তাধাৰাত যি সকল কবি-সাহিত্যিক-দাৰ্শনিকে কুৰিশতিকাত বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু আধুনিক বিশ্লেষণাত্মক প্ৰৱাহ বোৱালে—সেইসকলৰ ভিতৰত ডঃ বাণীকান্ত কাকতিক একক বিস্ময় বুলি কলেও বোধহয় বঢ়াই কোৱা নহয়। এই প্ৰবন্ধত ডঃ কাকতিৰ জীৱনালেখ্য অতি সংক্ষেপে দাঙি ধৰিবলৈহে প্ৰয়াস কৰা হব। কিয়নো প্ৰবন্ধৰ পৰিসৰ যথেষ্ট সংক্ষিপ্ত আকাৰৰ। আৰু সেইহেতু ডঃ কাকতিৰ সাহিত্য কৰ্মৰাজিৰ বিস্তৃত ব্যাখ্যা আৰু তাৰ গুণাগুণৰ বিশ্লেষণাত্মক বিচাৰৰ পৰা আমি বিৰত থাকিম। আনহাতে কামৰূপ জিলা সাহিত্য সভাই পৰ্যায়ক্ৰমে ছপা কৰি উলিয়াবলৈ লোৱা কামৰূপ ৰত্নমালাত সন্নিবিষ্ট অসম ৰত্ন সৱৰ সংক্ষিপ্ত জীৱন আৰু কৰ্মৰাজিৰ চমু বৃত্তান্তহে মাথোন ৰাইজৰ ওচৰত দাঙি ধৰা আমাৰ মূল লক্ষ্য।

ড° বাণীকান্ত কাকতি ১৮৯৪ চনৰ নৱেম্বৰ মাহৰ কোনোবা এটা শুভ দিনৰ শুভ মুহূৰ্ত্তত অবিভক্ত কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত চহৰ বৰপেটাৰ নিকটবৰ্তী বাটিকুৰিহা গাঁৱৰ ললিত ৰাম কাকতিৰ ঔৰসত আৰু লাহোবালা কাকতিৰ গৰ্ভত জন্ম গ্ৰহণ কৰে। সকৰে পৰাই তেওঁ মেধাবী, চিন্তাশীল, ধীৰ-গম্ভীৰ, অল্পভাষী, লাজুক প্ৰকৃতিৰ মিঠামুখীয়া আৰু শান্ত স্বভাৱৰ ল'ৰা আছিল। ললিত ৰাম কাকতি আৰু লাহোবালা কাকতিৰ দুটি পুত্ৰ আৰু তিনিগৰাকী কন্যা সন্তানৰ ভিতৰত বাণীকান্ত আছিল মাক-দেউতাকৰ কনিষ্ঠ সন্তান। বাণীকান্তৰ জীৱনত তেওঁৰ ককায়েক বাটিকুৰিহা পাঠশালা স্কুলৰ কঠোৰ পৰিশ্ৰমী আৰু নিষ্ঠাবান শিক্ষক পৰমানন্দ কাকতি আছিল প্ৰেৰণাৰ উৎস। কবলৈ গলে শিশু বাণীকান্তক জ্ঞানী শিক্ষক পৰমানদ কাকতিয়েহে লিখা পঢ়াৰ পৰা আৰম্ভ কৰি ঘোষা-কীৰ্তন, বৰগীত আদি শিকোৱালৈকে সকলো ক্ষেত্ৰতে গুৰি ধৰি আছিল। এনেকুৱা এক পৰিবেশতেই বাল্যকাল অতিবাহিত কৰা বাণীকান্ত কাকতি ১৯১১ চনত বৰপেটা হাইস্কুলৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰৱেশিকা পৰীক্ষা দি প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয় আৰু অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰে। আৰু তাৰ পিছত নিষ্ঠা, অধ্যবসায় আৰু অবিচল সাধনাৰ ফলশ্ৰুতি হিচাবে ১৯১১ চনত কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম স্থান অধিকাৰ কৰি আই এ পৰীক্ষাত উত্তীৰ্ণ হয়। সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অসম বঙ্গদেশ, বিহাৰ, উৰিষ্যা আদিৰ সকলোবোৰ বিদ্যালয় অন্তৰ্ভুক্ত আছিল। বাণীকান্তই ইংৰাজীত অনাৰ্ছ সহ বি এ পাছ কৰে ১৯১৫ চনত আৰু ১৯১৮ চনত ইংৰাজীৰ 'ক' শাখাত দ্বিতীয় বিভাগত এম এ পাছ কৰি কটন কলেজত অধ্যাপকৰ পদত নিযুক্ত হয়। এম এ পৰীক্ষাৰ ফলাফলে তেওঁক সন্তুষ্ট কৰিব পৰা নাছিল আৰু সেয়েহে কটন কলেজত অধ্যাপনা কৰি থকা কালতে ১৯২৬ চনত ইংৰাজীৰ 'খ' শাখাত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পৰীক্ষা দি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম

হয়। এইবেলি কাকতিদেৱে 'ক' আৰু 'খ' দুয়োটা শাখাৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰি "ক্ষেত্ৰমোহন চেটাৰ্জী" সোণৰ পদক লাভ কৰে। তাৰ পাছত ১৯৩৫ চনত অসমীয়া ভাষা, ইয়াৰ গঠন আৰু ক্ৰমবিকাশ' নামৰ গ্ৰন্থ ৰচনা কৰি কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পি-এইচ ডি উপাধি লাভ কৰে। এই গ্ৰন্থখনি অসমীয়া ভাষাৰ দলিল স্বৰূপ। এই গ্ৰন্থখনিয়ে বাণীকান্ত কাকতিক অন্যতম শ্ৰেষ্ঠ ভাষাবিদ বুলি প্ৰমাণিত কৰাৰ লগতে অসমীয়া ভাষাৰ স্বতন্ত্ৰীয়া বৈশিষ্ট্যকো স্বীকৃতি দিলে।

এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হব যে বাণীকান্ত কাকতিয়ে ১৯১৮ চনত ইংৰাজী 'ক' শাখাত এম এ পৰীক্ষা দিয়ে আৰু দ্বিতীয় শ্ৰেণী (2nd Class) লাভ কৰি পৰীক্ষাত উত্তীৰ্ণ হয়। সেই বছৰতে তেওঁ কটন কলেজত ইংৰাজী বিভাগত অধ্যাপক পদত নিয়োজিত হয়। কোৱা বাহুল্য মাথোন যে ১৯১৭ চনলৈকে কোনো অসমীয়া লোককে কটন কলেজৰ অধ্যাপকৰ পদত নিয়োগ কৰা হোৱা নাছিল। অসমীয়া ৰাইজৰ অশেষ চেষ্টা আৰু দাবীৰ ফলত ১৯১৮ চনৰ আগভাগত পোনপ্ৰথমবাৰৰ বাবে ডক্টৰ সূৰ্যকুমাৰ ভূঞাদেৱক অধ্যাপক পদত নিয়োগ কৰে আৰু সেই বছৰৰে শেষৰ ফালে নবেম্বৰ মাহত বাণীকান্ত কাকতিকো কটন কলেজৰ অধ্যাপক হিচাবে নিযুক্তি দিয়ে। অধ্যাপক পদত নিযুক্তি পাইও বাণীকান্তই অধ্যয়ন ত্যাগ কৰা নাছিল আৰু কঠোৰ পৰিশ্ৰমেৰে সুদীৰ্ঘ আঠ বছৰৰ পাছত ইংৰাজীৰ 'খ' শাখাত ১৯২৬ চনত এম এ পৰীক্ষা দিয়ে আৰু কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হয়। সেই বছৰ দুয়োটা শাখাৰ সকলো পৰীক্ষাৰ্থীৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰা বাবে বাণীকান্ত কাকতিয়ে 'ক্ষেত্ৰমোহন চেটাৰ্জী' সোণৰ পদক লাভ কৰে। এই কথাই কাকতিৰ মেধা, অধ্যাবসায় আৰু জ্ঞানৰ গভীৰতাৰ স্বাক্ষৰ বহন কৰিছে। তাৰ পাছত নিষ্ঠা আৰু সততাৰ হেতু ডক্টৰ বাণীকান্ত কাকতি ১৯৪৭ চনত কটন কলেজৰ অধ্যক্ষ পদত অধিষ্ঠিত হয়। ১৯৪৯ চনৰ জানুৱাৰী মাহত কটন কলেজৰ পৰা অৱসৰ লোৱাৰ পিছত ডক্টৰ কাকতিক গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া ভাষা আৰু সাহিত্য বিভাগৰ অধ্যাপক পদত নিয়োজিত কৰা হয়। ইয়াৰ কিছুদিন পিছতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ডক্টৰ কাকতিক কলাগুৰু পদবীত নিযুক্তি দান কৰে।

ডক্টৰ কাকতি ১৯১৬ চনত বৰপেটাবাসী শ্ৰী উমাকান্ত দাসৰ কন্যা শ্ৰীমতী কনকলতা দাসৰ লগত বিবাহ পাশত আবদ্ধ হয়। বাণীকান্ত তিনিজন পুত্ৰ-যথাক্ৰমে শ্ৰী দেৱকান্ত কাকতি, শ্ৰী নীলকান্ত কাকতি আৰু শ্ৰী ৰত্নকান্ত কাকতি আৰু তিনিগৰাকী কন্যা, যথাক্ৰমে শ্ৰী মতী নীৰদা কাকতি, শ্ৰীমতী শৰৎ কুমাৰী কাকতি শ্ৰীমতী তৰুলতা কাকতিৰ সৌভাগ্যবান পিতৃ আছিল। ১৯৫২ চনৰ ১৭ চেপ্তেম্বৰ তাৰিখে কাকতিৰ পত্নী বিয়োগ ঘটে। পত্নীৰ মৃত্যুত ডক্টৰ কাকতি একপ্ৰকাৰ ভাগি পৰে আৰু সেই বছৰৰে ১৫ নবেম্বৰ তাৰিখে অসমৰ সাহিত্য সংস্কৃতিৰ জগতত এক বিৰাট শূন্যতাৰ সৃষ্টি কৰি ডক্টৰ কাকতিয়েও ইহলীলা সম্বৰণ কৰে।

অসমীয়া সাহিত্য জগতত ডক্টৰ বাণীকান্ত কাকতিৰ অৱদান যুগজয়ী হৈ থাকিব। তেখেতৰ প্ৰধান গ্ৰন্থসমূহ হ'ল–(১) অসমীয়া ভাষা, ইয়াৰ গঠন আৰু ক্ৰমবিকাশ (২) সাহিত্য আৰু প্ৰেম, (৩) কলিতা জাতিৰ ইতিবৃত্ত, (৪) পুৰণি

অসমীয়া সাহিত্য, (৫) শঙ্কৰদেৱৰ জীৱন আৰু ধৰ্মমত, (৬) অসম বুৰঞ্জীৰ কাহিনী (৭) পখিলা, (৮) মাতৃদেৱী কামাখ্যা, (৯) বিষ্ণুৰ পৌৰাণিক উপাখ্যান আৰু জনশ্ৰুতি (১০) পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা।

ইয়াৰ উপৰিও—তেখেতে লিখা প্ৰায় শতাধিক প্ৰবন্ধ অসমৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীৰ পাতত সিচৰিত হৈ আছে। অসম প্ৰকাশন পৰিষদে ইতিমধ্যে বাণীকান্ত ৰচনাৱলী নামৰ গ্ৰন্থ ছপা কৰি উলিয়াই এক মহৎ কাম কৰিছে। অৱশ্যে কাকতিদেৱৰ সমূহ প্ৰবন্ধাৱলী এই গ্ৰন্থত সন্নিবিষ্ট হৈছে নে নাই সেইটো চালিজাৰি চোৱাৰ অৱকাশ নথকা নহয়।

ডক্টৰ বাণীকান্ত কাকতি মূলতঃ এজন ইংৰাজী ভাষা-সাহিত্যৰ ছাত্ৰ আছিল। ইংৰাজী সাহিত্যত তেওঁৰ আছিল অগাধ জ্ঞান। আনহাতে ঈশ্বৰৰ ওপৰত আছিল কাকতিৰ গভীৰ বিশ্বাস। মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভা আৰু ধৰ্মীয় চিন্তাৰ তেওঁ আছিল এজন একনিষ্ঠ সেৱক। এই সকলোবোৰে ডক্টৰ কাকতিক এজন অসমীয়া ভাষাৰ কৃতি সাহিত্য-সমালোচক আৰু সাংস্কৃতিক ইতিহাসৰ গৱেষক পণ্ডিত হোৱাত সহায় কৰিছিল। এই প্ৰবন্ধৰ ক্ষুদ্ৰ কলেৱৰৰ ভিতৰত ডক্টৰ কাকতিৰ লিখনি সমূহৰ বিস্তৃত ব্যাখ্যা সম্ভৱপৰ নহয়। আনহাতে কামৰূপ ৰত্নমালাত 'কামৰূপৰ ৰত্ন' সমূহৰ সামান্য আভাষহে মাত্ৰ পঢ়ুৱৈ সমাজৰ আগত দাঙি ধৰা আমাৰ উদ্দেশ্য। ডক্টৰ বাণীকান্ত কাকতি কামৰূপৰ ৰত্নই নহয়; তেখেত ভাৰতবৰ্ষৰ এক উজ্জ্বল ৰত্ন। এইগৰাকী মহান গৱেষক পণ্ডিতৰ জীৱনালেখ্য আৰু সাহিত্য প্ৰতিভাৰ বিশদ আলোচনা কৰিবলৈ হলে ই এক বৃহৎ গ্ৰন্থত পৰিণত হব। আমি মাত্ৰ কামৰূপ ৰত্নমালাৰ তৃতীয় খণ্ডত ডঃ বাণীকান্ত কাকতিৰ পবিত্ৰ নামটো শ্ৰদ্ধাভৱে স্মৰণ কৰিলো। ০০০

সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা

ধীৰেন শৰ্মা

স্বদেশ, স্বজাতি আৰু মাতৃভাষাৰ প্ৰতি প্ৰবল ভাল পোৱাৰ অনুভূতিৰেই যি সকল সাহিত্যিকে আজীৱন সাহিত্য সাধনাৰে অসমী আইৰ পূজা সেৱা কৰি গ'ল সেই সকল সাহিত্যিকৰ ভিতৰত সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা অন্যতম। তিনিকুৰি বছৰতো অধিক কাল ধৰি অবিৰত আৰু অক্লান্ত পৰিশ্ৰমেৰে ভাষা-সাহিত্যৰ বেদীত পুষ্পাৰ্ঘ নিবেদন কৰা সেই পৰাকী বিৰল প্ৰতিভাধৰৰ জন্ম হৈছিল পূণ্যতোৱা লোহিত্যৰ তীৰৰ গুৱাহাটী চহৰৰ উজানবজাৰত ১৯৩০ চনৰ ভাদ মাহৰ (৯ ছেপ্টেম্বৰ) ২৩ তাৰিখে কৃষ্ণা তৃতীয়া তিথিত। সাহিত্যৰ বিস্তাৰিত ক্ষেত্ৰত নামি কবিতাৰ পুথি ২৫খন, নাটক ২৯খন, অনাতাঁৰ নাটক ১১খন (অপ্ৰকাশিত)। শিশু সাহিত্য ৩০ খন, বিবিধ গদ্য ৰচনা ৮ খন, সম্পাদনা সাহিত্য ৩৬খন, পাঠ্য পুথি ১৬ খনেৰে সৈতে ১৫৫ খন গ্ৰন্থৰ প্ৰণেতা অতুলচন্দ্ৰ হাজৰিকাৰ পিতৃ আছিল ৰমাকান্ত হাজৰিকা আৰু মাতৃ নিৰুপমা হাজৰিকা।

ৰমাকান্ত হাজৰিকাৰ বংশৰ গুৰি গছ গোলাঘাট অঞ্চলৰ বা যোৰহাটৰ কেন্দুগুৰি অঞ্চলৰ আছিল বুলি অনুমান কৰে। নিতাই নামৰ ৰৰা বাৰ খোৱা একন লোক এওঁলোকৰ বংশৰ উৰ্দ্ধতন পুৰুষ আছিল আৰু মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ঘৰবাৰী এৰি আহি অৱশেষত নগাওঁ জিলাৰ কলংপাৰত গাওঁ এখনত থাকে। আগতে নগাওঁ চহৰৰ নাম খাগৰিজান আছিল। সেই খাগৰিজানৰ চাৰিমাইল পূৱত থকা উৰিয়াগাওঁখনেই নিতাই ৰৰাৰ গাওঁ। নিতাই ৰৰাৰ পুতেক আছিল কৃষ্ণানন্দ। এই কৃষ্ণানন্দ বৰ সাহসী আৰু অতি জনপ্ৰিয় গুণৰ অধিকাৰী আছিল। ৰজাঘৰে তেওঁক হাজৰিকা বাব দিছিল। কৃষ্ণানন্দৰ পুতেক আছিল পৰমানন্দ। পৰমানন্দৰ আকৌ পুতেক হ'ল ভবানন্দ। ভবানন্দৰ পুতেক আছিল দুজন। একনৰ নাম পূৰ্ণানন্দ আৰু আনজনৰ নাম ভুৱাই ৰাম হাজৰিকা। ভুৱাইৰাম হাজৰিকা আছিল সৰু। পূৰ্ণানন্দ হাজৰিকা আছিল বীৰ পুৰুষ। স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহই বীৰত্বত সন্তুষ্ট হৈ এই পূৰ্ণানন্দক বৰ হাজৰিকা পাতে। পূৰ্ণানন্দ বৰ হাজৰিকা অকল বীৰ পুৰুষেই নাছিল। তেওঁ আছিল অতি দেশপ্ৰেমিক। চন্দ্ৰকান্ত সিংহক তেওঁ মানৰ আক্ৰমণৰ বিৰুদ্ধে সহায় আগবঢ়াইছিল যদিও অৱশেষত এই ৰণত পৰাজিত হোৱা গ্লানি সহ্য কৰিব নোৱাৰি তেওঁ দুইভৰ বুকুত কেৰাই মৃত্যুক আকোৱালি লৈছিল। ভুৱাই ৰামে আকৌ নিজ যোগ্যতাৰ গুণে ইংৰাজ শাসনৰ অধীনত নগাওঁ জিলাৰ প্ৰথম মুনচিফ্ হাকিম হৈছিল। মুনচিফ্ এই ভুৱাইৰাম হাজৰিকা আছিল অতুলচন্দ্ৰ হাজৰিকাৰ আজোককাক। তেওঁৰ আকৌ দুই পুত্ৰ—(১) মাধুৰাম আৰু (২) শান্তিৰাম। মাধুৰাম হাজৰিকাৰেই কনিষ্ঠ পুত্ৰ ৰমাকান্ত হাজৰিকা। এই ৰমাকান্ত হাজৰিকাই হ'ল অতুলচন্দ্ৰ হাজৰিকাৰ পিতৃ।

কামৰূপ বংশমালা

নিতাই বৰা
↓
কৃষ্ণানন্দ
↓
পৰমানন্দ
↓
ভৱানন্দ

পূৰ্ণানন্দ ভুবাইৰাম

নাথুৰাম শান্তিৰাম

সোমদত্ত হৰকান্ত ৰাধাকান্ত ৰমাকান্ত
↓
অতুলচন্দ্ৰ

পিতৃবংশ যেনে ঐতিহ্যশালী অতুলচন্দ্ৰ হাজৰিকাৰ মাতৃবংশও আছিল ঐতিহ্যপূৰ্ণ। মাতৃ নিৰুপমা হাজৰিকা আছিল অসমীয়া সাহিত্য আকাশৰ উজ্জ্বল ভাস্কৰ, স্বনামধন্য কবি, নট্যকাৰ নলবাৰী বতাহজিলাৰ ৰমাকান্ত চৌধুৰীৰ জীয়ৰী। অসমীয়া আধুনীক নাট্য সাহিত্যৰ ক্ষেত্ৰত গুণাভিৰাম বৰুৱাৰ 'ৰামনৱমী', হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' আৰু ৰুদ্ৰ বৰদলৈৰ 'বঙাল-বঙালনী' সামাজিক নাটেৰে শুভাৰম্ভ কৰা যুগৰ পৌৰাণিক নাটৰ পথ প্ৰদৰ্শক স্বৰ্গীয় ৰমাকান্ত চৌধুৰীয়ে অসমীয়া নাট্যমঞ্চলৈ এটি নতুন যুগৰ সূচনা কৰে। নাট্যকাৰ অতুলচন্দ্ৰ হাজৰিকায়ো হয়টো পৌৰাণিক নাট ৰচনাৰ বাবে মামাকইতৰ এইজন আতাকৰ পৰাই প্ৰেৰণা পাইছিল।

অতুলচন্দ্ৰ হাজৰিকাৰ পিতাকৰ বিয়া হৈছিল ককায়েক মোক্ষদত্ত হাজৰিকাৰ উজান বজাৰৰ ঘৰৰ পৰা। বিয়াৰ পাছত পিতৃ ৰমাকান্তই যোৰপুখুৰীৰ 'তপোবন' খ্যাত চৌহদৰ মাটি কিনি তাত থাকিবলৈ লৈছিল। উগ্ৰতৰাৰ দলৈৰ পৰা পট্টা কৰি লোৱা এই 'তপোবন'ৰ জুপুৰী ঘৰতেই কলপাতত জন্মিছিল অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক, প্ৰথিতযশা সাহিত্যিক, অসমৰ ব্যাস অধ্যাপক স্বৰ্গীয় অতুলচন্দ্ৰ হাজৰিকাদেৱ। সোঁৱৰণী অনুসৰি আচলতে তেওঁৰ নাম ৰখা হৈছিল দেৱকান্ত (ব্যাক্তনাম) আৰু ধৰণী কান্ত (গুপ্তনাম)। কিন্তু ডাঙৰ মোমায়েক শ্ৰীকান্তই নাম দিছিল 'অতুল'। সেই নামেৰেই তেওঁ সাহিত্য জগতত মৰিও অমৰ যদিও মাক-পিতাকে মতা 'জগন্নাথ' নামৰ পৰা বিহগী কবি ৰঘুনাথ চৌধুৰীদেৱে তেওঁক 'জগ' বুলিহে মাতিছিল।

পদ্ম পণ্ডিতৰ লতাশিল প্ৰাইমেৰী স্কুলত তেওঁ প্ৰাথমিক শিক্ষা লাভ কৰে। পদ্ম পণ্ডিতৰ নাম আছিল পদ্ম দত্ত। বৰ ব্যক্তিত্ব সম্পন্ন শিক্ষক আছিল তেওঁ। এইজন শিক্ষকৰ তলত ১৯১০ৰ পৰা ১৯১৫ চনলৈ প্ৰাথমিক শিক্ষা লোৱাৰ পাছত তেওঁ মানিক চন্দ্ৰ মধ্য ইংৰাজী বিদ্যালয়ত ভৰ্ত্তি হয়। এই বিদ্যালয়ত ৬ষ্ঠ শ্ৰেণীলৈকে পঢ়ি ১৯১৯ চনত কটন কলেজিয়েট হাইস্কুলৰ ৭ম মান শ্ৰেণীত নাম লগায় আৰু তাৰ পৰাই ১৯২৩ চনত ৩টা বিষয়ত অক্ষৰ লৈ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৮৩৫ চনত কেপ্তেইন জনকিন্স চাহাবৰ উদ্যোগত গঢ়ি উঠা এই স্কুলখন অসমৰ সৰ্বপ্ৰথম হাইস্কুল। অতুলচন্দ্ৰ হাজৰিকাই এই স্কুলখনক পিতামহ আখ্যা দিছিল। পৰীক্ষাত পোৱা নম্বৰ আৰু জ্ঞান অৰ্জনৰ মাজত যে পাৰ্থক্য বিৰাজমান সেই কথা পিতামহৰূপী স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰা স্বৰ্গীয়

হাজৰিকাদেৱৰ জীৱন প্ৰতিভা আৰু জীৱন কৃতিৰ পৰাই বুজিব পাৰি। যি পৰাক্ৰী ব্যক্তি অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীৰ এক সোণালী অধ্যায় সেই প্ৰতিভাধৰ হাজৰিকাদেৱে প্ৰৱেশিকা পৰীক্ষাত অসমীয়াত নম্বৰ পাইছিল ৪২ আৰু সংস্কৃতত নম্বৰ পাইছিল মাত্ৰ ৩০। ইয়াৰ পৰাই ধাৰণা নিশ্চিত কৰিব পাৰি যে স্কুলৰ চাৰিবেৰৰ শিক্ষাই জীৱন কৃতিৰ একমাত্ৰ সম্বল নহয়।

কটন কলেজিয়েট হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ পাছত তেওঁ কটন কলেজত নাম ভৰ্ত্তি কৰে। ভৱিষ্যতে এজন ডাক্তৰ হোৱাৰ আশা আন বহুত ছাত্ৰই কৰাৰ দৰে অতুলচন্দ্ৰ হাজৰিকায়ো প্ৰথমতে তেনে আশা মনত পুহি ৰাখিছিল। সেয়েহে তেওঁ আই এচ চি শ্ৰেণীত নাম লগাই বিজ্ঞান শাখাৰ ছাত্ৰ হৈছিল। দুবছৰ পঢ়ি প্ৰথম বিভাগত আই এচ চি পাছ কৰিলে যদিও ডাক্তৰী পঢ়িবলৈ কলিকতালৈ গৈ তাত থাকি পঢ়াৰ বাবে প্ৰয়োজনীয় ধনৰ যোগান ধৰিবলৈ ঘৰৰ আৰ্থিক অৱস্থাই নুকুলোৱাত ডাক্তৰী পঢ়াৰ হাবিলাসৰ ইমানেতে অন্ত পেলাইছিল। গতিকে কটন কলেজতে তেওঁ বি এচ চি পঢ়িবলৈ ললে। প্ৰথমে তেওঁ ৰসায়ন বিষয়ত অনাৰ্চ লৈছিল যদিও 'ফৰ্মূলা'বোৰ জিভাৰ আগত ৰাখিবলগীয়া হোৱাত তেওঁ ৰৰ টান পালে। সেয়েহে তৃতীয় বাৰ্ষিকত বিজ্ঞানৰ পৰিবৰ্তে কলা শাখাতহে নাম ভৰ্ত্তি কৰিলে। ইংৰাজী আৰু অসমীয়াৰ উপৰি অঙ্ক আৰু বুৰঞ্জী বিষয়লৈ নিয়মিত ভাবেই ১৯২৮ চনত তেওঁ বি এ পাছ কৰিলে। এম এ পঢ়িবলৈ প্ৰবল ধাউতি আছিল যদিও সেই সময়ত আজিৰ দৰে গুৱাহাটী বা ডিব্ৰুগড়ত পঢ়িব পৰা ব্যৱস্থা নাছিল। এম এ আদি উচ্চ শিক্ষা লবলৈ কলিকতাই একমাত্ৰ স্থল আছিল। কিন্তু বিদ্যা থাকিলেও সেই সময়ত কলিকতাত পঢ়িবলৈ সকলোৰে ধন বিত নাছিল। কাজেই বেছিভাগ অসমৰ গ্ৰেজুৱেটে গ্ৰেজুৱেট হোৱাৰ পাছতেই চাকৰীৰ কাৰণে হাবু দাবু খাইছিল। চাকৰীৰ বজাৰ খনো মহঙা আছিল। সেয়েহে তেওঁৰ ভাষাতেই 'যাৰ নাই অন্য গতি সি কৰে ওকালতি'ৰ ফাল গতি কৰি জে, ৰকৱাৰ আৰ্ল ল কলেজতে পঢ়িবলৈ ললে। মনত অৱশ্যে অসমত এম এ পঢ়িবলৈ বিশ্ববিদ্যালয় নথকা কথাটো বেয়াকৈ লাগি থাকিল আৰু অসম ছাত্ৰ সম্মিলনৰ তেজপুৰ অধিবেশনত সৰ্বপ্ৰথমে গুৱাহাটী বিশ্ববিদ্যালয় লাগে বুলি দাবী কৰি প্ৰস্তাৱ উত্থাপন কৰিছিল। এনে দাবীৰ ভিত্তিতেই অৱশেষত ১৯৪৮ চনত অসমে গুৱাহাটী বিশ্ববিদ্যালয় লাভ কৰে। ১৯৩৫ চনত যদিও তেওঁ বি এল ডিগ্ৰী লাভ কৰিছিল তেওঁৰ পাছে ওকালতি কৰিবলৈ সমূলি ইচ্ছা নাছিল। জীৱনৰ হাবিলাস সম্পৰ্কত তেওঁ এনেদৰে ব্যক্ত কৰিছিল–"আকাল ভৰাল নোহোৱাকৈ স্কুলৰ শিক্ষকতা কৰি নীৰবে সাহিত্য সেৱা কৰাটোৱেই আছিল মোৰ জীৱনৰ একমাত্ৰ হাবিলাস–লেখৰ ধনী মানুহ হৈ মাটিবাৰী আৰ্জি ভাল ঘৰ-দুৱাৰ সজাই লৈ মটৰ গাড়ীত উঠি ভ্ৰমণ বিলাসত জীৱন কটোৱা ধাউতি মোৰ কোনোদিনেই নাছিল আৰু আজিও উকিলীহে আইন ব্যৱসায় চলোৱাটো মোৰ উদ্দেশ্য নাছিল যদিও ঘৰৰ ভাত মুঠি খাই দেউতাৰ উপদেশ মতে মযো ল কলেজত নামটো লগাই ছাত্ৰ জীৱনৰ মিয়াদ আৰু তিনি বছৰলৈ বঢ়াই ললো।"

শিক্ষকতা আৰু সাহিত্য সেৱাই জীৱনৰ ব্ৰত কৰি লৈ ইতিহাসত হাবিয়াস পূৰ্ণ কৰি স্বৰ্গীয় হাজৰিকাদেৱে দুয়োটা কাৰ্যই সফলতাৰে সম্পন্ন কৰিছিল। বি এ পাছ কৰাৰ পাছতে তেওঁ ১৯৩০ চনত চাৰে সোতৰ টকা দৰমহা হাৰত গুৱাহাটীৰ সোণাৰাম হাইস্কুলত শিক্ষক নিযুক্তি পায়। তাৰ পাছত তেওঁ মৰুলীদে হাইস্কুলতো

অস্থায়ীভাবে কিছুদিনৰ বাবে শিক্ষকতা কৰে। ১৯৩২ চনত কিছুদিনৰ বাবে স্কুল চাব ইন্সপেক্টৰো হয়। তাৰ পাছত নগাওঁ আদিতো স্কুল শিক্ষক হয় যদিও ১৯৩৭ চনত তেওঁ বৰপেটা হাইস্কুলত শিক্ষকতা কৰে। প্ৰথমবাৰ বৰপেটা হাইস্কুলত নিগাজী হব পৰা নাছিল। সেয়ে কেইমাহমান চাকৰী কৰাৰ পাছতেই তেওঁ আহি আকৌ গুৱাহাটী পায়। গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলত এমাহ শিক্ষকতা কৰাৰ পাছত ১৯৩৮ চনত তেওঁ ডিব্ৰুগড় চৰকাৰী হাইস্কুললৈ শিক্ষকতা কৰিবলৈ যায়। ওপৰত উল্লেখ কৰি অহা হৈছে, যে সেই সময়তো চাকৰী পোৱা বৰ কঠিন আছিল। অস্থায়ী ভাবে ইখন হাইস্কুলৰ পৰা সিখন হাইস্কুললৈ নৰি ঢাপৰি ফুৰিবলগীয়া হৈছিল। শেষত যেনিবা ১৯৩৯ চনৰ জুন মাহত পুনৰ বৰপেটা হাইস্কুলত শিক্ষক ৰূপে নিযুক্তি পায়। এই নিযুক্তি অৱশ্যে এইবাৰ নিগাজী ৰূপৰেই আছিল। সেয়েহে মনলৈও কিছু নিগাজী চিন্তা আহিল। পঢ়াৰ প্ৰতি তেওঁৰ ধাউতি অতি প্ৰবল আছিল গুনেই কিছুমান চিন্তাত তেওঁৰ নিগাজী ভাবৰ প্ৰতিফলন ঘটিছিল। তেওঁ বৰপেটাত থকা এই কালছোৱাতেই ছিলং এড্‌মাণ্ডছ কলেজৰ পৰা ১৯৪১ চনত বি টি পাছ কৰে। প্ৰাইভেটে অসমীয়া বিভাগৰ পৰীক্ষা দি তেওঁ বৰপেটাত থকা সময়ছোৱাত ১৯৪৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এ পাছো কৰে। বৰপেটা হাজৰিকাদেৱৰ কাৰণে চিৰস্মৰণীয় অকল এই কেইটাৰ কাৰণেই নহয় ৰোমাঞ্চৰ যুগ্ম জীৱনো এই বৰপেটাতেই থকা সময়ত হৈছিল। সেই কাৰণেও বৰপেটা তেওঁৰ বাবে সদা স্মৰণীয়। ১৯৩৭ চনৰ জুলাই মাহত বৰপেটালৈ প্ৰথমবাৰৰ বাবে যোৱাৰ পাছত সেই বছৰৰে ১২ ডিচেম্বৰত ডিব্ৰুগড়ৰ ভৰালী বৰুৱা বংশৰ ৰামকুমাৰ দত্তৰ কন্যা সাবিত্ৰীৰ লগত এওঁৰ বিয়া হৈছিল। বিয়াৰ নিমন্ত্ৰণী পত্ৰ তেওঁ ৰচনা কৰা কবিতা এটিৰে ছপা কৰিছিল–

সবিনয় নিবেদন,

ৰঙিলা পখিলা উৰি জীৱনৰ যমুনা বালিত
সূচালে বিবাহ মোৰ জীৱনৰ সেন্দুৰী আলিত।
হোম-অগ্নি সাক্ষী ৰাখি বেদমন্ত্ৰে কৰি শংখনাদ
সাজু হলোঁ তুলি তব বিধাতাৰ পূত আশীৰ্বাদ।
তুষ্ট হব ন-পুৰুষ, পিতা-মাতা প্ৰিয়-পৰিজন
এয়ে মোৰ নিমন্ত্ৰণ সুধীজনে কৰক গ্ৰহণ
সেই উপলক্ষে আজি কবিতাৰ সজালোঁ শৰাই
মিনতিৰ গুৱা-পাণ দিলোঁ তাতে যতনে ভৰাই।
সকলোৰে শুভ ইচ্ছা সকলোৰে পদধূলি লই।
ধন্য হ'ক দুটি প্ৰাণী পৰিণয় হক মধুময়।

দুটিকৈ কন্যা আৰু এটি পুত্ৰৰ এটি এটিকৈ মৃত্যু হোৱাত এই বৰপেটাতেই ৪ৰ্থ সন্তান জোনাকীৰো জন্ম হয়। তেওঁৰ ভাষাত এইয়া বৰপেটাৰ কনীয়া ঠাকুৰৰ নিৰ্মালি। 'জোনাকী'ৰ আচল নাম বিজয়লক্ষ্মী।

বৰপেটাত তেওঁ ১৯৪৫ চনৰ নৱেম্বৰ মাহলৈ শিক্ষকতা কৰি তাৰ পৰা গুৱাহাটীৰ কটন কলেজিয়েট স্কুললৈ বদলি হয়। সেই সময়টো আছিল দ্বিতীয় মহাসমৰৰ সময়। শিক্ষানুষ্ঠানবোৰ সেই সময়ত খানবান হৈ পৰিছিল। প্ৰায়বোৰ স্কুলেই চিপাহীয়ে দখল কৰি লৈছিল। কটন কলেজিয়েট স্কুলখনো একেধৰণে

চিপাহীৰ দখলত আছিল। সেয়েহে তেতিয়া কামৰূপ একাডেমী স্কুলখনক ভাৰাত লৈ তাতেই পাঠদানৰ ব্যৱস্থা কৰা হৈছিল। একেখন স্কুলতে কলেজিয়েটৰ ক্লাচ হয় ৰাতিপুৱা ন্নয় বজাৰ পৰা দহ বজালৈ আৰু দহ বজাৰ পৰা একাডেমীৰ ক্লাচ হয়। কটন কলেজিয়েটত থাকোতেই তেওঁৰ স্কুলীয়া শিক্ষকতাৰ ওৰ পৰিছিল আৰু ইতিমধ্যেই অসমীয়া বিভাগত এম এ পাছ কৰিছে যেতিয়া কিছুদিন পাছতেই কটন কলেজৰ অসমীয়া বিভাগত অধ্যাপক নিযুক্তি পাইছিল। সেই সময়ত অসমত চৰকাৰী কলেজ দুখনেই আছিল–এখন কটন কলেজ আৰু আন খন আছিল শ্ৰীহট্টৰ মুৰাৰিচাঁদ কলেজ। মুৰাৰিচাঁদ কলেজত যেনো অসমীয়া সাহিত্যৰ শিক্ষা ব্যৱস্থা প্ৰায় নাছিলেই। গতিকে তেওঁ আৰু তেওঁৰ পৰিয়ালৰ মানুহে মনত বৰ সন্তোষ পালে এই কাৰণেই যে তেওঁ আৰু চাকৰীৰ কাৰণে ডলাৰ বগৰী হব নেলাগে। প্ৰথমতে ১২৬.০০ টকা মাহিলী দৰমহাত সহকাৰী লেকচাৰাৰ হিচাপে সোমাই পাছত লেকচাৰাৰ আৰু শেষত এই কটন কলেজতে অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক হৈ ১৯৬০ চনৰ ২৮ ফেব্ৰুৱাৰীলৈকে অধ্যাপনা কৰি ১ মাৰ্চত তেওঁ অৱসৰ লয়। দেখাত যদিও স্বৰ্গীয় হাজৰিকাদেৱৰ চাকৰী জীৱনৰ ইমানতে অন্ত পৰা যেন লাগে প্ৰকৃততে তেওঁৰ চাকৰী জীৱনৰ সমাপ্তি ঘটিছিল ১৯৬৯ চনতহে। কটন কলেজত থকা সময়ৰে পৰা (১৯৫৬ চন) ১৯৬৯ চনলৈ তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি, টি শ্ৰেণীৰ অসমীয়া বিভাগৰ শিক্ষকো হৈছিল।

১৯৩০ চনৰ পৰা ১৯৬৯ চনলৈ সুদীৰ্ঘ ৩৯ বছৰ শিক্ষকতা কৰি ছাত্ৰ সমাজৰ মাজত যেনেকৈ প্ৰিয় হৈ উঠিছিল তাতোকৈ অধিক জনপ্ৰিয় হৈ উঠিছিল তেওঁৰ সাহিত্যিক জীৱনে। ওৰে জীৱন সাধনাৰ ফলস্বৰূপে পোৱা এই অসামান্য আৰু অবিস্মৰণীয় জীৱনৰ আৰম্ভ হৈছিল প্ৰকৃততে স্কুলীয়া ছাত্ৰ অৱস্থাতে। কলেজিয়েট স্কুলত ছাত্ৰ হিচাপে তেওঁ ভৰ্তি হোৱা সময়ত স্কুল-কলেজৰ পৰা ছপা আলোচনী ওলোৱা নাছিল। দুই চাৰিখন হাতে লিখা আলোচনীহে কোনো কোনো স্কুল বা কলেজৰ পৰা ওলাইছিল। কটন কলেজৰ পৰা 'সেউতী' নামৰ তেনে হাতে লিখা আলোচনী প্ৰকাশ পাইছিল বুলি জনা যায়। আকৌ কটন কলেজিয়েট স্কুলৰ ৭মান শ্ৰেণীৰ 'ক' শাখাৰ পৰা 'আশা' আৰু 'খ' শাখাৰ পৰা 'উৎসাহ' আৰু ৮ম মান শ্ৰেণীৰ পৰা 'কুসুম' নামৰ একোখনকৈ হাতে লিখা আলোচনী প্ৰকাশ পাইছিল। কলেজিয়েট স্কুলৰ এই আলোচনীবোৰত অতুলচন্দ্ৰ হাজৰিকাই কবিতা লিখি প্ৰকাশ কৰিছিল। সেয়া আছিল ১৯১৯-২০ চন মানৰ কথা। ১৯২০ চনত তেওঁ বেজবৰুৱাৰ বাঁহীত 'বসন্ত কাল' নামৰ কবিতা এটিও প্ৰকাশ কৰে। ১৯১৮ চনৰ পৰা গুনাগঠা কৰাৰ পাছত ১৯২২ চনৰ পৰা কটন কলেজ মেগাজিন ছপা হৈ ওলাইছিল যদিও ই আছিল অকল ইংৰাজী ভাষাত। ইংৰাজীৰ লগতে অসমীয়া ভাষাকো মেগাজিনখনত স্থান দিবলৈ পাছত এক আন্দোলন আৰম্ভ হয়। কেইবাবছৰো ছাত্ৰ সকলে আন্দোলন কৰাৰ পাছত যেনিবা ১৯২৮ চনত অসমীয়া ভাষাই কটন কলেজ মেগাজিনত স্থান পালে আৰু অসমীয়া ভাষাৰ প্ৰথম কবিতা হিচাবে অতুলচন্দ্ৰ হাজৰিকাৰ 'বশিষ্ঠ' কবিতাটি প্ৰকাশ পালে। 'কটন কলেজ মেগাজিন'ৰ নাম সলাই ১৯৩৩ চনত ইয়াক 'কটনিয়ান' কৰে।

ইতিমধ্যে অতুল চন্দ্ৰ হাজৰিকাদেৱে নাট্যকাৰ হিচাবে অসমীয়া সাহিত্য ক্ষেত্ৰত সোমাই পৰে। যদিও ১৮৭৩ চনত অসমীয়া ভাষাই অসমত পুনৰ প্ৰতিষ্ঠা লাভ কৰিছিল তথাপি কুৰি শতিকাৰ ৩য় দশকলৈ অসমৰ সাহিত্য-সংস্কৃতি, গীত, নাট,

মঞ্চ সকলোতে বঙালী প্ৰাদুৰ্ভাৱ চলিছিল। অসমৰ নাট্য মঞ্চবোৰত বঙালী বা বঙালী নাটৰ আক্ষৰিক অনুবাদ নাটহে মঞ্চস্থ হৈছিল। এনে অৱস্থাৰ পৰিবৰ্তন বিচাৰি দুই চাৰিজনে কলম হাতত ললে। জ্যোতি প্ৰসাদ আগৰৱালাই ছাত্ৰ অৱস্থাত মাত্ৰ ১৪ বছৰ বয়সত 'শোণিত কুঁৱৰী' নাট ৰচনা কৰি তাৰ গীতাংশত খাচ অসমীয়া সুৰৰ নিজৰা বোৱালে। বাণ ৰঙ্গমঞ্চত সেই নাট পাছত মঞ্চস্থ হ'ল। অতুল চন্দ্ৰ হাজৰিকাদেৱেও অসমীয়া ভাষাৰ এনে অৱস্থা প্ৰত্যক্ষ কৰি জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ দৰে ছাত্ৰ অৱস্থাত নাট ৰচনাত হাত দিলে আৰু ১৯২৩ চনত 'বেউলা' নামৰ নাটক ৰচনা কৰিলে। প্ৰথমতে উক্ত নাটকখন বাণমঞ্চতে মঞ্চস্থ কৰা হৈছিল। এই নাটকখনৰ ৰচনাশৈলী সম্পৰ্কত স্বৰ্গীয় হৰিচন্দ্ৰ ভট্টাচাৰ্যই এনেদৰে মত প্ৰকাশ কৰিছিল—"পূৰ্বে প্ৰকাশিত প্ৰায়বোৰ নাটকেই চেৰ পেলাই তেওঁ অসমীয়া ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিলে—প্ৰধানকৈ তেওঁৰ ৰচনা চাতুৰ্যৰ যোগেদি ৰস-প্ৰাচুৰ্যৰ যোগেদি, প্ৰাচ্য-পাশ্চাত্যৰ ৰীতি বিশেষৰ মধু সংমিশ্ৰণৰ যোগেদি।" ইয়াৰ পাছত তেওঁ ক্ৰমে 'কনৌজ কুঁৱৰী', 'চম্পাৱতী', 'নন্দ দুলাল', 'কুৰুক্ষেত্ৰ', 'শ্ৰী ৰামচন্দ্ৰ', 'নৰকাসুৰ', 'সাবিত্ৰী' আদি কৰি ২৯ খন মৌলিক নাট ৰচনা কৰে। এই নাটবোৰ ৰচনাৰ উদ্দেশ্য সম্পৰ্কত বিশিষ্ট পণ্ডিত, সমালোচক ড° সত্যেন্দ্ৰ নাথ শৰ্মাই এই মত প্ৰকাশ কৰিছে যে অতুল চন্দ্ৰ হাজৰিকাৰ নাট ৰচনাৰ উদ্দেশ্য প্ৰধানকৈ দুটা—প্ৰথমটো হ'ল অসমৰ ৰঙ্গমঞ্চৰ পৰা বঙলা নাটৰ প্ৰাদুৰ্ভাৱ দূৰ কৰা আৰু দ্বিতীয়টো হ'ল অসমীয়া নাট্য সাহিত্যৰ পৰিপুষ্টি সাধন কৰা। যেয়েহে যি কেইজন নাট্যকাৰৰ ঐকান্তিক চেষ্টা আৰু সাধনাই আমাৰ অসমীয়া ৰঙ্গমঞ্চ সমূহক বিজতৰীয়া সাংস্কৃতিক প্ৰভাৱৰ পৰা মুক্ত কৰি অসমীয়া নাট্যমঞ্চ আৰু নাট্য সাহিত্যৰ ইতিহাসত যুগজয়ী অধ্যায়ৰ সৃষ্টি কৰিছিল সেই সকলৰ ভিতৰত সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ নাম অন্যতম। তেওঁৰ সমুদায় নাটৰ বেছিভাগ পৌৰাণিক, কেইখনমান বুৰঞ্জীমূলক আৰু কেইখনমান সামাজিক নাটক। এই নাটকবোৰত মূলতঃ নাট্যকাৰৰ স্বদেশনীতিৰ মনোভাব পৰিস্ফুট হৈ উঠিছে আৰু প্ৰায়ভাগ নাটকত কবিতাৰ ছন্দ ব্যৱহাৰ কৰিছে।

তেওঁ অকল নাটকত কবিতাৰ ছন্দ ব্যৱহাৰ কৰাই নহয় প্ৰকৃততে তেওঁ এজন স্বভাৱ কবি আছিল আৰু কাব্য সাহিত্যৰ জৰিয়তেহে সাহিত্য সাধনাত নামিছিল। হাইস্কুলীয়া ছাত্ৰাৱস্থাতে ৰচনা কৰি বিভিন্ন স্কুল আলোচনীত প্ৰকাশ কৰা কবিতা সমূহে তাৰেই ইঙ্গিত দিয়ে। ১৪।১৫ বছৰ বয়সতে লিখা কবিতা সমূহ আৰু কিছুমান কবিতালৈ প্ৰকাশ কৰে 'দীপালী' কবিতা পুথিখন। আঢ়েকুৰি কবিতা সন্নিবিষ্ট কবিতাৰ পুথি 'দীপালী'ৰ কবিতাবোৰ 'বাঁহী', 'আৱাহন', 'মিলন', 'ৰবৈদেচিলা', 'জয়ন্তী' আদি আলোচনীত প্ৰকাশ পাইছিল। তাৰ পাছত ক্ৰমে 'পাঞ্চজন্য', 'কৌমুদী', 'মাণিকী মধুৰী', 'কণুক জুনুক', 'তপোবন', 'ৰক্তজবা', 'ঝঙ্কাৰ', 'জয়তু জননী', 'বাংঢালী' আদি লৈ মুঠ ২৫খন কবিতাৰ পুথি তেওঁ ৰচনা কৰে। ইয়াৰে 'মাণিকী মধুৰী', 'কণুক জুনুক', 'ৰংমহল', 'ফেহুজালি' শিশু কবিতা পুথি। স্বৰ্গীয় হাজৰিকাদেৱৰ কাব্যিক অনুভূতি সম্পৰ্কত ড° লীলা গগৈয়ে লিখিছে "কবিৰ ব্যক্তিগত মানৰীয় অনুভূতিতকৈ ৰাষ্ট্ৰীয়, যাইকে ভাষা-সাহিত্য-সংস্কৃতিৰ ঐতিহ্য, অপমান আৰু পুনৰ প্ৰতিষ্ঠাৰ চিন্তাইহে অধিক অনুভূতি প্ৰৱণ কৰি তুলিছে। যেয়েহে প্ৰতিটি কবিতাত একেলগে ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা, বৰ্তমানৰ প্ৰতি ক্ষোভ

আৰু ভৱিষ্যতৰ বাবে আশাই দীঘ-বাণী হৈ বাৱৰি ফুলীয়া কৰি তুলিছে।" এই শতিকাৰ ২য় দশকৰ পৰা আৰম্ভ কৰি মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ কেৱল সহজ-সৰল ভাষাৰে ছন্দোবদ্ধ কবিতাই লিখি গ'ল। অথচ পঞ্চাশৰ দশকৰ পৰাই কবিতাৰ ক্ষেত্ৰত এক ঐতিহাসিক পৰিবৰ্তন মন কৰা যায়। শিশু-কবিতাবোৰত ল'ৰা-ছোৱালীৰ আকৰ্ষণ কৰিব পৰাকৈ আৰু আবৃত্তি কৰিব পৰাকৈ সহজ ছন্দতে তেওঁ লিখিছিল।

তেওঁ ৰচনা কৰা শিশু-সাহিত্য অকল শিশু কবিতাতেই সীমাবদ্ধ নাছিল। ৩০খন শিশু গ্ৰন্থ ৰচনা কৰি এইজন লেখকে অসমৰ শিশুক অসমৰ সংস্কৃতিৰ লগত ভাৰত তথা বিশ্বৰ বিভিন্ন সাহিত্য সংস্কৃতিৰ লগত পৰিচয় কৰাই দিছিল। নাটক আৰু কবিতা তেওঁ যেনেকৈ দ্বিতীয় দশকৰ পৰা লেখিবলৈ আৰম্ভ কৰি চতুৰ্থ দশকত সেইবোৰ ভালেখিনি গ্ৰন্থ ৰূপত প্ৰকাশ কৰিছিল শিশু সাহিত্যবোৰ অৱশ্যে পঞ্চম দশকৰ পৰাই প্ৰকাশ পাব ধৰে। 'নীলাচৰাই', 'ল'ৰাৰ জাতক', 'ঈছপৰ সাধু', 'গ্ৰিচৰ সাধু', 'এণ্ডাৰছনৰ সাধু', 'ৰাণী হিমানী' আৰু 'জলকুঁৱৰী' এই শিশু গ্ৰন্থবোৰ আছিল বিশ্বৰ বিখ্যাত বিদেশী গ্ৰন্থৰ অনুবাদ।

ওৰে জীৱন সাহিত্য সাধনা কৰা এইজন সাহিত্যিকেই বোধহয় অসমীয়া সাহিত্যত অধিক সংখ্যক সাহিত্য ৰচনা কৰি অভিলেখ স্থাপন কৰিছে। ফলস্বৰূপে ইখনৰ পিছত সিখনকৈ গ্ৰন্থ প্ৰকাশ পাইছে। নাটক, কবিতা, শিশু সাহিত্য বাদ দিও দুখন অনুদিত উপন্যাস 'আনন্দ মঠ' আৰু 'গেজী কোঁৱৰৰ সাধু' তেওঁ সপ্তম দশকত প্ৰকাশ কৰে। অন্য বিবিধ গদ্য সাহিত্যৰ ভিতৰত তেওঁৰ ১৯৫৯ চনত 'ভাষনিকা', ১৯৬৭ চনত 'মঞ্চলেখা' আৰু ১৯৮১ চনত 'স্মৃতিলেখা' গ্ৰন্থ প্ৰকাশ হয়। এইজন কঠোৰ পৰিশ্ৰমী লেখকে যদি জীৱনত আন একো নিলিখি অকল 'মঞ্চলেখা' আৰু 'স্মৃতিলেখা'ৰ এই দুখন গ্ৰন্থকে লিখিলেহেঁতেন তথাপি তেওঁ অসমীয়া সাহিত্যৰ বুৰঞ্জীত চিৰ উজ্জ্বলৈহে থাকিলেহেঁতেন। অসমৰ নাট্য সাহিত্যৰ পঁচিশ বছৰীয়া একমাত্ৰ দলিল 'মঞ্চলেখা'ই ১৯৬৯ চনতে সাহিত্য একাডেমীৰ বটা পায় আৰু তেওঁৰ দহবছৰ শ্ৰমৰ সাৰ্থক সৃষ্টিৰ স্বীকৃতি লাভ কৰে।

শতাধিক সাহিত্য সম্ভাৰেৰে অসমী আইৰ চৰণ ধুৱাই ধন্য হোৱা নিৰ্ভীক লেখক স্বৰ্গীয় হাজৰিকাদেৱৰ সম্পাদনা সাহিত্য নিসন্দেহে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এক উল্লেখনীয় অৱদান। তেওঁৰ অসম সাহিত্য সভা, লক্ষ্মীনাথ বেজবৰুৱা আৰু জ্যোতি প্ৰসাদ আগৰৱালাৰ ক্ষেত্ৰত সম্পাদনা কৰি উলিওৱা সাহিত্যৰ সংখ্যাই অধিক। জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ মৃত্যুৰ পাছত তেওঁৰ অত তত পৰি থকা বিভিন্ন পাণ্ডুলিপি এই জন স্বনামধন্য সাহিত্যিকেই অতি কষ্টৰ মাজেৰেই সম্পাদনা কৰি প্ৰকাশ কৰিছিল। জ্যোতিধাৰা নামৰ অমূল্য গ্ৰন্থখন তেওঁৰ সম্পাদনাৰেই সুফল। অধ্যাপক নন্দ তালুকদাৰে এই কথা উল্লেখ কৰি গৈছে যে হাজৰিকাই আন পুথি সম্পাদনা নকৰি কেৱল সাহিত্য সভা, অসম ছাত্ৰ সম্মিলন, বেজবৰুৱা আৰু আগৰৱালাৰ পুথিকেইখন সম্পাদনা কৰা হলেও তেওঁৰ এই মহৎ দানৰ কথা অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে চিৰকাল সুঁৱৰিব লাগিলহেঁতেন। অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণাৱলী (প্ৰথম ভাগ) আৰু অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণাৱলী (দ্বিতীয় ভাগ), অসম ছাত্ৰ সম্মিলনৰ সভাপতিৰ অভিভাষণ 'ভাষণ মালা', কামৰূপ জিলা সাহিত্য সভাৰ (তেতিয়াৰ কামৰূপ সাহিত্য পৰিষদ) 'কামৰূপ ৰত্নমালা'ৰ প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড। স্বৰ্গীয় ড° মহেন্দ্ৰ কুমাৰ

শৰ্মাৰ সৈতে যুটীয়া ভাবে) তেখেতৰ সম্পাদনা সাহিত্যৰ আন এক উল্লেখনীয় মহৎ অৱদান। 'কামৰূপ বন্দমালা' অবিভক্ত কামৰূপৰ বিভিন্ন বিশিষ্ট গৱেষক, পণ্ডিত, সাহিত্যিক আৰু সমাজকৰ্মীৰ এখন অমূল্য জীৱনী গ্ৰন্থ। আলোচনী সম্পাদনাৰ ভিতৰত অসম ছাত্ৰ সন্মিলনৰ মুখপাত্ৰ 'মিলন' আৰু শিশু আলোচনী 'দীপক' স্মৰণীয়। তেওঁৰ সম্পাদিত 'মিলন'ৰ পাততেই বহুত প্ৰথিতযশা সাহিত্যিকৰ মিলন হৈছিল। পণ্ডিত প্ৰবৰ স্বৰ্গীয় কৃষ্ণ কান্ত সন্দিকৈ, স্বৰ্গীয় চন্দ্ৰনাথ শৰ্মা, স্বৰ্গীয় অখিল কুমাৰ দাস, স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ, স্বৰ্গীয় দৈব চন্দ্ৰ তালুকদাৰ, অম্বিকা নাথ বৰা, স্বৰ্গীয় জ্ঞাননাথ বৰা, স্বৰ্গীয় পাৰ্বতী প্ৰসাদ বৰুৱা, শ্ৰী বিনন্দ চন্দ্ৰ বৰুৱা ইত্যাদি এই 'মিলন'ৰ লগত নিবিড় ভাবেই জড়িত আছিল।

নিৰহঙ্কাৰী জনপ্ৰিয় জাতীয়তাবদী আৰু ব্যক্তিত্ব সম্পন্ন স্বৰ্গীয় অতুলচন্দ্ৰ হাজৰিকাৰ কৰ্ম ক্ষেত্ৰৰ পৰিধি বৰ বিশাল আছিল। শিক্ষাবিদ, সাহিত্যিকৰ উপৰিও তেওঁ অসমীয়া সাহিত্য সংস্কৃতিৰ এজন সুদক্ষ আৰু সফল সংগঠক আছিল। সৰুৰে পৰা তেওঁ বিভিন্ন সংগঠনৰ কামত নিজকে জড়িত কৰি ৰাখিছিল। ১৯০৫ চনৰ আগতে স্থাপিত গুৱাহাটীৰ একতা সভাৰ কলেজীয়া ছাত্ৰ অৱস্থাতেই সম্পাদক হৈছিল। প্ৰথম অৱস্থাত একতা সভাৰ দৰে ঐতিহ্যপূৰ্ণ সংগঠনত সোমাবলৈ মানসিক সাহস গোটাব পৰা নাছিল। সেয়েহে কিছুমান ছাত্ৰক লগত লৈ তেওঁ একতা সভাৰ আৰ্হিত 'ছাত্ৰ ল'ৰা' নামৰ এটি সংগঠন প্ৰতিষ্ঠা কৰিছিল। ১৯২৪ চনত একতা সভাৰ যোগেদি পতা সৰস্বতী পূজাৰ জৰিয়তে তেওঁ গুৱাহাটী ৰাইজৰ মাজত নাট্যকাৰ ৰূপে পৰিচিত হয়। এই পূজাতেই তেওঁৰ হাতেলিখা 'কনৌজ কুঁৱৰী' নাটক মঞ্চস্থ কৰে। একতা সভাৰ জৰিয়তে ১৯৩০ চনৰ ২১ ডিচেম্বৰত বিলাতৰ পৰা ঘূৰি অহা ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাক সম্বৰ্দ্ধনা জনোৱা হৈছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভা এখনত। জ্যোতি প্ৰসাদ আগৰৱালাই এই সভাতেই গুৱাহাটী ৰাইজৰ সন্মুখত প্ৰাচ্য আৰু পাশ্চাত্য সঙ্গীতৰ পাৰ্থক্য সম্পৰ্কত এক বিস্তৃত ভাষণ দিয়ে। গুৱাহাটী সন্মিয়া সন্মিলনী, অসম ছাত্ৰ সন্মিলন আদিত নিবিড় ভাবে সংগঠনিক কামত জড়িত স্বৰ্গীয় অতুলচন্দ্ৰ হাজৰিকা অসম সাহিত্য সভাৰ কাণ্ডাৰী আছিল। ১৯৫৩ চনৰ ৮ আৰু ৯ নবেম্বৰ তাৰিখে বুৰঞ্জীবিদ ডঃ সূৰ্য্য কুমাৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ছিলং অধিবেশনত তেওঁ সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয় আৰু একেৰাহে ৩ বছৰ প্ৰধান সম্পাদক হৈ থাকে। স্বৰ্গীয় হাজৰিকা প্ৰধান সম্পাদক নিৰ্বাচিত হোৱাৰ কিছুবছৰ আগৰে পৰা সভা সাংগঠনিক আৰু আৰ্থিক ভাৱে বৰ জুকলা হৈ পৰিছিল। সাংগঠনিক দিশত আভ্যন্তৰীণ বেমেজালিত পৰি সভা জৰাজীৰ্ণ অৱস্থা পাইছিল। আনকি সভাৰ কাৰ্যালয়ৰ মাটি নিলামত যাবলগীয়া, বিভিন্ন ন্যাস-পুঁজি মৃত প্ৰায়, চন্দ্ৰকান্ত অভিধান কাছাৰী মাল খানাত জব্দ, চকীদাৰৰ দৰমহা দিব নোৱাৰা অৱস্থাৰো সৃষ্টি হৈছিল। এনে এটি দুখলগা অৱস্থাৰ কথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰী যতীন্দ্ৰ নাথ গোস্বামীয়ে 'হাজৰিকাৰ সাহিত্য প্ৰতিভা' গ্ৰন্থত সন্নিবিষ্ট প্ৰবন্ধটোত উল্লেখ কৰিছে। কিন্তু অতুলচন্দ্ৰ হাজৰিকাই তেওঁৰ তিনিবছৰীয়া প্ৰধান সম্পাদকৰ কাৰ্যকালত অসম সাহিত্য সভাক এক নতুন ৰূপত ঠন ধৰাই তোলে আৰু সাহিত্য সভাৰ প্ৰতি ৰাইজৰ আস্থা ঘূৰাই আনিবলৈ মৃত প্ৰায় চন্দ্ৰকান্ত ন্যাস সমিতি পুনৰ গঠন কৰে। কাছাৰীৰ মালখানাৰ পৰা ১০০খন চন্দ্ৰকান্ত অভিধান উদ্ধাৰ কৰি

বিক্ৰীৰ ব্যৱস্থা কৰে। কেন্দ্ৰীয় কাৰ্যালয়ৰ মেৰামতি আৰু চৰকাৰী অনুদানো তেতিয়া ২৫০০.০০ টকাৰ পৰা ৬০০০.০০ টকালৈ বৃদ্ধি কৰে। তেওঁৰ কাৰ্যকালত অসম সাহিত্য সভাৰ শাখা ৩০খনৰ পৰা ৭০ খনলৈ বৃদ্ধি হয়। গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰটো তেওঁ অসম সাহিত্য সভাক যথেষ্ট সক্ৰিয় কৰি তুলিছিল। তেওঁৰ কাৰ্যকালত তেওঁ 'অসম সাহিত্য সভা বাৰ্ষিকী' প্ৰথম আৰু দ্বিতীয় ভাগ, 'অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ' প্ৰথম আৰু দ্বিতীয় খণ্ড, বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা, 'লৱ-কুশৰ যুদ্ধ' আদি পুথি প্ৰকাশ কৰিছিল। এওঁৰ দিনতে স্বৰ্গীয় পণ্ডিত ৰজনী কান্ত দেৱশৰ্মাৰ সম্পাদনাত ওলোৱা 'অসম সাহিত্য সভা পত্ৰিকায়ো' নতুন জীৱন লাভ কৰে। মুঠতে হাজৰিকাদেৱৰ কঠোৰ বিশ্ৰম, একাগ্ৰতা আৰু ত্যাগৰ বিনিময়ত অসম সাহিত্য সভাৰ ভেটি পুনৰ সুদৃঢ় হৈ উঠে। ফলস্বৰূপে ১৯৫৬-৫৮ বছৰত উপ-সভাপতি আৰু ১৯৫৯ চনত তেওঁ অসম সাহিত্য সভাৰ নগাওঁ অধিবেশনৰ সভাপতিৰ গৌৰৱময় আসনখনতো অধিষ্ঠিত হয়। পৰৱৰ্তী কালতো তেওঁ অসম সাহিত্য সভাৰ লগত নিবিড় সম্পৰ্ক ৰক্ষা কৰে। তেওঁ অসম সাহিত্য সভাৰ গুৱাহাটীস্থ শাখা সবিতা সভা, গুৱাহাটী সাহিত্য সভা আদিৰ লগতো প্ৰতিষ্ঠা কালৰে পৰা মৃত্যুৰ আগমুহূৰ্তলৈকে জড়িত হৈ আছিল। এইবোৰৰ উপৰিও কামৰূপ নাট সমিতিৰ সভাপতি, অসম সঙ্গীত নাটক একাডেমীৰ উপ-সভাপতি, সাহিত্য একাডেমী, আকাশবাণী, জ্ঞানপীঠ আদিৰ সদস্য আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোৰ্টৰ সদস্য আছিল।

১৯৭১ চনত ভাৰত চৰকাৰে তেওঁক সাহিত্য সেৱাৰ বাবেই পদ্মশ্ৰী উপাধি প্ৰদান কৰে। অসম সাহিত্য সভায়ো অসমীয়া ভাষা সাহিত্যৰ প্ৰায় কেউটি দিশতে তেওঁ আগবঢ়োৱা মহান অৱদানৰ স্বীকৃতি আৰু শ্ৰদ্ধাৰ চিন স্বৰূপে ১৯৮২ চনত সাহিত্যাচাৰ্য উপাধি প্ৰদান কৰে। এই পৰাকী বিৰল প্ৰতিভাধৰ সাহিত্যযোগী, সাহিত্যাচাৰ্যৰ ১৯৮৬ চনৰ ৭জুন তাৰিখে মৃত্যু হয়। অথচ অমৰ হৈ ৰয় তেওঁৰ জীৱন আৰু কৃতি, জীৱন জোৰা সাহিত্য সাধনাৰ ফলশ্ৰুতি। তেওঁৰ কৰ্মপ্ৰেৰণা আৰু সাহিত্যৰ অমূল্য অৱদানেৰে আজিৰ অৱক্ষয়ী জীৱন বোধৰ বিন্দু বিন্দু হলেও বোধ হৈ সিচু সৃষ্টি হওঁক। তেতিয়াহে স্বদেশ, স্বজাতি আৰু মাতৃভাষাৰ একান্ত সাধক সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা জনোৱা হব।০০০

আদৰ্শ-আচৰ্য্য
পণ্ডিত ৰজনীকান্ত দেৱশৰ্মা

কনক চন্দ্ৰ শৰ্মা

অবিভক্ত কামৰূপ জিলাৰ জ্ঞান বৃদ্ধ, আদৰ্শ অধ্যাপক আৰু কৰ্ম-প্ৰাণ সুপণ্ডিত ৰজনীকান্ত দেৱ শৰ্মা অসমৰ শিক্ষা আৰু সাহিত্য জগতত এটি সুপৰিচিত নাম। ১৯৯১ চনৰ ১৭ জানুৱাৰীত আকস্মিক ভাবে মৃত্যুৱে সাৱটি ললে এই সুচৰিত্ৰবান, জ্ঞান-পিপাসু, সাহিত্যিক, শিক্ষাবিদ জনক। ১৭ জানুৱাৰী ৩ মাঘ, এটি পবিত্ৰ দিবস। জ্যোতিপ্ৰসাদ আগৰৱালাৰো মৃত্যু হৈছিল এই তাৰিখতেই। মাঘ মাহত উত্তৰায়ণ কাল আৰম্ভ হয়। পুণ্যবান লোকৰহে এই কালত মৃত্যু হয় বুলি কিংবদন্তী আছে।

আদৰ্শ অধ্যাপক গৰাকীৰ সান্নিধ্য লাভ কৰিও আৰু ৰসাল কথাৰ অমৃত-সুধা পান কৰিও আমাৰ দৰে আৰু বহুতেই তেওঁৰ গুণ আৰু বিশাল পাণ্ডিত্যৰ পৰিধিত অৱগাহন কৰি তেওঁক যোগ্য আৰু প্ৰাপ্য সন্মান জীৱিত কালত দিব নোৱাৰিলে। ই বৰ ক্ষোভৰ কথা হৈ থাকিল। 'অসম সাহিত্য সভা'ৰ বিভিন্ন পদত সেৱা আগবঢ়োৱাৰ পাছতো তেওঁ অতিকৈ ভালপোৱা এই অনুষ্ঠানৰ সভাপতি পদত বৰণ নকৰাৰ কাৰণ বহুধৰণে ব্যাখ্যা কৰিব বিচাৰে। আমাৰ মতে, কাৰণবোৰ আচাৰ্য্য ৰজনীকান্ত দেৱশৰ্মাৰ কৰ্ম-সাধনা আৰু সাৰস্বত-সাধনাৰ কোনো ত্ৰুটীৰ মাজত নিহিত নাই। (মুখ্য কাৰণটো হৈছে শাখা সাহিত্য সভা বিলাকে, অনুষ্ঠানবোৰে তেওঁৰ সেৱা বিভিন্ন ধৰণে গ্ৰহণ কৰিও তেওঁক চিনিব নোৱাৰা, গুণ আৰু কৃতিত্বক যথাসময়ত সমাদৰ নকৰা আৰু অৱদানৰ স্বীকৃতি প্ৰদানত বিলম্ব কৰা অসমীয়া সমাজ-জীৱনৰ যি বৈশিষ্ট্য, তাৰ প্ৰভাৱে ক্ৰিয়া কৰাটোহে।)

'আগে নাজানিলো এবেলে চিনিলো
তেন্তে 'তুমি শ্ৰীৰাম' ।।

মৃত্যুৰ আগে আগে তেওঁক আচাৰ্য্যৰূপে বিভূষিত কৰা আৰু মৰণোত্তৰ ভাবে বিশিষ্ট 'আনন্দৰাম বৰুৱা বঁটা' তেওঁলৈ আগবঢ়োৱা কাৰ্য্যই আমাৰ এই ধাৰণাৰেই ইংগিত দৃঢ়ীভূত কৰে। কিন্তু যি মহৎ ব্যক্তি, তেওঁ বিনম্ৰ, প্ৰচাৰ বিমুখ ; বঁটা পুৰস্কাৰ আদিৰ উৰ্দ্ধত সেই সকলে নিজৰ চিন্তাক পৰিচালিত কৰে ; তেওঁলোক স্থিতপ্ৰজ্ঞ। কৰ্মই তেওঁলোকৰ জীৱন। সেইবাবে তেওঁলোকৰ কৰ্ম অথলে নাযায়। তেওঁলোকৰ সাধনাই ভৱিষ্যতৰ মাৰ্গ-দৰ্শনৰ সহায়ক হয়। থমাচ কাৰ্লাইলে কৈছিল ঃ

'No greatman ~~an~~ lives in vain. The history of the world is but the biography of the great men'. [১]

[১] 'Heroes and Hero worship: Carlyle.

জ্ঞান মানিনী কামৰূপ অতীজৰে পৰা জ্ঞানৰ পুণ্য জননী। কামৰূপৰ উজনকুচিত বহুবিদ্ধ পণ্ডিত সন্তানৰ জন্ম হৈছিল। খ্ৰীঃ পঞ্চম-ষষ্ঠ শতিকাৰ পৰাই সংস্কৃত ভাষাৰ চৰ্চা আৰু পাণ্ডিত্যত এই অঞ্চলৰ কবি সকলে কৃতিত্ব দৰ্শাইছিল। বৰ্মণবংশ, শালস্তম্ভ বংশ আৰু পালবংশৰ ৰজাসকলৰ ভূমিদানৰ বাবে কৰা তাম্ৰ শাসনবোৰৰ কাব্যশৈলী কবিগুৰু কালিদাসৰ প্ৰভাৱান্বিত। ভূমিদানৰ গ্ৰহীতা ব্যক্তিবোৰো আছিল প্ৰতিভাশীল বিদগ্ধ পণ্ডিত। এই পৰম্পৰাৰ ঐতিহ্যৰ অধিকাৰী হৈছিল ঊনবিংশ শতিকাত মহামহোপাধ্যায় কবি ধীৰেশ্বৰাচাৰ্য ; সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱা প্ৰভৃতি অসামান্য সন্তান সকল। আৰু অতি স্বাভাৱিক ভাৱেই এই সকলৰ পুণ্য প্ৰভাৱ মুক্ত প্ৰেৰণা লাভ কৰিছিল ৰজনীকান্তই। ৰজনীকান্তই হয়তো নতবাকিয়ে জীৱনী লিখিছিল মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যৰ জীৱনৰ ওপৰত লিখিছিল সুপণ্ডিত আনন্দৰাম বৰুৱাৰ ওপৰত আৰু এক কষ্টকৰ গৱেষণামূলক সুদীৰ্ঘ টোকা লিখিছিল 'সংস্কৃত সাহিত্য আৰু কামৰূপী পণ্ডিতৰ পাণ্ডিত্য (কামৰূপা ঃ ১৯৯১ চন), যাৰ মূল ভেটি আছিল তেওঁৰ আন এটি গৱেষণা মূলক প্ৰবন্ধ–'Some Distinguished Traditional Sanskrit Scholars' (Journal of the University of Gauhati' Vol × V. No 1) । এই প্ৰবন্ধৰ বাবে তেওঁ কামৰূপ সন্ধানী সভাত সংৰক্ষিত সাঁচিপতীয়া পুথি অধ্যয়ন কৰিব লগা হৈছিল। ৰজনীকান্তই কামৰূপৰে অন্যতম অসমীয়া গদ্যৰ জনক 'ভট্টদেৱ' (ৰজালী দৰ্পণ–১৯৮৭)ৰ ওপৰত প্ৰবন্ধ লিখিছিল। কামৰূপৰেই এগৰাকী প্ৰাচ্যতাত্ত্বিক শিক্ষাবিদ তেওঁৰ ঘৰেই ভাৰতীয় ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল ব্যক্তি শৰৎচন্দ্ৰ শৰ্মাৰ ওপৰত জীৱনী লিখিছিল ('অসমীয়া ভাষাৰ এখা বোটলা) । 'ভাৰতীয় সংস্কৃতিৰ বেদীত উৎসৰ্গীকৃত জীৱন কৃষ্ণকান্ত' (১৯৮২ খ্ৰীঃ প্ৰকাশ ৭ম বছৰ, ১০ম সংখ্যা) এই সম্পৰ্কেও ৰজনীকান্তই আলোকপাত কৰিছে। এই সকলৰ সুগভীৰ ধ্যান আৰু কৰ্ম প্ৰেৰণা নিশ্চয় ৰজনীকান্তই লাভ কৰিছিল আৰু তাৰ চৰ্চা অব্যাহত ৰাখিছিল।

ব্যাসকুছি গাওঁ। সৰ্থেবাৰীৰ পৰা প্ৰায় ৮ কিঃ মিঃ দক্ষিণত অৱস্থিত। এই গাওঁতেই মহাপুৰুষ বৈষ্ণৱগুৰু দামোদৰদেৱৰ প্ৰিয়শিষ্য অসমীয়া 'কথা-ভাগৱত' আৰু 'কথা-গীতা' প্ৰণেতা গদ্য সাহিত্যিক পৰম ভাগৱতাচাৰ্য্য ভট্টদেৱে প্ৰতিষ্ঠা কৰা ব্যাসকুছি সত্ৰ। সুপ্ৰখ্যাত, কিন্তু বানপানীয়ে জুৰুলা কৰা অঞ্চল। এই গাওঁতেই এক দুখীয়া সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিয়ালত ১৯১২ খ্ৰীষ্টত ৰজনীকান্তই জন্ম গ্ৰহণ কৰে। পিতৃৰ নাম মহেশ্বৰ, মাতৃ প্ৰভাৱতী। ৰজনীকান্ত দ্বিতীয় সন্তান। ককায়েক বিষ্ণুকান্ত। ৰজনীকান্ত সৰুৰে পৰা পঢ়া-শুনাৰ ক্ষেত্ৰত বাপ ধৰা আছিল। প্ৰাথমিক শিক্ষাত শিক্ষিত হৈ তেওঁ গুলাই আহে পাটাচাৰকুছিলৈ। ইতিমধ্যে তেওঁলোকৰ পৰিয়াল অন্যান্যৰে সৈতে ব্যাসকুছিৰ পৰা পাটাচাৰকুছিৰ শ্ৰীপুৰচাকলালৈ উঠি আহে। পাটাচাৰকুছিৰ মধ্য ইংৰাজী বিদ্যালয়ত ভৰ্তি হৈ ৰজনীকান্তই সুখ্যাতিৰে বৃত্তি লাভ কৰি এম-ই পাছ কৰে। তাৰ পাছত তেওঁ ৰজালীত নতুনকৈ প্ৰতিষ্ঠা হোৱা হাইস্কুলত নাম লগায়। ৰজালী হাইস্কুলত পঢ়া সময়ছোৱাত সেই অঞ্চলৰ সমাজ সেৱী, যাত্ৰানাট্য-আন্দোলনৰ পথ প্ৰদৰ্শক কৰ্মী সত্যৰাম দেৱ চৌধুৰীৰ আশ্ৰয়ত থাকিছিল। ৰজনীকান্তৰ মেধা আৰু প্ৰতিভা দেখি দেৱচৌধুৰীয়ে এই সহায় আগবঢ়াইছিল। এই হাইস্কুলৰ পৰাই ১৯৩২ চনত ৰজনীকান্তই প্ৰথম বিভাগত সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষা পাছ কৰে আৰু

প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰে। তেতিয়াৰেকে কটন কলেজ হাইস্কুলত প্ৰথম বিভাগত পাছ কৰা ছাত্ৰ ৰজনীকান্তই সংস্কৃত বিষয়ত অসমৰ ভিতৰতে সৰ্ব্বোচ্চ নম্বৰ লাভ কৰিছিল।

কটন কলেজত পঢ়া চাৰিবছৰ কাল ৰজনীকান্ত গুৱাহাটীৰ উজানবজাৰৰ 'নাউ গোঁসাই' (অৰ্থাৎ মৌজাদাৰ কুমুদেশ্বৰ গোস্বামী জননেতা হৰেশ্বৰ গোস্বামীৰ পিতৃ)ৰ ঘৰত থাকিয়ে পঢ়িছিল। সেইসময়ত গুৱাহাটীত এনেদৰে বহুতো দুখীয়া মেধাবী ছাত্ৰই উদাৰ ধনী পুৰুষ সকলৰ সহায়ত পঢ়া শুনা কৰিব পাৰিছিল। পাছলৈ সেইসকল ছাত্ৰ বিখ্যাত হৈ বিভিন্ন ক্ষেত্ৰৰ পৰা সমাজলৈ তেওঁলোকৰ সেৱা আগবঢ়াই গৈছে। সাম্প্ৰতিক সময়ত এনে সহায়-সাৰথি পোৱা কথা ভাবিব নোৱাৰি।

বৃত্তিসহ সুখ্যাতিৰে ৰজনীকান্তই আই এ পাছ কৰি কটন কলেজতে তৃতীয় বাৰ্ষিকত সংস্কৃতত অনাৰ্ছ লৈ বি এ শ্ৰেণীত ভৰ্তি হয়। স্বনামধন্য যশস্বী অধ্যাপক সতীনাৰায়ণ চট্টোপাধ্যায়ৰ তত্বাৱধানত ৰজনীকান্তৰ পঢ়াৰ সৌভাগ্য হৈছিল। কটন কলেজৰ এই গৰাকী কৃতি অধ্যাপকৰ তলত পঢ়িব পোৱাৰ সুবিধাৰ বাবেই বোলে সেইসময়ৰ বহুতো ছাত্ৰই সংস্কৃত লৈছিল। 'শকুন্তলা' নাটকৰ পাঠদান কৰোতে শ্ৰেণীত হেনো' বহুতো বিজ্ঞানৰ ছাত্ৰইও আৰু অন্যান্য লোকে মনে মনে সোমাই তেওঁৰ পাঠদান শ্ৰৱন কৰিছিল। ৰজনীকান্তই এই গৰাকী অধ্যাপকৰ আদৰ লাভ কৰিছিল।

অনাৰ্ছ সহ সোণৰ পদকেৰে স্নাতক ডিগ্ৰী লাভ কৰি ৰজনীকান্ত দেৱশৰ্মাই চৰকাৰী বৃত্তিৰ সাহাৰ্য্যত কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃতত এম এ পঢ়াৰ বাবে ঢাপলি মেলিলে। তেতিয়া অসমত এম এ ক্লাচৰ সুবিধা নাছিল। ত্ৰিশৰ দশকতে অৱশ্যে দুবছৰ মান কটন কলেজত এম এ পঢ়াৰ ব্যৱস্থা হৈছিল দুটা মান বিষয়ত। কিন্তু পাছত সেই ব্যৱস্থা উঠি গৈছিল। বহুতো দুখীয়া কিন্তু প্ৰতিভাশীল ছাত্ৰই সুখ্যাতিৰে বি এ পাছ কৰিও এম এ পঢ়াৰ সুবিধা অসমত নথকাত কলিকতালৈ গৈ পঢ়া সম্ভৱ নাছিল। কিন্তু ৰজনীকান্ত দেৱশৰ্মাই বৃত্তিৰ টকাখিনিকে মূলধন কৰি সাহসেৰে কলিকতালৈ গ'ল। সেইসময়ত কলিকতাত যশস্বী স্বৰ্গীয় দীননাথ শৰ্মাই 'আৱাহন' মাহেকীয়া আলোচনী খন সুখ্যাতিৰে সম্পাদনা কৰি চলাই আছিল। এই গৰাকী উদাৰ ব্যক্তিৰ সাহায্যত 'আৱাহন' কাৰ্য্যালয়তে ৰজনীকান্তই থাকি 'আৱাহন' কাকতৰ বিভিন্ন দিশত সম্পাদকক সাহায্য আগবঢ়ায় আৰু বিশ্ববিদ্যালয়ত ভৰ্ত্তি হয়। কিছুদিনৰ কাৰণে ৰজনীকান্ত দেৱশৰ্মা 'আৱাহন'ৰ সহকাৰী সম্পাদক হৈও সম্পাদনাৰ সকলো দায়িত্ব গ্ৰহণ কৰিব লগীয়া হৈছিল। তাৰ ফলশ্ৰুতি তেওঁ পৰবৰ্ত্তী জীৱনত লাভ কৰিছিল। সাহিত্যিক জীৱনৰ আৰম্ভণি হৈছিল। আৱাহনৰ পাততে তেওঁ গল্প লিখিছিল। পাছলৈ অৱশ্যে তেওঁ এই মাধ্যম লৈ তেওঁ সাহিত্য আলোচনা আৰু সমালোচনাৰ ক্ষেত্ৰহে বিচাৰি লৈছিল।

ৰজনীকান্তৰ সহপাঠী আৰু একেলগে কলিকতাত সেই সময়ত বাস কৰা প্ৰসিদ্ধ ব্যৱসায়ী পাঠশালাৰ শ্ৰী প্ৰমোদ চন্দ্ৰ শৰ্মাই ৰজনীকান্তৰ বিষয়ে মন্তব্য কৰিছে যে তীক্ষ্ণধী ৰজনীকান্তৰ অধ্যয়নত অনুকৰণীয় মনোযোগ আৰু অতুলনীয় স্মৃতিশক্তি আছিল। তাৰ ফলতে তেওঁ বেছি সময় অধ্যয়নত দিব নোৱাৰিছিল যদিও কৃতিত্বৰে এম এ পাছ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল।১

১ 'তীক্ষ্ণধী ৰজনীকান্ত দেৱশৰ্মা'–প্ৰমোদ চন্দ্ৰ শৰ্মা (অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা : ব্যক্তি আৰু প্ৰতিভা– অসম সাহিত্য সভা)

আদৰ্শ-আচাৰ্য্য পণ্ডিত ৰজনীকান্ত দেৱশৰ্মা

(অধ্যাপক ৰজনীকান্ত শৰ্মাদেৱৰ স্মৃতিশক্তি আৰু মুখস্থ শক্তিৰ প্ৰমাণ পৰৱৰ্তী সময়ত তেওঁৰ সান্নিধ্য লাভ কৰা সকলে পাইছে। 'গীতা' 'ভাগৱত'ৰ পৰা সংস্কৃত সাহিত্যৰ (আৰু ইংৰাজী সাহিত্যৰো) শ্ৰেষ্ঠ গ্ৰন্থ সমূহৰ সুভাষিত পংক্তিবোৰ অনৰ্গল মুখস্থ মাতি বক্তৃতা, পাঠদান আৰু ব্যাখ্যা সমূহক সমৃদ্ধ কৰি শ্ৰোতাক বিমুগ্ধ কৰিছিল।)

প্ৰাক্-স্বাধীনতা যুগৰ অসমত দুখন চৰকাৰী কলেজ। সুৰমা উপত্যকাৰ ছিলেট জিলাত মুৰাৰী চাঁদ কলেজ (পাছত পূৰ্ব পাকিস্তান ভুক্ত) আৰু গুৱাহাটীত কটন কলেজ। ৰজনীকান্ত দেৱশৰ্মাই এম এ পাছ কৰি আহিয়েই কটন কলেজত অধ্যাপক হ'ব পৰা নাছিল। প্ৰথমে তেওঁ শোণাৰাম হাইস্কুলত শিক্ষকতা কৰিছিল। পাছত কটন কলেজিয়েট চৰকাৰী হাইস্কুলত নিযুক্তি পায়। কিছুদিনৰ বাবে সন্দিকৈ ছোৱালী কলেজতো অধ্যাপক নিযুক্ত হৈছিল। কটন কলেজিয়েট চৰকাৰী হাইস্কুলত থাকোতে উত্তৰ লক্ষীমপুৰ চৰকাৰী হাইস্কুললৈও বদলি হৈছিল। কিন্তু তেওঁ তেতিয়া চিলঙৰ চেণ্ট এড্মাণ্ড কলেজত বি টি পঢ়িবলৈ গৈছিল। বি টি পঢ়ি থকা অৱস্থাতেই ১৯৪৫ চনত কটন কলেজৰ প্ৰৱক্তা পদত নিযুক্তি পায়।

সেই সময়তে তেওঁতকৈ কিছু জ্যেষ্ঠ গাযেবিমুখী পাওঁৰ আন এগৰাকী প্ৰতিভাবান মেধাৱী অধ্যাপক স্বৰ্গীয় ঘনকান্ত শৰ্মা কটন কলেজত সংস্কৃত বিভাগত প্ৰৱক্তাৰূপে নিযুক্ত হৈ মুৰব্বী অধ্যাপক হৈছিল। এই গৰাকী স্বৰ্গীয় ঘনকান্ত শৰ্মাইও কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণী লাভ কৰি এম এ পাছ কৰিছিল আৰু বিশ্ববিদ্যালয়ৰ স্বৰ্ণ পদক লাভ কৰিছিল। কিন্তু কটন কলেজত তেওঁ বেছি দিন অধ্যাপনা কৰিবলৈ নাপালে। ভাষা জননীলৈ সেৱা আগবঢ়াবলৈ নৌ পাওঁতেই অতি কম বয়সতে টাইফয়েড্ ৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হয়। বিভিন্ন কাকত-পত্ৰিকাত তেওঁ কেইটামান প্ৰবন্ধ ৰচনা কৰিছিল আৰু হাইস্কুলৰ উচ্চ শ্ৰেণীৰ বাবে 'অসমীয়া ভাষা শিকা ব্যাকৰণ' নামে এখন ব্যাকৰণ পাঠ্যপুথি ৰচিছিল।

ঘনকান্ত শৰ্মাৰ মৃত্যুৰ পাছতে কটন কলেজত ৰজনীকান্ত দেৱশৰ্মা সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক হৈ একেৰাহে সুদীৰ্ঘকাল অধ্যাপনা কৰে আৰু অৱসৰ লোৱাৰ কেইবছৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত ১৯৬১ চনত অধ্যাপক হিচাপে সোমায়। ১৯৭৭ চনত তেওঁ বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে।

কলেজীয়া আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-জীৱনৰ সময়ছোৱাতে ৰজনীকান্ত দেৱশৰ্মা দেৱে প্ৰাচীন সংস্কৃত-শিক্ষাৰ পদ্ধতিত প্ৰচলিত 'কাব্য' আৰু 'পুৰাণ'ৰ বিষয়ত উপাধি পৰীক্ষা দি অতি কৃতিত্বৰে উত্তীৰ্ণ হৈ 'সাহিত্য-পুৰাণ শাস্ত্ৰী' ৰূপে বিভূষিত হৈছিল। প্ৰাচ্য আৰু পাশ্চাত্য উভয় শিক্ষাধাৰাতে শিক্ষালাভ কৰি সুপণ্ডিত ৰজনীকান্ত দেৱশৰ্মা দেৱে বিৰল পাণ্ডিত্যৰ অধিকাৰী হ'ব পাৰিছিল আৰু কৰ্ম-জীৱনত তাৰ দ্বাৰা তেওঁ বহু ছাত্ৰক আৰু অনুগামীক উপকাৰ কৰিব পাৰিছিল।

ব্যক্তিত্ব জীৱনবোধ আৰু সাৰস্বত সাধনাঃ

স্বৰাজোত্তৰ কালৰে পৰা অধ্যাপক ৰজনীকান্ত দেৱশৰ্মাই কটন কলেজত এটি ঐতিহ্যৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। ধুতি-চাদৰ পৰিহিত অতি কমসংখ্যক

অধ্যাপক কেইজনৰ ভিতৰত বিভিন্ন দিশৰ পৰা সকলোকে তেওঁৱেই বেছিকৈ আকৰ্ষণ কৰিব পাৰিছিল। সৰল জীৱন-পদ্ধতিৰ সুশৃঙ্খলতা আৰু নিকা আদৰ্শ, উচ্চ চিন্তাৰ প্ৰদৰ্শন আৰু অমায়িক ব্যৱহাৰৰ মাধুৰ্য্য তেওঁৰ ব্যক্তিত্বত নিহিত হৈ আছিল আৰু এইবোৰেই মানুহক আকৰ্ষণ আৰু বিমুগ্ধ কৰাৰ শক্তি আছিল। সৰ্ব্বজন বিদিত হলেও উল্লেখনীয় যে তেওঁৰ চৰিত্ৰত এক বিশেষ প্ৰতিভা আছিল। প্ৰতিমুহূৰ্ত্ততে ৰসাল আৰু হাস্যকৰ উক্তিৰে সান্নিধ্যত অহাজনক তেওঁ বিমল আনন্দ দিব পাৰিছিল। গভীৰ পাঠ্য বিষয়ৰ পাঠদানত, তাত্বিক বিষয়ৰ আলোচনাত অথবা সাধাৰণ প্ৰসঙ্গ উত্থাপনৰ মাজতো ৰুচি আৰু বিষয়ৰ সঙ্গতি ৰক্ষা কৰি এনে ৰসাল বুদ্ধি দীপ্ত হাস্য সৃষ্টি কৰিছিল যে নুশুনা জনক সেই আনন্দৰ কথা উপলব্ধি কৰোৱা সম্ভৱ নহয়। প্ৰায়েই এই উচ্চ খাপৰ বুদ্ধিদীপ্ত হাস্যৰসে মাজে মাজে তীব্ৰ ব্যঙ্গৰ ব্যঞ্জনাও বহন কৰিছিল। ৰজনীকান্ত দেৱশৰ্মাই লাভ কৰা এই গুণ বিৰল ভাগ্যৱানৰহে সম্পদ।

'অসম সাহিত্য সভা'ই প্ৰকাশ কৰা 'অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা : প্ৰতিভা আৰু ব্যক্তিত্ব' নামৰ গ্ৰন্থ (১৯৯৩) খনত অধ্যাপক দেৱশৰ্মা দেৱৰ বিভিন্ন দেশৰ বহুমুখী প্ৰতিভা আৰু জীৱন কৃতিৰ ওপৰত অসমৰ তথা ভাৰতৰ কেইবাজনো যশস্বী পুৰুষে অতি সুন্দৰ ভাবে আলোকপাত কৰিছে। দেৱশৰ্মা দেৱৰ জীৱন দাপোন এই গ্ৰন্থত সাৰ্থক ভাবেই প্ৰতিফলিত হৈছে।

মৃত্যুৰ আগমুহূৰ্ত্তলৈকে তেওঁ গভীৰ অধ্যয়ন আৰু প্ৰাত্যাহিক কৰ্ম পৰিত্যাগ কৰা নাছিল। 'প্ৰাচ্যবিদ শৰৎচন্দ্ৰ শৰ্মা' • প্ৰবন্ধত তেওঁ লিখিছিল, "কবি ভৰ্ত্তৃহৰিয়ে কৈছিল, 'চিত্তেৱাচি ক্ৰিয়ায়াং চ সাধূনামেক ৰূপতা'। মন, বাক্য আৰু ক্ৰিয়া যাৰ একে, সেইজনেই সাধু পুৰুষ। কথাষাৰি তেওঁ শৰৎচন্দ্ৰৰ প্ৰতি উদ্দেশ্য কৰি লিখিছিল। কিন্তু এই গুণ তেওঁৰ নিজৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলগীয়া। প্ৰকৃতাৰ্থতে তেওঁ সাধুপুৰুষ আছিল।

চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত সময়ছোৱা সম্পৰ্কে তেওঁৰ জোঁৱাই শ্ৰীধৰ্মেশ্বৰ শৰ্মাই লিখিছে : "এই শৰ্মা চাৰ আছিল এজন কৰ্মযোগী পুৰুষ—গীতাৰ নিষ্কাম কৰ্মী। ৰাজহুৱা জীৱনত যেনেকৈ নাম যশস্যা বিচৰা নাছিল, সাংসাৰিক জীৱনতো সুখ স্বাচ্ছন্দ্য বিচৰা নাছিল। ঘৰত ভৃত্য নাছিল। নিজে নিজৰ কাপোৰ ধুই ইস্ত্ৰি কৰি লয়। ঘৰ দুৱাৰ নিজেই চাফা কৰে। নিজেই হাট-বজাৰ কৰে। কাৰোবাক কিবা অনুৰোধ কৰা, কাৰোবাৰ পৰা কিবা সহায় লোৱা আমি দেখা নাই। নিজে কিন্তু আনক সহায় কৰিবলৈ সদায় আগ্ৰহী। পুৱা ব্ৰহ্মমুহূৰ্ত্ততে উঠি পত্নীয়ে আগবঢ়াই দিয়া চাহ কাপ খাই আৰু মুখত তামোলখন ভৰাই চাফাই কামত লাগি যায়। ৭ বজাৰ পৰা ১১ বজালৈ অধ্যয়নত বহে। মাজতে মানুহ-দুনুহ আহিলে মাত লগাব বা মেল-মিটিং থাকিলে যাব। দুপৰীয়া স্নানাহাৰ কৰি আধাঘন্টা সময় বিচনাত জিৰণি লয়। ৩ বজাৰ পৰা ৰাতি ১১ বজালৈ আকৌ লিখা-পঢ়াত ব্যস্ত।" •

একান্ত সাধনা, দৃঢ়মন আৰু জীৱন-স্বীকাৰ প্ৰতি গভীৰ বোধ থকা পুৰুষৰ এয়া আদৰ্শ লক্ষণ।

•' অসমীয়া ভাষাৰ এৰা বোটলা'(শব্দকোষ)—শৰৎ চন্দ্ৰ শৰ্মা

• ৰূপজ্যোতি : ৰূপ নগৰ শাখা সাহিত্য সভা (১৯৯১)

আদৰ্শ-আচাৰ্য্য পণ্ডিত ৰজনীকান্ত দেৱশৰ্মা

শাস্ত্ৰ ব্যাখ্যাকাৰী ভাগৱতাচাৰ্য্যঃ

গুৱাহাটীৰ আমবাৰীত তেওঁ সুন্দৰকৈ এটি আবাসগৃহ নিৰ্মাণ কৰিছিল। মৃত্যুৰ আগৰ ৩০ বছৰকাল এই গৃহৰ পৰাই প্ৰতি ৰবিবাৰে মৈ ব্যসকুছিত জন্ম গ্ৰহণ কৰা ৰজনীকান্তই হৰিসভাত 'শ্ৰীমদভাগৱত' ব্যাখ্যা কৰিছিল। প্ৰতিশনিবাৰে বিগত ১০ বছৰ কাল গধূলি বাৰোৱাৰী নামঘৰত এই মহান গ্ৰন্থৰ শ্লোক ব্যাখ্যা কৰিছিল। ১৯৭৯ চনৰ পৰা গুৱাহাটীৰে 'সমাধান চক্ৰ'ৰ মাহিলী বৈঠকত প্ৰায়ে নিয়মীয়া ভাবে উপনিষদৰ ব্যাখ্যা আগবঢ়াইছিল। শ্ৰোতাবৃন্দ সকলো বিজ্ঞ ব্যক্তি আছিল। কিন্তু সকলোৱেই দেৱশৰ্মা দেৱৰ বিশ্লেষণ, সৰল ব্যাখ্যা শুনি ভাৱগত, বিমুগ্ধ হৈ আছিল। ভাৰতীয় ধৰ্ম আৰু সমাজ-জীৱনৰ মূল গ্ৰন্থ 'উপনিষদ' 'গীতা' 'ভাগৱত'ৰ ওপৰত সূক্ষ্ম আৰু গভীৰ জ্ঞান লাভ আৰু ভাৰতীয় ঐতিহ্যৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা থকাৰ বাবেই তেওঁ অতীৱ শ্ৰুতি-মধুৰ চিত্তাকৰ্ষণকাৰী, শাস্ত্ৰ ব্যাখ্যাকাৰী আচাৰ্য্য হৈ উঠিব পাৰিছিল। ১৯৯০ চনত 'সমাধান চক্ৰ'ই তেওঁক পাচদিন আগতে এই চক্ৰত তেওঁ 'প্ৰশ্নোপনিষদ'ৰ তাত্বিক ব্যাখ্যা উপস্থাপন কৰিছিল।

এই ব্যাখ্যা আৰু বিশ্লেষণৰ মাজত তেওঁ উদাৰ আৰু বিজ্ঞানসম্মত যুক্তিৰ অৱতাৰণা কৰিছিল আৰু বৰ্ত্তমান সামাজিক পৰিবেশৰ লগত শাস্ত্ৰীয় উদাৰ মতৰ মিলন ঐক্য প্ৰোথিত কৰিছিল।

সাহিত্য কৃতিঃ

অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা দেৱৰ সাহিত্য কৃতি বহুলা কিঞ্চিত। সংখ্যাত তাকৰিয়া বুলি আৰু পূৰ্ণাঙ্গ মৌলিক অসমীয়া গ্ৰন্থ নাই বুলি তেওঁৰ কৃতি সম্পৰ্কে কোৱা হয়। কিন্তু কৰ্ম ব্যস্ত জীৱনৰ সকলো দিশতে নিজৰ কৃতকাৰ্য্যতা প্ৰদৰ্শন কৰি সমাজ জীৱনত আৰু ব্যক্তিগত জীৱনত যিখিনি অবিহণা আগবঢ়ালে তাৰ মূল্য তুলনা বিহীন। ড° মহেশ্বৰ নেওগে কৈছে যে তেওঁৰ পাণ্ডিত্যৰ অনুপাতে তেওঁৰ সাহিত্য ৰচনা পোৱা নগল। কিন্তু 'আলিকটা যি কেইডাল পুষ্পহাৰ' আছে সি অতি সাৰগৰ্ভ আৰু মৌলিক বিচাৰেৰে সমৃদ্ধ।

পূৰ্ব উল্লেখিত 'অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা : প্ৰতিভা আৰু ব্যক্তিত্ব' গ্ৰন্থখনত তেওঁৰ প্ৰায় সকলো লেখা খিনিৰ বিষয়ে দুগৰাকী লেখকে আলোচনা কৰিছে। অশোক কুমাৰ গোস্বামী আৰু উপেন্দ্ৰ নাথ শৰ্মাই। এই প্ৰবন্ধ দুটাতে আঙুলিয়াই আমি মাত্ৰ ইয়াত ৰচনা-সম্ভাৰৰ উল্লেখহে কৰিলো। এইটোও ঠিক যে যদি তেওঁৰ সিঁচৰিত হৈ থকা গল্প আৰু প্ৰবন্ধখিনি খুপ খুৱাই পৃথকে পৃথকে সংকলন কৰি প্ৰকাশ কৰিব পৰা গলহেতেন, তেতিয়া ই চমকপ্ৰদ সাহিত্য সম্ভাৰ হলহেতেন। (এতিয়া অন্ততঃ সমস্ত লেখাখিনি 'ৰচনা সমগ্ৰ' হিচাপে প্ৰকাশ কৰাৰ চেষ্টা কৰাৰ উপৰিও তাৎকালিক ভাবে গল্প কেইটা আৰু প্ৰবন্ধ সমূহ সুকীয়া গ্ৰন্থত প্ৰকাশ কৰাৰ কাৰ কোনো অনুষ্ঠানে যতন ললে ভাল হয়।) অসমীয়া চুটি গল্পৰ ঐতিহাসিক সমীক্ষাৰ বাবে 'আৱাহন'ৰ পাততে প্ৰকাশ হোৱা আৰু অন্যান্য পত্ৰিকাত ওলোৱা এই গল্প কেইটাৰ প্ৰয়োজন সৰ্বাধিক। তেওঁৰ প্ৰবন্ধবোৰৰ চিন্তা আৰু বিচাৰ ইমান সুগভীৰ আৰু মৌলিক যে উচ্চ শ্ৰেণীৰ চিন্তাশীল লেখক, গৱেষক আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ বাবে অতীৱ প্ৰয়োজনীয় হৈ উঠিব।

দেৱশৰ্মা দেৱৰ কাউৰতে পোৱা লেখা খিনিৰ তালিকা এনেধৰণৰ ঃ

(১) কলিকতা বিশ্ববিদ্যালয়ত পঢ়িবলৈ সময়ত 'আৱাহন'ৰ দায়িত্ব গ্ৰহণ কৰি থাকোতে তেওঁ পৰিচালনা কৰা শিতান সমূহ ঃ 'মহিলা জগত', 'বৈজ্ঞানিক জগত', বিশ্বপ্ৰবাহ' ইত্যাদি। 'আৱাহন'ৰ এই শিতান কেইটা অতীৱ আকৰ্ষণকাৰী আৰু অনন্য আছিল। আজিৰ আলোচনীয়ে ইয়াক অতিক্ৰম কৰিব পৰা নাই। তেওঁ নিজেই এইবোৰ সংগ্ৰহ কৰিছিল।

(২) 'নিশা নাথ শৰ্মা' নামত লেখা অনুবাদ মূলক গল্প আৰু ৰচনা সমূহ। তেনে এটা প্ৰবন্ধ 'জাৰ্মান নাৰীৰ ঔপনিবেশিক শিক্ষা'।

(৩) 'আৱাহন'ত তেওঁ লিখা গল্প কেইটাৰ উপৰিও স্বৰ্গীয় হৰেন্দ্ৰ নাথ শৰ্মাৰ সম্পাদনাত 'পখিলা'ৰ 'মিঠাৰাম পণ্ডিত', ৰঘুনাথ চৌধুৰীৰ সম্পাদিত 'সুৰভীত লিখা 'অভিনয়ৰ মূল্য' নামৰ গল্প ইত্যাদি। 'আৱাহন' (৮ম বছৰ, ৪ৰ্থ সংখ্যা)ৰ এটি গল্প 'দূৰদৰ্শিতা'। এই আলোচনীতে প্ৰকাশিত আন গল্প দুটা হ'ল–'আবেগৰ ধুমুহা' আৰু 'কলংক'।

অসমীয়া গল্প সাহিত্যৰ আৱৰ্তনী কালৰ সৃষ্টি যদিও ৰজনীকান্ত দেৱশৰ্মাৰ এই গল্প কেইটাই তেওঁৰ সৃষ্টি শীল মনৰ পৰিচয় ফুটাই তুলিছিল। সেই সময়ৰ অসমৰ সামাজিক আৰু ৰাজনৈতিক পৰিৱেশৰ পটভূমিত ৰচিত গল্পকেইটাৰ কথা বস্তু আকৰ্ষণীয়, উপভোগ্য আৰু তিৰ্যক ব্যংগবোধেৰে বঞ্জিত। লেখকৰ ব্যক্তিগত ভাবে হাস্যৰসৰ যি প্ৰতিভা বিদ্যমান, সিও গল্পত প্ৰতিফলিত হোৱা দেখা যায়। পৰৱৰ্তী জীৱনত তেওঁ আৰু এই মাধ্যমৰ প্ৰয়োগ কৰা দেখা যায়।

প্ৰবন্ধ–সম্ভাৰ ঃ

বিস্তৃত অধ্যয়ন, অধ্যাপনা, গভীৰ উপলব্ধিবোধ আৰু অতি উচ্চ মানসিক চিন্তাবিকাশ লাভ কৰাৰ ফলত ৰজনীকান্ত দেৱশৰ্মা সু প্ৰবন্ধকাৰ হব পাৰিছিল। থাউকতে পোৱা আৰু পূৰ্বে-উল্লেখিত স্মৃতি-চাৰণ গ্ৰন্থত উল্লেখ কৰা ৰচনা সমূহৰ পৰা তলত উল্লেখিত প্ৰবন্ধ কেইটা সংগ্ৰহ কৰিব পৰা যায়।

(১) সংস্কৃত ৰূপকত হাস্যৰস (প্ৰবন্ধাৱলী'– ১৯৫৭ খ্ৰীঃ)।

(২) 'মুদ্ৰা ৰাক্ষস' নাটকৰ ভূমিকা (১৯৬৩ খ্ৰীঃ)। দেৱশৰ্মাদেৱে বিশাখ দত্তৰ এই সংস্কৃত নাটকখনৰ সুন্দৰ অসমীয়া ভাষালৈ অনুবাদ কৰিছে অসম সাহিত্য সভাৰ অনুৰোধ মতে। বিশাখ দত্তই এই অসমতে এই নাটকখন লিখিছিল বুলি এটি মতবাদ আছে। সেইবাবে এই গ্ৰন্থখনৰ প্ৰতি এটি বিশেষ আকৰ্ষণ আছে। দেৱশৰ্মাদেৱে এই জটিল নাটকখন অসমীয়ালৈ অনুবাদ কৰি বিশেষ অৱদান দিলে। তাৰ লগতে এই নাটকখনৰ ভূমিকাত নাটকখনৰ নাট্যকাৰ, তেওঁৰ পৰিচয় আৰু অন্যান্য প্ৰাসঙ্গিক বিষয়ৰ ওপৰত এটি পাণ্ডিত্যপূৰ্ণ সমীক্ষা সন্নিবিষ্ট কৰিছে। ই তেওঁৰ বিস্তৃত সাহিত্য জ্ঞানৰ পৰিচয়।

(৩) কাব্য-মহাকাব্য আৰু খণ্ডকাব্য (১৯৬৩ খ্ৰীঃ–'সাহিত্য-সমীক্ষা' শীৰ্ষক প্ৰবন্ধ গ্ৰন্থত প্ৰকাশিত)।

(৪) **Some Distinguished Traditional Sanskrit Scholars** । (গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৬৪ খ্ৰীঃৰ xv. No. 1 সংখ্যা **Journal** ত প্ৰকাশিত)। ই এটি মূল্যবান প্ৰবন্ধ। নলবাৰীত থকা সংস্কৃত সত্ৰীৰলী সভাৰ পুথিভঁৰালত সাঁচি-পতীয়া মৌলিক পুথি পাঞ্জি ঘাটি আৰু অন্যান্য গ্ৰন্থ অধ্যয়ন কৰি উনবিংশ আৰু বিংশ শতিকাৰ অসমৰ সংস্কৃত কবি আৰু পণ্ডিত সকলৰ কৃতি আৰু কৃতিত্বৰ ওপৰত এটি গৱেষণা নিবন্ধ আগবঢ়াইছে। ইংৰাজী

ভাষাত সুন্দৰ টাইলেৰে লেখা এই ৰচনাত ইংৰাজী ভাষাৰ ওপৰতো দেৱশৰ্মা দেৱৰ দখলৰ নিদৰ্শন পোৱা যায়।

এই ইংৰাজী প্ৰবন্ধৰ আলমতেই তেওঁ অসমীয়া 'সংস্কৃত সাহিত্য আৰু কামৰূপীয় পণ্ডিতৰ পাণ্ডিত্য ঃ এটি অধ্যয়ন' নামৰ এটি বিস্তৃত প্ৰবন্ধ লেখিবলৈ হাতত লৈছিল। ইয়াৰ মুখ্য অংশ কামৰূপ জিলা সাহিত্য সভাৰ ১৯৯১ চনৰ জুন মাহত প্ৰকাশিত শ্ৰী ধীৰেন শৰ্মা সম্পাদিত 'ঐতিহ্যমণ্ডিত কামৰূপ' গ্ৰন্থত ছপা হৈছিল। দেৱশৰ্মা দেৱে এইটো লিখিবলৈ লৈছিল ১৯৯০ চনৰ ডিচেম্বৰ মাহ মানৰ ভিতৰত অথবা মৃত্যুৰ কিছুদিন আগত। সম্পাদকে লিখামতে ইয়াৰ আৰু কিছু অংশ কেইদিনমান পাছত সম্পূৰ্ণ হলহেঁতেন। কিন্তু মৃত্যুৱে তেওঁক এই কাম সম্পূৰ্ণ কৰিব নিদিলে। সম্ভৱতঃ এয়েই তেওঁৰ শেষ লেখা আছিল। সেইবাবে এই প্ৰবন্ধৰ এটি বিশেষ গুৰুত্ব আছে।

(৫) Bezbaroa as an Exponent of Religion and philosophy. (১৯৭২ খ্ৰীঃ। বেজবৰুৱা জন্ম-শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰা ড° মহেশ্বৰ নেওগ সম্পাদিত Laxhsminath Beazboroa—The Sahityarathi of Assam গ্ৰন্থত অন্তৰ্ভুক্ত)।

(৬) Humanism in Sankar Dev's teaching (১৯৭২ খ্ৰীঃ বিবেকানন্দ পত্ৰিকা)।

(৭) ভাৰতীয় সাহিত্য-সমালোচনাৰ মূল সূত্ৰ (১৯৭৪ খ্ৰীঃ) ('প্ৰবন্ধ নিচয়' গ্ৰন্থ—গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া সাহিত্য চ'ৰাৰ দ্বাৰা প্ৰকাশিত)।

(৮) 'কৌটিলীয় অৰ্থশাস্ত্ৰ' অনুবাদ গ্ৰন্থৰ পাতনি—উপক্ৰমণিকা (১৯৭৭ খ্ৰী)।

এই প্ৰসিদ্ধ গ্ৰন্থ খনৰ অনুবাদ যুটীয়াভাৱে অধ্যাপক দেৱ শৰ্মা আৰু ড° ভিৰেন্দ্ৰ শৰ্মা দেৱে কৰিছিল। অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰিছিল আৰু অধ্যাপক দেৱশৰ্মাই সম্পাদনা কৰিছিল। গ্ৰন্থখন আৰু ৰচক সম্পৰ্কে এটি সুদীৰ্ঘ, তথ্যসমৃদ্ধি পাতনি দেৱশৰ্মা দেৱে লিখি গৈছে। অসমীয়া সমাজ আৰু অসমীয়া সাহিত্যলৈ অধ্যাপক মনোৰঞ্জনকান্ত দেৱ শৰ্মাৰ এই গ্ৰন্থৰ অনুবাদ আৰু উল্লেখিত পাতনি এক অনুপম আৰু আপুৰুগীয়া দান।

(৯) 'তৰুণ প্ৰশস্তি স্তবকম' (১৯৭৭ খ্ৰী)।

(অসম সাহিত্য সভাই উদযাপন কৰা তৰুণ ৰাম ফুকন জন্ম শতবাৰ্ষিকী উপলক্ষে প্ৰস্তুত কৰা 'তৰুণ-স্মৃতি' স্মৃতিগ্ৰন্থত সন্নিবিষ্ট। ই দেৱ শৰ্মা দেৱে ৮টা ছন্দোবদ্ধ সংস্কৃত শ্লোকত ৰচনা কৰা দেশভক্ত তৰুণ ৰাম ফুকনৰ ওপৰত কৰা প্ৰশস্তি কবিতা। ভাৰতৰ স্বাধীনতা যুঁজৰ অসমৰ একেধাৰী অগ্ৰণীনেতা দেশভক্ত ফুকন এজন সাহিত্যিকো আছিল আৰু অসম সাহিত্য সভাৰ একেধাৰী সভাপতি আছিল। সংস্কৃতত ৰচনা কৰা এই স্তবক সুখপাঠ্য, সুশ্ৰাব্য আৰু সহজবোধ্য।

(১০) শঙ্কৰদেৱৰ অনুবাদ ৰীতি (১৯৭৮ খ্ৰী—শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন' প্ৰবন্ধ সংকলন)।

(১১) প্ৰাচীন আৰু মধ্যযুগত অসমত সংস্কৃত শিক্ষা (১৯৮০ খ্ৰী) প্ৰাচ্যজ্যোতি' আনন্দ ৰাম বৰুৱা স্মাৰক বক্তৃতা মালাৰ দ্বিতীয় বক্তৃতা)।

(১২) আত্মাহৰ-স্মৃতি (১৯৮১ খ্ৰী অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'নগেন্দ্ৰ নাৰায়ণ চৌধুৰী' গ্ৰন্থত প্ৰকাশিত)।

(১৩) ভাগৱত ধৰ্ম (১৯৮১ খ্ৰী–গুৱাহাটীৰ গীতা সমাজৰ দ্বাৰা প্ৰকাশিত 'গীতা দৰ্শন' নামৰ প্ৰবন্ধ সংগ্ৰহত সন্নিবিষ্ট) ।

(১৪) উপনিষদৰ যুগৰ শিক্ষা (১৯৮১ খ্ৰী–ৰঙালী মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ 'স্মৰণিকা'ত অন্তৰ্ভুক্ত))।

(১৫) ভাৰতীয় সংস্কৃতিৰ বেদীত উৎসৰ্গীকৃত জীৱন কৃষ্ণকান্ত (১৯৮২ খ্ৰী– 'প্ৰকাশ' সপ্তম বছৰ, দশম সংখ্যা) ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ ৰজনীকান্ত বৰ প্ৰিয়পাত্ৰ আছিল। ৰতনে ৰতন চিনাৰ দৰে কৃষ্ণকান্তই ৰজনীকান্তৰ পাণ্ডিত্য, অধ্যয়ন, কৰ্মনিষ্ঠা আৰু সততা বুজিব পাৰিছিল আৰু সেয়া শিক্ষা সংক্ৰান্ত যথেষ্ট বিশ্ববিদ্যালয়ৰ কাম দেৱশৰ্মাদেৱক তেওঁ অৰ্পন কৰিছিল আৰু পৰামৰ্শ গ্ৰহণ কৰিছিল। ৰজনীকান্তই প্ৰভূত প্ৰেৰণ লাভ কৰা এইজন পণ্ডিতৰ ওপৰত নিজে কৰা আলোচনা সেয়ে অত্যন্ত আন্তৰিক আৰু একনিষ্ঠ ।

(১৬) ৰাসলীলা (১৯৮৩ খ্ৰীঃ) মুখপত্ৰ পলাশবাৰী ৰাস উৎসৱ সমিতি))।

(১৭) সংস্কৃতিৰ প্ৰতীক শঙ্কৰদেৱ (১৯৮৭ খ্ৰী–'শঙ্কৰ অভিক্ষেপ' প্ৰবন্ধ সংকলনঃ গুৱাহাটী পূৰ্বজ্যোতি প্ৰকাশন : সম্পাদনা, ভৱপ্ৰসাদ চলিহা ।)

(১৮) ভট্টদেৱ (১৯৮৭ খ্ৰী 'ৰঙালী দৰ্পন') । বৈষ্ণৱ ধৰ্মপ্ৰাণ ভাগৱত ভক্ত অধ্যাপক ৰজনীকান্ত দামোদৰ দেৱ ভট্টদেৱ মানসিকতা প্ৰেমী । স্বাভাৱিক প্ৰেৰণাৰেই সেয়ে এই প্ৰবন্ধত দেৱশৰ্মা দেৱে বিস্তৰ তথ্য আগবঢ়াইছে ।

(১৯) আনন্দৰাম বিৰচিতং জানকীৰাম ভাষ্যম্ ('প্ৰাচ্যভাৰতী'– অসম সংস্কৃত বোৰ্ডৰ মুখপত্ৰ) ।

স্বনামধন্য পণ্ডিত আনন্দৰাম বৰুৱাৰ নাট্যকাৰ ভৱভূতি বৰ প্ৰিয় লেখক আছিল । 'মহাবীৰ চৰিত' নাটকৰ ওপৰত আনন্দৰামে প্ৰস্তুত কৰা সংস্কৃত টীকাৰ নামকৰণ কৰিছিল জানকীৰাম ভাষ্যম্ তেওঁৰ প্ৰয়াত ভাতৃ জানকীৰামৰ স্মৃতিৰ উদ্দেশ্যে । দেৱশৰ্মা দেৱে আনন্দৰামৰ এই ভাষ্যটিৰ বিষয়ে সংস্কৃতত সুন্দৰভাৱে সমীক্ষা কৰিছে । নাট্যকাৰ ভৱভূতি আৰু পণ্ডিত আনন্দৰামৰো ওপৰত আলোচনা কৰিছে । সংস্কৃত ভাষাৰ ওপৰত তেওঁৰ যি ব্যুৎপত্তি তাৰো এই ৰচনা এক অনন্য স্বাক্ষৰ ।

(২০) 'অসমীয়া ভাষাৰ এৰা বোটলা' শব্দকোষৰ ভূমিকাত এই গ্ৰন্থৰ ৰচক প্ৰাচ্যবিদ স্বৰ্গীয় শৰৎচন্দ্ৰ শৰ্মাৰ ওপৰত লেখা জীৱনী প্ৰবন্ধ । (খ্ৰী ১৯৮৯) ।

দেৱশৰ্মা দেৱে এইলেখক জনৰ ওপৰত ইমান সুন্দৰ ভাৱে এই প্ৰবন্ধত আলোচনা কৰিলে যে তেওঁৰ লেখা খিনি অতি আকৰ্ষণীয় আৰু সুখপাঠ্য হ'ল ।

(২১) আনন্দৰাম বৰুৱা (১৯৮৯ খ্ৰী) ।

(কামৰূপ জিলা সাহিত্য সভাৰ 'কামৰূপ' আৰু সপ্তম শ্ৰেণীৰ অসমীয়া সাহিত্যৰ পাঠ্যপুথি 'সাহিত্য চয়ন'ত সন্নিবিষ্ট ।

(২২) শক্তিতত্ব দেৱীদত্ব (১৯৯১ খ্ৰী) ।

(১৯৯১ চনৰ ১১ অক্টোবৰত প্ৰকাশিত পূজা সংখ্যা 'অসমবাণী'ত প্ৰকাশিত).

তেওঁৰ আন কেইটিমান প্ৰবন্ধ হৈছে 'কালিদাস আৰু জ্যোতিৰ্বিদ্যা', 'সনাতন ধৰ্ম আৰু ইয়াৰ বৈশিষ্ট্য', 'ঐতিহ্য আৰু পুৰাবৃত্ত', 'গীতাৰ সাৰ', অসমীয়া জাতি আৰু শৰৎ চন্দ্ৰ' ।

আদর্শ-আচাৰ্য্য পণ্ডিত ৰজনীকান্ত দেৱশৰ্মা

ভিন্ন ভিন্ন বিষয়ৰ ওপৰত অসমান্য তাত্বিক দখলেৰে লিখা এই প্ৰবন্ধ বোৰৰ মাজত তেওঁৰ বুৎপত্তি, ব্যাপক অধ্যয়ন, আৰু বিচাৰৰ মৌলিকতা প্ৰকাশ পাইছে। অধ্যাপকৰ মানসিকভাৱে পাঠকক জ্ঞান বিতৰণৰ প্ৰয়াস দেখা যায়। মন কৰিবলগীয়া বিষয় এয়ে যে ৰচনাৰ বিষয়বস্তুৰ চয়নত ভাৰতীয় আৰু অসমৰ প্ৰাচীন সংস্কৃতি, ঐতিহ্য আৰু ঐতিহ্য স্ৰষ্টা পণ্ডিত সকলৰ সৃষ্টিৰ প্ৰতিহে লেখক আকৰ্ষিত হৈছে।

অনুবাদ গ্ৰন্থ আৰু সম্পাদিত সৃষ্টিঃ

(১) অধ্যাপক ৰজনী কান্ত দেৱ শৰ্মা দেৱৰ প্ৰথম অনুবাদ গ্ৰন্থ 'মুদ্ৰাৰাক্ষস' নাটকৰ অসমীয়া অনুবাদ। অসম সাহিত্য সভাই প্ৰদান কৰা এই দায়িত্ব কৃতিত্বৰে তেওঁ সম্পন্ন কৰি দিয়ে।

এই অনুবাদ গ্ৰন্থৰ বৈশিষ্ট্য অননুকৰণী। বিভিন্ন লেখকে ইয়াৰ প্ৰসংশা কৰিছে।

(২) 'কৌটিলীয় অৰ্থশাস্ত্ৰ'ৰ অনুবাদ এক অতি জটিল আৰু দুৰুহ কাম। প্ৰাচীন সংস্কৃতৰ পৰা মূল ভাব উপলব্দি কৰি তাক অসমীয়া সমাৰ্থক শব্দেৰে প্ৰকাশ কৰা সহজ নহয়। প্ৰবীন জ্ঞান পিপাসু বিদগ্ধ সংস্কৃতজ্ঞ ৰজনীকান্ত দেৱশৰ্মাৰ একনিষ্ঠ প্ৰচেষ্টা আৰু ড° তিৰ্থেশ্বৰ শৰ্মাৰ যুটীয়া প্ৰয়াসতহে ই সম্ভৱ হৈ উঠে। অসম প্ৰকাশন পৰিষদে ইয়াক প্ৰকাশ কৰে।

ই এখন মৌলিক গ্ৰন্থৰ দৰেই হৈ পৰিছে।

(৩) ৰজনীকান্ত দেৱশৰ্মা দেৱৰ অনন্য কীৰ্তি তেওঁৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা 'অসমীয়া বিশ্বকোষ'ৰ ১ম খণ্ড। তাৰ বাবে তেওঁ অসাধাৰণ পৰিশ্ৰম কৰিছিল। সকলো দিশতে তেওঁ চকু দিব লগা হৈছিল। প্ৰাঞ্জল ভাষা লেখাৰ অধিকাৰী হোৱা বাবে আৰু শব্দৰ জ্ঞানৰ ওপৰত অগাধ বুৎপত্তি লাভ কৰা বাবে তেওঁ বিৰল গ্ৰন্থসমূহৰ সম্পাদনা, অনুবাদ আৰু প্ৰভূতিত মুখ্য ভূমিকা লবলগীয়া হৈছিল। দ্বিতীয় খণ্ড 'বিশ্বকোষ' সমাপন কৰিবলৈ তেওঁক ভগৱানে সময় নিদিলে।

(৪) 'আধুনিক অসমীয়া অভিধান' অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰি উলিয়ায়। তিনি গৰাকী প্ৰসিদ্ধ পণ্ডিতে (ড° মহেশ্বৰ নেওগ, কবি নৱকান্ত বৰুৱা আৰু অধ্যাপক ৰজনীকান্ত দেৱ শৰ্মাই) ইয়াক প্ৰনয়ন কৰে। কিন্তু শব্দ তত্ব আৰু শব্দ ব্যাখ্যাৰ ক্ষেত্ৰত গুৰি ধৰিছিল ই পণ্ডিত প্ৰবৰ জনাই।

(৫) 'ভাৰত নাট্য শাস্ত্ৰ'ৰ অনুবাদ, গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা সংস্কৃত মহাভাৰতৰ অনুবাদৰ বহু অংশ আৰু 'ৰুক্মিনীহৰণ' নাটৰ সম্পাদনা কাৰ্য্যও অধ্যাপক ৰজনীকান্ত দেৱ শৰ্মাৰেই।

(৬) মৃত্যুৰ আগে আগে মহাপুৰুষ হৰিদেৱ ৰচিত 'ভক্তিৰস তৰংগিনী' গ্ৰন্থখনিৰো তেওঁ সম্পাদনা কৰি গৈছে।

(৭) বিশ্বখ্যাত পণ্ডিত আনন্দৰাম বৰুৱাৰ জীৱন ব্যাপী কৰা সাধনাৰ ফলশ্ৰুতি তেওঁৰ গ্ৰন্থৰাজি অসম প্ৰকাশন পৰিষদে পুনৰ্মুদ্ৰন কৰি উলিওৱা কাৰ্য্য এটি ঐতিহাসিক গুৰুত্বপূৰ্ণ মহান কাম। এই প্ৰকাশন সহজ সাধ্য নাছিল। আখৰ জালত, মূলপাঠ, বৰ্ণাশুদ্ধি আদি সম্পূৰ্ণ সমীক্ষা কৰি শুদ্ধভাৱে উলিওৱা কাৰ্য্যত এগৰাকী অসামান্য পণ্ডিতৰ প্ৰয়োজন। এই অভাৱ পূৰণ কৰিছিল এইজনা কৃতবিদ্য অধ্যাপকে। নহলে হয়তো এই কাম সম্পূৰ্ণ নহলহেতেন। দেশসেৱা আৰু সাৰস্বত সাধনাৰ বাবে ইয়াতকৈ আৰু কি মহান কাম থাকিব পাৰে ?

ইয়াৰ বাহিৰেও তেওঁ অধ্যাপনা কালৰ আগভোৰবতে সংস্কৃত পাঠ্যপুথি অভাৱৰ উপলব্ধি কৰি পাঠ্যপুথিও প্ৰণয়ন কৰিব লগা হয়। সপ্তম আৰু অষ্টম শ্ৰেণীৰ বাবে 'শিক্ষাপ্ৰদীপ' (প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড) আৰু 'সংস্কৃত ভাষা প্ৰদীপ' ব্যাকৰণ তেওঁ ৰচনা কৰিছিল। এই পাঠ্যপুথি কেইখনত অধ্যাপক দেৱশৰ্মা দেৱৰ বৈশিষ্ট্যপূৰ্ণ স্বকীয় কৃতিত্ব ফুটি উঠিছিল। ব্যাকৰণ খনত আধুনিক বৈজ্ঞানিক পদ্ধতিৰ শিক্ষাদানৰূপ প্ৰস্ফুটিত হৈছিল।

সাহিত্য-কৃতিৰ ইমানখিনি কাম ভাকৰীয়া বুলি কব নোৱাৰি। তদুপৰি সিঁচৰতি হৈ থকা তেওঁৰ অন্যান্য লেখা আৰু ওলাব।

দেৱশৰ্মা দেৱ চাৰিত্ৰিক বৈশিষ্ট্যত অতি বিনয়ী আৰু মৰমিয়াল আছিল। জ্ঞান আৰু পাণ্ডিত্যৰ অহমিকা কোনো দিনেই তেওঁ কৰা নাছিল। কেতিয়াও বিতৰ্কমূলক নাছিল। কিন্তু শিক্ষক হিচাপে কৰবাত ভুল দেখা পালে বা জ্ঞানৰ ভুল ব্যাখ্যা হলে তেওঁ অমায়িক ব্যৱহাৰ আৰু হাস্যৰসৰ মাজেদি সমাধান কৰিবলৈ বিচাৰিছিল। পঞ্চাশৰ দশকত 'ক্ৰন্দসী' শব্দটোৰ প্ৰয়োগ সম্পৰ্কত ড° মহেশ্বৰ নেওগ আৰু ৰজনীকান্ত দেৱশৰ্মা দেৱৰ মাজত এটি সুন্দৰ বিদ্যায়তনিক বিতৰ্ক হৈছিল। এই লেখাৰ পৰাই শৰ্টকৈ অধ্যাপক ৰজনীকান্ত শৰ্মাৰ বৈদিক সাহিত্য আৰু লগতে প্ৰান্তীয় ভাষা-সাহিত্য বিশেষকৈ বঙালী সাহিত্য আৰু ৰবীন্দ্ৰ নাথৰ সাহিত্যৰ বিষয়ে বিশেষ জ্ঞানৰ পৰিচয় পাব পাৰি। এই খিনি লেখাও তেওঁৰ প্ৰবন্ধ ৰচনাৰ ভিতৰত ধৰ্তব্য।

চাকৰিৰ অৱসৰৰ পাছত তেওঁ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ লগতো জড়িত হৈ ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ সংৰক্ষণৰ বাবে বিস্তৰ সেৱা আগবঢ়ালে।

সৎকৰ্মৰ মাজেদি সাধুজীৱন যাপন কৰি সাধুসেৱা আগবঢ়াই সমাজ জীৱনক প্ৰোজ্জ্বল কৰা এই মহান ব্যক্তি জন সঁচাকৈয়ে কামৰূপৰ জ্ঞান আৰু সাহিত্য-ৰত্ন আছিল। ০০০